DIAMOND JUBILEE YEAR
1956-2016

৩৮ সংখ্যক

# মনীষা

## হীৰক জয়ন্তী বিশেষ সংখ্যা



TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

**সম্পাদক ঃ বিশ্বজিৎ বড়া**



# মহাবিদ্যালয় সংগীত

গীতিকাৰ ঃ ডঃ মদন শৰ্মা
সুৰকাৰ ঃ বিজন দত্ত

তমসো মা জ্যোতির্গময়
উঠাহে জাগাহে
তমসা ফালি ওলাল বেলি
মুক্ত হ'ল আজি জ্যোতিৰ পথ
চলে জ্যোতিৰ পথে-পথে জীৱন ৰথ।
উন্মুক্ত দিগন্ত আজি
দৃষ্টিৰ পথ ঢাকি
মাথোঁ পোহৰৰ পখী উৰে
পাখিৰ ৰহণ লাগি
উজলে গতিপথ।
উঠাহে জাগাহে
মৃত্যুৰ সীমা ভাঙি
অমৃত জীৱনকে
সত্যৰ পোহৰতে
উজ্জ্বল কৰিবলে
লওঁ যে শপত।

আলোকচিত্ৰ সৌজন্য ঃ কমল মৰাণ

TINSUKIA COLLEGE LIBRARY ESTD 1956 TINSUKIA, ASSAM

# মনীষা

## তিনিচুকীয়া মহাবিদ্যালয় আলোচনী

**হীৰক জয়ন্তী বিশেষ সংখ্যা**

৩৮ তম্ সংখ্যা • ২০১৫-১৬ বৰ্ষ

# Manisha

## Tinsukia College Magazine

**Diamond Jubilee Special Issue**

38th Issue 2015-16 Year

শ্ৰদ্ধা, প্ৰীতি আৰু আন্তৰিক শুভেচ্ছাৰে —

.........................................................................

.........................................................................

সম্পাদক

বিশ্বজিৎ বড়া (কাক)

MANISHA: An Annual Magazine of Tinsukia College, Tinsukia. Published by the Tinsukia College Students' Union, Edited by Biswajit Borah (2015-16)

## সম্পাদনা সমিতি




সভাপতি ঃ ড° ভুবন গগৈ

উপদেষ্টামণ্ডলী ঃ ময়ূৰী শৰ্মা বৰুৱা
কনক কলিতা
দেৱানন্দ ভট্টাচাৰ্য্য
ড° নীলিমজ্যোতি সেনাপতি
ড° ৰত্নগোপাল গগৈ
ড° ৰুবী বৰুৱা
দেৱকান্ত বুঢ়াগোহাঁই

সম্পাদক ঃ বিশ্বজিৎ বড়া (কাক)

সদস্য/সদস্যা ঃ প্ৰবেন ফুকন
ৰতন চেতিয়া
বনিশা শইকীয়া
কল্পজিৎ ঘৰফলীয়া
আফছানা বেগম
কৃষ্ণ বৰ্মন

বেটুপাত শিল্পী ঃ হেমচন্দ্ৰ গগৈ

অঙ্গসজ্জা ঃ বিকাশজ্যোতি শইকীয়া, জয়ন্ত গগৈ, বিশ্বজিৎ বড়া (কাক)

প্ৰকাশক ঃ তিনিচুকীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা-২০১৫-১৬ বৰ্ষ

মুদ্ৰণ ঃ অসম এণ্টাৰপ্ৰাইজেজ
কলেজ পথ, পৰ্বতীয়া
তিনিচুকীয়া-৭৮৬ ১২৫ (অসম)
দূৰভাষ ঃ ৯৫৪৬ ৮৭১২২, ৯৪৩৫৪ ২৭৯৫৩
E-mail : assamenterprises.alak@gmail.com

**38th Issue**




## উচৰ্গা

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

অন্যায়ৰ সৈতে আপোচ কৰিব নোখোজা তিনিচুকীয়া মহাবিদ্যালয়ৰ প্ৰতিগৰাকী অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰীসকলৰ হাতত।

।। সম্পাদনা সমিতি।।

# পদূলিমুখত

ঋণী হ'লো জীৱনৰ বাবে...
কৃতজ্ঞ হ'লো সময়ৰ বাবে...

Ø মাননীয় অধ্যক্ষ ড° ভুবন গগৈ মহোদয়।

Ø উপাধ্যক্ষ ড° অপূৰ্ব ভাস্কৰ গগৈ মহোদয়।

Ø উপদেষ্টামণ্ডলী ঃ ময়ূৰী শৰ্মা বৰুৱা, কনক কলিতা, দেৱানন্দ ভট্টাচাৰ্য্য, ড° নীলিমজ্যোতি সেনাপতি, ড° ৰত্নগোপাল গগৈ, ড° ৰুবী বৰুৱা, দেৱকান্ত বুঢ়াগোহাঁই।

Ø শুভেচ্ছাবাণী আগবঢ়োৱা মাননীয় শিক্ষামন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মা, অলক কুমাৰ বুঢ়াগোহাঁই মহোদয়, ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য ডাঙৰীয়া, মাননীয় উপায়ুক্ত মহোদয়, লুৰিণজ্যোতি গগৈ ডাঙৰীয়া।

Ø মহাবিদ্যালয়ৰ প্ৰতিজন ছাৰ-বাইদেউ।

Ø অসম আৰক্ষীৰ অতিৰিক্ত সঞ্চালক প্ৰধান শ্ৰদ্ধাৰ কুল শইকীয়া মহোদয়।

Ø ছাত্ৰ একতা সভাৰ সমূহ সতীৰ্থবৃন্দ।

Ø শ্ৰদ্ধাভাজন লেখক-লেখিকা, চিত্ৰশিল্পী, সকলো সতীৰ্থ শুভাকাংক্ষী, ছাত্ৰী নিবাসৰ সমূহ স্নেহশীলা আৱাসী।

Ø অসম এণ্টাৰপ্ৰাইজেজ।

Ø কম-বেছি পৰিমাণে সকলো প্ৰকাৰে সহায়-সহযোগিতা, দিহা-পৰামৰ্শৰে মোক ঋণী কৰা প্ৰতিজনলৈ...।

Ø 'মনীষা'ৰ ৩৮ তম সংখ্যা সম্পাদনা কৰিবলৈ সুযোগ দি কৃতাৰ্থ সকলোলৈ...।

## আমি ক্ষমাপ্ৰাৰ্থী

- অনিবাৰ্য কাৰণবশতঃ পৰিকল্পনা অনুযায়ী কিছু কাম কৰিব নোৱাৰা বাবে...
- নিৰ্ধাৰিত সময়ত 'মনীষা' প্ৰকাশ কৰিব নোৱাৰাৰ বাবে...
- বহু চেষ্টা কৰিও অজ্ঞাতে ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে...
- ছাত্ৰ-ছাত্ৰীসকলৰ কিছুমান লেখা অতি নিম্নগামী হোৱাৰ ফলত প্ৰকাশ কৰিব নোৱাৰাৰ বাবে...

— সম্পাদক

**DR. HIMANTA BISWA SARMA,** MA, LLB, Ph.D
**Minister, Government of Assam**
*Finance, P&D, Health & F.W., Education, Guwahati Development Department, Tourism, Cooperation, Handloom & Textile (Khadi & Village Industry), Pension & Public Grievance*

সত্যমেব জয়তে

*Janata Bhawan, (Block-E)*
*Dispur, Guwahati-781 006*
*Telephone No. : (0361) 2237315*
*Fax : 0361-2237012*
*email : himantab@hotmail.com*



TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

## শুভেচ্ছাবাণী

তিনিচুকীয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'মনীষা'ৰ হীৰক জয়ন্তী বৰ্ষ বিশেষ সংখ্যাটি প্ৰকাশৰ যো-জা কৰা বুলি জানিবলৈ পাই অতিকৈ আনন্দিত হৈছো আৰু এনে উদ্যোগৰ শলাগ লৈছো।

বাৰ্ষিক আলোচনী এখনে শিক্ষানুষ্ঠান এখনৰ বৌদ্ধিক প্ৰতিচ্ছবি তুলি ধৰে। আশা ৰাখিছোঁ তিনিচুকীয়া মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে 'মনীষা'ৰ জৰিয়তে সৃষ্টিশীল চিন্তাধাৰা আৰু প্ৰতিভা বিকাশৰ সুযোগ পোৱাৰ লগতে এই হীৰক জয়ন্তী বৰ্ষ বিশেষ সংখ্যাটিত মহাবিদ্যালয়খনৰ বিগত ৬০ বছৰীয়া বৰ্ণাঢ্য যাত্ৰাৰ বিভিন্ন দিশ প্ৰতিফলিত হোৱাৰ উপৰি শিক্ষা, সাহিত্য, সমাজ সম্পৰ্কীয় মূল্যবান লিখনি প্ৰকাশ পাব।

আশা ৰাখিছোঁ তিনিচুকীয়া মহাবিদ্যালয়ে অনাগত দিনবোৰত আৰু অধিক শিক্ষাৰ্থীক জ্ঞানৰ বন্তিৰে আলোকিত কৰি বিদ্যাৰ্থীবৃন্দৰ সোণোৱালী সপোনবোৰ বাস্তৱত ৰূপায়িত কৰাৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলে সুস্থ শৈক্ষিক বাতাবৰণ সৃষ্টিৰে শিক্ষানুষ্ঠানখনক আৰু অধিক আগবঢ়াই নিবলৈ যত্নপৰ হ'ব।

সদৌ শেষত তিনিচুকীয়া মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰাৰ লগতে হীৰক জয়ন্তী বৰ্ষ উপলক্ষে শিক্ষানুষ্ঠানখনৰ শিক্ষক-শিক্ষয়িত্ৰী, শিক্ষাৰ্থী তথা কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)

Prof. A.K. Buragohain, Ph.D. (London), DIC
*Vice-Chancellor*

**DIBRUGARH UNIVERSITY**
**DIBRUGARH-786 004**
**ASSAM, INDIA**
**Phone: 0373-2370239(O)**
**Fax : 0373-2370323**
e.Mail: alak@dibru.ac.in

Ref. No.DU/VC/M/073/17/1235

Date: 22.03.2017

## শুভেচ্ছা বাণী



প্ৰতি

শ্ৰী বিশ্বজিৎ বৰা
আলোচনী সম্পাদক,
তিনিচুকীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা
তিনিচুকীয়া

মৰমৰ বিশ্বজিৎ,

তিনিচুকীয়া মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'মনীষা'ৰ ৩৮ তম সংখ্যাটি প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিবলৈ পাই আনন্দিত হলোঁ।

এখন মহাবিদ্যালয়ৰ মুখপত্ৰই মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক লেখা প্ৰকাশৰ সুবিধা প্ৰদানৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক প্ৰতিভা বিকাশত সহায় কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা বিকাশ কৰাত বিশেষ অনুপ্ৰেৰণা যোগায়। মই আশা কৰিছো তিনিচুকীয়া মহাবিদ্যালয়ৰ মুখপত্ৰখনেও ছাত্ৰ-ছাত্ৰীসকলৰদ্বাৰা ৰচিত উৎকৃষ্ট মানৰ লেখা প্ৰকাশৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাৰ বিকাশত অৰিহণা যোগোৱাৰ লগতে মহাবিদ্যালয়খনৰ নামো উজ্জ্বল হোৱাত সহায় কৰিব।

'মনীষা'ৰ ৩৮ তম সংখ্যাটি সুন্দৰ ৰূপত প্ৰকাশ হৈ ওলাওক, তাৰ বাবে মোৰ ফালৰপৰা শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

অলক কুমাৰ বুঢ়াগোহাঁই

**সদৌ অসম ছাত্ৰ সন্থা**
**ALL ASSAM STUDENTS' UNION**
মুখ্য কাৰ্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
H. O. : GAUHATI UNIVERSITY, GUWAHATI - 781 014

প্ৰসঙ্গ ঃ

দিনাংক ঃ



## শুভেচ্ছাবাণী

প্ৰতি,

শ্ৰীবিশ্বজিৎ বড়া
আলোচনী সম্পাদক
তিনিচুকীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৫-১৬ বৰ্ষ
তিনিচুকীয়া (অসম)

মৰমৰ বিশ্বজিৎ,

মই জানিবলৈ পাই আনন্দিত হৈছো যে ঐতিহ্যমণ্ডিত তিনিচুকীয়া মহাবিদ্যালয়ে হীৰক জয়ন্তী বৰ্ষ অহা এপ্ৰিল মাহৰ ২২ তাৰিখৰ পৰা পালন কৰিব। হীৰক জয়ন্তীৰ লগত সংগতি ৰাখি তিনিচুকীয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'মনীষা'খনিৰো এইবাৰৰ সংখ্যাটি প্ৰকাশ পাব বুলি জানি সুখী হৈছো।

মহাবিদ্যালয়খনৰ আলোচনীয়ে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ সাধন কৰাৰ উপৰিও বিভিন্ন তথ্য-পাতি লিপিবদ্ধ কৰিব পাৰে। মই আশা কৰিছো তিনিচুকীয়া মহাবিদ্যায়লৰ আলোচনীত বিভিন্ন গল্প, কবিতা, প্ৰবন্ধ ইত্যাদি প্ৰকাশ কৰাৰ লগতে সমাজখনৰ বাস্তৱ জীৱনৰ সম্পৰ্কত আলোকপাত কৰিব আৰু ছাত্ৰ-ছাত্ৰীসকলক সৰ্বাংগীণ বিকাশ সাধনৰ পথ প্ৰশস্ত কৰিব।

'মনীষা'ৰ এইবাৰৰ সংখ্যাটি সৰ্বাঙ্গসুন্দৰ হওক, তাৰেই শুভ কামনাৰে...

ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য
মুখ্য উপদেষ্টা
সদৌ অসম ছাত্ৰ সন্থা

ৰঞ্জন চক্ৰৱৰ্তী, ভাঃ প্ৰঃ সেঃ

উপায়ুক্ত, তিনিচুকীয়া জিলা



## -শুভেচ্ছাবাণী -

তিনিচুকীয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'মনীষা'ৰ ৩৮তম্ সংখ্যাটিৰ প্ৰকাশৰ প্ৰস্তুতি চলোৱা বুলি জানিবলৈ পাই মই অতি আনন্দিত হৈছো।

ছাত্ৰ-ছাত্ৰীৰ সৃজনীশীল প্ৰতিভা বিকাশৰ ক্ষেত্ৰত শিক্ষানুষ্ঠান সমূহৰ বাৰ্ষিক আলোচনী তথা মুখপত্ৰসমূহে অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। আশাকৰোঁ, ঐতিহ্যমণ্ডিত তিনিচুকীয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনৰ প্ৰকাশ পাবলগীয়া আগন্তুক সংখ্যাটো শৈক্ষিক বিষয়ক বিভিন্ন তথা পূৰ্ণ লেখনীৰে সমৃদ্ধ হ'ব আৰু সাহিত্য অনুৰাগী ছাত্ৰ-ছাত্ৰীসকলেও ভাষা-সাহিত্য চৰ্চাৰ সুযোগ পাব।

মহাবিদ্যালয়খনৰ বাৰ্ষিক আলোচনীৰ আগন্তুক সংখ্যাটি সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশ পাব বুলি আন্তৰিকতাৰে কামনা কৰিলো।

তাৰিখঃ ইংৰাজী ৯ মাৰ্চ,২০১৭
তিনিচুকীয়া

(ৰঞ্জন চক্ৰৱৰ্তী, ভাঃপ্ৰঃসেঃ)
উপায়ুক্ত
তিনিচুকীয়া জিলা

ৰঙাগৰা, তিনিচুকীয়া, পিন-৭৮৬১২৫, দূৰভাষ ঃ ০৩৭৪-২৩৩১৫৭২, ফেক্স ঃ ০৩৭৪-২৩৩৩৩১০, ম'বাইল ঃ ৯৮৬৪০২২০০১, ই-মেইল : [illegible]@gmail.com

সদৌ অসম ছাত্ৰ সন্থা
ALL ASSAM STUDENTS' UNION
মুখ্য কাৰ্য্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
H. O. : GAUHATI UNIVERSITY, GUWAHATI - 781 014

প্ৰসঙ্গ ঃ

দিনাংক ঃ



## শুভেচ্ছা বাণী

ঐতিহ্যমণ্ডিত তিনিচুকীয়া মহাবিদ্যালয়ে হীৰক জয়ন্তী বৰ্ষ অহা এপ্ৰিল মাহৰ ২২ তাৰিখৰ পৰা পালন কৰিব বুলি জানি সুখী হ'লো। তিনিচুকীয়া জিলাখনত জ্ঞানৰ ধ্বজাবাহক ৰূপে মহাবিদ্যালয়খনৰ অৱদান সকলোৰে অৱগত। মহাবিদ্যালয়খনৰ জ্ঞানযাত্ৰা সদায় সেউজ হৈ থাকক।

তদুপৰি হীৰক জয়ন্তীৰ লগত ৰজিতা খুৱাই প্ৰকাশ হ'বলগীয়া মহাবিদ্যালয়ৰ আলোচনী 'মনীষা' নৱপ্ৰজন্মৰ আলোক সন্ধানী যাত্ৰাৰ সাৰথি হওক। ইয়াত প্ৰকাশিত হ'বলগীয়া বিভিন্ন স্বাদৰ ভিন্নমুখী সাহিত্যই ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক দিশৰ উন্মোচন কৰাৰ লগতে প্ৰগতিৰ পথত সহায়ক হ'ব।

পৰিশেষত, মহাবিদ্যালয়ৰ শিক্ষাগুৰুবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীসকলক সেৱা আৰু মৰম যাচিলোঁ।

বিনীত

(লুৰিণজ্যোতি গগৈ)
সাধাৰণ সম্পাদক
সদৌ অসম ছাত্ৰ সন্থা

OFFICE OF THE PRINCIPAL

# TINSUKIA COLLEGE

TINSUKIA - 786 125 (ASSAM)
Estd. : 1956
Website : www.tinsukiacollege.com
E-mail : principaltinsukiacollege@rediffmail.com

Ph. : 0374-2338340
(M) : 94357 08365

Ref. No. T/C........................

Date.......................



# হীৰক জয়ন্তী বাৰ্তা

তিনিচুকীয়া মহাবিদ্যালয়ৰ হীৰক জয়ন্তী উদ্‌যাপনৰ সময়ত এই আলোচনী প্ৰকাশিত হ'বলৈ গৈছে। এই শুভক্ষণত মহাবিদ্যালয়ৰ আলোচনীৰ জৰিয়তে অধ্যক্ষৰ তৰফৰ পৰা সকলোলৈকে আন্তৰিক শুভচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এই মহাবিদ্যালয়খনি ভগৱানৰ দান নহয়। তিনিচুকীয়াৰ ৰাইজে ইয়াক সৃষ্টি কৰিছে আৰু তাৰ বাবে মানুহ হিচাপে আমি গৌৰৱান্বিত। সুদীৰ্ঘ ৬০ বছৰৰ ইতিহাসেৰে তিনিচুকীয়া মহাবিদ্যালয়খনে এক যুগৰ সূচনা কৰিলে। মানৱ বুৰঞ্জীত এই অৱদান অতুলনীয়। দীৰ্ঘদিনীয়া শিক্ষাসেৱাৰে তিনিচুকীয়াৰ ৰাইজে মানুহৰ মহত্ত্ব আৰু গৌৰৱকে ঘোষণা কৰি গৈছে। মহাবিদ্যালয় আৰু ডাঙৰ, উচ্চ আৰু গভীৰ হওক। মহিমাণ্ডিত হওক তাৰে কামনা কৰিলোঁ। মহাবিদ্যালয় বিশ্ববিদ্যালয় হওঁক, ডাঙৰ শিক্ষাকেন্দ্ৰ হওক এই চহৰ, গঢ়ি উঠক তাৰ সকলো সা-সুবিধা। শুভ ক্ষণ আমালৈ আহি আছে আৰু সদায়ে আহি থাকিব। শুভ দিনৰ বাবে সকলোলৈ মোৰ ওলগ থাকিল। মহাবিদ্যালয়ৰ এই আলোচনীখনেও এক দীঘলীয়া যুগৰ সূচনা কৰিছে আৰু ছাত্ৰ-ছাত্ৰীৰ সেৱাত ব্ৰতী হৈ আছে। এই সংখ্যাৰ সম্পাদক বিশ্বজিৎ বড়াক হীৰক জয়ন্তীৰ শুভেচ্ছা জনালো। পুনৰ সকলোলৈ শুভচ্ছো আৰু অভিনন্দন জনাই শুভচ্ছোবাণী সামৰিলো।

ধন্যবাদ।

ইতি
ভুবন গগৈ
অধ্যক্ষ

# মনীষাৰ চোতাল গৰকি...



সম্পাদকীয়

**চ'ৰাঘৰৰ মেজত**

- কপৌ চৰাইৰ গান — ড° ভুবন গগৈ/১
- আধুনিক কবিতাত ব্যক্তিসত্তা আৰু বিচ্ছিন্নতা — ড° অপূৰ্ব ভাস্কৰ গগৈ /৩
- কবিতাৰ বিষয়ে এটি টোকা — দেৱানন্দ ভট্টাচাৰ্য্য /৭
- গণশিল্পী জ্যোতিপ্ৰসাদ ঃ গণ সংস্কৃতিৰ মন্ত্ৰেৰে গণমুক্তিৰ সন্ধান — ড° নীলিমজ্যোতি সেনাপতি /৯
- ব্যক্তি এক, অনুষ্ঠান অনেক — অনজনা গোস্বামী /১২
- জীৱশ্ৰেষ্ঠ মানুহ — তুলিকা দাস / ১৫
- জীৱন ঃ এক সূক্ষ্ম বিশ্লেষণ — প্ৰাঞ্জল চাংকাকতি /১৬
- ক্ষুদ্ৰ চাহখেতিৰ সংকট আৰু ৰাজ্যৰ ৰাজনীতি — বৈকুণ্ঠ দাস / ১৯
- ভাৰত নাট্যম ঃ স্বাস্থ্য আৰু কলা — ড° ৰুবী বৰুৱা/২২
- নদী পৰ্যটন — ড° কমলেশ কলিতা/২৪
- জামুক গছ — ড° ৰত্ন গোপাল গগৈ / ২৭
- অসমীয়াৰ সংকট, অসম চুক্তি আৰু থলগিৰিৰ ভৱিষ্যত — নবোত্তম শৰ্মা / ৩১
- অসমীয়া ভাষাৰ উৎপত্তি আৰু সজাগৰ চমু আভাস — সুৰুজ মৰাণ/৩৪
- সাম্প্ৰতিক সময়ত অসমীয়া ভাষাৰ গুৰুত্ব কিমান? — ৰাষ্ট্ৰজিৎ মৰাণ/৩৬
- অসমীয়া ভাষালৈ অহা দুৰ্যোগ — ইনলিছা দহোতীয়া /৩৯
- সাহিত্য আৰু সাহিত্যিক — জিণুমনি ভূঞা /৪০
- উঠা অসমীয়া, জাগিবৰ হ'ল — চুনচুনি হাজৰিকা / ৪১
- ৰেগিং এক মাৰাত্মক ব্যাধি, নিৰ্দোষ হাঁহি-ধেমালি নে আসুৰিক আনন্দ? — বিশ্বজিৎ বড়া (কাক)/৪২
- যুৱ উচ্ছৃংখলতা আৰু আজিৰ সমাজ — ময়ুৰী ঠাকুৰ /৪৭
- যুৱ প্ৰজন্ম, সমাজ, বিতৰ্ক ইত্যাদি — তীক্ষ্ণজ্যোতি হাজৰিকা /৪৯
- অন্ধবিশ্বাসৰ পৰা বৈজ্ঞানিক চিন্তাধাৰালৈ কেতিয়া? — দেৱজিৎ বৰগোহাঁই/৫১
- সময় — বনিশা শইকীয়া / ৫৩
- হাঁহি — হেমাশ্ৰী গগৈ /৫৫
- পৃথিৱীৰ মধুৰতম সম্পৰ্ক বন্ধুত্ব — মাধুৰ্য্য চক্ৰৱৰ্ত্তী /৫৬
- নব্য সাম্ৰাজ্যবাদ — অপুলীনা মৰাণ /৫৮
- পণ্য আৰু সেৱাকৰ বিধেয়ক, ২০১৪ — ৰাজু বৰা /৫৯
- অসমৰ সাংস্কৃতিক প্ৰেক্ষাপটত মৰাণ বিহু — প্ৰবেন ফুকন/৬১
- অসমৰ বাৰেৰহনীয়া কৃষ্টি-সংস্কৃতিৰ ভিতৰত দিহিং কিনাৰ নক্টেসকলৰ কৃষিভিত্তিক উৎসৱ পাৰ্বণ(ল'কু) —নীলাক্ষী সোনোৱাল/৬৪
- জোনবিল মেলাৰ বিষয়ে কিছু কথা — ধৰিত্ৰী মৰাণ /৬৬

**ভিন্ন গদ্য**

- গল্পৰ দৰে আমাৰ আমাৰ জীৱনটো ... — বিকাশজ্যোতি শইকীয়া/৬৮

**চিন্তন**

- অসমীয়া ভাষা — ঐশ্বৰ্য বৰুৱা/৭০
- অতীত ৰোমন্থন পমখেদি... তিনিচুকীয়া মহাবিদ্যালয় — সুৰুজ মৰাণ /৭১
- ডাকোৱালৰ চিঠি — অপূৰ্ব সোনোৱাল /৭৯
- মন উন্মনা কৰা শৰতৰ মিঠা স্মৃতি — তুষাৰ শুভ্ৰ বৰুৱা /৮২
- বন্ধুত্ব — শান্তজিৎ চেতিয়া/৮৩

**বৰঘৰৰ মজিয়াত**

**গল্প**

- বিশ্বাসহীনতাৰ শেষত... — তৃষা শইকীয়া /৮৪
- ৰামযতন বিক্সাৱালা — উৎপল গগৈ / ৮৯
- অভাগিনী — বিতোপন বৰপাত্ৰ / ৯১
- ধৈৰ্য এক শিহৰণ — কংকনা সোনোৱাল /৯৩
- উন্মাদ স্বপ্ন — বিমন্ত দহোতীয়া /৯৫
- বিপ্লৱ — জয়কান্ত চিৰিং /৯৭

**উপন্যাসিকা**

- কলেজীয়া দিনবোৰ — স্বপ্না ফুকন / ১০১

**কবিতাৰ কুঁকি**

- মাইকেল জেকচনৰ ডেঞ্জাৰাছ আৰু মোৰ কবিতা — টমাছ সোনোৱাল /১০৬
- বিদায়ৰ চিঠি — সুৰম্য প্ৰিয়দৰ্শন গগৈ / ১০৭
- জোনাকৰ সতে এনিশা — কংকনা সোনোৱাল/১০৮
- অপেক্ষা — ইনলিছা দহোতীয়া / ১০৮
- বানপানী — শ্যামলী গগৈ / ১০৯
- সৌমন্তী — বিমন্ত দহোতীয়া / ১০৯
- তোমাৰ অবিহনে — মায়াশ্ৰী ঠাকুৰ / ১১০
- শৰত — মৃগাংক চক্ৰৱৰ্ত্তী /১১০
- উপলব্ধি — মেৰী লালুং /১১১
- হে' নৱাগত — মনজ্যোতি মৰাণ /১১১
- নিয়তি — গৌৰৱ বৰপাত্ৰ গোহাঁই /১১২
- প্ৰকৃত সুখ, প্ৰকৃত দুখ — চন্দান নেৰাৰ /১১২
- হে মানৱ, জাগ্ৰত হোৱা — অনুপম শৰ্মা/১১৩
- এক এপ্ৰিল — বিতুপন বৰুৱা /১১৩
- জীৱ-শ্ৰেষ্ঠ — ৰাষ্ট্ৰজিৎ মৰাণ /১১৪
- অপেক্ষা — মন্টু মৰাণ /১১৪
- প্ৰেমৰ এখন ছবি — শ্যামলী সোনোৱাল/১১৪

**ENGLISH SECTION**

- Violence and Its Harmful Impact on Women – Dr. Roshmi Dutta /১১৫
- Understanding Jhon Keats and His Art of Composing Poems – Rupam Kr. Boro /১১৯
- Vilolation of Child Rights Is a Threat to Humanity – Hung Subba /১২৫
- Chanakya – Suresh Gogoi /১৩১
- Women Harassment and Women Empowerment – Chauvik Ch. Das /১৩৩
- Industries of India – Bitupan Dutta/১৩৬
- My Secret Views – Amar Limbu /১৩৭
- How Short Has English Language Become – Raju Sharma/১৩৮
- The Menance of Terrorism – Utpal Gogoi /১৩৯
- Violence Against Women in India – Baishali Chakraborty /১৪০
- Superstitions – Saurav Rakshit /১৪১
- Dream The Impossible – Neha Balmiki /১৪২
- Child Labour – Saraswati Rai /১৪২
- A Glmpse of Asom – Taralee Dutta /১৪৩
- Evaluation of Mankind – Konchang Buragohain /১৪৫
- The Neglected State's of Nation – North East – Navjot Singh Bharmah /১৪৭
- Net Neutrality – Lachit Saikia /১৪৮
- Simile – Ragul Dutta /১৫০
- Khamti Folk Dance – Nang Sonia Chaupoo /১৫১

**Poems**

- Stop Injustice – Shanti Moran /১৫২
- The Beauty of Sunset – Sarita Thapa /১৫২
- Thinking of Life – Suraj Basfar /১৫৩
- The Voice of Unicorn Rhino – Hung Subba /১৫৩

**সাক্ষাৎকাৰ**

অসম আৰক্ষীৰ অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান (আইন-শৃংখলা), সাহিত্য একাডেমী বঁটাপ্ৰাপ্ত কথা সাহিত্যিক কুল শইকীয়াৰ সৈতে এক নাতিদীৰ্ঘ সাক্ষাৎকাৰ/১৫৪

**পাছচোতালৰ কথকতা**

- সভাপতিৰ অভিমত /১৫৮
- বিভাগীয় সম্পাদকীয় প্ৰতিবেদন /১৫৯
- তিনিচুকীয়া মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহৰ ফলাফল/১৭৪
- 'মনীষা'ৰ প্ৰাক্তন সম্পাদকসকল/১৭৮


**নঙলামুখৰ পৰা...**



# সম্পাদকীয়



*"ক'ৰবাত বৈ যায় কাৰোবাৰ খোজ, সময়ৰ খোজ নে সপোনৰ খোজ,*
*সময়ৰ বুকুত সেইয়া সপোনৰ খোজ!"*

নদীখন এতিয়াও নিৰৱধি বৈ আছে ঠিক আগৰ দৰে। গাঁৱৰ বকুলি, সেউতিহঁতে পানী অনা, গা-ধোৱা ঘাটটো আজি নাই। আগতে পানী অনা, গা-ধোৱা ঘাটটো পুৱা-সন্ধিয়া মুখৰিত হৈ আছিল নিৰ্দোষ হাঁহি-ধেমালিৰ চিম্ফনীৰে। ৰেলিং নথকা কাঠৰ দলংখন গাঁৱৰ সিটো মূৰে এতিয়াও আছে। ব্যতিক্ৰম মাথোঁ গাঁৱৰ ডেকাবোৰে আজি-কালি গধূলি গৈ ৰাতি এপৰলৈ তাত আড্ডা নিদিয়ে। দিন পুৰণি হ'ল — সময় সলনি হ'ল। মানুহৰ জীৱনত হঠাৎ ছন্দ পতন ঘটিল। প্ৰত্যেকৰে চকু-মুখত ঘনীভূত কেৱল সন্দেহ আৰু অবিশ্বাসৰ ছাঁয়া। সকলোৰে ভয় সেই একেটাই। নিশাহ এৰিলেই যেন ঘূৰাই নাপাম উশাহ অথবা কোনেও ক'ব নোৱাৰে - আকৌ লগ পাম বুলি পৰম বিশ্বাস আৰু দৃঢ়তাৰে। ভয়-শংকা নিৰাপত্তাহীনতা আৰু অসহায়হীনতাৰ মাজত দুদোল্যমান মানুহ। কিন্তু আগতেতো এনেকুৱা হোৱা নাছিল! ক'তা আগেয়ে কোনেওতো কাকো অবিশ্বাসৰ দৃষ্টিৰে চোৱা নাছিল! মানুহ ( দুই-একৰ বাহিৰে) এতিয়া অমানুহ হোৱাৰ পথত অগ্ৰসৰ। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ চৰম উন্নতিৰ পিছত মানৱ সভ্যতাৰ প্ৰধান গৌৰৱৰ বিষয় হ'ব লাগিছিল মানৱতা অক্ষুণ্ণ ৰখা। কিন্তু সেয়া নহ'ল; আমি দুখোজ আগুৱাই চাৰিখোজ পিছুৱাই আহিছো। যন্ত্ৰ-পাতি অথবা বিজ্ঞানৰ দৃষ্টিৰে আমি বহু ধনী হ'লো। কিন্তু ধনী হ'ব পৰা নাই প্ৰেম আৰু মানৱীয় গুণৰ জোখাৰে। সম্প্ৰতি অসমত চাৰিওফালে শূন্যতাৰ খেল। হত্যাৰ ৰাজনীতিৰ বলি সাধাৰণ নাগৰিক। স্বাৰ্থপৰ ৰাজনীতিকক পদলেহন কৰি আত্মতৃপ্ত হ'ব খোজা এচাম দুৰ্নীতিপৰায়ণ চৰকাৰী-বেচৰকাৰী কৰ্মচাৰীৰ খেয়াল-খুচিত পংগু প্ৰশাসন। শিক্ষা যদিহে জ্ঞান আহৰণৰ অৱলম্বন হয় তেন্তে এই পৱিত্ৰ শিক্ষা বিভাগো দুৰ্নীতিৰ পৰা মুক্ত হ'ব নোৱাৰিলে। এফালে অসহায় নিৰপৰাধী জনসাধাৰণ; আনফালে ভ্ৰষ্টাচাৰী ৰাজবিষয়া। স্বাধীন অসম আৰু সাৰ্বভৌমত্বৰ দাবীত সশস্ত্ৰ সংগ্ৰাম কৰিবলৈ ওলাই যোৱা এচাম তেজাল যুৱকৰ জীৱনলৈ নমাই অনা হ'ল আসন্ন মৃত্যুৰ প্ৰহেলিকা। অস্ত্ৰধাৰী বিপ্লৱীক কৰায়ত্ত কৰাৰ নামত সেনাৰ আগমনে বিনষ্ট কৰিছে অসমৰ শান্তি-সম্প্ৰীতি, আশা আৰু ৰঙীন স্বপ্ন। ইয়াৰ মাজতে অসমৰ চৰম উন্নতিৰ ঠিকা লোৱা যুৱ সংগঠনসমূহৰ (সকলো নহয়) বিৰামহীন নিস্ফল কাৰ্যসূচীবোৰে অসমৰ শৈক্ষিক পৰিৱেশ বিনষ্ট কৰাত কোনো ধৰণৰ ত্ৰুটি কৰা নাই। আমি সকলো সংগঠনৰে সমূহ কাৰ্যসূচী আদৰ্শহীন বা ফলাফল শূন্য বুলি ক'ব খোজা নাই। তাৰে ভিতৰত বহুতৰ মাজত আমি নিঃসন্দেহে প্ৰত্যাশা কৰিব পাৰো নিশ্চিত সফলতা। তথাপিও ধুমুহাৰ মাজত যিদৰে ৰামধেনু ওলায় তেনেদৰে নিৰাশাৰ চাহাৰাতো আছে ওৱেচিছ সন্ধ্যাৰ সোণালী চমক।

মহাবিদ্যালয়ৰ আলোচনীখন ছাত্ৰ-ছাত্ৰীৰ সাহিত্য চৰ্চাৰ প্ৰাণকেন্দ্ৰ অথবা ৰাজহাড় স্বৰূপ। কাৰণ, ইয়াতে ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ প্ৰতিভাসমূহ প্ৰকাশ কৰাৰ এটা সুন্দৰ সুবিধা পায়। তদুপৰি আলোচনীখনক মহাবিদ্যালয়ৰ পৰ্দা বুলি অভিহিত কৰিব পাৰি। এটা ঘৰত পৰ্দা নাথাকিলে যিদৰে ঘৰটো অশুৱনি বা অসম্পূৰ্ণ যেন লাগে, ঠিক সেইদৰে মহাবিদ্যালয়ত আলোচনী এখন প্ৰকাশ নকৰিলেও তেনে ধাৰণা হয়। মহাবিদ্যালয়ৰ প্ৰধান গৌৰৱৰ সম্বল তথা অতি মূল্যবান সম্পদ আলোচনীখনে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক, বৌদ্ধিক, মানসিক, শাৰীৰিক বিকাশত যথেষ্টখিনি প্ৰেৰণা যোগায়। ইয়াৰ উপৰিও, অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল চহকী কৰাৰ ক্ষেত্ৰত আলোচনীবোৰে অলপ হ'লেও অৱদান আগবঢ়োৱাৰ কথাটো নুই কৰিব নোৱাৰি। সেয়েহে, আমি হাজাৰ প্ৰতিবন্ধকতাকো নেওচি, প্ৰতিকুল পৰিৱেশকো আওকাণ কৰি বিগত বছৰসমূহৰ দৰে মহাবিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষৰ আলোচনী 'মনীষা'খনিৰ ৩৮ তম বিশেষ সংখ্যাটো প্ৰকাশ কৰি উলিয়াবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিলো। এই 'মনীষা'ৰ সম্পাদকৰ

দায়িত্বত থকা পূৰ্বাভিজ্ঞতাহীন এই অভাজনে যি কষ্টেৰে কাম কৰি গৈছিলো তাতো যে ভুল-ত্ৰুটি ৰৈ যোৱা নাই তাক ক'ব নোৱাৰো।

জীৱন সময়ৰ ওচৰত পৰাধীন। তথাপিও জানো সমৰ্পিত কৰিব পাৰিম জাতিৰ স্বাভিমান; আত্মমৰ্যাদাৰ প্ৰমূল্যই জানো প্ৰতিবাদ নকৰিব। ধনতান্ত্ৰিক সমাজ ব্যৱস্থাত নিজকে হেৰুৱাব জানো পাৰিম। হেৰাই নাযাওঁ বৰঞ্চ তাক হাতৰ মুঠিত ৰাখিম। শব্দৰ শিকলিৰে মৰমৰ জাল পেলাম। 'মনীষা'ক ন-ন ৰূপেৰে সজাই সকলোৰে মৰমৰ কৰি বৌদ্ধিক চিন্তাৰে নৱ-উন্মেষ ঘটাম। আন্ধাৰে জানো পোহৰৰ ইংগিত নিদিয়ে।

**এই সংখ্যাৰ আলোচনীৰ লেখা সম্পৰ্কে**

আলোচনীখনত প্ৰকাশৰ বাবে যিমানবোৰ লেখা মোৰ হাতত পৰিছিল সেয়া আমাৰ মহাবিদ্যালয়ৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ তুলনাত তেনেই সীমিত। তাৰে আকৌ আলোচনীত প্ৰকাশৰ বাবে উপযুক্ত বুলি বিবেচিত হোৱা লেখাবোৰহে প্ৰকাশ কৰাৰ দিহা কৰা হ'ল। যিসকল ছাত্ৰ-ছাত্ৰীৰ লেখা ইয়াত প্ৰকাশ নহ'ল তেওঁলোকে যাতে হতাশাৰ মনোভাৱ পোষণ নকৰি লেখা-মেলা কৰাৰ চেষ্টা অব্যাহত ৰাখে, তাৰ বাবে তেওঁলোকক অনুৰোধ জনাইছো।

**কৃতজ্ঞতাৰ কাঁজলিৰে অনুভৱৰ একলম**

প্ৰথমেই মোৰ আন্তৰিক কৃতজ্ঞতা সেইসকললৈ, যিসকলৰ কৃপাত মই তিনিচুকীয়া মহাবিদ্যালয়ৰ দৰে এখন উচ্চ শিক্ষানুষ্ঠানৰ আলোচনী সম্পাদকৰ দায়িত্ব বহন কৰাৰ সুযোগ পালো। যাৰ সহায়, পৰামৰ্শ, অনুপ্ৰেৰণাত 'মনীষা'ৰ এই সংখ্যাক জীৱন্ত ৰূপ দিবলৈ সক্ষম হ'লো, সেই প্ৰত্যেজন অগ্ৰজ, অনুজ, বন্ধু আৰু শুভাকাংক্ষীৰ ওচৰত মই চিৰ কৃতজ্ঞ। 'মনীষা' আছিল মোৰ সপোন। মোৰ এই সপোনক বাস্তৱ ৰূপ দিয়াত সহায়ৰ হাত আগবঢ়োৱা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° ভুবন গগৈ মহোদয়কে প্ৰমুখ্য কৰি উপাধ্যক্ষ ড° অপূৰ্ব ভাস্কৰ গগৈ ছাৰ, 'মনীষা' সম্পাদনা সমিতিৰ উপদেষ্টা মণ্ডলী মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু ময়ূৰী শৰ্মা বৰুৱা বাইদেউ, কনক কলিতা ছাৰ, দেৱানন্দ ভট্টাচাৰ্য ছাৰ, ড° ৰত্নগোপাল গগৈ ছাৰ, ড° ৰুবী বৰুৱা বাইদেউ, ড° নীলিমজ্যোতি সেনাপতি ছাৰ আৰু দেৱকান্ত বুঢ়াগোহাঁই ছাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। ইয়াৰ লগতে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, ২০১৫-২০১৬ ছাত্ৰ একতা সভাৰ সমূহ সতীৰ্থ বিষয়-ববীয়া, মহাবিদ্যালয় ছাত্ৰ নিৱাসৰ স্নেহশীলা আৱাসী ক্ৰমে পিংকু, বনিশা, স্বপ্না, মৌচুমী, ধৰিত্ৰী, মৰমীলৈ মই অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ । মোৰ প্ৰত্যেকটো ইচ্ছাক নিজৰ দৰে উদ্‌যাপন কৰিবলৈ দিয়াৰ বাবেও এই সময়ত মই মোৰ মা, জোনদা, সৰুদা, পুতু, বৌহঁতৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিবই লাগিব।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন সময়ত বিভিন্ন কামত সহায়-সহযোগ আগবঢ়োৱাৰ বাবে বন্ধু প্ৰবেন, ৰতন, কৃষ্ণ, মাধুৰ্য্য, ৰাজু, কল্পজিৎহঁতৰ লগতে হেমচন্দ্ৰ আৰু সেউজদাকো আন্তৰিক কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছো।

আলোচনী সুন্দৰ ৰূপত নিষ্ঠা আৰু আন্তৰিকতাৰে প্ৰকাশ কৰি উলিওৱাৰ বাবে অসম এণ্টাৰপ্ৰাইজেজ্‌ৰ মানসদা, জয়ন্তদাকে আদি কৰি সমূহ কৰ্মকৰ্তালৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

যিকেইজন প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে লেখা প্ৰেৰণ কৰিলে তেওঁলোককো ধন্যবাদ জ্ঞাপন কৰিলো। বিভিন্ন ক্ষেত্ৰত সহায় কৰা বিকাশজ্যোতি শইকীয়া দা, কণ দা, ধ্ৰুৱদা, সমৰ দা, তাৰিক দা আফচানাহঁতকো কৃতজ্ঞতাৰে সোঁৱৰিছো।

মোৰ সীমিত জ্ঞানেৰে আলোচনীখন পঢুৱৈৰ হাতত তুলি দিবলৈ পাই মই নিজকে ধন্য মানিছো। সীমিত জ্ঞানৰ বাবে অনিচ্ছাকৃতভাৱে ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা জনাইছো। আশা ৰাখিছো, পঢুৱৈসকলে আলোচনীখন মৰম আৰু সাদৰে আঁকোৱালি ল'ব।

শেষত, জন্মলগ্নৰে পৰা বৰ্তমানলৈকে মহাবিদ্যালয়খনৰ উন্নয়নৰ হকে নিজৰ জীৱনৰ অমূল্য সময় প্ৰদান কৰি অহা প্ৰত্যেকজন ব্যক্তিলৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰি তথা তিনিচুকীয়া মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ উন্নতি কামনা কৰি মোৰ সম্পাদকীয় একলম সামৰণি মাৰিলো।

ধন্যবাদেৰে —

**বিশ্বজিৎ বড়া (কাক)**
সম্পাদক



## মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে ২০১৫-১৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল



ড° ভুবন গগৈ
অধ্যক্ষ


ধ্ৰুৱপ্ৰতিম বড়া
সভাপতি


আকাশনীল হাজৰিকা
উপ-সভাপতি


দ্বীপজ্যোতি ভৰালী
সাধাৰণ সম্পাদক


জোন গোহাঁই
সহঃ সাধাৰণ সম্পাদক


তীক্ষ্ণজ্যোতি হাজৰিকা
বহিঃক্ৰীড়া সম্পাদক


নৱজ্যোতি বৰা
আন্তঃক্ৰীড়া সম্পাদক


প্ৰীতম বুঢ়াগোহাঁই
সাংস্কৃতিক সম্পাদক


বিশ্বজিৎ বড়া (কাক)
আলোচনী সম্পাদক


ৰঞ্জন শৰ্মা
তৰ্ক আৰু সাহিত্য সম্পাদক


শান্তনা কোঁৱৰ
সমাজসেৱা সম্পাদিকা


ৰাকেশলাল গুপ্তা
শৰীৰচৰ্চা সম্পাদক


অজয় কুমাৰ পোদ্দাৰ
ছাত্ৰ জিৰণী কোঠা সম্পাদক


দ্বীপশিখা বুঢ়াগোহাঁই
ছাত্ৰী জিৰণি কোঠা সম্পাদিকা

## 'মনীষা'ৰ এই সংখ্যাৰ ছোঁ-ঘৰত...


ড° ভুবন গগৈ
অধ্যক্ষ ও সভাপতি


ময়ূৰী শৰ্মা বৰুৱা
উপদেষ্টা


কনক কলিতা
উপদেষ্টা


দেৱানন্দ ভট্টাচাৰ্য্য
উপদেষ্টা


ড° নীলিমজ্যোতি সেনাপতি
উপদেষ্টা


ড° ৰত্নগোপাল গগৈ
উপদেষ্টা


ড° ৰুবী বৰুৱা
উপদেষ্টা


দেবকান্ত বুঢ়াগোহাঁই
উপদেষ্টা


বিশ্বজিৎ বড়া (কাক)
সম্পাদক


প্ৰবেন ফুকন
সদস্য


ৰতন চেতিয়া
সদস্য


বনিশা শইকীয়া
সদস্য


কল্লজিৎ ঘৰফলীয়া
সদস্য


আফছানা বেগম
সদস্য


কৃষ্ণ বৰ্মন
সদস্য



অধ্যাপক-অধ্যাপিকাসকলৰ শিতান —

চ'ৰাঘৰৰ মেজত

# কপৌ চৰাইৰ গান

ড° ভুবন গগৈ
অধ্যক্ষ



| | | | | | | | |
|---|---|---|---|---|---|---|---|
| কু | কু | কু | s | ক্রু | s | s | s |
| নি | চা | নিগা | s | নিগা | s | s | s |

কপৌ চৰাই আমাৰ বৰ মৰমৰ আৰু অতি শান্ত চৰাই। ৰাতিপুৱাই কপৌৰ মাত শুনিবলৈ পোৱা যায়। মাত মানে তাৰ গান। চুটি স্বাভাৱিক সহজাত মাতক গান নোবোলে। দীঘলীয়া বা কিছু দীঘলীয়া স্বৰক সুৰ বোলে আৰু তাকে গান বা গীত বুলি কোৱা হয়। এই গান গাবলৈ কপৌৰে শিকিব লাগে আৰু প্ৰজাতিৰ জ্যেষ্ঠবিলাকৰ পৰা শিকি লয়। কপৌ চৰাইৰ মতাবিলাকেহে গান গায়। মাইকীবিলাকৰ মাত বৰকৈ শুনিবলৈ পোৱা নাযায়। ওপৰত প্ৰথমতে উল্লেখ কৰা গানটো কপৌৰ মতা চৰাইৰ গান। মাইকী চৰায়ে কেতিয়াবা কু কু শব্দ কৰাৰ বাহিৰে একো মাত নামাতে। কপৌ চৰাইৰ গান গাথিক (দ্বিস্বৰ) জাতিৰ। কেতিয়াবাহে ই সামিক (ত্রিস্বৰ) হয় বা মধ্য স্বৰ কণ বা সামান্য স্পৰ্শক হয়। কপৌ গানৰ বৰ্ণ স্বৰ হ'ল কু আৰু ক্রু যাক ভাৰতীয় সংগীতৰ নি আৰু নিগা বৰ্ণৰে ওচৰ চপা কৰি স্বৰবোৰ বুজাব পাৰি।

কপৌ চৰাই পৃথিৱীত ৩০০তকৈ অধিক প্ৰজাতি আছে। অৱশ্যে কপৌ বুলি পাৰ জাতীয় চৰাই সৰু জাতবিলাকক বুজোৱা হয় যদিও বহুতে পাৰ চৰাইৰ প্ৰজাতিবিলাককো কপৌ জাতীয় চৰাই বুলি গণ্য কৰে। পৃথিৱীৰ সকলো দেশতে কপৌ চৰাই আছে আৰু প্ৰজাতিও ভিন্ন ভিন্ন। গতিকে কপৌৰ গান আৰু তাৰ বৰ্ণ স্বৰো দেশ অনুসাৰে সুকীয়া সুকীয়া হয়। দুই-এটাৰ বাহিৰে অসমীয়া ভাষাত এই ভিন্ন প্ৰজাতিৰ কপৌবিলাকৰ নাম নাই। গতিকে ইংৰাজীতে বা অন্য ভাষাতে এইবোৰৰ নাম ক'ব লাগিব। বৈজ্ঞানিক নামবোৰ আমি সাধাৰণতে ব্যৱহাৰ নকৰো। বৈজ্ঞানিক অধ্যয়নৰ বাবেহে এইবোৰ ব্যৱহৃত হয়। অসমীয়ালৈ অনুবাদ কৰি কপৌ প্ৰজাতিবিলাকৰ নামবোৰ দিব পাৰি যদিও ইয়াত দিয়া নহ'ল কৃত্ৰিম কৃত্ৰিম লাগিব বুলি ভাবি। গতিকে ইংৰাজীতে কিছুমান কপৌ প্ৰজাতিৰ নাম হ'ল — Mourning Dove, Collard Dove, Spotted Dove, Diamond Dove, Spotted Turtle Dove, Ring Necked Dove, Common Ground Dove, White Tipped Dove, White Winged Dove, Inca Dove, Rock Pigeon বা Rock Dove, Bare Faced Dove, Black Billed Wood Dove, Black Naped Fruit Dove, Blue Eared Dove, Blue Headed Quail Dove ইত্যাদি। এনেকৈ নাম লিখিবলৈ গ'লে কিতাপ চাই পণ্ডিতালি কৰাহে হ'ব; আমনিদায়ক হ'ব, কামত নাহিব। গতিকে প্ৰজাতিৰ নামৰ অধ্যায় সামৰিলো।

এতিয়া কপৌ চৰাইৰ আমাৰ অসমৰ প্ৰজাতিবিলাক হ'ল শিলকপৌ, হাৰুৱা কপৌ, কঁঠীয়া কপৌ, শেত কপৌ, মাটি কপৌ ইত্যাদি। ইয়াৰে শিলকপৌ নীল বৰণৰ, হাৰুৱা কপৌ ডাঙৰ, কটীয়া কপৌ সৰু, শেত কপৌ মুগা বৰণীয়া আৰু মাটি কপৌ কপৌ চৰাই নহয়। ই পিৰালীৰ ধুলিত ঘূৰি ঘূৰি গাত কৰি সোমাই থকা এবিধ পোকহে যাক আমি বহুতে ঘূৰণা পোক বুলিও কওঁ।

কপৌ চৰাইৰ গান বুলিলে অসমত আমি কটীয়া কপৌ (ধোঁৱা বৰণীয়া) গানৰ কথাহে বুলি বুজি পাওঁ। এইবিধ কপৌ

য'তে-ত'তে থাকে। তীৰ বা বন্দুকৰ গুলীৰ দৰে ই পোনগতিৰে উৰি যায় আৰু যাওঁতে ইয়াৰ পাখিৰ শব্দ ছিঁ ছিঁ থপ থপ থপ থপ কৰে। এই কপৌৰ মাত/গানবোৰ পৰ্যবেক্ষণৰ পৰা যি পাইছোঁ তাকে ইয়াত আলোচনা কৰিব বিচাৰিছো। এইবিধ কপৌ চৰাইৰ গান (Lyrics)ৰ সংখ্যা বৰ বেছি নহয়। মই এতিয়ালৈকে তলত উল্লেখিত গানকেইবিধ পৰ্যবেক্ষণ কৰি পাইছোঁ —

| | | | | |
|---|---|---|---|---|
| ১। | কু কু ক্রু ऽ | ক্রু ऽ ऽ | ऽ | |
| | নি চাঁ নিগাঁऽ | নিগাঁऽ ऽ | ऽ | |
| ২। | কু কু ক্রু ऽ | কু কু ক্রু ऽ | কু কু ক্রু ऽ | কু কু ক্রু ऽ |
| | নি চাঁ নিগাঁऽ | নি চাঁ নিগাঁऽ | নি চাঁ নিগাঁऽ | নি চাঁ নিগাঁऽ |
| ৩। | কু কু ক্রু ऽ | ক্রু ক্রু | ক্রু ক্রু | |
| | নি চাঁ নিগাঁऽ | নিগাঁ নিগাঁ | নিগাঁ নিগাঁ | |
| ৪। | ক্রু কু ক্রু ऽ | ক্রু উ ऽ | | |
| | নিগাঁ নি নিগাঁ ऽ | নিগাঁ ऽ ऽ | | |

পুৱাবেলা ঘৰৰ সমুখৰ বিদ্যুতৰ তাঁৰত বহি চিএঞৰা কপৌটোৰ মাতৰ ভিন্নতা সদায় থাকে। ১ নং গানটোৰ পুনৰাবৃত্তিয়ে মধ্যম দূৰত্বৰ কোনো বন্ধু বা অন্য কপৌৰ মাতৰ প্ৰতি সঁহাৰি দিয়া হয়। সঁহাৰি নেপালে কপৌৰ গান নচলে। সিফালৰ পৰা একে মাতৰ বাৰে বাৰে সঁহাৰি। গান চলি থাকে বহু সময়ৰ বাবে। মইও সঁহাৰি দিওঁ একে মাতেৰে। কিন্তু মোৰ গান বন্ধ হোৱাৰ লগে লগে তাৰো গানৰ ছন্দ ভাগে আৰু শেষত বন্ধ হৈ যায়। সেইদৰে তৃতীয় গানটোৰে বহু দূৰৰ ৰিণিকি ৰিণিকি শুনা মাতৰ প্ৰতি সঁহাৰি। ইয়াৰ পৰা ভাব হয় কুলিৰ দৰে কপৌ অকলে গান নাগায়, কোনো লগৰী (মতা বন্ধু)ৰ সঁহাৰিৰ প্ৰতিহে বা আনৰ লগত একে লগেহে কপৌৱে গান গায়। ২নং গানটো অৱশ্যে অকলে সংগীৰ বাবে সংগীৰ কাষত গায়, কিবা দাবী কৰাৰ দৰে, কিবা বিচৰাৰ দৰে। এই সংগী মাইকী কপৌৰ। জৈৱিক নিবেদন। গীত বোলাতকৈ ই প্ৰজাতিগত সহজাত মাতহে বুলিব পাৰি। তথাপি পুনৰাবৃত্তিয়ে ইয়াক গানৰ দৰে কৰিছে আৰু যথেষ্ট উত্তেজনামূলকো হৈ পৰে এই গান।

চৰাইবিলাকৰ গানবোৰ ক'ৰবাত নহয় ক'ৰবাত কাৰোবাৰ সঁহাৰি দি গোৱা গান হয়। ওচৰৰ বা দূৰৰ দুয়োটাৰে সুৰ বেলেগ হয়, অৰ্থাৎ তাৰ Frequency আৰু দৈৰ্ঘ্য সুকীয়া সুকীয়া। ওচৰৰ হ'লে চুটি আৰু দূৰলৈ পঠোৱা বাৰ্তাৰ বাবে দীঘলীয়া উকিৰ দৰে। গানবোৰ একোটা সঁহাৰি বা বাৰ্তাৰ দৰেও। ওঁ, হয়, আছোঁ আদি ধৰণৰ সঁহাৰি। এইবোৰ সাধাৰণতে আনন্দৰে হয়, দুখৰ গান বোধহয় খুব কমেইহে গোৱা হয়। কুলিৰ বিননি, বিহুৱতী চৰাইৰ বিননিত দুখ আৰু আনন্দ দুয়োটাই থাকে। এইবোৰ আহ্বানমূলকো। চৰাইৰ গান হ'ল তাৰ জীৱনৰ প্ৰয়োজন, তেজমিশ্ৰিত আদিম প্ৰবৃত্তিগত প্ৰয়োজন। জীয়াই থকাৰ বাবে এই গীত গোৱা হয়। ই বিলাসৰ বাবে নহয়। নাগালে হয়তো মৰি যাব। প্ৰকৃতিৰ পৰিবেশ, শৰীৰৰ তাগিদা, প্ৰজাতি সমাজৰ তাগিদা আৰু কলাসুলভ মনৰ সৃষ্টিশীলতাৰ বাবে এই গীতৰ জন্ম হয়।

এতিয়া চাওঁ আহক অন্য দেশৰ কপৌবোৰে কিদৰে গান গায় মাত্ৰ কেইটামান উদাহৰণেৰে —

১) উত্তৰ আমেৰিকাৰ Mourning Dove (বিননি কপৌ)ৰ মাত বা গান হ'ল —

| | | |
|---|---|---|
| কু - উ - | কু কু কু | (Perch - coo) |
| নি ऽ চাঁ ऽ | নি নি নি | |

২) ইংলেণ্ড আৰু ইউৰেছিয়াৰ Collard Dove (মণিবন্ধা কপৌ)ৰ মাত হ'ল —

| | |
|---|---|
| কু কু - উ | কুক্ - - - |
| নি নি ऽ চাঁ | নি নি ऽ ऽ |

৩) পূব এছিয়া আৰু অষ্ট্ৰেলিয়াৰ (১) Spotted Turtle Dove আৰু (২) Spotted Dove (ফুটুকী কপৌ)ৰ মাত হ'ল —

| | | |
|---|---|---|
| (১) | কু কু - - | কুউ - কুউ - |
| | নি চাঁ ऽ ऽ | নি ऽ নি ऽ |
| (২) | কু কু - উ | কু - কু - উ |
| | নি নি ऽ চাঁ | নি ऽ নি ऽ চাঁ |
| বা | কু কু ক্রু - | কু কু ক্রু - |
| | নি নি নিগাঁऽ | নি নি নিগাঁऽ |

৪) চকু ৰঙা বহল চকু পতাৰ Diamond Dove (হীৰা কপৌ)ৰ গান হ'ল —

| | |
|---|---|
| কুউ কুউ উ - | কুউ কুউ উ - |
| নি গাঁনি নি ऽ | নি গাঁনি নি ऽ |

৫) Turtle Dove (কাছ কপৌ)

| | |
|---|---|
| কু ৰূ ৰূ - | ক্রুউ - - - |
| নি ऽ ৰে ऽ | ৰে ऽ নিগাঁ ऽ |

সকলোবিলাকৰ গান আলোচনা কৰিব পৰা নগ'ল। এই দিশত আগ্ৰহীসকলৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

◆◆◆◆◆◆◆



TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM



# আধুনিক কবিতাত ব্যক্তিসত্তা আৰু বিচ্ছিন্নতা

ড° অপূৰ্ব ভাস্কৰ গগৈ
উপাধ্যক্ষ

কবিতাৰ সংজ্ঞা দিয়া এই প্ৰবন্ধৰ উদ্দেশ্য নহয়। ইয়াত কবিতাৰ আন দুই-এটা দিশহে সামৰি লোৱা হ'ব। কিন্তু সেই কথা কোৱাৰ আগতে আধুনিক কবিতানো কি — সেই বিষয়ে দুই-এষাৰ কোৱাটো বোধকৰো অযুক্তিকৰ নহ'ব।

কবিতা সদায় ভাষাৰে প্ৰকাশ কৰা হয়। ভাষা যিহেতু সমাজত সৃষ্টি হয়, কবিতাৰ যিকোনো কথাই সমাজৰ পৰা আঁতৰত নহয়। কবিতা মানৱ মনত জোকাৰণি তোলা প্ৰথম নান্দনিক প্ৰক্ৰিয়া। বহু যুগ পাৰ হৈ আধুনিক কবিতাৰ জন্ম হৈছে। ইয়াৰ বিভিন্ন লক্ষণ বিভিন্নজনে নানা সময়ত আলোচনা কৰিছে। ইয়াত কেৱল খৃষ্টোফাৰ কডৱেলে আগবঢ়োৱা কেইটামান লক্ষণেই বিবেচনা কৰা হ'ল। তেওঁ কৈছিল —

(১) কবিতা ছন্দস্পন্দ যুক্ত (Rhythmical);

(২) কবিতা অনুবাদ কৰিব নোৱাৰি;

(৩) কবিতা সদায় অযৌক্তিক (Irrational);

(৪) কবিতা শব্দৰে নিৰ্মিত;

(৫) কবিতা অপ্ৰতীকী (non symbolic)

(৬) কবিতা ঘনীভূত অনুভূতি বিশিষ্ট (Condensed effect)

কডৱেলে কবিতাক যৌক্তিক বুলি কওঁতে ইয়াৰ অনুবাদ কৰিব নোৱাৰা চৰিত্ৰটোকো টানি আনিছে। কবিতাৰ চৰিত্ৰ গদ্যৰ চৰিত্ৰৰ লগত অকণো মিল নাই। স্পিনোজাৰ দৰ্শন সকলো ভাষাতেই যেনেকৈ নকওক লাগিলে তাৰ সলনি নহয়; বা, এটা সাধুকথা নানাজনে ক'লেও তাৰ বৈশিষ্ট্য অটুট থাকে। কিন্তু এটা কবিতা গদ্যত লিখি উলিয়ালে বা অনুবাদ কৰিলে সি তাৰ বৈশিষ্ট্য হেৰুৱাব — সি আৰু সেই কবিতা হৈ নাথাকিব। তেওঁ যৌক্তিক শব্দটোৰ মানুহে একমত হ'ব পৰা পাৰিপাৰ্শ্বিকতাৰ শৃঙ্খলৰ প্ৰতি মিলক বুজাইছে। কবিতাৰ সমলসমূহৰ দ্বিতীয় নেতিকৰণৰ ফলত (Second negative) কবিতা সৃষ্টি হোৱা হেতুকে পাৰিপাৰ্শ্বিকতাৰ শৃঙ্খলৰ স'তে কবিতা অমিল হৈ পৰে! সেয়ে, 'কবিতা অযৌক্তিক' — চমুকৈ এনেকৈয়ে ক'ব পৰা যায়।

পাৰিপাৰ্শ্বিক সমিলতা (Environmental congruence)ৰ বাদেও আন এক প্ৰকাৰৰ সমিলতা আবেগিক বা বিষয়ীগত সমিলতাও (emotional or subjective congruence ) পোৱা যায় — যাক অন্তৰ্লীন বাস্তৱতাৰ সমিলতা বুলি ক'ব পাৰি। আকৌ, কবিতাৰ লগত ইয়াৰ ছন্দস্পন্দ অনিবাৰ্যভাৱে জড়িত। যি কি নহওক, দুই পাৰস্পৰিক বিৰোধাত্মক সমিলতা কবিতাত পোৱা যায় — কবিতাক অযৌক্তিক বোলাৰ কাৰণ ইয়ো। কিন্তু আবেগিক সমিলতা বা অন্তৰ্লীন বাস্তৱতাৰ সমিলতাই কবিতাক যৌক্তিক আধাৰ এটাও দিয়ে। এই পাৰস্পৰিক বিৰোধাত্মক স্থিতিয়ে কবিতাক এক সুকীয়া মাত্ৰা দিয়ে। আনহাতে, কডৱেলে কবিতাক শব্দৰে নিৰ্মিত আৰু অপ্ৰতীকী এই দুটা কথাত জোৰ দিছে। মালাৰ্মেও কবিতা 'আদৰ্শ'ৰে (idea) ৰে লিখা নহয় — শব্দৰে লিখা হয় বুলি কৈছিল। শ্যেলীয়ে কৈছিল, "A poem is the very image of life expressed in its central truth" অৰ্থাৎ কবিতাই শেষ বিচাৰত জীৱনকেই ব্যাখ্যা কৰে। সেয়ে, কবিতাৰ স্বৰূপ অৱশ্যম্ভাৱীভাৱেই সামাজিক।

কবিতাক অপ্ৰতীকী বুলি কড্‌ৱেলেল মত দিছে। যদি প্ৰতীকী হ'লহেঁতেন $5^2=25$ বা তেনে প্ৰতীকসমূহৰ দৰেই তাৰ অত্যধিক অনুবাদিত হ'ব পৰা চৰিত্ৰও থাকিলেহেঁতেন; কাৰণ, তেনে প্ৰতীক নৈব্যক্তিক চৰিত্ৰৰ হোৱাৰ বাবে যিকোনো ভাষালৈ অনুবাদ হওঁতেও - মূল বিষয়টোৰ অৰ্থৰ হানি-বিঘিনি নহয়। কিন্তু কবিতাৰ চৰিত্ৰ তেনে নহয়। তথাপিও, কড্‌ৱেলে কবিতাৰ মাজতো কিছুপৰিমাণে হ'লেও অনুবাদ হ'ব পৰা গুণৰো উল্লেখ কৰিছে — আৰু সেয়ে, কবিতাতো কিছু পৰিমাণে প্ৰতীকী গুণসমূহো নিহিত থাকে বুলি কৈছে। কবিতাত যদিও যৌক্তিক সমিলতাৰ ( rational congruence) অভাৱ থাকে — ইয়াত

আবেগিক ব্যাহ্যিক প্ৰতীকী স্বৰূপৰ (external symbolism) আবেগী সঞ্চাৰ (emotional attitude) থাকে। এটা 'প্ৰকৃত' শব্দই বাহ্যিকসূচক আৰু বিষয়ীগত ভাব দুয়োটাকে দেখুৱায়। কবিতাৰ কিছু পৰিমাণে হ'লেও অনুবাদ হ'ব পৰা চৰিত্ৰটো ইয়াৰ মাজতেই সোমাই থাকে।

কবিতাক 'অপ্ৰতীকী' বুলি অভিহিত কৰা কথাটোলৈ ঘূৰি চোৱা যাওক। অলপ আগতে $5^2=25$ এই উদাহৰণটো ব্যৱহৃত হৈছিল। এই উদাহৰণটো নৈব্যক্তিক; সেয়ে ইয়াক আন প্ৰতীকৰ (ধৰা যাওক $x^2=y$) আশ্ৰয় কৰি ব্যাখ্যা কৰিলেও সঠিক বিচাৰত ইয়াৰ অৰ্থ বিচাৰি পোৱা যাব। কিন্তু কবিতাক যদি প্ৰতীকী শব্দৰে প্ৰকাশ কৰো ইয়াক বুজিবলৈ আমি মানসিকভাৱে আন ৰূপলৈ সজাই ল'ব লাগিব।

'ঘোঁৰা' এই শব্দটো চিত্ৰকল্প হিচাপে লৈ বিচাৰ কৰি চোৱা যাওক —

"ঘোঁৰাবোৰ কদমত গৈ থাকে
আৰু তৰাবোৰে মোৰ বুকুত চাবুক মাৰি যায়"

— ভবেন বৰুৱা

........

"আছেনে বাৰু তেওঁৰ দুচকুত
সেই দুটা ক'লা ঘোঁৰা।"

— নীলমণি ফুকন

........

"দেশ বুলিলে আদেশ নালাগে
মোৰ তুমৰুলি তেজত টগবগাই উঠে
এহেজাৰ এটা ৰণুৱা ঘোঁৰা।"

— হীৰেন ভট্টাচাৰ্য

এই তিনিওটা উদ্ধৃতিতে ব্যৱহৃত হোৱা ঘোঁৰা শব্দটোৰ তাৎপৰ্য কিন্তু সুকীয়া সুকীয়া প্ৰতীকত থকাৰ দৰে অনুবাদিত হ'ব পৰা ক্ষমতা এই চিত্ৰকল্পত নাই। ইহঁতৰ তাৎপৰ্য কেৱল উপলব্ধি কৰিবহে পাৰি। সেইদৰে

"হৰিৎ প্ৰান্তৰত হঠাৎ বাজি উঠিল ঘণ্টা
জুই নুনুমুৱা চিতাৰ ওপৰত এতিয়া সন্ধ্যা।"

— এই কবিতাত 'হৰিৎ' শব্দটো 'সেউজীয়া' তেনেদৰে 'সন্ধ্যা' শব্দটো 'গধূলি' কৰি দিয়া হয় — কবিতাটোৱে সকলো 'সৌন্দৰ্য' হেৰুৱাই পেলাব আৰু প্ৰকৃত কবিতাটোৰ সমান অৰ্থবহ হৈও নাথাকিব।

এইখিনিতে এটা কথা কোৱা উচিত হ'ব। কড়ৱেলে কবিতাৰ বিমূৰ্ত অৱস্থিতিক নুই কৰাটোত কিছু পৰিমাণে বিতৰ্কৰো স্থল থাকে। কবিতা হ'ল - বস্তু বিশ্বৰ 'দ্বিতীয় নেতিকৰণ'ৰ (Second negation) ফলত সৃষ্টি হোৱা সমৃদ্ধতৰ ৰূপ। ইয়াত বস্তু বিশ্বৰ যান্ত্ৰিক প্ৰতিফলন নঘটে। বস্তু বিশ্বৰ প্ৰথম নেতিকৰণ ঘটে অনুভূতিত; কিন্তু এই অনুভূতি 'মূৰ্ত' নহয়। ইয়াত সমৃদ্ধতৰ ৰূপটোৱেই হ'ল কবিতা। বিতৰ্কৰ স্থলো ইয়াতেই।

কবিতাৰ প্ৰসংগত জৰ্জ টমচনৰ 'Marxism and Poetry' গ্ৰন্থখনত লিখা এষাৰ কথা ইয়াতেই উনুকিয়াব পাৰি।.... " আমি সকলো ভাষাতেই দুই ধৰণৰ কথা কোৱা পাওঁ — সাধাৰণ কথা কোৱা......... (আৰু) আনটো কবিতাত কথা কোৱা। এই মাধ্যম অতি নিবিড়। কোনো কৃত্যৰ যৌথ প্ৰক্ৰিয়াৰ যি যোগ্য অতিকল্পনাময়, দ্বন্দ্বশৰীৰ আৰু যাদুকৰী।" লিৱিচৰ মতে — কবিতা লিখা এবছৰেই হওক বা পাঁচশতিকাই হওক — সি যদি বৰ্তমান সময়লৈকে অৰ্থবহন কৰি থাকে - সিয়েই আধুনিক কবিতা। শৈল্পিক দৃষ্টিকোণৰ পৰা পুৰণি কবিতা আৰু আধুনিক কবিতাৰ মাজত বৰ বেছি পাৰ্থক্য নাই। আধুনিক কবিতাই বৰ্ণনাৰ গদ্যময়তাৰ পৰা আঁতৰি গৈছে আৰু ই ক্ৰমশঃ উঠি অহা বুৰ্জোৱা শ্ৰেণীটোৰ পাৰিপাৰ্শ্বিকতাৰ প্ৰতি সজাগতাৰ সম্পৰ্কত বিশেষ ভূমিকা লৈছে। বুদ্ধদেৱ বসুৱে আধুনিক কবিতাক বিদ্ৰোহৰ, সংশয়ৰ, ক্লান্তিৰ, সন্ধানৰ কবিতা বুলি কৈছে। যি কি নহওক আধুনিক কবিতাই যথাৰ্থভাৱেই জীৱনক প্ৰতিফলিত কৰিব পাৰিব লাগিব।

এতিয়া মূল বিষয়লৈ অহা যাওক। এই বিষয়টোৰ স'তে এৰাব নোৱাৰাকৈ জড়িত দুটা প্ৰসংগ হ'ল — সামাজিক আৰু ব্যক্তিগত কবিতা।

এটা কবিতা সামাজিক নে ব্যক্তিগত — এই প্ৰশ্ন এজন কবি কিমান পৰিমাণে কবিতাটোৰ মাজত বিৰাজমান তাৰ ওপৰতে ভিত্তি কৰি উদয় হয়। বহুসময়তে দেখা যায় কবি আৰু কবিতাৰ ব্যক্তিসত্তা একে; আনহাতে, বহুসময়ত দেখা যায় — যি ব্যক্তিসত্তাই কবিতাৰ মাজত কথা কয় সি কবিতাৰ ব্যক্তিসত্তাৰ সতে একে নহয়। এই ব্যক্তিসত্তাৰ সমস্যা মূলতে মানুহৰ ব্যক্তি প্ৰকৃতিৰ লগত সম্পৰ্কযুক্ত। বহুসময়ত কবিৰ প্ৰকৃত মুখচ্ছদ কবিতাত প্ৰকাশ নহয়, বা কেতিয়াবা হয়। সি যিয়েই নহওক — এটা ঘটনা বৰ্ণনা কৰিবলৈ যাওঁতে — সেই ঘটনাও তাৰ প্ৰকৃত ৰূপত অবিকৃতভাৱে বৰ্ণনা কৰিব পৰা নাযায়। সি তাৰ বাস্তৱতা হেৰুৱায়। যিহেতু সম্পূৰ্ণ পৰিপ্ৰেক্ষিতৰ মানচিত্ৰ তৈয়াৰ কৰি ঘটনা বৰ্ণনা হৈ থকা নাই — সেইবাবে ই অবিকৃত হৈ থকা নাই — ফলত বৰ্ণনাই বাস্তৱতাৰ মূল্য হেৰুৱায়। কোনো ব্যক্তিৰ মূল্যও আমি এনেদৰেই নিৰূপণ কৰো। কিন্তু দেখা যায়, বহুসময়ত এটা পংক্তিৰ মাজত মনোজগতৰ জটিল সংশ্লেষণী সত্তাৰ গোপন অৱস্থিতি থাকে, আৰু আমি বাস্তৱত তাক বুজিবলৈ অপাৰগ হওঁ — তেনেক্ষেত্ৰত আমি আমাৰ ইচ্ছামতে কবিতাটোৰ এক ব্যক্তিগত অৰ্থ গ্ৰহণ কৰিয়েই সুখী হৈ থাকিব নোৱাৰো — তাৰ অভ্যন্তৰত কি নিহিত হৈ আছে তাকো জানিবলৈ বিচাৰোঁ। আমি সকলোৱেই যিহেতু সসীম জ্ঞানৰ অধিকাৰীহে — আমি কোনো নক্সাৰ মাধ্যমেৰেই সকলো বস্তু চাবলৈ বিচাৰোঁ। কিন্তু প্ৰতি মুহূৰ্ত্ততে বাস্তৱ আৰু এইও নিৰূপিত নক্সাৰ মাজত দ্বন্দ্বই দেখা দিয়ে। সেয়ে, নক্সাৰ ৰূপৰেখাও সলনি হৈ যায়। আৰু বহুসময়ত, আমি কবিতাত নতুনত্বৰ আবিৰ্ভাবকো সীমাবদ্ধতাৰ মানদণ্ডৰে জুখি চাওঁ - জীৱনৰ অভিনৱত্বক সচৰাচৰ মানি ল'ব নোৱাৰা মানসিকতাৰেই। এই কথা কবিৰ ব্যক্তিসত্তাৰ ক্ষেত্ৰতো প্ৰযোজ্য। সেয়ে, দুজন কবিৰ ক্ষেত্ৰত, এজনে যি চৰিত্ৰৰ মুখে কথা ক'ব আনজনে এক বেলেগ চৰিত্ৰৰ মাধ্যমেৰে কথা ক'ব আৰু পাঠকেও নিজৰ অভীপ্সা অনুসৰিয়েই তেওঁলোকৰ এজনক বাছি ল'ব। কবিতাৰ ব্যক্তিসত্তাও সেয়ে দ্বিধাৰাত বিভক্ত। (১) হয় তেওঁ পাঠকৰ অভীপ্সাৰ বলি হ'ব; নহয়, (২) তেওঁ আত্মনিৰ্বাচন আৰু তেওঁৰ পাঠকৰ ৰুচি সাপেক্ষে এক বা একাধিক ভূমিকা ল'ব। যিহেতু কবিতা 'উক্তি' - গতিকে এজন বক্তাৰ অস্তিত্বও পাঠকে উপলব্ধি কৰিবলগীয়া হয়। — এইয়াই কবিৰ ব্যক্তিসত্তা। গতিকে কবিতাত 'উক্তি'ৰ দুই ধৰণৰ স্তৰ থাকে; এটাত চৰিত্ৰবিলাকে পাৰস্পৰিকভাৱে আৰু আনটোত পাঠকৰ লগত কথা পাতে। ধৰা হওক নীলমণি ফুকনৰ এটা কবিতা —

"কলৈ যাব হে'ৰ উন্মাদিনী
ঘৰৰ সোঁত
বাটত সোঁত
সোঁতৰ কি ঘিলা বৰণীয়া পানী...."

ইয়াত প্ৰথম স্তৰত

প্ৰথম পুৰুষ — কবিতাৰ ৰচক।
দ্বিতীয় পুৰুষ — কবিয়ে উল্লেখ কৰা উন্মাদিনী।
তৃতীয় পুৰুষ — কবিৰ নায়িকাৰ প্ৰতি উৎকণ্ঠা।

কিন্তু ইয়াৰ বিপৰীতে দ্বিতীয় স্তৰত আছে —

প্ৰথম পুৰুষ — কবিতাৰ ৰচক।
দ্বিতীয় পুৰুষ — পাঠক মণ্ডলী।
তৃতীয় পুৰুষ — মানবিক উৎকণ্ঠা - মানস বিশ্বৰ এটা উপাদান।

কবিতাটোৰ গভীৰত ৰোৱা কথাবিলাক উক্তিৰ প্ৰথম স্তৰত পোৱা ধাৰণাৰ বহু ওপৰত; নৈব্যক্তিক আৰু গভীৰ।

সেয়ে, দেখা যায়, আধুনিক কবিতাবিলাক দ্বিতলবিশিষ্ট। ইয়াত কবি আৰু কবিতা উভয়ৰে স্থানো দুটা সুকীয়া তলত। কিন্তু যোৱা দুই শতিকাৰ বহুতো ইউৰোপীয় কবিৰ আৰু আন বহু দেশৰ কবিতাত দেখা যায় যে কবিয়ে ব্যক্তিসত্তাৰ আৱৰণ ভাঙি কবিতাত প্ৰবেশ কৰিছে, আৰু তেতিয়াই কবিতা ব্যক্তিগত হৈ পৰে। কিন্তু, ইয়াৰ বিপৰীতে কবিতাত দেখা যায় কবিৰ কণ্ঠস্বৰ কবিতাত নাই। ইয়াৰ বিপৰীতে কবিয়ে যি কবিতা ৰচনা কৰিছে — তাৰহে স্বৰ আছে। সেয়ে, ক'ব পাৰি — কবিৰ ব্যক্তিগত ধাৰণা, অনুভৱ, অভিজ্ঞতা প্ৰভৃতি একোটা ব্যক্তিসত্তাৰ মাজেদিহে প্ৰকাশ পায়। এই ব্যক্তিগত অনুভৱৰ বিপৰীতে কবিৰ ভূমিকা সাপেক্ষ প্ৰতিচ্ছবিয়ে যিমানেই বিশিষ্ট ৰূপ লয়, সিমানেই কবিতা নৈব্যক্তিক হৈ পৰে। আৰু তেতিয়াই এলিয়টে কবিতাৰ বিষয়ত কোৱা "ব্যক্তিত্বৰ পৰা মুক্তিৰ বাহন" — এই কথাষাৰৰ বাস্তৱ সমৰ্থন পোৱা যায়। এই দ্বিতল বিশিষ্টতা আধুনিক কবিতাৰ আপাত দুৰ্বোধ্যতাৰ বাবে বহুপৰিমাণে দায়ী।

কিন্তু ইমানতে সমস্যাৰ সমাধান নহয়। নৈব্যক্তিকতাক মানুহৰ ধৰাচোৱাৰ বাহিৰত বুলি ধৰিলে শিল্পৰ ভিত্তিমূলেই সংশয়যুক্ত হৈ পৰে। শিল্প যিহেতু মানৱকেন্দ্ৰিক, কবিতাত মানুহৰ সম্পূৰ্ণ অনুপস্থিতি ঘটিলে — ই মানুহৰ একপ্ৰকাৰৰ বিচ্ছিন্নতাকেই ৰূপ দিব পাৰে। গতিকে, কবিৰ এই বিচ্ছিন্নতাবোধ সম্পৰ্কে সচেতন থকাটো প্ৰয়োজন; আৰু সেয়ে হ'লে তেওঁ নৈব্যক্তিকতাক ব্যৱহাৰ কৰাৰ মাজেদি সমাজ আৰু ব্যক্তিগত বিচ্ছিন্নতাবোধৰ বিৰুদ্ধে যুঁজ দিব পাৰে। এইখিনিতেই বিচ্ছিন্নতানো কি — এই প্ৰশ্নটো আহিব পাৰে। প্ৰশ্নটো জটিল। ইংৰাজীত Alianation, Extrangement, Apathy, Non-involvement, Indifference এইবিলাক শব্দৰে আৰু অসমীয়াত বিযুক্ত, নিঃসঙ্গতা, অনন্বয়, বিচ্ছিন্নতা আদিৰে ইয়াক বুজোৱা হয়। বিচ্ছিন্নতাৰ বিভিন্ন ধাৰা আছে। মনস্তাত্বিকসকলে কৈশোৰৰ সম্পৰ্ক আৰু মানসিক ঘাত-প্ৰতিঘাতৰ ওপৰত অতি গুৰুত্ব আৰোপ কৰি ইয়াক ব্যাখ্যা কৰে। ফ্ৰয়েদীয় মনস্তাত্বিকসকলে ব্যক্তিগত ব্যৰ্থতা, সমাধানাতীত ইডিপাচ্ কম্প্লেক্স, লিবিডো সংকট আদিৰ মাজত ইয়াৰ ভিত্তি বিচাৰি পায়। আনহাতে বৈজ্ঞানিক সমাজতাত্বিকসকলে ভাৱে যে — ই শোষণ ভিত্তিক সমাজৰ অভিশাপ, যন্ত্ৰ সৰ্বস্ব সমাজৰ আৰ্তি আৰু বিততিৰ (Stress and Strain) প্ৰতিক্ৰিয়া। এইক্ষেত্ৰত বিতৰ্কলৈ নগৈ শিল্প সাহিত্যতো ইয়াৰ গুৰুত্বপূৰ্ণ অৱস্থিতিৰ প্ৰমাণ টি.এচ এলিয়টৰ লিখনিৰেই দিব পাৰি। তেওঁ লিখিছে —

"Do you know –
It no longer seems worthwhile to speak to any one!
No....... it isn't that I want to be alone,
But that everyone's alone - or so it seems to me
They make noises, and think they are talking to each other;
They make faces and think they understand each other.
And I'm sure that they don't........."

বস্তুগত পৰীক্ষা-নিৰীক্ষাভিত্তিক আধুনিক মনোবিজ্ঞানে বিচ্ছিন্নতাৰ কাৰণ সুস্থভাৱে ব্যাখ্যা কৰিছে। পাভ্‌লভৰ মতে, ".......The reflex of purpose is of great and final importance." মানুহৰ উদ্দেশ্যপূৰণৰ ক্ষেত্ৰত বাৰে বাৰে বাধা পৰিলে পৰাবৰ্ত্ত (reflex) ক্ৰমান্বয়ে ক্ষীণ হৈ আহি অৱশেষত জীৱনৰ প্ৰতি আকৰ্ষণেই শেষ হৈ যাব পাৰে, আৰু তেতিয়াই বিচ্ছিন্নতাৰ সম্পূৰ্ণ হয়। কিন্তু, এই বিচ্ছিন্নতা কবি বা শিল্পীৰো আভ্যন্তৰীণ সংঘাত আৰু ই তেওঁক বাহিৰৰ বিশ্বৰ পৰাও বিচ্ছিন্ন কৰি তোলে। সেয়ে, কবি বহুসময়ত নিজৰ ওচৰতে বহু পৰিমাণে 'বাহিৰৰ লোক' হৈ পৰে। — কবিয়ে ইয়াৰ প্ৰকৃত কাৰণ বুজিব নোৱাৰি ইয়াক 'নিয়তি' বুলি নিজকে পতিয়ন নিয়াবলৈ যত্ন কৰে; আৰু তেতিয়াই মানুহৰ মনৰ অভ্যন্তৰলৈ সোমোৱাৰ যোগ্যতা হেৰুৱায়। এনেকুৱা মানসিক স্তৰৰ সৃষ্টিত বিচ্ছিন্নতাৰ অস্তিত্বই মুখ্য ৰূপে দেখা দিয়ে। এনে অনন্বয়িত কবিতাবিলাকত আত্মমুখীনতা ব্যাপক। ইয়াৰ উৎস সন্ধান কৰিলে দেখা যায় কবি-শিল্পীৰ মন আবেগ আৰু অনুভূতিপ্ৰৱণ, কিন্তু বিজ্ঞানীৰ মন চিন্তা আৰু বিশ্লেষণপ্ৰৱণ। পাভ্‌লভে ইয়াৰ বৈজ্ঞানিক ব্যাখ্যা দিছে। বিবৰ্ত্তনৰ লগে লগে মানুহে বহুতো নতুন মস্তিষ্ক ধৰ্ম আয়ত্ব কৰিছে। বাক শক্তিও ইয়াৰ এটা উদাহৰণ। ইয়াৰ ফলত কেন্দ্ৰীয় উপলব্ধিৰ সামন্যীকৰণ, বিমূৰ্ত্তকৰণ সম্ভৱ হৈছে; আৰু বাককেন্দ্ৰিক চিন্তা, যুক্তি, বিশ্লেষণ আদিৰ স্ফুৰণ ঘটিছে। আবেগ অনুভূতি আৰু যুক্তিবুদ্ধি চৈতন্যৰ দুটা স্তৰ। বস্তুগত বাস্তৱতা (Objective reality) এই দুইভাৱেই প্ৰতিফলিত হয়। দ্বিতীয়টোৱে বস্তুৰ যথাৰ্থ ৰূপ মগজুলৈ আনে আৰু আবেগে ধাৰণাকৃত বস্তু (idea) টিৰ বিশেষ তাৎপৰ্য্য নিৰ্দ্ধাৰণ কৰে। 'আইডিয়া' বৰ্জিত হৈ 'প্ৰক্ষোভ'ৰ (Emotion) সৃষ্টি হ'ব নোৱাৰে। আৰু তেনেদৰেই 'আইডিয়া' মানেই সামান্য পৰিমাণে হ'লেও প্ৰক্ষোভ সৃষ্টি হ'বই। সাধাৰণ মানুহে ইয়াৰ ভাৰসাম্যত থাকে। কিন্তু বিজ্ঞানধৰ্মী মস্তিষ্ক আৰু শিল্পী মন দুই বিপৰীত মেৰুত অৱস্থিত। বিজ্ঞানী মনক মূৰ্ত্তৰূপকল্প প্ৰক্ষোভে স্পৰ্শ নকৰে। কিন্তু শিল্পীমন বিমূৰ্ত্ত আৰু সামান্যকৃত ধাৰণাৰে পৰিচালিত হ'বলৈ নিবিচাৰে। যুক্তি বুদ্ধিয়ে এওঁলোকক প্ৰভাৱিত কৰিব নোৱাৰে। বিজ্ঞানীসকলৰ মস্তিষ্কত দ্বিতীয় বা বাক সাংকেতিক স্তৰৰ প্ৰাধান্য থাকে কিন্তু শিল্পীমনা মানুহৰ মগজুত প্ৰাথমিক সাংকেতিক স্তৰ বা ইন্দ্ৰিয়ানুভূতিৰ স্তৰৰ প্ৰাধান্য বেছি।

শ্ৰেণী সমাজত স্বাভাৱিকভাৱেই বুদ্ধি আৰু অনুভূতিৰ মাজত বিযুক্তি ঘটিছে। ইয়াৰ ফলতেই চেতনাত এই দ্বৈত প্ৰক্ৰিয়াৰ প্ৰকাশ দেখিবলৈ পোৱা যায়। সেইবাবেই আৰ্ণষ্ট ফিচাৰে কৈছিল — "Art is on its last legs. It has driven out by science and technology." এই কথাষাৰৰ মাজত এই ক্ৰম বিযুক্তিয়েই ফুটি উঠিছে। কিন্তু অস্তিত্ববাদেই (Existentialism) হওক বা ফ্ৰয়ডৰ নিজ্ঞান তত্ত্বই হওক এইবিলাক যদিও আধুনিক সাহিত্যৰ প্ৰধান উপজীৱ্য — এই তত্ত্ববিলাক বৈজ্ঞানিক বস্তুবাদসন্মত নহ'লেও বিজ্ঞানৰ জয়যাত্ৰাৰ যুগত প্ৰতিক্ৰিয়া আৰু প্ৰভাৱ হিচাপেই জন্ম হৈছে। আৱশ্যম্ভাৱীভাৱেই মতৰ দ্বন্দ্বই দেখা দিছে। বহুসময়ত দেখা যায় - ব্যক্তিমনৰ আকুতিৰ গভীৰ তাৎপৰ্য্যৰ বৈজ্ঞানিক ব্যাখ্যা অৱহেলিত বা প্ৰতিফলন তত্ত্বৰ যান্ত্ৰিক আৰু অবাধ প্ৰয়োগ, অথবা বিজ্ঞানে সজোৰে অনুপ্ৰৱেশ কৰিছে আৰু শিল্পীমন আৰু বিজ্ঞানীমনৰ পাৰ্থক্য নাইকিয়া হ'বলৈ আৰম্ভ কৰিছে। কিন্তু আনফালে দেখা যায়, এই ভয় অমূলক। বিজ্ঞানৰ গণ্ডী সীমিত আৰু আপেক্ষিকভাৱে সত্য। কিন্তু শিল্পৰ 'সত্য' নতুনৰ আক্ৰমণতো অপৰাজিত হৈ থাকে। গতিকে শিল্প সাহিত্য স্বধৰ্মচ্যুত হোৱাৰ সম্ভাৱনা থাকিলেও মৰণ নাই। মানৱ মনৰ অভিব্যক্তিসমূহ যন্ত্ৰই ৰূপ দিয়াত কাহানিও সফল নহ'ব। পিছলৈ সাম্যবাদী সমাজলৈ উত্তৰণ ঘটি মানুহে খণ্ডিত বিচ্ছিন্ন সত্তাৰ 'বিলাপ'ৰ পৰা মুক্তি লভিলেও মহত্তৰ আৰু বৃহত্তৰ স্বপ্নই হাত বাউল দি লৈ যোৱাৰ পথটোও শিল্প সাহিত্যৰেই। কিন্তু, এনেবিলাক বিতৰ্কত শ্ৰেণীসমাজৰ চৈতন্যৰ খণ্ডিত সত্তাক চিৰন্তন আৰু শ্বাশত বুলি ধৰি লোৱা হয়। আচলতে শিল্প আৰু বিজ্ঞানৰ ব্যৱধান অলঙ্ঘনীয় নহয়। দুয়োটাৰ যোগাযোগ অতি ঘনিষ্ঠ। শিল্প সাহিত্যত যেনেকৈ বিজ্ঞান শাসিত সমাজৰ তত্ত্ব আৰু প্ৰায়োগিকতাৰ প্ৰয়োগ আছে, তেনেকৈ বিজ্ঞানতো মানৱ বিদ্যাৰ ছায়া প্ৰতিবিম্বিত। ভৱিষ্যতৰ বিজ্ঞান শাসিত সমাজত কায়িক আৰু মানসিক শ্ৰমৰ সীমাৰেখাৰ বিলুপ্তি ঘটিব। গতিকে চিন্তা চেতনাৰ তীক্ষ্ণতা বৃদ্ধি পাব, অনুভূতি হ'ব তীক্ষ্ণ আৰু গভীৰতৰ আৰু আবেগ হ'ব মহত্তৰ। দুয়োটাই ইটোৱে সিটোক সুসমন্বিত কৰি তুলিব। আৰম্ভ হ'ব সত্তাৰ বিচ্ছিন্নতাৰ পৰা প্ৰত্যাৱৰ্ত্তন।

♦♦♦♦♦♦♦♦





# কবিতাৰ বিষয়ে এটি টোকা

দেৱানন্দ ভট্টাচাৰ্য্য
সহযোগী অধ্যাপক, দৰ্শন বিভাগ

কবিতা এক মহৎ শব্দ-শিল্প। 'মহৎ' বুলি অভিহিত কৰাৰ কাৰণ হ'ল — কবিতাত প্ৰবাহিত হয় জীৱনৰ সুৰ। কবিতাৰ মাজেদি কবিয়ে সন্ধান কৰে জীৱন, সত্য, সৌন্দৰ্যক। কবিতা হ'ল কবিৰ আত্মিক উপলব্ধি। আত্মানুসন্ধান। জীৱনৰ গতি-প্ৰকৃতি, পাৰিপাৰ্শ্বিকতা, আত্মবোধ কেৱল কবিতাৰ উপজীব্যই নহয় — এইবোৰে কবিৰ কবিতাক গঢ় দিয়ে — এইবোৰে কবিতাক দিয়ে — দিক্‌দৰ্শন। অসমীয়া কবিতাও এইবোৰ চিন্তাধাৰাৰ পৰা ব্যতিক্ৰম নহয়। অসমীয়া কবিতাৰ ইতিহাসলৈ মন কৰিলে দেখা যায় যে আজি পৰ্যন্ত অসমীয়া কবিতাই এশ বছৰৰো অধিক কাল অতিক্ৰম কৰি আহিছে আৰু আহি আহি আজিৰ এই একবিংশ শতিকাৰ প্ৰায় দুটা দশক অতিক্ৰম কৰাৰ পৰ্যায় পাইছে। লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আদিৰ 'জোনাকী' যুগৰ পৰা আৰম্ভ কৰি এতিয়া এই উত্তৰ আধুনিক পৰ্যায়ত প্ৰান্তিক, গৰীয়সী, প্ৰকাশ আদিৰ যুগত ভৰি থৈছে। জোনাকী, বাঁহী, আৱাহন আদি যুগৰ কবিতা আছিল প্ৰকৃতিকেন্দ্ৰিক আৰু ৰোমান্টিক ভাৱ বিলাসিতাৰে পূৰ্ণ। কিন্তু ৰামধেনু যুগৰ পৰা সাম্প্ৰতিক প্ৰান্তিক, গৰীয়সী, প্ৰকাশ যুগৰ কবিতাবোৰ কেৱল মাত্ৰ ৰোমান্টিক ভাৱ বিলাসিতা অথবা প্ৰকৃতিমুখী নহয়। জোনাকী, বাঁহী আদিৰ ছন্দোৱদ্ধ কবিতাৰ ঠাইত আজি প্ৰায় ছন্দহীন বা মুক্তক ছন্দৰ আধুনিক শৈলীৰ কবিতাৰ সৃষ্টি হৈছে; ৰোমান্টিকতাৰ ঠাই লৈছে আধুনিক সমাজ জীৱনৰ চিন্তন আৰু মননে। আজিৰ কবিতা হৈ পৰিছে জীৱনৰ গান; জীৱনমুখী চিন্তা। অৱশ্যে আজিৰ কবিতা দুৰ্বোধ্য বুলি পাঠক সমাজৰ তৰফৰ পৰা সততে অভিযোগ নহাকৈ নাথাকে। বহু সময়ত কবিতাবোৰত ব্যক্তিগত প্ৰতীক, চিত্ৰকল্প, উপমা, ৰূপক, অনুষংগ, আংগিকৰ পয়োভৰে কবিতাক দুৰ্বোধ্যতাৰ ফালে লৈ যায়। সাধাৰণ পাঠকে, কবিয়ে কবিতাত কি কৈছে, বা ক'বলৈ প্ৰয়াস কৰিছে তাৰ ভূকে নাপায়। এইখিনিতেই শ্লোগানধৰ্মী কবিতা আৰু অন্যান্য কবিতাৰ কথাটো আহি পৰে। শ্লোগানধৰ্মী কবিতা নিশ্চয় বক্তব্য প্ৰধান আৰু পোনপটীয়া বিধৰ; আঁৰ-বেৰ নথকা বিধৰ। কিন্তু কবিতাৰূপী পুৰঠ শব্দশিল্পই কিছু আঁৰ-বেৰ কামনা কৰে। ছাঁ-পোহৰৰ মাজতেই, বুজা-নুবুজাৰ মাজতেই কবিতাৰ ব্যঞ্জনাই পাঠকক আকৰ্ষিত কৰিব পৰা হ'ব লাগিব। কবিয়ে কি কৈছে সেই কথা পোনে পোনে জানিব পাৰিলেই সেই সৃষ্টি আৰু উৎকৃষ্ট কবিতা হৈ নাথাকিব। সেয়ে হয়তো সাম্প্ৰতিক কবিয়ে শব্দৰ মায়াজাল গোঁঠে। পাঠকক কবিতাৰ পাঠ উদ্ধাৰৰ ক্ষেত্ৰত কিছু দায়বদ্ধ কৰি তোলে। বিনা কচৰৎত কোনেও আজিকালি কবিতা বুজি নাপায়। সাম্প্ৰতিক কবিয়েও তাকেই বিচাৰে। তেনে কৰিবলৈ যাওঁতেই কবিয়ে বক্তব্য প্ৰধান শ্লোগানধৰ্মী পোনপটীয়া কবিতাতকৈ ব্যঞ্জনাময় চিত্ৰকল্পৰ ওপৰত ভৰ দি ন ন পৰীক্ষা-নিৰীক্ষাৰে কাব্য চৰ্চা অব্যাহত ৰাখে। অৱশ্যে এনে কৰিলে বিপদো নোহোৱা নহয়। বহু সময়ত পাঠকে একোৱেই বুজি নাপায়। সাম্প্ৰতিক বহু জনপ্ৰিয় কবিৰ কবিতাত কবিয়ে আচলতে কি ক'ব বিচাৰিছে সেই কথা পাঠকে গমেই নাপায়। ফলত এচাম পাঠকে কবিতাৰ চৰ্চা, পঠনৰ প্ৰতি অনীহা প্ৰকাশ কৰে। কবিতা সংকলনৰ বিক্ৰীৰ ক্ষেত্ৰতো ই বিৰূপ প্ৰভাৱ পেলাইছে। প্ৰকাশকসকলৰ মতেই আজিকালি কবিতা সংকলনৰ বিক্ৰী নহয়। খুব জনপ্ৰিয় কবিৰ কবিতা সংকলনেই বিক্ৰী নহয়। সাধাৰণ কবিৰ কথা নক'লোৱেইবা।

এটা কথা চকুত পৰে যে যুগ যুগ ধৰি কবিতাৰ ক্ষেত্ৰখনলৈ পৰিৱৰ্তন আহিছে। জোনাকী যুগৰ ৰোমান্টিকতা চল্লিশৰ দশকৰ কবিৰ কবিতাত পাবলৈ নাই। ৪০ৰ দশকৰ কবিৰ কবিতাত স্বদেশপ্ৰেম, শ্ৰেণী সংগ্ৰাম, সমাজবাদী ধ্যান-ধাৰণাৰ প্ৰকাশ আদি দেখিবলৈ পোৱা গ'ল। এই ধাৰাৰ কবি পিছে আজিও বিদ্যমান। তাৰ বিপৰীতে এচামে প্ৰেম-প্ৰীতি, জীৱনবোধ আৰু আধুনিক জীৱনযাত্ৰাৰ সকলো দিশ সামৰি লৈ আধুনিক কবিতাৰ ধাৰাৰ সৃষ্টি কৰিলে। হেমাংগ বিশ্বাসৰ (**কুল খুৰাৰ চোতাল**) পৰা সদ্যপ্ৰয়াত নলিনীধৰ ভট্টাচাৰ্য্য (**দিনবোৰ সলনি নহ'ল**)লৈকে বিভিন্নজন কবিয়ে মানুহৰ বাবে কবিতা লিখিলে। ৰামধেনু যুগৰ পৰা আৰম্ভ হোৱা আধুনিক কবিতাৰ ধাৰাটোক

মহিমামণ্ডিত কৰিলে নৱকান্ত বৰুৱা, হীৰেন ভট্টাচাৰ্য্য, নীলমণি ফুকন, অজিৎ বৰুৱা প্ৰমুখ্য কৰি অগণন কবিয়ে।

অসমীয়া ভাষাৰ কবিতাসমূহৰ ব্যৱহৃত চিত্ৰকল্প, প্ৰতীক, ব্যঞ্জনা, আংগিক, উপমা, পটন্তৰ আদিৰ আলোচনালৈ নগৈ অন্য এটা দিশলৈ মন দিব পাৰি। যোৱা ৭০/৭৫ বছৰৰ অসমীয়া কবিতাত পঢ়ুৱৈয়ে কিন্তু বিষয়বস্তুৰ বৈচিত্ৰ্য অনুভৱ নকৰাকৈ নাথাকে। বিভিন্ন বিষয়বস্তুৱে কবিতাত ঠাই পাইছে সেই অতীজৰ পৰা আজিলৈকে। অমূল্য বৰুৱাই সেই ৪০ৰ দশকতে কবিতালৈ 'কুকুৰ', 'বেশ্যা' আদি বিষয় আমদানি কৰিছিল। অলপ মন কৰিলেই ধৰিব পাৰি যে কোনো বিষয়েই অসমীয়া কবিতাৰ পৰা বাদ পৰি যেন যোৱা নাই। বিভিন্ন সংকলন, বাতৰি কাকত-আলোচনীত যোৱা দুটা দশকত প্ৰকাশিত কবিসকলৰ সাম্প্ৰতিক কবিতাত আমি বিভিন্ন বিষয়ৰ উল্লেখ দেখো। কিহক লৈ কবিতা লেখা নাই এইসকল কবিয়ে। পথাৰৰ পৰা মৰুভূমিলৈকে, চেফটিপিনৰ পৰা আলপিনলৈকে, কম্পিউটাৰৰ মাউচৰ পৰা ইণ্টাৰনেটলৈকে, হাতঘড়ীৰ পৰা বেৰৰ কেলেণ্ডাৰলৈকে, কলমৰ পৰা কাগজলৈকে, ঘাঁহৰ পৰা বনলৈকে, কুলিৰ মাতৰ পৰা ফেঁচাৰ কুৰুলিলৈকে, চিগাৰেটৰ পৰা বিড়িলৈকে, ম'মৰ পৰা জুইলৈকে, হাঁহিৰ পৰা কান্দোনলৈকে, আন্ধাৰৰ পৰা পোহৰলৈকে, জীৱনৰ পৰা মৃত্যুলৈকে, গছৰ কুঁহিৰ পৰা শুকান পাতলৈকে, হেমন্তৰ পৰা বসন্তলৈকে, গৰমৰ পৰা ঠাণ্ডালৈকে, ফিকা চাহৰ পৰা কফিলৈকে, জোতাৰ পৰা মোজালৈকে, শেলুৱৈৰ পৰা শামুকলৈকে, শিলৰ পৰা মাটিলৈকে, বৰফৰ পৰা পানীলৈকে, যুদ্ধৰ পৰা শান্তিলৈকে, সুখৰ পৰা দুখলৈকে, মানুহৰ পৰা অমানুহলৈকে — অজস্ৰ বিষয়ৰ ওপৰত কবিতা লেখিবলৈ যত্ন কৰিছে। এইবোৰৰ মাজত কোনো কোনো কবিতাই পাঠকৰ মন চুই গৈছে। কোনোটোৱে অৱশ্যে চুব পৰা নাই। তথাপিও যেন কবিসকল ক্লান্ত হোৱা নাই। তেখেতসকলৰ মাজত যেন কোনে আগেয়ে ন ন বিষয়ত কবিতা লিখিব পাৰে তাৰ অঘোষিত প্ৰতিযোগিতা চলিছে।

সাম্প্ৰতিক সময়ত কবি আৰু কবিতা চৰ্চা কৰা মানুহৰ সংখ্যা বাঢ়িছে যদিও ভালদৰে চালে দেখা যায় যে এই কবিসকলে প্ৰধানকৈ হীৰেন ভট্টাচাৰ্য আৰু নীলমণি ফুকনকেই যেন অনুসৰণ কৰিছে। দুই-চাৰিয়ে আকৌ নৱকান্ত বৰুৱাক। সাম্প্ৰতিক কবিসকলৰ ক্ষেত্ৰত উক্ত তিনিগৰাকী কবিৰ প্ৰভাৱ অনস্বীকাৰ্য। এই নতুন কবিসকলে নিজস্ব কাব্য-ভাষা গঠন আৰু আয়ত্ত কৰিব পৰা নাই যেনেই লাগে। নিজস্ব কাব্য-ভাষাৰ অবিহনেও মাত্ৰ বিশিষ্ট কবিসত্তাক অনুসৰণ কৰি এচামে অসমীয়া কাব্যজগতত জনপ্ৰিয় হৈছে, প্ৰতিষ্ঠিত হৈছে। সংবাদ মাধ্যমে দিয়া অতি মাত্ৰাৰ প্ৰচাৰ, পুৰস্কাৰ আদিয়ে আনি দিয়া জনপ্ৰিয়তাই তেখেতসকলৰ সৃষ্টিৰাজিৰ গুণ-মান হ্ৰাস কৰাহে পৰিলক্ষিত হৈছে। কবিতাৰ নামত যি লেখে সেইবোৰ প্ৰচাৰ (ছপা) হোৱাৰ বাবে বহু সময়ত তথাকথিত জনপ্ৰিয় কবিৰ কলমৰ পৰা বেয়া কবিতাহে ওলাইছে — যি কথা লাহে লাহে সচেতন পাঠকৰ চকুত ধৰা দিছে। এনে বহু বেয়া কবিতা আলোচনীবোৰৰ নিয়মীয়া আৰু বিশেষ সংখ্যা (পূজা আৰু বিহু)বোৰত প্ৰায়েই প্ৰকাশ হৈ গৈ আছে। আলোচনী, বাতৰি-কাকতৰ সম্পাদনা ৰীতিৰ ভুলৰ বাবে নিৰপেক্ষভাৱে বাছনি কৰিলে বোধহয় এনে বহু কবিতাই প্ৰকাশৰ মুখ দেখিবলৈ নাপাব। কিন্তু মেকুৰীৰ ডিঙিত কোনে টিলিঙা আঁৰিব?

কোনো কোনো প্ৰতিষ্ঠিত কবিয়ে অসমীয়া কবিতালৈ সংকট নামি আহিছে বুলিও কয়। আ-আলোচনী, বাতৰি কাকত আৰু চ'চিয়েল মিডিয়াত চৰ্চা কৰা একেবাৰে নতুন এচামক নিৰুৎসাহ কৰিছে — এইবুলি যে কবিতা মনৰ ভাব-উচ্ছাস প্ৰকাশ কৰাৰ মাধ্যম নহয়। ভালকৈ গমি চালে কিন্তু দেখা যায় যে কবিতাৰ মূল সাহটো হ'ল কিন্তু মনৰ উচ্ছাসেই। কিন্তু এই ভাৱ উচ্ছাসক নিৰ্দিষ্ট কাব্য-ভাষা আৰু শৈলীৰে প্ৰকাশ কৰিব লাগিব। এইক্ষেত্ৰত কোনো সফল হ'লে — সি হ'ব সাৰ্থক আৰু বিফল হ'লে হ'ব অসাৰ্থক, অপৈণত কবিতা। উপযুক্ত সমালোচনা (অৱশ্যে অসমীয়া সাহিত্যত সমালোচকৰ বৰ অভাৱ!) তথা পৰামৰ্শ প্ৰদানৰ যোগেদি পুৰণিসকলে নতুন বাট দেখুৱাব লাগিব। নহ'লে ভৱিষ্যতে অসমীয়া কাব্য জগতত শূন্যতাৰ সৃষ্টি হ'ব।

যিকোনো শিল্পৰ লগত সাধনাৰ কথা জড়িত হৈ থাকে। সাধনা, অধ্যয়ন আৰু অনুশীলন অবিহনে ভাল সৃষ্টি কৰিব নোৱাৰি, গঢ় দিব নোৱাৰি। সাম্প্ৰতিক অসমীয়া কবিসকলৰ ক্ষেত্ৰত বৰ্তমান পৰীক্ষা-নিৰীক্ষাৰ কথাটোও আহি পৰিছে। চিত্ৰকল্প, প্ৰতীক, ন ন আংগিক, শব্দ চয়ন, শব্দৰ মিতব্যয়িতা আদিৰ প্ৰয়োগৰ দিশত কবিসকল সচেতন হ'ব লাগিব। পূৰ্বৰ কবিতাৰ চাপ পৰিলেও তাৰ মাজতেই নিজস্ব কাব্য-ভাষা আৰু শৈলীৰ সৃষ্টি কৰিব নোৱাৰিলে কাব্য-চৰ্চা সাধাৰণ কচৰতলৈ পৰিৱৰ্তিত হ'ব। কবিৰ কণ্ঠস্বৰ হ'ব লাগিব শানিত। শব্দ-সচেতনতা জটিল ৰূপত কবিতাত প্ৰকাশিত হ'ব লাগিব। আজিৰ কবিয়ে কবিতাত মানুহ আৰু মানৱতাৰ জয়গান গোৱাৰ লগতে জীৱনৰ দ্বন্দ্ব, সুখ-দুখ, অস্তিত্বৰ অলংকৰণো কৰিবলৈ চেষ্টা কৰিব লাগিব। অতুলনীয় অৰ্থব্যঞ্জক শব্দবোধৰ জখলা বগাই অনাগত দিনলৈ আজিৰ কবিয়ে দুহাত প্ৰসাৰিত কৰিব লাগিব। ◆◆





# গণশিল্পী জ্যোতিপ্ৰসাদ ঃ

## গণসংস্কৃতিৰ মন্ত্ৰেৰে গণমুক্তিৰ সন্ধান

ড° নীলিমজ্যোতি সেনাপতি
সহযোগী অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ



শংকৰোত্তৰ অসমত স্থবিৰপ্ৰায় সংস্কৃতি জগতত এক নৱজাগৰণৰ ঢৌ তুলিছিল জ্যোতিপ্ৰসাদ আগৰৱালাই। এজন পূৰ্ণাঙ্গ শিল্পী জ্যোতিপ্ৰসাদে নিজৰ অসামান্য বহুমুখী প্ৰতিভাৰ দ্যুতিৰে অসমীয়া সংস্কৃতিৰ বৰঘৰৰ প্ৰতিটো কোঠালি আলোকিত কৰি অসমীয়া জাতীয় জীৱনত নতুন জীৱনৰ সঞ্চাৰ কৰিছিল আৰু অসমীয়া জাতিক এক জোনাকী পথৰ সন্ধান দিছিল। কিন্তু জ্যোতিপ্ৰসাদে সংস্কৃতিক গান-নাচ-কবিতা-অভিনয়ৰ সীমাত বন্দী কৰি নাৰাখি সমাজৰ ৰূপান্তৰৰ এক আহিলা ৰূপে ব্যৱহাৰ কৰিছিল আৰু তাৰ মাধ্যমেৰে এক সুন্দৰ নতুন পৃথিৱী গঢ়াৰ অভিযান চলাইছিল। সংস্কৃতিক এক গণমুখী আৰু ৰূপান্তৰকামী ৰূপ দি জ্যোতিপ্ৰসাদে এক গণসংস্কৃতি গঢ়াৰ যি বৈপ্লৱিক অভিযান চলাইছিল সিয়েই শিল্পীগৰাকীক এক প্ৰকৃত গণশিল্পীত পৰিণত কৰিছিল।

জ্যোতিপ্ৰসাদৰ সমগ্ৰ সংস্কৃতি চৰ্চাৰ মূল উদ্দীপক আছিল এক গভীৰ মানৱতাবাদ। এই মানৱতাবাদেই জ্যোতিক উদ্বুদ্ধ কৰিছিল মানুহৰ মুক্তিৰ পথৰ সন্ধান কৰিবলৈ আৰু মানুহৰ মুক্তিৰ পথ বিচাৰিয়েই জ্যোতিয়ে গণসংস্কৃতিৰ সংগ্ৰামত নামি পৰিছিল। জ্যোতিপ্ৰসাদৰ চিন্তাত মানৱতাবাদৰ বীজ ৰোপিত হৈছিল তেনেই সৰুতেই। সেই ক্ষেত্ৰত জ্যোতিপ্ৰসাদৰ চিন্তাত তেওঁৰ বৰদেউতাক চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰভাৱ অনুভূত হয়। অসমীয়া সাহিত্যৰ অন্যতম বৰভেটি গঢ়োঁতা 'জোনাকী যুগ'ৰ ত্ৰিমূৰ্তিৰ এজন চন্দ্ৰকুমাৰ আগৰৱালা আছিল কিশোৰ জ্যোতিপ্ৰসাদৰ 'ৰ'ল মডেল'। সেই চন্দ্ৰকুমাৰেই অসমীয়া কবিতাত মানৱতাবাদৰ সুচনা কৰি 'মানৱ বন্দনা' কবিতাত লিখিছিল-

*মানুহেই দেৱ*
*মানুহেই সেৱ*
*মানুহ বিনে নাই কেৱ।*
*কৰা কৰা পূজা*
*পাদ অৰ্ঘ্য লৈ*
*জয় জয় মানৱ দেৱ।*

এই গভীৰ মানৱতাই জ্যোতিক গণমুখী সংস্কৃতিৰ প্ৰতি আকৰ্ষিত কৰিছিল। ৭ ম শ্ৰেণীত পঢ়ি থাকোতে লিখা তেওঁৰ প্ৰথম কবিতা "এজন বনুৱাৰ মৃত্যু" নামৰ কবিতটোতে জ্যোতিপ্ৰসাদৰ গভীৰ মানৱতাবোধ আৰু সমাজৰ নিষ্পেষিত

দৰিদ্ৰজনৰ প্ৰতি থকা সহমৰ্মিতা পৰিস্ফুত হৈছিল। কিন্তু, চন্দ্ৰকুমাৰৰ ৰোমান্টিক মানৱতাৰ পৰা বহুদূৰ আগুৱাই আহি জ্যোতিপ্ৰসাদে বৈপ্লৱিক মানৱতাৰ চিন্তাধাৰা গ্ৰহণ কৰিছিল। জ্যোতিপ্ৰসাদে বুজি পাইছিল সমাজৰ ৰূপান্তৰৰ অবিহনে শোষিত, নিস্পেষিত সাধাৰণ জনতাৰ মুক্তি সম্ভৱ নহয়। সেইবাবে তেওঁ সমাজৰ ৰূপান্তৰৰ সাধনা কৰিছিল আৰু তাৰ বাবে গণসংস্কৃতিৰ মন্ত্ৰেৰে 'নিমাতী কইনা'ত জনতাৰ মুখৰ মাত দি গণবিপ্লৱৰ আহ্বান কৰিছিল।

জ্যোতিপ্ৰসাদে বুজি পাইছিল সাম্ৰাজ্যবাদ আৰু পুঁজিবাদ-এই দুয়োটাই হ'ল জনতাৰ শত্ৰু। এই দুই দৈত্যৰ নিধন অবিহনে মানুহৰ মুক্তিৰ স্বপ্ন কেতিয়াও পূৰণ নহয়। জ্যোতিপ্ৰসাদৰ পুঁজিবাদ সম্পৰ্কীয় চিন্তাধাৰাত মাৰ্ক্সবাদী চিন্তাধাৰাৰ পূৰ্ণ প্ৰভাৱ আৰু সাদৃশ্য পৰিলক্ষিত হয়। মাৰ্ক্সে পুঁজিবাদক এক দৈত্য হিচাবে ব্যাখ্যা কৰি ইয়াৰ 'অমানৱীয়' ৰূপটো সুন্দৰকৈ ব্যাখ্যা কৰিছিল আৰু 'পুঁজিবাদী' ব্যৱস্থাৰ পতন আৰু সাম্যবাদী ব্যৱস্থাৰ গঠনেহে মানুহৰ মুক্তি সম্ভৱ কৰিব পাৰিব বুলি কৈছিল। একে সুৰতে জ্যোতিপ্ৰসাদেও প্ৰচলিত সমাজ ব্যৱস্থা ভাঙি এক নতুন সমাজ ব্যৱস্থা গঢ়াৰ কথা কৈছিল। জ্যোতিপ্ৰসাদৰ সপোনৰ 'শিল্পীৰ পৃথিৱী' আৰু মাৰ্ক্সৰ কল্পদৃষ্টিৰ 'সাম্যবাদী সমাজ' খনৰ প্ৰকৃতি প্ৰায় একে। দুয়োখন সমাজেই মানুহৰ সপোনৰ, আশাৰ, ভৱিষ্যতৰ সমাজ য'ত প্ৰতিজন মানুহেই 'মুক্ত' মানুহত পৰিণত হ'ব। জ্যোতিপ্ৰসাদৰ ভাষাত 'প্ৰতিজন মানুহেই শিল্পী'ত পৰিণত হ'ব।

শিল্পী জ্যোতিপ্ৰসাদ কিন্তু কল্পনাৰ কাৰেং ঘৰত বাস কৰা ৰোমান্টিক ভাৱ বিলাসী শিল্পী নাছিল। তেওঁ আছিল বাস্তৱৰ শিল্পী-জনতাৰ শিল্পী। গণমুক্তিৰ পথ বিচাৰি জ্যোতিপ্ৰসাদে জনতাৰ মাজলৈ সোমাই গৈছিল। বৃটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যেনেকৈ তেওঁ দেশৰ স্বাধীনতা সংগ্ৰামত জননেতাৰ ভূমিকা লৈছিল তেনেকৈ স্বাধীনোত্তৰ ভাৰতত একেই দৃঢ়তাৰে নব্যসাম্ৰাজ্যবাদৰ বিৰুদ্ধে আৰম্ভ হোৱা গণমুক্তিকামী গণসংস্কৃতিৰ আন্দোলনত গণশিল্পী হিচাবে সন্মুখৰ পৰা নেতৃত্ব দিছিল। মানুহেই আছিল জ্যোতিৰ সংস্কৃতি চিন্তাৰ কেন্দ্ৰবিন্দু। সেয়ে তেওঁ লিখিছিল-

*"জনতা তোৰ প্ৰাণৰো প্ৰাণত*
*মনৰো মনত*
*শিল্পী যে মই লুকাই লুকাই আছোঁ।*
*তোৰ সপোনৰ ক'ত ছবিত*
*ক'ত ফুল বাচোঁ।"* (শিল্পীৰ পৃথিৱী)

জ্যোতিপ্ৰসাদে কেৱল লিখাতেই আবদ্ধ থকা নাছিল। তেওঁ বাস্তৱতো গণমুক্তি সংগ্ৰামত জড়িত হৈছিল। কল্পনা বিলাসৰ বিৰোধিতা কৰি জ্যোতিয়ে ঘোষণা কৰিছিল-

*"কলাৰ মাজত যদিও প্ৰকাশ মোৰ*
*জীৱন কলাক ধুনীয়া কৰি*
*মানুহকেই মানুহ কৰি*
*থৈ যাবলৈ*
*বাস্তৱৰেই কেন্দ্ৰস্থলীত*
*লৈছোঁ স্থিতি*
*যুঁজিবলৈ দুস্কৃতি দুৰ্ঘোৰ।"* (বাস্তৱৰ কেন্দ্ৰত শিল্পী)

জ্যোতিপ্ৰসাদ আছিল চিৰসুন্দৰৰ পূজাৰী। "সুন্দৰেযে ফুলাৰ মন্ত্ৰ অহোৰাত্ৰি মাতে, সেয়েহে আজি ইমান ফুল প্ৰভাতে প্ৰভাতে" বুলি সুন্দৰৰ আৰাধনা কৰা জ্যোতিয়ে কিন্তু সুন্দৰৰ এক নতুন সংজ্ঞা দিছিল। মানুহৰ বা সমাজৰ বাহ্যিক সুন্দৰতাৰ বিপৰীতে জ্যোতিয়ে অন্তৰৰ সৌন্দৰ্যৰ কথাহে কৈছিল। জ্যোতিৰ দৃষ্টিত এখন সমাজ তেতিয়াহে সুন্দৰ হ'ব, যেতিয়া সেই সমাজৰ মানুহৰ মাজত কোনো বৈষম্য, শোষণ, নিপীড়ন নাথাকিব। এখন শ্ৰেণীবিহীন সমাজ, য'ত জনতাৰ শাসন হ'ব, য'ত মানুহৰ শিল্পীসত্তা পূৰ্ণ ৰূপত প্ৰস্ফুটিত হ'ব সেইখন সমাজহে হ'ব আচল সুন্দৰ সমাজ-'শিল্পীৰ পৃথিৱী'।

জ্যোতিপ্ৰসাদে বুজিছিল পুঁজিবাদী ব্যৱস্থাৰ বৰ্তমানত শিল্পীৰ পৃথিৱী অসম্ভৱ। কাৰণ, "সাম্ৰাজ্যবাদ আৰু ধনতন্ত্ৰবাদ এই দুয়োটাই পৃথিৱীৰ বুৰঞ্জীত সংস্কৃতিৰ ৰূপত ছদ্মবেশী দুস্কৃতিৰ পূৰ্ণ ৰূপ"। (শিঃপৃঃ)। এই ছদ্মবেশী দুস্কৃতিৰ নাশ কৰিলেহে মানৱ সমাজত সাম্যবাদ প্ৰতিষ্ঠা হ'ব। সেয়েহে জ্যোতিপ্ৰসাদে সমাজৰ ৰূপান্তৰৰ কথা কৈছিল। সমাজৰ ৰূপান্তৰৰ বাবে লাগিব গণবিপ্লৱ আৰু গণবিপ্লৱৰ বাবে জনতাক সাজু কৰিবৰ বাবে প্ৰয়োজন হ'ব গণসংস্কৃতিৰ। এইখিনিতেই আহি পৰে শিল্পীৰ ভূমিকা। সমাজৰ দুঃসময়ত কোনো দায়বদ্ধ শিল্পী-সাহিত্যিকে নীৰৱে থাকিব নোৱাৰে। দুঃস্থ জনতাৰ কাষত যি শিল্পীয়ে জনতাক বিপ্লৱৰ মন্ত্ৰ দিব নোৱাৰিলে, ৰূপান্তৰৰ বাৰ্তা দিব নোৱাৰিলে নিজকে শিল্পী বুলি দাবী কৰিব নোৱাৰে। কাৰণ "দেশত সংস্কৃতি প্ৰতিষ্ঠা কৰিবলৈ ওলোৱাটো শিল্পীৰ অপৰিহাৰ্য কৰ্তব্য।" (শিঃপৃঃ)। শিল্পী হ'ল সুন্দৰৰ সাধক, সংস্কৃতিৰ উপাসক আৰু দুস্কৃতিৰ জাত শত্ৰু। দুস্কৃতিক ৰুধিবলৈ শিল্পীৰ সৈনিক হ'ল জনতা আৰু অস্ত্ৰ হ'ল সংস্কৃতি। সংস্কৃতিৰ অস্ত্ৰেৰে দুস্কৃতি নাশিবলৈ জনতা এদিন ওলাই আহিব আৰু সেই আলোকযাত্ৰাৰ নেতৃত্ব দিব শিল্পীসমাজে। এইয়াই আছিল জ্যোতিৰ বিশ্বাস।





পৃথিৱীক সলনি কৰাৰ ক্ষমতা আছে সাধাৰণ জনতাৰ হাতত আৰু জনতাই এদিন সমাজৰ ৰূপান্তৰ আনিব, এই বিশ্বাস লৈ জ্যোতিয়ে লিখিছিল-

*"বিপ্লৱৰ মহাচক্ৰ ঘূৰে*
*নতুনৰ সৃষ্টিৰ অগ্নিবীজ*
*দিশে দিশে উৰে*
*নতুন পৃথিৱীখন উজলি উঠিছে দূৰে দূৰে।"* (নতুন)

জ্যোতিৰ জীৱনৰ শেষ কালছোৱাত ৰচিত গান আৰু কবিতাসমূহত বহু পৰিমানে মাৰ্ক্সীয় প্ৰভাৱ, শ্ৰেণী সংগ্ৰামৰ ইংগিত দেখিবলৈ পোৱা যায়। প্ৰকৃততে দেশৰ স্বাধীনতা সংগ্ৰামৰ উদ্দীপনাময় সময়ছোৱাত (১৯২১-১৯৪২) এজন গান্ধীবাদী তথা কংগ্ৰেছী ৰূপে স্বাধীনতা সংগ্ৰামত সক্ৰিয় ভূমিকা লোৱা জ্যোতিয়ে ৪২ ৰ বিপ্লৱৰ পাছৰ পৰাই লাহে লাহে কংগ্ৰেছ দলৰ পৰা আঁতৰি আহে আৰু ১৯৪৬ ৰ পৰা সাম্যবাদী আদৰ্শৰ ফালে আকৃষ্ট হয়। ইতিমধ্যে, বিংশ শতিকাৰ ৪ৰ্থ দশকত ভাৰতীয় গণনাট্য সংঘৰ নেতৃত্বত আৰম্ভ হোৱা গণসংস্কৃতি আন্দোলন হেমাংগ বিশ্বাসৰ উদ্যোগত অসমলৈ প্ৰসাৰিত হয় আৰু জ্যোতিপ্ৰসাদে গণনাট্যৰ গণসাংস্কৃতিক আন্দোলনত যোগ দি গণমুক্তি সংগ্ৰামৰ এক অভিনৱ অধ্যায় আৰম্ভ কৰে। এইয়া আছিল জ্যোতি জীৱন আৰু চিন্তাৰ ৰূপান্তৰৰ সময়। গণনাট্যৰ জৰিয়তে জ্যোতি মাৰ্ক্সবাদ আৰু কমিউনিষ্টসকলৰ সান্নিধ্যলৈ আহে আৰু নিজৰ কৰ্ম আৰু ৰচনাৰ মাধ্যমেৰে মুক্তভাৱে দেশৰ নৱলব্ধ স্বাধীনতাৰ প্ৰকৃত স্বৰূপ উদঙাই দি জনতাক প্ৰকৃত স্বাধীনতা লাভৰ বাবে গণ আন্দোলনৰ আহ্বান জনায়। 'কাৰ্পেটৰ পৰা ঘাঁহনিলৈ' নামি আহি জ্যোতিয়ে লিখিলে-

*"আৰুতো নিলিখোঁ পদুমকলিৰ*
*কবিতা মই সখি*
*আৰুতো নাচাওঁ পদুম কলিৰ*
*পাহিবোৰ লেখি লেখি।*
*আজি মই গাম*
*বোকাত জহি যোৱা*
*মানুহৰ জয় গান*
*কঁপাই জনৰ প্ৰাণ।"* (ৰচনা ১৯৪৬)

মানুহৰ জয় গান গাবলৈ সংকল্প লোৱা জ্যোতিপ্ৰসাদে স্বাধীনোত্তৰ ভাৰতত চৰকাৰে গ্ৰহণ কৰা নীতিসমূহৰ কঠোৰ সমালোচনা কৰিছিল আৰু কমিউনিষ্ট সকলৰ আদৰ্শৰ প্ৰতি মুক্ত সমৰ্থন জনাই ছিল। আজীৱন অহিংসাত বিশ্বাসী জ্যোতিপ্ৰসাদে কিন্তু 'গণমুক্তি'ৰ প্ৰয়োজনত 'খাৰ বাৰুদৰ কুঠৰিলৈকো যাব লাগিব' বুলি ক'বলৈ কুণ্ঠাবোধ কৰা নাছিল। (পোহৰলৈ)।

জ্যোতিপ্ৰসাদে অতি সাৰ্থকভাৱে এষাৰ কথা বুজিছিল যে, 'সংস্কৃতিয়ে সংস্কৃতিয়ে কেতিয়াও সংঘৰ্ষ নহয়, সংঘৰ্ষ হয় দুস্কৃতিৰ সৈতে। সংস্কৃতিয়ে সংস্কৃতিয়ে মাথোন সমন্বয়হে হয়।' (পোহৰলৈ)। যুগদ্ৰষ্টা জ্যোতিপ্ৰসাদৰ এই গভীৰ উপলব্ধি বৰ্তমান সময়ত অতি প্ৰাসংগিক হৈ উঠিছে। বৰ্তমান বিশ্বায়নৰ আঘাতত বিশ্বৰ ক্ষুদ্ৰ জাতি-জনগোষ্ঠীসমূহৰ ভাষা-সংস্কৃতি বিপন্ন হোৱাৰ উপক্ৰম হোৱাৰ সময়ত জ্যোতিপ্ৰসাদৰ বিশ্বসংস্কৃতিৰ যি ধাৰণা তাক মনত পেলাব লাগিব। জ্যোতিয়ে কৈছিল-'যি যিমান উচ্চ সংস্কৃতি সি সিমান বহল হৈ জনতাক সামৰিব লাগিব। যি বিশ্বসংস্কৃতি সি বিশ্বজনতাক সামৰিব লাগিব। যি সংস্কৃতি বিশ্ব শুংগলৈ উঠিব, তাৰ ভেটি বান্ধিব লাগিব বিশ্বজনতাৰ ওপৰত, বিশ্বজনতাৰ হৃদয়ত, মনত, দুখত, আনন্দত।' (শিঃ পৃঃ)। আজি গোলকীয় সংস্কৃতিৰ নামত যি দুস্কৃতি জনতাৰ মাজত সিঁচি দিয়া হৈছে তাক বাধা দি সংস্কৃতি ৰক্ষা কৰাৰ দায়িত্ব কিন্তু শিল্পীসমাজৰ। জ্যোতিপ্ৰসাদৰ আধুনিক চিন্তা, বিজ্ঞান মনস্কতা, ধৰ্ম নিৰপেক্ষতা আৰু নিজৰ স্বকীয় বৈশিষ্ট্য অক্ষুণ্ণ ৰাখিও ঐক্যবদ্ধ হোৱাৰ ধাৰণা — এই সকলোবোৰ আজিৰ শিল্পীসকলে জনতাৰ মাজত পুনৰ প্ৰচাৰ কৰিব লাগিব।

আজি বিশ্ব যিমানেই প্ৰগতিৰ পথত আগুৱাইছে সিমানেই মানৱতা হেৰাই গৈছে। নব্যসাম্ৰাজ্যবাদী সকলৰ চেষ্টাত যি নব্য উদাৰবাদী অৰ্থনীতি প্ৰচলিত হৈছে সি বিশ্বজুৰি মানুহৰ মাজত বৈষম্য বৃদ্ধিহে কৰিছে। সমগ্ৰ বিশ্বৰ ৯০ শতাংশ সম্পদৰ মাত্ৰ ১০ শতাংশ অতি ধনীৰ কুক্ষিগত হৈছে। কৰ্পৰেট নিয়ন্ত্ৰণাধীন প্ৰচাৰ মাধ্যমসমূহে জনতাৰ মাজত নানান প্ৰলোভনৰ জাল সিঁচি দি মানুহক মোহগ্ৰস্ত কৰি তুলিছে। এনে পৰিস্থিতিত জ্যোতিপ্ৰসাদৰ চিন্তাধাৰা হৈ পৰিছে অতি প্ৰাসংগিক। জ্যোতিয়ে দেখুওৱা পথেৰেহে জনতাৰ মুক্তি সম্ভৱ।

মুক্তিপিয়াসী জনতাৰ বাবে জ্যোতিপ্ৰসাদৰ এই আহ্বান চিৰদিন আশা আৰু প্ৰেৰণাৰ উৎস হৈ ৰ'ব —

*"তোৰে মোৰে আলোকৰে যাত্ৰা অব্যৰ্থ*
*আমি পালোঁ জীৱনৰ অৰ্থ অভিনৱ*
*স্বাগত, স্বাগত সতীৰ্থ।"*

শিল্পীৰ পৃথিৱী গঢ়াৰ মানুহৰ সপোনৰ যাত্ৰা কেতিয়াও স্তব্ধ নহয়। মুক্তিপিয়াসী জনতাৰ বাবে জ্যোতিপ্ৰসাদৰ এই আহ্বান চিৰদিন আশা আৰু প্ৰেৰণাৰ উৎস হৈ ৰ'ব।

♦♦♦♦♦♦♦♦

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

# ব্যক্তি এক, অনুষ্ঠান অনেক

অন্‌জনা গোস্বামী
প্রবক্তা, ইতিহাস বিভাগ

সম্প্ৰীতি আৰু সমন্বয়ৰ হকে অক্লান্ত তথা অবিচ্ছিন্নভাৱে কাম কৰি যোৱা এজন ব্যক্তি হৈছে মদনজিৎ সিং। শিক্ষাৰ মাধ্যমেৰে, আঞ্চলিক সহযোগিতাৰে তেওঁ দক্ষিণ এচিয়াক পৃথিৱীৰ মানচিত্ৰত এক সুকীয়া স্থান দিবলৈ সক্ষম হৈছিল। এইজন লোকে কিনো প্ৰকৃততে কৰিব বিচাৰিছিল বা কৰিছিল তাৰ এক সম্যক ধাৰণা দিয়াৰ উদ্দেশ্যেৰে এই প্ৰবন্ধটি যুগুতাই উলিওৱা হৈছে।

১৯২৪ চনৰ ১৬ এপ্ৰিলত বৰ্তমানৰ পাকিস্তানৰ লাহোৰত মদনজিতৰ জন্ম হয়। মাক সুমিত্ৰা কৌৰ আৰু দেউতাক আছিল বেনাৰস বিশ্ববিদ্যালয়ৰ চিৰামিক বিজ্ঞানৰ শিক্ষক। পিছলৈ তেখেতে টাভ্ৰাংকুৰৰ দেশীয় ৰজাই নিয়োগ কৰা কুণ্ডাৰা নামৰ চিনা মাটি থকা ঠাইত এক চিৰামিক ফেক্টৰী স্থাপনৰ দায়িত্ব লৈছিল।

ছাত্ৰ অৱস্থাত মাদনজিতে মহাত্মা গান্ধীৰ ভাৰত ত্যাগ আন্দোলনত যোগদান কৰি কাৰাগাৰত বন্দী হ'বলগীয়া হৈছিল। ১৯৫৩ চনত ভাৰতীয় বিদেশ সেৱাত যোগদান কৰি এচিয়া, দক্ষিণ আমেৰিকা, আফ্ৰিকা, ইউৰোপৰ কেইবাখনো দেশত ৰাষ্ট্ৰদূত হিচাপে কৰ্ম কৰি ১৯৮২ চনত ৰাষ্ট্ৰসংঘত যোগদান কৰিছিল। সাম্প্ৰদায়িক শান্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত জীৱনযোৰা প্ৰচেষ্টাৰ বাবে তেওঁক ৰাষ্ট্ৰসংঘই Goodwill Ambassador ৰূপে নিয়োগ কৰিছিল।

তেওঁ লিখা গ্ৰন্থসমূহ হ'ল India, Painting from Ajanta Cave (1954), Himalayan Art (1968), The Sun in Myth and Art (1993), The Timeless Energy of the Sun (1998), The Sasia Story আদি। এই গ্ৰন্থসমূহ বিশ্বজুৰি সমাদৃত হোৱা দেখা যায়।

দেশ বিভাজনৰ ফলত এজন ডেকা ল'ৰাই সন্মুখীন হোৱা বা ভোগ কৰিব লগা হোৱা কষ্ট তথা ভাতৃঘাটী সংঘৰ্ষৰ পৰিপ্ৰেক্ষিতত তেওঁৰ মনলৈ কিছুমান নতুন চিন্তাই ভুমুকি মাৰিছিল। আগতে তেওঁ থকা ঠাই পঞ্জাৱত হিন্দু, মুছলমান আৰু শিখসকলৰ মাজত সমিলমিলৰ তুলনা নাছিল। বসন্ত পঞ্চমী নামৰ উৎসৱটো প্ৰকৃততে হিন্দু উৎসৱ হ'লেও লাহোৰত ই এক ধৰ্ম নিৰপেক্ষ উৎসৱলৈ পৰ্য্যবসিত হৈছিল। মাঘ মাহৰ এই উৎসৱত কিছুমান পুৰুষে চিলা উৰাইছিল, অন্য কিছুমানে পুৰুষে, মহিলা আৰু শিশুসকলৰ দৰেই হালধীয়া ৰঙৰ কাপোৰ পিন্ধি ৰাজপথৰ ওপৰত নাচ-গান কৰি বসন্তক আদৰণি জনাইছিল। শিখ, হিন্দু আৰু ইছলাম ধৰ্মৰ উদাৰ গুণসমূহে পঞ্জাৱী সংস্কৃতিক মহীয়ান কৰি তুলিছিল। দেশ বিভাজনে এই সংস্কৃতিলৈ আনি দিছিল ভয়ানক দুৰ্যোগ। আগতে হিন্দু, শিখ আৰু মুছলমান কৃষকে খেতিৰ অন্তত গাঁৱলৈ একেলগে উভটিছিল। সুখ-দুখৰ ভাগ লৈছিল। পৰিস্থিতিৰ তাড়নাত ইজনে সিজনক সন্দেহ নকৰা পঞ্জাৱীসকল এতিয়া সন্দেহবাদী হৈ পৰিছিল। তাৰ এক দৃষ্টান্ত মদনজিতে নিজে উল্লেখ কৰিছে এনেদৰে — বিভাজনৰ পিছত হাতত থকা মাত্ৰ ৫ টা টকালৈ তেওঁ শ শ লোকৰ ৰক্তাক্ত মৃতদেহৰ মাজেৰে লাহোৰৰ পৰা মুচৌৰীলৈ বুলি যাত্ৰা আৰম্ভ কৰিছিল। ৰেল ষ্টেচনলৈ যাবলৈ তেওঁৰ কোনো উপায় নোহোৱাৰ দৰে অৱস্থা হৈছিল। কিয়নো সেই সময় আছিল কেৱল বিভীষিকাময়। ভয়ত বিতত হৈ হিন্দু আৰু শিখ টংগাচালকসকল হয় লুকাইছিল নহয় পলাইছিল। শেষত তেওঁ এজন মুছলমান লোকে চলোৱা এখন টংগাত উঠি ষ্টেচন আহিব লগা হৈছিল। ভয়ে ভয়ে আহি থাকোতে ৰাষ্টাত টংগা চালকজনৰ লগত কথা পাতিবলৈ ইচ্ছা কৰোতেও কথা নপতাৰ বাবে তেওঁ টংগা চালকজনৰ কিবা মতলব আছে বুলি ভাবি সন্দেহ কৰিবলৈ ধৰিছিল। হঠাতে তেওঁ দেখিলে এদল ধৰ্মান্ধ মুছলমান লোকে এফালৰ পৰা দোকান পোহাৰ ভাঙি, শিলগুটি দলিয়াই ৰাষ্টাতো বন্ধ কৰি দিলে। সেই মুহূৰ্তকে তেওঁ জীৱনৰ শেষ দিন বুলি ধৰি ল'লে। তেনেতে টংগা চালকজনে তেওঁক লাহেকৈ কাঠৰ চিটৰ তলত শুই দিবলৈ ক'লে আৰু মুহূৰ্ততে কেইটামান বেয়া মাত মাতি (যিটো সাধাৰণতে লাহোৰৰ সকলো টাংগা চালকেই মাতে) জোৰকৈ এই ধৰ্মান্ধ দলটোৰ কাযেৰে পাৰ হৈ ষ্টেচন পালেগৈ। কৃতজ্ঞ হৈ মদনজিতে টাংগা চালকজনক হাতত থকা ৫ টা টকাকৈ দিবলৈ ওলোৱাত তেওঁ কিন্তু ৰেলত দৰকাৰ হ'ব বুলি মদনজিতক ঘূৰাইহে দিলে। সাধাৰণ যেন লগা অসাধাৰণ টংগা চালকজনৰ ব্যৱহাৰৰ পিছতহে যেন মদনজিতে সম্বিত ঘূৰাই পালে। প্ৰকৃততে সেয়াই আছিল পঞ্জাৱী সংস্কৃতিৰ সহমৰ্মিতাৰ ৰূপ। দেশ বিভাজনে আনি দিয়া বিপৰ্যয়ৰ পিছতো সেয়েহে তেওঁ সদায়ে সমন্বয়ৰ কথাকে ভাবিছিল আৰু সকলো সম্প্ৰদায়ৰ মাজত থকা ভাল মানুহবোৰক বিচাৰি ফুৰিছিল।

ফটো তুলি ভালপোৱা মদনজিতে প্ৰদৰ্শনীৰ যোগেদি কাশ্মীৰৰ পৰা কন্যাকুমাৰীলৈকে সাম্প্ৰদায়িক সম্প্ৰীতিৰ বাৰ্তা কঢ়িয়াই লৈ ফুৰিছিল। তদুপৰি তেওঁ এই মাধ্যমৰ যোগেদিয়েই আটাইকেইটা সম্প্ৰদায়ৰ মাজত থকা উমৈহতীয়া কথা তথা প্ৰভাৱবোৰ মানুহৰ মাজলৈ বিয়পাই দিছিল।

তেওঁৰ মাতৃ অতি আধুনিক মনৰ মহিলা আছিল। এইগৰাকী মহিলাৰ দৃঢ় বিশ্বাস আছিল যে শিক্ষা আৰু পৰিকল্পিত পৰিয়াল নহ'লে দাৰিদ্ৰৰ পৰা মুক্তি পোৱাটো একেবাৰে বৃথা। মাতৃৰ পৰিকল্পনা বাস্তৱায়িত কৰিবলৈ ১৯৯৫ চনত তেওঁৰ মাতৃৰ নাম অনুসৰি Sumitra Foundation নামৰ এক প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰে। ২০০০ চনত তেওঁ প্ৰতিষ্ঠা কৰে South Asian Foundation । এই অনুষ্ঠানটো হৈছে জনসেৱামূলক, অৰাজনৈতিক, ধৰ্ম নিৰপেক্ষ অনুষ্ঠান যাৰ যোগেদি বাংলাদেশ, নেপাল, ভূটান, ভাৰতবৰ্ষ, আফগানিস্তান, পাকিস্তান, মালদ্বীপ আৰু শ্ৰীলংকাৰ দৰিদ্ৰ পীড়িত ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা, সংস্কৃতি তথা অৰ্থনৈতিক ক্ষেত্ৰত সহায় কৰা হয়। এই অনুষ্ঠানটো প্ৰতিষ্ঠা কৰাত তেওঁক সহায় কৰা লোকজন হ'ল তেওঁৰ পুত্ৰ জিত। উল্লেখযোগ্য তেওঁৰ পুত্ৰ জিতে MIT ৰ পৰা স্নাতক হৈ সংগীতজ্ঞ হ'বলৈ মন কৰিছিল কিয়নো এই ক্ষেত্ৰত তেওঁৰ ব্যুৎপত্তি আছিল। কথাটোত বাপেক কিন্তু সন্মত নহ'ল। মদনজিতে ভাবিছিল তেওঁৰ পুত্ৰ ককাকৰ দৰে ৰাসায়নিক প্ৰযুক্তিৰ কামত লাগক। এই লৈ দুয়োজনৰ মাজত অন্তৰ্দ্বন্দৰ পৰিসমাপ্তি ঘটিছিল এক বুজাবুজিৰ মাজেৰে। পুতেকে বাপেকে ভবাৰ দৰে ৩৫ বছৰ বয়সলৈকে প্ৰযুক্তি ক্ষেত্ৰত কাম কৰিব আৰু পিছত ল'ৰাটোৱে ভবাৰ দৰে সঙ্গীতৰ ক্ষেত্ৰত নামিব। এই পুত্ৰজনে সেইমতেই ৩৫ বছৰ বয়সত নিজৰ Software Co. বিক্ৰী কৰি পোৱা বহুখিনি ধন দেউতাকক দি SAF নামৰ প্ৰতিষ্ঠানটো খোলাত সহায় কৰিছিল। আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবেও এই উদাহৰণটো মনকৰিবলগীয়া।

মদনজিতে শক্তিশালীভাৱে বিশ্বাস কৰে যে অকলশৰীয়াকৈ এখন দেশে কেতিয়াও পূৰ্ণ উন্নতি কৰিব নোৱাৰে। গোটেই দক্ষিণ এচিয়াৰ দুখীয়া মানুহবোৰক চকু ৰাখিয়েই তেওঁ কিছু পৰিকল্পনা কৰি এই অনুষ্ঠান দুটাৰ মাধ্যমেৰে সমন্বয় তথা সহযোগিতা বৃদ্ধি কৰিবলৈ সক্ষম হৈছিল। প্ৰকৃততে 'সুমিত্ৰ ফাউণ্ডেচন' আৰু SAF একেটা মুদ্ৰাৰে ইপিঠি সিপিঠি। তেওঁ দৃঢ়ভাৱে বিশ্বাস কৰিছিল এদিন দক্ষিণ এচিয়া এখন শান্তিকামী, চহকী অঞ্চল হিচাপে চিহ্নিত হৈ খোজত খোজ মিলাই আগুৱাই যাব। এই ধৰণৰ চিন্তাৰ বাবেই SAARC নামৰ অনুষ্ঠানটোৰো সৃষ্টি হৈছে। SAF যুৱ আন্দোলনৰ যোগেদি তেওঁ শিক্ষাক মাধ্যম হিচাপে আঞ্চলিক সহযোগিতা বিস্তাৰ কৰিব বিচাৰিছিল।

তেওঁ প্ৰত্যেকখন চাৰ্ক দেশত কমেও একোটাকৈ অনুষ্ঠান প্ৰতিষ্ঠা কৰিছে। ভাৰতৰ পণ্ডিচেৰী বিশ্ববিদ্যালয়ত দুটা বিভাগ এক "দক্ষিণ এচিয়া অধ্যয়ন কেন্দ্ৰ" আৰু আনটো "গ্ৰীণ এনাৰজি টেকনলজি"। SAARC দেশসমূহৰ প্ৰত্যেকৰে এজন ল'ৰা আৰু এগৰাকী ছোৱালীক বৃত্তি দি এই অধ্যয়ন কেন্দ্ৰ দুটাত পঢ়াৰ খৰচ বহন কৰে মদনজিতৰ ট্ৰাষ্টে। এই ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বেলেগকৈ হোষ্টেলৰো ব্যৱস্থা কৰা হৈছে যাতে বিদেশী ছাত্ৰ-ছাত্ৰীসকলে পচণ্ডৰ খাদ্য নিজে ৰান্ধি খাব পাৰে। এই বৃত্তিক কোৱা হয় ৰাষ্ট্ৰসংঘ মনজিত সিং বৃত্তি।

ঠিক তেনেকৈ মাদ্ৰাজত "Asian College of Journalism" নামৰ অনুষ্ঠানটো প্ৰতিষ্ঠা কৰি ইয়াত অধ্যয়ন কৰা দক্ষিণ এচিয়াৰ ছাত্ৰ-ছাত্ৰীক জলপানি দিয়াৰ ব্যৱস্থা কৰিছিল। আফগানিস্তানত বামিয়ান বুদ্ধমূৰ্ত্তিসমূহ তালিবানে ধ্বংস কৰা পিছত SAF এ প্ৰতিষ্ঠা কৰে "Madanjit UNESCO Institute for Cultural Heritage in Kabul". নেপালৰ দুৰ্ভগীয়া ছোৱালীৰ সংস্থাপনৰ তথা শিক্ষাৰ ক্ষেত্ৰত আগভাগ লোৱা অনুৰাধা কৈৰালাৰ 'মেয়েটি নেপাল'ৰ কিছুমান আঁচনিটো SAF এ সহায় কৰিছিল। বিশেষকৈ শিক্ষা, চিলাই, বোৱা-কটা, বাগিচা আৰু ৰন্ধন বিদ্যা শিকোৱাৰ লগতে পাৰ্গত ছোৱালী কিছুমানক কম্পিউটাৰৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছিল যাতে বিপদগ্ৰস্ত এই ছোৱালীবিলাকে সমাজৰ বাধা সত্বেও এক সন্মানীয় আয়েৰে জীয়াই থাকিব পাৰে। 'মেয়েটি নেপাল'ৰ প্ৰায় ১৫ টা শাখা কাৰ্যালয়ত এই ধৰণৰ প্ৰশিক্ষণ দিয়াৰ উপৰিও ভাৰতৰ দিল্লী, কলিকতা, শিলিগুৰি, পুনে আদিতো ইয়াৰ কেন্দ্ৰ খুলি প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছে।

তদুপৰি SAF এ এক নিযুতকৈ ডলাৰ SAARC Cultural Centre in Kandy, Sri Lanka, SAARC Centre of Foresty in Bhutan, Human Rights and

South Asia Common Law in Dhaka, Bagladesh, পাকিস্তানৰ লাহোৰৰ গৱৰ্ণমেণ্ট কলেজ ইউনিভাৰচিটিত দক্ষিণ-পূব এচিয়া ষ্টাডি চেণ্টাৰ, School of Visual Art আদিৰ দৰে অনুষ্ঠান প্ৰতিষ্ঠাত সহায় কৰিছে। এই অনুষ্ঠানবোৰত পঢ়াৰ ক্ষেত্ৰত মদনজিৎ সিঙে জলপানিৰো ব্যৱস্থা কৰিছে।

তেওঁ SAF ৰ যোগেদি স্কাউট চাউনি পাতি আঞ্চলিক সহযোগিতা দৃঢ় কৰাত সহায় কৰিছে। ভুটানত পতা এনে এটা শিৱিৰত চাৰ্ক দেশসমূহৰ পৰা অহা ৫৫০ জন ল'ৰা-ছোৱালীয়ে অংশগ্ৰহণ কৰিছিল। তেওঁ নাচ-গান আদিৰ যোগেদি আটাইবোৰ দেশৰ মাজত বন্ধুত্ব, সহযোগিতা আৰু ব্যক্তিগত সম্পৰ্ক স্থাপনতো গুৰুত্ব দিছিল। শেষৰ দিনা অংশগ্ৰহণকাৰীসকলে নিজে পিন্ধা কাপোৰসমূহ সাল-সলনি কৰিছিল যাতে কোনেও ক'ব নোৱাৰে কোনখন দেশৰ কোনজন ল'ৰা বা ছোৱালী। তেওঁলোক দক্ষিণ এছিয়াৰহে বাসিন্দা। SAFয়ে এইসকলক এবছৰৰ বাবে বিনামূলীয়া e-mail ব্যৱস্থা কৰি দিছিল যাতে অংশগ্ৰহণকাৰীসকলে পিছতো সম্পৰ্ক ৰক্ষা কৰিব পাৰে। SAFৰ প্ৰত্যেকখন SAARC দেশত একোজনকৈ প্ৰসিদ্ধ লোক উপদেষ্টা আছিল যেনে বাংলাদেশৰ মহম্মদ ইউনুচ যি তাৰ গ্ৰামীণ বেংকৰ স্ৰষ্টা। লাহোৰৰ Action Committee For Peoples' Rightৰ সভালৈ গৈ তেওঁ কৈছিল মানৱ অধিকাৰৰ সংগ্ৰাম অকলে আগবঢ়াই নিব পৰা নাযায়। ইয়াৰ কৃতকাৰ্যতা নিৰ্ভৰ কৰে আন্তৰ্জাতিক সহযোগিতাৰ ওপৰত।

পুত্ৰৰ Software Co. সহযোগত মুম্বাইৰ ওচৰত তেওঁ এক প্ৰশিক্ষণ কেন্দ্ৰ পাতি চাৰ্ক দেশসমূহৰ মাজত IT সংলগ্ন কৰিছিল। এই কেন্দ্ৰৰ সহযোগীসকলক শিক্ষা গ্ৰহণ কৰিবলৈ ইউনাইটেড কিংডমলৈ পঠোৱা হৈছিল। World Space Corporation ৰ প্ৰতিনিধিয়ে ইয়াত প্ৰশিক্ষণ দিছিল। SAF ৰ মাধ্যমেৰে তেওঁ পাকিস্তানৰ IT আৰু কম্পিউটাৰ বিজ্ঞান বিভাগক সহায় কৰিছিল যিটো পিছলৈ হৈ পৰিছিল Centre of Excellence। ইয়াত ল'ৰা-ছোৱালী উভয়ে শিক্ষা গ্ৰহণ কৰিব পাৰিছিল।

SAF এ বিশেষকৈ গাঁও অঞ্চলত কাম কৰাত আগভাগ লৈছিল। পণ্ডিচেৰীৰ ওচৰৰ দহখন গাঁৱত কম্পিউটাৰ নেটৱৰ্কৰ যোগেদি মাছমৰীয়া গাঁওবাসীক বতৰ, স্বাস্থ্য, কৃষি আৰু মাছৰ বিষয়ে জ্ঞান দি আৰ্থিক আৰু সামাজিক ক্ষেত্ৰত যাতে তেওঁলোক আগবাঢ়ি যাব পাৰে তাৰ ব্যৱস্থা কৰিছিল। তেওঁ লোৱা এই আঁচনিত স্থানীয় ভাষাক ব্যৱহাৰ কৰি গাঁও স্বাৱলম্বনত সহায় কৰিছিল।

তেনেকৈ কাশ্মীৰতো একোটা প্ৰশিক্ষণ কেন্দ্ৰ পাতি তাৰ দুখীয়া গাঁৱৰ শিক্ষিত ছোৱালীক মণ্টেছৰী প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছিল। পিছত এই ছোৱালীবোৰে নিজ নিজ গাঁৱত Kinder Garden স্কুল পাতি সেই অঞ্চলবোৰত যাতে শিক্ষাৰ প্ৰসাৰত সহায় কৰিব পাৰে তাৰো ব্যৱস্থা কৰিছিল। পৃথিৱীৰ অন্যান্য অঞ্চলতো তেওঁ এনে কিছুমান অনুষ্ঠান পাতিছিল যদিও দক্ষিণ এছিয়াৰ দেশবোৰৰ প্ৰতি তেওঁ আছিল অধিক দায়বদ্ধ।

বসন্ত বিহাৰত থকা নিজৰ ঘৰটো SAF Documentation and Information Centre (SAFDIC) হিচাপে নতুনকৈ নিৰ্মাণ কৰি জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ School of International Study ৰ প্ৰফেচাৰ মহেন্দ্ৰ লামাক ইয়াৰ দায়িত্ব দিছিল। বৰ্তমান ই দক্ষিণ এছিয়াৰ বিষয়ে জানিবলগা এক গুৰুত্বপূৰ্ণ পুথিভঁৰাললৈ পৰ্যবসিত হৈছে। ইয়াত আন্তৰ্জাতিক সম্পৰ্ক, নিৰাপত্তা, প্ৰাকৃতিক বিজ্ঞান, মানৱ অধিকাৰ, নাৰী অধ্যয়ন, পৰিৱেশ অধ্যয়ন আদি বিষয়ৰ প্ৰায় ৫০০০ গ্ৰন্থ আছে। তদুপৰি এই অঞ্চলবিলাকৰ চৰকাৰীভাৱে প্ৰকাশিত তথ্য আৰু প্ৰকাশনসমূহৰ লগতে গৱেষণা গ্ৰন্থসমূহো এই গ্ৰন্থাগাৰত ৰখা হৈছে। ইয়াত Internet, Photocopy আৰু Network ব্যৱস্থাও উপলব্ধ।

১৯৩৫ চনৰ পৰা ৰাষ্ট্ৰসংঘত তেওঁৰ নামেৰে অহিংসা আৰু সহনশীলতাৰ বঁটা দিয়াৰ ব্যৱস্থা কৰা হৈছে। এই বঁটাই আন্তৰ্জাতিক ক্ষেত্ৰত এক বিশেষ মৰ্যাদা লাভ কৰিছে। ইয়াৰ বাছনি কমিটিৰ চেয়াৰমেন আছিল নোবেল বঁটা লাভ কৰা দেশমন্দ টুটু, বি বি ঘালি, ইন্দৰ কুমাৰ গুজৰাল আদিৰ দৰে বৰেণ্য লোকসকল।

আঞ্চলিক সহযোগিতা তথা অৰ্থনৈতিক স্থিৰতা ৰক্ষাৰ হেতু তেওঁ 'ইউৰোৰ' দৰেই দক্ষিণ এছিয়াৰ দেশসমূহৰ মাজত এক নতুন মুদ্ৰাৰ প্ৰচলনৰ পোষকতা কৰিছিল যাৰ নাম দিছিল SASIA মানে দক্ষিণ এছিয়া। তেওঁ প্ৰতিষ্ঠা কৰা অনুষ্ঠানবোৰে যাতে তেওঁৰ মৃত্যুৰ পিছতো সুন্দৰভাৱে কাম চলাই যাব পাৰে তাৰ ব্যৱস্থাও তেওঁ কৰি থৈ গৈছে। সভ্যতা বিকাশৰ ক্ষেত্ৰত শিক্ষাৰ প্ৰসাৰ তথা সহযোগিতাৰ প্ৰয়োজনীয়তাৰে তেওঁ যিখিনি কাম কৰি থৈ গৈছে সঁচাই সি মানৱজাতিক গৌৰৱান্বিত কৰি তুলিছে।

(প্ৰবন্ধটোত মদনজিত সিঙে লিখা কিতাপৰ সহায় লোৱা হৈছে।)

◆◆◆◆◆◆◆





TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

# জীৱ শ্ৰেষ্ঠ মানুহ

**তুলিকা দাস**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ



"মানুহ" এই সুন্দৰ পৃথিৱীখনৰ সবাতোকৈ জ্ঞানী আৰু সভ্য বুলি পৰিচিত জীৱ। যিয়ে নিজকে চিনাকী দিয়ে জীৱ শ্ৰেষ্ঠ বুলি। ভাষা, বিজ্ঞান, প্ৰযুক্তিবিদ্যা আদি সকলো জ্ঞানৰ আৱিস্কাৰ কৰিছে কেৱল জীৱ শ্ৰেষ্ঠ মানুহে। সাহিত্য-সংস্কৃতিৰে সমৃদ্ধ কৰি ধৰণী খনক জিলিকাই জোনাকী কৰি তুলিছে মানুহে অৰ্থাৎ আমি।

কিন্তু সকলো জ্ঞানেৰে পৰিপূৰ্ণ হৈয়ো আমি বুজিব নোৱাৰো আমাৰ পৰিচয়ৰ অৰ্থ। আমাৰ প্ৰধান গুণ দুবিধ ভাল আৰু বেয়া। ব্যস্ততাই মানুহক কৰ্তব্য পৰায়ণ হ'বলৈ আৰু সময়ৰ আগত দৌৰিবলৈ শিকায়। কিন্তু আমি কেৱল নিজক লৈয়ে ব্যস্ত। আমাৰ জীৱনৰ সুখ-দুখ, ভৱিষ্যত আদিক লৈ ইমান ব্যস্ত ইমান চিন্তা যে আমাৰ কাৰো সময় নাই, সেই ৰাজপথৰ কাষত বহি ভোকৰ তাড়নাত চটফটাই থকা প্ৰাণ কেইটিলৈ এবাৰ ঘূৰি চাবলৈ। কিয় আমি কোনেও তেওঁলোকলৈ অকণো সহায়ৰ হাত আগবঢ়াব নিবিচাৰো... ! আমাৰো কি তেওঁলোকৰ দৰে একেই অৱস্থা হৈছে নেকি ? নাই,হোৱা নাই। আমাৰ তেওঁলোকক সহায় কৰিব পৰা সামৰ্থ থকা সত্বেও আমি ইচ্ছা প্ৰকাশ নকৰো। কাৰণ আমাৰ প্ৰয়োজনেই কোনোদিন পূৰণ নহয়। এই স্বভাৱৰ বাবে হয়তো আমি হেৰুৱাই পেলাইছো জীৱনৰ মূল্যবোধ, মানুহৰ প্ৰতি মৰম, সহানুভূতি। প্ৰতিটো মুহূৰ্ততে আমি কেৱল নিজৰ কথা চিন্তা কৰিছো। সেইবাবে আমিও এই হত্যা, হিংসা, লুণ্ঠন আদিৰে জৰ্জৰিত সমাজখনৰ একো একোজন বাহক হৈ পৰিছো। গোটেই মানৱ জাতিৰ সমাজখনক নোৱাৰিলেও আমি আমাৰ নিজৰ সমাজখনকটো পৰিস্কাৰ কৰি অৰ্থাৎ শান্তিপূৰ্ণ কৰিবলৈ যত্ন কৰিব পাৰো।

ড. ভূপেন হাজৰিকাই তেখেতৰ গীতত নিজকে "আমি অসমীয়া" বুলি চিনাকী দিছে। সেইদৰে আমি কিয় আমাৰ অসমীয়া সমাজখনক বিশ্ব দৰবাৰত এখন সভ্য, শান্তিপূৰ্ণ আৰু সহানুভূতিৰে পৰিপূৰ্ণ সমাজ বুলি চিনাকী দিব নিবিচাৰো! প্ৰকৃততে কোনেও বুজিব নিবিচাৰে; নিবিচাৰে "জীৱশ্ৰেষ্ঠ"ৰ সম্পূৰ্ণ অৰ্থ।

# জীৱন ঃ এক সূক্ষ্ম বিশ্লেষণ

প্ৰাঞ্জল চাংকাকতি
দৰ্শন বিভাগ



যেতিয়া ৰাতিপুৱা সূৰুয ওলাই আহে আমি আনন্দিত হওঁ, যেতিয়া সেউজীয়া বনবোৰে আমাৰ ভৰিৰ তলুৱাত কোমল পৰশ দিয়ে আমি তৃপ্তি পাওঁ কিন্তু সেই আনন্দ আৰু তৃপ্তিৰ বহু ৰহস্য আমাৰ অজ্ঞাতে ৰৈ যায়। পোহৰৰ পৰশে আমাক কিদৰে জীৱন সঞ্জীৱনী দিয়ে কিম্বা সেউজীয়া পৰশে আমাক কি পূৰ্ণতা প্ৰদান কৰে আমি সেয়া জনাৰ বাবে আগ্ৰহী নহয়। কেৱল আমি ভাবো আমি যেন সুখ আৰু শান্তিৰে থাকো, বিচাৰি যাওঁ মনৰ আনন্দ, ভালপোৱা, মনৰ আত্মীয়জনক, আশা কৰো মনৰ কামনাবোৰ পূৰ্ণ কৰিবলৈ, খোজ দিও এক গতানুগতিক জীৱন শৈলীৰে, কেতিয়াবা পথ সুগম হয়, কেতিয়াবা দুৰ্গম আৰু জটিল, এনেকৈয়ে কিছু পোৱা আৰু নোপোৱাৰ মাজেৰে, বুজা আৰু নুবুজাৰ মাজেৰে, বোধ আৰু দুৰ্বোধ্যতাৰ মাজেৰে এটা সমাপ্তি ঘটে চেতনা আৰু মন অনুভূতিৰ এক দৈহিক পৰিক্ৰমা........... তাৰেই অন্য এটি নাম জীৱন।

সকলোৰে জীৱনৰ লক্ষ্য, চিন্তা, ভাবনা, জীয়াই থকাৰ স্বকীয়তাৰ মাজত পাৰ্থক্য আছে। কিন্তু সেই স্বকীয়তাৰ মূল্য থাকিলেও কোনো ব্যক্তিয়ে কাৰোবাৰ নিজৰ স্বকীয়তাক আনৰ ওপৰত জাপি দিব নোৱাৰে, নিজে ভবাৰ দৰে পৃথিৱীখনক গঢ়িবও নোৱাৰে, কিম্বা আনক নিজৰ সৈতে এক কৰিবও নোৱাৰে। সেইবাবেইটো মানুহৰ চিন্তা সুকীয়া, কাৰণ মানুহৰ মনৰ গঠন ইমানেই সূক্ষ্ম যে দুটা যমজ সন্তানেও একেই গৰ্ভ শিক্ষা গ্ৰহণ কৰি, একেই পৰিবেশত একে গুৰুৰ শিক্ষা লৈও তেওঁলোকৰ মাজত বহু মিল থাকিলেও মনৰ পাৰ্থক্য থাকিব। সেয়াই তেওঁলোকৰ স্বকীয়তা। তথাপি আমি বুজি পাওঁ যে সকলোৰে মাজত পাৰ্থক্য থাকিলেও সকলোৰে গতি একমুখী। সকলোৱে পূৰ্ণতা বিচাৰে। সাধাৰণ দৃষ্টিভংগীৰ ফালৰ পৰা সকলোৱে সুখ-শান্তি আৰু আনন্দ বিচাৰে। সেয়ে সকলো মানুহেই এক, সকলোৱে এই লক্ষ্যক সামগ্ৰিক দৃষ্টিৰে বিচাৰ কৰা উচিত। অন্যথা প্ৰত্যক্ষ বা পৰোক্ষভাৱে সকলোৰে জীৱন বাটত আঘাত পৰিব। যিদৰে পৃথিৱীৰ প্ৰতিখন নদ-নদীৰ এটি সুকীয়া পৰিচয় আছে, প্ৰতিখন নদীয়ে নিজৰ সুকীয়া পথেৰে গতি কৰে। কিন্তু তথাপিও সকলোবোৰ পানীয়ে এক নিৰ্দিষ্ট লক্ষ্যৰে গতি কৰে আৰু সাগৰত লীন হয়। সেইদৰে মানবীয় চিন্তা আৰু কৰ্মৰো অতি সূক্ষ্মৰূপত সামগ্ৰিক প্ৰভাব পৰে। কোনো এখন নদীয়ে যদি নিজৰ স্বকীয় প্ৰকৃতি অনুসৰি ভূ-গৰ্ভৰ বিষাক্ত কোনো পদাৰ্থ শোষণ কৰি নিজৰ বুকুয়েদি কঢ়িয়াই লৈ যায় — সেই নদীৰ পানীয়ে এসময়ত সাগৰ-মহাসাগৰৰ পানীও দূষিত কৰিব আৰু সেই সাগৰৰ পানী বা ইয়াৰ জলীয় বাষ্পই সমগ্ৰ পৃথিৱী জুৰি ইয়াৰ বিষাক্ত প্ৰভাৱ বিয়পাব। ই হ'ল পৃথিৱীৰ বা জগতৰ পাৰস্পৰিক গতি চক্ৰৰ নিয়ম যাৰ বাবে এটাই আনটোৰ ওপৰত প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱ পেলায়। ইয়াৰে কিছুমান দৃশ্যমান আৰু আন কিছুমান অনুমেয়। মানৱীয় জীৱন বা সমাজতো এই নিয়ম প্ৰযোজ্য কোনো এজন লোকৰ আচৰণ, চিন্তা, কৰ্ম — ইত্যাদিও কোনোবা নহয় কোনোবা ব্যক্তিৰ ওপৰত প্ৰভাব পৰিয়ে থাকে। নিজৰ সূক্ষ্ম দম্ভ, অহংকাৰ, কুৎসনা, আলস্য, অৱহেলা জড়িত কৰ্মই ভাল কৰ্মবোৰৰ দৰেই প্ৰভাব পেলায় থাকে। সেয়ে পণ্ডিতসকলে আত্মসমালোচনা ব্যক্তিৰ বাবে অত্যন্ত প্ৰয়োজনীয় বুলি স্বীকৃতি দিছে। কিয়নো আত্মসমালোচনাই ব্যক্তিক নিজৰ চিন্তা, আচৰণ আৰু কাৰ্যক সুপথ প্ৰদান কৰে।

বৰ্তমান সমাজত বিশ্লেষণ কৰিলে দেখা যায় যে বিভিন্ন দিশত বিভিন্ন ব্যক্তিয়ে ভিন্ন সময়ত যুক্তি বিচাৰে সমালোচনাত্মক মন্তব্য তথা আলোচনা কৰি আহিছে যদিও বহু সময়ত নিজৰ আত্মবিশ্লেষণৰ অভাৱ দেখা যায়। সমাজ তথা এই জগতখন কৰ্মৰ দ্বাৰাৰে গতি কৰে আৰু এই কৰ্মৰ বাবে জগতৰ প্ৰতিজন ব্যক্তিয়েই দায়বদ্ধ। আজি মই যি স্থানত বসবাস কৰো, সেই ঠাইখনৰ বাবে মইয়ে প্ৰথম নিজক দায়বদ্ধ বুলি স্বীকাৰ কৰিব লাগিব। কিয়নো অন্য এখন সমাজৰ লোক তাৰ বাবে দায়বদ্ধ নহ'ব। গতিকে প্ৰতিজন ব্যক্তিয়ে নিজক প্ৰথমে বিশ্লেষণ কৰিবলৈ শিকিব লাগে। নিজৰ কৰ্তব্য, ভুল-ভ্ৰান্তি, সমালোচনা, বিভিন্ন বিচাৰ বিবেচনাৰে আত্মবিশ্লেষণ কৰিলেহে এজন লোকে প্ৰকৃত মানুহ হিচাপে নিজৰ স্বকীয় পৰিচয় স্বতঃস্ফূৰ্তভাৱে দাঙি ধৰিব পাৰে। আজিৰ একবিংশ শতিকাত শিক্ষা আৰু জ্ঞানৰ প্ৰসাৰৰ মাজত মানুহৰ কিয় মানবীয়তা হেৰাই গৈছে, কিয় মানুহ বস্তুবাদী বা ভোগবাদী দিশেৰে গতি কৰি নিজৰ প্ৰকৃত মান তথা আভ্যন্তৰীণ শক্তি হেৰুৱাই পেলাইছে — ইয়াৰ মূল কাৰণ হ'ল মানুহৰ চিন্তাৰ অভাৱ। আজিৰ মানুহৰ মাজত কোনো স্বকীয় চিন্তাধাৰা নাই, আজিৰ মানুহৰ কোনো উদ্দেশ্য বা আদৰ্শ নাই। কেৱল এক সামাজিক পদমৰ্যাদাৰে এক কষ্টহীন আৰামদায়ক জীৱনৰ সপোন দেখে আৰু নিজৰ স্বাৰ্থক আগশাৰীত ৰাখে। জীৱনৰ উদ্দেশ্য বা আদৰ্শ, সামগ্ৰিক চিন্তা, আত্মবিশ্লষাত্মক চিন্তা আদিৰ অভাৱ ঘটাৰ বাবেই ব্যক্তিয়ে নিজৰ দোষ-গুণ দেখা নাপায়, নিজৰ স্বাৰ্থৰ বাবে আনৰ স্বাৰ্থত ব্যাঘাত সানিবলৈও কুণ্ঠাবোধ নকৰে। এয়াই আজিৰ সভ্যতাৰ মানৱ জীৱনৰ বিৰম্বনা।

বহুতে ক'ব খোজে যে জীৱনৰ আলোচনা বা ভাষা আৰু বাস্তৱতাৰ মাজত পাৰ্থক্য আছে। কিয়নো জীৱনৰ যি নীতি আদৰ্শ বা সত্য নিষ্ঠতাৰ কথা কোৱা হয়, বহু সময়ত বাস্তৱ জীৱনত সেই শব্দবোৰ খাপ নাখায়। তেন্তে বাস্তৱ জীৱনত এজন মানুহৰ আচৰণ কেনে হ'ব লাগে? বা এইক্ষেত্ৰত কেনে নীতি অনুসৰণ কৰা উচিত?

পৃথিৱীয়ে যিদৰে নিজৰ মাধ্যাকৰ্ষণ শক্তিৰে সকলোকে আকৰ্ষণ কৰি থাকে ঠিক সেইদৰে মানুহেও নিজৰ স্বকীয় চিন্তাধাৰাকে বিচাৰ-বিবেচনা নকৰাকৈ শ্ৰেষ্ঠ জ্ঞান কৰি সকলোকে তেওঁৰ চিন্তাৰ লগত সাঙুৰিব বিচাৰে। চমুকৈ প্ৰতিজন মানুহে তেওঁৰ দৰেই বা তেওঁ ভবাৰ দৰেই সকলোবোৰ হোৱাটো বিচাৰে, বা আনেও তেনে আচৰণ কৰাটো বিচাৰে। এয়া হ'ল পৃথিৱী আৰু মানুহৰ স্বভাৱগত আচৰণ। কিন্তু পৃথিৱীৰ প্ৰকৃতিৰ উদ্ধত মানুহে এই স্বভাৱ নিজৰ আত্মিক শক্তিৰ বিচাৰ বিশ্লেষণৰ দ্বাৰা সলনিও কৰিব পাৰে।

এজন মানুহ এক নিৰ্দিষ্ট পৰিবেশ, পৰিস্থিতি আৰু অভিজ্ঞতামূলক শিক্ষাৰে এটা স্বকীয় চিন্তা বা বিচাৰ ক্ষমতাৰ স্তৰ পায়গৈ, তেতিয়া সেই স্তৰৰ মাজত নিমজ্জিত হৈ বহুতে বাহিৰৰ জগতখনক অৰ্থাৎ তেওঁৰ স্বকীয় চিন্তা ভাবনাৰ বাহিৰৰ জগতখন এক আচহুৱাবোধ কৰে। বহুজনে বুজিবলৈ চেষ্টা কৰে, কিন্তু বহুজনেই নিজৰ মাজতেই অটল হৈ থাকে, এনেক্ষেত্ৰতেই মানুহৰ মাজত পাৰস্পৰিক আন্তৰিক সম্পৰ্ক গঢ়ি উঠাত বাধাৰ সৃষ্টি হয়। গতিকে যেতিয়াই এজন মানুহৰ লগত আন এজন মানুহৰ বা এখন সমাজৰ লগত আন এখন সমাজৰ ভাব-ভঙ্গী পাৰস্পৰিক বিৰোধী হয় তেতিয়াই কটাক্ষ কৰে, সমালোচনা কৰে, সমালোচনা কৰে বা প্ৰশ্ন কৰে এইবুলি — এই মানুহজন বা এই মানুহখিনি কিয় এনেকুৱা? এজন মানুহ কিয় এনেকুৱা এই প্ৰশ্নটো তেনেই নগন্য যেন লাগিলেও ইয়াৰ মাজত এনে এক সূক্ষ্ম অন্তৰ্নিৰ্হিত অৰ্থ নিহিত হৈ আছে যে এই বিষয়টো বিশ্লেষণ কৰাও অত্যন্ত জটিল। প্ৰকৃততে মানুহ সদায় গঢ় লয়। মানুহক কেতিয়াও তৈয়াৰ কৰিব নোৱাৰি। গঢ় লৈ উঠাৰ বাবে অনুপ্ৰেৰণা যোগাব পাৰি, গঢ় লৈ উঠিবলৈ সম্বল যোগাব পাৰি।



মনীষা

গতিকে যি পৰিবেশৰ মাজেৰে এজন মানুহ ডাঙৰ হয়, যি সামাজিক পৰিবেশত নিজক অবোধ অৱস্থাৰ পৰা চাবলৈ শিকে বা যি শৈক্ষিক পৰিবেশৰ মাজেৰে আনুষ্ঠানিক শিক্ষা পৰ্ব গ্ৰহণ কৰে — এজন ব্যক্তিৰ ওপৰত এই সকলোবোৰ বিষয়ৰ প্ৰভাব পৰে। আৰু এই সকলোবোৰ অভিজ্ঞতা, প্ৰভাব বা শিক্ষা লৈ এজন লোকে নিজৰ মনটোক নিজস্বতাৰে খাপ খুৱাই আগুৱাই নিব বিচাৰে যাৰ দ্বাৰা তেওঁৰ মনে সন্তুষ্টি পায়, এনেকৈয়ে মানুহ গঢ় লয়, য'ত সামাজিক প্ৰভাব অত্যন্ত গুৰুত্বপূৰ্ণ। সেয়ে ইয়াৰ পৰা স্পষ্ট হয় যে প্ৰতিজন মানুহৰ চিন্তা আৰু কৰ্ম আচৰণ আন দহোজনৰ ওপৰত (বিশেষকৈ উঠি অহা প্ৰজন্ম) পোনপটীয়া বা পৰোক্ষভাৱে প্ৰভাব পেলায়। যিহেতু ভাল-বেয়া দুয়োটা দিশেৰে অভিজ্ঞতা পায় সেয়ে এজন মানুহে ভাল-বেয়া দুয়োটা গুণেই অৰ্জন কৰে, কেৱল কম-বেছি পৰিমাণ হ'ব পাৰে। সেয়ে সকলো মানুহৰ মাজতে ভাল-বেয়া গুণ থাকে, কেৱল যিজন লোকৰ আত্মসমালোচনা বা আত্মবিশ্লেষণ প্ৰবল, যিজনে নিৰপেক্ষ আৰু সামগ্ৰিক দৃষ্টিভংগীৰে পৃথিৱীখনক চালি-জাৰি চায় সেইজনেই সৰ্বাধিক প্ৰকৃত মানবীয় গুণ-চিন্তা আৰু আদৰ্শক বিচাৰি নিজেও অনুসৰণ কৰে আৰু আনকো অনুপ্ৰেৰণা যোগায়। সেয়ে প্ৰকৃত মানুহ হোৱা আৰু প্ৰকৃত মানুহ গঢ়া উভয়ে কষ্টকৰ।

মানুহৰ মাজত পাৰ্থক্য থকা স্বাভাৱিক। গোটেই পৃথিৱীখন যদি মই আৰু মোৰ ভবাৰ দৰেই হুবহু হয় বা হ'ব লাগে তেন্তে পৃথিৱীৰ একো নতুনত্ব, আমেজ অথবা বিচিত্ৰতা নাথাকিব। গতিশীল এই জগতখনত একোৱেই স্থিৰ আৰু এক হ'ব নোৱাৰে কেৱল সামঞ্জস্যতাহে থাকিব পাৰে। আৰু এই সামঞ্জস্যতাৰ প্ৰকৃতিয়ে জগতখনক ক্ৰমাত আগুৱাই দিছে। যিদৰে দিন-ৰাতিৰ আহ্নিক গতিৰ পৰিক্ৰমাই জীৱকুলক কৰ্ম বিশ্ৰামেৰে ধৰি ৰাখিছে।

এনেদৰে বিচিত্ৰ পাৰিপাৰ্শ্বিকতাৰ মাজত গঢ়ি উঠা এটা জীৱনক লৈ এক পৰিপক্ক অৱস্থাত ব্যক্তিয়ে 'মই আৰু মোৰ' ভাবেৰে নিজস্বতাক উপলব্ধি কৰে। এই নিজস্বতাত অন্তৰ্নিহিত হৈ থাকে ব্যক্তিৰ নিজস্ব ৰুচি-অভিৰুচি, ভাল লগা, বেয়া লগা কেতবোৰ দিশ আৰু চিন্তা।

জীৱনটোৰ অৰ্থ ব্যক্তিগত বিষয়। জীৱনৰ দৃষ্টিভংগী, ব্যক্তিবিশেষে ভিন্ন হ'ব পাৰে। তথাপিও যদি প্ৰতিজন ব্যক্তিৰ নিজস্বতাৰ মাজত সততা থাকে তাতেই জীৱনৰ বিশেষ মূল্য লুকাই থাকে। ইয়াৰ উদ্ধৰ ব্যক্তিগত ভাল লগা, বেয়া লগা কথাবোৰ ইমানেই নগন্য যে কোনো এটা বিষয়ৰ এনে এক অনুভৱ মনলে কেতিয়া আহি কেতিয়া হেৰাই যায়- ইয়াক নিশ্চিত ভাবে কোৱাটোৱে কঠিন। কিন্তু এই সকলো অনুভৱে প্ৰদান কৰে কেতবোৰ বোধজ্ঞান আৰু ইয়াৰ সামগ্ৰিকতাই হ'ল জীৱনবোধ।

◆◆◆◆◆◆◆◆

## জানিব লগীয়া কথা

ঃ বিশ্বৰ প্ৰথম মোবাইল ফোনটো আৱিস্কাৰ কৰিছিল বিখ্যাত Motorola কোম্পানীয়ে। মডেলটোৰ নাম আছিল Motorola Dyna Tac 800x, ওজন আছিল ২কেজি।

ঃ প্ৰথম মোবাইল ফোনটো প্ৰথমবাৰৰ বাবে প্ৰদৰ্শন কৰিছিল Motorola কোম্পানীৰ ড. মাৰ্টিন কুপাৰ আৰু জন মিটচলে ১৯৭৩ চনত।

ঃ প্ৰথম মোবাইল টেলিফোন কলটো কৰিছিল চেলফোনৰ পিতৃ হিচাপে খ্যাত মাৰ্টিন কুপাৰে ১৯৭৩ চনৰ ৩ এপ্ৰিলত।

ঃ এছ.এম.এছ. এটা সাধাৰণতে ১৬০ টা শব্দৰ ভিতৰত সীমাবদ্ধ। জাৰ্মান ইঞ্জিনীয়াৰ "Friedhelm Nillebrand" -এ গৱেষণা কৰি পাইছিল যে যিকোনো প্ৰশ্ন বা মনৰ ভাৱ প্ৰকাশ কৰিবলৈ ১৬০ টা আখৰ (চিহ্ন সহ) নিশ্চিতভাৱে যথোপযুক্ত।

ঃ মোবাইল ফোনত ব্যৱহাৰ হোৱা ছিম কাৰ্ড (sim) ১৯৯৪ চনত প্ৰথম নিৰ্মাণ কৰা হৈছিল।

ঃ দশম শতিকাৰ ৰজা হেৰাল্ড ব্লুটুথ'ৰ নামেৰে ৱায়াৰলেছ দাতা ট্ৰেন্সফাৰ নেটৱৰ্কক ব্লুটুথ নাম ৰখা হৈছিল।

ঃ ১৯৯১ চনত জি.এছ.এম.ষ্টেণ্ডাৰ্ডত ৰেডিঅ'লিনজাই ফিনলেণ্ডত মুকলি কৰে ছেকেণ্ড জেনেৰেচন চমুকৈ 2G ডিজিটেল টেকন'লজী।

ঃ ২০০১ চনত WCDMA ষ্টেণ্ডাৰ্ডত জাপানৰ NTTDCM-এ মুকলি কৰে থাৰ্ড জেনেৰেচন, চমুকৈ 3G ডিজিটেল চেলুলাৰ টেকন'লজী।





# ক্ষুদ্ৰ চাহখেতিৰ সংকট আৰু ৰাজ্যৰ ৰাজনীতি

বৈকুণ্ঠ দাস
সহকাৰী অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ



ইংৰাজৰ আমোলতে আৰম্ভ হোৱা চাহ উৎপাদন পৰৱৰ্তী সময়ত উপাৰ্জন আৰু সংস্থাপনৰ এক গুৰুত্বপূৰ্ণ আধাৰ হিচাপে পৰিগণিত হ'ল। স্বাধীনোত্তৰ ভাৰতত চাহ উৎপাদনৰ ক্ষেত্ৰখনত ব্যাপক সংখ্যাত শ্ৰমিকৰ সংস্থাপন সম্ভৱ হৈছে আৰু সমান্তৰালভাৱে দেশীয় অৰ্থনীতিৰ তৰান্বিত হোৱাত সহায়ক বিবেচিত হৈ আহিছে। ৰাজহুৱা অথবা ব্যক্তিগত খণ্ডৰ অধীনত বৃহৎ অনুপাতত চাহ উৎপাদনে যথেষ্ট হাৰত শ্ৰমিকৰ মকৰলৰ সুবিধা প্ৰদান কৰি জীৱিকা উপাৰ্জনৰ বাট মুকলি কৰিছে। অৱশ্যে ব্যক্তিগত খণ্ডৰ অধীনত উৎপাদিত চাহৰ ক্ষেত্ৰত ইয়াত বৃহৎ পুঁজিপতিৰ চাহৰ ব্যৱসায়িক উৎপাদনৰ বিষয়েহে উল্লেখ কৰিব বিচৰা হৈছে।

ইয়াৰ ব্যতিৰেকে, অৰ্থাৎ ৰাজহুৱা অথবা বৃহৎ পুঁজিগোষ্ঠী উৎপাদিত চাহ (টাটা, উইলিয়ামচন মেগৰ, ৱাৰেন আদি), ব্যক্তিগত প্ৰচেষ্টাত ক্ষুদ্ৰ পৰিসৰত স্থানীয় জনগণৰ এচামে চাহ বাগানৰ প্ৰতিষ্ঠাত মনোনিবেশ কৰা প্ৰত্যক্ষ কৰা যায়। বৰ্দ্ধিত হাৰত নিত্য নতুন উদ্যমেৰে চাহ বাগানৰ/ উৎপাদনৰ প্ৰক্ৰিয়া অব্যাহত আছে। সাম্প্ৰতিক সময়ত ক্ষুদ্ৰ পৰিসৰত প্ৰতিৰ্ষ্ঠিত এনে চাহ উৎপাদন কাৰ্য্য স্থানীয় জনগণৰ এচামৰ প্ৰধান জীৱিকাৰ উৎসলৈ পৰ্য্যবসিত হৈছে।

ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত এনেদৰে প্ৰতিৰ্ষ্ঠিত চাহ বাগানৰ

প্ৰয়োভৰ পৰিলক্ষিত হয়। বিশেষকৈ উজনি অসমত গৰিষ্ঠ সংখ্যক স্থানীয় বাসিন্দাই নিজৰ প্ৰচেষ্টাত এনে বহু সংখ্যক চাহ বাগান গঢ়ি তুলিছে। ৰাজ্যখনত এনেদৰেই ক্ষুদ্ৰ চাহ শিল্পৰ শুভাৰম্ভ ঘটিল।

সমান্তৰালভাৱে এনেদৰে ব্যক্তিগত পৰ্যায়ত আৰম্ভ হোৱা ক্ষুদ্ৰ পৰিসৰত উৎপাদিত চাহে বহুজনকে সংস্থাপনৰ ক্ষেত্ৰত বিশেষ সকাহ প্ৰদান কৰিছে। ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ সহস্ৰাধিক পৰিয়ালৰ জীৱিকাৰ অন্যতম উৎসই হ'ল এনে ক্ষুদ্ৰ পৰিসৰ চাহৰ উৎপাদন কাৰ্য্য।

ব্যক্তিগত প্ৰচেষ্টাত ক্ষুদ্ৰ পৰিসৰৰ চাহৰ উৎপাদনকে আধাৰ কৰিয়েই পৰৱৰ্তী সময়ত উজনি অসমত কিছু সংখ্যক আনুষঙ্গিক সংস্থাপনৰ ক্ষেত্ৰ উন্মোচিত হ'বলৈ ধৰিলে। চাহ খেতিৰ বাবে প্ৰয়োজনীয় চাহ পুলি, সাৰ কীটনাশক আদিৰ বজাৰ সৃষ্টি হৈছে। এনেবোৰ কাম-কাজেও কিছুসংখ্যকৰ বাবে সংস্থাপনৰ বাট মুকলি কৰিছে।

সমান্তৰালকৈ চাহ বাগিছাবোৰত চাহ পুলি ৰোপনৰ পৰা আৰম্ভ কৰি সময়ে সময়ে এইবোৰৰ প্ৰতিপালন আৰু পৰিশেষত চাহৰ পাত তোলা কাৰ্যলৈকে শ্ৰমিকৰ প্ৰয়োজনীয়তা আছে। এনেবোৰ কাৰ্য্যত বহুসংখ্যাত মকৰলৰ সুযোগ সৃষ্টি কৰিছে।

কিছুসংখ্যক ক্ষুদ্ৰ পৰিসৰৰ চাহ খেতিয়কে নিজৰ চাহৰ উৎপাদন অৰ্থাৎ পাতৰ পৰা পোৱা উপযোগী চাহ প্ৰস্তুতৰ বাবে প্ৰয়োজনীয় ক্ষুদ্ৰ স্তৰৰ ফেক্টৰী আদিৰো ব্যৱস্থা কৰি লয়। এনে ফেক্টৰীবোৰতো শ্ৰমিকৰ সংস্থাপনৰ সম্ভাৱনা প্ৰত্যক্ষ কৰা যায়।

ক্ষুদ্ৰ স্তৰত ফেক্টৰীৰ বাবে প্ৰয়োজনীয়ন যন্ত্ৰপাতি আদি থলুৱাকৈ প্ৰস্তুত/উদ্ভাৱনৰ প্ৰচেষ্টাও গা কৰি উঠিছে। কম খৰচতে থলুৱা প্ৰযুক্তিৰ (সাধাৰণ) দ্বাৰা চাহ উদ্যোগৰ বাবে প্ৰয়োজনীয় যন্ত্ৰ-পাতি আদি উদ্ভাৱনৰ প্ৰচেষ্টা অব্যাহত আছে। এনেবোৰ ক্ষেত্ৰয়ো জীৱিকাৰ সন্ধান দিয়ে।

উৎপাদিত চাহৰ পেকেজিং আদিৰ বাবেও যথেষ্ট সংখ্যক শ্ৰমিকৰ প্ৰয়োজন আহি পৰিল। এনেদৰেও ওপৰোৱা সংস্থাপনৰ বাট মুকলি হৈ পৰিছে। পেকেজিংৰ অন্তত বিক্ৰী উপযোগী চাহ বজাৰলৈ প্ৰেৰণৰ বাবে সীমিত সংখ্যাত যান-বাহনৰ প্ৰয়োজনীয়তা আহি পৰে। এনেবোৰ যান-বাহনৰ চালক আদিৰ বাবেও কিছুসংখ্যক সংস্থাপনৰ বাট সুগম হৈছে।

আন কথাত ক্ষুদ্ৰ পৰিসৰত চাহ খেতিয়ে উজনি অসমত বিশেষকৈ তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাত সংস্থাপন সৃষ্টিৰ ক্ষেত্ৰত যথেষ্ট সম্ভাৱনা বহন কৰি আহিছে। ক্ষুদ্ৰ চাহ উদ্যোগৰ এনে সম্ভাৱনীয়তাই পৰৱৰ্ত্তী সময়ত ইয়াৰ থলুৱা জনগণক ইমানেই প্ৰলুব্ধ কৰিলে যে পূৰ্বৰে পৰা যথেষ্ট সম্ভাৱনা বহন কৰি অহা অন্যান্য উৎপাদন কাৰ্যৰ পৰিৱৰ্তে তেওঁলোকে চাহ খেতিতহে সাম্প্ৰতিক সময়ত অধিক মনোনিৱেশ কৰিবলৈ আৰম্ভ কৰিছে।

দেশজুৰি প্ৰসিদ্ধি থকা এই অঞ্চলৰ (তিনিচুকীয়া) কমলা (Orange) উৎপাদনৰ ক্ষেত্ৰত আজিৰ তাৰিখত ব্যাপক পৰিৱৰ্তন সাধিত হৈছে। চাহ খেতিৰ অধিক মুনাফাৰ সুযোগে থলুৱা জনগণক কমলা খেতিৰ পৰা বিৰত ৰখা প্ৰৱণতা বৃদ্ধি কৰিছে। পূৰ্বৰ কমলা বাগানবোৰৰ ধ্বংস সাধন কৰি তাৰ পৰিৱৰ্তে তেনে স্থানত চাহ বাগানৰ আৰম্ভণি হৈছে। সময়ৰ অগ্ৰগতিৰ লগে লগে ব্যক্তিগত উদ্যোগীৰ চাহখেতিয়ে অধিক মাত্ৰা লাভ কৰিছে। ইয়াৰ ফলশ্ৰুতিত অঞ্চলটোত অধিক সংস্থাপনৰ বাট মুকলি হৈ পৰিছে।

বিশেষ উল্লেখনীয় যে যথেষ্ট সংখ্যাত সংস্থাপনৰ সুযোগ সৃষ্টিকাৰী এনে ব্যক্তিগত ক্ষুদ্ৰ পৰিসৰৰ চাহ উৎপাদনে অতি সম্প্ৰতি ব্যাপক সংকটৰ সন্মুখীন হ'বলগীয়াত পৰিছে। এনে চাহ বাগিছাত উৎপন্ন চাহ পাতৰ মূল্যৰ (বহু ক্ষুদ্ৰ চাহ খেতিয়কে কেৱল চাহৰ পাতৰ উৎপাদনতে মনোনিৱেশ কৰে) বজাৰ দৰৰ নিম্নগামীতাই ক্ষুদ্ৰ পৰিসৰৰ চাহ উৎপাদন কাৰ্যলৈ ভাবুকি সৃষ্টি কৰিছে।

চাহ পাতৰ এনে নিম্নগামী বজাৰৰ দৰৰ অন্তৰালত বজাৰ নিয়ন্ত্ৰণক চৰকাৰৰ ব্যৰ্থতাকেই প্ৰধানত চিহ্নিত কৰিব পাৰি। মধ্যভোগী দালালৰ নিয়ন্ত্ৰণতো চৰকাৰে বিশেষ কাৰ্যদক্ষতা দাঙি ধৰিব পৰা নাই। মধ্যভোগীয়ে অতি কম দৰত ক্ষুদ্ৰ খেতিয়কৰ চাহপাত (কেঁচাপাত) ক্ৰয় কৰি বৃহৎ পুঁজিৰ নিজস্ব লাভালাভৰ এনে প্ৰচেষ্টাত ক্ষুদ্ৰ উদ্যোগীৰ স্বাৰ্থ বিঘ্নিত হৈ পৰিছে।

বজাৰ নিয়ন্ত্ৰণ অভাৱত ক্ষুদ্ৰ খেতিয়কৰ চাহ উৎপাদন খৰচো পূৰ্বৰ তুলনাত যথেষ্ট হাৰত বৃদ্ধি পাইছে। ফলশ্ৰুতিত ক্ষুদ্ৰ চাহখেতিয়কে লোকচানৰ সন্মুখীন হৈ আহিছে। পৰিপূৰক হিচাপে এনে ক্ষেত্ৰবোৰত (ক্ষুদ্ৰ পৰিসৰৰ ব্যক্তিগত পৰ্যায়ৰ চাহখেতি) সংস্থাপনৰ সম্ভাৱনা হ্ৰাস পাবলৈ ধৰিছে। বহুসময়ত মূল্যহীনতা বা অতি কম মূল্যৰ বাবে কেঁচাপাত (ছিঙা) এনেয়েই নষ্ট কৰি দিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছে।

ক্ষুদ্ৰ পৰিসৰৰ চাহখেতিৰ এনে অনিশ্চয়তাৰ বাবে ইয়াৰ লগত জড়িত কিছুসংখ্যকে সেয়েহে বিকল্প সংস্থাপনৰ সন্ধানত নামি পৰিছে। ইয়াৰে গৰিষ্ঠ সংখ্যকে সুযোগৰ আশাত বহিঃৰাজ্যলৈ প্ৰব্ৰজিত হোৱাৰ আৰম্ভ কৰিছে। বিশেষকৈ কৰ্ণাটক, কেৰেলা, গোৱা, অন্ধ্ৰপ্ৰদেশ আদি ৰাজ্যলৈ ব্যাপক সংখ্যাত সংস্থাপনৰ আশাত তেওঁলোকে ঢাপলি মেলিছে। আজি তাৰিখতো থলুৱা জনগণৰ এনে বৰ্হিঃগমন অব্যাহত আছে।

থলুৱা শ্ৰমিক/উৎপাদনকাৰী এনে বৰ্হিগমন ৰাজ্যৰ অৰ্থনীতিৰ বাবে অশনি সংকেত। শ্ৰমিক উৎপাদনৰ বৰ্হিগমনে







থলুৱা পুঁজি গঠনত ব্যাপক প্ৰভাৱ বিস্তাৰ কৰে। পুঁজিৰ বৰ্হিগমন হয়। ৰাজ্যৰ মূলধন গঠনত সমস্যা আহি পৰে। ৰাজ্যৰ সাম্প্ৰতিক নিবনুৱা সমস্যা সমাধানৰ বাবে এনে সংকুচিত অৰ্থনীতি সমীচিন নহয়। যিমানদূৰ সম্ভৱ ৰাজ্যৰ অৰ্থনীতি অধিক প্ৰসাৰিত কৰা প্ৰয়োজন।

ক্ষুদ্ৰ চাহ শিল্পৰ প্ৰসাৰৰ বাবে সেয়েহে ৰাজ্য চৰকাৰৰ যথেষ্ট কৰণীয় আছে। বজাৰ নিয়ন্ত্ৰণ এই ক্ষেত্ৰত প্ৰধান কৰণীয় বিবেচিত হ'ব। প্ৰয়োজনত ক্ষুদ্ৰ চাহখেতিৰ স্বাৰ্থত "Trade Protectionism"ৰ সুবিধাবোৰ বাহাল ৰখা দৰকাৰী অনুভূত হয়। মধ্যভোগী দালালৰ নিয়ন্ত্ৰণ কৰোতেও বাঞ্চনীয় প্ৰয়োজনত উপযুক্ত মূল্য প্ৰদানেৰে ক্ষুদ্ৰ চাহ খেতিয়কৰ উৎপানিত কেচা পাত চৰকাৰী চাহ উদ্যোগৰ বাবে ক্ৰয় কৰা ব্যৱস্থা হওক।

ৰাজ সাহায্যৰ যোগেদিও ক্ষুদ্ৰ চাহ শিল্পক উৎসাহিত কৰিব পৰা যায়। এনে কাৰ্যৰ দ্বাৰা উৎপাদন খৰচৰ ক্ষেত্ৰত তেওঁলোকক যথেষ্ট সকাহ দিয়াৰ সম্ভাৱনা আছে। ক্ষুদ্ৰ খেতিয়কৰ বাবে ফেক্টৰী আদি নিৰ্মাণৰ ক্ষেত্ৰটো ৰাজসাহাৰ্য্যই সকাহ দিব।

চৰকাৰৰ সহযোগিতাই ক্ষুদ্ৰ চাহ শিল্পক পুনৰুজ্জীৱিত কৰি তোলা প্ৰবল সম্ভাৱনা বহন কৰে। প্ৰয়োজনত জিলা দুখনৰ (ডিব্ৰুগড় আৰু তিনিচুকীয়া) বিভিন্ন মহাবিদ্যালয়বোৰত চাহ উৎপাদন সংক্ৰান্তীয় পাঠ্যক্ৰমৰ প্ৰবৰ্তনৰ অৱকাশ আছে। এনে পাঠ্যক্ৰমে চাহখেতিৰ সমস্যাৱলীৰ লগতে ইয়াৰ সমাধানৰ পথৰ সন্দৰ্ভত প্ৰধানতঃ গুৰুত্ব আৰোপ কৰিব।

চাহ উৎপাদন সংক্ৰান্তীয় পাঠ্যক্ৰমে লগতে চাহখেতিৰ বাবে প্ৰয়োজনীয় দক্ষ শ্ৰমিকৰ সৃষ্টিৰ ক্ষেত্ৰতো সহায় কৰিব। তদুপৰি চাহখেতিৰ দ্বাৰা সংস্থাপনৰ সুযোগ সৃষ্টিতো এনে পাঠ্যক্ৰমে আলোকপাত কৰিব। চাহখেতিৰ ব্যৱসায়ৰ ফলত সৃষ্ট অন্যান্য ভটিয়নী সংস্থাপনৰ ক্ষেত্ৰবোৰৰ প্ৰসাৰৰ দিশতো এনে পাঠ্যক্ৰমে বহুল প্ৰভাৱ বিস্তাৰ কৰা সম্ভাৱনা বহন কৰে।

ক্ষুদ্ৰ পৰিসৰৰ চাহখেতিক ৰাজসাহায্যৰ দ্বাৰা পুনৰুজ্জীৱিত কৰিলে থলুৱা শ্ৰমিকৰ বহিৰ্গমন ৰোধ হ'ব। ফলত ৰাজ্যৰ মূলধন গঠনত নতুন মাত্ৰা প্ৰদান সম্ভৱ হৈ পৰিব আৰু নতুন বিনিয়োগৰ বাটো মুকলি হ'ব। থলুৱা বজাৰৰ প্ৰসাৰণ ঘটিব। থলুৱা জনগণ লাভৱান্বিত হোৱাৰ সুযোগ আহিব। জনগণৰ জীৱন ধাৰণৰ মান উন্নত হ'ব। সেয়েহে ৰাজ্য চৰকাৰৰ সঠিক উদ্যোগ তথা আৰ্থিক নীতিয়ে এনেবোৰ দিশত গুৰুত্ব দিয়াতো সময়োপযোগী পদক্ষেপ হিচাপে বিবেচিত হোৱাতো বাঞ্ছনীয়। অৱশ্যেই কেন্দ্ৰীয় চৰকাৰৰ সম্পূৰ্ণ সহযোগ এইক্ষেত্ৰত অতিকে গুৰুত্বপূৰ্ণ।

◆◆◆◆◆◆◆◆



# ভাৰত নাট্যম ঃ স্বাস্থ্য আৰু ক'লা

## (নৃত্যং দদাতি সুখম্)

ড° ৰুবী বৰুৱা
সহকাৰী অধ্যাপিকা, ৰসায়ন বিজ্ঞান



নৃত্যৰ লগত সুখৰ সম্বন্ধ নিৰ্মল। সুখ হৈছে আমাৰ আটাইতকৈ সুন্দৰতম্ অনুভূতি। এই অনুভূতিয়ে আমাৰ জীৱনলৈ ইতিবাচক কম্পন (Positive vibration) আনি দিয়ে। এই ইতিবাচক কম্পনে মানুহৰ সুস্বাস্থ্য এনেদৰে গঢ়ি তোলে যাৰ দ্বাৰা ব্যক্তিয়ে পাৰিবাৰিক, সামাজিক আৰু শাৰিৰীক ভাৱে সচেতন আৰু সক্ষম হৈ থাকিব পাৰে। ভৰত মুনিৰ নাট্যশাস্ত্ৰত ভাৰত নাট্যমক ভাৰতৰ আটাইতকৈ পূৰণি নৃত্যশৈলী হিচাপে পৰিগণিত কৰা হৈছে। এই নৃত্যক তিনি প্ৰকাৰত ভাগ কৰা হৈছে ঃ নৃত্ত (নিৰুথম্), নৃত্য (নিৰুথিয়াম্) আৰু নাট্য (নাট্যম্)। নৃত্ত হৈছে শৰীৰৰ বায়বীয় সঞ্চালন আৰু নৃত্য হৈছে অনুভূতি (ৰস্) প্ৰকাশেৰে শৰীৰ অথবা হাত-ভৰি বিভিন্ন মুদ্ৰাৰে সঞ্চালন কৰা প্ৰক্ৰিয়া; নাট্য হৈছে অভিনয়, অভিনয়ৰ মাজেদি বিভিন্ন মুদ্ৰাৰ প্ৰদৰ্শন। ভাৰত নাট্যমৰ সম্পূৰ্ণ প্ৰদৰ্শনত এগৰাকী শিল্পীৰ "সম্পূৰ্ণ ত্যাগ" সমৰ্পিত হৈ থাকে। প্ৰকৃততে প্ৰত্যেক নৃত্যৰ প্ৰদৰ্শনতেই শিল্পীৰ ত্যাগ নিহিত হৈ থাকে। যিহেতু এই আলোচনাত কেৱল মাত্ৰ ধ্ৰুপদী নৃত্য ভাৰতনাট্যমক বিষয় হিচাপে বাছি লোৱা হৈছে ; সেয়েহে এই নৃত্যৰ উল্লেখ বাৰে বাৰে কৰা হৈছে।

ভাৰতনাট্যম নৃত্যৰ প্ৰায়বোৰ মুদ্ৰা শৈলী শৰীৰৰ অৱস্থান অথবা ভংগীমা আৰু অভিনয়ত কৰা হৃদয়ৰ অৰ্পণ- এই সকলোৰে সংমিশ্ৰণ পতঞ্জলি যোগ শাস্ত্ৰৰ লগত তুলনা কৰিব পৰা যায়। প্ৰকৃতাৰ্থত ভাৰত নাট্যমৰ প্ৰায়বোৰ শৈলী যোগ শাস্ত্ৰৰ আধাৰত নিৰ্মিত। যোগাসনৰ প্ৰত্যেক আসনতেই মানসিক সমৰ্পণ উল্লেখ আছে। আসন সমূহত ব্যক্তিয়ে নিজৰ মন সমৰ্পিত কৰিব নোৱাৰিলে আসনৰ অভ্যাস প্ৰকৃততে অৰ্থহীন। ধ্ৰুপদী নৃত্যত শৰীৰ ভংগীমা, সঞ্চালন আৰু মানসিক সমৰ্পণ সম্পূৰ্ণ বিজ্ঞানসন্মত। সেয়েহে নৃত্যৰ অভ্যাসে দীৰ্ঘায়ু কৰি তোলে।

নৃত্যাভ্যাস বা নৃত্যক চিকিৎসা বিজ্ঞানত ব্যৱহাৰ কৰিব পৰা যায়। এই বিষয়টো একেবাৰে নতুন যদিও ইতিমধ্যে এইক্ষেত্ৰত বহুতো গৱেষণা আৰম্ভ হৈছে। ভাৰত নাট্যমক দেৱদাসীৰ নৃত্য বুলি বহুলোকে কটু সমালোচনা কৰে যদিও প্ৰকৃতাৰ্থত ভক্তিৰসত সমৰ্পিত বাবেই এই নৃত্যক মন্দিৰত পৰিৱেশন কৰা হৈছিল। পৌৰাণিক কালৰ পৰাই শিৱৰ আৰাধনা, বিষ্ণুৰ আৰাধনা আদি বিষয়ত নৃত্ত, নৃত্য আৰু নাট্য প্ৰদৰ্শিত হৈ আহিছে। যোগাসন আৰু ভক্তি ৰসৰ আধ্যাত্মিকতাৰ পয়োভৰ বেছি বাবেই এই নৃত্যশৈলীক স্নায়ুৰোগ, মানসিক ৰোগ, বহুমূত্ৰ ৰোগ আদিৰ নিৰাময়ৰ বাবে ব্যৱহাৰ কৰিব পৰা যায়।

১৯১০ চনত এই নৃত্যক ব্ৰিটিছসকলে মন্দিৰত পৰিৱেশন কৰাত বাধা প্ৰদান কৰে। বহুলোকে প্ৰতিবাদ কৰি মন্দিৰৰ বাহিৰত এই নৃত্যৰ ধাৰা অব্যাহত ৰাখে। অৱশেষত ৰুক্মিণী অৰুণডালে এই নৃত্যৰ নন্দন তাত্বিকতাৰ মূল্য দি কঠোৰ বাস্তৱৰ বিপৰীতে যুদ্ধ দি ভাৰতনাট্যমক ভাৰতৰ ধ্ৰুপদী নৃত্যৰ সন্মান অৰ্পণ কৰে। ভাৰতবৰ্ষৰ আটাইতকৈ পূৰণি নৃত্যশৈলী হিচাপে এই নৃত্য এতিয়াও জাকত জিলিকা। চিকিৎসা বিজ্ঞানত এই নৃত্য শৈলী প্ৰয়োগৰ প্ৰয়োজনীয়তাৰ বাবে এতিয়াও গৱেষণা, প্ৰচাৰ আৰু সচেতনতাৰ সম্প্ৰসাৰণৰ প্ৰয়োজন আছে।

ভাৰতীয় ধ্ৰুপদী নৃত্যসমূহত মন আৰু আত্মাৰ সম্পৰ্ক উচ্চ আৰু অতি পৌৰাণিক কালৰে পৰা চলি অহা। মনৰ অনুভূতি প্ৰকাশৰ সুন্দৰতম মাধ্যম হৈছে এই নৃত্যসমূহ। এই নৃত্যসমূহত সাজ-সজ্জা, আ-অলংকাৰ, প্ৰসাধন, নূপুৰ আদিৰ ব্যৱহাৰে জাক-জমকতাৰ মাত্ৰা প্ৰদান কৰে। নৰ্তকীৰ বাবে সমগ্ৰ কাৰ্যক্ৰমণিকাই এক অনাবিল মানসিক সুখ আৰু শাৰিৰীক সু-স্বাস্থ্যৰ সমল। নৃত্য উপভোগ কৰা সকলৰ বাবে সদায় মনোৰঞ্জনৰ লগতে জীৱনৰ সঠিক পথৰ সন্ধান দিয়াত সহায়ক হয়।

কিয়নো নৃত্য এনে এক কলা যাৰ মাধ্যমেৰে জীৱনৰ বাস্তৱতাক সুন্দৰতম অনুভৱেৰে প্ৰদৰ্শন কৰা হয়। পৰিশেষত ইয়াকে ক'ব পাৰি যে ধ্ৰুপদী নৃত্যৰ অভ্যাসে মানুহক আনন্দৰ পৰা মহা আনন্দলৈ এক নন্দন তাত্বিক পথৰ সন্ধান দিয়ে।

◆◆◆◆◆◆◆

# বিশ্বৰ আটাইতকৈ দামী চকলেট

সৰু ডাঙৰ সকলোৰে প্ৰিয় চকলেট। এই চকলেটে বিশ্বৰ বজাৰৰ এক বৃহৎ অংশ দখল কৰি আছে। বিভিন্ন মূল্যৰ বিভিন্ন প্ৰকাৰৰ চকলেটৰ ভিতৰত বিশ্বৰ কেইবিধমান আটাইতকৈ দামী চকলেটৰ বিষয়ে পাঠকলৈ আগবঢ়োৱা হ'ল—

**চকলেটৰ নাম ঃ**

(১) চক'পল'জী বায় নিপচিল্ড — ১৯৯৯ চনত ফ্ৰিটজ নিপচিল্ডে প্ৰস্তুত কৰি উলিয়াইছিল এই চক'পল'জী চকলেট বিধ। ৪৫৪ গ্ৰামৰ এই চকলেটবিধৰ মূল্য হ'ল ১,৫৯,৭৫৭ টকা। অৰ্ডাৰ সাপেক্ষেহে এই চকলেটবিধ প্ৰস্তুত কৰা হয়। বিশ্বৰ ভিতৰত এইবিধ চকলেটেই আটাইতকৈ দামী।

(২) নোকা ভিনটেজেছ কালেকচন — ভেনিজুৱেলা, ইকুৱেডৰ ট্ৰিনিদাদ আৰু ক'ট ডি আকুৰৰ চকলেটেৰে প্ৰস্তুত কৰা হয় নোকা ভিনটেজেছ কালেকচন চকলেটবিধ। ৪৫৪ গ্ৰাম এই চকলেট বিধৰ মূল্য হ'ল— ৫২,৪৫২.৬৮ টকা।

(৩) ডিলেফী — ক'ক' বিনৰ পৰা প্ৰস্তুত কৰা এই চকলেটবিধ ২৪ কেৰেট সোণেৰে সজোৱা হয়। ৪৫৪ গ্ৰামৰ এই চকলেট বিধৰ মূল্য হ'ল ৩১,২১৪ টকা।

(৪) গোডিভা জি কালেকচন — গোডিভা ব্ৰেণ্ডে নতুন কৈ মুকলি কৰা এই গোডিভা জি কালেকচন চকলেটবিধ ক'ক' বিনেৰে প্ৰস্তুত কৰা হয়। ৪৫৪ গ্ৰামৰ এই চকলেট বিধৰ মূল্য হ'ল ৭৩৭৪ টকা।

(৫) ৰিচাৰ্ট — ৪৫৪ গ্ৰাম ওজনৰ ৭৩৭৪ টকা মূল্যৰ এই ৰিচাৰ্ট চকলেট বিধ ভেনিজুৱেলাৰ ক'ক' বিনেৰে প্ৰস্তুত কৰা হয়। ভেনিজুৱেলাৰ এই ক'ক' বিনেই হৈছে বিশ্বৰ আটাইতকৈ শ্ৰেষ্ঠ ক'ক' বিন।

(৬) পিয়েৰি মাৰ্কোলিনি — এক পাউণ্ড পিয়েৰি মাৰ্কোলিনিৰ মূল্য হ'ল ৬,২৯৫.৫৫ টকা। আন চকলেট সমূহৰ দৰে এই বিধ চকলেট প্ৰস্তুতটো ক'ক' বিন ব্যৱহাৰ কৰা হয়।

সংগ্ৰাহক ঃ নিলোৎপল নেওগ
চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ

# নদী পৰ্যটন



ড° কমলেশ কলিতা
সহকাৰী অধ্যাপক, ভূগোল বিভাগ

পৰ্যটন বৰ্তমান পৃথিৱীৰ এক দ্ৰুত বিকশিত উদ্যোগ। সম্প্ৰতি এই উদ্যোগত পৃথিৱীৰ সৰ্বমুঠ ৭ শতাংশৰো অধিক মুলধন বিনোয়োগ হৈছে। উল্লেখযোগ্য যে, ২০১২ চনত আন্তঃৰাষ্ট্ৰীয় পৰ্যটকৰ সংখ্যাই ১ বিলিয়নৰ সীমা পাৰ কৰিছিল আৰু এক অনুমান মতে ২০৩০ চনত প্ৰায় সংখ্যা ১.৮ বিলিয়ন হ'বগৈ। আনহাতে ২০১৫ চনত আন্তঃৰাষ্ট্ৰীয় পৰ্যটকৰ পৰা হোৱা আয় প্ৰায় ১.৫ ট্ৰিলিয়ন মাৰ্কিন ডলাৰৰ সমান আছিল। অৱশ্যে পৰ্যটন বিকাশৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বা দেশী আৰু বিদেশী দুয়ো প্ৰকাৰৰ পৰ্যটকৰে গুৰুত্ব আৰু ভূমিকা উল্লেখনীয়। আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ ক্ষেত্ৰত পৰ্যটন উদ্যোগে আজিকালি অতি গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে। এই উদ্যোগে খাদ্যসম্পদ, তৈল উদ্যোগ আৰু যান-বাহন নিৰ্মাণ আদিৰ দৰে বৃহৎ বৃহৎ ঔদ্যোগিক খণ্ড সমূহকো আজি চেৰ পেলাবলৈ সক্ষম হৈছে। পৰ্যটন বহু উন্নয়নশীল দেশৰ মুখ্য আয়ৰ উৎস হোৱাৰ লগতে সেই দেশসমূহৰ বিকাশৰ প্ৰধান পথ হৈ পৰিছে। পৰ্যটনে সম্প্ৰতি কৃষি, যাতায়তৰ পৰা আৰম্ভ কৰি টেলিকমিওনিকেচন আদিলৈকে প্ৰায় সকলোবিলাক খণ্ডকে সামৰি লৈছে। পৃথিৱীৰ বৰ্তমান প্ৰায় ১৭৫ খন দেশ পৰ্যটনৰ লগত কমবেছি পৰিমাণে জড়িত। আমাৰ দেশো পুৰণি কালৰে পৰা পৰ্যটনৰ লগত জড়িত। দেশৰ ইতিহাস, কলা, সাহিত্য-সংস্কৃতি, শিক্ষা, চিকিৎসা, বাণিজ্য, জৈৱ-বৈচিত্ৰ্য আদিয়ে দেশৰ বিভিন্ন অঞ্চলৰ লগতে বিদেশী পৰ্যটককো আকৰ্ষণ কৰি আহিছে। বৈদিক যুগৰ পৰা আৰম্ভ হোৱা পৰ্যটন স্বাধীনোত্তৰ কাললৈকে বিস্তাৰিত হৈছিল। অৱশ্যে স্বাধীন ভাৰতত ১৯৫৮ চনত প্ৰথম বাৰলৈ গঠন হোৱা স্বতন্ত্ৰ পৰ্যটন বিভাগে দেশৰ পৰ্যটনৰ বিকাশ আৰু উন্নয়নৰ ক্ষেত্ৰত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাবলৈ সক্ষম হয়। পৰ্যটন বিভাগে দেশৰ পৰ্যটনৰ বিকাশৰ কাৰণে সময়ে সময়ে বিভিন্ন ধৰণৰ পদক্ষেপ লৈ আহিছে। ফলস্বৰূপে ২০১৬ চনত প্ৰায় ৮.৮৯ মিলিয়ন বিদেশী পৰ্যটকৰ ভাৰতবৰ্যলৈ আগমন ঘটিছিল। এই সময়চোৱাত পৰ্যটকৰ পৰা আহৰণ কৰা আয়ৰ পৰিমাণ ৮.৩১ লাখ কোটিৰো অধিক আছিল যি আমাৰ দেশৰ ৬.৩ শতাংশ জাতীয় আয়ৰ সমান। আনহাতে দেশৰ প্ৰায় ৩৭.৩৪ মিলিয়ন কৰ্মসংস্থাপনৰ বাট ই প্ৰত্যক্ষ বা প্ৰৰোক্ষ ভাৱে মুকলি কৰে। উল্লেখযোগ্য যে উত্তৰ-পূৰ ভাৰতৰ প্ৰায় আটাইকেইখন ৰাজ্যই কম বেছি পৰিমাণে পৰ্যটন সমল আৰু সম্পদেৰে পৰিপূৰ্ণ। এই অঞ্চলৰ নৈসৰ্গীক সৌন্দৰ্য আৰু বাতাবৰণে সহজতে দেশী আৰু বিদেশী পৰ্যটকক আকৰ্ষণ কৰাৰ স্থল আৰু সম্ভাৱনা অধিক। অৱশ্যে এই অঞ্চলৰ ৰাজনৈতিক আৰু সামজিক পৰিৱেশে আজি পৰ্যন্ত পৰ্যটন উদ্যোগৰ পূৰ্ণ বিকাশৰ সুবিধা প্ৰদান কৰা নাই। অদূৰ ভৱিষ্যতে এই অঞ্চলৰ সমল আৰু সম্পদসমূহৰ সু-পৰিকল্পিত বিকাশে অঞ্চলটোৰ পৰ্যটন ক্ষেত্ৰখনলৈ ভালদিন আনিব বুলি আশা কৰিব পাৰি।





আন আন সম্পদসমূহৰ লগতে নদ-নদী সাম্প্ৰতিক সময়ৰ পৰ্যটন বিকাশ আৰু উন্নয়নৰ এক গুৰুত্বপূৰ্ণ সম্পদ। পৃথিৱীৰ কিছুমান প্ৰখ্যাত নদী যেনে- মেকং, লবেক, বুলঘাৰ, আমাজ'ন, গংগা, ৰাইন, চেইন, ডেনুব, ভল্গা, ইয়াংগটি, ইৰাৱডী, মাৰী, নীল, মিচিচিপি আদিত নদী পৰ্যটনৰ বিকাশ কিছু পৰিমাণে ঘটিছে। উল্লেখযোগ্য যে অতীজৰে পৰা পৃথিৱীৰ প্ৰধান সভ্যতাসমূহৰ বিকাশো নদীসমূহৰ পাৰত সংঘটিত হৈছিল। নদীসমূহে প্ৰধানত আন বহুটো সম্পদ আৰু সৌন্দৰ্য যোগান ধৰাৰ উপৰিও খাদ্য শস্য উৎপাদন কৰাৰ কাৰণে সাৰুৱা মাটি, খোৱা আৰু অন্যান্য ব্যৱহাৰযোগ্য পানী আৰু যাতায়তৰ কাৰণে সুচল আৰু সহজলভ্য পথৰ ব্যৱস্থা আৰু যোগান ধৰি আহিছে। ইয়াৰ উপৰিও খৰস্ৰোত নদীৰ পৰা জলবিদ্যুৎ উৎপাদন কৰি দেশৰ বিভিন্ন অঞ্চলত শক্তিৰ যোগান ধৰা হয়। আজিকালি আকৌ নদীৰ পানীসমূহ ব্যাপকভাৱে উদ্যোগ প্ৰতিষ্ঠানসমূহতো ব্যৱহাৰ কৰা দেখা যায়। আমাৰ দেশৰ ভালেমান নগৰ-চহৰ অৱস্থানো নদীৰ পাৰতেই দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে প্ৰায় ২৫০০ কিঃমিঃ অতিক্ৰম কৰা গংগা নদীৰ পাৰত ঋষিকেশ,হৰিদ্বাৰ, কাণপুৰ, এলাহাবাদ, বেনাৰচ্, পাটনা আদি চহৰসমূহৰ অৱস্থিতি দেখিবলৈ পোৱা যায়। এই চহৰসমূহ অতীতৰে পৰা পৰ্যটনৰ লগত ওতঃপ্ৰোত ভাবে জড়িত। যেনে, গংগা নদীৰ দক্ষিণ পাৰে অৱস্থিত বিহাৰ ৰাজ্যৰ ৰাজধানী "পাটনা" চহৰৰ কথা ক'ব পাৰি। অতীতত পাটনাক "পাটলিপুত্ৰ" নামে জনা গৈছিল। পাটলিপুত্ৰ সেই সময়ত মগধ সাম্ৰাজ্যৰ ৰাজধানী আছিল। পাটলিপুত্ৰ হিন্দু, জৈন, বৌদ্ধ আৰু শিখ শৰ্মৰ প্ৰধান কেন্দ্ৰ বিন্দু আছিল। উল্লেখযোগ্য যে পাটলিপুত্ৰতেই আৰ্যভট্ট, পানিনী, চাণক্য, বাৎসায়ন আৰু কালিদাস আদিৰ দৰে মনিষীসকলৰ উৎকৰ্য সাধনৰ প্ৰধান স্থান হৈ পৰিছিল। আনহতে গ্ৰীক পৰিব্ৰাজক মেগাস্থেনিচ্, ফাহিয়ান, হিউয়েনচাং আদিয়েও পাটলিপুত্ৰ ভ্ৰমণ কৰিছিল। যিহেতু গংগা নদীৰ পানীক পৱিত্ৰ বুলি বহুতে বিশ্বাস কৰে, সেই হেতুকে, গংগা নদীৰ পানীৰে গা ধোৱাৰ পৰম্পৰা অতীতৰে পৰা চলি আহিছে। গংগা নদীক কেন্দ্ৰ কৰি ইয়াৰ পাৰত বহুতো ধৰ্মীয় স্থল প্ৰতিষ্ঠা হৈছে। এই স্থলসমূহে ধৰ্মীয় পৰ্যটনৰ বিকাশ ঘটাইছে। অৱশ্যে ভাৰতবৰ্যৰ আন বহু নদী যেনে- নৰ্মদা, কৃষ্ণা, কাবেৰী আদিয়েও ধৰ্মীয় পৰ্যটনৰ বিকাশত অৰিহণা যোগাই আহিছে। গংগা নদীৰ দৰে ভাৰতবৰ্যৰ আন আন প্ৰধান নদীসমূহৰ পাৰত আন বহুতো প্ৰসিদ্ধ চহৰ গঢ় লৈ উঠিছিল। যেনে- যমুনাৰ পাৰত দিল্লী, আগ্ৰা, মথুৰা, হুগলীৰ পাৰত হাওৰা, হলদীয়া, দামোদৰৰ পাৰত বোকাৰো, দুৰ্গাপুৰ, বৰ্দ্ধমান, আচানচোল, ৰাণীগঞ্জ, গোদাবৰীৰ পাৰত নাচিক, নিজামাবাদ, নৰ্মদাৰ পাৰত জবলপুৰ, মানধাতা, ওমকাৰেশ্বৰ, ডিৱাছ, কৃষ্ণাৰ পাৰত চাতাৰা, ছাংলী, কাবেৰীৰ পাৰত কুশলনগৰ, কাৰুৰ, টিৰুচীপল্লী, মুথাৰ পাৰত পুনে, মছিৰ পাৰত হায়দৰাবাদ, কপিলা, মহিকাযুৰ, লুনীৰ পাৰত আজমেৰ, বিয়াছৰ পাৰত অমৃৎসৰ, গাধৰৰ পাৰত চণ্ডীগড়, তাপীৰ পাৰত চুৰাট, সৰোজৰ পাৰত অযোধ্যা, টাৱীৰ পাৰত জম্মু, গোমটিৰ পাৰত লক্ষৌ, ঝিলামৰ পাৰত শ্ৰীনগৰ, মহানদীৰ পাৰত কটক, তিস্তাৰ পাৰত দাৰ্জিলিং, পালৰ পাৰত ভেলোৰ, পৰিয়াৰৰ পাৰত কুচি, কোভমৰ পাৰত চেন্নাই আদি চহৰ সমূহৰ বিকাশ ঘটিছে। এই নদীসমূহে চহৰকেইখনৰ সামগ্ৰিক উন্নয়নৰ লগতে পৰ্যটনৰো কম-বেছি পৰিমাণে বিকাশ সাধন কৰিছে।

উত্তৰ-পূৱ ভাৰতৰ নদীসমূহৰ ভিতৰত ব্ৰহ্মপুত্ৰ, ধনশিৰি, জিয়াভৰলী, গাই, বেকী, বৰাক, তিস্তা, সোৱণশিৰি, লোহিত, কামেং, চিয়াং, কপিলী, অজগৰ, কালু, নিতাই, উমখ্ৰী, লংগাই, জুৰি, ডেউ, খোৱাই, ধলাই, ইৰিল, নামবুল, টিয়াও, ডয়াং, ডিখু, টিজু, ডিছাই, নানুং, ভুজা, মাংলু, টাৱাং, টুইচাং, তুইৰিয়াল, তুইচাৱাং, চিমতুইপুই আদিয়ে প্ৰধান। এই নদীসমূহৰ নৈসৰ্গিক সৌন্দৰ্য অতি মনোমোহা। এই নদীসমূহ এই অঞ্চলসমূহৰ সভ্যতা, সংস্কৃতি আৰু আৰ্থসামাজিক ব্যৱস্থাৰ আৰু পৰিৱেশৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। উত্তৰ-পূৱ ভাৰতৰ নদীসমূহৰ ভিতৰত ব্ৰহ্মপুত্ৰ নদীয়েই আটাইতকৈ ডাঙৰ আৰু দীঘল। এই নদীখন হিমালয়ৰ 'চেম্যায়ুংডাং হিমবাহৰ' পৰা উৎপত্তি হৈ তিব্বত, ভাৰত আৰু বাংলাদেশৰ মাজেৰে প্ৰায় ২৯০০ কিঃমিঃ পথ অতিক্ৰম কৰিছে। ইয়াৰে প্ৰায় ৯১৬ কিঃমিঃ পথহে ভাৰতবৰ্যৰ ভিতৰত। ব্ৰহ্মপুত্ৰ নদী অসমৰ সোঁমাজেৰে পূৱৰ পৰা পশ্চিমলৈ প্ৰবাহিত হৈ আছে। ই নিজৰ গতিপথত সৰু-বৰ বিভিন্ন ধৰণৰ ভূ-অৱয়ৱ আৰু আকৃতি-প্ৰকৃতিৰ সৃষ্টি কৰিছে। উদাহৰণ স্বৰূপে 'মাজুলী' আৰু 'উমানন্দ'ৰ কথা ক'ব পাৰি। দুয়োটা ভূ-অৱয়ৱেই কিছু পৰিমাণে পৰ্যটকক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে যদিও "ভৌগোলিক পৰ্যটন"ৰ উৎকৰ্য আৰু বিকাশ সাধনৰ বাবে মাজুলী আৰু উমানন্দক পৰিকল্পিতভাৱে আগবঢ়াই নিব লাগিব। পৰ্যটনৰ বাবে প্ৰয়োজনীয় সৰু অথচ অতি দৰকাৰী কথাসমূহৰ উন্নয়নত প্ৰধানকৈ গুৰুত্ব দিব লাগিব। অন্যথা এই অঞ্চলসমূহৰ প্ৰকৃত পৰ্যটনৰ বিকাশ নঘটিব। উল্লেখ নকৰিলেও হ'ব যে ব্ৰহ্মপুত্ৰ নদীক কেন্দ্ৰ কৰিয়েই প্ৰধানত ব্ৰহ্মপুত্ৰ উপত্যকা সভ্যতা গঢ়ি উঠিছে। এই সভ্যতা-সংস্কৃতি গঢ় লৈ উঠাত ব্ৰহ্মপুত্ৰৰ দুয়োকাষৰ পৰা আহি মূলসুঁতিত মিলিত হোৱা ইয়াৰ অন্যতম উপনৈসমূহ যেনে- দিহিং, ডিবাং, ডুইলং, পুঠিমাৰী, কপিলী, নৈনৈ, জিনাই, ভোগদৈ, দিচাং, দিখৌ, লোহিত, মানাহ,

সোৱণশিৰি, জিয়াভৰলী, বুঢ়ীদিহিং, সোণকোষ, গদাধৰ, গৌৰাং, চম্পাৱতী, আই, কৃষ্ণাই, জিনাৰি, দেওশিলা, বৰনদী, পাগলাদিয়া, কালদিয়া, কুলশী, শিংৰা, বৰলীয়া, ডিগাৰু, নোৱা, বৰনদী, ডিকৰাই জীয়াগাভৰু, বেলশিৰি, ঘিলাধাৰী, বুৰৈ, বৰগাং, বুঢ়িগাং, বালিজান, দিক্রং, ৰঙাজান, চাৰিকৰিয়া, বুঢ়ীসুঁতি, মৰিঢল, জীয়াঢল, জাঁজী, টুনি, চেঁচা, ডিব্ৰু আদি নৈসমূহে বৰঙণি যোগাইছে। এই নদীসমূহৰ পৰিকল্পিত আৰু বিজ্ঞানসন্মত উন্নয়নে এই অঞ্চলটিৰ গ্ৰাম্য আৰু পৌৰ পৰ্যটন বিকাশত অৰিহণা যোগাব পাৰে। উল্লেখযোগ্য যে আজিকালি পৃথিৱীৰ বিভিন্ন ঠাইত আধুনিক নদীকেন্দ্ৰিক পৰ্যটন গঢ়ি উঠিছে। যেনে- মিচিচিপি-মচৌৰী, মেকং, মাৰী, ডেনুব, থেমচ্, আমাজ'ন, নীল, ভল্গা আৰু ৰাইন। শেহতীয়াভাৱে দক্ষিণ-পূব এচিয়াৰ আফগানিস্তান, ভূটান, নেপাল, শ্ৰীলংকা, ম্যানমাৰ, থাইলেণ্ড আদি দেশ সমূহত কিছু পৰিমাণে নদী পৰ্যটন গঢ়ি উঠিছে। এই অঞ্চলৰ নদীসমূহত দুঃসাহসিক ক্ৰীড়া, ৰেংলিং, নদী-বিনোদন, নদী উপত্যকা উৎসৱ, ধৰ্মীয় উৎসৱ পালন আদিৰ দৰে ভিন্ন তৰহৰ অনুষ্ঠান আয়োজনৰ জৰিয়তে নদী পৰ্যটনৰ উন্নয়ন ঘটিছে। আমাৰ ব্ৰহ্মপুত্ৰ নদীক কেন্দ্ৰ কৰি অদূৰ ভৱিষ্যতে বহলভাৱে নদী পৰ্যটন গঢ়ি উঠিব পাৰে। ইয়াৰ বাবে এক সু-পৰিকল্পিত বৈজ্ঞানিক আৰু বাস্তৱবাদী কাৰ্যপন্থাৰ অতীৱ প্ৰয়োজন। চৰকাৰ আৰু ব্যক্তিগত খণ্ডৰ সহযোগত ই সম্ভৱ। এটা কথা ঠিক যে, জনসংখ্যাৰ দ্ৰুত বৃদ্ধিৰ লগে লগে সাম্প্ৰতিক সময়ত নদীসমূহৰ ওপৰত বিভিন্ন ধৰণৰ চাপৰ সৃষ্টি হৈছে। এই চাপে নদীসমূহৰ সৌন্দৰ্যৰ লগতে ইয়াৰ গুণাগুণো বহু পৰিমাণে ম্লান কৰিছে। উদাহৰণস্বৰূপে, নদীৰ উচ্চাংশত হকে-বিহকে বান্ধ নিৰ্মাণ কৰাৰ ফলত নদীৰ মধ্য আৰু নিম্নাংশত তীব্ৰ পৰিস্থিতিতান্ত্ৰিক পৰিৱৰ্তন ঘটে। যাৰ ফলত চিৰপ্ৰৱাহিত নদী এখনত জৈৱ-বৈচিত্ৰ্যৰ লগতে ইয়াৰ নৈসৰ্গিক সৌন্দৰ্যৰ অভাৱ ঘটিব ধৰে। ইয়াৰ উপৰিও বৃহৎ ঔদ্যোগিক প্ৰতিষ্ঠানসমূহে ব্যাপক হাৰত ব্যৱহাৰ কৰি অহা পানীৰ কাৰণেও নদী এখনৰ পৰ্যটন বিকাশত বাধাৰ সৃষ্টি হ'ব পাৰে। তদুপৰি ঘৰুৱা তথা উদ্যোগ, কল-কাৰখানা আদিৰ পৰা ওলোৱা অলাগতিয়াল আৱৰ্জনা, জাৱৰ-জোঁথৰ, প্ৰদূষিত পদাৰ্থসমূহ নদীত অৱক্ষেপণ কৰাৰ ফলটো সেই নদীসমূহৰ প্ৰাকৃতিক ভাৰসাম্য বিঘ্নিত হয়। সেয়েহে পৰিষ্কাৰ-পৰিচ্ছন্নতা নদী-পৰ্যটন বিকাশৰ কাৰণে এক গুৰুত্বপূৰ্ণ দিশ। ইয়াৰ উপৰিও নদীৰ পাৰসমূহত পৰ্যটকৰ বিচৰণৰ সুবিধাৰ্থে উপযুক্তভাৱে গঢ়ি তোলাটো এই ক্ষেত্ৰত দৰকাৰী কথা। পৃথিৱীৰ কিছুমান উন্নত দেশ যেনে-আমেৰিকা, জাপান আদি দেশৰ নদীসমূহৰ পাৰসমূহত বাই-চাইকেল ব্যৱহাৰৰ জৰিয়তে নদী পৰ্যটনৰ বিকাশ সাধন ঘটাইছে। আমাৰ নদীসমূহৰ পাৰটো তেনেধৰণৰ ব্যৱস্থা ল'ব পৰা যায়। নদীসমূহৰ পাৰত শাৰী-শাৰী গছ যেনে- নাৰিকল, তামোল আৰু বিভিন্ন ধৰণৰ ফুল গছৰ জৰিয়তেও নদীৰ পাৰসমূহৰ সৌন্দৰ্য বহু পৰিমাণে বৃদ্ধি কৰাৰ লগতে এই ব্যৱস্থাই কমকৈ হ'লেও নদীৰ পাৰৰ মাটি অৱক্ষয় ৰোধ কৰাত সহায় কৰাৰ লগতে বানপানী প্ৰতিৰোধতো সহায়ক হ'ব। উল্লেখযোগ্য যে বানপানীৰ সময়তো নদীৰ অৱবাহিকা অঞ্চলসমূহলৈ সৰু সৰু নাৱৰ ব্যৱস্থাৰে গ্ৰাম্য পৰ্যটনৰ বিকাশ সাধন কৰিব পাৰি। নদীৰ পাৰত অৱস্থিত কিছুমান বিশেষ বৃত্তিৰ লগত জড়িত গাঁও যেনে- কুমাৰ গাঁও, মাছমৰীয়া গাঁও, খৰিকটীয়া গাঁও, জনজাতীয় গাঁও আদিসমূহৰ উন্নতি পৰিকল্পিত ভাৱে উপস্থাপন কৰি সেই অঞ্চলসমূহৰ বৃত্তি-সংস্কৃতি আদিৰ জৰিয়তেও নদী পৰ্যটনৰ বিকাশ সাধন কৰিব পাৰি। বিশেষকৈ পৰম্পৰাগত জনজাতীয় খাদ্য,পোচাক, গীত-মাত, নৃত্য আদিয়ে আজি-কালি দেশী আৰু বিদেশী পৰ্যটকক বাৰুকৈয়ে আকৰ্ষণ কৰা দেখা যায়। আকৌ আমাৰ নদীসমূহৰ পাৰত থকা ঐতিহাসিক সমল আৰু সম্পদসমূহৰ পুনৰ উদ্ধাৰ, বিকাশ আৰু সংৰক্ষণৰ জৰিয়তে সেই ঠাইসমূহলৈ পৰ্যটকৰ আগমন ঘটোৱাৰ কাৰণে ব্যৱস্থা হাতত ল'ব লাগে। খৰালি কালত নদীসমূহৰ বালিচৰত বিভিন্ন মেলা, উৎসৱ, প্ৰতিযোগিতা, সাংস্কৃতিক কাৰ্যক্ৰমৰ আয়োজনেও নদী পৰ্যটনৰ বিকাশ ঘটাব পাৰি। এইবোৰৰ উপৰিও নদীসমূহত থকা জলচৰ প্ৰাণী যেনে- সাপ, বেং, ঘৰিয়াল, কুম্ভীৰ, ডলফিন, কাচ আৰু বিভিন্ন ধৰণৰ চৰাইৰ দৰ্শনৰ ব্যৱস্থাৰ জৰিয়তে আমাৰ ওচৰে-পাজৰে থকা নদীসমূহৰ পৰ্যটনৰ উন্নয়ন কৰিব পাৰি। লগতে নদী উপত্যকাত থকা হ্ৰদ, জলাশয়, ব-দ্বীপ আদিও নদী পৰ্যটনৰ বিশেষ আকৰ্ষণৰ স্থল হ'ব পাৰে। কিছুমান নদীৰ ওপৰত আকৌ মনোমোহা কৃত্ৰিম তথা প্ৰাকৃতিক ব্যৱস্থাৰে নিৰ্মাণ কৰা দলং তথা ব্যৱস্থাৰ জৰিয়তেও সেই ঠাইলৈ পৰ্যটকক আকৰ্ষিত কৰিব পাৰি। সৰ্বোপৰি চৰকাৰ, জনসাধাৰণ আৰু নদীকাষৰীয়া অঞ্চলৰ জনসাধাৰণৰ পূৰ্ণ সহায়-সহযোগিতাই আমাৰ নদী পৰ্যটনৰ পূৰ্ণ বিকাশৰ আশা কৰিব পাৰি।

◆◆◆◆◆◆◆◆





# জামুক গছ

**মূল হিন্দী - কৃশনচন্দ**
**অনুবাদ - ড° ৰত্ন গোপাল গগৈ**
মূৰব্বী অধ্যাপক, হিন্দী বিভাগ

ৰাতি তীব্ৰ বেগেৰে ধুমুহা আহিছিল। সচিবালয়খনত এডাল জামুক গছ উঘালি পৰিল। ৰাতিপুৱা যেতিয়া মালীটোৱে দেখিলে, তেতিয়া সি দেখিলে যে গছৰ তলত এজন মানুহ চেপা খাই আছে।

মালীয়ে দৌৰি দৌৰি চকীদাৰৰ ওচৰলৈ গ'ল, চকীদাৰজনে দৌৰি দৌৰি কেৰাণীৰ ওচৰলৈ গ'ল, কেৰাণীজনে দৌৰি দৌৰি চুপাৰিণ্টেণ্ডেণ্টৰ ওচৰলৈ গ'ল, চুপাৰিন্টেণ্ডেণ্টজন খৰধৰকৈ ল'নখনলৈ আহিল। খন্তেকতে উঘালি পৰা গছৰ তলত চেপা খাই থকা মানুহজনৰ চাৰিওফালে মানুহৰ জুম বান্ধিল। "দুৰ্ভগীয়া জামুক গছ। কিমান ফলদাৰ আছিল।" এজন কেৰাণীয়ে ক'লে। "আৰু এই জামুকজোপা কিমান ৰসীয়াল আছিল।" দ্বিতীয়জন কেৰাণীয়ে স্মৰণ কৰি ক'লে।

"মই ফল লগাৰ সময়ত মোনা ভৰাই লৈ গৈছিলো, মোৰ ল'ৰা-ছোৱালীয়ে জামুকবোৰ কিমান আনন্দ মনেৰে খাইছিল।" তৃতীয়জন কেৰাণীয়ে চকুৰ পানী টুকি ক'লে।

"কিন্তু এই মানুহজন?" মালীয়ে ভয়ে ভয়ে মানুহজনৰ ফালে ইঙ্গিত দিলে।

"হয়, এই মানুহজন।" চুপাৰিনৃটেণ্ডেণ্টজন চিন্তাত পৰিল।

"ক'ব নোৱাৰো জীয়াই আছে নে মৰিল?" এজন চকীদাৰে সুধিলে।

"মৰিল হ'ব পায়, ইমান গধুৰ গছ যাৰ পিঠিত পৰিল সি কেনেকৈ বাচি থাকিব?" দ্বিতীয়জন চকীদাৰে ক'লে।

"নাই, মই জীয়াই আছো।" গছৰ তলত চেপা খাই থকা মানুহজনে বৰ কষ্টেৰে হুকহুকাই কান্দি ক'লে।

"জীয়াই আছে!" এজন কেৰাণীয়ে আচৰিত হৈ ক'লে।

"গছজোপাক আঁতৰাই এইধৰণে খৰধৰকৈ মানুহজনক উলিয়াব লাগে।" মালীজনে পৰামৰ্শ দিলে।

"কঠিন যেন লাগিছে।" এজন সুস্থ, এলেহুৱা আৰু শকত চকীদাৰে ক'লে, "গছজোপাৰ গা-গছ শকত আৰু ওজনৰ।"

"কেনেকৈ কঠিন হ'ব?" মালীয়ে ক'লে, "যদি চুপাৰিণ্টেণ্ডেণ্ট মহোদয়ে আদেশ দিয়ে, এতিয়াই পোন্ধৰ-বিশজন মালী, চকীদাৰ আৰু কেৰাণী লগ লাগি গছৰ তলত চেপা খাই থকা মানুহজনক উলিয়াব পৰা যাব।"

"মালীজনে ঠিকেই কৈছে।" কেইবাজনো কেৰাণীয়ে একেলগে ক'লে, "একেলগে জোৰ দিবলৈ আমি সাজু আছোঁ।" একেলগে বহুতো মানুহে গছজোপা দাঙিবলৈ সাজু হ'ল।

"ৰ'বা!" চুপাৰিন্টেণ্ডেণ্টজনে ক'লে, "মই আণ্ডাৰ ছেক্ৰেটৰীক সুধি লওঁ।" তেখেত আণ্ডাৰ ছেক্ৰেটৰীৰ ওচৰলৈ গ'ল। আণ্ডাৰ ছেক্ৰেটৰী ডেপুটি ছেক্ৰেটৰীৰ ওচৰলৈ গ'ল। ডেপুটি ছেক্ৰেটৰী জইণ্ট ছেক্ৰেটৰীৰ ওচৰলৈ গ'ল। জইণ্ট ছেক্ৰেটৰী চীফ্ ছেক্ৰেটৰীৰ ওচৰলৈ গ'ল। চীফ্ ছেক্ৰেটৰী মন্ত্ৰীৰ ওচৰলৈ গ'ল। মন্ত্ৰীয়ে চীফ্ ছেক্ৰেটৰীক কিবা ক'লে। চীফ্ ছেক্ৰেটৰীয়ে জইণ্ট ছেক্ৰেটৰীক কিবা ক'লে। জইণ্ট ছেক্ৰেটৰীয়ে ডেপুটি ছেক্ৰেটৰীক ক'লে। ডেপুটী ছেক্ৰেটৰীয়ে আণ্ডাৰ ছেক্ৰেটৰীক ক'লে। ঘটনাটো এজনৰ পৰা আনজনলৈ বাগৰি গৈ থাকিল। এইদৰে আধা দিন পাৰ হ'ল।

দুপৰীয়া সময়ত মানুহজনৰ চাৰিওফালে আৰু অধিক লোক জমা হ'ল। সমবেত লোকসকলে বিভিন্ন ধৰণৰ কথা পাতিছিল। কিন্তু এজন উৎসাহী কেৰাণীয়ে সমস্যাটোক নিজেই সমাধান কৰিব বিচাৰিলে। তেওঁলোকে ওপৰৱালাৰ সিদ্ধান্তৰ বাবে অপেক্ষা কৰাৰ পৰিৱৰ্তে নিজেই গছজোপা আঁতৰাই দিবলৈ সিদ্ধান্ত লৈছিল কিন্তু সেই সময়তে চুপাৰিণ্টেণ্ডেণ্টে ফাইল লৈ দৌৰি দৌৰি আহিল। ক'লে, "আমি এই গছজোপা আঁতৰাব নোৱাৰো। আমি বাণিজ্য বিভাগৰ আৰু এই গছজোপাৰ সমস্যা আছে, কাৰণ ই কৃষি বিভাগৰ অধীনত পৰে। মই এই ফাইলটোত জৰুৰী চিন দি কৃষি বিভাগলৈ পঠিয়াই দিছোঁ। তাৰ পৰা উত্তৰ

আহিলেই গছজোপাক আঁতৰাই দিয়া হ'ব।"

দ্বিতীয় দিনা কৃষি বিভাগৰ পৰা উত্তৰ আহিল যে গছজোপা বাণিজ্য বিভাগৰ ল'নত পৰিল, সেইকাৰণে এই গছজোপাক আঁতৰোৱা বা তাতেই থাকিবলৈ দিয়াৰ দায়িত্ব বাণিজ্য বিভাগৰহে।

এই উত্তৰ শুনি বাণিজ্য বিভাগ অসন্তুষ্ট হ'ল। তেওঁলোকে লগে লগেই লিখিলে যে গছজোপাক আঁতৰোৱা বা তাতেই ৰখাটো কৃষি বিভাগৰ দায়িত্ব, বাণিজ্য বিভাগৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই।

দ্বিতীয় দিনা ফাইল ইটো বিভাগৰ পৰা সিটো বিভাগলৈ পঠিয়াই দিয়া হ'ল। গধূলি উত্তৰ আহিল যে আমি এই বিষয়ে এগ্ৰিকালচাৰ ডিপাৰ্টমেণ্টক অৰ্পণ কৰিছো, কিয়নো এইজোপা এজোপা ফল দিয়া গছ আৰু এগ্ৰিকালচাৰ বিভাগটো হৈছে শস্য আৰু খেতি-বাতিৰ কামতহে সিদ্ধান্ত লোৱা উচিত। জামুক গছজোপা যিহেতু এজোপা গুটি লগা গছ, সেইকাৰণে এই গছ হৰটিকালচাৰ বিভাগৰ অন্তৰ্গত।

ৰাতি মালীয়ে গছৰ তলত চেপা খাই থকা ব্যক্তিজনক দাইল-ভাত খুৱালে। সেই সময়ত তেওঁৰ চাৰিওফালে পুলিচে ভৰি আছিল যে কেতিয়াও কোনো লোকে যাতে আইন নিজৰ হাতত লৈ গছজোপাক আঁতৰাবলৈ চেষ্টা নকৰে। কিন্তু এজন চিপাহীৰ সেই ব্যক্তিজনৰ প্ৰতি দয়া উপজিল আৰু তেওঁ মালীক গছৰ তলত চেপা খাই থকা মানুহজনক আহাৰ খাবলৈ দিয়াৰ বাবে সন্মতি প্ৰকাশ কৰিলে।

মালীজনে গছৰ তলত চেপা খাই থকা মানুহজনক ক'লে, "তোমাক উলিয়াবৰ বাবে আগবাঢ়িছে, আশা কৰিছোঁ কালিৰ ভিতৰত চূড়ান্ত সিদ্ধান্ত হ'ব।"

গছৰ তলত চেপা খাই থকা মানুহজনে একো নক'লে। মালীজনে গছজোপাৰ ব্যাসাৰ্দ্ধক ভালদৰে লক্ষ্য কৰি ক'লে, "ভাল হ'ল যে গছজোপা তোমাৰ কলাফুলত পৰিল, যদি কঁকালত পৰিলহেঁতেন তেতিয়াহ'লে ৰাজহাড়ডাল ভাগিলহেঁতেন।"

গছৰ তলত পৰি থকা লোকজনে একো নক'লে।

মালীজনে পুনৰ ক'লে, "তোমাৰ ইয়াত কোনো সম্বন্ধীয় আছে নেকি তেতিয়াহ'লে তেওঁলোকৰ ঠিকনা কোৱা, মই তেওঁলোকক খবৰ দিবলৈ চেষ্টা কৰিম।"

"মোৰ কোনো নাই।" ব্যক্তিজনে বৰ কষ্টেৰে ক'লে। মালীজনে দুখ প্ৰকাশ কৰি সেই ঠাইৰ পৰা আঁতৰি গ'ল।

তৃতীয় দিনা হৰটিকালচাৰ ডিপাৰ্টমেণ্টৰ পৰা উত্তৰ আহিল। অতি কঠিন আৰু ব্যংগাত্মক উত্তৰ।

হৰটিকালচাৰ ডিপাৰ্টমেণ্টৰ সচিব সাহিত্যপ্ৰেমী বুলি সকলোৱে জানে। তেখেতে লিখিলে, "আচৰিত কথা যে, এই সময়ত আমি গছ ৰোৱা আঁচনি উচ্চ স্তৰত বিচাৰ কৰি আছোঁ, আমাৰ দেশত এনেকুৱা চৰকাৰী বিষয়া আছে তাতে সেইজোপা হৈছে এজোপা গুটি লগা গছ আৰু সেইজোপা হৈছে জামুক গছ, সেই ফল মানুহে বৰ আনন্দৰে খায়। আমাৰ বিভাগে কোনো পধ্যে এই গুটি লগা গছজোপা কাটিবলৈ অনুমতি নিদিয়ে।"

"এতিয়া কি কৰা যায়?" এই বিষয়ে এজন ব্যক্তিয়ে ক'লে, "যদি গছজোপা কাটিব পৰা নাযায় তেতিয়া হ'লে এই মানুহজনক কাটি উলিয়াব লাগিব।"

"এইফালে চোৱা" সেই মানুহজনে আকাৰ ইঙ্গিতে ক'লে, "এই মানুহজনক যদি মাজতে মূৰৰ পৰা কমৰলৈ কাটি দিয়া হয়, তেতিয়া হ'লে আধা অংশ উলিয়াব পৰা যাব, আধা অংশ সেইফালেদি বাহিৰলৈ উলিয়াব পৰা যাব আৰু গছজোপা য'তে আছে ত'তে থাকিব।"

"কিন্তু এইধৰণে কৰিলে তো মই মৰি যাম।" গছৰ তলত চেপা খাই থকা লোকজনে বিৰোধ কৰি ক'লে।

"এইটোও সঁচা কথা কৈছে।" এজন কেৰাণীয়ে ক'লে।

মানুহজনক কাটি উলিয়াবলৈ কোৱা জনে যুক্তি দি বিৰোধিতা কৰি ক'লে, "আপুনি নাজানে আজিকালি প্লাষ্টিক চাৰ্জাৰীৰ কিমান বিকাশ ঘটিছে। মই জানো যে যদি এই মানুহজনক মাজতে কাটি উলিয়াব পৰা যায় তেতিয়াহ'লে প্লাষ্টিক চাৰ্জাৰী কৰি কমৰৰ ঠাইডোখৰ পুনৰ লগলগাব পৰা যাব।"

এইবাৰ ফাইলটো মেডিকেল ডিপাৰ্টমেণ্টলৈ পঠিয়াই দিয়া হ'ল। মেডিকেল ডিপাৰ্টমেণ্টে সোনকালে কামটো কৰিলে আৰু যিদিনাই ফাইলটো সেই বিভাগে পালে, তাৰ দ্বিতীয় দিনাই তেখেতে নিজৰ বিভাগটোৰ সকলোতকৈ শ্ৰেষ্ঠ প্লাষ্টিক চাৰ্জনক নিৰীক্ষণৰ বাবে পঠিয়ালে। চাৰ্জনজনে গছৰ তলত চেপা খাই থকা ব্যক্তিজনক ভালধৰণে পৰ্যবেক্ষণ কৰি, তেখেতৰ স্বাস্থ্য বিষয়ে চাই, তেজৰ ধমনী, ৰক্তচাপ জুখি চালে, হৃদযন্ত্ৰ আৰু শ্বাস-প্ৰশ্বাসবো পৰীক্ষা কৰি ৰিপৰ্ট পঠিয়াই দি ক'লে যে এই লোকজনৰ প্লাষ্টিক চাৰ্জাৰী অপাৰেচন কৰিব পৰা যাব আৰু অপাৰেচন সফল হ'ব, কিন্তু মানুহটো মৰিব। এইকাৰণে তেওঁলোকে সিদ্ধান্তটো বাতিল কৰিলে। ৰাতি মালীয়ে গছৰ তলত চেপা খাই থকা মানুহজনৰ মুখত খিচিৰি দি তেওঁক ক'লে যে এতিয়া সমস্যাটো ওপৰৱালাই বিচাৰ কৰি আছে। জানিব পাৰিছো যে কালিলৈ সচিবালয়ত সকলো সচিবৰ সভা হ'ব। তাত তোমাৰ কথাটো আলোচনা কৰা হ'ব। বিশ্বাস কৰো যে সকলো কথা ঠিক হ'ব।



গছৰ তলত সোমাই থকা মানুহজনে উশাহ লৈ লাহেকৈ ক'লে, "এইটো মানিলে যে দেৰি হ'ব কিন্তু শেষ হৈ যাব মোৰ আশা তোমাৰ খবৰ অহালৈকে।"

মালীজনে বিস্ময়ত মুখত আঙুলি ভৰালে আৰু আশ্বৰ্য হৈ ক'লে, "কি তুমি এজন কবি!" গছৰ তলত চেপা খাই থকা মানুহজনে লাহেকৈ মূৰটো দোৱালে।

দ্বিতীয় দিনাখন মালীজনে চকীদাৰক ক'লে, চকীদাৰে কেৰাণীক ক'লে, কেৰাণীয়ে হেডক্লাৰ্কক ক'লে। অলপ সময়ত পাছত এই উৰাবাতৰি ওলাল যে কি গছৰ তলত চেপা খাই থকা মানুহজন এজন কবি। বচ্ পুনৰ কি ঘটিল। মানুহ জাকে জাকে আহি কবিজনক সুধিলে। এই বিষয়ে নগৰটো বিয়পি পৰিল আৰু সন্ধ্যালৈকে গলীয়ে গলীয়ে কবিসকল সমবেত হ'বলৈ ধৰিলে।

যেতিয়া এই বিষয়ে জানিব পাৰিলে যে গছৰ তলত সোমাই থকা মানুহজন এজন কবি তেতিয়া সচিবালয়ৰ উপসমিতিয়ে সিদ্ধান্ত ল'লে যে যিহেতু গছৰ তলত সোমাই থকা মানুহজন এজন কবি। সেইকাৰণে এই ফাইলৰ বিষযটো কৃষি বিভাগৰ লগতেই নহয়, হৰটিকালচাৰ বিভাগৰ লগতো নহয়, কিন্তু কেৱল সাংস্কৃতিক বিভাগৰ অন্তৰ্গতহে। সাংস্কৃতিক বিভাগক অনুৰোধ কৰা হ'ল যে যিমান সোনকালে পৰা যায় সিদ্ধান্ত গ্ৰহণ কৰি দুৰ্ভগীয়া কবিজনক সেই গুটি লগা গছৰ তলৰ পৰা উলিয়াই অনা হওক।

ফাইলটো সাংস্কৃতিক বিভাগৰ পৰা বিভিন্ন বিভাগ হৈ সাহিত্য একাডেমীৰ সচিবৰ ওচৰ পালেগৈ। নিৰুপায় সচিবে সেই সময়ত নিজৰ গাড়ীত উঠি সচিবালয় পালেগৈ আৰু গছৰ তলত সোমাই থকা মানুহজনৰ সাক্ষাৎকাৰ ল'লৈগৈ।

"তুমি এজন কবি?" তেখেতে সুধিলে।

"হয়, মই এজন কবি।" গছৰ তলত চেপা খাই থকা মানুহজনে ক'লে।

"উচ্।"

"উচ্?" ছেক্ৰেটেৰীজনে ডাঙৰকৈ চিএঞৰিলে, কি তুমি তেন্তে 'উচ্' হোৱা, যাৰ কবিতা সংকলন "উচ্ কে ফুল" (তেখেতৰ ফুল) অলপ দিনৰ আগতে প্ৰকাশ হৈছিল?

গছৰ তলত চেপা খাই থকা মানুহজনে ধমকি দি মূৰ দোঁৱালে।

"কি তুমি আমাৰ একাডেমীৰ সদস্য?" সচিবে সুধিলে।

"নহয়।"

"আচৰিত, সচিবজনে জোৰকৈ চিএঞৰিলে, ইমান ডাঙৰ কবি - 'উচ কে ফুল'ৰ কবি আৰু আমাৰ একাডেমীৰ সদস্য নহয়। উহ! কেনেকৈ ভুল হৈ গ'ল আমাৰ, কিমান ডাঙৰ কবি আৰু কেনেকৈ অন্ধকাৰ অজ্ঞাত স্থানত পৰি আছে।"

"অজ্ঞাত নহয় - এজোপা গছৰ চেপাত পৰি আছোঁ, অনুগ্ৰহ কৰি গছজোপাৰ তলৰ পৰা উলিয়াওক।"

"এতিয়া বন্দৱস্ত কৰিছো।" সচিবজনে পুনৰ ক'লে আৰু লগে লগে নিজৰ বিভাগৰ পৰা ৰিপৰ্ট বিচাৰিলে।

দ্বিতীয় দিনাখন সচিবজনে দৌৰি দৌৰি কবিজনৰ ওচৰলৈ আহিল আৰু ক'লে, "অভিনন্দন, মিঠাই খুৱাওক। আমাৰ চৰকাৰী সাহিত্য একাডেমীয়ে আপোনাক কেন্দ্ৰীয় শাখাৰ এজন সদস্য হিচাপে মনোনীত কৰিছে, এইখন লোৱা নিৰ্বাচনী পত্ৰ।"

"আগতে মোক এই গছৰ তলৰ পৰা উলিয়াওক।" চেপা খাই থকা মানুহজনে বৰ কষ্টেৰে ক'লে। তেখেতে উশাহ বৰ কষ্টেৰে লৈ আছিল আৰু তেওঁৰ চকুৰ পৰা বুজা গৈছিল যে বৰ কষ্ট আৰু দুখ পাইছে।

"এইটো মই কৰিব নোৱাৰো।" সচিবজনে ক'লে আৰু যিখিনি আমি কৰিব পাৰিছিলো, সেইখিনি মই কৰিলো, কিন্তু আমি ইমানেই কৰিব পাৰোঁ যে যদি তুমি মৰি যোৱা তেন্তে তেতিয়া তোমাৰ পত্নীক আৰ্থিক সাহায্য দিব পাৰো, যদি তুমি আবেদন কৰা, তেতিয়া আমি সেইখিনি কৰিব পাৰো।"

"মই এতিয়াও জীয়াই আছো।" কবিজনে লাহে লাহে ক'লে, "মোক জীয়াই থাকিবলৈ দিয়া।"

"দুৰ্ভাগ্যৰ বিষয় এইটো।" চৰকাৰী সাহিত্য একাডেমীৰ ছেক্ৰেটেৰীজনে হাত মোহাৰি মোহাৰি ক'লে, "আমাৰ বিভাগটো হৈছে কেৱল সংস্কৃতিৰ লগতহে জড়িত। গছ কটা সম্পৰ্কে কলম-চিয়াহীৰ দ্বাৰা নহয়, কৰট-কুঠাৰেৰে কাটিব পৰা যায় সেই কাৰণে আমি ফৰেষ্ট বিভাগলৈ লিখিছো আৰু জৰুৰী বুলি লিখি দিছো।"

গধূলি মালীজনে আহি গছৰ তলত চেপা খাই থকা মানুহজনক ক'লে, "কালিলৈ ফৰেষ্ট বিভাগৰ মানুহ আহি এই গছজোপা কাটিব আৰু তুমি বাচিবা।"

মালীজন বৰ আনন্দিত হৈছিল। চেপা খাই থকা মানুহজনৰ স্বাস্থ্যই উত্তৰ দিছিল, কিন্তু তেওঁ যিকোনো প্ৰকাৰে জীৱনৰ লগত সংগ্ৰাম কৰি আছিল। অহা কালিলৈকে, অহাকালি ৰাতিপুৱালৈকে তেওঁ যিকোনো উপায়েৰে জীয়াই থাকিব লাগিব।

পিছদিনাখন যেতিয়া ফৰেষ্ট বিভাগৰ মানুহে কৰট-কুঠাৰ লৈ পালেহি তেতিয়া তেওঁলোকক গছজোপা কাটিবলৈ বাধা দিয়া হ'ল। জানিব পৰা গ'ল যে বিদেশ বিভাগৰ নিৰ্দেশ আহিল

যে এই গছজোপা যাতে কটা নহয়। কাৰণ এইটো আছিল যে দহ বছৰৰ আগতে প্ৰিটোনিয়া দেশৰ প্ৰধানমন্ত্ৰীয়ে সচিবালয়ৰ লগত এই গছজোপা ৰুইছিল। এতিয়া যদি এই গছজোপা কটা হয়, তেতিয়া হ'লে প্ৰিটোনিয়া দেশৰ লগত আমাৰ দেশৰ সম্পৰ্ক দীৰ্ঘদিনৰ বাবে বেয়া হ'ব পাৰে।

"কিন্তু এজন মানুহ জীৱন-মৰণৰ সম্পৰ্ক - " এজন কেৰাণীয়ে চিঞৰিলে।

"অন্যহাতেদি দুখন দেশৰ সম্বন্ধ" অন্য এজন কেৰাণীয়ে প্ৰথমজনক বুজালে আৰু এইটোও বুজালে যে প্ৰিটোনিয়া দেশে আমাৰ দেশক কিমান সহায় কৰিছে। "কি আমি সেই দেশৰ মিত্ৰতাৰ বাবে এজন মানুহৰ জীৱন বলিদান দিব নোৱাৰিম নে?"

"কবিজন মৰি যাব লাগিছিল।"

"নিঃসন্দেহে।"

আণ্ডাৰ ছেক্ৰেটৰীয়ে চুপাৰিণ্টেণ্ডেণ্টক ক'লে, "আজি ৰাতিপুৱা প্ৰধানমন্ত্ৰী বিদেশ ভ্ৰমণৰ পৰা ঘূৰি আহিছে। আজি চাৰি বজাত বিদেশ বিভাগে এই গছজোপাৰ ফাইল তেওঁৰ টেবুলত দিব। তেখেতে যি সিদ্ধান্ত দিব, সেইটো সকলোৱে স্বীকাৰ্য হ'ব।"

গধূলি পাঁচ বজাত স্বয়ং চুপাৰিণ্টেণ্ডেণ্টজনে কবিজনৰ ফাইল লৈ তেখেতৰ ওচৰলৈ আহিল, "শুনিছেনে।" আহিয়েই তেখেতে আনন্দত আত্মহাৰা হৈ ফাইলটো জোকাৰি চিঞৰিলে, "প্ৰধানমন্ত্ৰীয়ে এই গছজোপা কাটিবলৈ অনুমতি দিলে আৰু এই ঘটনাৰ সকলো আন্তঃদেশীয় দায়িত্ব নিজেই কান্ধ পাতি ল'লে। কালিলৈ এই গছজোপা কাটি দিয়া হ'ব আৰু তুমি এই সংকটৰ পৰা উদ্ধাৰ হ'ব পাৰিবা। শুনিছানে? আজি তোমাৰ ফাইলটো সম্পূৰ্ণ হ'ল।"

কিন্তু কবিজনৰ হাত চেঁচা পৰিল, চকুৰ পটা নিৰ্জীৱ আৰু পৰুৱাৰ এটি দীঘল শাৰী তেখেতৰ মুখলৈ গৈ আছিল।

তেখেতৰ জীৱনৰ ফাইলেই পূৰ্ণ হৈ গ'ল।

## কৃশনচন্দৰ পৰিচয়

| | | |
|---|---|---|
| জন্ম | ঃ | চন ১৯১৪ পঞ্জাবৰ ওজৰাংকলাং জিলাত বজীৰাবাদ গাঁৱত। |
| মৃত্যু | ঃ | চন ১৯৭৭। |
| মুখ্য ৰচনা | ঃ | এক গিৰজা এক খন্দক, ইউকেলিপটাছ কী দালী (গল্প সংগ্ৰহ), শিকস্ত, জৰগাঁও কী ৰাণী, সড়ক ৱাপস জাতী হে, আসমান ৰোশন হে, এক গধে কি আত্মকথা, অন্নদাতা, হম বহশী হে, জব খেত জাগে, বাৱেন পট্টে, এক ভায়লিন সমন্দৰ কে কিনাৰে, কাগজ কী নাৱ, মেৰী যাদো কে কিনাৰে (উপন্যাস)। |
| সন্মান | ঃ | সাহিত্য একাডেমী পুৰস্কাৰেৰে সন্মানিত। |

হাস্য-ব্যঙ্গ গল্পকাৰ কৃশনচন্দ প্ৰগতিশীল লেখক সংঘৰ সৈতে জড়িত আছিল। কৃশন চন্দই পঞ্জাব বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত এম.এ ডিগ্ৰী লাভ কৰে। তেখেত চিনেমা জগতৰ লগত জড়িত হৈ আছিল আৰু অন্তিম সময়লৈকে মুম্বাইত বাস কৰিছিল।

◆◆◆◆◆◆◆◆





# অসমীয়াৰ সংকট, অসম চুক্তি আৰু থলগিৰিৰ ভৱিষ্যত

নবোত্তম শৰ্মা
প্ৰাক্তন ছাত্ৰ

**প্ৰস্তাৱনা ঃ** শিৰোনামতে অসমীয়াৰ সংকট বুলি উল্লেখ কৰাৰ বাবে কেতবোৰ প্ৰশ্নৰ উদ্ৰেক ঘটিব পাৰে। যদিহে তেনে প্ৰশ্নৰ অৱতাৰণা হয় তেন্তে প্ৰথম প্ৰশ্নটোৱেই হ'ব — অসমীয়াৰ সংজ্ঞা সম্পৰ্কত। উল্লেখযোগ্য যে বিগত সময়ছোৱাত অসমীয়াৰ সংজ্ঞা বিচাৰি ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশ বেছ উত্তপ্ত হৈ পৰিছিল যদিও ই সাধাৰণ মানুহ বৈশেষকৈ ছাত্ৰ সমাজক তিলমানো বিচলিত কৰিব পৰা নাছিল। এচামৰ মত আছিল এইয়া অৰ্থহীন বিতৰ্ক নাইবা ৰাজনৈতিক ইচ্ছা! আন এচামৰ মত আছিল- অসমীয়াৰ সংজ্ঞাৰ প্ৰয়োজনেই বা কি! তেওঁলোকৰ মাজত ইয়াৰ উত্তৰ বিচাৰি পোৱা সম্ভৱ নহ'ল। মনৰ খু-দুৰনি মাৰ নৌযাওঁতেই এইবিধ বিতৰ্কই সংবাদ মাধ্যমত তোলা বুৰবুৰণি নোহোৱা হ'ল। এইয়ে প্ৰায় এমাহ জুৰি চলা অসমীয়াৰ সংজ্ঞাকেন্দ্ৰিক বিতৰ্ক সি অসমবাসীক দুটা অতি গুৰুত্বপূৰ্ণ বাৰ্তা প্ৰদান কৰিলে। (১) অসমীয়াৰ সংজ্ঞা বিচাৰিবলৈ গৈ ইতিহাসৰ পাত খুঁচৰা এক অৰ্থহীন ব্যাপাৰ। তাৰ পৰিৱৰ্তে যি আমাৰ হাততে ঢুকি পোৱাৰ অৱস্থাত আছে অৰ্থাৎ ১৯৫১ চনৰ নাগৰিকপঞ্জী আৰু ১৯৫২ চনৰ ভোটাৰ তালিকা তাকে লৈ চোন আমি আজিৰ "অসমীয়া" বিচাৰি উলিয়াব পাৰো। (২) চৰকাৰ বা দায়িত্বৱাহী কৰ্তৃপক্ষ আৰু দাবীদাৰৰ আন্তৰিকতাই যিকোনো সমস্যাৰ সমাধান সহজ কৰি তোলে। কেনেকৈ? অসম বিধান সভাৰ মজিয়াত মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰীজনে যেতিয়া ১৯৮৫ চনতে প্ৰস্তুত কৰিবলৈ দিয়া "অসমীয়াৰ সংজ্ঞা" সম্পৰ্কীয় প্ৰতিবেদন প্ৰস্তুত নোহোৱাৰ কথা ক'লে তেতিয়া স্বাভাৱিকতে জাঙুৰ খাই উঠিল বিৰোধী দল তথা কেতবোৰ অৰাজনৈতিক সংগঠন। কিন্তু বিধানসভাৰ মাননীয় অধ্যক্ষই সদনৰ অনুমতি সাপেক্ষে এই প্ৰতিবেদন প্ৰস্তুতৰ দায়িত্ব গা পাতি ল'লে। জাতীয় জীৱনৰ সৈতে জড়িত ৰাজনৈতিক, অৰাজনৈতিক, জাতীয়- জনগোষ্ঠীয় দল সংগঠন, সচেতন ব্যক্তি, বুদ্ধিজীৱী শ্ৰেণীৰ সৈতে বিধানসভাৰ অধিৱেশন চলি থকাৰ মাজতে তেখেতে আলোচনা কৰিলে। আলোচনাত বহা ৫১ টাকৈ সংগঠনৰ ৪৭ টাই ৫১ চনৰ নাগৰিকপঞ্জী আৰু ৫২ চনৰ ভোটাৰ তালিকাক আধাৰ ৰূপে ল'বলৈ সন্মত হ'ল। একেখন অধিৱেশনৰে শেষৰ দিনটোত তেওঁ বিগত ৩০ বছৰে প্ৰস্তুত কৰিব নোৱাৰা প্ৰতিবেদনখনৰ আধাৰ দাখিল কৰিবলৈ সক্ষম হ'ল। প্ৰতিবেদনখনক লৈ কেতবোৰ বিশেষ ৰাজনৈতিক দলে কৰা নিকৃষ্ট ৰাজনীতিয়ে ইয়াৰ পূৰ্ণতা প্ৰাপ্তিত ব্যাঘাত জন্মালে। আজিকোপতি সেই সংজ্ঞা নিৰূপণ নহ'ল। দৰাচলতে পোনতে উল্লেখ কৰা অসমীয়াৰ সংকট এয়াই। অসম নামৰ ৰাজ্যখনত (যদিওৱা অৰুণাচল বা নাগালেণ্ডৰ সীমা সংকোচন নীতি চলি থাকে নাইবা সীমাৰ সিপাৰৰ মানুহে ইয়াত গিজগিজাই থাকে) অসমীয়াৰ প্ৰতিনিধিস্বৰূপ ১২৬ জন বিধায়ক থকা স্বত্তেও এজন সন্মানীয় অসমীয়া অধ্যক্ষই কাৰো এটোপাল তেজ ব্যয় নোহোৱাকৈ, কাকো ৰাজপথ মুখী নকৰাকৈ এক সুস্থ আলোচনাৰ পৰিৱেশ গঢ়ি অসমীয়াৰ সংজ্ঞা নিৰূপন কৰাৰ পিছতো সেই সংজ্ঞা গ্ৰাহ্য নহ'ল। এইয়া যদি অসমীয়াৰে সংকট নহয় তেন্তে কাৰ সংকট?

**প্ৰসংগত অসম চুক্তি ঃ-** অসমীয়াৰ সংকট মোচনৰ ক্ষেত্ৰত অসম চুক্তিৰ ভূমিকা কেনে হোৱা উচিত? অসমীয়াৰ সংজ্ঞাৰ সৈতে অসম চুক্তিৰ কিহৰ সম্বন্ধ? এই দুই প্ৰশ্নৰ সম্পৰ্কে ১৯৮৫ ৰ ১৫ আগষ্টৰ পিছৰ পৰা আজিলৈকে অসমৰ উঠি অহা চামটোক কোনো দিনেই সজাগ কৰা হোৱা নাই। অথচ কাঠফুলাৰ দৰে বাঢ়ি ধৰিছে অসমৰ জাতীয় স্বাৰ্থত মাত মাতিব পৰা সংগঠন। ব্যক্তিকেন্দ্ৰিক সংগঠনৰ লেখ-জোখ নোহোৱা হৈছে। সকলোৱে মনত নেতা হোৱাৰ লালসা অথচ নেতৃত্ব দিবলৈ প্ৰতিনিধিত্ব কৰিবলৈ সেই এমুঠি মান মানুহ তাকো ডলাৰ বগৰীৰ দৰে। আজিৰ উচ্চ মাধ্যমিক, উচ্চতৰ মাধ্যমিক নাইবা

স্নাতক মহলাৰ বহু ছাত্ৰ-ছাত্ৰীও অসম চুক্তিৰ সম্পৰ্কে অজ্ঞ। ১৯৮৫ চনৰ ১৫ আগষ্টত ভাৰত গণৰাজ্যৰ তদানীন্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ উপস্থিতিত সদৌ অসম ছাত্ৰ সন্থাৰ হৈ প্ৰফুল্ল কুমাৰ মহন্ত আৰু ভৃগুকুমাৰ ফুকনে তথা সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ আহ্বায়ক বিৰাজ কুমাৰ শৰ্মাই কেন্দ্ৰীয় চৰকাৰৰ গৃহ সচিব আৰ. ডি. প্ৰধান আৰু অসম চৰকাৰৰ মূখ্য সচিব পি. পি. ত্ৰিবেদীৰ সৈতে ঐতিহাসিক অসম চুক্তিত স্বাক্ষৰ কৰে। সেই চুক্তি স্বাক্ষৰ অন্ততে ১৯৭৯ ৰ পৰা নিৰন্তৰে চলি থকা অসম আন্দোলনৰ ওৰ পৰে আৰু ১৯৭৯ চনত যিখন ভোটাৰ তালিকাৰ ভিত্তিত হোৱা নিৰ্বাচন বৰ্জন কৰিবলৈ ছাত্ৰ সন্থাৰ নেতৃবৃন্দই অসমৰ ৰাইজক আহ্বান জনাইছিল, যাৰ পৰিণতিত ছটা বছৰৰ ভিতৰত খৰ্গেশ্বৰ তালুকদাৰ, মোজ্জাম্মিল হকৰ দৰে ৮৫৫ জন অসমীয়া শ্বহীদ হৈছিল, কেইবাটাও বছৰ লোকসভাত অসমৰ প্ৰতিনিধিত্ব নোহোৱা হৈছিল, সেইখন ভোটাৰ তালিকাৰ ভিত্তিতে নিৰ্বাচন অনুষ্ঠিত হ'ল। নামমাত্ৰ সংখ্যাগৰিষ্ঠতাৰে আন্দোলনৰ গুৰিধৰা নেতাবোৰেই দিছপুৰৰ আসনত বহিল। চুক্তি স্বাক্ষৰকাৰী কেইজনৰ মাজৰে এজন মুখ্যমন্ত্ৰী, এজন গৃহমন্ত্ৰী আৰু তৃতীয়জন হ'ল অসম চুক্তি ৰূপায়ণ মন্ত্ৰী ইয়াৰ পাছৰ ইতিহাস চমু। ভোটাৰ তালিকাৰ পৰীক্ষণ নহ'ল। সীমান্তৰ কাঁটা তাঁৰৰ বেৰ আজিকোপতি নিৰ্মাণ নহ'ল। তিনি দশকত এমুঠিমান বিদেশী বিতাড়ন কৰা হ'ল। অসমীয়াৰ সংজ্ঞা নিৰূপন নহ'ল। এখন ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, দুটা শোধনাগাৰ, এখন কলাক্ষেত্ৰ, এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় অৱশ্যে হ'ল যদিও এইবোৰত থলগিৰিৰ সন্তানৰ বাবে সুকিয়াকৈ কোনো আসন সংৰক্ষণ কৰা নহ'ল। ব্ৰহ্মপুত্ৰৰ ওপৰত বগীবিল দলঙৰ নিৰ্মাণকাৰ্য এতিয়ালৈকে সম্পূৰ্ণ নহ'ল। গেছ ক্ৰেকাৰ বৰ্তমানেও কাৰ্যক্ষম হৈ নুঠিল। নামৰূপৰ সাৰ কাৰখান আজি মৃতপ্ৰায়। আশোক কাগজকল নাইবা বৰুৱাবামুণ গাওঁৰ চেনিকল মৃত। আনহে নালাগে থলুৱা কুটীৰ শিল্প, বয়ন শিল্পৰ বজাৰখনো সংকুচিত হৈ পৰিল। একমাত্ৰ চুক্তিখনক অৱহেলা কৰাৰ বাবেই অসমীয়াৰ সংজ্ঞা নিৰূপন নহ'ল। ফলশ্ৰুতিত চুক্তিৰ ৬ নং দফাত থকা খিলঞ্জীয়াৰ সাংস্কৃতিক, সমাজিক আৰু ভাষিক পৰিচয় আৰু ঐতিহ্য ৰক্ষা, সংৰক্ষণ আৰু বিকাশৰ বাবে যথোচিত সাংবিধানিক, আইনগত আৰু প্ৰশাসনিক ৰক্ষাকৱচ প্ৰদানৰ প্ৰতিশ্ৰুতি কেৱল মাথোঁ প্ৰতিশ্ৰুতি হৈয়েই ৰ'ল। উল্লেখযোগ্য যে আন্দোলনকাৰীৰে এটা গোটৰে অসম গণ পৰিষদ নামৰ দলটো গঠন হৈছিল যাৰ অধিকাংশ সদস্যই সেই সময়ত বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আছিল। দলটোৰ প্ৰতি অসমৰ থলগিৰি ব্যক্তি সকলৰ আছিল আকুণ্ঠ সমৰ্থন। অথচ তেওঁলোকৰ প্ৰায় দহ বছৰীয়া কাৰ্য্যকালত "অসম চুক্তি ৰূপায়ন" বিভাগটো গুৰুত্বহীন হৈ থাকিল। এটা আঞ্চলিক দল হোৱাৰ হেতুকে তেওঁলোকে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত কোনোধৰণৰ হেঁচাৰ সৃষ্টি কৰিব নোৱাৰিলে। কেন্দ্ৰত আইনমন্ত্ৰী বা খনি আৰু তীখা মন্ত্ৰীৰ পদবী পোৱা দলটোৰ নেতাইও ৰাজ্যখনৰ স্বাৰ্থত দীৰ্ঘকালীন সুযোগ-সুবিধা সম্বলিত পদক্ষেপ লোৱাত ব্যৰ্থ হ'ল। ক্ৰমাত দলটোৰ প্ৰতি ৰাইজৰ আস্থা, বিশ্বাস তথা আৱেগৰ চোক নোহোৱা হ'ল। বৰ্তমান চুক্তি স্বাক্ষৰৰ তিনি দশকৰ পাছত পৰিস্থিতিয়ে এনে ৰূপ পালেগৈ যে লোকসভা বা ৰাজ্যসভাটো বাদেই ৰাজ্যিক বিধানসভাৰ গৰিষ্ঠসংখ্যক সদস্যই, অধ্যক্ষই অসমীয়াৰ সংজ্ঞাৰ ৰূপৰেখা প্ৰদান কৰাত তাক সমৰ্থন কৰক চাৰি তাৰ বিৰোধিতা কৰা হ'ল। এনে কৰাৰ বাবেই আজি তিনিওখন সদনত খিলঞ্জীয়াৰ প্ৰতিনিধিত্ব হ্ৰাস পালে। ৰাজ্যসভাৰ মাথোঁ ছখন আসনৰ দুখন আসন বহিঃ ৰাজ্যৰ ৰাজনীতিকৰ হাতত। প্ৰতিবাদে কাকো তলাব নোৱাৰে। সকলোৱে অসমীয়াৰ ভাগ্যবিধাতা দিল্লীৱালা 'হাইকামাণ্ড' নিৰ্ভৰ। আজি অসম গণ পৰিষদ গ'ণ বিচিন্ন। সৰ্ববৃহৎ জাতীয় অনুষ্ঠান অসম সাহিত্য সভা জনসম্পৰ্কহীন। আশাতীত ভাৱে জনপ্ৰিয়তা হেৰুৱাইছে সদৌ অসম ছাত্ৰ সন্থা, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ লেখীয়া সংগঠনে। এইবোৰ ঠাই পূৰাইছে NSUI, ABVP জাতীয় সৰ্বভাৰতীয় সংগঠনে। আঞ্চলিকতাবাদ নাইবা জাতীয়তাবাদ আজিৰ ছাত্ৰ সমাজৰ বাবে এক অৰ্থহীন আৱেগ। এই আৱেগত এই ৰাজ্যৰ সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰী বৰ্তমান বহিঃৰাজ্যমুখী। কৰ্ম সংস্থাপনৰ সুযোগ বিচাৰি বহু কৰ্মঠ যুৱক-যুৱতী বহিঃৰাজ্য মুখী।

**প্ৰেক্ষাপটত থলগিৰিৰ ভৱিষ্যত ঃ** আজিৰ প্ৰেক্ষাপটত অসমৰ থলগিৰিৰ মূল সমস্যা বুলি ক'লে অনুপ্ৰৱেশৰ সমস্যাৰ বিষয় উত্থাপিত হয়। আন্তঃৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰৰ পৰা প্ৰৱজিত একাংশ লোকৰ সতি-সন্ততিয়ে লাভ কৰিছে ভাৰতীয় নাগৰিকত্ব, ভোটাধিকাৰ, ভূমিৰ অধিকাৰ। থলগিৰিৰ অস্তিত্বৰ প্ৰতি ই এক বিৰাট ভাবুকিৰ সৃষ্টি কৰিছে অথচ বৰ্তমানেও খিলঞ্জীয়া জনগণ নিৰ্বাক নিস্পন্দ। ইয়াৰ বাবে দায়ী ঘাইকৈ অসম চুক্তি ৰূপায়ণ দপ্তৰ। এনে এটা বিভাগ গঠনৰ পিছত শেহতীয়াকৈ মাননীয় অধ্যক্ষ মহোদয়ে কৰাৰ দৰে যদি অতি তৎপৰভাৱে অসমীয়াৰ সংজ্ঞা নিৰূপন কৰা হ'লহেঁতেন তেন্তে অসম চুক্তিৰ আধাৰত সাংবিধানিক ৰক্ষাকৱচ লাভ কৰাটো অতিকৈ সহজ হৈ পৰিলহেঁতেন। তিনিওখন সদনত যদিহে থলগিৰিৰ প্ৰতিনিধিত্ব সঠিক ৰূপত অক্ষুণ্ণ থাকে তেনে ৰাজ্যখনৰ উন্নয়নত এই ধৰণে প্ৰতিবন্ধকতাৰ সৃষ্টি নহ'লহেঁতেন। তাৰোপৰি বহিৰাগত বনিক গোষ্ঠীৰ হাতলৈ ৰাজ্যখনৰ বৃহৎ অঞ্চল, ব্যৱসায়িক ক্ষেত্ৰ বিশেষ তথা মূল নিয়োগৰ সুবিধাসমূহ গুচি নগ'লহেঁতেন। বৰ্তমান সময়ত অসমৰ অৰ্থনীতি পৰমুখাপেক্ষী। কেন্দ্ৰৰ সঁহাৰি অবিহনে এটাও বৃহৎ উদ্যোগ অসম চৰকাৰে অকলে পৰিচালনা কৰিব নোৱাৰে। কিন্তু তৈল সম্পদ, চাহ-কয়লা, বনজ সম্পদ, জলজ সম্পদ কোনটো ক্ষেত্ৰত অসম পিছপৰা আছিল? অথচ থলগিৰিৰ উৎসুকতা তথা সজাগতাৰ অভাৱত আমাৰ বহু সম্পদ বহিৰাগতৰ কুক্ষিগত হ'ল। বিগত দশককেইটাত অসমীয়াই বহিৰাগতৰ চান্দাৰে আন্দোলন কৰা, বিহু বা জাতীয় অনুষ্ঠান পতাতে নিজক ব্যস্ত ৰাখিলে। ইয়াৰ সুযোগ ল'লে বহিৰাগত সকলে। আজি থলগিৰিৰ অস্তিত্ব বিপদাপন্ন। সেইফালৰ পৰা চাবলৈ গ'লে এওঁলোকৰ ভৱিষ্যত উদ্বেগজনক। কিন্তু তথাপিও থাম কটা নাই পৃথক ৰাজ্যৰ দাবী জনোৱা আন্দোলন। নিজকে অসম-অসমীয়াৰ পৰা পৃথক কৰাৰ বাবে এতিয়া তৎপৰ প্ৰায় প্ৰতিটো জাতি- জনগোষ্ঠী। পোনতে নিজ ছাত্ৰ সংগঠন আৰু এতিয়া পৃথক সাহিত্য সভা গঠনেৰে এওঁলোকে পৃথকীকৰণৰ আনুষ্ঠানিকতা প্ৰায় সম্পূৰ্ণ কৰিছে। এনে পদক্ষেপে কেৱল যে অসম বা অসমীয়াৰে ক্ষতি কৰিব এনে নহয়, ই সংশ্লিষ্ট জনগোষ্ঠীটোৰো বিস্তৰ ক্ষতি কৰিব। বস্তুবাদী সমাজ ব্যৱস্থাত ক্ষুদ্ৰ ভাষিক নাইবা জাতীয় চেতনাৰ ভেটিত প্ৰতিষ্ঠিত এখন ৰাজ্য ব্যাপক নগৰায়ন, ঔদ্যোগীকৰণ তথা আধুনিক বিলাস বহুলতাৰ পৰা মুক্ত হ'বনে? যদি হয় তেনে ভালেই। কিন্তু হোৱাৰ সম্ভাৱনা ক্ষীণ। যদি সেয়ে ঘটে, তেন্তে এটা ক্ষুদ্ৰ জাতি-জনগোষ্ঠীৰ লোকে তেনে সম্প্ৰসাৰণবাদৰ বিৰুদ্ধে মোকাবিলা কৰিব কিদৰে? এই সাধাৰণ প্ৰশ্নটোতে লুকাই আছে অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ কিটিপ।

**সংযোজন ঃ** মৰে অসম জীয়ে কোন? জীয়ে অসম মৰে কোন?

এই শ্লগানেৰে ছবছৰীয়া অসম আন্দোলনত সেই সময়ৰ আৱেগ উদ্বেলিত অসমীয়াক ৰাজপথ কঁপাই তুলিবলৈ মাতি অনা হৈছিল। কেৱল ৰাজপথেই নে? সমগ্ৰ ৰাজ্য এক অৰ্থত কঁপি উঠিছিল। দিছপুৰ নহয় দিল্লী পৰ্য্যন্ত কঁপনি তুলিছিল অসমীয়াৰ চিঞৰে। কিন্তু উচ্চ বৰ্ণ হিন্দুৰ প্ৰভূত্ব বিস্তাৰৰ আকাংক্ষাই সংগঠিত মহাশক্তিৰ একতা নোহোৱা কৰি পেলালে। জাতি-জনগোষ্ঠীৰ সাতামপুৰুষীয়া ঐক্য-সম্প্ৰীতি সমূলি নোহোৱা হ'ল। আজি তিনিটা দশকৰ পাছত সকলোৰে মনত কেৱল মাথোঁ সন্দেহ। গোষ্ঠীগত দন্দ আৰু অবৈধ-বৈধ অনুপ্ৰৱেশকাৰীৰ হাতত কুক্ষিগত ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষমতা। মাজত দিশহাৰা অসমীয়া জাতিৰ বাবে এইয়া কিন্তু ঢলি পৰাৰ সময় নহয়। এই সময় হৈছে প্ৰত্যাবৰ্তনৰ। প্ৰত্যাবৰ্তন কিদৰে কৰিব? আমাৰ অস্ত্ৰ পুৰণি কিন্তু তাক ধৰাই ন-ৰূপে সজাব পৰা অৱকাশ নথকা নহয়। অসমৰ কুটীৰ শিল্প, বাঁহ শিল্প, বয়ন শিল্প, সত্ৰীয়া কলা-কৃষ্টি, অৰণ্যাঞ্চল ইত্যাদি ক্ষেত্ৰৰ পুনৰীজ্জীৱন অতিকৈ জৰুৰী। ইয়ে আমাক সংস্থাপন, কৰ্মপ্ৰেৰণা আৰু অৰ্থনৈতিক সকাহ তিনিওটা দিবলৈ সক্ষম হ'ব। ইয়াৰ পাছত আহিব থলুৱা উদ্যোগ আৰু স্থায়ী সংস্থাপনৰ প্ৰশ্নটো। তাৰ বাবে আজি সচেতন যুৱ সমাজে ইণ্টাৰনেটৰ সহায় লোৱাটো জৰুৰী। ইণ্টাৰনেটত অসমৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত থকা প্ৰতিটো উদ্যোগ, চৰকাৰী, বেচৰকাৰী প্ৰতিষ্ঠানত থকা নিয়োগৰ সম্ভাৱনা তথা নিয়োগ সৃষ্টিৰ ক্ষেত্ৰবোৰৰ সম্পৰ্কে এক প্ৰতিবেদন প্ৰস্তুত কৰা আৰু সেই প্ৰতিবেদনখনক এক নিৰ্দিষ্ট সময়ৰ অন্তৰালত নবীকৰণ কৰা। অসমত বনানীকৰণ এক উদ্যোগৰ লেখীয়া। ই পশুকুলৰ সৈতে মানুহৰ বৰ্দ্ধিত সংঘাত নিৰসনত বহু পৰিমাণে সহায়ক হৈ পৰিব। যুৱ সমাজে ৰাজপথৰ পৰিৱৰ্তে ঘৰে-পথাৰে সেউজীয়া সম্ভাৱনাৰ আন্দোলন কৰক। তেতিয়া আমি পুনৰ আঁওৰাব পাৰিম- "মৰে অসম জীয়ে কোন? জীয়ে অসম মৰে কোন?"

◆◆◆◆◆◆◆◆

# অসমীয়া ভাষা উৎপত্তি আৰু সজাগৰ চমু আভাস

সূৰুজ মৰাণ
ষষ্ঠ ষাণ্মাসিক

অসম আমাৰ ৰূপহী
গুণৰো নাই শেষ
ভাৰতৰে পূৰ্ব দিশৰ
সূৰ্য উঠা দেশ।

জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে মিলনৰ এখন বাসভূমি হ'ল ভাৰত। ভাৰতৰ উত্তৰ-পূব প্ৰান্তত অৱস্থিত অসমৰ প্ৰধান ভাষা হ'ল অসমীয়া। নদীৰ গতিৰ প্ৰবাহ যিদৰে অবিৰাম গতিৰে বৈ গৈ থাকে ঠিক সেইদৰে অসমীয়া ভাষাটোও সময়ৰ সোঁতত পৰিৱৰ্তন হৈ গৈ আছে। অসমীয়া অসমৰ প্ৰধান ভাষা। গতিকে অসমৰ অসমীয়া জাতিটোৱে নিজৰ ভাষাটো সজাগ কৰি তোলাৰ বৰ্তমান সময়ত প্ৰয়োজন আহি পৰিছে।

অসমীয়া অসমৰ প্ৰধান আৰু সংবিধান স্বীকৃত ভাষা। ভাষা শব্দটো সংস্কৃত "ভাষ" ধাতুৰ পৰা সিদ্ধ। তাৰ অৰ্থ হৈছে ব্যক্তবাণী। ব্যক্তবাণীৰ অৰ্থ হ'ল-স্পষ্ট আৰু পূৰ্ণ অতি ব্যঞ্জনা। কোনো এটা জাতিক সমাজত এটা জাতি হিচাপে স্বীকৃতি দিয়ে ভাষাটোৱেই।

অসমীয়া ভাষাৰ মূল হ'ল সংস্কৃত। অতীতত ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ পিছত অসম ব্ৰিটিছৰ হাতলৈ যোৱাত ১৮৩৬ চনৰ পৰা অসমত বাংলা ভাষা প্ৰৱৰ্তন হয়। এই বাংলা ভাষা প্ৰৱৰ্তনৰ সময়ত বিভিন্ন ধৰণৰ সমস্যাই গা কৰি উঠি অসমীয়া জাতিটোক বিপদত পেলাইছিল। ১৮৩৬ চনতে আমেৰিকাৰ মিছনেৰী সকল আহি ১৮৪৬ চনত অৰুণোদয় কাকত প্ৰকাশ কৰি অসমীয়া ভাষাটো পুনঃ প্ৰতিষ্ঠা কৰে। ১৮৮৯ চনত চন্দ্ৰ কুমাৰ আগৰৱালাৰ সম্পাদনাত যি জোনাকী কাকত ওলাইছিল, এই জোনাকী কাকতে অসমীয়া ভাষাটো সবল কৰি তুলিলে তথা জোনাকী, আৱাহন, ৰামধেনু আদি যুগ তথা কাকতসমূহে অসমীয়া জাতিটোক, অসমীয়া ভাষাটোক জীয়াই থকাৰ মৰ্যাদা প্ৰদান কৰিছিল।

"সুন্দৰৰ আৰাধনা জীৱনৰ মেল।" এই মহান উক্তি আগত লৈ লক্ষ্মীনাথ বেজবৰুৱাই সাহিত্য চৰ্চা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিলে। ঠিক একেদৰে জোনাকীৰ মহান মহৎ উদ্দেশ্য হ'ল " আমি যুঁজিবলৈ ওলাইছোঁ আন্ধাৰৰ বিপক্ষে।" আমাৰ উদ্দেশ্য হ'ল জোনাক তথা অসমীয়া ভাষা-সাহিত্যৰ সৰ্বাঙ্গীন উন্নতিয়ে জোনাকীৰ উদ্দেশ্য আছিল। চন্দ্ৰ কুমাৰ আগৰৱালাই যি আন্ধাৰৰ বিপক্ষে যুঁজিবলৈ ওলাইছিল সেয়া অতি মহান।

অসমীয়া আমাৰ প্ৰধান ভাষা। ই ভাৰতীয় সংবিধানৰ অষ্টম অনুচ্ছেদত স্বীকৃত এটা ৰাজ্যিক ভাষা। অসমীয়া ভাষাৰ মূল ভাৰতীয় আৰ্য ভাষা। ভাৰতীয় আৰ্যভাষাই পালি, প্ৰাকৃত, অপভ্ৰংশৰ মাজেদি আহি বৰ্তমানৰ অসমীয়া ভাষাৰ ৰূপ পাইছেহি। অসমীয়া ভাষাটোৰ উৎপত্তি হোৱৰ এখন তালিকা তলত দেখুওৱা হ'ল।

আৰ্যভাষা— ইৰানীয়, দৰ্দীয়, ভাৰতীয় আৰ্য— প্ৰাচীন ভাৰতীয় আৰ্য (বৈদিক,সংস্কৃত খ্ৰীঃপূঃ ১২০০ পৰা খ্ৰীঃপূঃ ৬ষ্ঠ লৈ), মধ্যভাৰতীয় আৰ্য (পালি, প্ৰাকৃত, অপভ্ৰংশ খ্ৰীঃপূঃ ৬ষ্ঠৰ পৰা খ্ৰীঃ ১০ ম শতিকালৈ), নব্য ভাৰতীয় আৰ্য ভাষা (ভাৰতৰ সংবিধান স্বীকৃত ভাষাবোৰ খ্ৰীঃ ১০ ম শতিকাৰ পৰা বৰ্তমানলৈকে)।

মধ্য ভাৰতীয় আৰ্য— আদি প্ৰাকৃত (খ্ৰীঃপূঃ ৬ষ্ঠ পৰা খ্ৰীঃ ১ ম শতিকালৈ), মধ্য প্ৰাকৃত (খ্ৰীঃ ১ ম পৰা খ্ৰীঃ ৬ষ্ঠ শতিকালৈ), অন্ত্য প্ৰাকৃত বা অপভ্ৰংশ (খ্ৰীঃ ৬ষ্ঠ পৰা খ্ৰীঃ ১০ ম শতিকালৈ)

মাগধী অপভ্ৰংশ— বঙলা, উড়ীয়া, মৈথিলী, মগহী, অসমীয়া।

পৃথিৱীত বহুতো ভাষা গোষ্ঠীৰ লোক পোৱা যায়। এই ভাষাগোষ্ঠীৰ সৰ্ববৃহৎ ভাষা পৰিয়াল ইণ্ডো-ইউৰোপীয় বা ভাৰত ইউৰোপীয় ভাষা পৰিয়ালৰ পৰাই আৰ্য ভাষা আহিছে। এই আৰ্য ভাষাৰে মধ্য ভাৰতীয় আৰ্য ভাষাৰ মাগধী অপভ্ৰংশই হ'ল অসমীয়া ভাষাত জননী।



বৰ্তমান সময়ত অসমীয়া ভাষাৰ সজাগৰ বাবে আমি অসমীয়া জাতিটোৱে অসমীয়া আমাৰ প্ৰধান ভাষা বুলি চিঞৰি থাকিলেই নহ'ব। বৰ্তমান সময়ত অসমীয়া ভাষাটো সজাগ কৰি তোলাৰ দিন আহি পালেহি। এটা জাতিক জাতি হিচাপে স্বীকৃতি দিয়ে ভাষাটোৱেই। ভাষা অবিহনে কোনো এটা জাতিৰ কলা, সংস্কৃতি, ধৰ্ম আদি জীয়াই থকাটো সম্ভৱপৰ নহয়। ভাষাই কোনো এটা জাতিক ধৰি ৰাখে। ভাষাই হ'ল এটা জাতিৰ মূল কেন্দ্ৰ বিন্দু স্বৰূপ।

ভাষাৰ ল'গে ল'গে আমি সাহিত্য, সংস্কৃতি জীয়াই ৰাখিব লাগিব। সাহিত্যৰ সৈতে মানৱ জীৱনৰ সম্পৰ্ক অতি ঘনিষ্ঠ। মানুহ সামাজিক জীৱ আৰু সামাজিক সম্বন্ধৰ মাজেদি নানা তৰহৰ ভাৱ, অনুভূতি সাহিত্যৰ মাধ্যমেদি প্ৰকাশ কৰে। সমাজ অবিহনে ব্যক্তিৰ ব্যক্তিত্ব প্ৰকাশ অসম্ভৱ। সমাজৰ লগত সাহিত্যৰ অতি নিৱিড় সম্পৰ্ক। ঠিক তেনেকৈ সংস্কৃতি মানৱ সমাজৰ এক অবিচ্ছেদ্য অংগ। সংস্কৃতি অবিহনে মানৱ সমাজৰ বিষয়ে অধ্যয়ন কৰিবলৈ যোৱাটো সম্ভৱ নহয়। সংস্কৃতি এক ব্যাপক ধাৰণা। সংস্কৃতিয়ে মানুহৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, চাল-চলন, শিক্ষা-দীক্ষা, ধৰ্ম, নৃত্য, গীত, সাজ-পোছাক, মাত-কথা, ঘৰ-দুৱাৰ, শিল্প, কলা-সাহিত্য আদি সকলো দিশকে সামৰি লয়। বৰ্তমান সময়ত আমি সাহিত্যৰ দিশতো গুৰুত্ব দিয়াটো অতি প্ৰয়োজনীয়।

সাহিত্য মূলত সমাজৰ দাপোণ স্বৰূপ। য'ত সমাজৰ একো একোখন প্ৰতিচ্ছবি প্ৰতিফলন হয়। সাহিত্যই কঢ়িয়াই আনে সমাজৰ মানুহৰ জীৱনলৈ জ্ঞানৰ সুন্দৰতা। সুন্দৰৰ আৰাধনাৰ দিশ। সেয়েহে আমি সাহিত্য, সংস্কৃতি জীয়াই ৰাখিবলৈ হ'লে আমি ভাষাটো সজাগ কৰি তুলিবই লাগিব।

এনেখন শুৱলা, এনেখন সুফলা
এনেখন মৰমৰ দেশ।
অ' মোৰ সুৰীয়া মাত
অসমৰ সুৱদি মাত.......।



আমাৰ সুৱদি মাতৰ সন্মান ৰক্ষাৰ্থে আমি আজি নিজৰ ভাষাটো সজাগ সবল কৰি ৰখাৰ সময়। অসমীয়া অসমৰ প্ৰধান ভাষা। নদীৰ গতিৰ প্ৰৱাহ যি দৰে অবিৰাম গতিৰে বৈ গৈ থাকে ঠিক সেই দৰে অসমীয়া ভাষাটোও সময়ৰ সোঁতত পৰিৱৰ্তন হৈ আছে। অসমীয়া অসমৰ মূল ভাষা। ভাষাই হ'ল এটা জাতিৰ মূল। এসময়ত মানুহে ইংগিত ব্যৱহাৰ কৰি মনৰ ভাৱ প্ৰকাশ কৰিছিল। শাৰীৰিক অংগী-ভংগীৰে এজনে আনজনক বুজাইছিল আৰু আনজনেও বুজি পাইছিল। ভাষা সৃষ্টি হোৱাৰ পিছত ভাষাৰ মাধ্যমেৰে মনৰ ভাৱ প্ৰকাশ কৰিব পৰা হ'ল। গতিকে ভাষা নাথাকিলে কোনো জাতিৰ জাতীয় সত্তা জীয়াই নাথাকে।

অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীয়ে তেওঁৰ কবিতাৰ যোগেৰে জনতাক কৈছিল—

"ধৰ ঝাড়ু ধৰ ভাই আৰু চাবৰ সময় নাই
চাই থাকোতে সোণৰ চোতাল মামৰে ধৰিব।"

চৌধুৰীয়ে সকলো জনতাক যিদৰে ঝাড়ু লৈ অসমৰ সোণৰ চোতালখন সাৰি চাফা কৰিবলৈ আহ্বান জনাইছিল ঠিক সেইদৰে আমাৰ অসমীয়া জাতিটোৱে নিজৰ ভাষাটো ৰক্ষা কৰাৰ গুৰুত্ব আহি পৰিছে। ভাষাই হৈছে এটা জাতিৰ মূল চাবি কাঠী। "নোৱাৰোঁ কথাটি হেৰা বেয়া কথা বৰ কদাপি নহয় সিটো কথা মানুহৰ" গতিকে আমি কিয় নোৱাৰিম। আমি পাৰিমেই নিজৰ ভাষাটো সজাগ কৰিবলৈ।

ভাষা এটাৰ গঠন পদ্ধতি যদি ভাষাটোৰ ওজন হাড়-ছাল হয়, তেনেহ'লে শব্দৰ গাথা তাৰ তেজ-মঙহ। কোনো এটা জাতিক সমাজত এটা জাতি হিচাপে স্বীকৃতি দিয়ে ভাষাটোৱেই। ভাষাই হ'ল এটা জাতিৰ মূল কেন্দ্ৰ বিন্দু স্বৰূপ। বৰ্তমান সময়ত অসমীয়া ভাষাটো সজাগ কৰি তোলাত সকলো অসমীয়া ব্যক্তিয়ে জাগি উঠিবৰ হ'ল। নহ'লে অসমীয়া ভাষাটো ৰসাতলে যাব চিৰদিনৰ বাবে।

♦♦♦♦♦♦♦♦

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

# সাম্প্ৰতিক সময়ত অসমীয়া ভাষাৰ গুৰুত্ব কিমান ?

ৰাষ্ট্ৰজিৎ মৰাণ
অসমীয়া বিভাগ

আমি অসমীয়া নহওঁ দুখীয়া
বুলি সান্ত্বনা লভিলে নহ'ব,
আজিৰ অসমীয়াই নিজক নিচিনিলে
অসম ৰসাতলে যাব..........।

অসমৰ মাটি,পানী,বায়ু লগতে অসমৰ ৰাইজৰ হকে গীত গোৱা স্বনামধন্য শিল্পী ড. ভূপেন হাজৰিকাৰ ৰচিত এই গীতটি নিশ্চয় অসমবাসীৰ সকলো মানুহেই শুনিছে। এই গীতটি অসমীয়া ভাষা-সাহিত্য জগতৰ বাবেও অতি মূল্যৱান। কিয়নো গীতটিত অন্তৰ্নিহিত হৈ আছে অসমবাসীয়ে আগুৱাই যোৱা ভৱিষ্যতৰ এক অন্ধকাৰৰ পথ। বৰ্তমান সময়ত অসমীয়া ভাষাৰ যি দুৰৱস্থা তাক ভালকৈ গমি চালেই আপোনাৰ আগত জল-জল, পট-পটকৈ ধৰা দিব। এনে সময়ত অসমীয়াই কেৱল নিজকে অসমীয়া বুলি চিনাকী দিয়েই সন্তুষ্টি লাভ কৰে আৰু অসমীয়া ভাষা-সাহিত্যক আগুৱাই নিবলৈ পাহৰি যায় তেন্তে অসম যে এদিন ৰসাতলে যাবই ই খাটাং। যদি অসমবাসীয়ে অসমীয়া অসমীয়া বুলি চিনাকী দি হাত সাৱটি বহি থাকে আৰু অসমীয়া ভাষা বিকাশৰ বাবে কোনোধৰণৰ কাৰ্যপন্থা বা পদক্ষেপ গ্ৰহণ নকৰে তেন্তে বাৰু অসমীয়া ভাষাটো চিৰদিনৰ বাবে হেৰাই নাযাবনে? যদি সেয়াই হয় তেন্তে অসমবাসীৰ বাবে দায়ী হ'ব কোন? গতিকে এই সময় সমাগত। অসমবাসীয়ে নিজকে চিনি পোৱাৰ উপযুক্ত সময়। অসমীয়া ভাষাক সবল স্থিতি গ্ৰহণ কৰোৱাৰ সময়।

অপ্ৰিয় হ'লেও সত্য যে আজিৰ অসমীয়াই নিজ ভাষাৰ বিপৰীতে বহিৰাগত বিদেশী ভাষাকহে অধিক গুৰুত্ব প্ৰদান কৰা দেখা যায়। বৰ্তমানৰ বিশ্বায়নৰ যুগত অৱশ্যে আন্তঃৰাষ্ট্ৰীয় ভাষাৰূপে স্বীকৃতিপ্ৰাপ্ত ইংৰাজী ভাষা জনাটো অতিকৈ প্ৰয়োজন। এই ইংৰাজী ভাষাৰ অবিহনে বহুতো দিশত পিছ পৰি ৰ'ব লগা হয়। সেয়েহে ইংৰাজী ভাষাৰ গুৰুত্ব অপৰিসীম। সেইবুলিয়ে জানো ইংৰাজী ভাষাক মূল বিষয়ত স্থান দি নিজৰ মাতৃভাষাক পিছলৈ দলিয়াই থৈ হেয় জ্ঞান কৰাটো আমাৰ বাবে কাম্য? দেখা যায় অসমৰ প্ৰতিটো চুকে-কোণে থকা শিক্ষিত ব্যক্তি সকলে (অৱশ্যে প্ৰত্যেকেই নহয়) অসমীয়া ভাষাটোক একাষৰীয়া কৰি ইংৰাজী ভাষাটোকেই অধিক প্ৰাধান্য দি আহিছে। নিজৰ লগতে সন্তানকো বহিৰাগত এই ভাষাটোৰ প্ৰতি আকৰ্ষণ কৰোৱাবলৈ যৎপৰোনাস্তি চেষ্টা অব্যাহত ৰাখিছে। তাৰ বাবে এই শিক্ষিত সমাজ শ্ৰেণীয়ে নিজৰ সন্তানক অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ পৰিৱৰ্তে ইংৰাজী মাধ্যমৰ বিদ্যালয়লৈ শিক্ষা আহৰণৰ বাবে পঠিয়াই দিছে। ফলত আজিৰ প্ৰজন্মই বিদ্যালয়ৰ প্ৰাৰম্ভতে অসমীয়া অ, আ, ক, খ ৰ পৰিৱৰ্তে ইংৰাজী A,B,C,D হে পঢ়িবলৈ পায়। যাৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া বিষয়টো শিকাৰ পৰা বঞ্চিত হৈ থাকে। সেই বাবে আজি অভিভাৱক সকলৰ ইচ্ছাৰে চলিবলৈ গৈ ছাত্ৰ-ছাত্ৰী সকলে উচ্চ মাধ্যমিক বা তাতোকৈ উচ্চ পৰ্যায়লৈকে অসমীয়া বিষয়টো শিকাৰ পৰা আঁতৰি থাকিবলগীয়া হৈছে। ক'বলৈ দুখ লাগে সেইসকল ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষা গ্ৰহণ কৰিও (সকলোৰে ক্ষেত্ৰত প্ৰযোজ্য নহয়) অসমীয়া বিষয়টো শুদ্ধকৈ ক'ব আৰু লিখিব নোৱাৰে। তেনেহ'লে দেশৰ উন্নতিৰ পথত অগ্ৰসৰ হোৱা এই নৱ-প্ৰজন্মৰ ওপৰত অসমীয়া ভাষা জীয়াই ৰখাৰ ভূমিকা পালন কৰিবলৈ সক্ষম হ'ব বুলি কেনেদৰে আশা কৰিব পাৰি? সেই সকল ছাত্ৰ-ছাত্ৰী এনে হোৱাৰ মূলতঃ দায়ী কোন? কিহৰ তাড়নাত পৰি আপোন মাতৃভাষা শিকাৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে? সেই ছাত্ৰ-ছাত্ৰীসকলক অসমীয়া বিষয়ৰ পৰা আঁতৰি থাকিবলৈ কোনে অৰিহণা যোগাইছে? ছাত্ৰ-ছাত্ৰী স্বয়ং, বিদ্যালয়, চৰকাৰ নে অভিভাৱক?

কোৱা বাহুল্য যে কোনো এটা বহিৰাগত ভাষা শুদ্ধকৈ শিকিবলৈ বা জানিবলৈ হ'লে প্ৰথমতে মাতৃভাষাৰ ওপৰত



নূন্যতম জ্ঞান থাকিবই লাগিব। যদি নিজৰ মাতৃভাষাৰ ওপৰত জ্ঞান নাথাকে তেন্তে তেওঁ এজন সফল ভাষাবিদ হ'ব পাৰিব বুলি মোৰ মনে নধৰে। যি সকলে নিজৰ মাতৃভাষাক সন্মান কৰিব জানে তেওঁহে ভাষা আয়ত্ত কৰাত সফল হ'ব পাৰে বুলি মোৰ বিশ্বাস। দেখা যায় আজি কালি অভিভাৱকসকলে নিজৰ সন্তানে ইংৰাজী ভাষা কিমান আয়ত্ত কৰিব পাৰিছে তাকহে অধিক গুৰুত্ব দিয়ে। মাতৃভাষা বিষয়ৰ ওপৰত কিমান সফল হ'ব পাৰিছে তাক লক্ষ্য কৰা দেখা নাযায়। তেওঁলোকৰ মতে অসমীয়া বিষয়টো এটা আমনিদায়ক বিষয়। নথকা হ'লেই তেওঁলোকে সুখী হ'ল হেঁতেন; এনে মত পোষণ কৰে। এনেদৰে যদি অদূৰ ভৱিষ্যতে মাতৃভাষাক একাষৰীয়া কৰি বিদেশী ভাষাক আকোঁৱালি লোৱা হয় তেনেহ'লে অসমীয়া ভাষাৰ ভৱিষ্যত কোন দিশে গতি কৰিব তাক বাৰু এবাৰ হ'লেও ভাৱি চাইছেনে? এনেদৰেই যদি আগবাঢ়ি গৈ থাকে তেনেহ'লে অসমীয়া ভাষাটো বাৰু কালৰ বুকুত হেৰাই নাযাবনে? সাম্প্ৰতিক সময়ত অসমত বিভিন্ন দল-সংগঠনে বিদ্যালয়, আইন, আদালত, প্ৰশাসন আদি অনুষ্ঠানসমূহত অসমীয়া ভাষা প্ৰচলন কৰিবৰ বাবে আন্দোলন কৰিব লগা হৈছে। সিদিনা দৈনিক জনমভূমিৰ এটা পৃষ্ঠাত চকু ফুৰাওঁতে (তাৰিখ আৰু বাৰ সঠিক মনত নাই) দেখিছো যে অসমীয়া যুৱ মঞ্চ নামৰ সংগঠনটোৱে (আৰু বহুতো উদাহৰণ আছে) চৰকাৰী অনুষ্ঠান সমূহত অসমীয়া ভাষা প্ৰচলন কৰিবলৈ প্ৰতিবাদী এক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিছে (সম্ভৱতঃ ডুমডুমা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত আছিল)। এয়া বাৰু কাৰ বাবে হ'বলৈ পাইছে? জনসাধাৰণৰ অদূৰদৰ্শিতা, চৰকাৰৰ অৱহেলা নে ভাষা-সাহিত্য উন্নয়নৰ হকে গঢ়ি উঠা সাহিত্য সংগঠনৰ অমনোযোগিতাৰ বাবে? অতি দুখৰ বিষয় যে আমাৰ অনুষ্ঠানত (চৰকাৰীয়েই হওঁক বা বেচৰকাৰীয়েই হওঁক) অসমীয়া ভাষা প্ৰচলন কৰিবলৈ আজি স্বেচ্ছাসেৱী দল-সংগঠনসমূহে আন্দোলন কৰিবলগীয়া হৈছে। ইফালে দেখা যায় এচাম মানুহে অসমীয়া ভাষা জীয়াই ৰাখিবলৈ আন্দোলন কৰিছে আৰু আন এচামে অসমীয়া ভাষাটোক একাষৰীয়া কৰি বহিৰাগত বা বিদেশী ভাষাক আয়ত্ত কৰিবলৈ বা কৰোৱাবলৈ উঠি পৰি লাগিছে। তেন্তে আজিৰ যুগৰ অসমীয়াই নিজৰ ভাষাটোক জীয়াই ৰাখিবলৈ কিমান চেষ্টা অব্যাহত ৰাখিছে ইয়াৰ পৰাই বুজা নেযায়নে? এনেদৰে বাৰু অসমীয়া জনসাধাৰণে আৰু কিমান দিনলৈ বুলি টঙালি বান্ধিছে?

এটা কথা সকলোৰে জ্ঞাত যে অসমত বৃটিছ শাসনৰ সময়ত ১৮৩৬ চনৰ পৰা ১৮৭৩ চনলৈকে প্ৰায় দুকুৰি বছৰ ধৰি অসমীয়া ভাষাৰ পৰিৱৰ্তে অসমত বঙলা ভাষাৰ প্ৰচলন আছিল। সেই সময়ছোৱাত অসমীয়া ভাষা-সাহিত্যৰ অস্তিত্ব একেবাৰে হেৰাই যোৱাৰ উপক্ৰম হৈছিল। তাক বাৰু আজি কিমান অসমীয়াই মনত ৰাখিছে? কিমান কষ্ট আৰু সংগ্ৰামৰ বলত এচাম শিক্ষিত অসমীয়া যুৱকৰ সহায়ত আমেৰিকাৰ বেপ্তিষ্ট মিছনেৰিসকলৰ জৰিয়তে অসমীয়া ভাষাটোক পুনৰ স্থাপন কৰিবলৈ সক্ষম হৈছিল। কিমান অসমীয়াই ইয়াক মনত ৰাখিছে? বৰ্তমান সময়ত অসমীয়া ভাষাৰ যি দুৰাৱস্থা তাক কোনোবা বিদেশী লোকৰ প্ৰৰোচনাত নহয় অসমীয়া শিক্ষিত সমাজৰ বেছিভাগ ব্যক্তিয়েই জড়িত হৈ আছে বুলি মোৰ ধাৰণা হয়। দেখা যায় অসমৰ আইন, আদালত, বিদ্যালয়, প্ৰশাসন আদি প্ৰায়ভাগ চৰকাৰী বিভাগৰ লগতে অন্যান্য বেচৰকাৰী খণ্ডসমূহতো অসমীয়া ভাষাৰ পৰিৱৰ্তে ইংৰাজী ভাষাক আগস্থান দি আহিছে। যি কোনো কৰ্ম, চিঠি-পত্ৰ, বিজ্ঞাপন আদিত ইংৰাজী শব্দৰ প্ৰয়োগ কৰিছে। এনেদৰে যদি প্ৰতিটো কাৰ্যতে আপোন মাতৃভাষাক কাষত থৈ বিদেশী ভাষাক প্ৰাধান্য দিয়া হয় তেন্তে অসমীয়া ভাষাটো বাৰু হেৰাই নেযাবনে? আৰু সেই সকল পুৰোধা ব্যক্তি যি সকলে অশেষ কষ্ট কৰি অসমীয়া ভাষাটো প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল তেওঁলোকক আজি কিমান অসমীয়াই আন্তৰিকতাৰে সন্মান জনাইছে? এই খিনিতে এষাৰ কথা সংযোজন কৰি দিব বিচাৰিছো যে যি সকল ব্যক্তিয়ে (সকলোৱে অৱশ্যে নহয়) অসমীয়া ভাষাটোক আগুৱাই নিবলৈ বুলি আগবাঢ়ি আহিছে তেওঁলোকেই হয়তো তেওঁলোকৰ সন্তানক অসমীয়া ভাষাটো শিকাৰ পৰা আঁতৰাই ৰাখি ইংৰাজী শিকাবলৈ যত্ন কৰিছে। তাৰ কাৰণে তেওঁলোকে সন্তানক অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ পৰিৱৰ্তে ইংৰাজী মাধ্যমৰ বিদ্যালয়ত নাম লগাই দিছে। যাতে তেওঁৰ সন্তানে অতি কম বয়সতে ইংৰাজী বিষয়টো আয়ত্ত কৰি পাকৈত হ'ব পাৰে। তেন্তে সেইসকল ব্যক্তিয়েই অসমীয়া ভাষাটো আগুৱাই যোৱাত পৰোক্ষভাৱে বাধা প্ৰদান কৰা নাইনে? আপোনালোকে বাৰু অসমীয়া ভাষাৰ বিৰুদ্ধে ঘোৰ বিৰোধী নীতি গ্ৰহণ কৰা নাইনে? আপোনালোকেই অসমীয়া ভাষাটোৰ ভৱিষ্যৎ অন্ধকাৰৰ দিশলৈ ঠেলি পঠিওৱা নাইনে?

উল্লেখ কৰিব পাৰি যে অসমীয়া ভাষাটো পিছপৰি ৰোৱাৰ ক্ষেত্ৰত জনসাধাৰণৰ লগতে (জনসাধাৰণ বুলি ক'লে ভুল হ'ব, সকলোৰে ক্ষেত্ৰত প্ৰযোজ্য নহ'লেও শিক্ষিত সমাজক বুলি ক'ব লাগিব) চৰকাৰ আৰু অসমীয়া ভাষা-সাহিত্যৰ উন্নয়নৰ হকে গঢ়ি উঠা অসম সাহিত্য সভাও সমানেই দায়ী যেন মোৰ ধাৰণা হয়। যিহেতু সাহিত্যই ভাষা এটাক জীয়াই ৰখাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰে। সাহিত্যইহে জাতিৰ ভাষা এটাৰ অস্তিত্ব ক্ষুণ্ণ হোৱাৰ

পৰা আঁতৰাই ৰাখি ভাষা উন্নতিৰ বাবে অৰিহণা যোগাব পাৰে। ভাষাৰ স্বাৰ্থ জড়িত কোনো দিশত আঘাত হনা যেন অনুমান পালেই প্ৰতিবাদ কৰি উঠিব পাৰে। তেনেক্ষেত্ৰত অসমীয়া ভাষা-সাহিত্যৰ উন্নতি সাধিবলৈ,অসমীয়া ভাষা-সাহিত্যৰ অস্তিত্ব অক্ষুণ্ণ ৰাখিবলৈ, ভাষা-সাহিত্যক বিপদৰ পৰা উদ্ধাৰ কৰিবলৈ, অসমীয়া ভাষাক সমাজত স্বীকৃত ৰূপ দিবলৈ ভাষা-সাহিত্যৰ ৰক্ষাকবচ হিচাপে গঢ়ি উঠা অসম সাহিত্য সভাই অসমীয়া ভাষাটোক আগুৱাই নিবলৈ কোনোধৰণৰ পদক্ষেপ গ্ৰহণ কৰা নাই কিয় ? যদি কৰিছে তেন্তে আইন, আদালত, বিদ্যালয়,প্ৰশাসন আদিত অসমীয়া ভাষাটো বাধ্যতামূলক বিষয় হিচাপে ব্যৱহাৰ কৰিবৰ বাবে চৰকাৰৰ ওচৰত দাবী জনোৱা নাই কিয় ? অসমীয়া বিষয়টো চৰকাৰী বা বেচৰকাৰী আদি বিভিন্ন খণ্ডত প্ৰচলন কৰোৱাৰ বাবে স্বেচ্ছাসেৱী সংগঠনসমূহে আন্দোলন কৰিব লগীয়া হৈছে কিয় ? চৰকাৰৰ ওচৰত মোৰ এটি অনুৰোধ আপোনালোকে অসমৰ প্ৰতিটো অনুষ্ঠানতেই (চৰকাৰীয়েই হওঁক বা ব্যক্তিগত খণ্ডই হওঁক) অসমীয়া বিষয়টো বাধ্যবাধকতামূলক বিষয় হিচাপে অন্তৰ্ভুক্ত কৰিবলৈ আদেশ জাৰি কৰক। এইক্ষেত্ৰত যদি কোনো অনুষ্ঠানে অসমীয়া বিষয়টো মানি ল'বলৈ অস্বীকাৰ কৰে বা অসমীয়া বিষয়টোক অৱমাননা কৰে তেন্তে সেই অনুষ্ঠানটোৰ ওপৰত আইনৰ ব্যৱস্থা গ্ৰহণ কৰি কঠোৰ শাস্তি প্ৰদান কৰক।

সাম্প্ৰতিক সময়ত যিটো হাৰত অসমীয়া মানুহৰ বহিৰাগত ইংৰাজী ভাষা-সাহিত্যৰ প্ৰতি আকৰ্ষণ বৃদ্ধি পাইছে, সেই হাৰতে যদি অনাগত দিনলৈকে বৃদ্ধি পাই থাকে তেন্তে অসমীয়া ভাষাটো যে সঁচায়ে হেৰাই যাব তাক নিঃসন্দেহে ক'ব পাৰি। গতিকে অতিকে আপোন চেনেহৰ মাতৃভাষাক জীয়াই ৰাখিবলৈ সজাগ হওঁক। অসমীয়া ভাষাটোৰ মনোযোগ বৃদ্ধি কৰক। সেইবুলিয়ে মই ক'বলৈ যোৱা নাই যে ইংৰাজী ভাষা শিকাৰ পৰা বিৰত থাকক। বিশ্বায়নৰ যুগত ইংৰাজী ভাষাটো অতিকে প্ৰয়োজন। ইংৰাজীও শিকক। মই ক'ব বিচাৰিছো যে আপোনালোকে যি ভাষাকেই আঁকোৱালি নলওক কিয় প্ৰথমে নিজৰ মাতৃভাষাটোক আগস্থান দিয়ক। মাতৃভাষাৰ জৰিয়তে বহিৰাগত ভাষা শিকিবলৈ যত্ন কৰক। এই ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰা জাতীয়তাবাদৰ আৰ্হিত স্থাপন কৰা অনুষ্ঠান জাতীয় বিদ্যালয়, শংকৰদেৱ শিশু বিদ্যা নিকেতন আদি বিদ্যালয়ৰ যি পদক্ষেপ তাক শলাগ ল'বই লাগিব। এই অনুষ্ঠান সমূহ ব্যৱসায়ী ভিত্তিক হ'লেও অসমীয়া ভাষাটোক ধৰি ৰখাৰ যি পদক্ষেপ সি সঁচাই প্ৰশংসনীয়। আপোনালোকৰ এই পদক্ষেপ যুগে যুগে বৰ্তি থাকক।

♦♦♦♦♦♦♦♦

## বিস্ময়কৰ তথ্য

- ★ জোঙা হিলযুক্ত জোতা পিন্ধামহিলা এগৰাকীয়ে যিমান চাপ প্ৰয়োগ কৰে, সেয়া একোটা হাতীয়ে এখন ঠেঙেৰে প্ৰয়োগ কৰা চাপতকৈ বহুত বেছি।
- ★ পদাৰ্থৰ ক্ষুদ্ৰতম কণাক 'পৰমাণু' নামেৰে নামকৰণ কৰা গ্ৰীক দাৰ্শনিক ডেম'ক্ৰিটাৰ্ছ প্ৰকৃততে বিজ্ঞানী নাছিল।
- ★ প্ৰতি আঠ ছেকেণ্ডৰ মূৰত পানীৰ পৰা হোৱা বেমাৰত একোজনকৈ শিশু মৃত্যুমুখত পৰে।
- ★ ভেঁটফুলৰ ৮১ টা ওলন্দাজ নাম, ৪৪ টা ফৰাছী দেশীয় নাম আৰু ১৫ টা ইংৰাজী নাম আছে।
- ★ অবিশ্বাস্য হ'লেও সত্য যে আমি এক চেকেণ্ডত ৩ × ১০⁵ টা ৰক্তকোষ হেৰুৱাওঁ।





# অসমীয়া ভাষালৈ অহা দুৰ্যোগ

**ইনলিছা দহোতীয়া**
প্ৰথম ষাণ্মাসিক, বিজ্ঞান বিভাগ

অসমৰ সৰ্বমান্য ভাষা অসমীয়া। ভাৰতীয় সংবিধানৰ অষ্টম অনুচ্ছেদত অসমীয়া ভাষা স্বীকৃত হৈছে। অৱশ্যে এই স্বীকৃতিৰ মূলতে বহু ঐতিহাসিক ঘটনা জড়িত হৈ আছে। ব্ৰিটিছ সকল অসমলৈ অহাৰ সময়ত অফিচ-কাৰ্যালয়, আদালত আদিত বঙালী ভাষাৰ প্ৰচলন হৈছিল। ভাৰত স্বাধীন হোৱাৰ পিছতো বঙালী ভাষাৰ প্ৰচলন হৈ থকাৰ বাবে বহু অসমীয়া পাছুৱাল ডেকাই অসমীয়া ভাষাৰ স্বতন্ত্ৰ ৰক্ষাৰ্থে তেজৰ নৈ বোৱাই অসমত অৱশেষত অসমীয়া ভাষাৰ প্ৰচলন কৰালে।

দিহিং, দিখৌ, সোৱণশিৰি, জীয়া ভৰালি আদি নানা নামৰ নৈ-উপনৈ বোৰ লগ হৈ মহাবাহু ব্ৰহ্মপুত্ৰ হোৱাৰ দৰে অসমীয়া মহাজাতি আৰু ভাষাটোও মৰাণ, মটক, আহোম, চুতীয়া, কোঁচ, কলিতা আদি নানা জাতিবোৰৰ এক বৃহৎ পৰিয়াল হৈ সৃষ্টি হৈছে। অসমৰ সুমধুৰ অসমীয়া ভাষাত বহু ফকৰা-যোজনা, ডাকৰ বচন, সাধু, সাথৰ,কাহিনী আদিয়ে ৰসাল আৰু চহকী কৰি তুলিছে। নানা ধৰণৰ সম্বন্ধ সূচক শব্দ যেনে- মা, দেউতা, ককা, আইতা, খুৰা, খুৰী আদিকে কৰি মৰমত মতা নাম, খং প্ৰকাশ কৰি কোৱা শব্দ, গালি-শপনি দিয়া শব্দৰলৈকে মেটমৰা হৈ আছে।

ইমান শুৱলা ভাষা এটা থকা স্বত্বেও বৰ্তমান আমাৰ মাজত সদ্যহতে উদয় হোৱা প্ৰশ্ন যেনে " অসমীয়া ভাষাটো হেৰাই যাব নেকি"? ভুপেন হাজৰিকাই গোৱাৰ দৰে " আজি অসমীয়াই নিজক নিচিনিলে অসম ৰসাতলে যাব......"। সঁচাকৈ ৰসাতলে যাব নেকি অসম আৰু অসমীয়া ভাষা ??

আজিৰ পৰা প্ৰায় ষাঠি-সত্তৰ বছৰ আগতে ইংৰাজসকল আমাৰ দেশৰ পৰা গ'ল। ইংৰাজৰ বস্ত্ৰ বৰ্জন কৰিলে। কিন্তু এই ইংৰাজী ভাষাটো বৈ গ'ল। এতিয়া ইংৰাজী ভাষাটো এৰাব নোৱাৰাৰ দৰে হৈ গ'ল। মানুহৰ মনত ইংৰাজী নেজানিলে চব মিছাৰ দৰে ভাব এটা সোমাই গ'ল। ভাষাৰ আন্দোলনত, অসমত বঙালী ভাষা প্ৰচলন হৈ থকাৰ বাবে বহু যুবকে প্ৰাণ বিসৰ্জন দি হ'লেও ভাষাটো ৰক্ষা কৰিলে সঁচা, কিন্তু এই সুযোগত এচামে ইংৰাজী মাধ্যমৰ স্কুল খুলিলে। এই ইংৰাজী মাধ্যমৰ স্কুলবোৰে শিক্ষাৰ্থীসকলক ভাষা, ভাৱধাৰা আদি সকলোবোৰেই ইংৰাজৰ দৰে কৰি পেলালে। বৰ্তমান কাঠফুলাৰ দৰে বাঢ়ি অহা ইংৰাজী মাধ্যমৰ স্কুলবোৰে মধ্যবিত্ত শ্ৰেণীক বাৰুকৈয়ে প্ৰভাৱিত কৰিছে। ইয়াৰ ফলত অসমীয়া মাধ্যমৰ স্কুলবোৰ দিনক দিনে অৱহেলিত হৈ গৈছে। ইয়াৰ ফলত দেখা গৈছে যে ইংৰাজী মাধ্যমত পঢ়া বহু ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া ভাষাটো কোৱা আৰু নিজকে অসমীয়া বুলি পৰিচয় দিয়াটো লজ্জাজনক বুলি ভাৱে। 'হাই', 'হেল্ল', 'গুড মৰ্নিং' আদিৰ দৰে শব্দবোৰ কোৱাৰ পৰিৱৰ্তে 'নমস্কাৰ', 'সুপ্ৰভাত' আদিৰ দৰে শুৱলা শব্দবোৰ কোৱা লোকৰ সংখ্যা তেনেই নগণ্য। অসমীয়া ভাষা ক'বলৈ আৰু অসমীয়া সংস্কৃতিৰ সৈতে পৰিচয় হ'বলৈ বিচৰা লোকৰ সংখ্যাও দিনক দিনে কমি আহিছে। বহুতেই অসমীয়া ভাষাটো আমনিদায়ক বুলি ভাৱে। ইংৰাজী নিশিকিলে জীৱন যেন অসাৰ তেনে ভাৱৰ পোক এটাই অসমীয়াৰ মনত সোমাই গ'ল।

এজন দাৰ্শনিকে কৈছে — "মানুহে সপোন দেখে নিজ মাতৃভাষাত"। হয়, মাতৃভাষাতেই মানুহে সপোন ৰচে। কিন্তু আজিৰ অসমীয়াই শিকক চাৰি ক'বলৈকে সংকোচ কৰে। "অকৰাই মৈত উঠিলে ননমাৰ দৰে"। বহুতেই উচ্চ শিক্ষা লাভ কৰি নিজৰ ভাষাটো ক'বলৈ পাহৰি যায়। তেনে এজন উচ্চ শিক্ষিত ব্যক্তিয়ে বাৰু অশিক্ষিত লোক বা অনুজ সকলক পাৰিবনে বাৰু জাতিটোৰ আৰু ভাষাটোৰ জ্ঞান দিব ? পাৰিবনে বাৰু অসম আৰু অসমীয়াক বচাব ?

আমি অসমীয়া। আমি নিজৰ ভাষাটোৰ অস্তিত্ব ৰক্ষাৰ্থে অসমীয়া ভাষালৈ অহা প্ৰতিটো ভাবুকিৰ প্ৰতি প্ৰত্যাহবান হিচাপে থিয় দিবই লাগিব। আজি-কালি সচৰাচৰ বহুতৰ মুখতে শুনা কিছুমান বিজতৰীয়া শব্দ বা বাক্য যেনে, "মই নাযাওঁ বে, কি কৰিবি বে" আদিৰ দৰে শব্দবোৰ সংশোধনী কৰিব লাগিব। অসমীয়া ভাষাক লৈ যাতে অন্য ভাষী লোকে হেতালি খেলিব নোৱাৰে, তাৰ বাবে সচেতন হ'ব লাগিব। যিহেতু " মাতৃভাষাৰ গৌৰৱেই আমাৰ গৌৰৱ"। আমি সংস্কৃতিৰ ৰক্ষা কৰিবলৈ কঁকালত টঙালি বান্ধিবৰ হ'ল। ♦♦

# সাহিত্য আৰু সাহিত্যিক

জিণুমনি ভূঞা
ষষ্ঠ ষাণ্মাসিক, অৰ্থনীতি বিভাগ

'সাহিত্য' আৰু 'সাহিত্যিক' এই দুয়োটা শব্দ আমাৰ অতি চিনাকী, অতি আপোন তথা সুমধুৰ। সাহিত্যৰ অবিহনে সাহিত্যিক জন্ম হ'ব নোৱাৰে, ঠিক তেনেদৰে সহিত্যিকৰ অবিহনেও সাহিত্যৰ সৃষ্টি তথা বিকাশ হ'ব নোৱাৰে। সেয়েহে চমুতে ইয়াক একেটা মুদ্ৰাৰে দুটা পিঠি বুলি ক'ব পাৰি। সাহিত্যৰ জন্ম বুৰঞ্জীৰ পম খেদি গ'লে হয়তো ভাষাৰ জন্ম হোৱাৰে পৰা সাহিত্যৰ সৃষ্টি হ'ল বুলি একেযাৰে ক'লেও হয়তো বঢ়াই কোৱা নহ'ব আৰু এই ভাষাক লৈয়ে অৰ্থাৎ ভাষাৰ সৃষ্টি তথা বিকাশ সাধনৰ কাৰণে যিচাম চিন্তাশীল ব্যক্তিৰ আবিৰ্ভাৱ হ'ল সেইসকল ব্যক্তিকেই থোৰতে সাহিত্যিক বুলিব পাৰি।

আমি যি ভাৱো বা যি অনুভৱ কৰো, তাকে হিয়া ফালি আনৰ আগত দাঙি ধৰিবলৈ আমাৰ অন্তৰত এটি গুপ্ত তথা প্ৰবল হেঁপাহ জ্বলি তাকে। সাহিত্য সৃষ্টিৰ এইটো ঘাই কাৰণ। সাহিত্য মানে কিছুমান কিতাপৰ সমষ্টি। কিন্তু সকলো কিতাপ মানেই সাহিত্য হ'ব নোৱাৰে। সাহিত্যৰ উদ্দেশ্য মাথোন ন-কথা শিকোৱাটোৱেই নহয়, ইয়াৰ প্ৰধান উদ্দেশ্য হ'ল মন আৰু হৃদয় আকৰ্ষণ কৰি মানুহক বিমল আনন্দ দিয়া, যি আনন্দ, সৌন্দৰ্য্য কেৱল অনুভূতিয়েহে দিয়ে। মানুহ, সংসাৰ আৰু প্ৰকৃতিৰ জ্ঞানেই সকলোৰে প্ৰিয় বিষয় সেয়ে সাহিত্যিকে এই জ্ঞানকেই দিবলৈ নানান সমীকৰণ নিজে বাছি উলিয়াই লয়। তেখেতৰ লিখাৰ ধৰণত এটি বিশেষত্ব, এটি মাধুৰ্য্য আৰু এটি সৌন্দৰ্য্য লুকাই থাকে। এই সৌন্দৰ্য্যই, এই মাধুৰ্য্যই আমাৰ চিত্ত মুগ্ধ কৰে আৰু আত্মা আনন্দৰে ভৰপূৰ কৰি তোলে।

সাহিত্য হ'ল জীৱনৰ ব্যাখ্যা, জীৱনৰ সমালোচনা আৰু ব্যক্তিত্বৰ প্ৰকাশ। সাহিত্যৰ প্ৰথম ভেটি হৈছে ব্যক্তিগত অভিজ্ঞতা। নিজৰ অভিজ্ঞতা জগতত বিলাই দিবলৈ, হিয়া উবুৰিয়াই হৃদয়ৰ কথা কৈ হৃদয় পাতল কৰিবলৈ, নিৰ্জনত গাথি লোৱা চিন্তাফুলৰ মালা সমাজক উপাহাৰ দিবলৈ কবিয়ে কবিতা লিখে, নাট্যকাৰে নাটক লিখে আৰু ঔপন্যাসিকে উপন্যাসৰ বিনন্দীয়া চিত্ৰ আঁকে। সেইবোৰ চিন্তাৰ সৈতে আমাৰ মন, হৃদয় আৰু আত্মাই এটা ঘনিষ্ঠ সম্বন্ধ স্থাপন কৰে। সেইবাবে সাহিত্যিক আমাৰ নিচেই আপোন।

সাহিত্য একোটা জাতিৰ জাতীয় দাপোন। সেই দাপোনত সেই জাতিৰ জাতীয় জীৱনৰ এখনি চিত্ৰৰ লগতে জাতীয় জীৱনৰ বুৰঞ্জীৰ এখন ছবি প্ৰতিফলিত হৈ থাকে। সাহিত্য জাতীয় একতাৰ ভেটি। যেনে আমাৰ সমাজত মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ সাহিত্যই অসমীয়া জাতিক চিৰকাল এক আৰু অভিন্ন কৰি ৰাখিব। তেনেদৰে ৰবীন্দ্ৰনাথ ঠাকুৰে বঙালী জাতিক সাহিত্যৰ শিকলিৰে আজিকোপতি বান্ধি ৰাখিছে।

এজন মহৎ সাহিত্যিকে তেওঁৰ দেশ আৰু কালৰ ওপৰত এটি অপূৰ্ব প্ৰভাৱ বিস্তাৰ কৰে। তেওঁ সমাজক দিব্য চকু দিয়ে। নিদ্ৰাৰত সমাজক জগাই তোলে আৰু অৰ্দ্ধমৃত সমাজক জীৱনৰ পোহৰ দি সচেতন কৰে। নাট্যকাৰ আৰু ঔপন্যাসিকে মানৱ সমাজৰ তত্ব, কৰ্মৰ পৰিণাম, দেশৰ অৱস্থা দেশবাসীৰ আগত দাঙি ধৰে।

মানুহৰ সৌন্দৰ্যজ্ঞান থকাৰ বাবে, মানুহে নিজ ভাষাৰ প্ৰতি প্ৰীতি ভালপোৱা তথা অকৃত্ৰিম স্নেহ থকাৰ বাবে নিজৰ ভাষাক নানা সুন্দৰ প্ৰকৰণ দি সাহিত্যৰ জন্ম দিয়ে। যিয়ে মানুহক অনুপম আত্মিক আনন্দ দিয়ে। ইফালে সাহিত্যিকসকলেও জীৱন, মৰণ, ঈশ্বৰ তথা ঈশ্বৰৰ সৈতে মানুহৰ সম্পৰ্ক, ভাগ্য, কৰ্মফল, পৰলোক এইবিলাকৰ মাজত থকা সম্পৰ্ক, সমস্যা আৰু পাৰ্থক্য বিচাৰি উতলা হৈ পৰে।

মুঠ কথাত সাহিত্য হ'ল বিপদৰ বন্ধু, ৰোগৰ ঔষধ, আন্ধাৰৰ জেউতি, সংসাৰৰ পথত অনাই বনাই ঘূৰি ফুৰা মানুহৰ আশাৰ বন্তি তথা নিৰাশ ব্যক্তিৰ আশা। সাহিত্যৰ মাজেদি কত মহৎ হৃদয়ৰ আন্তৰিক সহানুভূতি পায়, কত বন্ধুহীন হৃদয়ে অপূৰ্ব বন্ধুত্বৰ সুখ লাভ কৰিছে।

শেষত এযাৰি কথাৰে সামৰণি মাৰিব বিচাৰো যে সাহিত্য হ'ল আমাৰ জ্ঞানৰ মন্দিৰ, সাহিত্যিকসকল হ'ল ইয়াৰ পূজাৰী আৰু আমি ইয়াৰ প্ৰসাদ খাঁওতাসকল। ◆◆



TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM



# উঠা অসমীয়া, জাগিবৰ হ'ল

চুনচুনি হাজৰিকা
ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

বৰ্তমান সমাজৰ কিছুসংখ্যক লোকে নিজে অসমীয়া বুলি পৰিচয় দিছে ঠিকেই কিন্তু সেই লোকসকলৰ বাবে অসমীয়া ভাষাটো হে পৰিছে আওপুৰণি। এনে আওপুৰণি ভাষা ক'লে হাঁহিয়াতৰ পাত্ৰ হোৱাৰ ভয়ত তেওঁলোকে নিজৰ " ষ্টেটাছ ছিম্বলৰ" ভাৱ বঢ়াবলৈ নিজস্বতাক বিদায় দি পাশ্চাত্য সংস্কৃতিৰ মাজত সোমাই পৰিছে। এই তথাকথিত ব্যক্তিসকলৰ বাবেই অসমীয়া ভাষাটো যেন মৃত্যুমুখলৈ গতি কৰিছে। এই অনুভৱ কেৱল এজন বা দুজন মানুহৰ মাজতে বা অসম সাহিত্য সভাৰ দৰে সন্মানীয় সভাবোৰতেই সীমাবদ্ধ থাকিলেই নহ'ব। অসমৰ প্ৰতিজন অসমীয়াৰ প্ৰাণৰ সিৰে সিৰে এই উপলব্ধিৰ জাগৰণ উঠিব লাগিব।

আজিৰ সমাজত শিশুৱে অসমীয়া ক'ব নাজানে। তেওঁলোকে চিনি নাপায় মহাপুৰুষ শংকৰদেৱ মাধৱদেৱক। তেওঁলোকৰ পাঠ্যপুথিত অসমৰ জাতীয় উৎসৱ বিহুৰ কোনো সংগতি নাই। তেওঁলোকে পঢ়িবলৈ পায় যীশুখ্ৰীষ্ট, খ্ৰীষ্টমাষ্ট ডে'ৰ কথা। সেয়েহে এই "স্মাৰ্ট" শিশুবোৰে কয় শংকৰদেৱ এজন "ফ্ৰীডম ফাইটাৰ", বিহু মানে হ'ল "ৰ গান"। আজিৰ কিছু সংখ্যক ডেকা-গাভৰুৰ হয়তো জ্ঞাত নহয় যে "বিহুৱান" মানে কি? অসমৰ জাতীয় সাজপাৰ কি? এই প্ৰশ্নৰ উত্তৰত হয়তো তেওঁলোকে ক'ব, "ছবি", এক্সোৱেলী মই সৰুৰে পৰা ইংলিছ মিডিয়ামত পঢ়া "চ" এইবোৰৰ বিষয়ে মোৰ ইমান বেছি "নলেজ" নাই। তেওঁলোকক যদি এখন সভাত অসমীয়াত দুআষাৰ ক'ব দিয়া হয় তেতিয়া তেওঁলোকে ক'ব 'মই ইংলিছত নহ'লে হিন্দীত ক'ব পাৰিম কিন্তু অসমীয়াত নোৱাৰিম। এতিয়া উপলব্ধি কৰকচোন আমাৰ অসমীয়া ভাষাটো কোনটো পথেৰে গতি কৰিছে। অসমত বসবাস কৰি থকা খাতি অসমীয়া লোকৰ পৰা যদি অসমীয়াৰ প্ৰতি এনে অৱহেলিত বাক্যবোৰ উপহাৰ পোৱা যায়, তেন্তে ইয়াতকৈ আৰু চৰম দুৰ্ভাগ্যৰ কথা কি থাকিব পাৰে।

অসমৰ ১০০ শতাংশ অসমীয়াৰ মাজৰ ৭৫ শতাংশ অভিভাৱকে গৰ্বেৰে কয় "মোৰ ল'ৰাটো/ ছোৱালীজনী ইংলিছ মিডিয়ামত দিছো, সি ঘৰতো ইংৰাজীতে কথা কয় অসমীয়া কবই নাজানে"। অসমীয়া ভাষাটো ক'ব নজনাটো যেন তেওঁলোকৰ বাবে গৰ্বৰ বিষয় হৈ পৰিছে। সেয়েহে এতিয়া অসমীয়া বিভাগৰ চৰকাৰী পঢ়াশালিবোৰ শ্মশানমুখী যাত্ৰালৈ গতি কৰিছে। আনহাতে অসমত ইংৰাজী মাধ্যমৰ স্কুলবোৰ গঢ়ি উঠিছে ঠিক কাঠফুলা গজাৰ দৰে।

অসমীয়া ভাষাটো জীয়াই ৰখাটো আমাৰ মুখ্য কৰ্তব্য। আমি নিজস্বতাক এৰি কিয় পাশ্চাত্য সংস্কৃতিৰ সোৱাদ ল'বলৈ ইমান আগ্ৰহী। আমাৰ অসমীয়াবোৰৰ নিজস্বতা বুলিবলৈ একো নাই নেকি? আজিৰ সমাজত অসমীয়া বিষয়ত উচ্চমান লৈ পঢ়িলে হাঁহে, গাঁৱলীয়া বুলি কয় আৰু সেই অসমীয়াবোৰৰ ভিতৰৰে যদি কোনোবাই ইংৰাজীত উচ্চমান লৈ পঢ়ে তেওঁ যেন "স্মাৰ্ট" ল'ৰা বা ছোৱালী হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হয়। সমাজৰ বহু গণ্য-মান্য ব্যক্তিৰ মনতো এই ভাব দেখিবলৈ পোৱা যায়। কাৰোবাৰ মনত আঘাতৰ বিষ ঢালিবলৈ মই এই কথা লিখা নাই কেৱল অসমীয়াৰ প্ৰতি থকা মোৰ গভীৰ শ্ৰদ্ধা সুঁৱৰি এই ভাৱ ব্যক্ত কৰিছো।

গতিকে অসমীয়া উঠা, জাগিবৰ হ'ল। নহ'লে এদিন আমাৰ নিজস্বতাক আনৰ হাতত বিক্ৰী কৰিব লাগিব। প্ৰতিজন অসমীয়া জাগি উঠা আৰু অসমীয়া ভাষাৰ মূল্য অনুভৱ কৰা, প্ৰতিজন অসমীয়াৰ প্ৰাণৰ সিৰে সিৰে বজাই অসমীয়া জাতীয় সংগীতৰ বীণ। নহ'লে অসমীয়া ভাষাটো নৰকমুখী যাত্ৰালৈ গতি কৰিবলৈ হয়তো আৰু বেছিদিন নালাগিব। ◆◆

# ৰেগিং এক মাৰাত্মক ব্যাধি, নিৰ্দোষ হাঁহি-ধেমালি নে আসুৰিক আনন্দ ?



বিশ্বজিৎ বড়া (কাক)
সম্পাদক 'মনীষা'

হাইস্কুলৰ দেওনা পাৰ হোৱৰ লগে লগে আৰম্ভ হ'বলৈ ধৰে কলেজীয়া বাখৰ খটোৱা ডগ্‌মগ্ কৰা একো একোটা জীৱন। সদায় মাক-দেউতাকৰ লগত থকা, মাক-দেউতাকৰ অভিভাৱকসুলভ কথা-বাৰ্তাৰ মাজৰ পৰা পঢ়াৰ তাগিদাতে আহি ল'ৰা -ছোৱালীজনীয়ে হোষ্টেলৰ চাৰিবেৰৰ মাজত এক আচহুৱা পৰিৱেশত থাকিব লগাত পৰে। হৰম'নে ক্ৰিয়া কৰি কৈশোৰ অৱস্থাক লাটপটীয়া কৰি তোলা আৰু পৃথিৱীখনক জয় কৰাৰ দুৰ্বাৰ হেঁপাহ পুহি ৰখা কলেজীয়া জীৱনৰ ৰ'দ-কাঁচলিৰ কথা ভাৱিলেই সকলোৰে মন গ্ৰহণ পৰিতুষ্ট হৈ পৰে। ভৰা যায়, সপোনে সজোৰ ৰূপ লৈ সকলোপিনে থানথিত লাগিব। এজাক জোনাকীৰ জিলমিল তৰুণ জাকৰুৱাৰ পদধূলিত জ্ঞানৰ মন্দিৰত ক্ৰমান্বয়ে জ্ঞানান্বেষণৰ আলোকিত যাত্ৰা আৰম্ভ হয়। খিল খিল হাঁহি, অফুৰন্ত যৌৱনৰ প্ৰাণচঞ্চল দিনবোৰে কলেজ চৌহদ যেন ৰজনজনাই যায়। চাৰিওপিনে দেখা যায় পঢ়িবলৈ আগ্ৰহী ছাত্ৰ-ছাত্ৰীৰ পয়োভৰ। ক্লাছৰুমৰ সন্মুখে সন্মুখে ছাত্ৰ-ছাত্ৰীৰ ভিৰ। ক্লাছৰুমৰ পৰা ছাৰ-বাইদেউ সকল ওলাবলৈ পায় কি নাপায়, ঠেলা-হেঁচাৰ মাজেৰে আগবাঢ়ে আন এজাক অধ্যয়ন পিপাসু ছাত্ৰ-ছাত্ৰী। কুঁহিপাত কুমলীয়া অন্তৰৰ সত্তাবোৰত ভৰুণ স্বপ্নই ডেউকা মেলি অৱগাহন কৰিবলৈ অন্তঃ কৰণেৰে কামনা কৰে। কলেজলৈ বুলি প্ৰথম ঘৰৰ পৰা ওলাই যাওঁতে মনলৈ আহে নানা ভয়, উৎকণ্ঠা। এক নতুন পৰিৱেশ, নতুন নতুন মুখ, নতুন চা-চিনাকী, নতুন শিক্ষক, নতুন নীতি-নিয়ম। এইবোৰৰ মাজতে থাকে ৰেগিং নামৰ সেই ভয়ানক দস্যুটো। জ্যেষ্ঠজনৰ লগত কনিষ্ঠজনৰ চিনাকী পৰ্বৰ পোছাকী নাম যেন ৰখা হয় ৰেগিং। কলেজৰ দুৱাৰ মুখৰ পৰাই যেন কোনোবাই মাতিব, কিবা সুধিব এনেকুৱা এটা ভয় ভাৱেৰে কলেজত প্ৰথম খোজ দিয়া হয় বহুতৰে।

*ছাত্ৰাৱস্থাত হোষ্টেলৰ জীৱনত এবাৰ নাথাকিলে পঢ়া আধৰুৱা হয় বুলি কোৱা হয়। জাতি-বৰ্ণ-ধৰ্ম-ভাষা নিৰ্বিশেষে বিভিন্নধৰ্মী সমাজৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকলৰ লগত একেলগে থাকিলে, চিন্তাধাৰাৰ আদান প্ৰদান কৰিলে, সাংস্কৃতিক গুণৰাজিৰ দিয়া নিয়া কৰিলে আচল অৰ্থত এজন ল'ৰা বা ছোৱালীয়ে ভৱিষ্যতে দেশত সু-নাগৰিক হিচাপে পদচিহ্ন ৰাখি থৈ যোৱাৰ বাবে উপযুক্ত বুলি বিবেচিত হয়।*

"ৰেগিং" যাৰ আভিধানিক অৰ্থ হৈছে "নৱাগত বা নৱাগতাক কিছু বিব্ৰত অৱস্থাত পেলাই চিনাকী হোৱা পৰ্ব। অৰ্থাৎ কলেজলৈ নতুনকৈ অহা সকলক আদৰণি জনোৱাৰ এক পৰম্পৰাৰ নাম হৈছে "ৰেগিং"। ইয়াৰ মাজত থাকে ৰসিকতা আৰু কিছু বিব্ৰত অৱস্থাৰ মুখা-মুখি অভিজ্ঞতা।

**ৰেগিঙৰ ইতিবাচক দিশবোৰ ঃ**

ৰেগিং সাধাৰণতে কলেজৰ চৌহদতকৈ কলেজৰ ছাত্ৰাৱাস, ছাত্ৰীনিৱাসবোৰত নৱাগত আদৰণি সভা নোহোৱা পৰ্যন্ত অহৰ্নিশে হৈ থাকে। ভিন্নৰূপী ৰেগিঙৰ আদৰ-কায়দাত হোষ্টেলবোৰত ৰাত্ৰি জাগৰণ হয় ন-পুৰণি আৱাসীৰ। বুকুত অলেখ সপোন, আশা বান্ধি জ্ঞানলাভৰ বাবে যোৱা ছাত্ৰ-ছাত্ৰীসকলে প্ৰশ্নোত্তৰৰ মাজত ৰৌজল-বৌজাল হৈ ব্যতিব্যস্ত হৈ থাকিবলগীয়া হয় এই সময় গাথাত। জ্যেষ্ঠ আৱাসীৰ কেতেৰীয়া কথাত সোনামুৱা কণিষ্ঠসকলৰ অৱস্থা যেন বৰ বেয়াকৈ পৰ্যবসিত হয়। ছাত্ৰাৱাস আৰু ছাত্ৰীনিৱাস বোৰত সততে দেখিবলৈ পোৱা কেইটামান ঘটনা হৈছে, নৱাগতক সম্পূৰ্ণ অসমীয়া ভাষাৰে পৰিচয় দিবলৈ বাধ্য কৰোৱা। বহুতৰ পিন নং (ডাক সূচাংক), কেয়াৰ অফ্ (প্ৰযত্নে) কওঁতে বেমেজালিৰ সৃষ্টি হয়। জ্যেষ্ঠৰ তীব্ৰ বাক্যবাণত তেতিয়া কণিষ্ঠ নৱাগত বা নৱাগতাই থোহমোহ খাবলগীয়া অৱস্থাৰ সৃষ্টি হয়। আচলতে মাতৃভাষাৰ নূন্যতম প্ৰতিশব্দৰ জ্ঞান থকাটো প্ৰয়োজনীয়। ইংৰাজী নজনাটো বেয়া কথা কিন্তু নিজৰ মাতৃভাষা শুদ্ধকৈ ক'ব নোৱাৰাটো লাজৰ কথা। ইয়াৰ উপৰিও কলেজৰ হোষ্টেলৰ ছিনিয়ৰৰ কঠোৰ নিৰ্দেশৰ বাবে চোলাৰ ওপৰৰ বুটাম মৰা, চুলিত তেল সনা, দৈনিক দাড়ি খুৰোৱা, মাৰ্জিত সাজ-পোচাক পৰিধান কৰা, বিভিন্ন কামত জ্যেষ্ঠসকলক সহায় কৰা আদি কলেজ হোষ্টেলৰ নিত্য নৈমিত্তিক ঘটনা। অৱশ্যে ইয়াৰ মাজতে ঘৰৰ একেবাৰে আদৰুৱা আলাসৰ লাডু সদৃশ দুই-এক ছাত্ৰ-ছাত্ৰীয়ে ফেঁকুৰি ফেঁকুৰি হোষ্টেলত নাথাকো বুলি হুলস্থূল কৰাও দেখিবলৈ পোৱা যায়। পিছত যেনিবা বুজনি দিলে শান্ত হয়। এইবোৰৰ মাজতে বৰ্তি থাকে মৰম,স্নেহ আৰু জ্যেষ্ঠজনৰ প্ৰতি সন্মানৰ মনোভাৱ। ৰেগিঙৰ প্ৰশ্নোত্তৰে নৱাগত / নৱাগতাসকলক পৰৱৰ্তী জীৱনৰ লগত মোকাবিলা কৰিব পৰাকৈ মনত সাহস দিয়ে। ৰেগিঙৰ দ্বাৰাই এজন ছাত্ৰ বা ছাত্ৰীৰ মনস্তাত্বিক দিশটো, পাঠ্যপুথিৰ অধ্যয়নৰ বাহিৰেও সমসাময়িক বাহ্যিক পৃথিৱীখনত ৰূঢ় বাস্তৱৰ সৈতে মোকাবিলা কৰি চলিবলৈ দুৰ্জেয় সাহসৰ বৰ্ম গঢ়ি তোলাত সহায় কৰে বুলি ডাঠি ক'ব পাৰি। জ্যেষ্ঠসকলে ভয় দেখুওৱা কাৰ্য-কলাপত বিতত নহৈ সুস্থিৰ ধৈৰ্য সহকাৰে পৰিৱেশটো অধ্যয়ন কৰি কণিষ্ঠ নৱাগতসকলে ৰেগিঙৰ যোগাত্মক দৃষ্টিভংগীবোৰ গ্ৰহণ কৰাটোহে প্ৰয়োজন।

ছাত্ৰাৱস্থাত হোষ্টেলৰ জীৱনত এবাৰ নাথাকিলে পঢ়া আধৰুৱা হয় বুলি কোৱা হয়। জাতি-বৰ্ণ-ধৰ্ম-ভাষা নিৰ্বিশেষে বিভিন্নধৰ্মী সমাজৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকলৰ লগত একেলগে থাকিলে, চিন্তাধাৰাৰ আদান প্ৰদান কৰিলে, সাংস্কৃতিক গুণৰাজিৰ দিয়া নিয়া কৰিলে আচল অৰ্থত এজন ল'ৰা বা ছোৱালীয়ে ভৱিষ্যতে দেশত সু-নাগৰিক হিচাপে পদচিহ্ন ৰাখি থৈ যোৱাৰ বাবে উপযুক্ত বুলি বিবেচিত হয়। ৰেগিঙৰ কাৰ্যকলাপৰ বাবে নিজস্ব ধ্যান-ধাৰণাৰ উন্নীতকৰণত, জীৱনৰ জটিল সন্ধিক্ষণত নিজক প্ৰস্তুত কৰিবলৈ, প্ৰত্যেকৰে সুপ্ত প্ৰতিভাৰ বিকাশ ঘটাবলৈ,বাস্তৱ পৃথিৱীত আহিবলগীয়া কঠিন মানসিক সংগ্ৰামৰ সৈতে যুঁজ দিবলৈ যুঁজাৰু মন এটি গঠন হোৱাত, মনৰ মাজত লুকাই থকা চিন্তাৰ পুলি -পোখালিবোৰত সাৰ-পানী দি তাক ডাঙৰ কৰি প্ৰয়োজন সাপেক্ষে ব্যৱহাৰ কৰিবলৈ,দেখি-শুনি, শিকি-বুজি নীতিৰ আধাৰত নিজক তিল্‌তিল্ কৈ গঢ়ি-পিটি লৈ ঠেক মনক বহল মনৰ সৈতে পৰিচয় কৰি তুলিবলৈ ৰেগিঙৰ আৱশ্যকতা নুই কৰিব নোৱাৰি। গঠনমূলক কথাৰে, সৃষ্টিমূলক কামেৰে নবীন-প্ৰবীণৰ মাজত সেতু বন্ধনৰ বহু কাৰ্যসূচী বহুবিলাক কলেজ হোষ্টেলত লোৱা দেখিবলৈ পোৱা যায়। থলুৱা গীত-মাতৰ, আধুনিক পাশ্চাত্য গীতৰ, চিত্ৰকলা প্ৰদৰ্শন, তৰ্ক, নচা-মেলা, আকস্মিক বক্তৃতা, ফেশ্বন শ্ব', ভিন্ন খেলা-ধূলা, নাটকত অভিনয় আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা দেখা যায়। সুকুমাৰ কলা বিকাশৰ বাবে উৎকৃষ্ট মাধ্যমে ৰেগিঙৰ মহৎ উদ্দেশ্য সাধনত মুখ্য ভূমিকা পালন কৰিছে। প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ মাজত ভাষা প্ৰদানেৰে বা নিজস্ব প্ৰতিভাৰ প্ৰদৰ্শনেৰে ব্যক্তিত্ব বিকাশত কোনোজনৰ সহায়ক হোৱাত ৰেগিঙে যথেষ্ট সহায় কৰিছে। মনৰ ভয় শঙ্কাবোধ দূৰ কৰি এজন ছাত্ৰ বা ছাত্ৰীক স্মাৰ্ট কৰি গঢ়ি তোলাত, যোগ্যজনক সন্মান প্ৰদৰ্শন কৰাত, স্ব-নিৰ্ভৰশীল হ'বলৈ মনৰ ভিতৰতে আধাৰশিলা স্থাপনৰ প্ৰথম খোজ পেলোৱা আদি কথাত ৰেগিঙৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলোৱা জনমানসত দেখা যায়।

ছাত্ৰাৱস্থাৰ কলেজীয়া জীৱন গৰকা মুহূৰ্তত কিবা প্ৰকাৰে

ৰেগিঙৰ মুখামুখি এবাৰলৈ হ'লেও, হোৱাসকলে জীৱনৰ বিয়লি বেলাতো তাৰ মাদকতা স্মৃতিৰ ছলেৰে ৰেখাপাত কৰা দেখা যায়। সৃষ্টিমূলক কথা-কামেৰে ৰেগিঙক অদূৰ ভৱিষ্যততো যদি ভৰা যায় তাৰ পৰা ছাত্ৰসমাজে ভালেখিনি কথা শিকাৰ বাট মুকলি থাকিব। ধেমালিৰ ছলেৰে, জমনিৰ মাজেৰে, হাঁহি উঠা কথাৰ ৰসেৰে ৰেগিঙৰ প্ৰশ্নোত্তৰত জ্যেষ্ঠ-কণিষ্ঠ আৱাসীয়ে মনৰ সহানুভূতিৰ ৰসাস্বাদ কৰিলে, জ্যেষ্ঠ-কণিষ্ঠৰ মাজত বন্ধুত্বসুলভ সম্পৰ্কৰ প্ৰীতি গঢ় ল'লে আমাৰ শৈক্ষিক প্ৰতিষ্ঠানত বহু বাতাবৰণৰ এক নিমজ পৰিৱেশ গঢ়ি উঠিব বুলি বিশ্বাস ৰাখিব পাৰি। প্ৰায় এমাহ সময়ৰ বাবে কোৰ্হাল হৈ থাকি, ইটো-সিটো বহুতো ঘটনাৰ সৈতে সংপৃক্ত হৈ জীৱনৰ ভাতি পৰতো যাক পাগুলিয়াই নষ্টালজিকতাত আকণ্ঠ ডুবি তৃপ্ত হ'ব পৰা যায়, সেইহেন ইতিবাচক ৰেগিঙৰ পৰিৱেশ সদায় বিদ্যমান হৈ থাকক বুলি আমি নিঃসংকোচে ক'ব পাৰো। জীৱনবোধৰ মালিতাত আকুল অন্তৰেৰে ৰচি যাওঁ আহক ৰেগিঙৰ জোনাক জোনাক গোন্ধোৱা সুৱাস।

**ৰেগিঙৰ ঋণাত্মক / নেতিবাচক দিশবোৰ ঃ**

ৰেগিং নৱাগত বা নৱাগতাৰ এক চিনাকী পৰ্ব। কিন্তু চিনাকী হোৱাৰ নামত হোৱা অত্যাচাৰ আৰু আসুৰিক আনন্দই যেতিয়া সীমা পাৰ হৈ যায়, তেতিয়া তাক প্ৰকৃত অৰ্থত ৰেগিং বুলি ক'ব নোৱাৰি। ই যেন এক বন্য উন্মাদনা প্ৰকাশৰ মাধ্যম হৈ পৰে। ৰেগিং শব্দটোৱে বৰ্তমান সময়ত ভয়াবহ ৰূপত সমাজ জীৱনক উদ্বিগ্ন কৰা দেখা যায়। মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত পঢ়ুৱাবলগীয়া বহু সন্তানৰ অভিভাৱকক এই শব্দটোৱে আতংকিত কৰি ৰাখে। ৰেগিঙৰ আভিধানিক অৰ্থত যি যোগাত্মক ভূমিকা আছে, তাক সমূৰ্ণৰূপে নস্যাৎ কৰি ঋণাত্মক দৃষ্টিভংগীৰে গ্ৰাহ কৰি পেলাইছে। সময়ৰ সলনিৰ লগে লগে মানুহৰ মনবোৰো ক্ৰমশঃ সলনি হ'বলৈ ধৰিলে। বন্ধুত্বৰ নামত বিশ্বাসঘাটকতা কৰিবলৈ ল'লে। মৰম-চেনেহৰ পৰিভাষাৰো পৰিৱৰ্তন হ'ল। ছাত্ৰ-ছাত্ৰীৰ হাতত আধুনিক আচবাব আহিল। পকেটত বহু ধন




আহিল। চিনেমাৰ ষ্টাইল অনুকৰণ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়িল। নৱাগত - নৱাগতাক আদৰণি জনোৱা ৰেগিং শব্দটোৰ পৰিসৰো ব্যাপক হ'ল। ৰেগিঙৰ নামত লাহে লাহে হোষ্টেলবোৰত আসুৰিক তৃপ্তি লোৱাৰ পৰিৱেশ আহিল। ৰেগিং মানে মদ, ভাং, মাৰ-পিট, যৌন অতিশয্যাই বিশেষ স্থান অধিকাৰ কৰি ল'লে। হোষ্টেলসমূহত নিশা গভীৰ হৈ অহাৰ লগে লগে একো একোটা অমানিশাহে যেন নামি আহিবলৈ ধৰিলে। এক মাৰাত্মক ব্যাধি হিচাপে আৱিৰ্ভাৱ হৈ সৰ্বত্ৰতে চানি ধৰিলে ৰেগিং নামৰ পৰ্বটোৱে। আজিও বহু ছাত্ৰ-ছাত্ৰীয়ে ৰেগিঙৰ ৰোশত পৰি হোষ্টেল এৰিবলৈ বাধ্য হৈছে। পঢ়া-শুনা আধাতে সামৰি ঘৰৰ ল'ৰা ঘৰলৈ উভতিবলগা হৈছে আৰু বহু ছাত্ৰ-ছাত্ৰীয়ে আনকি মানসিক স্থিতিৰতা হেৰুৱাই আত্মহননৰ পথো বাছি লোৱাৰ উদাহৰণো তেনেই কম নহয়। আইন মতে প্ৰতিখন উচ্চ শিক্ষা প্ৰতিষ্ঠানতে ৰেগিং বিৰোধী কোষ থকাটো বাধ্যতামূলক। তৎসত্বেও অসৎ প্ৰবৃত্তিৰ ছাত্ৰ-ছাত্ৰীয়ে সুযোগ বুজি তথাকথিত চিনাকী পৰ্বৰ নামত অত্যাচাৰ আৰম্ভ কৰে। এই পক্ৰিয়া একাংশ জ্যেষ্ঠ ছাত্ৰ-ছাত্ৰীয়ে নৱাগতসকলক নৱাগত আদৰণি সভা নোহোৱালৈকে চলাই নিয়ে। যিটো সংশ্লিষ্ট শিক্ষা প্ৰতিষ্ঠানখনৰ কতৃপক্ষৰ অগোচৰে বৈ যায়।

ৰেগিঙৰ অধিক ভয়াবহতা পৰিলক্ষিত হয় শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ নিৱাসবোৰত। প্ৰত্যেক বছৰেই বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীৰ নিৱাসবোৰলৈ আগমন ঘটে। বহু ছাত্ৰ-ছাত্ৰীয়ে জীৱনত প্ৰথমবাৰৰ কাৰণে চিনাকী ঘৰখন এৰি, মাক-দেউতাকৰ পৰা দূৰত এটা অচিনাকী পৰিৱেশ আৰু অচিনাকী মানুহৰ মাজত থাকিবলৈ গুছি যায় ভৱিষ্যত জীৱন গঢ়াৰ মানসেৰে। ভয় শংকা, নিঃসংগতা আদি আচহুৱা পৰিৱেশৰ মাজেৰে দিনবোৰ অতিবাহিত কৰিবলৈ বাধ্য হয়।

ছাত্ৰ-ছাত্ৰীৰ নিৱাসবোৰত পূৰ্বৰে পৰাই কিছুমান অঘোষিত পৰম্পৰা চলি থাকে। সেইবোৰ আচহুৱা পৰম্পৰাৰ সৈতে নৱাগতসকল জীৱনত প্ৰথম বাৰৰ কাৰণে সন্মুখীন হয়। কিছুমান ছাত্ৰ-ছাত্ৰীয়ে এই আচহুৱা কামবোৰ দেখি হতবাক হয় আৰু এচামে এইয়া হোষ্টেলৰ এক স্বাভাৱিক পৰিঘটনা বুলি মানি লৈ আগুৱাবলৈ যত্ন কৰে। বহু সময়ত এচাম দানৱৰূপী ছাত্ৰ-ছাত্ৰীয়ে নৱাগত সকলৰ ওপৰত শাৰীৰিক তথা মানসিক নিৰ্যাতনৰ পৰ্যায়লৈও নামি যাবলৈ কুণ্ঠাবোধ নকৰে। যাৰ ফলস্বৰূপে বহু প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীয়ে হোষ্টেল এৰি পলাই যাবলৈ বাধ্য হয়। বিশেষকৈ গ্ৰামাঞ্চলৰ পৰা অহা এনে বহু ছাত্ৰ-ছাত্ৰীয়ে পঢ়া আধাতে সামৰি ঘৰলৈ ঘূৰি যোৱাৰ উদাহৰণ অলেখ। অসমৰ বহু নামি দামি কলেজ হোষ্টেলত আজিও ৰেগিং



নামৰ মাৰাত্মক ব্যাধিটোৱে দপ্‌দপাই আছে। মোৰ সম্বন্ধীয় জ্যেষ্ঠ ভাতৃএজনো দুবছৰ পূৰ্বে বৰ বেয়াকৈ ৰেগিঙৰ ৰোশত পৰিছিল। তাক কোৱা হৈছিল যে তলৰ মহলাৰ এটা বাল্টিৰ পৰা চামুচেৰে পানী আনি ওপৰৰ মহলাত থকা আন এটা বাল্টিত থ'ব লাগিব। অন্যথা বিভিন্ন শাস্তিৰ সন্মুখীন হ'ব লাগিব বুলি হুংকাৰ দিছিল। চামুচেৰে পানী কঢ়িওৱাটো জানো সম্ভৱ? তেওঁ সেই কামটো নোৱাৰাৰ বাবেই গোটেই নিশাটো হোষ্টেলৰ গ্ৰিলত ধৰি থিয় কৰাই থয়। ইয়াৰ ওপৰিও আন বহুতো অনৈতিক কাৰ্য কৰিবলৈ বাধ্য কৰায় এচাম জ্যেষ্ঠ ছাত্ৰ-ছাত্ৰীয়ে। যিজনী ছোৱালী বা যিটো ল'ৰাই ঘৰতে কোনোদিন কাপোৰ এটা ধুই নাপালে, তেওঁলোকক আকৌ ছিনিয়ৰৰ কাপোৰ ধুবলৈ বাধ্য কৰোৱা হয়। কলেজত বিভিন্ন ছোৱালীক প্ৰেমৰ প্ৰস্তাৱ দিবলৈ বাধ্য কৰোৱাই। ছাত্ৰৱাস বা ছাত্ৰীনিৱাসবোৰৰ পৰিৱেশ নষ্ট কৰিব খোজা এনে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিন্তু তেনেই তাকৰ। মানসিকতাৰ আঁত বিচাৰি গ'লে দেখা যায়, তেওঁলোকে যি পৰিৱেশত লালিত-পালিত হৈছে, সেই পৰিৱেশ আৰু ঘৰুৱা সংস্কাৰৰ অভাৱেই সেইসকলৰ মানসিকতাক এনেবোৰ অপসংস্কৃতিৰ প্ৰতি অনুপ্ৰাণিত কৰে। তদুপৰি তেওঁলোকে এনেবোৰ কৰ্মৰ মাধ্যমেৰে পৈশাচিক পৰিতৃপ্তি লাভ কৰে আৰু নিজকে আনতকৈ ব্যতিক্ৰম বা শ্ৰেষ্ঠ বুলি দেখুওৱাৰ এক ধৰণৰ প্ৰৱণতা কঢ়িয়াই লৈ ফুৰে। এই শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আজি সমাজ ব্যৱস্থা ধ্বংসৰ গৰাহলৈ গতি কৰিছে। এই দুই চাৰিজন ছাত্ৰ-ছাত্ৰীৰ আচৰণ বা কৰ্ম-কাণ্ডই ৰেগিঙক ঋণাত্মক দিশেৰে ব্যৱহাৰ কৰি ইয়াক মহামাৰী এক ব্যাধিলৈ ৰূপান্তৰিত কৰিছে।

*শেষত সকলোৰে প্ৰতি মই এটাই আহ্বান জনাওঁ যে কোনেও যেন ভাতৃত্বমূলক পৰিৱেশৰ পৰিৱৰ্তে আক্ৰমণাত্মক ভূমিকা লৈ সমাজ কলুষিত নকৰে। নতুন প্ৰজন্ম দেশৰ ভৱিষ্যত।*

ৰেগিঙৰ ভয়াবহতাৰ ৰূপ দিনক দিনে ইমানেই বাঢ়িবলৈ ধৰিছে যে উপায়হীন হৈ ভাৰত চৰকাৰে ৰেগিং প্ৰতিৰোধ আইন



এখন প্ৰণয়ন কৰিবলৈ অৱশেষত বাধ্য হ'ল। শাস্তিমূলক ব্যৱস্থাও কৰা হ'ল। ছাত্ৰ-ছাত্ৰীৰ মাজত ৰেগিঙৰ ভয়াবহতা আৰু কু-প্ৰভাৱ আঁতৰাবলৈ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰাই সজাগতা সভা, বাটৰ নাট আদি পৰিৱেশন কৰা হ'ল। কিন্তু পৰিতাপৰ বিষয় যে ইমান আইন, শাস্তিমূলক ব্যৱস্থা, সজাগতা সভাৰ পাছতো একাংশ শিক্ষানুষ্ঠানত আজিও এই ৰেগিং নামৰ ভয়ানক দস্যুটো নিঃশেষ হৈ যোৱা নাই। শুনা যায় এতিয়াও বহু কলেজৰ হোষ্টেলত নিশা নৱাগতসকলক ছিনিয়ৰে মাদক দ্ৰব্য আনিবলৈ আৰু খাবলৈ বাধ্য কৰোৱা, নানা বেয়া কাম কৰিবলৈ বাধ্য কৰোৱা, সকলোৰে সন্মুখত নগ্ন হ'বলৈ বাধ্য কৰোৱা, এইবোৰ কাম কৰিবলৈ অমান্তিজনক নিৰ্মমভাৱে প্ৰহাৰ কৰা, নিষিদ্ধ বস্তু খাবলৈ বাধ্য কৰোৱা আদি আসুৰিক আনন্দ ওৰে নিশা চলি থাকে। এনেবোৰ হোষ্টেলৰ বহু ক্ষেত্ৰতেই হোষ্টেল অধীক্ষক গৰাকীৰ মৌনতা আৰু অনুপস্থিতি লক্ষণীয়। পোতক তোলাৰ মনোভাৱেও বহুতে বেয়াকৈ ৰেগিং কৰা দেখিবলৈ পোৱা যায়। বিগত বছৰত পোৱা তিক্ত অভিজ্ঞতাৰ বাবে পিছৰ বছৰত সেই ছাত্ৰ-ছাত্ৰীয়েই আকৌ নৱাগতসকলৰ ওপৰত আৰম্ভ কৰে অনুৰূপ আসুৰিক আনন্দ। যেন পুৰুষানুক্ৰমে চলি থাকে ৰেগিং আৰু আসুৰিক আনন্দ।

কেলেজীয়া জীৱনৰ এই ভয়ানক ৰেগিং একেবাৰে শেষ কৰিব পৰা যায় যদিহে কলেজ কৰ্তৃপক্ষ আৰু আইন কৰ্তৃপক্ষ অধিক কঠোৰ হ'ব পৰা যায়। ইতিমধ্যে বহু শিক্ষানুষ্ঠানে নানা প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰি ৰেগিং একেবাৰে নিৰ্মূল কৰিবলৈও সক্ষম হৈছে। সেই ব্যৱস্থাসমূহৰ ভিতৰত নৱাগত-নৱাগতাসকলৰ হোষ্টেল একেবাৰে সুকীয়া কৰি ৰখা, প্ৰথম বৰ্ষ আৰু প্ৰথম যাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীৰ হোষ্টেলৰ চৌহদত ছিনিয়ৰৰ প্ৰৱেশ নিষিদ্ধ কৰা আৰু হোষ্টেল অধীক্ষকগৰাকী একে চৌহদতে ৰখাৰ ব্যৱস্থা কৰি ৰেগিং নিৰ্মূল কৰিব পাৰিছে। ইয়াৰ ওপৰিও হোষ্টেলত চি.চি.টি.ভি. কেমেৰাৰ ব্যৱস্থা কৰিছে, হোষ্টেল বিলাকত ৰেগিং বিৰুদ্ধি সজাগতা সভা আয়োজন কৰিও বহু শিক্ষানুষ্ঠানে সুফল পাইছে। চৰকাৰী আইন আৰু কলেজসমূহৰ নিজাববীয়া প্ৰতিৰোধ ব্যৱস্থাসমূহৰ মাজেৰে ৰেগিং বহুলাংশে কমিছে যদিও একাংশ কলেজ কতৃপক্ষৰ অমনোযোগিতাৰ বাবে ইয়াক একেবাৰে নিপাত কৰিব পৰা নাই।

গতিকে এই ক্ষেত্ৰত ছাত্ৰ সংগঠন সমূহৰো এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। ছাত্ৰ সংগঠনসমূহে ৰেগিঙৰ বিৰুদ্ধে নানান

কাৰ্যসূচী হাতত ল'ব পাৰে। চৰকাৰৰ শিক্ষা বিভাগৰো এইক্ষেত্ৰত কৰণীয় আছে। মুঠৰ ওপৰত আমি ৰেগিঙক ভয়ানক অৱস্থাৰ পৰা মুক্ত কৰিব পাৰো।

ৰেগিঙৰ দ্বাৰা নৱগত-নৱাগতা সকলৰ সৈতে চা-চিনাকী হে তেওঁলোকৰ সুপ্ত প্ৰতিভাসমূহ মুকলি প্ৰকাশ হোৱাৰ এটা সুযোগ সৃষ্টি কৰিব পাৰো। ৰেগিং মানে অত্যাচাৰ নহয়, মন আৰু দেহ নষ্ট হোৱাৰ এক পথেক নহয়। "ৰেগিং" হ'ব লাগে সমনীয়াক বুজিব পৰা এক প্ৰতিযোগিতামূলক আনন্দ, যি আনন্দই ভৱিষ্যত জীৱনক কৰিব পাৰে সক্ষম, সুদক্ষ। ৰেগিং মানসিক আৰু বৌধিক উৎকৰ্ষ সাধনৰ চিনাকী পৰ্ব হোৱা উচিত। কেৱল জীয়াই থকাটোৱেই জীৱন নহয়, যদিহে নাথাকে উপলব্ধি অনুৰণন। জীৱনৰ বহুখিনি কথাই শিকিব পাৰি কলেজীয়া দিনবোৰৰ তিক্ত অভিজ্ঞতাৰ পৰা।

প্ৰত্যেক বস্তুৰে ভাল আৰু বেয়া দুটা দিশ থাকে। আমি সদায় বেয়াটো পৰিহাৰ কৰি ভালটোক আদৰি ল'ব লাগে। ৰেগিঙৰো ভাল বেয়া দুয়োটা দিশেই আছে। ইয়াৰ আক্ৰোশমূলক দিশসমূহ পৰিহাৰ কৰি যদি আমি ইয়াক প্ৰতিভা বিকাশ আৰু জ্ঞানৰ পৰিসৰ সম্প্ৰসাৰণৰ মাধ্যম হিচাপে গ্ৰহণ কৰো, তেন্তে বিদ্যায়তনিক জীৱনত সৰ্বাধিক উৎকৰ্ষ সাধনৰ অৱকাশ আছে।

ৰেগিং সুপ্ত হৈ থকা প্ৰতিভা বিকাশৰ চিনাকী বা ধেমেলীয়া পৰ্ব হৈ উঠক। ইয়াৰ ভয়াবহতা চূড়ান্ত নিন্দনীয়। শিক্ষক, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীৰ যৌথ প্ৰচেষ্টাত এই মাৰাত্মক ব্যাধিৰপৰা বিদ্যায়তনিক জীৱনক সম্পূৰ্ণ মুক্ত কৰাটো এতিয়া সকলোৰে বাবেই খুবেই প্ৰয়োজনীয়। ৰেগিঙৰ নামত কৰা পশুসুলভ আচৰণ কেতিয়াও সভ্য সমাজৰ চৰিত্ৰ হ'ব নোৱাৰে। চৰকাৰে যিমানেই কঠোৰতম আইন প্ৰস্তুত নকৰক কিয়, ইয়াক ৰোধ কৰাটো সম্ভৱ নহয়; যদিহে মানুহৰ মনবোৰ পৰিৱৰ্তন নহয়।

শেষত সকলোৰে প্ৰতি মই এটাই আহ্বান জনাওঁ যে কোনেও যেন ভাতৃত্বমূলক পৰিৱেশৰ পৰিৱৰ্তে আক্ৰমণাত্মক ভূমিকা লৈ সমাজ কলুষিত নকৰে। নতুন প্ৰজন্ম দেশৰ ভৱিষ্যত। হোষ্টেলবোৰেই হৈছে প্ৰকৃত মানৱসম্পদ গঢ়ি তোলাৰ আধাৰস্বৰূপ।

**(বিঃ দ্ৰঃ— প্ৰণৱ কুমাৰ শৰ্মা, পুলকেশ ৰায় বৰুৱা আৰু অৰুণ বৰুৱাদেৱৰ প্ৰবন্ধৰ আঁত ধৰি এই প্ৰবন্ধটো লিখি উলিয়াইছো।)**

◆◆◆◆◆◆◆◆

- *"শিক্ষাই মানুহৰ আত্মবিশ্বাস জাগ্ৰত কৰি স্বাৰ্থহীন মনোভাৱ গঢ়ি তোলে।"* — ঋক্‌বেদ
- *"আমি এনে শিক্ষা বিচাৰোঁ যি শিক্ষাই আমাক চৰিত্ৰৱান হ'বলৈ শিকাব, মনৰ দৃঢ়তা বৃদ্ধি কৰিব, মেধাৰ প্ৰসাৰ ঘটাব আৰু নিজৰ ভৰিত থিয় হ'বলৈ সক্ষম হ'ব।"* — স্বামী বিবেকানন্দ
- *"যি বন্ধুত্ব কেৱল কোনো লক্ষ্য লৈ গঢ়ি উঠে সেই বন্ধুত্ব শেষলৈ বৰ্তি নাথাকে।"*

— যোচেফ পুলিৎজাৰ





# যুৱ-উচ্ছৃংখলতা আৰু আজিৰ সমাজ

**ময়ূৰী ঠাকুৰ**
প্ৰাক্তন ছাত্ৰী




এখন দেশৰ সামগ্ৰিক উন্নয়নৰ মূল চালিকা শক্তি হ'ল- যুৱ সমাজ। কিন্তু বৰ্তমান এই যুৱশক্তিক কেন্দ্ৰ কৰিয়েই সমাজত সৃষ্টি হোৱা এটা প্ৰধান সমস্যা হৈছে যুৱ-উচ্ছৃংখলতা। দিনক দিনে বাঢ়ি অহা এই সমস্যাটোৱে সমাজখনক কলুষিত কৰাৰ লগতে দেশৰ প্ৰতিজন নাগৰিকৰ জীৱনৰ প্ৰতি ভাবুকিৰো সৃষ্টি কৰিছে।

এখন সমাজ গঢ়োতে আজিৰ প্ৰজন্মৰ যুৱক-যুৱতী সকলৰ অৱদান অতি বেছি হোৱা উচিত। যুৱ-প্ৰজন্মই হৈছে এখন দেশৰ গুৰি ধৰোঁতা। এখন সমাজ তথা দেশৰ বাবে ইমান প্ৰয়োজনীয় এই যুৱ-প্ৰজন্মৰ বৰ্তমান নৈতিক স্খলন হোৱাটো অতি চিন্তাৰ বিষয়।

সামাজিক অনুষ্ঠানত নৱ-প্ৰজন্মই আগ ভাগ লোৱা উচিত। কিন্তু আজিৰ নৱ-প্ৰজন্মই আগ-ভাগটো নলয়েই,তাৰ সলনি সামাজিক বাতাবৰণহে বিনষ্ট কৰা দেখা যায়। বিহু সন্মিলন, ধৰ্মীয় অনুষ্ঠান আদিত যুৱচামে বিভিন্ন নিচাযুক্ত দ্ৰব্য সেৱন কৰি সামাজিক পৰিৱেশ বিনষ্ট কৰাও দেখা যায়।

এচাম যুৱ-প্ৰজন্ম এনে চৰিত্ৰৰ যদিও আন এচামো আমাৰ সমাজত আছে যি প্ৰতিটো পদক্ষেপতে সমাজ তথা দেশকো উচিত বৰঙণি আগবঢ়াই আহিছে। ভোটদান, এই ক্ষেত্ৰত ল'বলগীয়া অতি গুৰুত্বপূৰ্ণ পদক্ষেপ। আজিৰ দিনত যুৱচামৰ ভোটদানৰ প্ৰতি আৰ্কষণ বৃদ্ধি পাবলৈ ধৰিছে। তেওঁলোকে সমাজ তথা দেশৰ উন্নতিৰ বাবে এজন উচিত তথা যোগ্যৱান ব্যক্তিক ভোট দি জয়যুক্ত কৰি দেশলৈ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াই আহিছে। ছাত্ৰ নেতাসকলেও সুখ্যাতিৰে উত্তীৰ্ণ হোৱা

ছাত্ৰ-ছাত্ৰী সকলক অভিনন্দন জ্ঞাপন কৰি শৈক্ষিক জগতখনলৈ উল্লেখনীয় বৰঙণি আগবঢ়াই আহিছে।

কোনো উঠি অহা ডেকা-গাভৰুৱে স্ব-ইচ্ছাই উচ্ছৃংখল আচৰণ প্ৰদৰ্শন নকৰে। ইয়াৰ বাবে আন কিছুমান বিষয়হে জগৰীয়া। যুৱ সমাজৰ এচাম বিপথে যোৱাৰ মূল কাৰণ বিচাৰিবলৈ গ'লে পৰিয়াল, সমাজ, ৰাজ্য তথা দেশৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ কথা আহি পৰে। এটি সন্তানে শৈশৱৰেপৰা পৰিয়ালৰ সদস্যসকলক অনুকৰণ কৰে। সাম্প্ৰতিক সমাজত কম বয়সীয়া যুৱক-যুৱতীক তেওঁলোকৰ ইচ্ছামতে সকলো ভোগ কৰিবলৈ এৰি দিয়াৰ বাবে প্ৰথম জগৰীয়া তেওঁলোকৰ অভিভাৱকসকল। অভিভাৱক সকলে নিজৰ সন্তানৰ বাবে নিজাকৈ সময় উলিয়াই তেওঁলোকক নৈতিক শিক্ষা কিছুমান প্ৰদান কৰা উচিত। টেলিভিছন যোগে প্ৰচাৰিত চেনেল সমূহৰ কোনকেইটা জ্ঞানবৰ্ধক আৰু চোৱাৰ উপযোগী সেয়া সৰুতে শিশুক নিৰ্ধাৰণ কৰি দিয়াটো অভিভাৱকৰ কৰ্তব্য। অভিভাৱকৰ অনুশাসনহীনতাই যুৱ সমাজত উচ্ছৃংখলতাৰ বীজ ৰোপণ কৰাত ইন্ধন যোগায়। অভিজাত পিতৃৰ ধনেৰে যেতিয়া যুৱ সমাজৰ কোনো কোনোৱে বিলাসী গাড়ী, বাইকত উঠি হাতে হাতে ম'বাইল ফোন লৈ, পঢ়াৰ নামত বেগিং আদিৰে সহপাঠী বা অন্যান্য পথৰুৱাক মানসিকভাৱে ভাৰাক্ৰান্ত কৰে তেতিয়া সমাজৰ অভিভাৱক সকলৰ অনুশাসনহীনতাৰ তুলুঙা স্বৰূপ উদং খাই পৰে।

সম্প্ৰতি শিক্ষাগত অৰ্হতা থকা স্বত্বেও উপযুক্ত সংস্থাপনৰ অভাৱত দেখা দিয়া নিবনুৱা সমস্যাই যুৱ-প্ৰজন্মক হতাশাগ্ৰস্ত কৰি তুলিছে। এনে কাৰণতে বিভিন্ন যুৱক-যুৱতীয়ে দৰিদ্ৰতাৰ গ্ৰাসৰ পৰা মুক্ত হ'বলৈ উগ্ৰপন্থীৰ দৰে কিছুমান দলত অংশগ্ৰহণ কৰি সমাজখনলৈ বিপদ চপাই আনিছে।

যুৱ-উচ্ছৃংখলতাৰ অন্য এক কাৰক হ'ল নিচাযুক্ত দ্ৰব্য। মদ, ভাং, কানি আদিৰ দৰে নিচাযুক্ত দ্ৰব্য সেৱন কৰি সামাজিক বাতাৱৰণ বিনষ্ট কৰাৰ লগতে নিজৰ জীৱনলৈও বিপদ মাতি আনিছে।

যুৱ-উচ্ছৃংখলতাই ব্যক্তিগতভাৱে ক্ষতি কৰাৰ উপৰিও সমাজ, অৰ্থনীতি, ৰাজনীতি, আদি সকলো দিশতে ক্ষতি কৰে। এনে এক অশুভ শক্তিক ৰোধ কৰাৰ প্ৰথম উপায় হ'ল যুৱ-শক্তিক সদায় ভাল কাম আৰু ভাল চিন্তাত প্ৰবিষ্ট কৰি ৰখা। দ্বিতীয়তে, পিতৃ-মাতৃ, সমাজৰ অগ্ৰণী লোক, শিক্ষক আৰু চৰকাৰো সদা সচেষ্ট হ'ব লাগিব। ঘৰুৱা পৰিৱেশ উন্নত হ'ব লাগিব। বিদ্যালয়ৰ পাঠ্য-পুথিৰ উপৰিও সাংস্কৃতিক ক্ষেত্ৰত যেনে-গীত-নৃত্য, খেলা-ধুলা আদিৰ ক্ষেত্ৰত আগ-ভাগ ল'বলৈ শিকাব লাগিব। ঘৰখনেই যুৱ-প্ৰজন্মৰ নৈতিক স্খলন, উচিত শিক্ষাৰ দ্বাৰা ৰোধ কৰিব পাৰে। তেওঁলোকৰ মনত সমাজৰ প্ৰতি এক দায়িত্ববোধ থকাৰ কথা অনুভৱ কৰাব পাৰে।

যুৱ-মানসত এবাৰ উচ্ছৃংখলতাই খোপনি পুতিলে জাতি তথা দেশৰ অধঃপতন অনিবাৰ্য। সেইবাবে আমি সকলোৱে একত্ৰিত হৈ দেশৰ প্ৰাণস্বৰূপ যুৱ-সমাজক, উচিত পথ দেখুৱাই সমাজখনৰ উন্নতিত সহায় কৰি এখন সুন্দৰ সমাজ গঢ় দিয়াত সহায় কৰা উচিত।

♦♦♦♦♦♦♦♦

- *"অসমীয়া ভাষা আমাৰ মাতৃভাষা। মাতৃৰ নিচিনা বাবেই মাতৃয়ে বেজাৰ পোৱা কাম কৰা সন্তানসকলৰ পক্ষে অতি অযুগুত। ইয়াকে জানি অসমীয়াসকলে মাতৃভাষাৰ প্ৰতি শ্ৰদ্ধা আৰু ভক্তি প্ৰকাশ কৰা উচিত।"*— আনন্দৰাম ঢেকীয়াল ফুকন
- *আনে মোৰ বিষয়ে কি কয় সেইটো গুৰুত্বপূৰ্ণ কথা নহয়। মই পিছে কি কৰিম আৰু ক'ম সেইটোহে গুৰুত্বপূৰ্ণ।"*— ৰবীন্দ্ৰনাথ ঠাকুৰ





# যুৱ প্ৰজন্ম, সমাজ, বিতৰ্ক ইত্যাদি

**তীক্ষ্ণজ্যোতি হাজৰিকা**
পঞ্চম ষাণ্মাসিক




বৰ্তমান সামাজিক ব্যৱস্থাত বহুচৰ্চিত, আলোচিত আৰু সমালোচিত এক অন্যতম বিষয় হৈছে যুৱপ্ৰজন্ম। যুৱপ্ৰজন্ম বুলি ক'লে সাধাৰণতে আমি নিৰ্দিষ্ট বয়স তথা নিৰ্দিষ্ট আওতাৰ মাজত সীমাবদ্ধ এক শ্ৰেণীৰ লোকক বুজো যদিও নিজস্ব মানসিক শক্তিৰ বলত বহু লোক আজীৱন যুৱক তথা এক স্থিত মানসিক প্ৰজ্ঞাৰ অধিকাৰী হৈ পৰে। সেয়েহে হয়তো স্পেইনৰ বিশিষ্ট চিত্ৰশিল্পী কবি, সাহিত্যিক পাবলো পিকাছোৱে কৈছিল " যুৱক সকলৰ কোনো নিৰ্দিষ্ট বয়স নাই" অন্য এজন ইংৰাজ সাহিত্যিক G.K.Chenterton এ কৈছিল "No man known he is young, when he is young".

সি যি কি নহওক, এই যুৱপ্ৰজন্ম তথা যুৱশক্তি হৈছে দেশৰ চালিকা শক্তি, দেশৰ ভৱিষ্যত হিচাপে ইয়াক আখ্যায়িত কৰি আহিছে। ই নিঃসন্দেহে সত্য। যুৱসমাজক আৰ্থ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, শৈক্ষিক, ক্ৰীড়া আদি সকলো দিশতে জড়িত কৰি এখন সুস্থ সমাজ গঠন কৰিব পাৰি। দেশৰ প্ৰগতিৰ পথত বাট বুলাব পাৰি, গৌৰাম্বিত কৰিব পাৰে।

বৰ্তমান সময়ত এই নৱপ্ৰজন্ম গভীৰ বিৰ্তকৰ আৱৰ্তত। সমালোচনাৰ বিষয় বস্তু হৈ পৰিছে। অৱশ্যে কোনো বিষয় সমালোচনাৰ উৰ্দ্ধত নহয়। সুস্থ গঠনমূলক সমালোচনাই বিষয় এটাক সুস্থিৰে ৰূপ প্ৰদান কৰে, এটা ধাৰণা সৃষ্টিত সহায় কৰে। ইয়াৰ বিপৰীত হ'লে বিষয়টো হৈ পৰে অনাকাংক্ষিত, অস্পষ্ট, কিম্ভুত। এনে সন্ধিক্ষণত প্ৰত্যেকজন যুৱপ্ৰজন্মৰ প্ৰতিনিধিৰ নিজস্ব দায়িত্ব আছে। অৱশ্যে এইখিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে, প্ৰত্যেকজন যুৱকে নিজকে এক নিৰ্দিষ্ট আৰ্দশত পৰিচালিত কৰিব বিচাৰে। যেতিয়া ইয়াত বাধাৰ সৃষ্টি হয়, তেতিয়াই সংঘাতে দেখা দিয়ে আৰু যেতিয়া এক সুস্থ মূল্যবোধৰ

অভাৱ ঘটে তেতিয়াই সৃষ্টি হয় যুৱ উচ্ছৃংখলতা। যেতিয়া এই পৰিমাণ অধিক হয় তেতিয়াই কিছু অনাকাংখিত পৰিস্থিতিৰ সৃষ্টি হয়। কিছু ক্ষেত্ৰ মানৱীয় মৰ্য্যদাৰ ভূলুণ্ঠিত হয়। ইয়াৰ উদাহৰণ নিশ্চয় সকলোৰে হাতত আছে।

যুৱ সমাজ প্ৰচণ্ড মানসিক শক্তি, আত্মবিশ্বাস প্ৰজ্ঞাৰ অধিকাৰী। গতিকে সমাজৰ দায়িত্ব হৈছে এই শক্তিক সু-পথে পৰিচালিত কৰা, মূল্যবোধ সম্পন্ন এজন সু-নাগৰিক ৰূপে গঢ়ি তোলা। এই খিনিতে এটা কথাৰ প্ৰতিয়ো সমাজে দৃষ্টি নিক্ষেপ কৰিব যে যুৱপ্ৰজন্মই এক সুস্থ আদৰ্শ বিচাৰে, সমালোচনা নহয়। আমেৰিকাৰ জনপ্ৰিয় বাস্কেট ব'ল খেলুৱৈ "John Wooden" য়ে এই ক্ষেত্ৰত এক তাৎপয্যপূৰ্ণ মন্তব্য আগবঢ়াই থৈ গৈছে। তেওঁ কৈছিল "Young people need model not critic"। সমাজৰ তথাকথিত সৎ পথৰ পৰা বিচলিত সকলৰ প্ৰতি সমাজৰ দায়িত্ব আছে। তেওঁলোকৰ এই সমস্যাবোৰ কেৱল এটা প্ৰজন্মৰ সমস্যা নহয়। এখন সমাজৰ সমস্যা। সামূহিক হতাশাৰ ফলতেই সৃষ্টি হয় এই মানসিক অস্থিৰতাৰ। যিবোৰ আমি তেওঁলোকৰ দৈনন্দিন কাম-কাজত লক্ষ্য কৰিব পাৰো। গতিকে বহল পৰিসৰত মানৱীয় গুণবোৰ অধ্যয়ন আৰু অনুশীলনৰ প্ৰয়োজন।

বৰ্তমান সমাজ ব্যৱস্থা ভোগবাদী সমাজ। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ আশীৰ্বাদেৰে পুষ্ট। সৎ আৰু অসৎ, ন্যায় আৰু অন্যায়ৰ যুঁজৰ মাজত দুদোল্যমান এই সমাজ। পূৰ্ব্বৰ প্ৰাকৃতিকভাৱে শান্ত সমাহিত পৰিৱেশৰ বিপৰীতে ৰাজনৈতিক, অৰ্থনৈতিকভাৱে বিশৃংখলিত সমাজ। পুঁজিবাদী ৰাষ্ট্ৰৰ হাতোৰাত বন্দী এই দেশ, এই সমাজ। এনে পৰিৱেশত যুৱপ্ৰজন্মৰ স্বাভাৱিক উল্লাসিত জীৱন অতীতৰ বুকুত জাহ গৈছে। অস্পষ্ট, সন্দিহান হৈ পৰিছে ভৱিষ্যতৰ পথ। এনে ভোগবাদী সমাজৰ আশীৰ্বাদত যুৱক-যুৱতীসকল স্বাভাৱিকতেই উচ্চাকাঙ্খী হৈ পৰিছে। আৰু এই যুঁজত তিষ্ঠিব নোৱাৰাসকলেই হৈ পৰিছে বিপথগামী অৱশ্যে তাক অনুকৰণ- অবাঞ্চনীয়।

যিহেতু যুৱসমাজেই দেশৰ মেৰুদণ্ড গতিকে যুৱকসকলৰো যথেষ্ট দায়িত্ব আৰু কৰণীয় আছে। যুৱকসকলে অন্যায়ৰ বিপক্ষে আদৰ্শৰ যুঁজ আগবঢ়াব লাগিব। বিশৃংঙ্খলতাৰ পৰিৱৰ্তে শৃংখলা, অশান্তিৰ পৰিৱৰ্তে শান্তি স্থাপনৰ দায়িত্ব এই যুৱপ্ৰজন্মৰ। মহাত্মা গান্ধীৰ ভাষাৰে যদি আমি বিশ্বশান্তি বিচাৰো তেন্তে আমি এই সমাজৰ পৰাই আৰম্ভ কৰিব লাগিব। আমাৰ সমাজ ব্যৱস্থাত কিছুমান প্ৰাচীন জনপ্ৰিয় সংস্কৃতি আছে। যিবোৰ বাস্তৱতাৰ যুঁজত অস্থিৰ সংকটময় হৈ গৈছে। এনে ক্ষণত যুৱ সমাজে যুক্তিৰ আধাৰত সুস্থ মগজুৰ চিন্তাধাৰা আৰু সত্যনিষ্ঠ আলোচনাৰে এক বাস্তৱিক ৰূপ প্ৰদান কৰিব লাগিব। এই ক্ষেত্ৰত লক্ষণীয় দিশ হ'ব অনাকাংখিত ফলাফল তথা হিতে বিপৰীত হৈ এক কংকালময় সংস্কৃতি তথা প্ৰথাৰ সৃষ্টি নহয় সেই দিশত চকু দিয়াটো। ইয়াৰ বাবে যুৱ প্ৰজন্মক লাগিব পৰিৱেশ আৰু পৰিস্থিতিৰ মাজত সঠিক সংযোগ স্থাপন। তাৰবাবে প্ৰত্যেকজন প্ৰতিনিধি হ'ব লাগিব যুক্তিৰে পৰিচালিত আৰু উপযুক্ত সময়ত উপযুক্ত সিদ্ধান্ত গ্ৰহণ কৰিব পৰা ক্ষমতাৰ অধিকাৰী। তেতিয়া হয়তো নিৰাশাৰ মাজত আশাৰ, অন্ধকাৰৰ মাজত কিছু পোহৰৰ ৰেঙণিৰ সঞ্চাৰ ঘটিব।

যুৱসমাজ বিভিন্ন সময়ত বিভিন্ন ৰাজনৈতিক অৰাজনৈতিক সংগঠনৰ সদস্যা হৈ পৰে। সংগঠনৰ আদৰ্শৰ সৈতে স্পষ্ট ধাৰণাৰ অবিহনে হৈ পৰে সংগঠনৰ কৰ্মী। ফলত বিভিন্ন যুঁজৰ নীতি আদৰ্শহীনতাৰ প্ৰতিফলনৰ ফলত এই সংগঠনৰ যুঁজবোৰ আদৰ্শৰ যুঁজৰূপে প্ৰতিষ্ঠা কৰিব পৰা নাই। ফলাফল মূল লক্ষ্যৰ পৰা বিচলিত ভোগবাদী সমাজৰ জনপ্ৰিয় সংস্কৃতি আদৰ্শৰ যুঁজৰ পৰিপন্থী অনাগত ভৱিষ্যতৰ হাতত। গতিকে বিষয়বোৰ আলোচনাৰ আওতালৈ অনাটো বাঞ্চনীয়। অন্যথা অনাগত ভৱিষ্যতে হৈ পৰিব বেছি অস্থিৰ, এখন ধূসৰিত ছবি।

◆◆◆◆◆◆◆◆





# অন্ধবিশ্বাসৰ পৰা বৈজ্ঞানিক চিন্তাধাৰালৈ কেতিয়া ?

দেৱজিৎ বৰগোঁহাই
প্ৰাক্তন ছাত্ৰ



সাম্প্ৰতিক সময়ত আমি দেখিবলৈ পাইছো যে আমাৰ সমাজত ডাইনী হত্যা, নৰবলি, সোপাধৰা, পিছলা মানুহ, পঠালি কোমোৰা, জৰা-ফুকা, তন্ত্ৰ-মন্ত্ৰ ইত্যাদি অমূলক অবান্তৰ ঘটনাবিলাক ঘটিবলৈ ধৰিছে। ইয়াৰ পৰা ধাৰণা কৰিব পাৰি যে আমাৰ সমাজৰ গৰিষ্ঠসংখ্যক মানুহ আজিও অন্ধবিশ্বাসৰ কবলৰ পৰা মুক্ত হ'ব পৰা নাই। আচলতে শিক্ষিত সমাজখনৰ নেতৃস্থানীয় ব্যক্তিসকল ইয়াৰ পৰা বিশেষকৈ মুক্ত হ'ব পৰা নাই। যেনে ধৰক ডাক্তৰ, শিক্ষক, প্ৰশাসনৰ বৰমুৰীয়াসকল, সংগঠনবিলাকৰ নেতৃত্ব দিয়া সকল, চৰকাৰ চলোৱা ৰাজনৈতিক দলৰ নেতাসকল।

চাবলৈ গ'লে ডাক্তৰ এজনে জৰা-ফুকা, তন্ত্ৰ-মন্ত্ৰৰ পৰা আঁতৰি সঠিক বিশ্লেষণাত্মক বৈজ্ঞানিক দৃষ্টিভংগীৰে ৰোগী এজনক চিকিৎসা আগবঢ়াই কিন্তু ৮০ শতাংশ চিকিৎসকে গ্ৰহ দোষৰ পৰা হাত সাৰিবলৈ আঙঠি, তাবিজ পিন্ধি থাকে। বিজ্ঞান শিক্ষক এজনে বিশ্বব্ৰহ্মাণ্ডৰ পৰা ভূ-বিজ্ঞান, পদাৰ্থ বিজ্ঞানৰ লগতে ৭২ টা মৌলিক পদাৰ্থৰে পৃথিৱীখন গঠিত দেহ, তত্ত্ব ইত্যাদি বিষয়ত শিক্ষাদান দিয়াৰ পিছতো তেখেতো অন্ধবিশ্বাসত বুৰ যোৱা আ-অলংকাৰে পৰিবিষ্ট। প্ৰশাসনৰ বৰমূৰীয়াসকলৰ দায়িত্ব হ'ল, ডাইনী হত্যা, পিছলা মানুহ, সোপাধৰা ইত্যাদি ওলালে শান্তি সভা, জনসাধাৰণক অন্ধবিশ্বাসৰ পৰা মুক্ত কৰিবলৈ সজাগতা সভা

পতাৰ। কিন্তু এইসকল হ'ল দুৰ্নীতিত লিপ্ত হৈ পেট গেৰেলা কৰা অন্ধবিশ্বাসত পোত যোৱা লোক। সংগঠনৰ নেতৃত্ব দিয়াসকলৰো একেই দশা। এইসকলৰ সৰহ ভাগেই অন্ধবিশ্বাসত পোত যোৱা। জাতিৰ মুক্তি, সম্পদৰ অধিকাৰৰ কথা কোৱা ছাত্ৰ, যুৱ তথা অন্যান্য সংগঠনসমূহে যদি কয় ডাঙৰকৈ জাগ-যজ্ঞ তথা তাবিজ, আঙঠি পিন্ধিলেই যদি সমস্যা সমাধান হয় তেনেহ'লে আমি সকলোৱে মিলি তাকেই কৰো। কাৰণ তেতিয়া আমি ৰাজপথত নামি কষ্ট কৰিব নালাগে আৰু আমাৰ অধিকাৰো ঘূৰাই পাম। যিহেতু সকলো ব্যক্তি মিলি এখন সমাজ গঠন হয়। এতিয়া আহো চৰকাৰ চলোৱা ৰাজনৈতিক দলবোৰলৈ। এইসকল বাকী সকলতকৈ এগুণ চৰা। যিসকলে ডিজিটেল ইণ্ডিয়া, মেক ইন ইণ্ডিয়াৰ কথা কয়, সেইসকলে মানুহৰ মনৰ পৰা অন্ধবিশ্বাস মুক্ত কৰি বিজ্ঞান মনস্কতা গঢ়ি তুলিবলৈ আগভাগ লোৱাতকৈ, সেইসকলৰ নেতৃত্বতহে অন্ধবিশ্বাসক গাঢ় কৰি তুলিবলৈ চেষ্টা কৰিছে। এনেকৈ কৰিছে যেন আমি সকলোৱে নতুন পৰিবৰ্তনৰ দিশলৈ গতি কৰিছো। কিন্তু বাস্তু-শাস্ত্ৰ চাইহে সকলো কাম-কাজলৈ আগবাঢ়ে। ইহঁতে আমাৰ সমাজখনক দুদোল্যমান অৱস্থাত ৰাখিছে। প্ৰাচীন কালৰে পৰা শাসক শ্ৰেণীৰ ফৰ্মূলা হ'ল দেশৰ জনগনক অন্ধবিশ্বাসত বুৰাই থোৱা। যাতে শোষণৰ ৰাস্তাটো সঠিক ৰূপত ধৰি ৰাখিব পৰা যায়। আৰু যিসকলে সমাজক নতুন চিন্তা দি প্ৰগতিৰ দিশত আগবঢ়াই সঠিক তথ্য দিবলৈ চেষ্টা কৰে সেইসকলক আক্ৰমণ কৰি নিঃশেষ কৰে। যেনে— কপাৰনিকাচ, গেলিলিও। কিন্তু বৰ্তমান সময়ত আক্ৰমণৰ পদ্ধতি সলনি হৈছে। মুঠতে অন্ধবিশ্বাসৰ মুখ্য পৃষ্ঠপোষক আমাৰ এই শাসকবোৰেই।

এতিয়া আহোঁ আচল কথালৈ। যদি এনেকৈয়ে আমাৰ সমাজত আগস্থান লৈ থকা ব্যক্তিসকলে অসচেতনভাৱে সমাজখনক বিপথে পৰিচালিত কৰি থাকে, তেনেহ'লে সমাজৰ দৰিদ্ৰ অশিক্ষিত লোকসকলৰ মাজত এনেকৈয়ে ডাইনী হত্যা, নৰবলি ইত্যাদি ঘটনাবিলাক ঘটিয়েই থাকিব। আৰু নৱ প্ৰজন্মই নিউটনৰ গতি সূত্ৰ, আইনষ্টাইনৰ আপেক্ষিকতাবাদ, ডাৰউইনৰ ক্ৰমবিকাশৰ তত্ব, বিশ্বব্ৰহ্মাণ্ডৰ বিষয়ে গভীৰ অধ্যয়ন নকৰি মুখস্থ বিদ্যাহে গ্ৰহণ কৰিব। গতিকে আজিৰ সময়ত আমি ইয়াকে আহ্বান জনাব বিচাৰো যে — ছাত্ৰ সমাজেই অন্ধবিশ্বাসৰ প্ৰতিৰোধৰ ব্যৱস্থা কৰক। পাৰিলে সুযোগ-সুবিধা বুজি প্ৰতিষ্ঠিত ব্যক্তিসকলক, অন্ধবিশ্বাসৰ বিষয়ে অলংকাৰ পিন্ধি থকাজনক প্ৰশ্ন কৰক; কি, ক'ত, কেতিয়া, কিয়, কেনেকৈ বিখ্যাত। যদি সম্ভৱ হয় নিজৰ মাজতে গোট গঠন কৰি অন্ধবিশ্বাসৰ ওপৰত অধ্যয়নৰ ব্যৱস্থা কৰক। ছাত্ৰ সমাজ জাগ্ৰত হ'লেই সমাজৰ পৰা ডাইনী হত্যা, নৰবলি ইত্যাদি সমস্যাবিলাকৰ অন্ত পৰিব। সমাজৰ মানসিক উৎকৰ্ষ সাধন হ'ব। নহ'লে শোষিত, নিষ্পেষিত, খাটিখোৱা নিপীড়িত জনগণ সদায় অন্ধকাৰতে থাকিব আৰু বৰমূৰীয়াসকলে শোষণৰ সুবিধাৰ্থে সদায়ে ৰাইজক বিপথে পৰিচালিত কৰি থাকিব।

◆◆◆◆◆◆◆◆

- *"সাক্ষৰতা আৱশ্যকীয়, কিন্তু কেৱল সাক্ষৰতাই শিক্ষা নহয়। যদি মানৱ শিক্ষাৰ লগত জ্ঞানৰ সংযোগ নাথাকে তেন্তে শিক্ষা অভিশাপ স্বৰূপহে হয়।* — ৰাধাকৃষ্ণন
- *"সকলোকে ভাল পাবা কিন্তু সকলোকে বিশ্বাস নকৰিবা। সেই বুলি কাৰো প্ৰতি অহিতকৰ কাম নকৰিবা।"* — শ্বেক্সপীয়েৰ
- *"প্ৰকৃত ছাত্ৰই কেতিয়াও খ্যাতি, ক্ষমতা নাইবা আমোদ নিবিচাৰে, তেওঁ বিচাৰে কেৱল জ্ঞান আৰু সত্য।"* — পদ্মনাথ গোহাঞিবৰুৱা
- *"নিজৰ ওপৰত বিশ্বাস নথকা লোকে কোনো কামতে সফলতা লাভ কৰিব নোৱাৰে।"*

  — নেপোলিয়ন বোনাপাৰ্ট





# সময়

**বনিশা শইকীয়া**
পঞ্চম যাণ্মাসিক, অসমীয়া বিভাগ



সময় পাখিলগা কাঁড়ৰ দৰে, যি এবাৰ গ'লে ঘূৰি নাহে। "এটি এটি ক্ষণ যেন মুকুতাৰে ধন, এনেয়ে হেৰুৱালে নাহে উভতি"— ড° ভূপেন হাজৰিকাদেৱেও কৈ গৈছে। গতিকে মানুহে সময়ৰ মূল্য বুজি কাম কৰিব লাগে। কিছুমানৰ মতে সময় বৰ নিষ্ঠুৰ আৰু কিছুমানৰ মতে সময়ৰ কাল-বলুকাত বহুতো দুখ-বেদনা আদি নিশ্চিহ্ন হৈ যায় আৰু আমি জীয়াই থাকিবলৈ প্ৰেৰণা পাওঁ। পাহৰণিৰ গৰ্ভত লীন যায় বহু তিতা-মিঠা স্মৃতি। সকলো স্তব্ধ হ'লেও সময় ৰৈ নাথাকে। টিক্ টিক্ ঘড়ীৰ কাঁটা ঘূৰিয়ে থাকিব।

আজি এনে লাগিছে যেন সময় সঁচাকৈ বৰ নিৰ্দয়। কাৰো আহ্বানলৈ ই কেৰেপ নকৰে। মাথোঁ নিজৰ গতি পথত আগবাঢ়ে অবিৰাম। এই সময়ে এদিন আঁতৰাই লৈ যাব মোক, মোৰ মৰমৰ মহাবিদ্যালয় আৰু ছাত্ৰী নিবাসৰ পৰা। ভাৱিলে আচৰিত লাগে যে সেইদিনা আহিছিলোহে আকৌ যাবৰ হ'লেই। সৌ সিদিনা মহাবিদ্যালয়ৰ বাটচ'ৰাৰ কৃষ্ণচূড়াজোপাই হাত বাউল দি মাতি সম্ভাষণ জনাইছিল। "স্বাগতম সখী" বুলি। আজি দেখিছো দুখে-বেজাৰে বিহ্বল হৈ ৰৈ আছে সেই বিদায়ৰ মুহূৰ্তটোলৈ। কিয় এনেকুৱা হয় আমি যি নিবিচাৰো সেয়াই কৰিবলৈ সময়ে আমাক বাধ্য কৰায়। মহাবিদ্যালয়লৈ অহাৰ আগতে জানিছিলো যে তিনিবছৰৰ অন্ততঃ যাবগৈ লাগিব। তেতিয়া নতুন আছিলো বাবে কথাটো ভাবি দুখ লগা নাছিল। কিন্তু যেতিয়া লাহে লাহে দিন বাগৰিব ধৰিলে, বহুতো নতুন নতুন বন্ধু- বান্ধৱী গোট খালে, শিক্ষকসকলৰ সৈতে চিনাকী হ'লো, ছাত্ৰী নিবাসৰ প্ৰতি গৰাকী সদস্যৰ সৈতে আন্তৰিকতা গঢ় লৈ উঠিল, তিনিচুকীয়াৰ বজাৰখন, মানুহবোৰ অচিনাকীৰ পৰা চিনাকী হৈ পৰিল তেতিয়াই সমাগত হ'ল বিষাদৰ ছায়া, সেয়া হৈছে বিদায়ৰ ক্ষণ।

অন্তৰ ভাঙি অশ্ৰুৰ নৈ বব খোজে। কিন্তু কিহবাই যেন তাক ৰুদ্ধ কৰি ৰাখিছে। হে, তিনিচুকীয়া মহাবিদ্যালয় কিয় ইমান মৰম, ভালপোৱা, আন্তৰিকতা দিলা যে আজি যাবৰ পৰত হিয়াখনি ভাগি গৈছে। কিয় জীৱনৰ আটাইতকৈ মধুৰতম ক্ষণ দিলা যাক স্মৃতিস্বৰূপে সজাবলৈ তুলিকাৰ অভাৱ। কিয় এই দিশহীন পথিকক এটা দিশ দেখুৱালা, এই পৰিভ্ৰমী পখীক জিৰাবলৈ খন্তেক ছায়া দিলা আৰু এতিয়া তোমাৰ বিশাল বাহুবন্ধনৰ পৰা মুক্ত কৰিব বিচাৰিছা। আমি যি হেৰুৱাব নোখোজো সেয়াই হেৰুৱাবলগীয়া হয়। এই নিদাৰুণ সত্য মানিবলৈ মোৰ ইচ্ছা নাই। কিন্তু কোনে শুনিব মোৰ হিয়াৰ বিননি। নাযাওঁ বুলি ক'লেও যাবই লাগিব। কিয়নো আমি প্ৰকৃতিৰ হাতৰ কাঠপুতলা, সময়ৰ হাতত নিৰুপায়। এই সকলো জানিও আজি অবুজন হ'বৰ মন।

পাহৰিব নোৱাৰা স্মৃতি হৈ ৰ'ব তিনিচুকীয়া মহাবিদ্যালয় আৰু এই মহাবিদ্যালয়ৰ ছাত্ৰী নিবাস। ছাত্ৰী নিবাসৰ প্ৰতিটো কোঠা, প্ৰতিখন খিৰিকী, প্ৰতিটো মুহূৰ্ত মনত পৰিব। হাঁহি-ধেমালি, উৎপাত, কাজিয়া চিৰদিন মনত ৰ'ব। হে, তিনিচুকীয়া মহাবিদ্যালয় তোমাক শতকোটি প্ৰণাম। তুমি যাচিলা মোক এনে বন্ধু- বান্ধৱী যি হৈ পৰিছে মোৰ অতিকৈ আপোন। যিসকলক মই বহুত ভাল পাওঁ আৰু কাহানিও হেৰুৱাব নোখোজো। তুমি দিলা মোক এনে মৰমলগা ভাইটি-ভন্টি যি মোক অনবৰতে বা, বা বুলি মাতি থাকে। এনে শিক্ষক যাচিলা যি আমাৰ সৈতে ধেমালি কৰাৰ লগতে আমাক ব্যৱহাৰিক জ্ঞানতকৈ জীৱনত প্ৰয়োজনীয় কথা শিকায়। বিশেষকৈ শ্ৰেণীকোঠাত উৎপাত কৰিলে যেতিয়া গালি দিয়ে তেতিয়া অধিক উৎপাত কৰিবৰ মন যায়। বহুত মনত পৰিব এই মহাবিদ্যালয়ৰ সোণালী উদ্যান (বন্ধুবৰ্গৰ লগত দিয়া আড্ডা), অসীম দাৰ কেন্টিন (য'ত অসীম দা এইটো লাগে, সেইটো লাগে বুলি কৰা উৎপাত), আমাৰ অসমীয়া বিভাগ (য'লৈ দিনটোত কতবাৰ যে চিৰিৰে উঠা-নমা কৰো কিন্তু ভাগৰি নপৰো), বন্ধু-বান্ধৱীৰ সৈতে কৰা প্ৰতিটো ধেমালি (কামোৰ বোৰ), কাৰোবাৰ আগমণত মনত সহস্ৰ গোলাপ ফুলি উঠা। আজি সকলো চকুৰ আগত ভাঁহি আহিছে। ভৱা নাছিলো যে ইমান সুন্দৰ হ'ব মোৰ এই মহাবিদ্যালয়ৰ জীৱন। ইমান আপোন হৈ পৰিব মহাবিদ্যালয়ৰ এটি এটি বস্তু। "সাৱধান! ওপৰৰ পৰা মূৰত বেল পৰিব পাৰে" এই ফলকখন সকলোৰে চিনাকি। নহয় জানো।

প্ৰতিটো সোণালী মুহূৰ্ত স্মৃতিৰ মৌচাকত সাঁচি এদিন যামগৈ। যোৱাৰ পৰত অশ্ৰুৰে বিদায় নিদিওঁ তোমাক হে,তিনিচুকীয়া মহাবিদ্যালয়। জীৱনত হাঁহিবলৈ শিকালা, নানা সমস্যাৰ মাজতো সাহসেৰে সকলোৰে মুখামুখি কৰিবলৈ শিকালা, গতিকে হাঁহিৰে বিদায় জনাম তোমাক। আমি গৰ্বিত যে তোমাৰ বুকুত ওমলিবলৈ সুযোগ পালো।

জয় তিনিচুকীয়া মহাবিদ্যালয়।

◆◆◆◆◆◆◆◆

- আনে কি কৰিছে সেই কথা ভবাতকৈ নিজে কি কৰিছা সেইকথা ভবাহে বেছি দৰকাৰ। — ৰাজা ৰামমোহন ৰায়
- মহৎ কাম মহৎ ত্যাগৰ যোগেদিহে সম্ভৱ। — স্বামী বিবেকানন্দ
- এটা কুৎসিত মনতকৈ এখন কুৎসিত মুখমণ্ডল অনেক গুণে উত্তম। — টমাছ ইলিচ
- নিজৰ বিবেক সদায় নিৰ্মল কৰি চলিবা তেতিয়াহ'লে তুমি কাকো ভয় কৰি চলিবৰ দৰকাৰ নাই। — বেঞ্জামিন ফ্ৰেংকলিন
- কৰ্তব্যৰ প্ৰতি পূৰ্ণ একাগ্ৰতাই যথাৰ্থ ধৰ্ম। — বেদান্ত
- য'ত সুখ-দুখ, হাঁহি-কান্দোন আদি সাৰ্বজনীন ভাবৰ সমাৱেশ সেয়ে বিশ্ব সাহিত্য। — সূৰ্য কুমাৰ ভূঞা

সংগ্ৰাহক - লুণা শইকীয়া





# হাঁহি

হেমাশ্ৰী গগৈ
পঞ্চম ষান্মাসিক
অসমীয়া বিভাগ



"Loughter is a powerfull antidote tostress,pain and conflict"

মানুহৰ জীৱনৰ এটা মৌলিক উপাদান তথা ব্যক্তিত্বৰ এটি অন্যতম দিশ হৈছে 'হাঁহি'। হাঁহিয়ে মানুহৰ মন-মগজু বিকাশ কৰাত পুষ্টিদান দিয়ে, চিন্তাশক্তি বৃদ্ধিত সহায় কৰে। হাঁহিয়ে মানুহক সকলো দুখ-বেদনা, জ্বালা-যন্ত্ৰণাৰ পৰা সকাহ দিয়ে, মগজু শীতল কৰে। যিজন মানুহে হাঁহিব জানে তেওঁৰ জীৱন দীঘলময় হয়। ব্যৱসায়ী মানুহৰ বাবে হাঁহি বৰ মূল্যবান সম্পদ। প্ৰেম-পীৰিতিত হাঁহিয়ে এজনে আনজনক সহজে আকৰ্ষণ কৰে। হাঁহিমুখীয়া লোক গুণী-জ্ঞানী হয়। হাঁহি হাঁহি কাম কৰিলে মানুহৰ কষ্ট লাঘৱ হয়। হাঁহিৰেই মানুহে জীৱনৰ যন্ত্ৰণাক পাহৰিব পাৰে, জীৱনটোক সৌষ্ঠৱশালী কৰিব পাৰে। চিন্তা, হতাশা, অৰ্থহীন অহংকাৰেৰে কোনেও জীৱন গঢ়িব নোৱাৰে। বৰঞ্চ এইবোৰে জীৱনলৈ তিক্ততাহে আনে।

অসমীয়া মানুহে হেনো প্ৰাণ খুলি হাঁহিব নাজানে। অসমীয়াই ইঁহাৰ ক্ষেত্ৰত ভাৰতৰ অন্যান্য জাতিৰ তুলনাত অলপ কৃপণ। ইয়াৰ কাৰণ ঐতিহাসিক, সামাজিক, ৰাজনৈতিক নাইবা আত্মপৰিচয় হেৰুৱাৰ আশংকা। এইবোৰ তত্ত্বগধুৰ বিষয়লৈ আমি নাযাওঁ। আমি কেৱল জানো ইঁহাটো স্বাস্থ্যৰ কাৰণে ভাল। স্বাস্থ্য ভাল থাকিলে মনো ভালে থাকে। হাঁহি মানুহৰ আটাইতকৈ সুন্দৰ বাহ্যিক অলংকাৰ। গতিকে দৈনন্দিন ব্যস্ততাৰ মাজতো হাঁহিব। হাঁহি-আনন্দেৰে জীৱনটো উপভোগ কৰিবলৈ চেষ্টা কৰিব লাগে। ◆◆

# পৃথিৱীৰ মধুৰতম সম্পৰ্ক বন্ধুত্ব

মাধুৰ্য্য চক্ৰৱৰ্তী
ষষ্ঠ ষাণ্মাসিক, অৰ্থনীতি বিভাগ



মানুহৰ জীৱনৰ সম্বন্ধসমূহৰ ভিতৰত অতি আকৰ্ষণীয় সম্বন্ধ হৈছে "বন্ধুত্ব"। বন্ধুত্ব হৈছে হৃদয়ৰ পৰা জন্ম হোৱা এক পাৰস্পৰিক সম্পৰ্ক। বন্ধুত্বত কোনোধৰণৰ তেজৰ সম্পৰ্ক অথবা জাতি, ধৰ্ম, উচ্চ-নীচ আদি ভেদাভেদৰ কোনো স্থান নাই। জীৱনৰ ভিন্ন স্তৰত ভিন্ন ধৰণৰ বন্ধু লগ পোৱা যায়।

এজন ভাল বন্ধু লাভ কৰাটো মানুহৰ জীৱনৰ বিৰাট সফলতা বুলি ক'ব পাৰি। কিয়নো জীৱনৰ সুখ-দুখৰ মুহূৰ্তবোৰত নিভাঁজ সংগ এজন প্ৰকৃত বন্ধুৰ পৰাহে আশা কৰিব পাৰি। কেতিয়াবা জীৱনলৈ এনে কিছুমান মুহূৰ্ত আহি পৰে,যেতিয়া এজন ব্যক্তিয়ে সুস্থভাৱে চিন্তা কৰি কোনো এক নিৰ্দিষ্ট সিদ্ধান্তত উপনীত হ'ব নোৱাৰে। তেনে মুহূৰ্তবোৰত এজন ভাল বন্ধুৰ সৎ পৰামৰ্শই এক সঠিক সিদ্ধান্ত লোৱাত যথেষ্ট সহায় কৰে। দিব পাৰে এটি শুদ্ধ পথৰ সন্ধান। যেতিয়া এজন ব্যক্তিয়ে কিবা এটা কাম কৰে তেতিয়া এজন ভাল বন্ধুৰ পৰামৰ্শই কামটোত সফল হোৱত বহুখিনি অৰিহণা যোগাব পাৰে। যিজন বন্ধু বা বান্ধৱী বিপদৰ সময়ত লগত থাকে সেইজন বন্ধুহে প্ৰকৃত বন্ধু। প্ৰকৃত বন্ধুৱে যিদৰে ভাল পায়, মৰম কৰে, ঠিক সেইদৰে দোষ, ক্ৰুটিবোৰ আঙুলিয়াই দেখুৱায় আৰু ভুলপথে যোৱাত বাধা দি সঠিক পথত আগুৱাই লৈ যায়। বন্ধুত্ব গঢ়ি উঠে দুজন ব্যক্তিৰ মাজৰ দিশবোৰৰ সাদৃশ্যৰ ফলস্বৰূপে। যেতিয়া পৰস্পৰৰ হৃদয়ত গভীৰভাৱে সোমাই পৰে তেতিয়াই প্ৰকৃত বন্ধুত্বত পৰিণত হয়। এই ভাল বন্ধুত্বৰ কোনো ধৰা-বন্ধা সীমা নাথাকে। বয়সৰ ব্যৱধান বন্ধুত্বৰ অন্তৰায় হ'ব নোৱাৰে। বন্ধুত্বত যেদৰে বয়সৰ সীমা নাথাকে ঠিক সেইদৰে লিংগ প্ৰভেদো নাথাকে। এজন ল'ৰাৰ বন্ধুত্ব কেৱল এজন ল'ৰাৰ লগতহে হ'ব পাৰে তেনে নহয়,এজনী ছোৱালীৰ লগতো বন্ধুত্ব গঢ়ি উঠিব পাৰে।

বন্ধুত্ব নামৰ এই সম্পৰ্কটোৱেই পৃথিৱীৰ আটাইতকৈ নিঃস্বাৰ্থ সম্পৰ্ক বুলি কোৱা হয়। কাৰোবাৰ পৰা কিবা এটা বস্তু লাভ কৰাৰ আশাত যদি এটা সম্পৰ্ক জীয়াই ৰাখিব বিচৰা হয় তেন্তে সেই সম্পৰ্কক কেতিয়াও প্ৰকৃত বন্ধুত্ব বুলিব নোৱাৰি। প্ৰকৃত বন্ধুত্বত কোনো পাৰ্থিৱ বস্তু আশা কৰাতো অনুচিত। আশা কৰিব পাৰি অলপ মৰম, সঁহাৰি আৰু সৎ উপদেশ। দুজন ব্যক্তিৰ মাজত প্ৰকৃত বন্ধুত্ব গঢ়ি উঠাটো যিমান সহজ তাৰ বিপৰীতে তাক জীয়াই ৰখাটো সিমানেই কঠিন। এনে এটা ভাল সম্পৰ্কক জীয়াই ৰাখিবৰ বাবে ধৈৰ্য্য, বিশ্বাস আৰু এটা উদাৰ মনৰ খুবেই প্ৰয়োজন আৰু যদি এই সম্পৰ্ক ছোৱালীৰ লগত গঢ়ি উঠে তেন্তে সদায়েই নিজৰ ধৈৰ্য ৰাখিব লাগে। এজন বন্ধুৱে আনজন বন্ধুৰ পৰা কেনেদৰে সঁহাৰি পাব বিচাৰে তাক হৃদয়ংগম কৰিব পাৰিব লাগিব। বন্ধুত্বই উচ্চাকাংক্ষাৰ পথত বাধাৰ সৃষ্টি নকৰে। বৰং প্ৰেৰণাহে যোগায়। এজন ভাল বন্ধু এখন ভাল কিতাপৰ নিচিনা। এখন কিতাপত যিদৰে লিখিত আকাৰত পোৱা কথাবোৰ পঢ়ি তাৰ পৰা জ্ঞান আয়ত্ত কৰিব পাৰি ঠিক তেনেদৰে এজন ভাল বন্ধুৰ হৃদয়ৰ পৃষ্ঠাবোৰ পঢ়িব পাৰি,য'ত থাকে তেওঁৰ জীৱনৰ নীতি, আদৰ্শ, জ্ঞান-সমৃদ্ধ বহু অভিজ্ঞতা আৰু জীৱনৰ উচ্চাকাংক্ষাবোৰ।

বিশ্বাসেই বন্ধুত্বৰ মূল, ই বন্ধুত্বক চিৰযুগমীয়া কৰি ৰাখে। জীৱনত প্ৰকৃত বন্ধুত্ব পাবলৈ হ'লে বন্ধু নিৰ্বাচন কৰোতে সদায় সচেতন হ'ব লাগে। আমি যদি এই ক্ষেত্ৰত সচেতন নহওঁ তেনেহলে কেতিয়াবা কাৰোবাৰ প্ৰতাৰণাৰ বলি হোৱাৰ সম্ভাৱনা থাকে। কাৰণ বৰ্তমান যি ব্যক্তিকেন্দ্ৰিক সভ্যতাই গা কৰি উঠিব ধৰিছে তেনে সময়ত এজন প্ৰকৃত বন্ধু খুবেই দুৰ্লভ। বৰ্তমান সময়ত আমি সকলোৱে বিশ্বায়নৰ মেৰপাকত সোমাই পৰিছো। আমাক যান্ত্ৰিকতাই যিমানেই আগুৰি ধৰিছে সিমানেই আমিবোৰ আত্মকেন্দ্ৰিক হৈ উঠিছো। এই আত্মকেন্দ্ৰিক ভাৱধাৰাই কিছু পৰিমাণে হ'লেও বন্ধুত্ব নামৰ পৱিত্ৰ সম্পৰ্কটোত আঘাত হানিছে। বিশ্বাসঘাতকতা আদিৰ দৰে ঘৃণনীয় কাৰ্যসমূহেই বেছিকৈ সংঘটিত হৈছে। এতিয়া প্ৰত্যেকৰে হাতে হাতে ম'বাইল ফোনবোৰেও বন্ধুত্বৰ নামত বহু অবাঞ্চিত ঘটনা সংঘটিত কৰাত অৰিহণা যোগাইছে। বন্ধুত্বক দোহাই দি বহু যুৱক-যুৱতীয়ে কিছুমান উচ্ছৃংখল আৰু অমাৰ্জিত কাৰ্যকলাপ কৰা দেখা গৈছে। এনেবোৰ কাৰ্যই বন্ধুত্বৰ নামৰ মধুৰ সম্পৰ্কটোক কলংকিত কৰিছে। বিশ্বত যেতিয়ালৈকে মানৱতাবোধ থাকিব তেতিয়ালৈকে বন্ধুত্বৰ মূল্যও নিশ্চয়কৈ থাকিব।

বন্ধুত্বই মানুহক উদাৰ হ'বলৈ শিকায়। জীৱনৰ ঘাত-প্ৰতিঘাতৰ মুখামুখি হ'বলৈ সৎ সাহস দিয়ে। জীৱনৰ অন্ধকাৰ পথতো এগছি বন্তিৰ দৰে পথ পোহৰাই তোলে। প্ৰকৃত বন্ধুত্ব গঢ়িবলৈ হ'লে নিজৰ জীৱনৰ দৰেই বন্ধুকো ভাল পাব লাগিব।

বন্ধুত্ব সম্বন্ধে এইটো সীমিত পৰিসৰত কৈ শেষ কৰাটো কেতিয়াও সম্ভৱ নহয়। বন্ধুত্বৰ দৰে এটা পৱিত্ৰ সম্পৰ্কক আমি সদায় নিষ্কলুষ কৰি ৰখাৰ চেষ্টা কৰা উচিত। আমি প্ৰত্যেকেই বন্ধুত্বৰ মহত্ব উপলব্ধি কৰিবলৈ শিকিব লাগিব। ভাল বন্ধু এজনৰ যোগ্যতা লাভ কৰিবলৈ হ'লে প্ৰথমে নিজে এজন ভাল বন্ধু হ'ব লাগিব। আমাৰ জীৱনত গঢ়ি উঠা বন্ধুত্বৰ সম্পৰ্কবোৰ নিখুত ভাৱে জীৱন্ত কৰি ৰাখিবলৈ সদায় চেষ্টা কৰিব লাগিব। এই উদ্দেশ্যৰ খাতিৰতে আমাৰ ক্ষুদ্ৰ স্বাৰ্থবোৰ ত্যাগ কৰিব লাগিব। তেতিয়াহে আমি বন্ধুত্বৰ দৰে পৱিত্ৰ সম্পৰ্কটোৰ উচিত মূল্য দিব পাৰিম।

◆◆◆◆◆◆◆

COLLEGE LIBRARY * ASSAM, TINSUKIA * ESTD 1956

# নব্য সাম্ৰাজ্যবাদ

অপুলীনা মৰাণ
পঞ্চম ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

সাম্ৰাজ্যবাদ বুলি ক'লে সাধাৰণতে আমাৰ মনলৈ আহে যে এখন ৰাষ্ট্ৰই আন এখন ৰাষ্ট্ৰৰ ভূখণ্ড দখল কৰি ক্ষমতা বৃদ্ধি কৰি সেই ঠাইত শাসন চলোৱা।

কুৰি শতিকাৰ আগৰ সময়ছোৱালৈকে এখন ৰাষ্ট্ৰই আন এখন ৰাষ্ট্ৰক নিয়ন্ত্ৰণ কৰাৰ ওপৰত অত্যাধিক গুৰুত্ব আৰোপ কৰিছিল। উদাহৰণ স্বৰূপে- হিটলাৰে বিশ্ব সাম্ৰাজ্য গঢ়ি তোলাৰ হাবিয়াস কৰিছিল। উইলিয়ামেও সমগ্ৰ ইউৰোপ মহাদেশত এখন বিশাল সাম্ৰাজ্য গঢ়ি তুলিব বিচাৰিছিল।

১৯৪৭ চনলৈকে আমাৰ ভাৰতবৰ্ষও গ্ৰেট ব্ৰিটেইনৰ অধীনত আছিল। ১৯৪৭ চনৰ পাছতহে আমাৰ ভাৰতবৰ্ষ স্বাধীন হয়। আমি ব্ৰিটিছৰ শাসনৰ কবলৰ পৰা মুক্ত হওঁ। ঠিক সেইদৰে বিশ্বৰ আন বহুতো দেশ ব্ৰিটিছৰ ঔপনিবেশ হিচাপে পৰিগণিত আছিল। ব্ৰিটিছসকলে ঔপনিৱেশিক দেশবিলাকত অৰ্থনৈতিক লাভালাভৰ লগতে সকলো ফালৰ পৰাই শোষণ কৰিছিল।

সময় আৰু যুগৰ পৰিৱৰ্তনৰ লগে লগে সাম্ৰাজ্যবাদৰো ৰূপৰ পৰিৱৰ্তনৰ সূচনা হয়। সামৰিক আৰু ৰাজনৈতিক পৰিৱৰ্তন হয় আৰু ইয়াৰ স্থান অৰ্থনৈতিক সাম্ৰাজ্যবাদে গ্ৰহণ কৰে। অৰ্থনৈতিক সাম্ৰাজ্যবাদ হ'ল এনে এক সাম্ৰাজ্যবাদ য'ত এখন ৰাষ্ট্ৰ ৰাজনৈতিক বা সামৰিকভাৱে দেখাত স্বাধীন হ'লেও, অৰ্থনৈতিকভাৱে পৰোক্ষ পদ্ধতিৰে বৃহৎ শক্তিশালী ৰাষ্ট্ৰৰ প্ৰভাৱাধীন হয়। বৰ্তমান আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু পূৰ্বৰ ছোভিয়েট ৰাছিয়াই অৰ্থনৈতিক সাহায্যৰ জৰিয়তে অনুন্নত আৰু দৰিদ্ৰ ৰাষ্ট্ৰসমূহৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছিল।

বৰ্তমানৰ যুগ বিশ্বায়নৰ যুগ। সাম্ৰাজ্যবাদ আঁতৰিল, ইয়াৰ লগে লগে স্থান ল'লে বিশ্বায়নে। বৰ্তমানৰ বিশ্বায়নে গোটেই বিশ্বখনকে এখন বিশ্ব গাঁৱলৈ পৰিৱৰ্তন কৰিলে। বিশ্বায়ন আৰু নব্য সাম্ৰাজ্যবাদৰ ধাৰণাক প্ৰায় একে বুলিয়ে ক'ব পাৰি। কাৰণ নব্য সাম্ৰাজ্যবাদৰ দৰে বিশ্বায়নেও অৰ্থনৈতিক দিশতে অধিক গুৰুত্ব প্ৰদান কৰে। শক্তিশালী ৰাষ্ট্ৰই আন ৰাষ্ট্ৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। কিন্তু সাম্প্ৰতিক সময়ত বিশ্বায়নেও কেৱল অৰ্থনীতিৰ দিশবোৰ সামৰি থকা নাই। ই ৰাজনীতি আৰু সাংস্কৃতিক দিশবোৰো সামৰি লৈছে।

নব্য সাম্ৰাজ্যবাদৰ ফলত ধনী দেশবোৰ ক্ৰমে ধনী হৈ গৈ আছে আৰু দুখীয়া দেশবোৰ দিনে দিনে দুখীয়া হৈ গৈ আছে। শক্তিশালী দেশবিলাকে নিজৰ দেশৰ সামগ্ৰীসমূহ সুলভ মূল্যত পাব পৰাকৈ উলিয়াই দিছে। ইয়াৰ ফলত অনুন্নত ৰাষ্ট্ৰবিলাকৰ সৰু সৰু উদ্যোগবিলাক বন্ধ হৈ গৈছে, নিৰনুৱা সমস্যা বৃদ্ধি পাইছে। উন্নয়নশীল ৰাষ্ট্ৰলৈ প্ৰব্ৰজন অধিক হাৰত বাঢ়িছে। আমেৰিকা, ৰাছিয়া, চীন, জাপান আদি দেশে বিভিন্ন ধৰণৰ নতুন নতুন কৌশলেৰে আকৰ্ষণীয় সামগ্ৰী তৈয়াৰ কৰি আন ৰাষ্ট্ৰ বিলাকত নিজৰ নব্য সাম্ৰাজ্যবাদৰ সৃষ্টি কৰিছে। নব্য সাম্ৰাজ্যবাদৰ যোগেদি উন্নত ৰাষ্ট্ৰসমূহে আমাৰ দৰে উন্নয়নশীল ৰাষ্ট্ৰৰ পৰা সুলভ মূল্যতে কেঁচা সামগ্ৰী লৈ যায় আৰু সেইবোৰ উন্নত প্ৰযুক্তিৰে তৈয়াৰ কৰি পুনৰ সেই দেশবোৰতে অধিক মূল্যত বিক্ৰী কৰে। বৰ্তমানৰ যুগত ৰাজনীতিৰ দিশতো নব্য সাম্ৰাজ্যবাদৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। উদাহৰণ স্বৰূপে, নিৰ্বাচনৰ সময়ত শক্তিশালী ৰাষ্ট্ৰই পৰোক্ষভাৱে সমৰ্থন কৰা ব্যক্তিৰ পক্ষে বিভিন্ন ধৰণে সহায় কৰে। সাংস্কৃতিক দিশতো শক্তিশালী ৰাষ্ট্ৰই নিজৰ সংস্কৃতি বিস্তাৰ কৰিবলৈ বিচাৰে।

নব্য সাম্ৰাজ্যবাদৰ তীব্ৰ বিকাশৰ কাৰণ হ'ল যে আমি জনসাধাৰণে প্ৰায় বাহিৰৰ দেশৰ চকুত লগা বস্তুহে পচন্দ কৰোঁ আৰু ক্ৰয় কৰিবলৈ আগ্ৰহী হওঁ। আমাৰ দেশৰ সৰু সৰু উদ্যোগ বিলাকে প্ৰভাৱ বিস্তাৰ কৰিবলৈ উপযুক্ত প্ৰযুক্তি বিদ্যাৰ অভাৱ দেখিবলৈ পোৱা যায়।

নব্য সাম্ৰাজ্যবাদে সময়ৰ গতিত আহি আহি বৰ্তমানৰ যি অৱস্থা পাইছেহি ইয়াক সাম্ৰাজ্যবাদ দূৰ কৰাৰ দৰে আঁতৰ কৰিব নোৱাৰি। তাৰ গেনাস্কীৰ ভাষাত — "এক শক্তিশালী ইচ্ছাৰ জৰিয়তে দুৰ্বল ৰাষ্ট্ৰৰ ওপৰত নিয়ন্ত্ৰণ বা শোষণেই বৰ্তমান চলি আছে আৰু ভৱিষ্যতলৈকো চলি থাকিব।"

দুৰ্বল ৰাষ্ট্ৰসমূহ শক্তিশালী ৰাষ্ট্ৰসমূহৰ ওচৰত পৰোক্ষভাৱে অধীন। বৃহৎ ৰাষ্ট্ৰসমূহৰ ক্ষমতাৰ যুঁজত পণবন্দী হিচাপে দুৰ্বল ৰাষ্ট্ৰসমূহ সোমাই পৰিছে।

কিন্তু চৰকাৰ আৰু জনসাধাৰণৰ সচেতনতাৰ বলত ইয়াৰ পৰা কিছু পৰিমাণে হ'লেও ৰেহাই পাব পাৰি।

❖❖❖❖❖❖❖❖





# পণ্য আৰু সেৱাকৰ বিধেয়ক, ২০১৪

ৰাজু বৰা
পঞ্চম ষাণ্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ

চৰকাৰ আৰু বিৰোধী দলবোৰৰ মাজত হোৱা বহু টনা-আঁজোৰা, মতবিৰোধ, বাক্-বিতণ্ডা আৰু আলোচনাৰ অন্তত যোৱা ৩ আগষ্ট বুধবাৰৰ নিশা ৰাজ্যসভাত বহু আকাংক্ষিত আৰু বহু চৰ্চিত "পণ্য আৰু সেৱাকৰ বিধেয়েক, ২০১৪"খন গৃহীত হয়। উল্লেখ্য যে সমগ্ৰ দেশজুৰি এখন একক আৰু উমৈহতীয়া বজাৰ সৃষ্টিৰ লগতে সকলো অঞ্চলত পণ্য আৰু সেৱা সমূহৰ সমহাৰত কৰ আৰু মূল্য হাৰ বলৱৎ কৰাৰ লক্ষ্যৰেই এই বিধেয়কখন আইনত পৰিণত কৰিবলৈ নৰেন্দ্ৰ মোডী চৰকাৰে বিশেষ তৎপৰতা অৱলম্বন কৰিছিল। কংগ্ৰেছ নেতৃত্বাধীন U.P.A. চৰকাৰে ২০১১ চনত পোন প্ৰথমবাৰৰ বাবে G.S.T. বিধেয়কখন গৃহীত কৰিবলৈ চেষ্টা চলাইছিল। কিন্তু ৰাজনৈতিক ঐক্যমত গঢ়ি নুঠাত সেই চেষ্টা ব্যৰ্থ হৈছিল। পূৰ্বৰ বিত্তমন্ত্ৰী পি. চিদাম্বৰমেও বিধেয়কখন গৃহীত কৰিবলৈ গৈ ব্যৰ্থ হ'ব লগা হৈছিল। উল্লেখযোগ্য যে সুদীৰ্ঘ তেৰ বছৰ ধৰি G.S.T. বিধেয়কখন সদনত পৰি ৰৈছিল। এই কথা নিশ্চিত যে ১২০ কোটি ভাৰতীয়ৰ বাবে সামগ্ৰিক কৰ ব্যৱস্থা কৰাটো সহজসাধ্য নহয়। G.S.T.ৰ দীৰ্ঘ পৰিক্ৰমাই এই কথাই প্ৰতীয়মান কৰে। ২০১৪ চনত ক্ষমতালৈ অহা বিজেপি নেতৃত্বাধীন NDA চৰকাৰে ২০১৪ চনৰ বিধেয়কখনৰ ভালেমান বিষয়ৰ পৰিবৰ্তন কৰি নতুন উদ্যমেৰে এই "পণ্য আৰু সেৱাকৰ" বিধেয়কখন গৃহীত কৰিবলৈ বিভিন্ন দলৰ সৈতে আলোচনা কৰি ঐক্যমত গঠনৰ চেষ্টা চলাই আৰু অৱশেষত এই প্ৰচেষ্টা সফল হয়। লক্ষ্যণীয় যে AIADMK ৰ ১৩ জন সদস্যই বিধেয়কখনৰ বিৰোধিতা কৰি সদন বৰ্জন কৰিছিল যদিও বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰ, পশ্চিম বংগৰ তৃণমুল কংগ্ৰেছ তথা মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী, ওড়িশাৰ বিজু জনতা দল আদিয়ে বিধেয়কখনলৈ পূৰ্বেই সমৰ্থন আগবঢ়াইছিল। তাৰোপৰি কংগ্ৰেছ দলে বিধেয়কখনৰ কেতবোৰ বিষয়ক লৈ আপত্তি জনাইছিল যদিও পিছত দাবী অনুসৰি বিধেয়কখনৰ কিছু বিষয় সাল-সলনি তথা পৰিবৰ্তন কৰাৰ পিছত ৰাজ্যসভাত গৃহীত কৰাৰ পথ মুকলি হয়। ৰাজ্যসভাৰ মুঠ ২৮৫ জন সদ্যৰ ২০৩ জনে এই বিধেয়কখনৰ সপক্ষে ভোটদান কৰে।

স্বৰাজোত্তৰ ভৰতত "পণ্য আৰু সেৱাকৰ বিধেয়ক" খন হৈছে পৰোক্ষ কৰ ব্যৱস্থাৰ সংস্কাৰৰ বৃহত্তম আৰু এক যুগান্তকাৰী পদক্ষেপ। এই উমৈহতীয়া তথা একক পৰোক্ষ কৰ ব্যৱস্থাৰ জৰিয়তে পোনপ্ৰথমবাৰৰ বাবে সমগ্ৰ ভাৰতক এখন একক বজাৰত পৰিণত কৰা হ'ব। পণ্য আৰু সেৱাকৰ বৰ্তমান বিভিন্ন ৰাজ্যত পৃথক পৃথক। কিন্তু এই বিধেয়কখন আইনলৈ পৰিণত হোৱাৰ পিছৰে পৰা সমগ্ৰ দেশব্যাপী সমহাৰত আৰু কেন্দ্ৰীয়ভাৱে কৰ ধাৰ্য কৰা হ'ব। যাৰ ফলত গ্ৰাহকে প্ৰতিটো পণ্য আৰু সেৱাৰ বাবদ দেশৰ সকলো প্ৰান্তত একে হাৰৰ মূল্য আদায় দিব লাগিব। G.S.T.ৰ প্ৰধান বিষয় সমূহ হৈছে—

(১) G.S.T. হৈছে সমগ্ৰ দেশব্যাপী একক আৰু উমৈহতীয়া পৰোক্ষ কৰ। কেন্দ্ৰীয় চৰকাৰে কেন্দ্ৰীয়ভাৱে প্ৰতিটো পণ্য আৰু সেৱাৰ ওপৰত কৰ ধাৰ্য্য কৰিব।

(২) কেন্দ্ৰীয় কৰৰ ক্ষেত্ৰত G.S.T. বলৱৎ হোৱাৰ লগে লগে কেন্দ্ৰীয় আবকাৰী শুল্ক, সেৱা কৰ, আবকাৰী আৰু সীমা শুল্কৰ অতিৰিক্ত কৰ, সীমা শুল্ক বিভাগৰ অতিৰিক্ত বিশেষ কৰ, পণ্য আৰু সেৱা যোগানৰ ওপৰত ধাৰ্য চেছ আৰু ছাৰচাৰ্জৰ ৰূপত উপকৰ সমূহ সম্পূৰ্ণ বিলুপ্ত হ'ব।

(৩) ৰাজ্যিক কৰৰ ক্ষেত্ৰত ভেট বা মূল্য আৰোপিত কৰ, কেন্দ্ৰীয় বিক্ৰী কৰ, ক্ৰয় কৰ, প্ৰৱেশ কৰ, প্ৰমোদ কৰ, বিজ্ঞাপনৰ ওপৰত ধাৰ্য কৰ, লটাৰী, বাজি ধৰা আৰু জুৱাৰ ওপৰত ধাৰ্য কৰ, ৰাজ্যিক উপকৰ অৰ্থাৎ চেছ আৰু ছাৰচাৰ্জো

বিলুপ্ত হ'ব।

(৪) G.S.T. বলৱৎ কৰাৰ ঘাই উদ্দেশ্য হৈছে অতিৰিক্ত কৰসমূহ বিলুপ্ত কৰা। কেন্দ্ৰীয় আৰু ৰাজ্যিক কৰ সংস্থাবিলাকে প্ৰায়েই উৎপাদিত সামগ্ৰীৰ মূল্য উৎপাদন ব্যয়ৰ ভিত্তিত কৰ ধাৰ্য্য কৰাৰ পৰিবৰ্তে থুলমূল হাৰত বহু স্তৰত কৰ আদায় হিচাপে কৰা দেখা যায়। অৰ্থাৎ একে পণ্যৰ বাবদ মূল উৎপাদনৰ ক্ষেত্ৰত, পাইকাৰী বজাৰত আৰু খুচুৰা দোকানত কেইবা স্তৰত বা কৰৰ ওপৰতো কৰ ধাৰ্য কৰা হয়। ইয়াৰ ফলত ৰাষ্ট্ৰৰ মুঠ জাতীয় উৎপাদনত (G.D.P.) নেতিবাচক প্ৰভাৱ পৰা দেখা যায়। G.S.T. বলৱৎ হোৱাৰ পিছত বহু স্তৰীয় কৰ তথা কৰৰ ওপৰত কৰ ধাৰ্য্য বন্ধ হ'ব। তদুপৰি কৰ ফাঁকি, নিম্নতৰ কৰ হাৰ বন্ধ হ'ব আৰু ব্যৱসায়-বাণিজ্য সহজ হ'ব।

(৫) একক আৰু উমৈহতীয়া পৰোক্ষ কৰ বলৱৎ কৰাৰ ফলত ৰাজ্যসমূহৰ ৰাজহৰ লোকচান হ'ব। এই লোকচানৰ বাবে কেন্দ্ৰই ৰাজ্যসমূহক ক্ষতিপূৰণ আদায় দিব। তদুপৰি ২০১১ চনত UPA চৰকাৰে তৈয়াৰ কৰা G.S.T. বিধেয়কত কেন্দ্ৰ-ৰাজ্যৰ বিবাদ নিষ্পত্তিৰ বাবে Goods and service tax dispute settlement authority গঠনৰ ব্যৱস্থা অন্তৰ্ভুক্ত কৰিছিল। বৰ্তমান বিধেয়কতো এনেধৰণেই ৰাজ্য আৰু কেন্দ্ৰৰ যথোপযুক্ত প্ৰতিনিধিক লৈ G.S.T.Council গঠন কৰা হ'ব।

(৬) বৰ্তমান G.S.T. বিধেয়কত একমাত্ৰ মানুহৰ উপভোগৰ বাবে সুৰা বা এলক'হল সামগ্ৰীৰ বাহিৰে বাকী অন্য সকলো পণ্য আৰু সেৱাত G.S.T. অন্তৰ্ভুক্ত হ'ব।

(৭) ২০১১ চনৰ G.S.T. বিধেয়কত ৰাজ্যসমূহৰ দ্বাৰা স্থানীয়ভাৱে প্ৰৱেশ কৰ ধাৰ্যৰ সুবিধা দিয়া হৈছিল যদিও বৰ্তমানৰ বিধেয়কত সেই ব্যৱস্থা বিলোপ কৰা হয়।

(৮) বৰ্তমান বিধেয়কখন গৃহীত হ'লেও কৰৰ হাৰ কেইবা মাহমান পিছতহে নিৰূপণ কৰা হ'ব।

(৯) ৰাজ্যসভাত বিধেয়কখন গৃহীত হোৱাৰ পিছত দেশৰ মুঠ ২৯ খন ৰাজ্যৰ ভিতৰত কমেও ১৫ খন ৰাজ্যই সমৰ্থন দিব লাগিব। তেতিয়াহে G.S.T. কাউন্সিল গঠন কৰিব পৰা যাব। এই কাউন্সিলত ৰাজ্যসমূহৰ ভোট দুই-তৃতীয়াংশ আৰু কেন্দ্ৰৰ এক-তৃতীয়াংশ থাকিব। ইতিমধ্য বিৰোধী কংগ্ৰেছ, বাওঁ দল আদিয়ে ১৮ শতাংশৰ অধিক হাৰত কৰ ধাৰ্য নকৰিবলৈ কেন্দ্ৰীয় চৰকাৰক সকীয়াই দিছে।

১২২ সংখ্যক সংবিধান সংশোধনীৰ জৰিয়তে গৃহীত হোৱা পণ্য আৰু সেৱাকৰ বিধেয়কখন অহা বছৰৰ ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হ'ব। ফলত ভাৰতত বিভিন্ন সামগ্ৰী তথা সেৱাৰ মূল্যৰ কিছু তাৰতম্য ঘটিব। বিশ্লেষকৰ মতে দামৰ হ্ৰাস-বৃদ্ধি হ'বলগীয়া এনে কেতবোৰ সামগ্ৰী তথা সেৱা হ'ল—

মূল্য হ্ৰাস পাব — প্ৰাৰম্ভিক পৰ্যায়ৰ গাড়ী, দুচকীয়া বাহন, এছ.ইউ.ভি., গাড়ীৰ বেটাৰি, ৰং, চিমেন্ট, ফেন, বৈদ্যুতিক বাল্ব, ৱাটাৰ হিটাৰ, এয়াৰ কুলাৰ ইত্যাদিৰ।

আনহাতে, মূল্য বৃদ্ধি পাব — চিগাৰেট, ম'বাইল ফোনত কথোপকথন, বস্ত্ৰ, ব্ৰেণ্ডেড জুৱেলাৰী ইত্যাদিৰ।

তদুপৰি সামগ্ৰী আৰু সেৱাকৰ বিধেয়কখন ক'লা ধনৰ প্ৰসাৰ ৰোধতো সহায়ক হ'ব বুলি বিশেষজ্ঞ সকলে পূৰ্বানুমান কৰিছে। অৰ্থনৈতিক বিশ্লেষকসকলে বিধেয়কখনক লৈ মিশ্ৰিত প্ৰতিক্ৰিয়া প্ৰকাশ কৰা দেখা গৈছে। বিভিন্ন ৰাজ্য এই ব্যৱস্থাৰ দ্বাৰা আৰ্থিকভাৱে লাভৱান হ'ব বুলি কোৱা হৈছে। তেওঁলোকৰ মতে কিছু সামগ্ৰীৰ দাম কমিব আকৌ কিছু সামগ্ৰীৰ দাম বাঢ়িব। জনসাধাৰণে ভৱাৰ দৰে চাউল, দাইল, মিঠাতেল, আটা আদিৰ দৰে কৃষিজাত সামগ্ৰীৰ মূল্য হ্ৰাস পাব বুলি ধাৰণা কৰাটো অৱশ্যে অবান্তৰ। গতিকে এই আইন কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত বিৰোধীৰ যুক্তিপূৰ্ণ নিৰীক্ষণৰ প্ৰয়োজন সৰ্বাধিক। আমূল আৰ্থিক সংস্কাৰৰ বোজা যাতে জনসাধৰণে কঢ়িয়াব লগা নহয়, তাৰ বাবে বিৰোধী দল সমূহে এই দায়িত্ব নিষ্ঠা তথা গুৰুত্বসহকাৰে পালন কৰা উচিত।

◆◆◆◆◆◆◆◆







# অসমৰ সাংস্কৃতিক প্ৰেক্ষাপটত মৰাণ বিহু

প্ৰবেন ফুকন
স্নাতক ষষ্ঠ যান্মাসিক
অসমীয়া বিভাগ



## 'মু-আন'ৰ পৰা মৰাণ ঃ

উজনি অসমৰ অন্যতম আদিম অধিবাসী মৰাণসকল আদিতে ব্ৰহ্মদেশত আছিল। ব্ৰহ্মদেশত মুং-ৰি-মুং-ৰাম নামৰ ৰাজ্যত তেওঁলোকে বসবাস কৰিছিল। সেইসময়ত তেওঁলোক তাত এটা অতি শক্তিশালী জাতি আছিল। সেইকাৰণে তাৰ অন্য জাতি-জনজাতিসকলে তেওঁলোকক 'মু-আন' বুলি কৈছিল। বিভিন্ন পৰিস্থিতিগত কাৰণত, যেনে — ৰাজনৈতিক পৰিস্থিতি তথা শত্ৰু-মহাশত্ৰুৰ আক্ৰমণ ইত্যাদি পৰিস্থিতিগত কাৰণত তেওঁলোকে চাংপু নদীৰ পাৰে পাৰে আহি ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰাচীন সৌমাৰখণ্ডত স্থায়ীভাৱে ৰাজ্যপাতি বসবাস কৰিবলৈ লয়। তেওঁলোকে আমাৰ অসমত যেতিয়া ৰাজ্যপাতি বসবাস কৰি আছিল, তেতিয়া অন্যান্য জাতি-জনগোষ্ঠী সকলক তেওঁলোকে মু-আন নামেৰেই পৰিচয় দিছিল। এনেদৰেই বহুবছৰ থকাৰ পিছত মু-আন শব্দটো মৰাণলৈ ৰূপান্তৰিত হৈছিল।

## মৰাণ বিহু ঃ

অসমৰ ৰঙালী বিহু যিদৰে অসমীয়াৰ জাতীয় উৎসৱ, ঠিক তেনেদৰে মৰাণসকলৰো মৰাণ বিহু এটা প্ৰধান জনগোষ্ঠীয় উৎসৱ। মৰাণ বিহু এটা কৃষিভিত্তিক উৎসৱ। এই মৰাণ বিহু আৰু ইয়াৰে এটা প্ৰধান অংশ ৰাতি বিহুৱে মৰাণ জনগোষ্ঠীৰ যি বৈশিষ্ট্য সেই বৈশিষ্ট্যটোক অনন্য মাত্ৰা প্ৰদান কৰি আহিছে, লগতে অসমীয়া জাতিলৈ এটা সাংস্কৃতিক অৱদান আগবঢ়াই আছে।

অসমীয়া জাতিৰ লগত অসমত বসবাস কৰা অন্যান্য জনজাতি লোকসকলেও নিজৰ নিজৰ বৈশিষ্ট্যৰে বিহু উৎসৱ পালন কৰে। মৰাণসকলেও নিজৰ সাংস্কৃতিক পৰিচয়েৰে জনজাতীয় চৰিত্ৰ বৰ্তাই ৰাখিছে। অসমৰ মূল উৎসৱ ৰঙালী

বিহুটো ব'হাগৰ ১ তাৰিখৰ পৰা উদ্‌যাপন কৰা হয়। সেই মৰ্মে চ'তৰ শেষৰ দিনটো গৰু বিহু আৰু তাৰ পিছৰ দিনটো অৰ্থাৎ ১ ব'হাগৰ দিনা মানুহ বিহু হিচাপে পালন কৰা হয়। এইক্ষেত্ৰত মৰাণ বিহু কিছু ব্যতিক্ৰম। এটা সময়ত হয়তো মৰাণ সম্প্ৰদায়ৰ লোকসকলেও প্ৰকৃতিৰ নিয়মানুসাৰে ব'হাগ বিহুপালন কৰিছিল যদিও পৰিৱেশৰ আবেষ্টনিত পৰি বিহু পালন কৰা দিন বাৰৰ সলনি ঘটিল। অৰ্থাৎ মৰাণসকলে আন জনগোষ্ঠীৰ দৰে চ'তৰ সংক্ৰান্তিত বিহু নাপাতে।

এইখিনিতে নিশ্চয় প্ৰশ্ন উদয় হয় যে, মৰাণসকলে কিয় আন অসমীয়াৰ দৰে চ'তৰ সংক্ৰান্তিত বিহু নেপাতে? হয়, এই প্ৰশ্নত বহুতে ক'ব খোজে বীৰ ৰাঘৱ মৰাণ বৰবৰুৱা হৈ ৰংপুৰত মৰাণ ৰাজ্য প্ৰতিষ্ঠা কৰাত বিহুৰ দিনা হুঁচৰি গোৱাৰ বেশেৰে আহি আহোম সেনাই ৰাঘৱ মৰাণক হত্যা কৰা কাৰণেহে মৰাণসকলে চ'তৰ সংক্ৰান্তিত বিহু নপতা হ'ল। আন কিছুমানে ক'ব বিচাৰে যে ৰাঘৱ মৰাণক হত্যা কৰাৰ পিছত তেওঁৰ দহাৰ দিন নোযোৱালৈকে মৰাণসকলে বিহু নপতাটো কালক্ৰমত পৰম্পৰাত পৰিণত হয়। সেইদৰেই মৰাণসকলে তেওঁলোকৰ নিজা বৈশিষ্ট্যৰে ১ ব'হাগৰ পিছৰ সপ্তাহৰ পৰাহে বিহু পালন কৰা পৰম্পৰা বৰ্তমানো পৰিলক্ষিত হয়।

বিহু আৰম্ভ হোৱাৰ দিনৰ পৰাই প্ৰত্যেক গাঁৱতে নিজৰ নিজৰ বিহুতলীত গছতলৰ বিহু গাবলৈ ডেকা-গাভৰুসকল ওলাই আহে। উল্লেখযোগ্য যে, প্ৰত্যেক গাঁৱতে নিজা নিজা নামঘৰ আছে আৰু এই নামঘৰৰ পৰাই ভকতসকলে বিহু আৰম্ভণিৰ দিনটোৰ পৰা নিজৰ সুবিধা অনুযায়ী বিহুৰ দিন ধাৰ্য কৰি লয়। কোনো কোনো গাঁৱত ন দিনীয়া, কোনো কোনো গাঁৱত এঘাৰ-তেৰ দিনীয়া এনেদৰে প্ৰয়োজন অনুসাৰে বিহুৰ দিন বৃদ্ধি কৰি লয়। মন কৰিবলগীয়া যে বিহুৰ দিন অযুগ্ম সংখ্যাৰ দিনেৰেহে বৃদ্ধি কৰা হয়।

এনেদৰে নিৰ্দ্ধাৰিত দিনৰ অন্তত বিহু শেষ হয়। সত্ৰৰ সমীপৰ গাঁওবোৰে সত্ৰত বিহু উৰুৱাই আৰু সত্ৰৰ পৰা দূৰৱৰ্তী গাঁওবোৰে নিজ নিজ গাঁৱৰ নামঘৰত ভকতক সমবেত কৰি গায়ন-বায়ন অৰ্থাৎ ধৰ্মীয় সংস্কৃতি নৃত্য কৰি বিহু উৰুৱাই। ভকতসকল নামঘৰত বহি থাকে আৰু সেই ভকতসকল বহি থকাৰ ঠাইত ডেকা গাভৰুসকলে সেৱা জনাই। সেৱা জনাই বিহু সামৰিছো বুলি সেইদিনাৰ পৰাই বিহু সামৰি কৃষি কৰ্মত লাগিবৰ কাৰণে ভকত বা গুৰুৱে আৰ্শীবাদ দিয়ে। সেইদিনাৰ পৰাই বিহু শেষ হয় আৰু মৰাণসকলে কৃষিকৰ্মত লাগে বুলি এক জনবিশ্বাস আছে।

**মৰাণসকলৰ হুঁচৰি ঃ**

মৰাণ সংস্কৃতিত হুঁচৰিৰ এক বিশেষ তাৎপৰ্য আছে। মৰাণসকলে প্ৰতিবছৰে সাধাৰণ হুঁচৰি গোৱাৰ উপৰিও আন এক বিশেষ গুণ বিশিষ্ট হুঁচৰি আছে যি হুঁচৰি সাধাৰণভাৱে প্ৰতিবছৰে গোৱা নহয়। সেয়া হ'ল ধৰ্ম হুঁচৰি। পাঁচ বছৰ, ন বছৰ এনেদৰে দীৰ্ঘতম বছৰৰ পিছতহে এই ধৰ্ম হুঁচৰি গোৱা হয়। এই হুঁচৰি বিশেষ নিয়ম-নীতি আৰু ধৰা-বন্ধাৰ মাজেৰে গাব লাগে। ধৰ্ম হুঁচৰি ৰাতি গোৱা হয় আৰু হুঁচৰিত কোনো শৰণ লোৱা ব্যক্তি অথবা গাভৰুৱে অংশগ্ৰহণ নকৰে। মাজত কেইজনমান (নামতি) আৰু তাৰ চাৰিওফালে বাকীসকলে (পালি) ঘূৰণীয়া হৈ ঢোল-তাল বজাই নিৰ্দিষ্ট গতিৰে নৃত্য কৰি পদ গায়। মূৰত বগা পাগুৰি, বগা ধূতী, বগা কূৰ্তা পিন্ধি হুঁচৰি গোৱাৰ নিয়ম। ধৰ্ম হুঁচৰি গায় থকা দিনকেইটাত প্ৰতিজন ডেকাই অতি পৱিত্ৰতাৰে আৰু নীতি নিয়ম মানি চলিব লাগে। ধৰ্ম হুঁচৰি গাবৰ বাবে উৰুকা তিথিৰ দিনা সত্ৰগুৰু অথবা নামঘৰৰ ভকতসকলৰ পৰা অনুমতি লোৱা হয়। 'হুঁচৰি' দলটো এঘৰৰ পৰা আনঘৰলৈ যাওঁতে আগৰ ৰাস্তাত অগাদেৱা কৰাটো একেবাৰে মংগলজনক নহয়। লোকবিশ্বাস মতে এনে সময়ত অগাদেৱা অথবা কিবা অমংগলজনক কাম কৰাজনে লগে লগে বেয়া ফল পায়। কিন্তু যদিহে শৰাই লৈ হুঁচৰি দলৰ চৰণত পৰি দোষমোচনৰ বাবে সেৱা কৰা হয়, তেতিয়াহ'লে দোষীয়ে পুনৰ আৰোগ্য লাভ কৰে বুলি বিশ্বাস কৰে। ভাৰতৰ বিভিন্ন ঠাইৰ মানুহ আহি নিজৰ মনোবাঞ্ছা পুৰণাৰ্থে 'ধৰ্ম হুঁচৰি' দলৰ পৰা বৰ খুজিবলৈ আহে। বিভিন্নজনে বিভিন্নধৰণে এই বৰৰ দ্বাৰা উপকৃত হোৱাৰ প্ৰমাণ পোৱা গৈছে।

**ঐতিহাসিক ৰাতি বিহু ঃ**

মৰাণসকলৰ 'ৰাতি বিহু'ৰ চ'ত মাহৰ পৰাই প্ৰাৰম্ভিক প্ৰস্তুতি চ'লে। গাঁৱৰ যৌৱনে দকমকাই থকা সুঠাম ডেকাসকলে অৰণ্য, বন-বননি আদিৰ পৰা কাঠ, বাঁহ, গেৰগৰা পাত অথবা জেঙুপাত সংগ্ৰহ কৰি আনি ডেকা-গাভৰুৰ প্ৰয়োজন মতে দুটা কোঠালিযুক্ত তিনিমাৰলীয়া এটা ঘৰ সাঁজি লয়। ঘৰটোৰ দুটা কোঠালিৰ মাজত এটা চটি থাকে। সেই চটিটোৰ এফালে গাভৰুসকলে বিহু গায় আৰু আনফালে ডেকাসকলে গায়। উল্লেখযোগ্য যে ডেকাসকলে চটিটোৰ পৰা গাভৰুহঁতৰ ফালে নেযায় আৰু গাভৰুসকলেও ডেকাসকলৰ ফালে নেযায়। লোকবিশ্বাস মতে এই নিয়মটো অতীতৰে পৰা পৰম্পৰাগতভাৱে চলি আহিছে। এই বিহুঘৰটো অকল নৃত্যগীতৰ ঘৰেই নহয়, মৰাণসকলে এইটো এটা পৱিত্ৰ মন্দিৰ হিচাপে গণ্য কৰে।

ৰাতি মাজনিশাৰ পৰা বিহু চাবলৈ অহা আলহী ডেকাসকলক গাঁৱৰ ডেকাসকলে বিহুনাম গাবলৈ আহ্বান জনাই। ইয়াৰ লগে লগে গাভৰুসকলেও আলহী ডেকাসকলক টকা, বাঁহৰ মাৰি (মৰাণ ভাষাত চাক্‌চনি মাৰি) আদি সঁজুলি দি তেওঁলোকৰ গীতত নাচিবলৈ আৰম্ভ কৰে। ৰাতিবিহুত আচলতে ডেকাগাভৰুৰ যি প্ৰণয়মূলক গীতবোৰ গোৱা হয়, সেইবোৰ সাধাৰণতে প্ৰকৃতিমূলক। উদাহৰণ স্বৰূপে—

*থেৰেজু কলিয়া হ'ল কোলাতে গধূলি হ'ল*
*ৰিহাৰে কাঁচলী মাৰ হালিজালি*
*ব'হাগে মুকলি হ'ল .....*

মন কৰিবলগীয়া যে, বিহুগীতৰ যিটো সোৱাদ সেই সোৱাদটো খুব খৰধৰকৈ গালে থকা যেন নালাগে। বুকুৰ আমঠুৰ পৰা দীঘলীয়া সুৰেৰে —

সে..... গধুলি সময়ত কৈতালিত বহি লৈ
চেনাইঅ কথাকে ভাৱোং।
অ' দেও কি মনিছে কৰে অহা-যোৱা ঐ
অ' চেনাইঅ নিচিনা দেখোং।।

— এনেদৰে গালেহে বিহুৰ আচল সোৱাদ পোৱা যায়।

মুদ্ৰা চাৰিটা, কঁকালত হাত থৈ কঁকাল ভাঙি নচা আৰু ওপৰলৈ হাত মেলি হাতৰ সৰু গাঁঠি ভাঙি চাৰিটা ভাগত ইফাল-সিফাল কৰি হাতখন ভাঙি ঘূৰি ঘূৰি নচা মৰাণ গাভৰুৰ বিহু নচা নিয়ম। তাৰোপৰি সাধাৰণ বিহুত যেনেদৰে খোপাত ধৰি নাচে, ম'হৰ শিঙৰ দৰে হাতবোৰ মেলে কিন্তু মূৰৰ ওপৰলৈ হাত নেযায়, আগফালে হাত মেলি নাচে ইত্যাদি। আনহাতে মৰাণবিহুত নাচোঁতে মাত্ৰ ওপৰলৈ হাত দিয়া আৰু ককাঁলত দিয়া, এই দুটাতে বিভিন্ন ধৰণে হালি-জালি নাচে।

এই ৰাতিবিহুৰ আন এটা প্ৰধান বৈশিষ্ট্য হ'ল ৰাতিবিহুত গাঁৱৰ ডেকাসকলে গাভৰুসকলক ৰাতি ঘৰৰ পৰা বিহুতলীলৈ লৈ আহিব লাগিব আৰু বিহু গায় শেষ হোৱাৰ পিছত ঘৰত গৈ থৈ আহিব লাগিব। ডেকাসকলে গাভৰুসকলক অভিভাৱকৰ ওচৰত খুজিবলৈ যাওঁতে এটা তামোল-পাণৰ টোপোলা লৈ যায় আৰু অভিভাৱকক এইদৰে কয়, "আপোনাৰ গাভৰুগৰাকী বিহুঘৰত নাচিবৰ বাবে আমাক লাগে, আপুনি অনুমতি দিয়ক।" তেতিয়া অভিভাৱকে কয়, "ঠিক আছে মই গাভৰুগৰাকী দিম কিন্তু কোনো হৰণ-ভগণ বা অন্যান্য অনীতি হ'ব নেলাগিব।" তেতিয়া ডেকাসকলে এটা শপত লয়, যদিহে অভিভাৱকৰ ছোৱালী কিবা হৰণ-ভগণ বা অন্যান্য কিবা হয় তেতিয়াহ'লে তেওঁলোকে সাইলাখ মাটিৰে তেনেকুৱা এগৰাকী অভিভাৱকক গাভৰু বনাই দিবৰ বাবে ডেকাসকল প্ৰতিশ্ৰুতিৱদ্ধ। আৰু তেতিয়া অনুমতি পাইহে গাঁৱৰ ছোৱালীয়ে বিহু গাবলৈ ওলাই যায়। এই নিয়ম পৰম্পৰাগতভাৱে অতীতৰে পৰা বৰ্তমানেও চলি আছে।

আজিৰ তাৰিখতো উঠি অহা নৱপ্ৰজন্মই পৰম্পৰাগতভাৱে "ৰাতি বিহু" পালন কৰি নিজৰ অস্তিত্ব বজাই ৰাখিছে। জাতিটোৰ কাৰণে মৰাণ জনগোষ্ঠীটোৰ কাৰণে ই এক শুভলক্ষণ। সাম্প্ৰতিক সময়ত অসমৰ গছতলৰ বিহু ক্ৰমান্বয়ে মঞ্চ বিহু (চাং বিহু)লৈ ধাৱমান হোৱা পৰিলক্ষিত হৈছে। ই হৈছে সময়ৰ আৱেষ্টনিত পৰি হোৱা এক পৰিৱৰ্তন। এই ক্ষেত্ৰত মৰাণসকলে বিহুৰ নিজস্ব বৈশিষ্ট্য সংস্কৃতিৰে নিজৰ স্বকীয়তা বৰ্তাই ৰাখিছে। আমাৰ দৰে উঠি অহা নতুন প্ৰজন্মই যদি নিজৰ বিহুটো আন্তৰিকতাৰে ল'ব নোৱাৰো, মনে-প্ৰাণে ভাল পাব নোৱাৰো, তেন্তে আমাৰ বিহুলৈ এটা সময়ত ভয়ংকৰ বিপৰ্যয় নামি আহিব। *(সহায় লৈ)*

◆◆◆◆◆◆◆

- শিক্ষা নহয় চৰিত্ৰহে মানুহৰ সবাতোকৈ প্ৰয়োজনীয় আৰু ৰক্ষাকৰ্তা। — হাৰ্বাট স্পেন্সাৰ
- জ্ঞান, প্ৰেম আৰু ক্ষমতাৰ মাজতে জীৱনে লভে পূৰ্ণতা। — এইচ এফ এমিয়েল
- নিৰক্ষৰতা মানেই জ্ঞানহীন নহয়। — ৰবীন্দ্ৰনাথ ঠাকুৰ
- নিজৰ ভৰিৰ ওপৰত থিয় হ'বলৈ শিকা তেতিয়াহে সংসাৰক ভাল পাব পাৰিবা। — স্বামী বিবেকানন্দ
- মানুহ এদিন মৰিবই লাগিব। দোষ কৰি মৰাতকৈ বিনা দোষে মৰা ভাল। — ছক্ৰেটিছ
- যদি সুখী হ'বলৈ বিচৰা তেন্তে ক্ষমা কৰিবলৈ শিকা। — মাদাৰ টেৰেছা

# জোনবিল মেলাৰ বিষয়ে কিছু কথা



**ধৰিত্ৰী মৰাণ**
পঞ্চম ষাণ্মাসিক

সমাজত প্ৰচলিত বিভিন্ন উৎসৱসমূহ আৰু উৎসৱ সমূহৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা মেলাসমূহে জাতীয় জীৱনৰ এনাজৰী ডাল মজবুত কৰে। লগতে এই মেলাসমূহক সমূহীয়া আৱেগ অনুভূতি আৰু আনুগত্য প্ৰকাশ কৰা এক মঞ্চ হিচাপে গণ্য কৰিব পাৰি।

অসমত অনুষ্ঠিত হোৱা মেলাসমূহৰ ভিতৰত জোনবিল মেলা অন্যতম। অসমৰ মৰিগাওঁ জিলাৰ জাগীৰোডৰ ওচৰত অনুষ্ঠিত হোৱা এই জোনবিল মেলাই উত্তৰ-পূৰ্বাঞ্চলৰ পাহাৰ আৰু ভৈয়ামৰ জনগোষ্ঠীসমূহৰ মাজত সমন্বয় আৰু সংহতি স্থাপন কৰাত অৰিহণা যোগাইছে। "জোনবিল" নামৰ এখন বিলৰ পাৰত এই মেলা অনুষ্ঠিত হয় বাবে এই মেলাক জোনবিল মেলা বুলি কোৱা হয়।

জোনবিল মেলাৰ লগত গোভা ৰাজ্যৰ ইতিহাস জড়িত হৈ আহিছে। এই ৰাজ্যৰ পুৰণি বাসিন্দা আছিল তিৱা জনগোষ্ঠী সকল। গোভা ৰাজ্যৰ মধ্যস্থলত জয়ন্তীয়া ৰাজ্য আৰু পৰৱৰ্তী কালত আহোম ৰাজ্যৰ অধীনস্থ হৈ পৰিছিল। স্থানীয় এক প্ৰবাদ মতে, গোভা ৰাজ্যৰ ৰজা পন্তেশ্বৰ সিংহই এদিন বিহাৰ কৰি ঘূৰি ফুৰোঁতে ৰাতি এখন বিলৰ পানীত জোনৰ পোহৰ পৰি তিৰবিৰাই থকা দেখি মুগ্ধ হৈ বিলখনৰ নাম জোনবিল থয়। অন্য এক প্ৰবাদৰ মতে, গোভা ৰজা জোনসিংহৰ দিনত ৰাজ্যৰ মধ্যভাগত এখন সংৰক্ষিত বিলৰ পাৰত ৰাজ অভিষেক অতি মহাসমাৰোহেৰে উদ্‌যাপন কৰা হৈছিল। এই জোনসিঙৰ নাম অনুসৰি সংৰক্ষিত বিলখনৰ নাম জোনবিল আৰু তাৰ পাৰত অনুষ্ঠিত হোৱা মেলাখনক জোনবিল মেলা বোলা হয়।



প্ৰথম অৱস্থাত গোভা ৰজাই মাঘবিহুৰ প্ৰায় বাৰ দিনৰ পাছত ইয়াত বিহুৰ উৎসৱ পাতি আনন্দ কৰিছিল। পৰৱৰ্তী কালত গোভা ৰজাৰ কোনো অসুবিধা নাথাকিলে সাধাৰণতে মাঘ বিহুৰ সংক্ৰান্তিৰ পাছৰ বৃহস্পতিবাৰে এই ঐতিহাসিক বিলখনৰ পাৰত মেলা আৰম্ভ হয় আৰু শনিবাৰে সন্ধিয়ালৈ মেলাৰ সামৰণি পাতে।

জোনবিল মেলাত উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন পাহাৰীয়া জনজাতি যেনে- তিৱা, খাচি, কাৰ্বি আদি লোকসকলে অংশ গ্ৰহণ কৰিব অহা দেখা যায়। আৰু এই পাহাৰীয়া জনজাতি সকলে তেওঁলোকৰ অঞ্চলত উৎপন্ন হোৱা বিভিন্ন সামগ্ৰীসমূহ লাউ, কোমোৰা, পাহৰীয়া জলকীয়া, আদা, হিং, দালচেনী, হালধি, কচু, লা, ধূণা, শুকান মাছ আদি লগত লৈ আহে। আৰু তেওঁলোকে বিলৰ পাৰত খেৰ-বাঁহ, নল-খাগৰি আদিৰে অস্থায়ীকৈ কিছুমান সৰু জুপুৰি ঘৰ সাঁজি লোৱা দেখা যায়। তেওঁলোকে খাদ্য-সম্ভাৰত বাঁহৰ চুঙাত চাউল সিজাই স্ফূৰ্তি কৰি ভৈয়ামৰ মানুহলৈ অপেক্ষা কৰি থাকে। ভৈয়ামৰো হাজাৰ হাজাৰ লোকে এই মেলাত অংশগ্ৰহণ কৰে। পাহাৰীয়া জনজাতিসকলে তেওঁলোকে অনা সামগ্ৰীসমূহৰ লগত ভৈয়ামৰ জনসাধাৰণৰ সমাগ্ৰীসমূহ যেনে- সান্দহ, পিঠাগুড়ি, তিল পিঠা, লাড়ু, তামোল-পান আদি বিনিময় কৰে। প্ৰথম দিনা বিণিময় মেলাত গোভা ৰজাই পাহাৰ-ভৈয়ামৰ সকলো জনগোষ্ঠীৰ সৈতে ভাৱ বিনিময় কৰি শান্তি, সংহতি অটুট ৰাখি একতাৰ পথত যাবৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হৈ পাহাৰৰ আলু-কচু আদিৰ লগত ভৈয়ামৰ পিঠা-সান্দহ আদিৰ বিনিময়ৰ শুভাৰম্ভ কৰে। বিনিময় পৰ্ব শেষ হোৱাৰ পাছত পাহৰীয়া সকলে অস্থায়ী জুপুৰি ঘৰবোৰক সেৱা জনাই সেইবোৰ জ্বলাই দিয়ে আৰু ভৈয়ামৰ পৰা সংগৃহীত দ্ৰব্যবোৰ লৈ পাহাৰলৈ যায়গৈ। এই ভৈয়ামৰ পৰা নিয়া সামগ্ৰীৰে তেওঁলোকে পাহৰত মাঘ বিহুৰ দৰে একোটা উৎসৱ পাতি আনন্দ কৰে বুলি জনা যায়।

জোনবিল মেলাৰ এই বিনিময় পৰ্বৰ পাছত একে স্থানতে আন এখন মেলা বহে। এই মেলাত দৈনন্দিন জীৱনত ব্যৱহাৰ হোৱা সামগ্ৰীসমূহ পোৱা যায় লগতে কাঠৰ বিভিন্ন আচ্‌বাব কিনিবলৈ পোৱা যায়।

জোনবিল মেলাৰ ঘাই বৈশিষ্ট্য হৈছে বিনিময় প্ৰথা। বৰ্তমান সময়ত মূদ্ৰাৰ প্ৰচলনে জোনবিল মেলাৰ ঐতিহ্যত কিছু প্ৰভাৱ পেলাইছে। পাহাৰ আৰু ভৈয়ামৰ জনজীৱন আৰু লোক-সংস্কৃতিৰ কোঁহে কোঁহে বিনিময় প্ৰথা আজিও বৰ্তি আছে আৰু সেইয়া জোনবিল মেলাত আজিও প্ৰত্যক্ষ কৰিবলৈ পোৱা যায়।

◆◆◆◆◆◆◆

"ৰাতি যিমানেই কঠিন হ'ব, প্ৰভাত সিমানেই উজ্জ্বল হ'ব। চাৰিওফালৰ পৰা অন্ধকাৰে আৱৰি ধৰিলেও ভয় নকৰিবা। প্ৰভাত হ'বই।"

- জ্যোতিপ্ৰসাদ আগৰৱালা

✪ ✪ ✪

"মানুহৰ সেৱাৰ মাজেদি মই ঈশ্বৰক পাব বিচাৰোঁ, কাৰণ ঈশ্বৰ স্বৰ্গতো নাই, পাতালতো নাই, আছে মানুহৰ অন্তৰত।"

- মহাত্মা গান্ধী

✪ ✪ ✪

"কাৰ্য সাধনাৰ কোনো ৰাজআলি নাই। কুসুম শয্যাত শুই থাকি কৃতকাৰ্য হ'ব নোৱাৰি।"

- প্ৰফুল্ল ৰায়

ভিন্ন গদ্য

# গল্পৰ দৰে আমাৰ জীৱনটো...

- বিকাশজ্যোতি শইকীয়া
প্ৰাক্তন ছাত্ৰ

এটা কান্দোনেৰে আমাৰ জীৱনটোৰ আৰম্ভণি। তাৰপৰাই গল্প এটা আৰম্ভ হৈ যায়। ধাইমাকে হহোঁৱাইছে বুলি কোৱা লোকগল্প। ক্ৰমশঃ আমাৰ বাঢ়ি অহা শৰীৰটো, আমাৰ লৰা-ঢপৰা, আকাৰ লোৱা মাত-কথা। তাৰ ইটোপাৰত মা-দেউতা, পৰিয়াল-পৰিজনৰ আমাক লৈ ব্যস্ততা।

জন্মৰ আগতো কিছুমান গল্প থাকে। প্ৰেমনে সেয়া? নে যৌনতা? গল্পবোৰ এনেকুৱাধৰণৰ— মা-দেউতা সামাজিক স্বীকৃতিৰে বিয়া হৈছিলনে নে মা-দেউতাৰ বিয়া আছিল অসৱৰ্ণ, নে বিশাল-বিস্তৃত প্ৰেম কাহিনীৰ আঁৰত সমস্যাই কোঙা কৰি ৰখা আৰ্থিক ঘৰুৱা সমস্যাৰে ব্যতিব্যস্ত দেউতাই মাক পলুৱাই লৈ আহিছিল? এইখিনিলৈকে এটা স্বাভাৱিক গল্পই হয়। কিন্তু গল্পৰ ধৰণ-কৰণ সলনি হৈ যায় যদি? কামনাৰ তাড়নাত অসামাজিকভাবে এহাল ডেকা-গাভৰুৰ শৰীৰৰ ক্ষুধা নিবৃত্তিৰ পিছত যদি মোৰ জন্ম হৈছিল আৰু বাটৰ কাযত মোৰ ফুলকুমলীয়া শৰীৰ কাপোৰেৰে বান্ধি পেলাই থৈ গৈছিল! যদি কোনোবা পাযাণ পশুৱে মাক ধৰ্যণ কৰি পেলাই থৈ গৈছিল, লোকনিন্দা, গুজৱ আৰু অজস্ৰ কৰুণ কাহিনীৰ পিছত মোৰ জন্মৰ কাহিনী?



জন্মৰ প্ৰক্ৰিয়াত ভ্ৰূণৰ আকাৰ লওঁতে মই ল'ৰা ভ্ৰূণ আছিলোঁ কন্যা ভ্ৰূণ আছিলোঁ? কন্যা ভ্ৰূণ আছিলোঁ যদি ভ্ৰূণ পৰীক্ষাৰে মোক জন্মৰ সময়তে মাৰি পেলোৱা হত্যাকাৰী মা-দেউতা কোনো বিচাৰৰ সমুখীন নোহোৱাকৈ সমাজত বুকু ফিন্দাই ঘূৰি ফুৰাৰ গল্প, নতুবা পৰিয়াল এটাত অনাকাংক্ষিত জন্ম ল'ব খোজা শিশুটোক জন্মৰ আগতেই গৰ্ভপাতেৰে নিজৰ কেৰিয়াৰ, যৌন জীৱন সুৰক্ষিত কৰিব খোজা লোকচক্ষুৰ আঁৰত হেৰাই যোৱা ফুলকুমলীয়া গল্পবোৰ।

এয়া এক আৰম্ভণি জীৱনৰ গল্পৰ। তাৰপিছতে আৰম্ভ হয় জন্মৰ পিছৰ গল্প। কেতিয়াবা প্ৰয়োজনাধিক আপডালেৰে ডাঙৰ কৰিব খোজা এটা শিশুৰ গল্প অন্যহাতে অপুষ্টিত গাখীৰ নোলোৱাকৈ থকা মাকৰ শুকান পিয়াঁহত মুখ গুজি কান্দি থকা শিশুৰ গল্প। সকলোটো একো একোটা জীয়া গল্প। কোনটো গল্প এৰিব কোনটো ধৰিব? চেৰেলেক, নেষ্টাম বৰ্ণভিটা, কিণ্ডাৰজয়, চকলেট, চিপছ্, মেগী ইত্যাদি খাদ্য তালিকাৰে ক্ৰমশঃ ডাঙৰ হৈ অহা ল'ৰা আৰু ছোৱালী আৰু উৰুখা চালৰ তলত দেউতাকে চাউল আনিলে ভাত খাম বুলি ভোকত পেট কলমলাই থকা ল'ৰা-ছোৱালীৰ মাকবোৰৰ বুকুভেদি ওলাই অহা হুমুনিয়াহ। গল্পৰ শৰীৰ কেতিয়াবা চৰ্বিযুক্ত হয় কেতিয়াবা অপুষ্টিত মৰে। নতুনকৈ স্কুলত মোটা অংকৰ এডমিছন ফীজেৰে জোতা-মোজা-টাইৰে নামভৰ্ত্তি, ফেচবুকত আপলোড— আমাৰ জানতু, সোণটোৰ স্কুলিং আৰম্ভণি আৰু ওচৰৰ অংগনৱাড়ী কেন্দ্ৰত লেতেৰা পৰিৱেশত ধনপোনাক থৈ অহা দুটা সুকীয়া গল্প।

এনেকৈয়ে দুটা সমান্তৰাল গল্পই আমাৰ সমাজখনত পায়চাৰি কৰি ফুৰে। পায়চাৰি কৰি ফুৰে কিছুমান উপগল্পই। যোত্ৰৱান আৰু দুখীয়া গল্পৰ ভিৰৰ মাজত ভুমুকি মাৰেহি বনকৰা ল'ৰা-ছোৱালীৰ গল্পই। বনকৰা ল'ৰা-ছোৱালীৰো গল্প অনেক। গল্পবোৰে কম বয়সতে হোটেল বয় হয়হি, লোকৰ ঘৰত কাম কৰা ল'ৰা-ছোৱালী হয়হি। গল্পবোৰে যোত্ৰৱানসকলৰ ল'ৰা-ছোৱালীৰ যত্ন লয়, খুৱাই-বোৱায়, পিন্ধায় অথবা খেলে। খোৱা-বোৱা, শোৱা-পিন্ধা সকলোতে গাল্পিক পৃথকতা বিৰাজমান।

... ... ...

ওপৰত লিখাখিনি এখিনি গল্প। সমাজখনত এই শ্ৰেণীভিত্তিক ধনী-দুখীয়া, শৈশৱ-কৈশোৰৰ গল্পবোৰৰ উপৰি আৰু কিছুমান গল্প আৰু গল্পৰ চৰিত্ৰই নিজা নিজা শৈলীৰে কিছুমান পুৰণি, কিছুমান নতুন গল্পৰ পটভূমি ৰচনা কৰে। চৰিত্ৰবোৰৰ মানসিক দ্বন্দ্ব-বিৰোধ, পাৰ কৰি অহা শৈশৱ-কৈশোৰ, ঘৰুৱা পৰিৱেশ, আৰ্থ-সামাজিক-সাংস্কৃতিক পৰিৱেশে নিৰ্ণয় কৰে চৰিত্ৰবোৰৰ মানসিক স্থিতি। চৰিত্ৰবোৰে কঢ়িয়াই লৈ ফুৰে কিছুমান কমপ্লেক্স। কমপ্লেক্সবোৰে নিৰ্মাণ কৰে চৰিত্ৰবোৰৰ কথকতা। চৰিত্ৰবোৰে নিজৰ অজানিতে নিজক কঢ়িয়াই লৈ ফুৰে। চৰিত্ৰবোৰৰ হতাশা থাকে, হাহাকাৰ থাকে, প্ৰেম থাকে, ভালপোৱা থাকে। স্বপ্নভংগৰ দুঃখ থাকে। নোপোৱাৰ হা-হুতাশ থাকে। পাই হেৰুৱাৰ যন্ত্ৰণা থাকে। অনেক চৰিত্ৰই গম নাপায় কিধৰণৰ কমপ্লেক্সেৰে তেওঁ নিজক নিৰ্মাণ কৰি লৈছে। যিবোৰ চৰিত্ৰই গম পায় তেওঁলোকে এক অস্থিৰতাত ভোগে। জীৱনজুৰি চৰিত্ৰবিলাকে কিছুমান ধাৰণা কঢ়িয়াই লৈ ফুৰে। ধাৰণাবোৰৰ গঢ়-গতি নিজাধৰণৰ। ধাৰণাৰ পৰা ওলাই নিৰ্বিশেষ ধাৰক হোৱাতে থাকে অসুবিধা।

... ... ...

এই যে চৰি ফুৰে গল্পবোৰ। এটা মহাজীৱনৰ অংশ হৈ গল্পবোৰে জীৱনৰ সামাজিকতা নিৰ্মাণ কৰে। এখন দীঘল উপন্যাসৰ মাজত যেন একো একোটা অধ্যায় হৈ পৰে। গল্পবোৰে লাহে লাহে জীৱন বিনিৰ্মাণৰ কাম আৰম্ভ কৰে। এটা গল্পৰ পিছত আন এটা গল্পই আগৰ গল্পটোৰ অনুকৰণত নতুন এটা গল্পৰ সূচনা কৰে। লাহে লাহে গল্পৰ ধাৰাবাহিকতা আৰম্ভ হয়।

... ... ...

কোনো এটা গল্পই প্ৰান্তীয় গল্প নহয়। গল্পবোৰৰ ওচৰ সামাজিক সম্পৰ্ক থাকে। থাকে মানৱীয় প্ৰমূল্য-পৰিভাষাৰ নিকট মিল। গল্পবোৰৰ ইটো-সিটোৰ লগত পৰিচয় থাকে। ঘৰুৱা সম্পৰ্ক থাকে, সামাজিক পৰিচয় থাকে। গল্পবোৰে পৰস্পৰৰ তেজ-ঘাম-গোন্ধৰ পৰিচিতি জানে। এটা গল্পই আনটো গল্পৰ বদনাম ৰটে। কেতিয়াবা কাৰণত কেতিয়াবা কাৰণহীনতাত। গল্পবোৰৰ ইটোৰ ওপৰত সিটোৰ মান-অভিমান থাকে, অভিযোগবোৰৰ অভিযোগ থাকে। এই মান-অভিমান, অভিযোগবোৰৰ কেতিয়াবা আধাৰ থাকে কেতিয়াবা উদ্দেশ্যপ্ৰণোদিত হয়।

... ... ...

কিছুমান গল্প কামনাকাতৰতাত ডুবি থাকে। কিছুমান গল্প বাসনাহীন হয়। উচ্চাভিলাসী গল্পৰ কথন-মথন বেলেগ। কিছুমান গল্পই গল্পবোৰে জৈৱিক প্ৰবৃত্তি কঢ়িয়াই লৈ ফুৰে। কিছুমান গল্পই আন্দোলনত বিশ্বাস ৰাখে কিছুমানে পাহৰি যায় বিশ্বাস আৰু প্ৰমূল্যৰ আধাৰবোৰ। কিছুমান গল্প উত্তৰ-আধুনিক হ'ব খোজে। কিছুমান গল্প পুৰণি সংস্কাৰেৰে নিৰ্মিত হয়। এই যে গল্পবোৰৰ এনে গঢ়-গতি গল্পবোৰ কিছুমান তুৰীয় আৱেগ-সপোনত মজি থাকে নিজক নজনাকৈ।

... ... ...

গল্পবোৰ গুমটিৱালা হয়। সৰু এখন সংসাৰ থাকে। গুমটিৱালা গল্প অনেক গল্পৰ কথকতাৰ নিৰ্বাক শ্ৰোতা হয়। গল্পবোৰ কলেজৰ অধ্যাপক হয়। জীসম কলেজীয়া গল্পলৈ ৰাতি অশ্লীল মেচেজ দিয়ে। গল্পবোৰ কেতিয়াবা কবি, কেতিয়াবা সাহিত্যিক। কবিতাবোৰৰ মাজত গল্প এটা হেৰায় যায়। কেনেকৈ হেৰায় সেয়াও অন্যধৰণৰ গল্প এটা। কুমজেলেকুৱা স্পৰ্শ এটাই যেন মুখ বিকটায়।

... ... ...

অনেক গল্প। গল্পৰ মাজত গল্প। গল্পৰ বাহিৰত গল্প। ৰ'দত শুকায় বৰষুণত তিতি জীৱনপাত কৰাৰ গল্প, প্ৰাচুৰ্যৰ মাজত থকা গল্প। গল্পবোৰ কেতিয়াবা ভুৱা মাৰ্ক্সবাদী হয়, কেতিয়াবা ব্যৰ্থ শিক্ষক, মানসিক ৰোগী। গল্পবোৰে গল্প বিচাৰি ফুৰে কিছুমান অসমাপ্ত গল্পৰ মাজত। গল্পৰ শৰীৰ সময়ৰ শৰীৰেৰে নিৰ্মিত হয়। গল্পবোৰ ঘৰৰ পৰা ওলাই যায় অৰণ্যলৈ। গল্পবোৰ ঘৰলৈ সোমায় আহে বিবসনা কিশোৰী হৈ।

... ... ...

সমাজত পায়চাৰি কৰি ঘূৰি ফুৰে গল্প। সেয়া হয়তোবা আপুনি, আপোনাৰ মাতৃ, আপোনাৰ দেউতা, আপোনাৰ ভাইটি অথবা ভগ্নী। প্ৰত্যেকেই নিজক এটা গল্পৰ আকাৰেৰে গঢ়ি তোলে। কোনোবাটোত আয়তন বেছি থাকে কোনোবাটোত কম। নিজক বিচাৰি নোপোৱাৰ গল্পটোৱে প্ৰায় আমাক বিব্ৰত কৰে। গল্পবোৰ কেতিয়াবা মাতাল হয়, অহংকাৰী হয়, লোভী হয়, খুনী হয়। কাৰণ থাকে সৰ্বত্ৰে। গল্পৰ কাৰণ। পটভূমি থাকে। স্থান, তাৰিখেৰে নিৰ্ণীত হয় গল্পৰ অবয়ৱ।

... ... ...

মূল গল্পটোলৈ ঘূৰি আহিব খুজিছোঁ। অজস্ৰ জীৱনৰ গল্পৰ মাজত আমাৰ স্থায়িত্ব ক'ত, কেনেদৰে আমাৰ জীৱনৰ গল্পক গঢ়-গতি দিওঁ সেয়া আমাৰ জীৱন অনুশীলনে নিৰ্ণয় কৰে। গল্পৰ মাজত ক'ত কেনেকৈ অৱগাহন কৰোঁ সেয়াই মূল কথা। যদি হৈ উঠোঁ জীৱনৰ সঠিক গল্প তেন্তে ক্ষুদ্ৰতা অতিক্ৰম আৰু অনেক অনুগল্পৰ বাবে প্ৰেৰণাৰ বাহক। যদি ব্যৰ্থ হওঁ তেন্তে আৱিষ্কাৰ কৰিম নিজক চেতনাৰ অৱলুপ্তিত।

◆◆◆◆◆◆◆◆

চিন্তন

# অসমীয়া ভাষা

ঐশ্চৰ্য বৰুৱা
প্ৰাক্তন ছাত্ৰ

অসমীয়া ভাষাটো কিমান দিন জীয়াই থাকে নাজানো কিন্তু মই এই ভাষাটো ভাল পাওঁ কাৰণ ই মোৰ মাতৃভাষা, ই মোৰ বুকুৰ আপোন। অসমীয়া নজনাটো আজিকালি এটা গৌৰৱৰ বিষয়। শইকীয়ানীয়ে মাজে মাজে কয়, "আমাৰ বাবাই আকৌ অসমীয়া একেবাৰে নাজানে জানা, ইংৰাজীটো বহুত ভালকৈয়ে জানে, সি এইবাৰ Extempor Speechত 1st. Prize পাইছে।" হায়ৰে! অসমীয়া জাতি, হায়ৰে শইকীয়ানী! আপুনি ভাবিছে? শইকীয়ানী কোন? লেখকৰ চুবুৰীয়া নেকি? নহয় হে আপোনালোকৰ মাজৰে এগৰাকী। ল'ৰাটো দিছে ইংলিছ স্কুলত, "আৰে, ইংলিছ স্কুলত যদি নপঢ়ুৱাওঁ তেন্তে মোৰ ইজ্জত ক'ত থাকিব?" শইকীয়ানীয়েহে কয় দেই। আচামিজ ভাষাটো বৰিং একেবাৰেই ভাল নালাগে - আপুনি যদি অসমীয়া, বুকুত হাত দি কওকচোন, এইযাৰ কথা শুনি বুকুত জুই নজ্বলেনে? অৱশ্যে নজ্বলিবও পাৰে আমিটো আজিকালি মডাৰ্ণ মানুহ।

মোৰ দৰে ধূলিৰ মানুহে অসমীয়া ভাষাটো জানো ধৰি ৰাখিব পাৰিম? "অসমীয়া ভাষা বচাওক" অভিযানত যোগ দিয়া মানুহকেইজনৰ ল'ৰা-ছোৱালীকেইটা আকৌ পঢ়ে ইংৰাজী ভাষা। অসম সাহিত্য সভাত কাম কৰা মানুহবোৰক সোধক, তেওঁলোকৰ পুত্ৰ সন্তান ক'ত পঢ়ে? অসমীয়া বাতৰি কাকতসমূহৰ প্ৰণেতাসকলক সোধক তেওঁলোকৰ ল'ৰা-ছোৱালী ক'ত পঢ়ে? "পাপা, অসমীয়া লেংগুৱেজ মানে কি?" ভাষা আন্দোলনত যোগদান কৰা অজ্ঞানী পুত্ৰৰ প্ৰশ্নৰ উত্তৰত ক'লে অসমীয়া is a old language which is কাম নাইকিয়া। অসমীয়াৰ মাজে মাজে ইংৰাজী ক'ব পৰা গুণটো মোৰো আছে। ভাল লাগেহে গৌৰৱৰ কথা, নিজকে আপটুডেট যেন লাগে। "মই দেৰিকৈ পালোহি।" বাক্যটো শুনিলো দেৰি মানে কি হে নিজকে প্ৰশ্ন কৰিলো। এশ এবুৰি আছে এটা দাঙি ধৰি "এটা চুঙাত লাখটা হাতী ভৰালো" এনেদৰে শইকীয়ানীয়ে কয়, মানেটো বুজিছে নহয় ভুৰুকাত হাতী ভৰোৱা আকৌ। আজিকালি আকৌ বহুত লেখক ওলাল নহয়, ভাষাজ্ঞান বাদ দিয়াহে নামটো থাকিলেই হ'ল। ভাষাটোৰ অশুদ্ধতাৰ ক্ষেত্ৰত বৰঙণি যেগোৱাৰ বাবে হাততালি মাৰিব পাৰে।

অ' আজিকালি আকৌ অসমীয়া ভাষাক সৰুখিনিৰ আগত সুন্দৰ বৰণ দিবলৈ নতুন কৌশল এটাও ওলাইছে নহয়? কি নাজানে হ'বলা। যদু-মধুৰ দ্বাৰা ৰচিত শিশু আলোচনীসমূহ। মন কৰিলেই চন। পইচা পালেই সাহিত্যলৈকো কৰিব পাৰি মন। অৱশ্যে সকলো একে নহয় আক' দেই।

সি যি কি নহওক শইকীয়ানীক কেতিয়াবা কওঁ পাৰিলে অসমীয়া স্কুলত পোনাটোক দিয়ক, অসমীয়া ভাষা শিকাওক, অসমীয়া ভাষাটো বচাওক হে শইকীয়ানী। ধূলিৰ মানুহ কথাবোৰ ক'লো। পিছে শইকীয়ানীয়ে শুনিব ক'ত। শুনাৰ আশাৰে আজিলৈ সামৰিছো। ❖





## অতীত ৰোমন্থন পমখেদি...

# তিনিচুকীয়া মহাবিদ্যালয়

সূৰুজ মৰাণ
এম.এ. প্ৰথম যাণ্মাসিক, অসমীয়া বিভাগ
অসম বিশ্ববিদ্যালয় শিলচৰ, ডিফু চৌহদ

কুঁৱলীৰ ফাঁকেৰে ৰ'দৰ কাঁচলি ফালি গহীন পুৱাৰ প্ৰকৃতিৰ বিনন্দীয়া জগতখনৰ মাজত মনটো মেলি দিওঁতেই শ্যামলী পাতৰ পৰা মনটো বিচ্ছিন্ন হৈ হঠাৎ ভাঁহি আহিল যতীন্দ্ৰনাথ দুৱৰাৰ এটি কবিতা-

অতীতক নেযাবা পাহৰি
চেনেহৰ সখামোৰ শেষ অনুৰোধ
অতীতক নেযাবা পাহৰি,
সমাপি জীৱন মেলা বসুধা বুকুত
যামগৈ যিদিনা আঁতৰি
অতীতক নেযাবা পাহৰি.....।

কবিতাৰ মাদকতাৰ মাজতেই মনটো উৰা মাৰিলে অতীতৰ কলেজীয়া দিনবোৰলৈ। কলেজীয়া দিনবোৰ মনত ভাঁহি অহাৰ লগে লগে 'মনীষা'ৰ ছবি মনলৈ আহিল। কলেজৰ বছৰেকীয়া আলোচনী মনীষাৰ এজন লেখকৰ শাৰীত স্থান ল'বলৈ বুলি মোৰ উদাসীন মনটো উৎসাহিত হ'ল। কিন্তু কি লেখিম, কি নেলেখিম মনটো স্থিৰ কৰিব পৰা নাছিলো। আকৌ মনতে ভাৱিলো মোৰ লেখা মনীষাই আঁকোৱালি ল'ব জনো। তথাপিও মনীষাৰ ছবি চকুৰ আগত লৈ "অতীত ৰোমন্থন পমখেদি" লেখনিটো লেখিবলৈ হাতত কলম ল'লো। নাজানো মোৰ কাপৰ মহীৰে লেখা লেখনি 'মনীষা'ই আদৰি ল'ব নাই।

সময়ৰ বলুকা ৰাশিত....
'মনীষা' প্ৰকাশলৈ বাট চাই......।

আমি পোহৰ বিচাৰি যাওঁ, শান্তিৰ পথ য'ত পাওঁ। উচ্চ শিক্ষাৰ পোহৰ বিচাৰি তিনিচুকীয়া মহাবিদ্যালয়ত ভৰি দিয়া প্ৰথম দিনটো এতিয়াও স্পষ্টকৈ মনত আছে — ১৬ জুলাই ২০১৩ চন। বহু আশা, সপোন বুকুত বান্ধি লৈ লাজে, ভয়ে, আনন্দেৰে কলেজৰ নওলামুখত ভৰি দিলো। নওলা পাৰ হৈ এখোজ-দুখোজকৈ মহাবিদ্যালয়ৰ বৰঘৰৰ মজিয়াৰ ভিতৰত সোমাই পৰিলো। বৰঘৰৰ চৌহদত লগ পালো বিভিন্ন জাতি-জনজাতিৰ বন্ধু-বান্ধৱী। এইখিনিতে ক'ব লাগিব যে অসম এখন বিভিন্ন জাতি-জনজাতিৰে ভৰপূৰ ৰাজ্য। সেয়ে ইতিহাস প্ৰসিদ্ধ অসমৰ এখন জিলা তিনিচুকীয়া। তিনিচুকীয়া জিলাও বিভিন্ন জাতি-জনজাতিৰ মিলনৰ বাসভূমিৰ স্থল। এই তিনিচুকীয়া জিলাৰ মিলনৰ বাসভূমি কাকপথাৰ অঞ্চলত মোৰ ঘৰ।

মহাবিদ্যালয়ৰ বৰঘৰৰ চৌহদত সিদিনাৰ দিনটোত ন-পোছাকৰ গোন্ধ আহি নাকত লাগিছিল। ছাত্ৰ-ছাত্ৰীৰ হাঁহিৰ খিলখিলনিয়ে কৃষ্ণচূড়াৰ লাহি লাহি পাত লিৰিকি থকাৰ দৰে চৌদিশে জাক জাক ছাত্ৰ-ছাত্ৰীৰ মুখত সুমধুৰ মিছিকিয়া হাঁহিৰ মাদকতা ফুটি উঠিছিল। মহাবিদ্যালয়ৰ মজিয়াখনত প্ৰথমে বহু অকলশৰীয়া অনুভৱ কৰিছিলো। কিন্তু কথাতে কয়, আপোন ভালে জগত ভাল। সেইয়ে মই সকলোৰে আপোন নহয় যদিও, তথাপিও কলেজৰ চৌহদত সিদিনা মই হৈ পৰিলো এজন গহীন, ঠাণ্ডা স্বভাৱৰ ছাত্ৰ। সকলোৰে লগত আপোন হোৱাৰ হেঁপাহেৰে ন'টিছ বৰ্ডখন চাই শ্ৰেণী কোঠালৈ বুলি আগবাঢ়িলো। শ্ৰেণীকোঠাত বহু ছাত্ৰ-ছাত্ৰীৰ সমাগমৰ পৰিৱেশ। ছাত্ৰ-ছাত্ৰীৰ সমাগমৰ মাজেৰে মই গোটেই শ্ৰেণীকোঠাটোৰ ফালে এবাৰ চকু ফুৰাই চালোঁ। তেনেকৈ কোনো চিনাকী নাই সকলো অচিনাকী। এনেকৈয়ে শ্ৰেণীকোঠাত নতুন বন্ধুবৰ্গৰ লগত চিনাকী হ'লো। এইখিনিতে ক'ব লাগিব নতুন ঠাই, নতুন পৰিৱেশত চিনাকী মানুহ লগপোৱাৰ আমেজেই বেলেগ। তাতকৈয়ো ডাঙৰ কথা অচিনাকী মানুহৰ লগত চিনাকী হোৱা। মানুহৰ লগত মানুহৰ চিনাকী হোৱা, মানুহৰ লগত সম্বন্ধ গঢ়াৰ দুৰ্বাৰ হেঁপাহ থাকে। অচিনাকী ঠাই এখনত সঁচা বন্ধু এজন গঢ়িব পাৰিলে তাৰ আনন্দই সুকীয়া। বন্ধুত্বৰ এনাজৰী গঢ়ি তোলা

কঠিন যদিও ই মোৰ বাবে সহজ হৈ পৰিছিল কলেজৰ সেই দিনবোৰত। সেয়ে মহাবিদ্যালয়ৰ প্ৰথম দিনাই এটা কথা মনত পুঁহি ৰাখিলো জীৱনত যিমান পাৰো অচিনাকী মানুহৰ লগত চিনাকী হোৱাৰ প্ৰবল হেঁপাহ। আচলতে অচিনাকী মানুহৰ লগত চিনাকী হৈ কথা-বাৰ্তাৰ পাতনি মেলা মাদকতাই খুব আমোদজনক। সময়বোৰ লাহে লাহে গৈ থাকোতে সিদিনা বন্ধুবোৰৰ লগত চিনাকীৰ পাতনি শেষ হোৱাই নাছিল। তথাপিও সময়ে জানো ৰৈ থাকিব। এনেকৈয়ে বন্ধু সম্পৰ্ক গঢ়ি তুলি সিদিনা লাহেকৈ ঘৰলৈ বুলি ৰাওনা হ'লো। ঘৰ মানে মই আচলতে ভাড়া ঘৰত আছিলো। ভাড়াঘৰৰ কিছু কথা মাজতে ক'ম বাৰু কিন্তু এতিয়া কলেজৰ দিনৰ মাজতেই আৱদ্ধ থাকো। প্ৰথম কলেজৰ দিন পাৰ হোৱাৰ লগে লগে দ্বিতীয় দিন আহি পালে। দ্বিতীয় দিন যোৱাৰ পাছতেই মহাবিদ্যালয়লৈ নেৰা-নেপেৰাকৈ যাবলৈ ধৰিলো। নাজানো কিমান ভাল লাগিছিল কলেজৰ প্ৰথম পৰ্যায়ৰ প্ৰতিটো দিন, ক্ষণ। হয়তো ইয়াক ভাষাৰে কৈ বুজাব নোৱাৰিম। কলেজৰ নঙলা পাৰ হোৱাৰ লগে লগে সকলো আপোন পাহৰা হৈ যাওঁ। কি যে আনন্দৰ দিন। জীৱনত পাহৰিব নোৱাৰো, এইয়া এক অবুজ শিহৰণ।

সৌন্দৰ্যৰ বুকুৰ কাঁচলিত মহাবিদ্যালয়ৰ চৌহদৰ কেন্টিন, লাইব্ৰেৰী, ইউনিয়ন ৰুম, কমন ৰুম, গল্ডেন পাৰ্ক আদিত ছাত্ৰ-ছাত্ৰীৰে ৰজন্‌জনাই থকা পৰিৱেশৰ মাজত ময়ো হৈ পৰিলো এইবোৰৰ উপকোণত নিয়মীয়া এজন কলেজীয়া ছাত্ৰ। জাক জাক বন্ধুবৰ্গৰ সৈতে গল্ডেন পাৰ্কত নানা কথাৰ আমেজত মাজে মাজে বহিব ধৰিছিলো। কথাৰ মাজতে গল্ডেন পাৰ্কৰ মোহ এৰি কেন্টিনখনলৈ মনটো ঢাপলি মেলে। কেন্টিনৰ যি খোৱা বস্তুৰ সুগন্ধি সোৱাদ সেই সোৱাদ ল'বলৈ কেন্টিনখনলৈ মোৰ মনটো বাৰে বাৰে উৰা মাৰে। খোৱাৰ স্পৃহা এৰিব নোৱাৰি লৰালৰিকৈ কিবা এটা খাবলৈ দৌৰ মাৰো। খোৱা সামৰি কলেজৰ পিৰিয়ডৰ বেল বজাৰ লগে লগে আকৌ দৌৰ মাৰো ক্লাচ ৰুমলৈ। সঁচা, প্ৰথমতে ক্লাচত মন বহুৱাব পৰা নাছিলো। কিন্তু ছাৰ-বাইদেউহঁতৰ যি মূল্যৱান কথা সেই কথাবোৰ শুনি বাধ্য হৈ পৰিলো ক্লাচত মনোযোগ দিয়াত।

সময় পাখি লগা কাঁড়ৰ দৰে। দিন বাগৰি গৈ থাকোতে সোমাই পৰিলো মহাবিদ্যালয়ৰ আন এক বুজাব নোৱাৰা মৰমৰ এনাজৰীৰ মাজত। সেই মৰমৰ এনাজৰী হ'ল অসমীয়া ভাষা পৰিয়াল। 'আমি অসমীয়া নহয় দুখীয়া কিহৰ দুখীয়া হ'ম।' অসমৰ প্ৰধান ভাষা অসমীয়া। এই কথা মনত বান্ধি মই এজন অসমীয়া ল'ৰা হোৱাৰ কাৰণে তথা গাত অসমীয়া তেজ বিয়পি থকাৰ কাৰণে মোৰ মন আছিল অসমীয়া বিষয়টোত মনোযোগ দিয়া। হাইস্কুলৰ দিনৰ পৰা প্ৰবল হেঁপাহ আছিল অসমীয়া বিষয়টো উচ্চমান বিষয় হিচাপে লোৱা। সেয়ে মই অসমীয়া বিষয়টো উচ্চমান বিষয় হিচাপে বাছি ল'লো। এইখিনিতে ক'ব লাগিব যে, অসমখন চিৰ চেনেহী, ভাষা জননী... সেয়ে অসমৰ ভাষা-সংস্কৃতি খুব ভাল লাগে মোৰ। শংকৰ, মাধৱৰ যি মহান অৱদান অসমীয়া সাহিত্যৰাজিত সেয়া অতি উল্লেখনীয়। অসম জাতি-জনজাতিৰ মিলনৰ ভাষাভূমি। লক্ষ্মীনাথ বেজবৰুৱা, ভূপেন হাজৰিকা, জ্যোতিপ্ৰসাদ আগৰৱালা আদি মহান ব্যক্তিসকলে যিদৰে অসমীয়া জাতিটোক অসমীয়া বুলি বুৰঞ্জীৰ পাতে পাতে চিহ্নিত কৰি থৈ গৈছে, ঠিক সেইদৰে তেওঁলোকৰ গুণৰাজিলৈ লক্ষ্য কৰি আমি ভাষা-সংস্কৃতিৰ দিশটো বজাই ৰাখিবৰ হ'ল।

শিক্ষাই মানুহৰ জীৱনৰ মূল। শিক্ষাৰ অবিহনে বৰ্তমান সমাজত উচ্চ স্তৰত উপনীত হোৱাতো অসম্ভৱ। উপযুক্ত শিক্ষা তথা জ্ঞানে কোনো ব্যক্তিৰ একো একোটা গুণৰাজি, মহৎ, সন্মান, মৰ্যাদা ফুটাই তোলে। কলম সদায় মানুহৰ জীৱনৰ চোকা অস্ত্ৰ। এই চোকা অস্ত্ৰ কোনেও নিঃশেষ কৰিব নোৱাৰে। সমাজত নিজকে সন্মানীয় পৰ্যায়ৰ ব্যক্তি হিচাপে পৰিগণিত কৰিবলৈ হ'লে উপযুক্ত শিক্ষা, জ্ঞান লাগিবই। সমাজ সুস্থ, সবল, নিকা তথা সুস্থিৰ কৰি তুলিবলৈ হ'লে আমি আমাৰ শিক্ষাৰ দিশ তথা সাহিত্যৰ দিশটোক গুৰুত্ব দিবই লাগিব। লগতে ভাষা-সংস্কৃতিৰো অস্তিত্ব ৰক্ষা কৰিব লাগিব।

অসম আমাৰ ৰূপহী
গুণৰো নাই শেষ....।

ভাৰতৰ উত্তৰ-পূব প্ৰান্তত অৱস্থিত অসমৰ প্ৰধান ভাষা হ'ল অসমীয়া। অসমৰ অসমীয়া জাতিটোৱে নিজৰ অসমীয়া ভাষাটোক সজাগ কৰি তোলাৰ বৰ্তমান সময়ত প্ৰয়োজন আহি পৰিছে। কোনো এটা জাতিক সমাজত এটা জাতি হিচাপে স্বীকৃতি দিয়ে ভাষাটোৱেই। ভাষাৰ অবিহনে কোনো এটা জাতিৰ কলা-সংস্কৃতি, ধৰ্ম আদি জীয়াই থকাটো সম্ভৱপৰ নহয়। ভাষাই কোনো এটা জাতিক ধৰি ৰাখে। ভাষাই হ'ল জাতিৰ কেন্দ্ৰ বিন্দুস্বৰূপ।

কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ মহৎ উক্তি- "আমি যুঁজিবলৈ ওলাইছো আন্ধাৰৰ বিপক্ষে। উদ্দেশ্য দেশৰ উন্নতি জোনাক"। এই মহান উদ্দেশ্য আগত লৈ আমি আমাৰ নিজৰ শিক্ষা, সাহিত্য, সংস্কৃতি দিশটো আগবঢ়াই নিয়াটো উচিত। সংস্কৃতি মানৱ সমাজৰ এক অবিচ্ছেদ্য অংগ। সংস্কৃতিয়ে মানুহৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, চাল-চলন, শিক্ষা-দীক্ষা, ধৰ্ম, নৃত্য-গীত, সাজ-পোছাক, মাত-কথা, ঘৰ-দুৱাৰ, শিল্প, কলা-সাহিত্য আদি সকলো দিশকে সামৰি লয়।



সাহিত্যৰ সৈতে মানৱ জীৱনৰ সম্পৰ্ক অতি ঘনিষ্ঠ। মাছৰ লগত পানীৰ যি সম্পৰ্ক ঠিক তেনেকৈ সাহিত্য আৰু মানৱৰ তেনে সম্পৰ্ক। সাহিত্য মূলত সমাজৰ দাপোণ স্বৰূপ। য'ত সমাজৰ একো একোখন প্ৰতিচ্ছবি প্ৰতিফলিত হয়। সাহিত্যই কঢ়িয়াই আনে সমাজৰ মানুহৰ জীৱনলৈ জ্ঞানৰ সুন্দৰতা, সুন্দৰৰ আৰাধনাৰ দিশ।

বহু আশা হেঁপাহেৰে অসমীয়া বিষয়টো উচ্চমান বিষয় হিচাপে বাছি লৈ সোমাই পৰিলো মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ পৰিয়ালৰ মাজত। লাজ, ভয় মনৰ মাজত লৈ প্ৰথমে আগবাঢ়ি গৈছিলো অসমীয়া বিভাগৰ শ্ৰেণীকোঠালৈ। শ্ৰেণীকোঠাত এজনৰ বাহিৰে সকলো কেইজন বন্ধু অচিনাকী। প্ৰথম পৰ্যায়ৰ প্ৰথম দিনটোত কাৰো লগত চিনাকী হোৱা নাছিলো। মোৰ মনত অসমীয়া বিষয়টোৰ প্ৰতি থকা হেঁপাহ নিমিষতে হেৰাই গ'ল। শ্ৰেণীকোঠাটোত কাৰো লগতে কথাৰ পাতনি মেলিব পৰা নাছিলো। এজোপা গছ যেনেকৈ একে ঠাইতে থাকে ময়ো তেনেকৈ শ্ৰেণীকোঠাত সোমাই থাকো। কাৰো লগত মিলিব পৰা নাছিলো। এইদৰে কেইটামান দিন যোৱাৰ পাছত মনতে দৃঢ পণ কৰিলো যে মই মোৰ বিভাগীয় সহপাঠীসকলৰ লগত বন্ধুত্বৰ এনাজৰী গঢ়ি তুলিবই লাগিব নহ'লে মোৰ বিষয়টো আগবঢ়াই নিয়াত কষ্টকৰ হ'ব। সহপাঠীৰ অবিহনে হয়তো বিভাগীয় শ্ৰেণীকোঠাত বহু অকলশৰীয়া লাগিব। এই ভাৱ মনত জাগিল। আচলতে মই খুব লাজকুৰীয়া স্বভাৱৰ আছিলো। কথা খুব কমকৈ কওঁ। কিন্তু লাজৰ মাজেৰে সহপাঠীসকলৰ লগত চিনাকী হৈ বন্ধুত্বৰ এনাজৰী গঢ়ি তুলিলো। লাহে লাহে বিভাগটোৰ প্ৰতি মোৰ আকৰ্ষণীয়তা বাঢ়ি গ'ল।

দিনবোৰ যোৱাৰ পিছত জ্ঞান-অন্বেষণৰ পথাৰত ভাতৃত্বৰ মেটমৰা বীজ সিঁচি দিয়াত আগবাঢ়ি আহিল আমাতকৈ ওপৰ পৰ্যায়ত পঢ়া দাদা-বাসকল। চিনাকী হোৱাৰ লগতে ভাতৃত্বৰ বোধ গঢ়ি উঠিল দাদা, বাইঁতৰ লগত। প্ৰথমে দাদা, বাইঁতলৈ খুব লাজ লাগিছিল। তথাপি লাজ, ভয় আগতলৈ সিহঁতৰ লগত চিনাকী হ'লো। এইখিনিতে ক'ব লাগিব যে মহাবিদ্যালয়ত অসমীয়া বিভাগটোৰ তিনিওটা শ্ৰেণী মিলিত হৈ মৰম এনাজৰীৰ বান্ধোন দেখিব পালো। কেৱল মহাবিদ্যালয়ৰ অসমীয়া বিভাগটেই এনাজৰীৰ বান্ধোন দেখাই নহয়, অন্য বিভাগবোৰতো মৰম এনাজৰীৰ বান্ধোন দেখিব পালো। আমি যেন তিনিওটা শ্ৰেণী, ছাৰ,বাইদেউ মিলি হৈ পৰিলো একে পৰিয়ালৰ সদস্য। বিভাগটোত যি মিলা-প্ৰীতি সেয়া মোৰ খুব ভাল লাগিল। হয়তো জীৱনৰ প্ৰতিটো ক্ষণত পাহৰিব নোৱাৰিম এই শিহৰণ।

জ্ঞানৰ অন্বেষণত কেইটামান দিনৰ পাছত অসমীয়া বিভাগটোত "অসমীয়া সাহিত্য চ'ৰা" গঠন হ'ল। সাহিত্য চ'ৰাৰ পাছতেই অতি হেঁপাহৰ স্নেহাস্পদ "নৱাগত আদৰণি সভা" আয়োজন কৰি বিভাগীয় ছাৰ, বাইদেউ, দাদা, বাইঁতৰ লগতে সহপাঠীসকলৰ লগত চিনাকী হোৱাৰ লগতে বন্ধুত্ব সম্পৰ্ক গঢ়ি তোলাত সহায় কৰিলে নৱাগত আদৰণি সভাই। ইয়াত ক'বই লাগিব যে আদৰণি সভাই গঢ়ি তোলে বন্ধুত্বৰ সম্পৰ্ক, কলেজৰ প্ৰতি আন্তৰিকতা আৰু ছাৰ, বাইদেউসকলৰ প্ৰতি শ্ৰদ্ধা ভাৱ। সেয়ে মই ক'ব খোজো এই আদৰণি দিনটো জীৱনৰ বাবে মোৰ চিৰস্মৰণীয়। এইদিনটো এটা পৰ্যায়ত এবাৰহে পোৱা যায়। ই দুনাই ঘূৰি নাহে। নৱাগত আদৰণি এনে এটা দিন ই জীৱনত চকুৰ আগত বাৰে বাৰে আমনি কৰি থাকে। যিয়ে ইয়াক ভালকৈ উপলব্ধি কৰে। মই সেইদিনা বিভাগীয় আদৰণি সভালৈ যাবলৈ মন কৰা নাছিলো। তথাপিও লাজ,ভয় এৰি মনত সাহস গোটাই কলেজলৈ বুলি গ'লো। কলেজলৈ গৈ বিভাগটোৰ আদৰণি সভা আয়োজন কৰাৰ ফালে এপাক গ'লো। কিন্তু ভয়তে সোমাব নোৱাৰিলো সভাৰ স্থলত। পুনৰ পলায়নবাদী এটা মনলৈ ৰুমলৈ আহিব ধৰিছিলো হঠাৎ আমাতকৈ ওপৰৰ পৰ্যায়ত পঢ়া বাইদেউ দুজনীয়ে দেখা পালে আৰু বা দুজনীয়ে মোক লগে লগে ধৰি লৈ আদৰণি সভালৈ লৈ গ'ল। বা দুজনীৰ নাম এতিয়াও মনত আছে নয়নমণি বা আৰু সুৰভি বা। সভা কক্ষত সোমাইয়ে দেখিলো নৱাগত আদৰণিৰ চিনাকী পৰ্ব। লগে লগে ময়ো মোৰ চিনাকী দিবলৈ আগবাঢ়িলো। লাজ, ভয়, কঁপনিৰ মাতেৰে মোৰ পৰিচয় দিলো। পৰিচয় শেষ হোৱাৰ পিছতেই ঘপক কৈ মহাবিদ্যালয়ৰ মূৰব্বী অধ্যক্ষ ড° ভূৱন গগৈ ছাৰ সভাত উপস্থিত হৈ মোক প্ৰশ্ন কৰিছিল— উপন্যাস পঢ়িছা? মই কলো পঢ়ো ছাৰ। কেইখনমান উপন্যাসৰ নাম কোৱা চোন? মই ক'লো - মিৰিজীয়ৰী, ভানুমতী। আকৌ হঠাৎ প্ৰশ্ন কৰিলে— বৰ্তমান সময়ৰ উপন্যাসিক এজনৰ নাম কোৱা। কিন্তু সেইটো ক'ব নোৱাৰিলো। অধ্যক্ষ মহোদয়ৰ যদিও ভয়লগা চকুৰ চাৱনি তথাপিও শ্ৰদ্ধাৰ ছাৰৰ যি মূল্যৱান কথা মোৰ খুব ভাল লাগে। জীৱনত আগবাঢ়ি যোৱাৰ বহুতো পথ আঙুলিয়াই দিয়ে ছাৰৰ কথাবোৰে। মহোদয়ৰ সলসলিয়া ভাষণে মোক আকৰ্ষণ কৰিছিল। ছাৰ দেখাত খঙাল যেন লাগিলেও তেওঁ সহজ উদাৰ মনৰ। খঙাল মুখৰ আঁৰতো ছাৰৰ মুখত হাঁহি দেখিব পোৱা যায়। এনেদৰে সিদিনা নৱাগত আদৰণি সভা আৰু অন্তৰংগ আলাপ আলোচনা শেষ হ'ল। মইয়ো ঘৰমোৱা হ'লো।

তিনিচুকীয়া মহাবিদ্যালয়ত অকল এটা জাতিয়েই নহয় বিভিন্ন জাতি-জনজাতিৰ ছাত্ৰ-ছাত্ৰী দেখিবলৈ পালো। জাক জাক ছাত্ৰ-ছাত্ৰীয়ে হাঁহি-খিকিন্দালি কৰি কলেজ উৎফুল্লিত কৰি

তোলে। সকলো এটা সময়ত নিজা নিজা ধ্যানত ব্যস্ত থকা দেখিবলৈ পোৱা যায়। এনেকৈয়ে দিনবোৰ বাগৰি গৈ থাকিল। ন ন বন্ধুত্বৰ সম্পৰ্ক গঢ়ি গৈ থাকিলো। বন্ধুবৰ্গৰ লগত পাৰ্কত সময়বোৰ পাৰ কৰি থাকোতেই হঠাৎ এজনে মাত লগায়, ১০:২০ হ'ল ক্লাচ আছে ব'ল। সেই ক্লাচ শেষ হোৱাৰ লগে লগে আকৌ মেজৰ বন্ধুৱে মাত লগায়, ঐ সূৰজ মেজৰ ক্লাচ আছে ব'ল। এনেদৰে আকৌ দৌৰ মাৰো বিভাগীয় শ্ৰেণীকোঠালৈ। শ্ৰেণীকক্ষত সহপাঠীৰ মুখত হাঁহি, নানা কত কি যে কথা ওলাই। হঠাৎ কথাৰ মাজতে আহি পাই বিভাগীয় ছাৰ বা বাইদেউ। আমাৰ কথাৰ পাতনি শেষ কৰি পাঠ্যপুথিৰ মাজলৈ আগবাঢ়ি যাওঁ। মুখত মিঠা হাঁহি বৰণীয়াই তুলিকা দাস বাইদেউৱে ৰঙৰ তুলিকাৰে যিদৰে ৰঙীণ ছবিৰ মাদকতা ফুটাই তোলে ঠিক তেনেকৈ বিভিন্ন কথাৰ পাতনিৰে আমাৰ ক্লাচবোৰত মন বহুৱাই পাঠ্যপুথিৰ পাঠদান আগবঢ়াই নিয়ে। সঁচাই দাস বাইদেউৰ প্ৰতিটো ক্লাচেই মোৰ বাবে বৰ প্ৰিয় আৰু আকৰ্ষণীয় আছিল। বহুতো নজনা কথা শিকিলো। আমাৰ পাঠ্যপুথিৰ পাঠদানৰ কথা সামৰি তেওঁলোকৰ জীৱনৰ কিছু কথাৰ পাতনি মেলি নিজা অভিজ্ঞতাৰ কথা আমাক কৈছিল। দাস বাইদেউৰ এই কথাবোৰে মোক উপকৃত কৰিছিল। আৰু বৰ্তমান সময়ত বাইদেউৰ বহু কথা মনত সাঁচি ৰাখি জীৱনটো আগবঢ়াই নিয়াত কিছু সাহস, প্ৰেৰণা পাইছো। ক্লাচৰ মাজতেই হঠাৎ দাস বাইদেউৱে কয়, সূৰজ পঢ়া-শুনা হৈছেনে? মই কওঁ নাই তেনেকৈ পঢ়া হোৱা নাই। আকৌ বাইদেউৱে কয় কিবা বাহিৰা বতাহ লাগিছে নেকি? বাইদেউৰ এই কথা শুনি মনে মনে একো নোকোৱাকৈ থাকো। দাস বাইদেউৰ কথা ইমানতে সামৰিলো। আন এজন ছাৰ হ'ল টংকেশ্বৰ দাস ছাৰ। ছাৰে এটা গহীন মন লৈ আমাৰ মাজত পাঠদান আগবঢ়াই নিয়ে। লগতে আমাৰ ভৱিষ্যত জীৱন কিদৰে আগবঢ়াই নিব পৰা যায়, সেইবোৰৰ প্ৰতিটো দিশ আঙুলিয়াই থাকে। প্ৰথম অৱস্থাত ছাৰলৈ মোৰ ভয় লাগিছিল। ভয়ৰ মাজেৰে ছাৰৰ লগত লাহেকৈ আপোন হৈ পৰিলো। ছাৰৰ লগত আপোন হৈ গলেও কিন্তু ভয় ভাৱ এটা সদায় মনত আছিল। কাৰণ হাজাৰ হ'লেও তেওঁ এজন শিক্ষক আৰু মই মাথোঁ ছাৰৰ এজন ছাত্ৰ হে। গতিকে ছাত্ৰ হিচাপে শিক্ষাগুৰুক সন্মান, শ্ৰদ্ধা কৰাটো কৰ্তব্য। শিক্ষাগুৰুৰ পৰাই আমি এই ৰঙীণ পৃথিৱীখনত নজনা কথা শিকিছো। জীৱনটোক আগবঢ়াই নিয়াত শিক্ষাগুৰুৰ কথাবোৰে সদায় সহায় কৰে। টংকেশ্বৰ ছাৰৰ পৰা নজনা কথাবোৰ যিমান পাৰো শিকিব চেষ্টা কৰিছিলো। পাঠদানৰ মাজেৰে ছাৰে কিছুমান কথা কৈ থাকে আমাক। ছাৰে কয় — জীৱনটো আগবঢ়াই নিয়াত ডিগ্ৰী পৰ্যায়ৰ এই তিনিটা বছৰ খুব মূল্যবান। এই তিনিটা বছৰে জীৱনটোক কেনেকৈ উপভোগ কৰিবা সকলো বিবেচনা কৰিব। এই তিনিটা বছৰ ভালকৈ পঢ়া বেলেগ চিন্তাত মন নিদিবা। ছাৰৰ এই কথাবোৰে মোক খুব উৎসাহিত কৰিছিল। পাঠদানৰ মাজতে ছাৰে কেতিয়াবা কয়, সূৰজ পঢ়া-শুনা কৰিছা নাই? মই কওঁ, ছাৰ ভালকৈ পঢ়া হোৱা নাই। ছাৰে কয়, হে এনেকৈ হ'লে কি হ'ব? পঢ়িবা পঢ়িবা পৰীক্ষালৈ আৰু কেইদিন আছে। গতিকে এই কেইটা দিন পঢ়া ভালকৈ। তেতিয়াহে ভাল নম্বৰ পাবা। এইদৰে কথাবোৰ কৈ থকাৰ মাজতে আকৌ ছাৰে কয়, সূৰজ কিবা বাহিৰা বতাহ লাগিছে নেকি? মই তেতিয়া লাজে লাজে কওঁ নাই লগা ছাৰ। ছাৰে তেতিয়া কয়, সেইবোৰত মন নিদিবা। ছাৰৰ সেই বাহিৰা বতাহ জাক হ'ল— কলেজীয়া জীৱন, গতিকে জীৱনত প্ৰেম,ভালপোৱাই এটা সময়ত আমনি কৰে। সেয়ে প্ৰেম,ভালপোৱা দিশটো ডিগ্ৰীৰ তিনিটা বছৰত আঁতৰাই ৰাখিবলৈ ছাৰে বাৰে বাৰে অনুৰোধ কৰি আছিল। সেয়ে মই সেইবোৰ দিশ পৰিহাৰ কৰিলো। ছাৰে ৰাস্তাই-ঘাটে লগ পালেও বহুতো জ্ঞানৰ দিশ আঙুলিয়াই দিছিল। তাৰ উপৰিও ছাৰে যিহেতু ৰুমত থাকে, গতিকে কেতিয়াবা পাঠদানৰ নজনা দুটা কথা শিকাৰ হেঁপাহেৰে ছাৰৰ ৰুমলৈ গৈছিলো। পাঠদানৰ কথাৰ বাহিৰেও ছাৰে তেওঁৰ ব্যক্তিগত জীৱনৰ কথা মাজে মাজে কৈছিল। ছাৰৰ পঢ়াৰ জীৱনৰ কথাও কৈছিল। ছাৰৰ কথাবোৰে মোক উৎসাহিত কৰি তুলিছিল। যিমান পাৰো ছাৰৰ কথাবোৰ মানি চলিছিলো। ছাৰৰ ব্যক্তিগত জীৱনৰ কথাবোৰৰ পৰা বহু উৎসাহ পাইছিলো। বিভাগীয় আন আন ছাৰ বাইদেউ - কনক কলিতা ছাৰ, মুক্তিনাথ ছাৰ, মানসী বাইদেউ, মমী শ্যাম বাইদেউ, ৰূপা বাইদেউ, তুলিকা দাস বাইদেউ এওঁলোকৰ পাঠদানৰ প্ৰতিটো কথা মনোযোগ দিবলৈ চেষ্টা কৰিছিলো। নাজানো কিমান দূৰ সফল হ'লো সেয়া ভৱিষ্যত জীৱনত উপলব্ধি কৰিম। মমী শ্যাম বাইদেউক এটা বছৰ লগ পাইছিলো। সেই এটা বছৰতেই বাইদেউৰ পাঠদানে মোক উপকৃত কৰিছিল। মিঠা হাঁহি মুখত লৈ বাইদেৱে পাঠদান আগবঢ়াই নিছিল। কিন্তু বাইদেৱে যি গৃহকাৰ্য কৰি আনিবলৈ দিয়ে, সেই গৃহকাৰ্য মই প্ৰায়ে নকৰিছিলো। বাইদেৱে ক্লাচ কৰিব আহি সুধে, সূৰজ লিখি আনিছানে? মই কওঁ, নাই বাইদেউ লিখাই নাই। তেতিয়া মমী বাইদেৱে কয় কিয় নিলিখিলা, এনেকৈ নহ'ব নহয়। ঘৰত নপঢ়া নেকি? পঢ়িবা আক নপঢ়িলে কেনেকৈ হ'ব। বাইদেউৰ এই কথাবোৰ মনত ৰাখি পঢ়াত মনোযোগ দিবলৈ বাধ্য হৈ পৰিছিলো। এইদৰে বিভাগৰ সকলো ছাৰ বাইদেউৰ ক্লাচবোৰ মোৰ বাবে খুব আপোন আছিল। ক্লাচত যেন দিনটোত এবাৰ



গালি নাখালে কিবা ক্লাচ নকৰা যেন অনুভৱ হৈছিল। সেয়ে মাজে মাজে ক্লাচত অলপ ধেমালি কৰিছিলো। অমনোযোগ দিছিলো। ছাৰ-বাইদেউহঁতৰ কথা অমান্য কৰিছিলো মাজে মাজে গালি শুনাৰ হেঁপাহৰ আশাত। সেয়ে মাজে মাজে ক্লাচ কৰিবলৈ যাওঁতে বহীৰ মাজৰ কাগজ এখিলা ফালি নি ক্লাচ কৰিছিলো। মুক্তিনাথ ছাৰৰ পৰা সেয়ে গালিও খাইছিলো। ছাৰে কয়, সূৰজ বহী নাই অনা, তোমালোকো যে আৰু, বহী এখন আনিব নোৱাৰা নেকি? কাইলৈৰ পৰা বহী আনিবা। সেইদিনা গালি শুনি বহী লৈ যাওঁ। কিন্তু পিছদিনা গালি শুনাৰ আশাত আকৌ সেই একেই দখা কৰো। আকৌ এখিলা বহী ফালিয়েই লৈ যাওঁ। মুক্তিনাথ ছাৰৰ পৰা বাৰে বাৰে সেয়ে গালি শুনিছিলো। কিন্তু ছাৰৰ গালিবোৰ শুনি কিবা ভাল লাগিছিল। নিজৰ বিভাগীয় ছাৰ-বাইদেউহঁতৰ পাঠদানৰ বাহিৰেও আন বিভাগীয় ৰশ্মি বাইদেউ, হেমা বাইদেউ, ময়ূৰী বাইদেউ, নিলিম ছাৰ, ৰাণা চাংমাই ছাৰ, ৰাজীৱ মোহন ছাৰ, জয়ন্ত ছাৰ, ৰূপম ছাৰ, মৃগাংক ছাৰৰ প্ৰতিটো পাঠদানেই মোক সহায় কৰিছিল আৰু জীৱনটো আগবঢ়াই নিয়াত উৎসাহিত কৰিছিল। প্ৰধান অধ্যাপক ড° ভূৱন গগৈ ছাৰৰ ক্লাচ মাথোঁ দুটা পাইছিলো। সেই দুটা ক্লাচ কৰি ভাল লাগিছিল। তাৰ উপৰিও সভা কক্ষত কোৱা ছাৰৰ কথাবোৰ মনোযোগ দি শুনিছিলো। বহুতো উদাহৰণৰ মাজেৰে ছাৰে ভাষণবোৰ দিয়ে সেই ভাষণ বহুতো মূল্যৱান বুলি মই ভাৱো। এইদৰে শিক্ষাগুৰুৰ মাদকতা তিনিটা বছৰত পাইছিলো। এতিয়া মনত গৌৰৱ কৰো ময়োতো আছিলো এটাসময়ত কলেজীয়া ছাত্ৰ। বগা পোছাক কলা পেন্ট পিন্ধি গৈছিলো তিনিটা বছৰ কলেজলৈ।

অতীতৰ ৰোমন্থনে মাজে মাজে মনত খুব আমনি কৰে। তিনিচুকীয়া মহাবিদ্যালয়ত তিনিটা বছৰৰ বহুতো স্মৃতি মোৰ জীৱনৰ পাতে পাতে ৰৈ গ'ল। স্মৃতি ৰোমন্থন কৰি ভাল লাগে দিয়কচোন। কলেজত বহু বন্ধু-বান্ধৱী লগ পালো যদিও কিছুমান বন্ধু-বান্ধৱী খুব আপোন হৈ পৰে। কিছুমান বন্ধুৰ অবিহনে কলেজৰ দিনবোৰ খালি খালি অনুভৱ হৈছিল। বিভাগীয় বন্ধুৰ অবিহনে ক্লাচবোৰ কৰি ভাল নালাগিছিল। সেয়ে বিভাগীয় সহপাঠীসকলৰ নামবোৰ এবাৰ উল্লেখ নকৰিলে মোৰ মনে শান্তি নাপাব আৰু এই লেখা সম্পূৰ্ণ হৈছে যেন নালাগিব। বিভাগীয় মৰমৰ সহপাঠী সকল হ'ল- চিনু, ভূপেন, ঐশ্চয্য,নিৱন, নাৰায়ণ, দিগন্ত, ঋতুৰাজ, দিব্যজ্যোতি, চম্পিকা, লজিনা, জাহ্নৱী, লভলী, বণিতা এই সকলৰ অবিহনে আমাৰ বিভাগীয় শ্ৰেণীকোঠাটোত শূন্যতাই বিৰাজ কৰিছিল যেন লাগিছিল মোৰ মনত। সহপাঠীৰ সৈতে আমি বহুতো কথাৰ আমেজ লৈ ক্লাচ শেষ হোৱাত একেলগে জিৰণী সময়বোৰ পাৰ কৰিছিলো। বিভাগৰ বন্ধুবৰ্গৰ মাজত ক'ত কি যে কথা। কিন্তু হঠাৎ এজনে সুধি দিয়ে, ডিগ্ৰী শেষ কৰি কোনে কি কি কৰিবি? কি ভাৱিছ? এম.এ. কোনে কৰিবি? আকৌ আমি এনেকৈ লগ পামনে? আমি এইবাৰ পাৰ্টি এটা কৰিম হাঁ সকলোৱে মিলি আৰু লগ নাপাওঁ যে, ধেৎ বেয়া লাগিব ন? এই কথাবোৰে মোক খুব দুখত পেলাইছিল। কিয়নো আমাৰ বিভাগটোৰ যি মিলা প্ৰীতি, হাঁহি-ধেমালি সেইবোৰ এৰি সকলো আন এক নিজা নিজা যাত্ৰাৰ পথত আগবাঢ়িব। আমাৰ কলেজীয়া জীৱন শেষ। সেয়ে বহু দুখ লাগিছিল। কি যে মধুৰ দিন আছিল সেই দিনকেইটা। পামনে আকৌ ঘূৰাই? বিভাগীয় তিনিটা শ্ৰেণীৰ মাজত গঢ়ি উঠিছিল বন্ধুত্ব, ভাতৃত্ববোধ, দাদা-বা সম্পৰ্ক। ইয়াত বিভাগত লগ পোৱা তিনিটা বছৰৰ দাদা-বাহঁত হ'ল- চিন্ময়ীবা, বনদ্বীপাবা, ৰীণাবা, নীতুমণিবা, বৰ্ণালীবা, পাহাৰিবা, জুলি বা, কংকনাবা, ময়ূৰদা, বিনয়দা, দেৱকনদা, নয়নমণিবা, সুৰভিবা, ভাইটি-ভণ্টী — বনিশা, চুনচুনি, মৌচুমী, প্ৰবেন, মন্টু আদি বহুতো দাদা-বা, ভাইটি-ভণ্টী লগ পাইছিলো। সঁচাই আমি তিনিটা শ্ৰেণী মিলিত হৈ মৰমৰ এনাজৰীৰ মাজত ছাৰ-বাইদেউসকলৰ সৈতে আমি হৈ পৰিছিলো একেটা পৰিয়ালৰ সদস্য আৰু গঢ়ি উঠিছিল "অসমীয়া সাহিত্য চ'ৰা"।

বিভাগীয় কথা ৰোমন্থন এৰি কলেজৰ চৌহদৰ মাজত বহুতো বন্ধুবৰ্গ লগ পাইছিলো। সেই বন্ধুবৰ্গৰ মাজতো এটা এৰাব নোৱাৰা সম্পৰ্ক গা কৰি উঠিছিল। কলেজৰ প্ৰথম দিনবোৰৰ কথা। বন্ধু জিতুল বড়ো নামৰ এজন মোৰ ভাল বন্ধু আছিল। তাৰ লগত কলেজত এপাক ঘূৰাৰ আশাৰে খোজ কাঢ়িছিলো বিজ্ঞান শাখাৰ শ্ৰেণীকোঠাৰ বাৰাণ্ডাৰ ফালে। আমি দুয়ো বাৰাণ্ডাৰ ফালে খোজকাঢ়ি গৈ থাকোতে কলেজত বিজ্ঞান শাখাৰে এজন শিক্ষকৰ পৰা কলেজত প্ৰথম গালি শুনিছিলো। আচলতে সেই গালিক গালি বুলি ভবা নাছিলো। কিছু জ্ঞান, স্মৃতি, অভিজ্ঞতা বুলি ভাবিছিলো। আচলতে আমি দুয়ো কলা শাখাৰ ছাত্ৰ আছিলো। সেয়ে কলা শাখাৰ ছাত্ৰ-ছাত্ৰীসকল বিজ্ঞান শাখাৰ কিছুমান বিভাগৰ ফালে যাব নোৱাৰিছিল। সেই কথা আমি জনা নাছিলো কাৰণ দুয়োজন কলেজৰ নতুন। গালি খোৱাৰ আন এটা কথা হ'ল মোৰ বন্ধুৱে হাতত ম'বাইল লৈ কিবা চাই গৈ আছিল। সেই দৃশ্য ছাৰৰ চকুত পৰিছিল। এইদৰে ছাৰৰ গালি খোৱাৰ উপৰিও ছাৰে এঘন্টা বাহিৰত কাণত ধৰাই থোৱা কথা কৈছিল। কিন্তু সেইটোৰ পৰা হাত সাৰিলো দুয়ো। কাৰণ আমি দুয়ো কলেজৰ নতুন ছাত্ৰ। এইদৰে কত কি যে স্মৃতি কলেজ বুলি ক'লে।

কলেজ বুলি ক'লেই অসমৰ প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীৰে মনত এটা নতুন মাদকতাই ধৰা দিয়ে। কলেজীয়া দিন জীৱনৰ সোণালী দিন। কলেজলৈ মই ঘৰৰ পৰা অহা-যোৱা কৰা নাছিলো। আছিলো ভাড়াঘৰত। তিনিচুকীয়া মহাবিদ্যালয়ৰ বহুতো ছাত্ৰই ভাড়াঘৰত থাকি কলেজীয়া জীৱন অতিবাহিত কৰি আহিছে। ছোৱালীসকলকো ভাড়াঘৰত থাকি শিক্ষা আহৰণ কৰা দেখা যায়। ইয়াতে ক'ব লাগিব যে, ঘৰৰ পৰা আঁতৰি মাক-দেউতাকক এৰি বাহিৰত থাকি তথা ৰুমত থাকি কলেজ পঢ়া আমেজেই সুকীয়া। কাৰণ মন গ'লেই কলেজ যাব পাৰি, মন নগ'লেই যাব নোৱাৰি। পঢ়-নপঢ় নিজৰ কথা সকলো নিজৰ স্বাধীন। কিন্তু মা-দেউতাৰ চকুৰ পৰা আঁতৰি মা-দেউতাই নাই দেখা বুলি এইবোৰ কৰিলে হ'ব জানো। নিশ্চয় কেতিয়াও জীৱনত সুফল নাপাবা। সেয়ে মহাবিদ্যালয়ত পঢ়ি থকা ছাত্ৰ-ছাত্ৰীসকলে ভাড়াঘৰত থাকিও ভাল ফলাফল কৰা দেখা যায়। মইয়ো ভাড়াঘৰত থাকিয়ে খোজকাঢ়ি কলেজলৈ অহা-যোৱা কৰিছিলো। মোৰ লগৰ এজন প্ৰিয় বন্ধু হ'ল ভূপেন সন্দিকৈ। আমি দুয়ো প্ৰায়ে একেলগে কলেজলৈ অহা-যোৱা কৰিছিলো। খুব হাঁহি-ধেমালি কৰি ক্লাচবোৰ কৰিবলৈ গৈছিলো দুয়ো। ৰাস্তাত গৈ থাকোতে মোৰ মনত প্ৰায়ে এটা কথা ভাঁহি উঠিছিল। সেয়া হ'ল ৰাস্তাত ৰিক্সাবোৰ ৰৈ থকা দৃশ্যটো। বন্ধু ভূপেনক কওঁ ৰিক্সাবোৰ ৰাস্তাত এনেয়ে কেতিয়াবা ৰৈ থাকে। মানুহ উঠিলেই পইচা দিব লাগে, কি যে কথা ন? তেতিয়া ভূপেনে কয় ঠিকেই হয়তো। ব'ল নহ'লে ইয়াৰ এখন লৈ যাওঁ দুইটাই। আকৌ মই কওঁ ব'ল নহ'লে ৰিক্সা মালিকক উঠিব দিওঁ আমি চলাম বুলি। এইবোৰ কথা ভাবো যদিও ৰিক্সা চালকৰ প্ৰতি মোৰ আন্তৰিকতা বহুত। সিহঁতে জীয়াই থকাৰ নিমিত্তে ৰিক্সা চলাই জীৱনটো অতিবাহিত কৰি থাকে। কেতিয়াবা দেখো ৰিক্সা চালকক কিছুমান মানুহে খুব বেয়া ব্যৱহাৰ কৰে। যি ব্যৱহাৰ সেয়া মানুহৰ শাৰীত নপৰা যেন লাগে। তেতিয়া মনতে ভাবো সিহঁতো আমাৰ দৰে মানুহক কিয় এনে ব্যৱহাৰ কৰে। তাৰ অন্তৰে দুখ নাপাব জানো? ৰিক্সা চালকৰো হৃদয় আছে। সেয়ে ৰিক্সা চালকক বেয়া ব্যৱহাৰ কৰা দেখিলে খুব বেয়া লাগে। কিয় ইমান দম দিয়ে? উচিত পইচা কিয় নিদিয়ে? আমি ৰিক্সাৰ পৰা নামি ৰিক্সা চালকক এষাৰ মাত ভালকৈ নিদিওঁ। দিওঁ জানো বিদায় ৰিক্সা চালকজনক? এইবোৰ কথা কেতিয়াবা ৰাস্তাৰে খোজকাঢ়ি কলেজলৈ গৈ থাকোতে মনত খেলাইছিল। এইদৰে নানা কথাৰ মাজেৰে আহি কলেজৰ বৰঘৰৰ মজিয়াত সোমাই পৰো। তিনিটা বছৰত কলেজত আমাৰ একে শ্ৰেণীৰে বন্ধু বৰ্গৰ নামকেইটা উল্লেখ নকৰিলে মনে মানি নল'ব। সেয়ে, বন্ধু দিকম, মানস, বাবুল, নৰকান্ত, দিপক, লক্ষ্য, বনজিৎ, জিতুল, মাধুৰ্য, নয়নমণি, দীপাংকৰ, অচ্যুত, হেমচন্দ্ৰ, সঞ্জীৱ, ৰাণা, ৰাজীৱ, সীমান্ত, সুৰম্য আদি বহুতো বন্ধুবৰ্গৰ সৈতে মিলিত হৈ কলেজীয়া জীৱন সাং কৰিছিলো। আৰু বহুতো বন্ধুৰ নাম ইয়াত উল্লেখ নকৰিলেও মোৰ মনত সদায় বন্ধুবৰ্গৰ নাম বিৰাজমান। বন্ধুবৰ্গৰ লগত কটোৱা প্ৰতিটো দিন-সময় মোৰ বাবে চিৰস্মৰণীয়। জীৱনত পাহৰিব নোৱাৰো এই স্মৃতি।

সময়ৰ বলুকা ৰাশিত বহুতো স্মৃতি ৰোমন্থনৰ আঁৰত তিনিচুকীয়া মহ্যবিদ্যালয়ত তিনিটা বৰ্ষ শেষ কৰিলো। মহাবিদ্যালয়ৰ শিক্ষা শেষ কৰি শিক্ষাৰ আন এক কঠীয়াতলি বিচাৰি বিশ্ববিদ্যালয়ৰ বৰঘৰ চৌহদলৈ মনটো ঢাপলি মেলিলে। বিশ্ববিদ্যালয়ৰ আসন বিচাৰি অসম বিশ্ববিদ্যালয় শিলচৰ, ডিফু চৌহদ পালোগৈ। যেতিয়া বিশ্ববিদ্যালয়লৈ দৌৰ মাৰিছিলো তেতিয়া বহুতো সমস্যাৰ সন্মুখীন হৈছিলো। কাৰণ বৰ্তমান সময়ত বিশ্ববিদ্যালয়ত আসন পোৱাতো বহু কঠিন হৈ পৰিছে। বৰ্তমান শিক্ষাৰ দিশত প্ৰতিযোগিতাৰ দিন আহি পৰিছে। অসমৰ কলেজবোৰৰ পৰা শ শ-হাজাৰ হাজাৰ ল'ৰা-ছোৱালী ডিগ্ৰী শেষ কৰি বিশ্ববিদ্যালয়লৈ আসন বিচাৰি যায়। আৰু কোনো এজন ছাত্ৰ-ছাত্ৰীৰে কম নম্বৰ নাই, সকলোৱে ভাল ৰিজাল্ট কৰিছিল। গতিকে বিশ্ববিদ্যালয়ৰ আসনখনৰ কাৰণে বহু কষ্ট। ভাল নম্বৰ পাইও বৰ্তমান সময়ত বিশ্ববিদ্যালয়ৰ দেওনাখনৰ পৰা বহুতো ছাত্ৰ-ছাত্ৰীয়ে আসন নাপাই উভতি আহিব লগীয়া হৈছে।

মই স্নাতকোত্তৰ আসন বিচাৰি যাওঁতে অসম বিশ্ববিদ্যালয়ত শ শ ছাত্ৰ-ছাত্ৰীৰ সমাগম দেখা পাইছিলো। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা জাতি-জনজাতিৰ ছাত্ৰ-ছাত্ৰীয়ে নিজা নিজা আসন বিচাৰি বিশ্ববিদ্যালয়ত সমাগম কৰি তুলিছিল। মহাবিদ্যালয়ত মোৰ অসমীয়া উচ্চমান বিষয় হোৱাৰ কাৰণে বিশ্ববিদ্যালয়ত অসমীয়া বিভাগত আসন বিচাৰিছিলো। অসমীয়া বিভাগত ১৬৯ জন ছাত্ৰ-ছাত্ৰীয়ে আসন বিচাৰি চিট পৰীক্ষা আৰু মৌখিক পৰীক্ষাত অৱতীৰ্ণ হৈছিল। পৰীক্ষা দিওঁতে গম পালো যে অসমীয়া বিভাগত মাত্ৰ ৩৫ খন আসনহে আছে। সেয়ে পৰীক্ষা দিয়াৰ পাছতেই চিন্তাই আৱৰি ধৰিছিল। ডিগ্ৰী পঢ়ি থাকোতেই মোৰ মন আছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বাহিৰে অন্য বিশ্ববিদ্যালয়ত পঢ়া। সেয়ে মই অসম বিশ্ববিদ্যালয়ত আসন পাম নে নাই বহুতো চিন্তিত হৈছিলো। তথাপিও পৰীক্ষা দি মোৰ নিজৰ মাজতে দৃঢ় বিশ্বাস হৈছিল যে মই আসনখন পামেই কাৰণ মোৰ পৰীক্ষা ভাল হৈছিল। মৌখিক পৰীক্ষাও ভাল হৈছিল। সেয়ে মই ১৬৯ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৩৫ খন





আসনৰ ভিতৰত আসন এখন পালো। বিশ্ববিদ্যালয়ৰ আসনখন দখল কৰি বহু সুখী অনুভৱ কৰিছিলো। অসম বিশ্ববিদ্যালয়ত আসনখন পাই নামভৰ্তি কৰিবলৈ ঘৰৰপৰা দৌৰ মাৰিলো। নামভৰ্তি কৰিবলৈ গৈ আকৌ অন্য এক চিন্তাই আৱৰি ধৰিলে সেয়া হ'ল মোৰ লগৰ চিনাকী আপোন বন্ধু কোনো নাই এই অসমীয়া বিভাগত। সকলো অচিনাকী। বিশ্ববিদ্যালয়ত নামভৰ্তি কৰি দুটা বছৰ সুচাৰুৰূপে পাৰ কৰিব পাৰিম জানো সফল হ'ব পাৰিম জানো; বন্ধু বৰ্গৰ অবিহনে। মোৰ আশা সপোন পূৰ হ'বনে এই বিশ্ববিদ্যালয়ত। সেয়ে নামভৰ্তি কৰাৰ আগে আগে দেউতালৈ ফোন কৰি ক'লো যে, দেউতা মই ইয়াত নামভৰ্তি কৰো জানো? ইয়াত মোৰ ভাল লগা নাই। কোনা চিনাকী নাই। সেয়ে নামভৰ্তি নকৰো। তেতিয়া দেউতাই ক'লে, তোৰ যদি নামভৰ্তি কৰিবলৈ মন নাছিল কিয় গৈছিলি ঘৰৰ পৰা ইমান দূৰ। যি হয় হ'ব পাছৰ কথা নাম ভৰ্তি কৰি ল'। দেউতাৰ কথা শুনি মনটো অলপ শান্তি লাগিল। আকৌ হঠাৎ কলেজৰ বিভাগীয় টংকেশ্বৰ দাস ছাৰলৈ মনত পেলাই ছাৰলৈ ফোন এটা কৰিলো। ছাৰ মই অসম বিশ্ববিদ্যালয়ত চিট পালো। নামভৰ্তি লওঁ-নলওঁ অলপ চিন্তিত হৈ পৰিছো। আজি নামভৰ্তিৰ শেষ দিন। দিনটো আছিল ৬ আগষ্ট ২০১৬ চন। ছাৰে ক'লে, তুমি চিট পাইছা যদি এডমিচন লৈ লোৱা। তুমি নিয়মীয়া ক্লাচবোৰ পাবা ভাল হ'ব। ভৱিষ্যতে সুবিধা হ'ব এই নিয়মীয়া ক্লাচবোৰ পালে। গতিকে এনেকোৱা ভুল নকৰিবা তুমি এড্‌মিচন লৈ লোৱা। ছাৰৰ এই কথা শুনি দুগুণ উৎসাহিত হৈ মই অসম বিশ্ববিদ্যালয়ত নামভৰ্তি কৰিলো। নাম ভৰ্তি কৰি হৈ পৰিলো বিশ্ববিদ্যালয়ত নিয়মীয়া ছাত্ৰ।

প্ৰথমে বিশ্ববিদ্যালয়ত ক্লাচ কৰিব গৈ ক্লাচত অকণো মন বহাব পৰা নাছিলো। ইয়াৰ মূল কাৰণ হ'ল অচিনাকী ঠাই, চিনাকী বন্ধু কোনো নাই। অচিনাকী ঠাই অচিনাকী মানুহ। সেয়ে মনত ভাৱ আহিছিল — কিয় আহিলো ইমান দূৰ, মা-দেউতাক এৰি কিয় ইয়াত আহিলো। নিজৰ ঘৰ, নিজৰ জিলা এৰি কিয় ইমান দূৰ আহিলো। কি গৰজ পৰিছিল মোৰ ইয়াত আহিবলৈ। এজন লগৰ নাই। ধেৎ তেৰি কি হ'ব। এইবোৰ ভাৱি মনটো খেলি মেলি হৈ পৰিছিল। ক্লাচৰুমত যেতিয়া প্ৰথম দিনা ক্লাচ কৰিবলৈ সোমালো হঠাৎ মনটো সেমেকি পৰিছিল। কাৰণ আমাৰ বিভাগটোত মুঠ ছাত্ৰ-ছাত্ৰী ৩৫ জন। প্ৰত্যেকৰে কাৰণে এখন এখন নিজাববীয়া আসন। নিৰ্দিষ্ট সন্মানীয় এখন এখন চিট। চিটবোৰ দেখিয়ে কলেজৰ দিনলৈ মনত পৰিল। ইয়াত কলেজততো একে লগতে চাৰি-পাঁচজন বহিছিলো। ইয়াত অকলশৰীয় একো একোখন আসন। লগে লগে বিভাগীয় বন্ধুবৰ্গলৈ মনত পৰিল; কিদৰে হাঁহি-ধেমালি কৰি একে বেঞ্চত বহিছিলো নানা কথা পাতিছিলো। মনত ভাঁহি আহিছিল। ইফাল-সিফাল কৰি চাইছিলো, চিনু, ভূপেন, দিব্য, জাহ্নৱী, লজিনা, চম্পিকাহঁত ক'ত গ'ল। কিন্তু ক'ত দেখা পাম মইটো এতিয়া মহাবিদ্যালয়ৰ বৰঘৰৰ ভিতৰত নাই। আছো বিশ্ববিদ্যালয়ৰ বৰঘৰত। এই দৰেই অসমৰ বিভিন্ন জিলাৰ বন্ধুবৰ্গৰ লগত চিনাকী হৈ বন্ধুত্ব গঢ়ি তুলিলো। চিনাকী হৈ গম পালো এওঁলোক অসমৰ বিভিন্ন জিলাৰ ছাত্ৰ-ছাত্ৰী। গোলাঘাট, যোৰহাট, বিশ্বনাথ চাৰিআলি, মাজুলি, লখিমপুৰ, কাৰ্বি আংলং, বৰপথাৰ আদি বিভিন্ন জিলাৰ ছাত্ৰ-ছাত্ৰীক লগ পালো। বিভিন্ন জনজাতি মিলিত হৈ অসমীয়া বিভাগটো উৎফুল্লিত কৰি তুলিলে। বড়ো, কাৰ্বি, অসমীয়া, কোঁচ, মিচিং আদিৰ কেইবাটাও ভাষাৰ ছাত্ৰ-ছাত্ৰী। বড়ো, কাৰ্বি, মিচিং আদিৰ যি অসমীয়া ভাষাটো কোৱাৰ ঠাঁচ সেইবোৰ শুনি ভাল লাগে। আৰু উজনী অসমৰ যি কথা কোৱাৰ শৈলী সেইবোৰ আকৰ্ষণীয়। এইদৰে ভাঙা ভাঙা অসমীয়া ভাষা কোৱা দেখা যায় মোৰ বন্ধুবৰ্গৰ মাজত। এনেতে বিশ্ববিদ্যালয়ৰ এজন ছাৰ ৰুমত আহি সোমাইছিল সেই দিনটো আছিল মোৰ বিশ্ববিদ্যালয়ৰ প্ৰথম দিনৰ আৰম্ভণি। ছাৰ জন হ'ল বিভাগীয় মুৰব্বী কুসুম্বৰ বৰা ছাৰ। ছাৰৰ মুখত মিছিকীয়া হাঁহিৰ মাদকতাই ছাৰৰ প্ৰতি আকৰ্ষণ কৰিছিল। মুখত হাঁহি লৈ সলসলীয়া ভাষৰে ক্লাচবোৰ আগবঢ়াই নিয়ে। ছাৰৰ ক্লাচৰ মাদকতাৰ মাজতে আকৌ কলেজৰ অসমীয়া বিভাগৰ ছাৰ-বাইদেউসকললৈ মনত পৰিল। হঠাৎ দেখা পামনে টংকেশ্বৰ ছাৰ, তুলিকা দাস বাইদেউ, কনক কলিতা ছাৰ, মমী শ্যাম বাইদেউক তেনে ভাৱ মনলৈ আহিছিল। কিন্তু ক'ত দেখা পাম। মইতো কলেজত নাই। আছো বিশ্ববিদ্যালয়ত। বহু কথা মনৰ মাজত লৈ প্ৰথম দিন কেইটা ক্লাচত মন বহা নাছিল। কিন্তু লাহেকৈ কেইটামান দিন যোৱাৰ পাছত সকলো আপোন পাহৰা হৈ বিশ্ববিদ্যালয়ত খুব মন বহিল। মাজতে যদি বিশ্ববিদ্যালয় বন্ধ থাকে তেতিয়া সেই দিনটো নাযায় ৰাতিটো নোপোৱাই, কেতিয়া আকৌ বিশ্ববিদ্যালয়লৈ যাব পাম এই বোৰে মনত খেলা কৰি আছিল। আৰু এনেকৈয়ে বিশ্ববিদ্যালয়লৈ যাবলৈ মনটো এতিয়া সদায় উৎসাহিত হয়।

কেইটামান দিন যোৱাৰ পাছত আহি পালে বিভাগীয় আদৰণি সভা আৰু প্ৰীতি সন্মিলন।

"সুন্দৰে যে ফুলৰ মন্ত্ৰ
অহোৰাত্ৰি মাতে
সেয়েহে আজি ইমান ফুল
প্ৰভাতে প্ৰভাতে...।"

স্নেহাস্পদ অনুজ সতীৰ্থ একোপাহ ফুলৰ দৰে । ফুলি

উঠা নতুন পোৱা, নতুন দিনবোৰ হওঁক দুবৰিৰ পাতত জিলিকা মুকুতাৰ দৰে.... । দুহাতৰ সীৰলুত সঞ্চয়ৰ পৃষ্ঠা লুটিয়াওঁতেই প্ৰজ্ঞাৰ স্বৰ্ণবৃক্ষৰ তলত মোৰ সৈতে সাক্ষাৎ আমাতকৈ ওপৰ বেষ্টৰ দাদা বাইদেউ সকল। জ্ঞান অন্বেষণৰ পথাৰত সিঁচৰতি হ'ল ভাতৃত্বৰ মেটমৰা বীজ। মোৰ খোজত সৰি পৰক একোপাহ সুগন্ধি ফুল। এনেদৰে নৱাগত ছাত্ৰৰ অসম বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ পদূলিত খোজৰ আগমন হ'ল। দাদা-বাইদেউ, ছাৰ-বাইদেউসকলে সিদিনাৰ দিনটোৰ শুভ মুহূৰ্তত মোক অনাগত কৰ্মময় জীৱনৰ প্ৰতিটো দিনলৈ যাঁচিলে শুভ কামনা। বহু ভয়, লাজ বুকুত বান্ধি লৈ সিদিনা আদৰণি সভালৈ গৈছিলো। এয়া জীৱনত কেতিয়াও পাহৰিব নোৱাৰা ক্ষণ।

পল-অনুপলৰ মাজেৰে প্ৰথম-তৃতীয় যাণ্মাসিকৰ সমূহ ছাত্ৰ-ছাত্ৰী, ছাৰ-বাইদেউ সকলো মিলি হৈ পৰিলো অসম বিশ্ববিদ্যালয়ৰ বৰঘৰৰ মজিয়াৰ অসমীয়া বিভাগৰ একোটা পৰিয়ালৰ সদস্য।

কোনে কাক বিদায় জনাব পাৰে..।

বুকুত খোদিত হ'ল যাৰ সঠিক ঠিকনা....।

কলেজৰ পৰা, বিভাগৰ পৰা বিদায় দিলেও কিন্তু এই বিদায় কেতিয়াও চিৰবিদায় নহয়। এয়া উচ্চ শিক্ষা লাভৰ বাবে আঁতৰি অহাৰ ক্ষণ। কলেজৰ দিনবোৰ সদায় জীৱনত খোদিত হৈ ৰ'ব। পাহৰিব খুজিলেও সময়ত বাৰে বাৰে আমনি কৰিব অবুজ স্মৃতিয়ে।

**তিনিচুকীয়া মহাবিদ্যালয়ৰ সংগীতৰ পমখেদি ঃ**

তমসো মা জ্যোতিৰ্গময়..
উঠাহে জাগাহে
তমসা ফালি ওলাল বেলি
মুক্ত হ'ল আজি জ্যোতিৰ পথ
চলে জ্যোতিৰ পথে পথে জীৱনৰ ৰথ।
..................................।।

এই মহাবিদ্যালয়ৰ বুকুতে কত ছাত্ৰ-ছাত্ৰীয়ে নিজা নিজা ভৱিষ্যত জীৱন গঢ়ি তুলিলে। আৰু সমাজৰ একো একোজন সন্মানীয় ব্যক্তি হিচাপে নিজকে গঢ় দিছে। যাৰ বুকুত হাজাৰ হাজাৰ জনগণে পোহৰৰ দিশত বাট বুলিছে সেয়াই তিনিচুকীয়া মহাবিদ্যালয়।

বিদ্যা হৈছে এজন ব্যক্তিৰ ৰূপতকৈ অধিক শ্ৰেষ্ঠ সম্পদ তথা সুৰক্ষিত গুপ্ত সম্পদ। বিদ্যাই ভোগৰ সৃষ্টি কৰে, যশস্যা আৰু সুখ বৃদ্ধি কৰে। বিদ্যা গুৰুৰো অৰ্থাৎ গুৰুতকৈও অধিক পূজনীয়। বিদেশ যাত্ৰাত বিদ্যা পৰম বন্ধু। বিদ্যা পৰম দেৱতা। বিদ্যাহীন ব্যক্তি পশুতুল্য। বৰ্তমান সময়ত আমি সমাজৰ লগত খোজ মিলাই যাবলৈ হ'লে উপযুক্ত বিদ্যাৰ প্ৰয়োজন।

মহাবিদ্যালয়ৰ পৰা অভিজ্ঞতালব্ধ হয়। শিক্ষাই মানুহৰ জীৱনৰ মূল। মই এই শিক্ষা নিজৰ মাজত আৱদ্ধ নাৰাখি এই শিক্ষা সমাজত বিলাই দিব বিচাৰো। মোৰ দৰে আন হাজাৰ জন ছাত্ৰ-ছাত্ৰীয়ে পোহৰৰ বাট দেখাতো মই বিচাৰো। তেতিয়াহে বৰ্তমানৰ সমাজ সুস্থিৰ-সবল হৈ উঠিব। গতিকে নিজে লিখা-পঢ়া কৰি শিক্ষিত হ'লেই নহ'ব। এই শিক্ষা আনক বিলাই দিব নোৱাৰিলে বছৰ বছৰ ধৰি শিক্ষা গ্ৰহণ কৰা শিক্ষাৰ কোনো মূল্যই নাথাকিব। যিমান পাৰো মই মোৰ যি সামান্য শিক্ষা এই যোৱাত সকলোৰে পৰা একাঁজলি আশীৰ্বাদ বিচাৰি শতবাৰ শিক্ষা সমাজত দান কৰিব বিচাৰো। পৰৱৰ্তী পৰ্যায়ত আগবাঢ়ি আগোনাসৱৰ ওচৰত প্ৰাৰ্থনা।

হে প্ৰজ্ঞাপিয়াসী তিনিচুকীয়া মহাবিদ্যালয়, তোমাৰ কণ্ঠত প্ৰতিধ্বনিত হওক সোঁতৰ বিপৰীতে যাব খোজাৰ অঘোষ মন্ত্ৰ। তোমাৰ প্ৰতিটো প্ৰভাতত গুঞ্জিত হওক সাফল্যৰ পাঞ্চজন্য ধ্বনি....।

অজস্ৰ শুভ স্নেহাস্পদ...
সমন্বয়ৰ এনাজৰীৰে সমৃদ্ধ হওঁক অসমীয়া বিভাগ।
চিৰদিন... চিৰঋণী হৈ ৰ'ম
তিনিচুকীয়া মহাবিদ্যালয়ত...।
জয়তু অসমীয়া বিভাগ
জয়তু তিনিচুকীয়া মহাবিদ্যালয়।

••••••••





# ডাকোৱালৰ চিঠি

অপূৰ্ব সোনোৱাল
পঞ্চম যাণ্মাসিক, কলা শাখা



"ডাকোৱাল" আৰু "চিঠি"। দুয়োটা শব্দই হ'ল এক মধুময় শব্দ। দুয়োটা শব্দতে আছে এক সুকীয়া তৃপ্তি। আছে দুয়োটা শব্দতে এক গভীৰ মাদকতা। ডাকোৱাল আহিব, চিঠি আনিব, আৰু সেই চিঠিয়ে দি যাব এক আশাৰ বাতৰি। এয়াই আছিল পূৰ্বতে আশাবাদী মানুহৰ আশা।

খ্ৰীষ্টপূৰ্ব ৫৩৫ ত সম্ৰাট ছাইৰাছে পাৰস্যত ডাকসেৱা আৰম্ভ কৰে বুলি জনা যায়। তেতিয়া অৱশ্যে এই সেৱা মূলতঃ চৰকাৰী কাম-কাজৰ মাজতে সীমাবদ্ধ আছিল। আনহাতে অতীতৰ ডাক ব্যৱস্থাত মানুহে মাটিৰ ফলিত বাৰ্তা লিপিবদ্ধ কৰি এঠাইৰ পৰা আন এঠাইলৈ খবৰ পঠিয়াইছিল। আগৰ দিনৰ ডাক ব্যৱস্থাত যি পথেদি ডাক পঠিওৱা হৈছিল সেই পথৰ নিৰ্দিষ্ট দূৰে দূৰে কেতবোৰ খুটা বা পোষ্ট পোতা হৈছিল। সেই পোষ্টতে ডাক কঢ়িওৱা মানুহ বা ঘোঁৰা সলনি হৈছিল। তাৰ পৰাই "ডাক" বুজাবলৈ ইংৰাজী "Post" শব্দটো নিগাজী হৈ ৰ'ল। তেতিয়াৰ সময়ত সেই পোষ্টবোৰত কাম কৰা মানুহ অৰ্থাৎ ডাক কঢ়িওৱা মানুহবোৰৰ হাতত একোডালকৈ মাৰি আছিল আৰু মাৰিডালৰ আগমূৰত একোটাকৈ টিলিঙা বন্ধা আছিল। বাৰ্তা কঢ়িওৱাৰ সময়ত বাৰ্তা কঢ়িওৱা মানুহজনে সেই মাৰিডাল লৈ পাৰ্যমানে নিজৰ পোষ্টৰ পৰা বাৰ্তা যাব লগীয়া ওচৰৰ আন এটা পোষ্টলৈ দৌৰ মাৰিছিল। তেতিয়া মাৰিডালত বন্ধা থকা টিলিঙাৰ শব্দ আনটো পোষ্টত থকা মানুহবোৰে শুনাৰ লগে লগে সৰ্তক আৰু সাজু হয় বয়। ইটো পোষ্টৰ

মানুহজনে সিহঁতক বাৰ্তা গৈ দিয়াৰ লগে লগে সিহঁতো মাৰিডাল লৈ বাৰ্তা যাবলগীয়া ওচৰত থকা আনটো পোষ্টলৈ দৌৰ মাৰিছিল। এইদৰে বাৰ্তটো গন্তব্য স্থানত গৈ নোপোৱালৈকে এই প্ৰক্ৰিয়া চলি থাকে। লাহে লাহে সময় বাগৰাৰ লগে লগে ডাক ব্যৱস্থা বিভিন্ন পৰ্যায়ত বিকাশ হৈ বৰ্তমানৰ এই অৱস্থাত পাইছেহি। কোনো সময়ত চিঠি-পত্ৰ আদান প্ৰদান কৰিবলৈ চৰাই-চিৰিকটি, জীৱ-জন্তু আদিও ব্যৱহাৰ কৰা হৈছিল।

সি যি কি নহওক ডাকোৱালৰ চিঠি হৈছে এক আশাৰ পাপৰি। যিয়ে কঢ়িয়াই আনে সুখ-দুখৰ বাতৰি। ডাকোৱালৰ চিঠিয়ে কঢ়িয়াই লৈ ফুৰে প্ৰেমিকৰ পৰা প্ৰেমিকালৈ, ভণ্টীৰ পৰা ভাইটিলৈ, ককাকৰ পৰা নাতিলৈ, পত্নীৰ পৰা স্বামীলৈ আৰু ইত্যাদিৰ পৰা ইত্যাদিলৈ কেৱল বাতৰি আৰু বাতৰি। ডাকোৱালে আনি দিয়া প্ৰতিখন চিঠিতে থাকে এক আশাৰ ৰেঙণি। লাগিলে সেই বাতৰি সুখ বা দুখৰ যিয়ে নহওক। আচলতে বহুদিনৰ মূৰত পোৱা কিবা এটা বস্তুৰ মূল্য অলপ বেছি হয়। সেয়েই হয়তো চিঠি এখনৰ মূল্যও হয় বহুমূলীয়া। দীৰ্ঘদিনৰ মূৰত পোৱা চিঠি এখন হয় অতি হেঁপাহৰ। সেই চিঠি পঢ়িবলৈ সকলো অতি ব্যাকুল। সেয়ে আশাৰ বাটত পোৱা চিঠি এখনে সকলোৰে মন সেমেকাই তোলে, সুখতেই হওঁক বা দুখতেই হওঁক। বিশেষকৈ চিঠিৰ সহজ-সৰল ভাষা, মৰম মিহলি কথা, অভিমানী খং, খুহুতীয়া বাক্য এই বোৰেই চিঠি পঢ়োতাৰ কোনোবা দিশত দুৰ্বল কৰি পেলাই আৰু নিগৰাই এটি চকুলোৰ বন্যা। সেয়েহে হয়তো কিছুমানে কয় " চিঠিৰ চকুলো টুকিব পৰা এক অপৰাজয় ক্ষমতা আছে।"

চিঠিয়ে বিলাই ফুৰে অগাধ সপোন আৰু আশা। আৰু সেই সপোন তথা আশাক পাবলৈ সকলো ৰৈ থাকে ডাকোৱাল অহালৈ। সেয়ে হয়তো কেতিয়াবা কোনোৱে ডাকোৱালক দেখিলেই সুধি পেলাই- "ককাইদেউ, মোৰ নামত চিঠি আহিছিল নেকি?" কোনোৱে হয়তো ডাকোৱালক এই প্ৰশ্ন দিনটোত এবাৰ হ'লেও নুসুধাকৈ থাকিব নোৱাৰে। জানোচা ডাকোৱালে তেওঁক চিঠি দিবলৈ পাহৰিয়েই গৈছে। আৰু কেতিয়াবা ডাকোৱালে "আছেতো তোৰ চিঠি এখন" বুলি কোৱাৰ লগে লগে অধৈৰ্য হৈ ক'ব নোৱাৰি কোনোৱে ডাকোৱালৰ পৰা চিঠিৰ মোনা কাঢ়ি লোৱাৰ ঘটনাও নঘটাকৈ থকা নাই। এয়া চিঠিৰ প্ৰতি থকা দুৰ্বলতা নে আন কাৰোবাৰ প্ৰতি থকা দুৰ্বলতা নাজানো। কিন্তু ক'বই লাগিব যে এয়া চিঠিৰ পৰা পাবলগীয়া আশাবোৰৰ বাবেই হয়।

পূৰ্বতে চিঠিয়েই আছিল মানুহৰ যোগাযোগৰ একমাত্ৰ উপায়। আৰু ডাকোৱালেই আছিল আমাৰ আশা-ভৰসাৰ থল। চিঠিৰ মাজেৰেই আদান-প্ৰদান হৈছিল দূৰণিবটীয়া মানুহৰ মাজত মনৰ ভাৱধাৰা, আৱেগ-অনুভূতি, সুখ-দুখৰ বতৰা, মৰম-চেনেহ ইত্যাদি। যি ঠাইলৈ মানুহে গৈ বাতৰি ল'বগৈ নোৱাৰিছিল, তালৈ ডাকোৱালে গৈ চিঠিৰ মাধ্যমেৰে বাতৰি লৈ আনিছিল। সেয়ে চিঠিৰ প্ৰতি বৰ্তমানো সকলোৰে এক দুৰ্বলতা আছে। কিন্তু সেই দুৰ্বলতা চিঠি লিখোতা বা চিঠি পঢ়োতাই হে অনুভৱ কৰিব পাৰে। চিঠি পঢ়োতাইহে অনুভৱ কৰিব পাৰে যে চিঠি লিখোতাই কিমান আৱেগ-অনুভূতিৰে চিঠিখন লিখিছে। কিমান যে হিয়া উজাৰি চিঠিৰ পৃষ্ঠাবোৰ পুৰাইছে। সেয়ে কেতিয়াবা চিঠি পঢ়োতে পঢ়োতাৰ থোকা-থুকি মাত নিগৰিত হয়। আচলতে চিঠিয়ে যোগাযোগ কৰাসকলেহে বুজিব পাৰে হাতৰ আখৰৰ কিমান মায়া থাকিব পাৰে। প্ৰতিটো আখৰৰ পৰা হোৱা শব্দবোৰ আৰু শব্দৰ মালাৰে হোৱা বাক্যবোৰে কেতিয়াবা হাঁহি, কেতিয়াবা কান্দোন আৰু কেতিয়াবা চিন্তাৰ দৌৰ ইমানেই দ্ৰুত কৰি তোলে যে এখন চিঠিয়ে কেতিয়াবা মানুহৰ জীৱন ওলট-পালট কৰি দিব পাৰে। চিঠি এখন লিখি শেষ কৰি ডাকত দিয়ালৈকে এক আৱেগবিহ্বল দীঘলীয়া সময়। কেতিয়াবা এখন চিঠি সম্পূৰ্ণ কৰিবলৈ কাৰোবাক বহুদিন সময় লাগে। হাতৰ আখৰ বেয়া হোৱা বুলি বা বানান ভুল হোৱা বুলি বহু সময়ত চিঠি ফালিও পেলোৱা হয়। পৃষ্ঠাৰ পিছত পৃষ্ঠা ডায়েৰীৰ পাত নষ্ট হয়। দিস্তাৰ পিছত দিস্তা কাগজ খৰচ হয়। কিন্তু চিঠি লিখা শেষ নহয় হে নহয়। এয়া নিশ্চয় চিঠিৰ প্ৰতি থকা দুৰ্বলতা। বিশেষকৈ চিঠিৰ সহজ-সৰল ভাষা, কথিত ভাষা ব্যৱহাৰ, মৰম মিহলি কথা, খুহুতীয়াযুক্ত বাক্য এই বোৰেই পঢ়োতাক দুৰ্বল কৰি পেলায়। আজি কিছু দিনৰ আগতে 'মাঁ'ৰ ম'বাইল ফোনটো বেয়া হৈ থকাৰ বাবে গাঁৱৰে মানুহ এজনৰ হাতৰ পৰা 'মা'ৰ চিঠি এখনি পাইছিলো। (যিহেতু শিক্ষাৰ সূত্ৰে মই ঘৰৰ পৰা কিছু দূৰত থাকো।) কিয়নো নাজানো চিঠিখন পঢ়ি মোৰ হৃদয় কঁপি উঠিছিল। চিঠিখনত থকা কথাবোৰৰ কিন্তু কোনো নতুনত্ব নাছিল। আমি যি বোৰ সচৰাচৰ কথা দৈনিক ম'বাইলত পাতি থাকো, সেইবোৰ কথাই চিঠিখনত সন্নিবিষ্ট আছিল। তথাপিও মোৰ যেন চিঠিখন পঢ়ি চকুপানী টুকাৰ উপক্ৰম হৈছিল। 'মা'ৰ হাতৰ আখৰত যেন মই বিচাৰি পাইছিলো মোলৈ থকা 'মা'ৰ বিশাল মৰমৰ ভাণ্ডাৰ। সেইদিনাৰ চিঠিখনে মোক আকৌ অনুভৱ কৰাইছিল চিঠিৰ প্ৰতি থকা দুৰ্বলতাৰ কথা। কিন্তু সেইদিনাৰ মোৰ অনুভূতিৰ কথা আন কোনেও অনুভৱ কৰিব নোৱাৰে। আহ...! চিঠিৰো যে কি গভীৰ মাদকতা...? যি মাদকতাত হেৰাই যাব পাৰে পঢ়োতাৰ হৃদয়,মন-প্ৰাণ। লিখোতাৰ প্ৰতিটো হাতৰ আখৰৰ কোণত যেন বিচাৰি পায় মৰম-চেনেহ, সুখ-দুখৰ গভীৰ মাদকতা।

কিন্তু বৰ্তমান যান্ত্ৰিক সভ্যতাৰ যুগত চিঠিৰ মাদকতা নোহোৱা হৈ পৰিছে। নোহোৱা হৈ পৰিছে ডাকোৱালৰ চাইকেলৰ টিলিঙাৰ শব্দত কলিজাৰ ধপধপনি। কাৰণ এতিয়া আৰু ডাকোৱালৰ সময়ৰ চিঠি-পত্ৰৰ যোগেদি যোগাযোগ নহয়, হয় ইলেক্টনিক প্ৰক্ৰিয়াত ফেচবুক, হোৱাটচএপ ইত্যাদিৰ যোগেদি। এইবোৰে আমাৰ যোগাযোগ প্ৰক্ৰিয়াক সহজ কৰি তুলিলে যদিও চিঠিয়ে দিয়া সেই মাদকতা দিব পৰা নাই। সেই আশা, সেই হেঁপাহ, সেই মৰম-চেনেহ দিব পৰা নাই। এইবোৰত যেন মনৰ আন্তৰিকতা কিছু কম। চিঠিৰ আখৰবোৰৰ যি আকৰ্ষণ, যি আৱেগ সেয়া ম'বাইল ফোনৰ ইথাৰৰ কঁপনিৰ লগত মুঠেই তুলনা নহয়। চিঠিৰ আৱেগ আৰু অনুভূতিৰ কথা নতুনচাম যুৱক-যুৱতীয়ে (আমিও নতুন চামৰে অন্তৰ্ভূক্ত) কেতিয়াও হৃদয়ংগম কৰিব নোৱাৰে। সেয়া তেওঁলোকৰ বাবে এক দুখৰ কথা বুলি ক'লেও সেই সোণালী যুগৰ সাক্ষী যিসকল হোৱা নাই , তেওঁলোকে কেতিয়াও বুলিব নোৱাৰিব যে হাতৰ আখৰৰ কিমান মায়া থাকিব পাৰে। বৰ্তমান সময়ত ৰেস্তোৰেন্টত খোৱা খাদ্যয়েও যেন পূৰ্বতে চিঠিয়ে দিয়া তৃপ্তিক তুলনা কৰিব নোৱাৰে। কিন্তু সময়ৰ দৌৰত এসময়ত আমাক মানসিক খাদ্য যোগান ধৰা লোকজনকো আমি পাহৰি গৈছো বা পেলাইছো। যাৰ বাবে হেৰাই গৈছে অনেক ডাকোৱাল। হেৰাই গৈছে চিঠি লিখাৰ মাদকতা। ক্ৰমশঃ নোহোৱা হ'ল পত্ৰ বন্ধু-বান্ধৱী। এতিয়া কেৱল ফেচবুকত Post দিয়া অথবা ম'বাইলত মেছেজ কৰাতেই সকলো ব্যস্ত হ'ল। কিন্তু হাজাৰ হ'লেও বৰ্তমান সময়ত ৰাতি দুপৰ নিশালৈ ফোনত কথা পতা প্ৰেমিক-প্ৰেমিকাও পত্ৰ বন্ধু-বান্ধৱীৰ সেই ঠাই দখল কৰিব নোৱাৰে। কাৰণ চিঠি বা পত্ৰ এখনত যি আৱেগ-অনুভূতি থাকে সেই আৱেগ-অনুভূতি ফেচবুকৰ প'ষ্ট বা ম'বাইলৰ মেছেজত অনুভৱ কৰিব নোৱাৰি। হাতে লিখা আখৰৰ যি উমাল স্পৰ্শ সেয়া ইলেক্ট'নিক প্ৰক্ৰিয়াত আধৰুৱা যেন হৈ পৰে। এখন চিঠি লিখিলে মানুহে যি দৰে হৃদয় উজাৰি দিয়ে আন কোনো ধৰণৰ কামতে বোধকৰো সিমান আন্তৰিকতা নাথাকে।সেয়ে কোনোৱে হয়তু ক'ব বিচাৰে—

"হেৰা মৰমী....  
তুমি মোলৈ ফোন নকৰিবা  
পাৰিলে এখন চিঠিকে লিখিবা।  
এখনি বগা কাগজতেই ভৰাই দিবা..  
মোলৈ থকা তোমাৰ কোমল মৰমবোৰ..  
আৰু পঠাই দিবা নীলা খামত ভৰাই  
চিনাকী সেই ডাকোৱালজনৰ হাতত.......".

◆◆◆◆◆◆◆◆

এমুঠি সততাৰ মূল্য এপাচি বিদ্যাতকৈ বেছি। — জৰ্জ হাৰ্বাট

সৎ পথৰ লগ সহজে পোৱা নাযায়। হিউৱেনচাং

প্ৰেম পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ ভাষা। — ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী

সৎ প্ৰশাসনৰ ওপৰত এটা জাতিৰ ভৱিষ্যত নিৰ্ভৰশীল। — গোলাপ বৰবৰা

পৰিৱৰ্তনৰ বাহিৰে আন একোৱেই স্থায়ী নহয়। — হেৰাক্লিষ্টাৰ্ছ

মানৱ মনৰ অশান্তিৰ পথেদিয়ে আহে পৃথিৱীৰ দৰকাৰী পৰিৱৰ্তন। তাৰ পিছত আহে শান্তি। — যোগেশ দাস

সকলো কামতে পৰিকল্পনাহে আলচ কথা, সুস্থিৰ পৰিকল্পনা অবিহনে শক্তি, সকলো অথলে যায়। — কৃষ্ণকান্ত সন্দিকৈ

# “মন উন্মনা কৰা শৰতৰ মিঠা স্মৃতি”

**তুষাৰ শুভ্ৰ বৰুৱা**
তৃতীয় ষাণ্মাসিক, বাণিজ্য বিভাগ



‘শৰৎ’। মিঠা শৰৎ। মোৰ প্ৰিয় ঋতু এই শৰৎ। গ্ৰীষ্ম-বৰ্ষাৰ ভয়াবহ দিনবোৰৰ কথা পাহৰি যাওঁ এই শৰততে। শৰতে ছটিয়াই কল্পনাৰ ফাকুগুৰি। নিয়ৰৰ টোপোলাৰে দুবৰি তিয়াই থোৱা শৰতৰ মিঠা ৰাতিপুৱাটো মোৰ অতিকৈ আপোন। কিয় জানো ভাল লাগে মন উন্মনা কৰা এই শৰতক। শৰতে আনে আশাৰ বতৰা। মৃদু মৃদু বতাহত বিয়পি পৰে তলসৰা শেৱালিৰ সুবাস। সেউজীয়া ঘাঁহনিত শেৱালিয়ে বুটা বাছে। মই হৈ পৰো আত্মবিভোৰ। শেৱালিৰ শুভ্ৰতাই আনি দিয়ে কল্পনাৰ নতুন বহণ।

নতুন ৰূপত দেখা পাওঁ মোৰ প্ৰিয় ঠাইখন। প্ৰকৃতিৰ পৰিৱৰ্তন। মই অস্থিৰ হৈ পৰোঁ। আকাশত উৰে চপৰা-চপৰে মেঘ। নীলা আকাশৰ বুকুত বগা মেঘৰ সৃষ্টি হয় এই শৰততে। শৱালিৰ জাকো দেখা যায় এই শৰততে। প্ৰকৃতি হয় শান্ত, সমাহিত। বাৰিষাৰ বৰষুণৰ ঠাই লয় শৰতৰ পাতল কুঁৱলীয়ে। সেউজীয়া ধাননি পথাৰত ধানে গেঁৰ মেলে এই শৰততে। কৃষকৰ মনত আনন্দৰ জোৱাৰ উঠে। দেহাৰ ঘাম মাটিত পেলাই কষ্ট কৰা ৰংমন ককাইহঁতক শৰতে দিয়ে আশাৰ বতৰা আৰু এক মিঠা শিহৰণ। পোৱাৰ আশাত।

সেয়ে ময়ো কামনা কৰিছো প্ৰিয় ঋতু শৰতৰ দৰে সকলোৰে মন-প্ৰাণ ফৰকাল হৈ থাকক।

◆◆◆◆◆◆◆◆





TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

# বন্ধুত্ব

**শান্তজিৎ চেতিয়া**
পঞ্চম ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ



“বন্ধুত্ব” এটা মিঠা শব্দ। বন্ধুত্বৰ অৰ্থ বৰ বিশাল। ‘বন্ধুত্ব’ৰ আদৰ্শ মনৰ মিলন। চলন-ফুৰণ, ভাৱ-ভংগী,কথা-বাৰ্তা, স্বভাৱ-চৰিত্ৰ আদিৰ মিল থকা মানুহৰ মাজত বন্ধুত্ব গঢ়ি উঠা দেখা যায়। ‘বন্ধুত্ব’ এক মধুৰ সম্পৰ্ক। হয়তো প্ৰতিজন মানুহে এবাৰ হলেও বন্ধুৰ প্ৰয়োজন অনুভৱ কৰে। বন্ধুত্ব হ’ল হৃদয়েৰে গঢ়ি তোলা সম্পৰ্ক। বন্ধুত্ব কেৱল সম বয়সৰ সম লিংগৰ মাজতে সীমাবদ্ধ নাথাকে। বিভিন্ন বয়সৰ বিপৰিত লিংগৰ মাজতো বন্ধুত্ব হ’ব পাৰে।

এজন মানুহক সবল সুস্থ জীৱন যাপনৰ বাবে যিদৰে অন্ন, বস্ত্ৰ, বাসস্থানৰ প্ৰয়োজন ঠিক তেনেদৰেই মানুহ এজন শান্তি আৰু আনন্দত জীয়াই থাকিবলৈ হ’লে বন্ধু বা সংগীৰ নিতান্তই প্ৰয়োজন। বান্ধুত্ব যাৰ সৈতে নহওক কিয়,তাৰ মাজত লুকাই থাকে বিশ্বাস, মৰম, নিৰ্ভৰশীলতা। এযাৰ কথা আছে যে,“ আচল বন্ধু সিয়েই যিয়ে বন্ধুত্বৰ মোল বুজি পায়”। প্ৰকৃত বন্ধুৱেই প্ৰদান কৰে জীৱন যাত্ৰাত গভীৰ আনন্দ। প্ৰকৃত বন্ধুজন সকলো দুখ-সুখত সমভাগী হয়। সৎ বন্ধু বিচাৰি পোৱা জটিল যদিও এইটো সত্য যে আমাৰ মাজত অসৎ বন্ধুৰ দৰে সৎ বন্ধুও আছে। জীৱনৰ বাটত অসৎ বন্ধুকো পোৱা যায়। যিয়ে কেৱল নিজৰ স্বাৰ্থ সিদ্ধি কৰাৰ বাবেহে বন্ধুত্ব গঢ়ি তোলে। যিজন বন্ধুক বিপদ কালত বিচাৰি পোৱা নাযায় এনে বন্ধু বন্ধুৰ নামত কলংক।

বন্ধু তেনেই সৰু চুটি শব্দ। পিচে এই শব্দৰ আঁৰত কিমান যে সহায়-সহানুভূতি, বিশ্বাস, মৰম, নিৰ্ভৰশীলতা, আশা-ভৰশা আৰু সহৃদয়তা লুকাই থাকে তাক ভাষাৰ দ্বাৰা বুজাব নোৱাৰি।

বৰ্তমান আধুনিকতাবাদী চিন্তা ধাৰাই বন্ধুত্বৰ এনাজৰী নিশকতীয়া কৰা বুলি বহুত চিন্তাবিদে আলোচনা কৰে যদিও, যদি আমি সচাঁ বন্ধুত্ব গঢ়ি তোলো সুখ-দুখবোৰ বিনিময় কৰো, তেনেহ’লে জীৱনৰ বাটত পোৱা দুখ-কষ্ট, ঘাত-প্ৰতিঘাতবোৰ পাৰ হ’বলৈ এখন মৰম ভৰা সহায়ৰ হাত বিচাৰি পোৱা যাব। সঁচা বন্ধু জীৱনৰ পৰম প্ৰাপ্তি। যাৰ মৰমৰ উত্তাপত পোৱা যায় আস্থা আৰু বিশ্বাসৰ নিভাঁজ প্ৰতিশ্ৰুতি। ◆◆

**গল্প**

# বিশ্বাসহীনতাৰ শেষত...



**তৃষা শইকীয়া**
ষষ্ঠ যান্মাসিক (বিজ্ঞান বিভাগ)

জেঠমহীয়া প্ৰখৰ ৰ'দ। ঘৰ্মাক্ত শৰীৰ। বাছখনৰ পৰা নামিয়েই নীলাঞ্জনাই এখন হাতেৰে কান্ধত বেগটো ওলমাই ল'লে আৰু আনখন হাতেৰে কপালৰ ঘামখিনি মোহাৰি ছাতিটো মেলি ল'লে।

উফ, ইমান গৰম!! তাতে অচিনাকী ঠাই। তাই মনতে ভাবিলে।

অলপদূৰ আগুৱাই গৈ তাই পাণদোকানী এজনক সুধিলে-

"দাদা, অৰুণিমা শইকীয়াৰ ঘৰলৈ কোনফালে যায় ক'ব পাৰিব নেকি?"

দোকানীজনে অলপ ভাবিলে. কোন এই অৰুণিমা, তেওঁ ইমান বছৰে নাজানে। তথাপি অপৰাধীভাৱেৰে ক'লে- ভন্টী, তেখেতৰ অন্য কিবা নাম আছে নেকি?

তাই ঠিক নাজানো বুলি মূৰ জোকাৰিলে। অহ হ' কি হ'ব এতিয়া। এড্ৰেছটোৰেই ভুল হ'ল নেকি কেনেবাকৈ? তাই হঠাৎ কিবা এটা মনত পৰাৰ দৰে বেগৰ পৰা কাগজ এটুকুৰা উলিয়াই দোকানীজনক দিলে। দোকানীজনে বুজিলে আৰু তাইক ৰাস্তাটো দেখুৱাই দিলে। তাই বুজি নাপালে যে ৰাস্তাটো বুজাই দিয়াৰ বাহিৰে দোকানীজনে কিয় অতিৰিক্ত এটা শব্দও নক'লে।

যি কি নহওক। অৱশেষত তাই সফল হ'ল। তাই লাহে লাহে আগবাঢ়িল। গৰমত তাইৰ অৱস্থা কাহিল হৈ গৈছে। তথাপি তাই যাবই লাগিব। ইমানদিনৰ চেষ্টা, আশা তাইৰ আৰু আজি সৌভাগ্য হৈছে। এই সুযোগ তাই নিশ্চয়কৈ নেহেৰুৱাই। কিবা-কিবি ভাৱি-গুণি গৈ থাকোতেই তাই গন্তব্য স্থানত উপস্থিত হ'লগৈ।

সুবিশাল ভগ্নপ্ৰায় গেটখন খুলি তাই ভিতৰলৈ সোমাই গ'ল। সুন্দৰ পৰিৱেশ। শাৰী শাৰী পাইন গছ, তাৰ মাজে মাজে ফুলি থকা ৰঙা গোলাপকেইজোপা বৰ যত্নৰে পালিত। চাৰিওফালে বিবিধ ফুল গছ। বাৰাণ্ডাত ভৰি থৈয়ে তাই কলিংবেলটো বজালে। কিছুসময়ৰ পিছত এগৰাকী বৃদ্ধাই আহি দুৱাৰখন খুলিলে।

"কাক বিছাৰিছা?"

"অৰুণিমা শইকীয়া।"

"আহা! ইয়াতে বহা, মই মাতি দিছো।"

মুকলি কোঠাৰ চকী এখনত বহি তাই অপেক্ষা কৰিলে। ধৈৰ্য্য নাছিল। অসহ্যকৰ গৰম আৰু পিয়াঁহে তাইক চেপি ধৰিছিল। কোনো মতে বহি আছিল।

কিছুসময়ৰ পাছত এগৰাকী ষাঠীউৰ্দ্ধৰ মহিলা কোঠাৰ ভিতৰলৈ আহিল। সম্ভৱত!! তেওঁয়েই অৰুণিমা শইকীয়া। তাই মনতে ভাবিলে। মানুহগৰাকীয়ে কোনো কথাৰ অৱতাৰণা নকৰাকৈ ক'লে।

"তুমি ফ্ৰেছ হৈ লোৱা, আহাঁ মোৰ লগত।"

মুখ-হাত ধুই তাই পুনৰ মুকলি কোঠালৈ আহিল। আৰম্ভ হ'ল চিনাকীপৰ্ব্বৰ। তাই সকলোবোৰ ক'লে, যে তাই এটা NGO ৰ কৰ্মী আৰু NGO ৰ কামৰ বাবেই তাই আহিছে যদিও তাই বহুতেই হেঁপাহ আছিল তেখেতৰ ব্যক্তিত্বৰ, অতীতৰ কাহিনী





তেখেতৰ নিজ মুখৰ পৰা শুনাৰ। কথা বতৰাৰ মাজতেই চাহ-জলপানো খোৱা হ'ল।

প্ৰায় আবেলি অৰুণিমা শইকীয়া নীলাঞ্জনাৰ ৰুমলৈ আহিল। অলপ কথা-বতৰাৰ পিছত তেওঁ হঠাৎ ক'লে- "তুমি মোৰ বিষয়ে কি জানিব খোজা?"

হঠাৎ তেখেতৰ এনে প্ৰশ্নত তাই থত্‌মত্‌ খালে। নিজকে চম্ভালি তাই ক'লে— "আপুনি যি খিনি ক'ব খোজে, যিখিনি আপুনি কাকো কোৱা নাই।"

তাইৰ সৰল উত্তৰত তেওঁ আবেগবিহুল হৈ পৰিল। বহু দিন বহু ৰাতিৰ পিছত তেওঁ এগৰাকী মানুহ পাইছে যিয়ে তেওঁৰ কথা শুনিব খোজে। আত্মীয়স্বজন, স্বামী, নিজ সন্তান সকলোকে তেওঁ যি খিনি ক'ব খুজিছিল, সেইখিনিয়েই তেওঁৰ পুত্ৰ বয়সীয়া ছোৱালীজনীয়ে শুনিব খোজে। যাক কৈ কৈ ভাগৰি যোৱাৰ পিছতো শুনিব নুখুজিছিল, যি তেওঁৰ সম্পূৰ্ণ অচিনাকী তেওঁ শুনিব খোজে। আচৰিত সকলোবোৰ। হ'লেও তেওঁ ক'ব, আজি সকলো ক'ব তেওঁ। ইমান দিনে চেপি ৰখা বুকুৰ কথা আজি মেলি দিব তেওঁ, এই ছোৱালীজনীৰ আগত। তেওঁ ক'বলৈ আৰম্ভ কৰিলে।

সেই সময়ত মই হায়াৰ চেকেণ্ডাৰী পঢ়ি আছিলো। সৰুৰ পৰা দেখি অহা অভাৱ-অনাটনেৰে জৰ্জৰিত আমাৰ ঘৰখন। এসাঁজ খালে এসাঁজ নাই। তাতে এমখা ল'ৰা-ছোৱালী। ডাঙৰকেইটাই সদায়ে ত্যাগ কৰিব লগা হৈছিল। তথাপি আমি সুখী আছিলো। সকলোবোৰ ঠিকেই আছিল আৰু ঠিকেই থাকিলহেঁতেন যদিহে সিদ্ধাৰ্থ আমাৰ জীৱনলৈ কাল হৈ নাহিলহেঁতেন।

"সিদ্ধাৰ্থ?? কোন তেওঁ??" নীলাই মাজতে সুধিলে।

"ৰ'বা কৈ আছো।"

সিদ্ধাৰ্থ বৰুৱা। বৰ্তমানৰ এজন নামজ্বলা ব্যৱসায়ী। কিন্তু সেই সময়ত আমাৰ সমষ্টিৰ বিধায়ক প্ৰয়াত হীৰেণ বৰুৱাৰ ভতিজাক। চহকী মানুহ। মোক কোনোবা এখন বিহু সন্মিলনত দেখিছিল। আচলতে মই বিহু নাচি ভাল পাইছিলো। আমাৰ গাঁৱৰ বিহু দলটোৰে প্ৰায়ে বিহু সন্মিলনৰ নৃত্য প্ৰতিযোগিতাত অংশগ্ৰহণ ও প্ৰদৰ্শনৰ বাবে গৈছিলো। তাৰে কোনোবা এখনত বিধায়কৰ লগত যোৱা সিদ্ধাৰ্থই মোক দেখিছিল আৰু চা-চিনাকী হৈছিল। মোতকৈ পাঁচ বছৰ মান ডাঙৰ আছিল তেওঁ। সেই তেতিয়াৰে পৰা সি ঘনাই আমাৰ গাঁৱলৈ আহিছিল আৰু মই কলেজলৈ অহা-যোৱা কৰা সময়খিনিত গাঁৱৰ চাৰিআলিটোত লগৰ কেইটামানৰ লগত তাক দেখিছিলো। উদণ্ড প্ৰকৃতিৰ ল'ৰাটোক মোৰ মুঠেই সহ্য নহৈছিল। কি চাৱনি আছিল তাৰ।

নানা অজুহাত দেখুৱাই আঁতৰি ফুৰিছিলো মই। কিন্তু হঠাতে এদিন মদৰ নিচাত সি মোৰ লগত অসভ্যালি কৰিব লৈছিল। তেতিয়া ময়ো সোধাই দিছিলো তাক এটা পূৰ্ণহতীয়া চৰ। তাতে ভুল হ'ল মোৰ। সকলোৰে দৃষ্টিত মই হৈ পৰিলো অপৰাধী। আৰু আমাৰ সমাজখনো ধনী সকলৰ বাবেহে। নানা কটু মন্তব্যৰে ভৰাই দিলে মোৰ চৰিত্ৰক। মোৰ কলেজ যোৱা বন্ধ হ'ল। মা-দেউতা ঘৰৰ বাহিৰ হ'ব নোৱাৰা হ'ল। ভাই-ভনী কেইটাইও ওলাব নোৱাৰি মোক শুনাই থকা হ'ল। একমাত্ৰ মা আছিল মোৰ সৈতে। তেওঁৰ কথা মতেই মই গুচি গৈছিলো মামাহঁতৰ ঘৰলৈ। কলেজৰ অধ্যক্ষৰ লগত কথা পাতিলো মাত্ৰ ফাইনেল পৰীক্ষাটো দিবৰ বাবে। কিন্তু প্ৰায় দুমাহৰ পিছত ঘৰ আহি দেখো মোৰ বিয়াৰ আয়োজন। কান্দি কান্দি ভাগৰি পৰিছিলো মই। মা আৰু মোৰ হাজাৰ বুজনিয়েও দেউতাৰ সিদ্ধান্ত সলনি কৰিব নোৱাৰিলে।

"তাৰ পিছত?"

নীলাৰ প্ৰশ্নত চলচলীয়া দুচকুৰ মুখতো হাঁহি বিৰিঙি পৰিল অৰুণিমাৰ। ইমান আগ্ৰহ এই ছোৱালীজনীৰ। তেওঁ মনতে ভাবিলে।

তাৰ পিছত মোৰ বিয়া হৈ গ'ল ধুম-ধামেৰে। ঠিক ফাইনেল পৰীক্ষাৰ আগত। তেতিয়ালৈকে মই মোৰ স্বামীৰ নাম পৰ্যন্ত জনা নাছিলো। জনাৰ ইচ্ছাও নাছিল। মাথোঁ কোনো কোনোৱে কৈ থকা শুনিছিলো যে বয়সত মোতকৈ বিশ বছৰমান ডাঙৰ আৰু চৰকাৰী চাকৰিয়াল। ফুলশয্যাৰ নিশাহে তেওঁৰ লগত মোৰ পৰিচয় হৈছিল আৰু মই মাত্ৰ এটা কথাই কৈছিলো যে মই ফাইনেল পৰীক্ষাটো দিব খুজিছো যিকোনো পৰিস্থিতিত। তেওঁ হয়তো অলপ দয়ালু আছিল। সেয়ে কোনো প্ৰতিবাদ নকৰাকৈ কাৰো কথা নুশুনি পৰীক্ষাৰ দিনা মোক কলেজত থৈ আহিছিলগৈ। এনেকৈয়ে মই আটাইকেইটা পৰীক্ষা দি মোৰ পঢ়াৰ জীৱন তেতিয়ালৈ সামৰিলো। আৰু আৰম্ভ হ'ল মোৰ সাংসাৰিক জীৱন। বৃদ্ধ শহুৰ-শাহুৰ, চাকৰিয়াল স্বামীৰ আলপৈচান, ল'ৰা-ছোৱালীৰ আলপৈচান ধৰোঁতে ধৰোঁতে কিমান সময় পাৰ হৈ গৈছিল হিচাপ ৰখা নাছিলো। তাৰ মাজতে মোৰ ৰিজাল্ট ভাল হোৱা, ভাই-ভনীকেইটাৰ পঢ়া-শুনা, চাকৰি, বিয়া এইবিলাক খবৰ ম্লান পৰি ৰ'ল। শহুৰ-শাহুৰ মৃত্যুৰ পিছত কিছু সকাহ পাইছিলো যদিও সময়ে জোৰাব পৰা নাছিলো। ইমান ব্যস্ততা কিয় আছিল মই নিজেও নাজানিছিলো। এৰি অহা ঘৰখনলৈ যোৱাৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা। মা আৰু দেউতাৰ মৃত্যুতহে একোদিনকৈ থকাৰ সৌভাগ্য হৈছিল। স্বামীৰ মাত্ৰ এটাই কথা ল'ৰা-ছোৱালী কেইটাৰ পঢ়া-শুনা কোনো

কাৰণতে কমিব নালাগিব। তেওঁৰ ওচৰত মোৰ সুখ-দুখৰ কথাৰ কোনো গুৰুত্ব নাছিল। মই যিমান খিনি সময় তেওঁৰ লগত পাৰ কৰিলো, প্ৰতিদিনাই তেওঁৰ মাজত ফুলশয্যাৰ নিশা মোৰ পৰীক্ষা দিয়া কথাটোত সন্মতি জনোৱা মানুহটোক বিচাৰিলো। কিন্তু নাপালো। আজি তেওঁ নাই, তথাপি মই আজিও কনফিউজড্।

"অৰু, চাহ বনাব কওঁ নেকি বীণাক?"

নীলাই প্ৰথম আহিয়েই দুৱাৰ মুখতে লগ পোৱা বৃদ্ধা গৰাকীয়ে সুধিলেহি।

"মোৰ মন গৈছে, এই বা কি কয়? খাবানে নীলা?"

অ' একাপ চাহৰ অভাৱ খুৱেই অনুভৱ হৈছিল। মিচিকিয়াই ক'লে নীলাই।

আইতাই বীণাক চিঞৰি কোঠাটোৰ পৰা ওলাই গ'ল। নীলাই কথাৰ মাজতে সুধিলে।

"বাইদেউ, এই আইতাগৰাকীনো আপোনাৰ কোন?"

ৰ'বা ৰ'বা! সকলো ক'ম তোমাক। এনেতে বীণাই চাহ আৰু মিঠাই আনি টেবুলত থলেহি। চাহত শোহা মাৰি অৰুণিমাই আকৌ আৰম্ভ কৰিলে।

চাওঁতে চাওঁতে মোৰ বিবাহিত জীৱনে ৩০ টা বছৰ গৰকিলে। স্বামীৰ মৃত্যু হ'ল, ল'ৰাই বিয়া-বাৰু কৰাই আমেৰিকাত নিগাজীকৈ থাকিব ল'লে। ছোৱালীজনীৰো বিয়া হৈ গ'ল নিজ পচন্দ অনুসাৰে। তাই এতিয়া অসমৰ বাহিৰত। নাতি-নাতিনীৰ চেহেৰা মই স্বচক্ষুৰে দেখা নাই আজিও। ফটোহে দিছিল। ক'বলৈ গ'লে ঘৰখনত মই অকলশৰীয়া হৈ পৰিলো। এবাৰ ল'ৰাটোৱে আহি বীণাক মোক কাম-কাজত সহায় কৰিবলৈ থৈ গ'লহি আৰু তাতে তাৰ দায়িত্ব শেষ কৰিলে। মই অসন্তুষ্ট নাছিলো। সকলো ব্যস্ততা মোৰ নাইকিয়া হ'ল। দুই-তিনি মাহৰ মূৰত সি এটা ফোন কৰে আৰু এবছৰৰ মূৰত ছোৱালীজনীয়ে এটা খবৰ লয়। তেওঁলোকৰ জীৱন বিলাকত মোৰ প্ৰভাৱ বা প্ৰয়োজন বুলিবলৈ ইমানেই। বাকী দিনবোৰত মই নানা কিতাপ, আলোচনী পঢ়ি সময় কটাওঁ। লগতে বাৰীখনত ফুল, ঔষধি গছ ৰুই ব্যস্ত ৰাখো নিজক। কিন্তু লাহে লাহে মোৰ লিখা-মেলাৰ ফালে মন মেলিলে। মনৰ কিছু কিছু কথাৰে ডায়েৰীৰ পৃষ্ঠা ভৰাই তুলিছিলো। মাজে মাজে বীণাক পঢ়ি শুনাও। তাই বুজি পায় নে নাপায় মই নাজানো। মই মাথোঁ গাই যাওঁ। অশেষ কষ্ট কৰি তাইক অলপ লিখা-পঢ়াও শিকালো। শেষত এদিন বহু সাহ কৰি মোৰ এটা কবিতা আলোচনী এখনলৈ পঠালো। আচৰিত ভাৱে প্ৰকাশো হ'ল। তেনেদৰে বহু অনুৰোধ আহিব ল'লে। মই লেখা আৰম্ভ কৰিলো। কিছু জনপ্ৰিয়ও হ'লো। যিহেতু কিছুমান কবিতাত মোৰ ফোননম্বৰ সৈতে দিয়া হৈছিল, সেয়ে ফোনযোগেও বহু অনুৰোধ আহিছিল। এদিন হঠাৎ এটা ফোন আহিছিল মোলৈ, যি হৈ আহিছিল মোৰ প্ৰকাশৰ উৎস।

"হেল্লো"

"অ, হেল্লো.."

"অৰুণিমা শইকীয়াৰ নম্বৰ হয় নে এইটো?"

"অ, হয়। আপুনি কোনে ক'লে?"

"মই নিলীম।"

"ক্ষমা কৰিব। মই ঠিক ধৰিব পৰা নাই।"

"মই নিলীম বৰাই কৈছো। শিৱসাগৰ কলেজৰ, তোমাৰ চিনিয়ৰ। মনত পৰিল নে?"

মই অলপ ভাৱি ক'লো—

"অ,নিলীম !!"

কোৱা,

ইমান দিনৰ মূৰত?? কেনে আছা, ক'ত আছা?? কেনেকৈ মনত পৰিল?? আৰু মোৰ নম্বৰ ক'ত পালানো??

ৰ'বা,ৰ'বা, ইমান বিলাক প্ৰশ্নৰ উত্তৰ একেলগে কেনেকৈ দিওঁ?

অহ! Sorry!!

হ'ব দিয়া। মোৰ ভালে। বৰ্তমান ডিব্ৰুগড়ত, তুমি য'ত নম্বৰ দিছিলা তাতে পালো।

সিদিনা বহুত কথা-বতৰা হ'ল আমাৰ মাজত ফোনতে। মই সেই আগৰ কলেজীয়া দিনবোৰলৈ ওভটি গৈছিলো। তেতিয়া মোৰ বয়সৰ খেয়াল নাছিল। চঞ্চল হৈ পৰিছিলো মই। অতিৰিক্তভাৱেই।

কিন্তু কিয়? আকৌ নীলাৰ প্ৰশ্ন।

কাৰণ, নিলীম মোৰ প্ৰথম আৰু শেষ প্ৰেম আছিল। কলেজৰ প্ৰথম দিনাৰ পৰাই মই তাৰ অনুৰাগী আছিলো। সি খুৱ ধুনীয়া গান আৰু কবিতা আবৃত্তি কৰিছিল। কিন্তু ক'ম ক'ম ভাৱোতেই কেতিয়া কি অঘটন হৈ গৈছিল গমকে নাপালো। ইয়াৰ পিছৰ খিনি তোমাক কৈছোৱেই। স্বামীৰ প্ৰতি মোৰ কোনো দিন প্ৰেম নাছিল। মাথোঁ দায়িত্ব পালন কৰিছিলো।

বুজিছো মই! তাৰ পিছত??

সি মাজে মাজে ফোন কৰা হ'ল। তাৰ ছোৱালী দুজনী। এজনী বিয়া দিলে এজনী পঢ়ি আছে। পত্নীৰ মৃত্যু হৈছে। সকলোবিলাক কথা-বতৰাৰ পিছত কলেজৰ দিনবোৰৰ কথা, লগৰ বোৰৰ কথা, যেন কৈ শেষ নহ'ব। এদিন অকপটে সি মোক সুধিছিল—

"তুমি প্ৰকৃততে কিমান সুখী অৰু?"

নাজানো কিয়? সেইদিনা মই কান্দিছিলো, বহুত কান্দিছিলো, ইমান হয়তো মই স্বামীৰ মৃত্যুত কন্দা নাছিলো। মই ফোন সংযোগ বিছিন্ন কৰি দিছিলো। দ্বিতীয়বাৰ তাক যোগাযোগ কৰিব খোজা নাছিলো। আচলতে মই পলাব খুজিছিলো। কিন্তু, অলপদিনৰ পিছত এখন চিঠি আহিছিল মোৰ নামত। নিলীমৰ সৰু ছোৱালীয়ে পঠাইছে। চিঠিখন পঢ়ি মই ইমান ভাঙি পৰিছিলো যে মোৰ অকণো ইচ্ছা নাছিল জীয়াই থকাৰ। তাই তাত দেউতাকৰ বিষয়ে লিখিছিল। দেউতাকৰ জীৱন আছিলো মই। মোৰ প্ৰতি থকা অগাধ ভালপোৱাৰ বাবেই কাহানিও বিয়া নকৰালে। কিন্তু ককায়েকৰ মৃত্যুৰ পিছত বৌৱেক আৰু ভতিজাক দুজনীৰ বাবে, সমাজৰ বাবে বৌৱেক আৰু তাৰ মাজৰ সম্বন্ধটোক বিবাহৰ নাম দিব ল'গা হ'ল। কিন্তু কেনো দিনে বৌৱেকক পত্নীৰ দৃষ্টিৰে নাচালে।

চিঠিখনত বহুত কথা লিখিছিল। কান্দিছিলো মই পঢ়ি যাওঁতে। চিনেমাৰ জীৱনত এনে হ'ব পাৰে। বাস্তৱো যে ইমান ৰহস্যকৰ হ'ব পাৰে কল্পনাতীত আছিল। সকলোবোৰ জনাৰ পিছত মই তাক যোগাযোগ কৰাৰ সাহস গোটাব নোৱাৰিলো। ভুল দুয়োটাৰে আছিল। প্ৰকাশ নকৰাৰ বাবেই আজীৱন অশান্তিৰ বেদনাত ডুবি থাকিলো আৰু আজিও আছো। যি হ'ল হৈ গ'ল, মই পাহৰিবলৈ চেষ্টা কৰিলো। ব্যস্ততাৰ সন্ধান কৰিলো। আলোচনী বিলাকত নিয়মিত ভাৱে লিখিবলৈ ল'লো। বহু মেল-মিটিঙৰ আমন্ত্ৰণো পালো। এনে এখন মিটিঙতে মই লগ পালো প্ৰগতি বাইদেউক। এই যে বৃদ্ধাগৰাকী তেওঁৱে। মোৰ দৰে তেওঁও অকলশৰীয়া। ল'ৰা-ছোৱালীয়ে বৃদ্ধাশ্ৰমত পঠাই দিছিল। পিছত মই মোৰ লগতে থকাৰ প্ৰস্তাৱ দিলো। তেওঁ না নকৰিলে। এতিয়া আমি দুয়ো দুয়োৰে সংগী, মূলকাহিনী ইমানেই মোৰ।

" আপোনাৰ ল'ৰাই কি কৰে এতিয়া?" নীলাই সুধিলে।

" সি ইঞ্জিনীয়াৰিং পঢ়িছিল। বাহিৰৰে কিবা এটা কোম্পেনীত চাকৰি কৰে এতিয়া। আগতে মাহেকত ফোন এটা কৰিছিল। এতিয়া বহু দিন ধৰি কৰা নাই। মই দুদিনমান কৰি চাইছিলো। নম্বৰ নাই বুলিয়েই কয় দেখোন। বৰ্তমানৰ কথা ইমানেই জানো।"

এই বুলি তেওঁ স্বস্তিৰ নিশ্বাস এৰিলে। ৱালৰ ঘড়ীটোলৈ চাই আকৌ ক'লে—

" দহটায়ে বাজিল দেখোন। ভাত হ'ল চাগে, ব'লা খাই লওঁ।"

"বলক"

ভাত পানী খোৱাৰ পিছত বীণাই বিচনাখন ঠিক কৰি দিলে নীলাৰ। তাই বীণাক সুধিলে—

" বীণা বা, অৰুণিমা বাইদেউৰ ল'ৰাজনক আপুনি দেখিছেনে?"

" মই প্ৰায় ১৫-২০ বছৰ আগতে ছাৰক দেখা। এতিয়া কেনে হ'ল নাজানো। কিয় সুধিলা?"

"এনেয়ে, ফটো নাই নেকি ঘৰটোত?"

" আছে, অৰু বাইদেৱে বাকচত ভৰাই থৈছে সকলো ফটো, যাতে অতীতে তেওঁক আমনি নকৰে।"

"অ',অ'! আপুনি তেওঁৰ সকলো কথা জানেনে?"

"নাজনো, তেওঁ কাকো একো নকয়, বিশেষ কথাও নাপাতে অতীতক লৈ। তোমাৰ লগতহে ইমান কথা পতা দেখিলো।"

"ঠিক আছে। ধন্যবাদ দেই, শুভৰাত্ৰি।"

ইতিমধ্য বীণাৰ বিচনাপৰা হৈছিলেই। হাঁহি এটা মাৰি তাই ৰুমটোৰ পৰা ওলাই গ'ল। বিচনাখনত বহি নীলাই অৰুণিমাৰ কথাবিলাকক ভাৱি থাকিল। তাই তেওঁৰ বিষয়ে যি শুনিছিল আৰু তেওঁ যিবোৰ ক'লে, সকলো বোৰে তাইৰ মনত খেলি-মেলিৰ সৃষ্টি কৰিলে। তাইৰ লগা নাই যে অৰু বাইদেৱে মিছা কথা ক'ব। বৰ্তমান তেওঁ এগৰাকী জনপ্ৰিয় লেখিকা, মিছাৰ আশ্ৰয় তেওঁ নল'ব। তেন্তে ইমান দিনে শুনাবোৰ মিছা। কিন্তু পাণ দোকানীজনে কাগজখনত থকা সম্পূৰ্ণ এড্ৰেছটো চাই কিয় একো মন্তব্য নিদিলে?

" বাপৰে!! কি কনফিউজড."

নাই, আজিলৈ থাকক। এইবুলি তাই শুই পৰিল।

পিছদিনা পুৱা তাই সোনকালেই সাৰ পালে। সৰুৰ পৰা অভ্যাস। মাক-দেউতাক নোহোৱা ছোৱালী, অনাথ আশ্ৰমত থাকোতে খুউব সোনকালেই উঠিব লগা হৈছিল। অভ্যাসটো এৰা নহ'ল,অতীতৰ সাক্ষী স্বৰূপে। মুখখন ধুই তাই বাৰাণ্ডালৈ ওলাই আহি দেখিলে অৰুণিমা, প্ৰগতি আৰু বীণাই ফুলবিলাকৰ ক'ত কি প্ৰয়োজন, কেনেদৰে যত্ন ল'ব লাগিব এই বিষয়ে কথা পাতি আছে। তাইক দেখি আইতা (প্ৰগতি) গৰাকীয়ে মাত লগালে—

"উঠিলা, টোপনি ভাল হ'লনে?"

"উত্তম হ'ল। তাই ক'লে।

"উত্তম হ'ল' বুলি সকলো ভিতৰলৈ সোমাই গ'ল।

'বলা ভিতৰলৈ' বুলি সকলো ভিতৰলৈ সোমাই গ'ল। বীণাই ততাতিয়াকৈ চাহ-জলপানৰ যোগাৰ কৰিলে। চাহ খাই থাকোতে অৰুণিমাই ক'লে- "তুমি অফিচত গৈ কি ক'বা?'

" কি ক'ম মানে?"

"এই ঘৰটো যে মই তোমালোকৰ NGO টোক দান কৰিম,সেই বিষয়ে।"

"অহ! মই পাহৰিয়েই গৈছিলো।"

“মই যাৱতীয় নথি-পত্ৰ ৰেডি কৰি থ'ম। তুমি সঞ্চালক মৃণাল হাজৰিকাক মোক লগ কৰিব ক'বা। কিন্তু মোৰ মৃত্যুৰ পিছতহে সকলোবোৰ তোমালোকৰ NGO ৰ হাতত পৰিব। লগতে বীণা আৰু প্ৰগতি বাইদেউৰ দায়িত্ব NGOয়ে ল'ব লাগিব।”

“ হ'ব বাইদেউ, মই ছাৰক সকলোবোৰ বুজাই দিম আৰু আপোনাক লগ ধৰিবলৈ ক'ম। এতিয়া পিছে মই যাব লাগিব দহ বজাত অফিচ পোৱাৰ কথা।”

“ঠিক আছে।” তেওঁ ক'লে।

সকলোবিলাক সামৰি-সুতৰি তাই ওলাই আহিল। তাই নিজকে অপৰাধী যেন লাগিছে। অৰুণিমা বাইদেউৰ অতীতক খুচৰি তাই ভুল কৰা নাইতো। তাই শুনামতে, তেখেতৰ স্বামীৰ মৃত্যুৰ কাৰণ তেওঁ। অফিচৰ কাৰোবাৰ মুখত তেওঁ নিলীমৰ কথা শুনিছিল আৰু গম পাইছিল সিদ্ধাৰ্থ বৰুৱাৰ কথা। তাৰ বাবে তেওঁ বাইদেউৰ লগত কাজিয়াত লিপ্ত হৈছিল। তাৰ ঠিক পাঁচ মাহ মানৰ পিছতেই তেওঁৰ মৃত্যু হৈছিল জণ্ডিছ বেমাৰত পৰি। কিন্তু সকলোৱে ভাৱে যে তেওঁৰ মৃত্যু জণ্ডিছ বেমাৰত নহয়। বাইদেউৰ কথা বিলাক জানি মানসিক ভাৱে ভাগি পৰিছিল আৰু অত্যধিক মদ্যপান কৰিছিল। তেখেতৰ সন্তানে যেতিয়া গম পাইছিল কথাবিলাক, তাহাঁতেও বাইদেউক ঘৃণা কৰিবলৈ ল'লে আৰু সম্পৰ্ক প্ৰায় ছেদ কৰিলে। আৰু এই NGOটো এটা বাহানাহে তেওঁৰ পুত্ৰ নীলাভ শইকীয়াৰ। যাতে তেওঁৰ নামত থকা ঘৰটোও কাঢ়ি লৈ দেউতাকৰ মৃত্যুৰ প্ৰতিশোধ ল'ব পাৰে মাকৰ ওপৰত। সমাজত এখন ভাল স্থান আছে তেওঁৰ। তথাপি পিছপিনৰ পৰা ছুৰীৰ আঘাত কিয়?

Congratulation নীলা!! তুমি কৰি দেখুৱালা।”

মৃণালৰ মাতত তাই গম পালে তাই যে অফিচ পালেহি।

Thanks!!

“ছাৰ একদম খুছ। তোমাকতো মোটা অংকৰ ধনৰ চাকৰি দিবই।”

“হয় না।”

নীলাৰ মনটো ভাল লগা নাই। কাৰোবাৰ সৰলতাৰ সুযোগ লোৱা ছোৱালী তাই নহয়। অৰুণিমা বাইদেউৰ প্ৰতি অন্যায় হ'ব দিব নোৱাৰে। মানুহজনীয়ে জীৱনত একোৱেই নাপালে। অকণমান আনন্দ বিচাৰাতনো কি ভুল হ'ল তেওঁৰ? নিজ সন্তান হৈয়ো নুবুজে তাহাঁতে মাকৰ উচুপনি। ধিবকাৰ এনে সন্তানৰ। নালাগে তাইক মোটা অংকৰ ধন, নালাগে তাইক একো। মাথোঁ এগৰাকী নাৰীৰ অধিকাৰৰ বাবে যুঁজিব তাই। তাই অলপ আগত কৰি অহা ভুলবোৰ শুধৰাব। মনতে ঠিৰাং কৰিলে। কাইলৈ অৰুণিমা বাইদেউক লগ কৰি সকলো ক'ব আৰু মাফ খুজিব।

তাই অফিচৰ পৰা ৰুমলৈ আহিল। এৰি যোৱা সকলো কাম কৰি তাই সেইদিনা সোনকালেই শুই পৰিল।

পিছদিনা কলিংবেলৰ শব্দত তাই সাৰ পালে। ঘড়ীটো চালে। সাত টায়ে বাজিল। দেৰি হ'ল চোন আজি। ৰাতিৰ বৰষুণ জাক এতিয়াও এৰা নাই। তাই বাহিৰলৈ ওলাই গ'ল। আৰু হকাৰজনে পেপাৰখনৰ লগতে এখন চিঠি দি গ'ল তাইক। কোনে দিলে সোধাত বয়সস্থ মানুহ এগৰাকীয়ে দিলে বুলি কৈ গুছি গ'ল। তাই লৰালৰিকৈ খামটো খুলি চিঠিখন পঢ়িলে।

মৰমৰ নীলা,

তুমি যেতিয়া এই চিঠিখন পঢ়িবা মই হয়তো তেতিয়ালৈ এই পৃথিৱীৰ পৰা বিদায় মাগিম। বুকুত বহু অভিমান থাকি গ'ল। শেষত তোমালৈয়ো। তুমি অহা দিনাই মই গম পাইছিলো মোৰ পুত্ৰৰ কথামতেই যে তুমি আহিছিলা। মাথোঁ জানিব খুজিছিলো তুমি কি কোৱা। মোৰ মৃত্যু সেই দিনাই হৈছিল যিদিনা ন মাহ ন দিন গৰ্ভত থকা মোৰ সন্তানে মোৰ চৰিত্ৰত আঙুলি উঠাইছিল। মই তোমাক সকলো ক'লো, কিন্তু তুমি শুনাবোৰ নক'লো। কাৰণ তোমাৰ ওপৰত মোৰ বিশ্বাস জন্মিছিল। সেই বিশ্বাসৰ ভিত্তিত মোৰ ক'বলগীয়াখিনি ক'লো। আমাৰ সমাজখনত পুৰুষেই সৰ্বেসৰ্বা। নাৰী বদনামৰ অন্য এটা নাম। মই বদনামলৈ ভয় নকৰো। কিন্তু যেতিয়া পেটৰ পোৱালিয়ে বিশ্বাস নকৰে, তেতিয়া সমাজৰ বিৰুদ্ধে যুঁজিব নোৱাৰি। কম বয়সতে সংসাৰৰ দায়িত্ব ল'লো, ল'ৰা-ছোৱালীৰ বাবেই নিজস্বতা হেৰুৱাই দিলো, স্বামীৰ কথামতেই মা-দেউতাৰ অন্তিম সময়তো লগ দিব নোৱাৰিলো। কিন্তু, পালো কি? সকলোফালেই তিক্ততা।

মই নোৱাৰিলো যুঁজ দিব। তুমি যদি প্ৰকৃততে নাৰীক সন্মান কৰা, মোৰ কথাবোৰ বুজিবা।

ইতি,

অৰুণিমা বাইদেউ

চিঠিখন পঢ়ি তাই চিএঞৰি চিএঞৰি কান্দিবলৈ ধৰিলে। তাইৰ এটা ভুলৰ বাবেই সকলো শেষ হৈ গ'ল। অলপ পিছত তাই ঠিয় হ'ল। চকুহাল মুহাৰি নিজকে ক'লে—“মই যুঁজিম, অৰুণিমা বাইদেউৰ বাবে। ন্যায় পাব লাগিব তেওঁ। ভুল তেওঁৰ নহয়, ভুল সমাজৰ। বলি বনালে তেওঁক। ভুল কৰিছে তেওঁৰ পুত্ৰই। মই যুঁজিম, নাৰীৰ ওপৰৰ এনে কালিমাৰ বিৰুদ্ধে।”

◆◆◆◆◆◆◆◆





গল্প

# ৰামযতন ৰিক্সাৱালা

উৎপল গগৈ
স্নাতক তৃতীয় যান্মাসিক
ইংৰাজী বিভাগ



অই ৰমযতন! তই ৰমযতন! ৰ, ৰ, ৰ। আজি বৰ ফুটানি মাৰিছ যেন পাইছোদেই। দৌৰ মাৰি ৰিক্সাত উঠি ক'লো; বল, বল - জলদি বল, ৮-৩০ বজাত ইংলিচ মেজৰ ক্লাচ নাপালে বাইদেউৱে বাৰণ্ডাত গুলীয়াই থলে কিন্তু তাৰ পোতক তয়ো পাবি বুজিলি। ৰিক্সাত উঠিয়েই ৰাম যতনৰ লগত এইদৰে মুখ চুপতি মাৰি বৰ ভাল লাগে। সিও বেয়া নেপায়। ৰাতিপুৱাই তিনিচুকীয়া চহৰৰ ন-পুখুৰীৰ বাছ আস্থানত সদায় কলেজলৈ বুলি বাছেৰে আহি আস্থানত ৰৈ থকা ৰামযতনৰ লগত দুবছৰৰ আগতে প্ৰথম চিনাকী হৈছিলো। চিনাকী হোৱা সেই প্ৰথম দিনটোৰ কথা আজিও জল-জল পট পটকৈ মনত আছে।

সেই দিনটো আছিল ২০১৫ চনৰ জুলাই মাহৰ প্ৰথমটো সোমবাৰ। তিনিচুকীয়া চহৰৰ পৰা প্ৰায় ৭ কিলোমিটাৰ দূৰৈৰ ৰংপুৰীয়া গাঁৱৰ পৰা আহি তিনিচুকীয়া কলেজত মই বি.এ প্ৰথম ষাণ্মাষিকত নাম ভৰ্তি কৰিলো। মহাবিদ্যালয়ৰ প্ৰথমটো পাঠদান কেনে হ'ব? কোন ছাৰে কি বিষয় পঢ়াব? বহুত ছাত্ৰ-ছাত্ৰীয়ে একেলগে পাঠদানত অংশগ্ৰহণ কৰিলে কেনে লাগিব ইত্যাদি ইত্যাদি। এই ভাৱবোৰে মোৰ মনটো কৌতুহলেৰে ভৰাই আনিছিল। আৰু সেই প্ৰথম দিনটোতে ৰমযতনৰ লগত মোৰ চিনাকী পৰ্ব এনেদৰে ঘটিছিল যে আজিও ইজনে সিজনক পাহৰিব পৰা নাই। এতিয়াও তিনিচুকীয়া চহৰলৈ আহিলেই চকুৱে ৰামযতনক বিচাৰে। পুৰণি ৰিক্সাখন লৈ লাহে লাহে চলাই যোৱা ৰিক্সাচালক ৰামযতনক সেইদিনা বাছৰ পৰা নামিয়েই অসংখ্য ৰিক্সাচালকবোৰৰ মাজৰ পৰা দীঘল চুলিৰে চিন্তাক্লিষ্ট ৩০-৩৫ বছৰীয়া মানুহজনৰ ৰিক্সাখনত উঠিয়েই তিনিচুকীয়া মহাবিদ্যালয়লৈ বুলি ৰাওনা হৈছিলো। যাওঁতে দুই এটা ভঙা ভঙা হিন্দী অসমীয়া কথা পতাৰ বাহিৰে তেনে কোনো বিশেষ কথা হোৱা নাছিল। মহাবিদ্যালয়ৰ গেটৰ সন্মুখত নামি যেতিয়া ভাড়া দিবলৈ বুলি পকেটত হাত ভৰাই মণিবেগটো নাপাওঁ,

মোৰ জীও উৰি যাওঁ উৰি যাওঁ অৱস্থা হ'ল। কিয়নো মণিবেগটো ক'ত পৰিল মই নাজানো। মোৰ অৱস্থাটোলৈ চাই সিও বুজি পালে যে মই মণিবেগটো হেৰুৱাইছো আৰু মিছা কোৱা নাই। সি মোক ক'লে — "চিন্তা নকৰিবা ভাইটি। মোৰ ভাড়া আজি নিদিলেও হ'ব। ইয়ালৈ সদায় আহিবা যেতিয়া ন-পুখুৰীৰ বাচ আস্থানত মোক তুমি পাবায়েই। মোৰ নাম ৰামযতন।" অলপ চিন্তা কৰি পুনৰ সুধিলে, "তুমি ঘৰলৈ কেনেকৈ যাবা? তোমাৰ হাতত যে এক পইচাও নাই। লোৱা এই পঞ্চাশ টকা - থৈ দিয়া। ঘৰলৈ যাওঁতে লাগিব।" পঞ্চাশ টকা মোৰ হাতত গুজি দি সি কোবাকোবিকৈ গুচি গৈছিল। মই গেটৰ সন্মুখত থৰ হৈ সি যোৱালৈ চাই ৰৈছিলো। হঠাৎ কেইবাগৰাকীও অচিনাকী ধুনীয়া ছোৱালীৰ হাঁহি শুনি মোৰ সম্বিত ঘূৰি আহিছিল। মহাবিদ্যালয়ত ভৰি দিয়া প্ৰথম দিনটোতে এনে অৱস্থা হোৱাৰ বাবে মোৰ মনটো ভাৱাক্ৰান্ত হৈ পৰিছিল। সেইদৰেই ৰামযতনৰ লগত মোৰ প্ৰথম চিনাকী।

ৰামযতনৰ সুখ-দুখৰ জীৱনৰ লগত মই এতিয়া এক পৰিচিত ব্যক্তি। সি এদিন তাৰ দুখৰ জীৱনৰ কথা মোৰ আগত ব্যক্ত কৰিছিল। কেনেকৈ বিহাৰৰ পৰা আহি তিনিচুকীয়াত নতুন জীৱন আৰম্ভ কৰিছিল। এটা দুখীয়া পৰিয়ালত জন্ম গ্ৰহণ কৰা তাৰ মাক সি সৰু থাকোতেই ঢুকাইছিল। বিহাৰৰ জৌনপুৰ জিলাৰ একেবাৰে ভিতৰুৱা গাঁও এখনত তাৰ জন্ম। জন্মৰ কিছুদিনৰ পাছতে এক অচিন ৰোগত তাৰ মাকৰ মৃত্যু হোৱাত আইতাকৰ ঘৰলৈ আহি ল'ৰালি কালটো অতিবাহিত কৰিছিল,। আইতাকে মৰমতে তাৰ 'ৰাম' নামৰ লগত 'যতন' লগলগাই 'ৰামযতন' কৰিছিল। কিন্তু বিধাতাৰ কি বিধি! ৰামযতনৰ সুখ হয়তো কপালত নাছিল। তাৰ আইতাকৰো মৃত্যু হোৱাত কেওকিছু নোহোৱা ল'ৰাটোৱে এদিন দিক্‌বিদিক হেৰুৱাই এখন ট্ৰেইনত উঠি ঠিকনাবিহীন যাত্ৰীৰূপে তিনিচুকীয়া পাইছিলহি। তাৰ পাছত তাৰ জীৱনৰ এক নতুন অধ্যায়ৰ আৰম্ভণি। এখন অচিনাকী ঠাইত ৮-১০ বছৰীয়া ল'ৰাটো ক'লৈ যাব? ক'ত থাকিব? কি কৰিব? উপায়হীন হৈ কিছুদিন ভিক্ষা মাগি ষ্টেচনতে ৰাতিবোৰ কটাই দিনবোৰ পাৰ কৰিছিল। লাহে লাহে চহৰীয়া পৰিৱেশৰ লগত মিলি গৈ হোটেলত কাঁহী-বাটি ধোৱাৰ পৰা আৰম্ভ কৰি বিভিন্ন সৰু-সুৰা কাম কৰি আজি ২০ বছৰ ধৰি ৰিক্সাচালক হিচাপে তিনিচুকীয়াতে স্থায়ীভাৱে বসবাস কৰিবলৈ ল'লে। সৰু ভাড়াঘৰ এটাত ঘৈণীয়েক আৰু এটা ল'ৰাৰ সৈতে তাৰ সংসাৰ।

বিহাৰৰ পৰা আহি বিহাৰী অসমীয়া হোৱা ৰামযতন এজন সাধাৰণ ৰিক্সাচালক যদিও তাৰ এখন বহল-ডাঙৰ অন্তৰ আছে। আনক সহায় কৰিবলৈ সদা প্ৰস্তুত ৰামযতন সকলোৰে আদৰৰ আৰু মৰমৰ। মোক কোৱা এষাৰ কথাৰে ৰামযতনৰ দুখৰ কাহিনী সামৰিছো — "ভাইটি, জিন্দেগী বহুত ছোটি হেঁ। সেয়েহে যিমানদূৰ সম্ভৱ সকলোকে সহায় কৰিবলৈ চেষ্টা কৰিবা। আমি বহুত সৰু মানুহ। আমাৰ দৰে মানুহৰ কথাবোৰ তোমালোকে বুজিবলৈ চেষ্টা কৰিলে ডাঙৰ উপকাৰ হ'ব।"

♦♦♦♦♦♦♦♦





গল্প

# অভাগিনী

বিতোপন বৰপাত্ৰ
একাদশ শ্ৰেণী, বিজ্ঞান শাখা



এক ব্যস্ত পৰিৱেশ। অহা আহিছে যোৱা গৈছে। গাড়ী-মটৰ,ফেৰীৱালাৰ মাত, কাৰখানাৰ পৰা ওলোৱা মাত, কাৰোবাৰ ওঁঠৰ পৰা ওলাই অহা গীতৰ ধ্বনি আদি ভিন্ন শব্দৰ সংমিশ্ৰণে ছানি ধৰিছে সকলো। এই সীমাহীন ব্যস্ততাও যেন তাইৰ বাবে সীমিত।

তাইৰ মেঘালী চুলিকোঁচাও যঁত বান্ধিছে। ফুটপাথৰ কাষত এটা প'ষ্টত তাইৰ যৌৱনা দেহাটো আঁওজাই থৈ তাই একেথৰে চাই আছে কিবা এক কৰুণ দৃষ্টিৰে। তাইৰ চকুকেইটাত যেন প্ৰাণ নাই, স্পন্দন নাই।

মাজে মাজে তাইৰ দুটি ওঁঠৰ ফাকেৰে বিৰিঙি পৰিছে এক নিৰৰ্থক হাঁহি আৰু বলকি পৰিছে কিছুমান অনৰ্গল শব্দ। দেহাত তাইৰ যৌৱনৰ মাধুৰ্যতা বিৰাজমান কিন্তু মুখখন শেঁতা পৰা। এনে লাগে যেন তাইৰ বুকুৰ মাজৰ কলিজাটো কোনোবাই মোহাৰি পেলাইছে। মাজে মাজে তাইৰ দুচকুৰেদি বৈ অহা বিষাদেৰে ভৰা অশ্ৰুবোৰে তাইৰ শুকান খহতা গাল দুখন তিয়াই পেলায়। দেহৰ আৱৰণ হিচাপে থকা তাইৰ গাৰ কাপোৰযোৰ মলিন আৰু দুৰ্গন্ধময় হৈ পৰিছে।

তৃষা, হয় তাইৰ নাম তৃষা। যেনেকৈ পৰ্বতৰ হিম গলি গলি বৈ যায় নদী হৈ অসীমলৈ, তৃষাও যেন গলিব ধৰিছে। তাইৰ দুচকুৰেদি বৈ আহিব ধৰিছে এক বুজাব নোৱাৰা অবুজ বেদনাৰ এটুপি তপত অশ্ৰু। তাই নিজকেই প্ৰশ্ন কৰিছে "হুমুনিয়াহেই তাইৰ জীৱনৰ লগৰীনে?" তাই এজনী সৰল মনৰ কোমল বয়সীয়া ছোৱালী। তাইওতো বিচাৰে মুক্ত জীৱন, আপোনজনৰ সান্নিধ্য। কিন্তু, কিন্তু তাইৰ সন্মুখতে আছে যে শত বাধাৰ প্ৰাচীৰ।

উস ৰাম! ঘৰখনত ইমানবোৰ কাম পৰি আছে, তাই বেটীয়ে নাক ঘৰ্‌ঘৰাই শোৱাত লাগিছে। ঐ মৰতি উঠ। ৰাতিপুৱা শুই উঠি ঘৰ-চোতাল সৰা, চাহ-জলপান কৰাৰ পৰা আদি কৰি কাপোৰ ধোৱা, বাচন ধোৱা আদি ঘৰখনৰ সকলো কাম তাই সদায়েই কৰে।

আজিও ঘৰখনৰ সমস্ত কাম কৰি আজৰি হৈ অলপ সময় বিছনাত গাটো দীঘল দিওঁ বুলি গৈ কেতিয়ানো টোপনি ধৰিলে গমকে নাপালে। মাহীয়েকৰ চিএঞৰতহে চিল-মিল টোপনিৰ পৰা সাৰ পাই মুখখন ডাঙৰ কৈ মেলি হামি এটা মাৰি হাতেৰে চকুকেইটা মোহাৰি বিচনাৰ পৰা উঠি আহিল।

ইস্, তাইতো পাহৰিয়েই আছিল আজি সৰুধন চাকৰিত

যোগ দিবলৈ আবেলি গুৱাহাটিলৈ যাব। অতখন কাম পৰি আছে।

সৰুধন তাইৰ সহোদৰ নহয়, মাহীয়েকৰ ল'ৰা। তাথাপিও সিহঁত দুয়োৰে মাজত ইমান মিল। কিন্তু এয়া মাহীয়েকৰ একেবাৰে সহ্য নহয়।

ভালদৰে পঢ়া-শুনা কৰি সি যাবলৈ ওলাইছে স্বাৱলম্বী হোৱাৰ পথলৈ। তাইৰহে ফুটা কপাল, তাইটো আজিলৈকে স্কুলৰ চাৰিচুকেই নেদেখিলে। "হুঁ", পুনৰ এক হুমুনিয়াহ। কথাবোৰ ভাৱি ভাৱি তাই দুপৰীয়া ভাতখোৱা বাচনবোৰ ধুই আওতাই আনোতে মজিয়াত পৰি গিলাচ এটা ভাগিল। মাহীয়েকে তাতে জঁক-জঁকাই উঠিল।

ঐ কুলক্ষণী, মাৰক খালি, এইজনীয়ে মোৰ ঘৰখনো ধ্বংস কৰিব এতিয়া।

তাৰ পাছৰ খিনি শুনিবলৈ তাইৰ আৰু ধৰ্য্য ন'হ'ল। তাইৰ দুচকুয়েদি বৈ আহিল এটুপি তপত অশ্রু।

আহঃ তাইৰ বুকুত যেন কিহবাই খুন্দিয়াই গ'ল। তাই বিৰাট অস্বস্তি অনুভৱ কৰিলে।

অ' সৰুধন যাবলৈ ওলাইছে, তাই লৰা লৰিকৈ সৰুধনক বিদায় দিবলৈ বুলি উধাতু খাই আহিও হঠাৎ বৈ গ'ল। হঠাৎ যেন তাইৰ বুকুৰ মাজৰ কলিজাটোত কিহবাই প্রচণ্ড আঘাত হানিলে।

আই মই আহোঁ, বাই মই....... কথাযাৰ সম্পূৰ্ণ কৰাৰ আগতেই মাকে হাতেৰে কোৱাত বাধা দি চকুকেইটা ডাঙৰ কৰি এক কুটিল ভংগিৰে ক'লে, থ হেৰ' যাবৰ সময়ত সেই কুলক্ষণীজনীৰ মুখ দেখি গ'লে যাত্ৰাহে বেয়া হ'ব। সেয়ে তাই হঠাতে বৈ গ'ল। তথাপি তাই সৰুধনক হিয়া উজাৰি আশীৰ্বাদ দিলে। "যা ধন তোৰ যাত্ৰা শুভ হওঁক"।

টেবুলত হাতৰ কিলাকুটি টোৱে ভেঁজা দি থুতৰিটো হাতৰ তলুৱাখনত থৈ তাইৰ জন্মদাতৃ মাকৰ ফটোখনলৈ চাই আৰু চাই আছে বহু পৰলৈ। কেওফালৰ পৰা তাইক জুমুৰি দি ধৰি তাইৰ কলিজাটো খুঁচি-বিন্ধি ধৰিছে কিছুমান ভাৱনাই। তাইৰ চিঞৰি-চিঞৰি ক'বলৈ মন গৈছিল 'তই কিয় মোক নিঠৰুৱা কৰিলি আই। তোৰ বাবেইটো আজি মই এই যন্ত্রণাত ভূগিছো। মোক তোৰ লগত কিয় নিনিলি'? নাই তাই কিন্তু একো নক'লে মাথোঁ নিৰলে-নিবিৰে বহি ফটোখনলৈ চাই থাকিল।

নিয়তিৰো যে কি বিচাৰ, তৃষাৰ জন্মৰ দুসপ্তাহৰ পাছত মাক সিপুৰীলৈ গ'ল। বাপেকেও পুনৰ বিবাহ কৰিলে আৰু লগে লগে তৃষাৰ জীৱনলৈ নামি আহিল গভীৰ আন্ধাৰ। আৰম্ভ হ'ল তাইৰ জীৱনৰ এক নতুন অধ্যায়। য'ত আছিল মাথোঁ চকুলো আৰু হুমুনিয়াঁহ। লহপহকৈ ফুলি আহিব ধৰা তাইৰ জীৱনৰ ফুল পাহ কলিতে মৰহিল। কৰোঁ বুলিও বাপেকে একো কৰিবও নোৱাৰে। অসুখীয়া হৈ আঙুলীৰ মূৰত মৃত্যুৰ ক্ষণ গণি আছে।

মাহীয়েকে তাইক কোনো দিনেই নিজৰ ছোৱালীৰ দৰে গণ্য নকৰিলে। কেৱল চাকৰণীৰ দৰেহে ব্যৱহাৰ কৰিলে। মাহীয়েকৰ বাবে তাই মাত্র এক বোজা। মূৰৰ বোজা আঁতৰাবলৈ তাইক মাহীয়েকে ভাটি ফালৰ এঘৰলৈ উলিয়াই দিলে কিন্তু বিয়াৰ পাছতো তাইৰ কম অশান্তিনে? গিৰীয়েকে নিতৌ সেই গেলা সোপা খাই ঘৰত হাই-কাজিয়া কৰে। শাহুৱেকেও বোলে তাই লিখা-পঢ়া নজনা বুলি ঠাট্টা কৰে। যৌতুক নোপোৱাটোৱেই মূল অসন্তোষৰ কাৰণ। সেই সোপা গিলিয়েই এদিন গিৰীয়েক ঢুকাল। পুনৰ তাই সদায় শুনিবলৈ সাহ নকৰা কথাষাৰকে পুনৰাবৃত্তি ঘটিবলৈ ধৰিলে। "জগিয়েই মাৰক খালি, এতিয়া মোৰ পোণাকণটোকো মোৰ পৰা কাঢ়িলি, ঐ তই মোৰ ঘৰৰ পৰা ওলাই যাবি"। তাইৰ নিস্তব্ধ চকুলোৰে মালা গথা তাইৰ দুগালত কেৱল বিষাদৰ ৰং প্রস্ফুটিত হ'ল।

"মাহী, অ'মাহী, দূৱাৰ খন খুলি দে অ', অ'মাহী,সিহঁতে মোক মাৰি পেলাব, দূৱাৰখন খুলি দে"। ৰাতি প্রায় দহমান বাজিছিল। ইমান ৰাতি তৃষা অকলে দুৱাৰমুখত বৈ মাহীয়েকক দুৱাৰখন খুলি দিবলৈ কাতৰ অনুৰোধ কৰিছে। কিন্তু কেনে শিলাময় হৃদয়। মাহীয়েকে দুৱাৰখন খুলি অকণমান সহানুভূতি দেখুওৱাৰ পৰিৱৰ্তে ঘৰৰ পৰা উলিয়াই দিয়া ছোৱালী এনেকৈ সোমাবলৈ নিদিওঁ বুলিহে ভেকাহি মাৰি উঠিল। তৃষাই পুনৰ কাতৰভাৱে শেষবাৰ অনুৰোধ কৰিলে।

অ' এই জনীয়েচোন ভালকৈ ক'লে বুজিকে নাপায়। যেনে-তেনে বোজাটো আঁতৰাই শান্তিত আছিলো, এতিয়া এইজনী চাপিবলৈ আহিছে, ৰহ, দি আছো এতিয়া। আহঃ, মাহীয়েকৰ হাতৰ টাঙোনৰ মাৰত তাই ঢলি পৰিল ধৰণীৰ মজিয়াত।

মাহীয়েকে চোঁচৰাই-বগৰাই আলিৰ কাষত তাইৰ অচেতন দেহাটো পেলাই দিলে। ৰাতি নৌ পুৱাওঁতেই তাইৰ চেতন আহিল যদিও তাইৰ জীৱনৰ গতি সলনি হ'ল সেই মুহূৰ্তৰ পৰা। তেতিয়াৰ পৰাই তাইৰ জীৱন আন এক নামেৰে নামাকৃত হ'ল "পাগলী"। তাই এখুজি-দুখুজিকৈ আগবাঢ়িল দিগন্তলৈ শান্তিৰ অন্বেষণত।

◆◆◆◆◆◆◆





গল্প

# ধৈৰ্য এক শিহৰণ

কংকনা সোনোৱাল
পঞ্চম যাণ্মাসিক, কলা শাখা



খিৰিকী খুলি কিন্‌কিনীয়া বৰষুণৰ টোপালবোৰ চাই কুঁহিয়ে যেন কিবা ভাবি আছে। তাইৰ জীৱনৰ আশা-আকাংক্ষাবোৰ সকলো শেষ হৈ গ'ল। মাথোঁ ৰৈ আছে এখিলা শুকান পাঁত। পাছফালৰ পৰা মা বুলি মতাত তাইৰ মগজুৱে সাৰ পালে। জীয়া কুঁহিৰ তিনিবছৰীয়া এজনী ছোৱালী। তাইক লৈ কুঁহিৰ বহুত চিন্তা হয় কাৰণ তাই লাহে লাহে ডাঙৰ হৈ আহিছে। জীয়াৰ প্রতি দায়িত্ব বাঢ়ি গৈছে।

(তেনেতে আহি জীয়াই পাছফালৰ পৰা মাত লগালে)

জীয়া ঃ মা আপুনি কি ভাবি আছে?

কুঁহি ঃ নাই অ' একো ভবা নাই জীয়া, তুমি Home work কৰি শেষ কৰিলানে?

জীয়া ঃ অ' মা কৰিলো, মই আয়া মাৰ লগত অলপ ফুৰিবলৈ যাওঁ নে?

কুঁহি ঃ যোৱা বাৰু কিন্তু আয়া মাক বেছি আমনি নকৰিবা দেই।

জীয়া ঃ হ'ব মা আমনি নকৰো, এতিয়া গৈছো হাঁ।

কুঁহি ঃ জীয়া আৰু আয়া মা যোৱাৰ পাছত মই চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলো। নিজকে নিজে চম্ভালিব পৰা নাই। মই কান্দি কান্দি মাথো এটাই প্রশ্ন কৰিছো মোৰ কি ভুল হ'ল? কি ভুলৰ বাবে মই এই শাস্তি পাইছো সেয়া মই নাজানো। আজি মই অকলশৰীয়া। মোৰ লগত আজি কোনো নাই। মোক মা, দেউতা আৰু মোৰ স্বামীয়ে এৰি থৈ গ'ল। মোক কোনেও বুজি নাপালে। ত্রিণ, তুমিও আনকি মোক বুজিবলৈ চেষ্টা নকৰিলা। মই তোমাৰ কাৰণে সকলো শেষ কৰিলো। মই মোৰ মা-দেউতা সকলোকে এৰি থৈ তোমালৈ গুচি আহিলো। তোমাক মই বহুত ভাল পাওঁ আৰু সদায় পাই থাকিম। সেই বিশ্বাসত মই ইমান বছৰ ভাল পাই আছিলো আৰু অৱশেষত সকলো এৰি থৈ তোমাৰ লগত গুচি আহিলো। মই বহুত ভুল কৰিলো ত্রিনয়ণ, ভালপোৱাই মাত্র গোটেই জীৱনটো সুখ দিব

নোৱাৰে আৰু সংসাৰ এখনো আগুৱাই নিব নোৱাৰি। সেই ভালপোৱাত বিশ্বাস থাকিব লাগিব। ত্ৰিনয়ন তোমাৰ ঘৰলৈ মই গোটেই জীৱন কটাবলৈ সকলোৰে লগত মিলি থাকিবলৈ আৰু মা-দেউতাক শ্ৰদ্ধা কৰিবলৈ আৰু তোমাৰ লগত এখন সুখৰ সংসাৰ গঢ়িবলৈ ৰাজি আছিলো।

কিন্তু তোমাৰ সন্দেহ, ঘৰখনৰ পৰা সৰু-সুৰা তিতা মাত-কথা দিনক দিনে বেছি হৈ গ'ল । মই তথাপিও মূৰ তল কৰি সহ্য কৰি আছিলো, কিন্তু এইটো নহয় যে পুৰুষ আহিলেই তুমি মোক সন্দেহ কৰিবা। ত্ৰিনয়ন তুমি মোৰ ভালপোৱাক বিশ্বাস নকৰিলা আৰু অকণো বুজি নাপালা। সৰু সৰু ভুলৰ বাবে তুমি মোক বহুত কথা শুনাই দিয়া যাৰ কাৰণে মই বহুত দুখ পাওঁ । চিঞৰি কান্দিব নোৱাৰি বুকুৰ ভিতৰতে হুক-হুকাই কান্দো। কাকো খুলি কথা ক'ব নোৱাৰি অ'। তুমি মোক একেবাৰে মাৰি পেলোৱা মোৰ তেতিয়া বেছি দুখ নালাগে কিন্তু সদায় জ্বলাই জ্বলাই মাৰি থাকিলে মই বহু বেছি দুখ পাওঁ অ'।

দিনক দিনে অত্যাচাৰ বাঢ়ি গ'ল। মাৰ-ধৰ কৰিলা। লাহে লাহে মই মাক হ'বলৈ ওলালো তেতিয়াও মোক অত্যাচাৰ কৰিবলৈ নেৰিলা। মই কি কৰো মোৰ ধৈৰ্যৰ সীমা পাৰ হৈ আহিছে কাৰণ ধৈৰ্যৰ এটা সীমা থাকে। পাছদিনা ৰাতিপুৱাই মোক কৈছিলা, "তোৰ যদি থাকিবলৈ মন নাই তই এই ঘৰ এৰি যাব পাৰ"। তোমাৰ এই কথা শুনি বৰ দুখ পালো।

ত্ৰিনয়নে মোৰ কথাটো এবাৰো নাভাবিলেই তাৰ উপৰিও আহিবলগীয়া সন্তানৰ কথাও এবাৰো নাভাবিলে। সেইদিনা মই গোটেই দিন-ৰাতি কান্দি আছিলো। বহুবাৰ ভাবিলো এই কথাবোৰ। সেয়ে অৱশেষত মই ঘৰ এৰি গুচি আহিলো। মই মোৰ ঘৰলৈ গ'লো। মোক দেউতাই মাথোঁ ক'লে "বিয়া দিয়া ছোৱালী ঘৰলৈ ঘূৰি আহিলে বেয়া দেখে আৰু মানুহে বু-বু বা-বা কৰে। মাই দেউতাক বহুত বুজাইছিল কিন্তু দেউতাই নামানিলে। মই একেবাৰে অকলশৰীয়া হৈ পৰিলো। জীৱন কটাবৰ বাবে লোকৰ ঘৰত কাম কৰিলো। উৰে দিন-ৰাতি কষ্ট কৰিছিলো।

সেই সময়ত মই আয়া মা এজনী লগ পালো আৰু আয়া মাৰ লগতে ভগা জুপুৰি এটাত দিন কটালো। মই ভাবিছিলো মোক কোনোবাই হ'লেও বিচাৰি আহিব। কিন্তু কোনো নাহিল। এইবোৰ দুখে মোক আৰু আগুৱাই যাবলৈ সাহস দিলে। মোৰ লগত কোনো মোৰ নিজৰ মানুহ নাছিল কিন্তু মোক আয়া মাই বহুত সহায় কৰিছিল। নিজৰ ছোৱালীৰ দৰে মোক মৰম কৰিছিল।

এই সকলোবোৰ কথা মনৰ পৰা আঁতৰাই জীৱনটোত আগুৱাবলৈ শিকিলো। নিজৰ ভৰিত থিয় হ'বলৈ সাহস গোটালো। স্কুল এখনত মই শিক্ষয়ত্ৰী হিচাপে শিক্ষকতা কৰিলো, সেইকেইটা পইচাৰে মই মোৰ ছোৱালীৰ পঢ়াৰ খৰচ আৰু ঘৰখন চলাই আছো। কেতিয়াবা বহুত মনত পৰে। হতাশ হৈ পৰো নিজকে বুজাব নোৱাৰো তথাপি নিজে সান্ত্বনা লভো। আয়া মা আৰু জীয়াক লৈ মই এতিয়া বহুত সুখী। ত্ৰিনয়ন তুমি য'তেই থাকা ভালকৈ থাকিবা সুখী হওক তোমাৰ জীৱন। হয়তো বিয়া হৈ ঘূৰি অহা ছোৱালী বহুত মানুহে বেয়া চকুৰে চায়, তথাপি আগবাঢ়ি যাব লাগিব। এইবোৰ কথা ভাবি থাকোতে সময় কেতিয়া পাৰ হৈ গ'ল ক'বই নোৱাৰিলো।

জীয়া ঃ মা, মা আমি আহিলো তোমালৈ মই কপৌফুল এপাহ আনিছো।

কুঁহি ঃ হয় নেকি মোৰ খোপাত লগাই দিয়া তেনেহ'লে।

এনেকৈয়ে হতাশাৰ মাজত হাঁহি হাঁহি পাৰ কৰিছো মোৰ বিধ্বস্ত জীৱন।

মই মোৰ বৰ্তমানক লৈয়ে বহুত সুখী। এইয়াই মোৰ জীৱন, বিষাদৰে ভৰা। এই নিৰৱতাৰ মাজতো মই সুখী হৈ আছো।

◆◆◆◆◆◆◆





গল্প

# উন্মাদ স্বপ্ন

বিমন্ত দহোতীয়া
প্ৰথম যাণ্মাসিক, বিজ্ঞান শাখা

"ঐ পমি! আজি অলপ দেৰিকৈ যাম দেই। বৰষুণজাক ভালকৈয়ে দিছে। সৌ খুঁটিটোৰ সিপাৰত থকাখিনি ৰুই হ'লনে?"

"ঐ" এটা বিকট চিঞৰত হঠাৎ চক খায় ৰুদ্ৰই । পিছফালে ঘূৰি চালে। এজন আৰক্ষী জোৱানে তাকেই কিবা কৈছে। "ইয়াত বহি কি ভাবি আছ, যা! ইয়াৰ পৰা আঁতৰ হ।"

এসময়ত শাওনৰ পথাৰত পমিৰ সৈতে বোকামাটিৰ গোন্ধ লৈ বৰষুণত তিতি ভাল পোৱা ৰুদ্ৰ আজি নিঃসংগ। আজিৰ বৰষুণজাকেও ৰুদ্ৰক তাৰেই স্মৃতি আনি দিছে। সেয়ে হয়তো আৰক্ষী চকীৰ সন্মুখৰ বাটচ'ৰাত বহি ভাবত বুৰ গৈছিল। কিবা কাৰণত হাঁহি হাঁহি তিতি-বুৰি তাৰ পৰা আঁতৰি গ'ল।

দিনৰ পিছত দিন বাগৰি বয়সস্থ হৈ পৰা ৰুদ্ৰই ভিক্ষাৰীৰ দৰে উন্মাদ জীৱন কটাইছে। কেতিয়াও ভাবিব নোৱাৰা এটা উপেক্ষিত অৱহেলিত জীৱন। অপ্ৰয়োজনীয় শব্দ আৰু উচ্চ কণ্ঠস্বৰে ৰুদ্ৰক কেতিয়াবা অচেতন কৰি তোলে। অৰ্ধনগ্ন মলিয়ন দেহৰ অসহ্য উত্তপ্ত বাষ্প ভদ্ৰ সমাজৰ নাকত কল্পহীন।

" ধৈৰ্য ধৰ, ধৈৰ্য ধৰ ৰুদ্ৰ নাকান্দিবিচোন। যি হ'বলগা থাকে হ'বই। তাই সিমান দিনৰ কাৰণে আহিছিল। অ' পেহী ৰুদ্ৰক বুজাওকচোন।"

বসন্ত ৰোগত আক্ৰান্ত হৈ থকা পমি আজি গ'লগৈ। ৰুদ্ৰৰ পৰা চিৰদিনৰ বাবে আঁতৰি গ'ল। এক বুজাব নোৱাৰা শোকে ৰুদ্ৰক জুৰুলা কৰি পেলালে। সন্তানহীন জীৱনৰ মাথোঁ দুজনীয়া সংসাৰত আজি খহি পৰিল আকাশ। আজি হঠাৎ ৰুদ্ৰ



হৈ পৰিল অকলশৰীয়া। সৌ তাহানিতেই বৃটিছ কাৰাগাৰত আত্মহত্যা কৰি একমাত্ৰ পুত্ৰ সন্তান ৰুদ্ৰক এৰি থৈ গৈছিল পিতৃ-মাতৃয়ে। তেতিয়া অকলশৰীয়া জীৱনলৈ পমি আহিছিল এটি উজ্জ্বল তৰা হৈ। কিন্তু আজি আকৌ অকলশৰীয়া ৰুদ্ৰ। পমিৰ মৃত্যুৰ দিন ধৰি ৰুদ্ৰ উন্মাদ আৰু অনিয়মানুবৰ্তিত। ভালকৈ এসাজ খোৱা নাই সলোৱা নাই

কেইবা বছৰ বাগৰা পোছাকযোৰ। যিযোৰ পোছাক তাক পমিৰ দেউতাকে দিছিল মৰমৰ জোঁৱাইক যি দিনা তেওঁৰ মৃত্যু হৈছিল। পমিৰ স'তে সোণৰ সপোন দেখা সেই পঁজাঘৰটো আজি উঁই হাফলু হ'ল। মাটিডোখৰো ছাগে কোনোবা দালালে কাঢ়ি ল'লে। ৰুদ্ৰ আজি অঘৰী। বাটে বাটে ঘূৰি ফুৰে বলিয়াটো হৈ। কেতিয়াবা পমিৰ নাম কাঢ়ি বাৰুকৈয়ে হাঁহে। বিচাৰি ফুৰে পমিক নিজৰ মাজত। হেৰুওৱা ডুখৰীয়া স্মৃতিবোৰ বিচাৰি ফুৰে আকৌ এবাৰ পোৱাৰ তৃষ্ণাৰে। শৰতৰ ৰাতিবোৰ ৰুদ্ৰৰ বৰ প্ৰিয়। সেয়ে হয়তু শৰতৰ জোন-জোনাকেৰে ভৰা স্নিগ্ধা ৰাতিবোৰত শেৱালিৰ গোন্ধ লৈ আওপুৰণি কিছুমান গীত গাই ফুৰে। সেইবোৰেই যেন ৰুদ্ৰৰ প্ৰাণটিক জীয়াই ৰাখিছে। নষ্টালজিয়াৰ মিঠা মিঠা অনুভৱবোৰ যেন ৰুদ্ৰৰ বাবে ভোকৰ ভাত আৰু অকলশৰীয়া স্বাধীন জীৱনৰ তুচ্ছ হেঁপাহবোৰ যেন পিয়াঁহৰ পানী। সাঁতুৰি-নাদুৰি জুৰুলা হৈ আহিছে দিনে দিনে এই ৰম্যভূমিত। জীৱনৰ মায়াবোৰ পাহৰি কেৱল মাত্ৰ হাঁহে। কেতিয়াবা বাৰুকৈয়ে হাঁহে। সমাজৰ ভদ্ৰলোকৰ চকুত ৰুদ্ৰ এজন বলিয়া, সমাজৰ কলংক। কিন্তু হয় জানো। ভদ্ৰ সমাজত নগ্ন পোহৰ মেলা ভদ্ৰলোকৰ তুলনাত ৰুদ্ৰ তেনেই নিঃস্বাৰ্থ, নিৰ্মম আৰু চিন্তণীয়। সমাজৰ কোনো লোকেই এসাজ খাবলৈ নিমন্ত্ৰণ নকৰা ৰুদ্ৰই বাৰু ক'ত, কি খায় (হয়তু পেলনীয়াবোৰ)। কোনো লোকেই মুক্ত নাকেৰে ৰুদ্ৰৰ ওচৰেদি পাৰ হ'ব নিবিচাৰে। কোনো লোকেই সুধিব নিবিচাৰে ৰুদ্ৰ বাৰু সঁচাকৈ উন্মাদ হয়নে? নিতৌ সত্যতাৰ চাকি জ্বলোৱা আইহঁতৰ বাৰু ৰুদ্ৰলৈ বেজাৰ নেলাগেনে? বাঃ সেইসকলৰ মুখত, যিসকলে নামগুণ গাই ভগৱানক আৰাধনা কৰে। তেওঁলোকৰ বাৰু ৰুদ্ৰৰ বাবে এযাৰো ঘোযা মনত নপৰেনে? কি যে অসত্য। সত্যক আৰাধনা কৰোতে কৰোতে আজিৰ সমাজ অসত্য। কিন্তু.....

আজি দেখোন চহৰৰ গোটেই মানুহবোৰেই গোট খাইছে। সেই বহু বছৰ পুৰণি ইউকেলিপ্টাছ জোপাৰ তলত। কিয়?

মানুহৰ জুমৰ পৰা ইকাযে সিকাযে শুনা গ'ল কান্দোনৰ ৰোল আৰু অভূতপূৰ্ব ঘোযাৰ শুনানি। মানুহৰ জুমৰ মাজত পৰি আছে এটা মৃতদেহ, নাম ৰুদ্ৰ।

হয়, জীৱনৰ বহুৰঙী হেঁপাহ, আশা আৰু হেৰুওৱা বেদনা পাহৰি ৰুদ্ৰ আজি পমিৰ দেশলৈ গুচি গ'ল। চিনাকি গছবোৰ, গলিবোৰ, চৰাইবোৰ আজি নিমাওমাও। সন্ধিয়া বেলিটিৰ হেঙুলী ৰ'দৰ সতে ৰুদ্ৰৰ প্ৰাণ গুচি গ'ল বহু দূৰ অচিনা দেশলৈ। য'ত ৰুদ্ৰই লগ পাব পমিক; মৰমৰ পখিলীজনীক। আজিৰ পৰা শাৰদীয় স্নিগ্ধ ৰাতিবোৰত নাবাজে সুহুৰি, নাবাজে আওপুৰণি গান আৰু শেৱালিৰ নিয়ৰবোৰ শুকাই শেষ হ'ব।

সকলোৱে উৰুলিৰে ৰুদ্ৰক সৎকাৰ কৰিলে আৰু মানৱতা যাতে সমাজত আজীৱন জীয়াই থাকে তাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিলে।

"মানৱতাৰ জয় হওক"।

◆◆◆◆◆◆◆◆





গল্প

# বিপ্লৱ

জয়কান্ত চিৰিং
পঞ্চম ষাণ্মাসিক, বিজ্ঞান শাখা



মোৰ আইৰ-পিতাইৰ চতুৰ্থটি সন্তান মই। আইৰ আকলুৱা মৰমত খেৰৰ জুপুৰিৰ ঘৰৰ তলত পুলিৰ দৰে লহ-পহকৈ বাঢ়ি আহিছিলো। পিতাই এজন চহা খেতিয়ক আছিল। তেখেতে পৰিশ্ৰমৰ বাহিৰে আন একোৱেই জনা নাছিল। নিৰ্জু আইৰ স্নিগ্ধ স্তনপান কৰি মই ডাঙৰ হ'বলৈ ধৰিলো। আমাৰ পৰিয়ালটো আছিল যৌথ পৰিয়াল। পিতাইৰ ভায়েক দুজন আৰু ভনীয়েক চাৰিজনী আৰু আইৰ ফালৰ ভনীয়েক তিনিজনীও আমাৰ ঘৰতে আছিল। ঘৰৰ দদাই, খুৰী, মাহী, ককাইদেও আহি মোক কোলাত তুলি লয়, চুমা খায়। কান্ধত তুলি লৈ ৰাস্তাত ফুৰাবলৈ নিয়ে, গা ধুৱাই দিয়ে। আই, ঘৰখনৰ ডাঙৰ বোৱাৰী হিচাপে সকলো কাম নিজেই গা পাতি ল'বলগীয়া হৈছিল। আই ঘৰখনৰ আনুসংগিক কামতে বেছিভাগ ব্যস্ত থাকে। মোৰ বাহিৰেও আন বাকীকেইটা সন্তানৰো আপডাল কৰে। আমাৰ বাৰীখন অঞ্চলটোৰ ভিতৰতে বিস্তৃত আছিল। বাৰীত বিভিন্ন ধৰণৰ শাক-পাচলি, তামোল-পাণ আদিৰ খেতি কৰে। যেতিয়া মোৰ বয়স ৫-৬ বছৰ হৈছিল আমাৰ বাৰীৰ সীমাতে লাগি থকা বিদ্যালয়খনতে নাম ভৰ্তি কৰাই দিছিল। বিদ্যালয়লৈ যোৱা প্ৰথম দিনটোৰ কথা আজিও স্পষ্টভাৱে মনত আছে। হাতত এখন অ, আ, ক, খ পুথি, এখন ফলি লগতে এটা তামোল-পাণৰ টোপোলা আৰু টেঙা মৰ্টনৰ পেকেট এটা। মই লৈ যোৱা টেঙা মৰ্টনৰ পেকেটটোৰ পৰা মৰ্টন ল'ৰা-ছোৱালীবোৰক বিলাই দিবলৈ হেডমাষ্টৰজনে আদেশ দিলে। তামোল-পাণৰ টোপোলাটো তেখেতক জমা দি প্ৰত্যেক ল'ৰা-ছোৱালীকে দুটা-তিনিটাকৈ মৰ্টন ভগাই দি চিনাকি পৰিচয় হ'লো। সেইদিনটোৰ পৰা মোৰ শিক্ষাৰ জখলাডালত খোজ পেলাবলৈ আৰম্ভ কৰিলো। সেই সময়ত বিদ্যালয়খনৰ

প্ৰধান শিক্ষক আছিল ধনবৰ গগৈ ছাৰ আৰু এজন সহ-শিক্ষক আছিল মোৰ মোমাই সম্বন্ধীয় বুন্দেশ্বৰ ফুকন ছাৰ।

ফলিত ১, ২, ৩ আৰু ক, খ, অ, আ লিখিবলৈ দিয়ে শিক্ষকজনে। কেতিয়াবা আমাতকৈ ওপৰৰ শ্ৰেণীৰ ছাত্ৰবিলাকে আমাক শিকায়। বিদ্যালয়ৰ চৌহদত এজোপা ডাঙৰ তৰুণ গছ আছিল। তাৰ তলতেই ঘূৰণীয়া হৈ নেওতা মাতিবলৈ দিয়ে। কেতিয়াবা গছজোপাৰ তলত কবিতা আবৃত্তি কৰিবলৈ দিয়ে। শনিবাৰ দিনটোত বিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ কৰিবলৈ দিয়ে। গৰমবন্ধত ছমহীয়া পৰীক্ষাত অহা প্ৰশ্নকাকতসমূহ পুনৰ কৰিবলৈ দিয়ে নতুবা কৰ্ম অভিজ্ঞতা স্বৰূপে বাঁহৰ বিচনী বা খৰাহী নিজ হাতেৰে বনাই আনিবলৈ দিয়ে।

হেডছাৰৰ ক্লাচটোলৈ খুব ভয় লাগিছিল। অংক শিকাইছিল নাজানিলে বাঁহৰ চিটিকনিৰে কলাফুলত হাৰুপ-হাৰুপকৈ কোবাই চুলিৰ টিকনিত ধৰি ওপৰলৈ উঠাই দিয়ে আৰু মোৰ মোমাই সম্বন্ধীয় ছাৰজনে নাজানিলে পিঠিত ভুকু নহ'লে কাণত মুটা আঙুলিৰে চেপা দিয়ে কেতিয়াবা আকৌ বেঞ্চৰ ওপৰত আঠুকাঢ়ি কাণত ধৰি ক্লাচটো শেষ নোহোৱা পৰ্যন্ত থাকিবলৈ দিয়ে।

ঘৰৰ কাষৰ বিদ্যালয়খনত প্ৰাথমিক শিক্ষা সাং কৰাৰ পাছত পাঁচ মাইল দূৰৈৰ মজলীয়া বিদ্যালয়ত পিতাইয়ে নাম লগাই দিয়ে। ওপৰৰ শ্ৰেণী পাই ভাল লাগিল। তাত আকৌ নতুন ঠাই নতুন শিক্ষক, নতুন নতুন বন্ধু নতুন অভিজ্ঞতা। গাঁৱৰ আন ছাত্ৰৰ সৈতে একেলগে যাওঁ। বগা পেন্ট, সেউজীয়া ৰঙৰ চোলা, ভৰিত হাৱাই চেণ্ডেল। কাৰোবাৰ ছাতি আছে কাৰোবাৰ নাই। বৰষুণ দিলে এটা ছাতিৰ তলতে একেলগে তিনিটামান সোমাই যাওঁ। কেতিয়াবা মূৰটো ৰক্ষা পৰে কেতিয়াবা নপৰে। গোটেই শৰীৰটো তিতি যায়, কিতাপো তিতে। কিতাপ নিবলৈ আজিৰ নিচিনা মোনা নাছিল। সকলোৱে হাতত কিতাপ লয়। বৰষুণ দিলে পলিথিন বেগৰ ভিতৰত ভৰাওঁ। বাৰিষা আহিলে গাঁৱত থকা বাঁহৰ দলংখন প্ৰতিবছৰে উটুৱাই লৈ যায়। তেতিয়া আমাৰ স্কুললৈ যোৱাই বন্ধ হৈ পৰে। পানী কমিলে এখন হাতত কিতাপ আৰু স্কুলৰ সাজযোৰ লৈ এখন হাতেৰে সাঁতুৰি পাৰ হওঁ।

আমাৰ গাঁওখনৰ কাষেদি ঘোৰমূৰা নদীখন সৰ্পিল গতিৰে বৈ গৈ ব্ৰহ্মপুত্ৰত পৰিছেগৈ। নদীখনৰ ইটো পাৰত চাউল খোৱা ন-গাওঁ আৰু আমাৰ গাঁৱৰ পূৰ্ব দিশত নেপালী বস্তি। অঞ্চলটোৰ গোটেইখিনি মানুহৰ স্বাভাৱিকতে জীৱিকা আছিল কৃষি। কঠোৰ পৰিশ্ৰম কৰিছিল তেওঁলোকে। দিনে-ৰাতিয়ে পৰিশ্ৰম কৰাৰ বাহিৰে তেওঁলোকৰ জীৱনত আন চিন্তাই ঠাই পোৱা নাছিল। ইপিনে নদীৰ দাঁতি কাষৰীয়া গাঁৱৰ মানুহৰ বিভিন্ন জাতিৰ মানুহৰ স'তে সমন্বয়। তেওঁলোকৰ স'তে উভয়ৰ উৎসৱ সমূহত নিমন্ত্ৰণ আছিল স্বাভাৱিক ঘটনা।

গাঁৱৰ কাৰোবাৰ বিপদ হ'লে সকলোৱে মিলি সহায়-সহযোগ কৰা, কাৰোবাৰ যদি খেতি চপাই শেষ হোৱা নাই সকলোৱে মিলি খেতি চপাই আনি দিয়া, এটা কথাত ক'বলৈ গ'লে এজনে আনজনৰ প্ৰতি আন্তৰিকতা বোলা শব্দটো বিৰাজমান আছিল। ইংৰাজ সাহিত্যিক Gold Smithৰ ভাষাত— "The baschful nirigin's side-long looks of love. The Matrons glance that would those looks reprove.These were they charms sweet village spats like these with sweet succession.Tangh Even tail to please".

জাতি বা ভাষাগত কোনো সংঘাত নাছিল। আমাৰ মাজত এটাই পৰিচয় আছিল 'আমি মানুহ'। কোন কি জাতিৰ সেইবোৰৰ উপলব্ধি কৰিবলৈ আমাক দিয়া নাছিল। আমি বিদ্যালয়ত অসমীয়া ভাষাত শিক্ষা গ্ৰহণ কৰিছিলো। জীৱনে-মৰণে চিৰদিন অসমীয়া বাক্যশাৰী হৃদয়ৰ পৰাই স্মৰণ কৰিছিলো। কোনোবা এখন কিতাপত পঢ়িছিলো "অসমীয়া মানুহ হ'ব লাগিলে সকলোতে অসমীয়া মন থকিব লাগিব"।

কিন্তু ১৯৭৯ চনত অসম আন্দোলনৰ সময়ত যেন এজাক দূষিত বতাহ আহি আমাৰ নিভাঁজ-নিৰ্মল সমাজখনক প্ৰদূষিত কৰি পেলালে। নিজৰ মানুহবোৰৰ মাজতেই খোৱা-কামোৰা আৰম্ভ হ'ল। বিভিন্ন সংঘাতে দেখা দিলে। ইজনে সিজনক সন্দেহ কৰা হ'ল। বিভিন্ন সশস্ত্ৰ বাহিনীৰ সংগঠনৰ জন্ম হ'ল। তেওঁলোকে দাবী কৰিবলৈ ল'লে আমাক স্বাধীন অসম লাগে, আমাক লাগে নিৰাপত্তা। হঠাৎ আমাৰ মানুহবোৰৰ মাজত এক বৈপ্লৱিক চেতনা জাগ্ৰত হৈ উঠিল।

সেই সময়তে মই প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ চহৰৰ কলেজত পঢ়িবলৈ আহোঁ। এদিন যদি ক্লাছ দুদিন আন্দোলন। দিনে দিনে পৰিস্থিতি বেয়াৰ ফালে ঢাল খাইছিল। কেতিয়াবা বাৰাণ্ডাত বহি কথাবোৰ বিশ্লেষণ কৰো কিহৰ বাবে এই আন্দোলন। স্বাধীন অসমৰ বাবে কিয় ইমান খোৱা-কামোৰা। কলেজৰ সহপাঠী কেইজনমানে ইতিমধ্যেই নিষিদ্ধ ঘোষিত কোনোবা সংগঠন এটাত যোগ দিছে। মোকো জোৰ কৰিছিল সংগঠনটোৰ সদস্য হ'বলৈ। মই মান্তি নহ'লো। জাতীয়তাবাদৰ আত্মচেতনাই সেই সময়ত বাৰে বাৰে হৃদয়ত ভূমুকি মাৰিছিল।



ৰক্তকণিকাবোৰ গৰম হৈ উঠিছিল।

কিছুমান মানুহৰ প্ৰৰোচনাত উগ্ৰ জাতীয় চেতনা এনেদৰে জগাই তোলা হৈছিল যে তেওঁলোকে যিকোনো কাম কৰিবলৈ সাজু আছিল। বহু অনা-অসমীয়া লোকৰ ওপৰত নিৰ্যাতন চলিছিল। আন্দোলন বিৰোধী লোকক সামাজিকভাৱে বৰ্জন কৰা হৈছিল। অনা অসমীয়া দোকানৰ মাল-বস্তু ক্ৰয় কৰিবলৈ নিষিদ্ধ কৰা হৈছিল। আন্দোলনকাৰীসকলে মাৰোৱাৰী, বিহাৰীসকলৰ ঘৰ, দোকান-পোহাৰত জুই লগাই দিছিল। সা-সম্পত্তি কাঢ়ি লৈছিল। দিন দুপৰতে মাক-বাপেক নাইবা আত্মীয়-স্বজনৰ সন্মুখতে হত্যা কৰিছিল। বহু অনা-অসমীয়া জীয়াৰী-বোৱাৰী পাশৱিক কামনাৰ বলি হৈছিল। সুবিধাবাদী কিছুমানে অনা-অসমীয়াসকলৰ ধন-দৌলত লুটপাট কৰি ৰাতিটোৰ ভিতৰতে কোটিপতি হৈছিল।

বহু চিন্তা কৰিও একো থিৰাং কৰিব পৰা নাছিলো। সংগঠনত যোগ দিম নে নিদিম দোধোৰ-মোধোৰ অৱস্থাত পৰিছিলো। আই-পিতায়ে নজনাকৈ এদিন গুচি গ'লোঁগৈ নিষিদ্ধ ঘোষিত সংগঠনত যোগ দিবলৈ। যৌথ পৰিয়াল থকা এখন পৃথিৱীৰ পৰা আন এখন পৃথিৱীলৈ ঢাপলি মেলিলো। নিৰ্জু আইৰ মুখখন, পিতাইৰ মৰম সনা গালিবোৰ, সৰু ককাইদেউৰ লগত কাজিয়া কৰা মুহূৰ্তবোৰ, ডাঙৰ ককাইদেউৰ উপদেশবোৰ মানসপটত অগাদেৰা কৰি আছিল তেতিয়া।

নাটক মই খুব ভাল পাইছিলো। স্কুলীয়া জীৱনত নিজেই নাটক লিখি নিজেই অভিনেতা, পৰিচালক হৈ নাটক কৰিছিলো। গাঁৱত প্ৰতিবছৰে উদ্‌যাপন কৰা শিশু দিৱসত নাটক কৰিছিলো। মই গাঁৱৰ প্ৰায়বিলাক ল'ৰা-ছোৱালীক নাটকৰ লগত জড়িত কৰাইছিলো। গাওঁত এটা বিহু হুঁচৰি দলো খুলিছিলো। এই কামবোৰ কৰি মই মানসিক তৃপ্তি পাইছিলো। নতুন প্ৰজন্মক মই দেখুৱাই যোৱা বাটেৰে গৈ উন্নতি কৰা দেখি মোৰ অন্তৰখন গৌৰৱেৰে ভৰি পৰিছিল। ৰাতি সপোনতো নাটকৰ সংলাপবোৰ আওৰাই পাইছিলো আৰু নিৰ্মালী নামৰ ছোৱালীজনীৰ মিঠা মাততি কাণত বাজি উঠিছিল। নাটক এখনে মানুহক দিব পাৰে আবেগ, অনুপ্ৰেৰণা, অনাবিল শান্তি, জীয়াই থকাৰ বাসনা।

সংগঠনত যোগ দিয়াৰ পাছত মোৰ কোমল অন্তৰখনে হিংসাৰ পন্থাৰে কাম কৰিবলৈ বাধা প্ৰদান কৰিছিল। লগৰ কোনোবাই কৰিলেও বাধা দিবলৈ চেষ্টা কৰিছিলো। তাৰ বাবে কেইবাদিনো ওপৰৰ সদস্যৰ পৰা অনুশাসনমূলক কথা শুনিব লগীয়া হৈছিল। কেতিয়াবা নিৰ্জন ৰাতি বিচনাত পৰি ভাবো এই আন্দোলন কিহৰ বাবে। বাৰুদ-বন্দুকেৰে স্বাধীন অসম গঢ়িব পাৰিম জানো? বিদেশী মুক্ত স্বাধীন অসম গঢ়িব পাৰিম জানো? বাৰে বাৰে নিজকে প্ৰশ্ন কৰিছিলো। হিংসা পন্থাৰে নিজৰ লক্ষ্যত উপনীত হ'ব পাৰিমনে? গান্ধীজীৰ আদৰ্শটো সঁচানে আমাৰটো সঁচা? বহু ডেকা ল'ৰাই ঘৰ এৰি এইটোৱেই উত্তম পথ বুলি ভাবি সংগঠনত যোগ দিছে।

ঘৰৰ পৰা ওলাই অহা আজি ন মাহ বিশ দিনত ভৰি দিলে। এই ন মাহক ন বছৰ নিচিনা লাগিছে। আজিলৈকে ঘৰলৈ চিঠি এখনো লিখা নাই। বহু চিন্তা কৰি নিৰ্মালীলৈকে চিঠি এখন লিখিলো। বহুদিনৰ মূৰত চিঠিৰ উত্তৰ আহিল। গাঁৱৰ অৱস্থা সিমান ভাল নহয়। মোক বিচাৰি হেনো সদায় মিলিটেৰী গাড়ী যায় গাঁৱলৈ। গাঁৱৰ মানুহৰ শান্তি নোহোৱা হ'ল। মোক নাপাই আমাৰ সৰু ককাইদেউকে গুৰুলা-গুৰুলকৈ পিটিলে। মিলিটেৰীবিলাকে ডাঙৰ ককাইদেউকো খুব মাৰিছে। মনটো বিষাদেৰে ভৰি পৰিল। কি কৰিম কি নকৰিম ভাবি ওৰ পোৱা নাছিলো। জীৱনটো অঘৰীৰ নিচিনা হ'ল। আজি যদি ইয়াত কালিলৈ তাত। নদীৰ সোঁতত উটি যোৱা পচা কাঠডোখৰৰ নিচিনা, সোঁতে যি বাটে যাব মইয়ো সেই বাটে যাওঁ। মোৰ কোনো অস্তিত্বই নোহোৱা হ'ল। সেই সময়ত এটাই মাথোঁ চিন্তা বিদেশীক বিতাড়িত কৰি স্বাধীন অসম গঢ়া। এদিন ক'ব নোৱাৰাকৈয়ে ঘাতক হৈ পৰিছিলো। স্বাধীন অসম গঢ়াৰ উন্মাদনাত হিংস্ৰ পশুত পৰিণত হৈছিলো। নিৰপৰাধী নিৰ্জু প্ৰকৃতিৰ মানুহক নিজ হাতেৰে হত্যা কৰি পেলাইছিলো। মানুহৰ তেজেৰে ৰাঙলী হৈছিল দুহাত। তেজ দেখিলেই মূৰ ঘূৰণী হোৱা সেই ল'ৰাটোৱেই আজি মানুহৰ তেজেৰে স্নান কৰি নিৰ্বিকাৰ হৈ থাকিব পৰা হ'ল। হায়! সময়, হায়! পৰিস্থিতি। "মানুহ পৰিস্থিতিৰ দাস"— সঁচাই পৰিস্থিতিত পৰি ভাল মানুহো বেয়া হৈ যাব পাৰে বা বেয়া মানুহো বাল্মিকী ৰত্নাকৰৰ নিচিনা সৎ হৈ যাব পাৰে।

মুক্ত অসম গঢ়াৰ আন্দোলনত কিমান নিৰীহ লোকৰ প্ৰাণ গ'ল তথাপি মানুহৰ চেতনা জাগ্ৰত নহ'ল। চকুৰ সন্মুখত নিজৰ সতীৰ্থ ধাতৱ যন্ত্ৰৰ গুলীত কলিজা চিৰা-চিৰ হৈ বাগৰি পৰিছে। কত সদস্যৰ দেহৰ অংগ-প্ৰতংগ চিগি গৈছে। তথাপি শিলৰ দৰে জঠৰ সাতাম পুৰুষীয়া ঐক্য ঠান-বান হৈ গ'ল। জাতি, মাটি, ভেটি ৰক্ষাৰ নামত এখন সংগ্ৰাম স্বাধীনতা কাৰ বাবে??! পিছৰ মানুহখিনিয়েই দেখোন ভাগ ভাগ হৈ ইজনে-সিজনৰ পৰা আঁতৰি যাবলৈ ওলাইছে। অথচ আমি সংগ্ৰাম চলাই গৈছো এখন স্বাধীন অসম গঢ়াৰ বাবে। সংগ্ৰামৰ নামত কত সতীৰ্থৰ মৃত্যু হ'ল। কত অসমীয়া কাললৈ ঘূণীয়া হ'ল।

প্ৰধান শিক্ষক আছিল ধনবৰ গগৈ ছাৰ আৰু এজন সহ-শিক্ষক আছিল মোৰ মোমাই সম্বন্ধীয় বুন্দেশ্বৰ ফুকন ছাৰ।

ফলিত ১, ২, ৩ আৰু ক, খ, অ, আ লিখিবলৈ দিয়ে শিক্ষকজনে। কেতিয়াবা আমাতকৈ ওপৰৰ শ্ৰেণীৰ ছাত্ৰবিলাকে আমাক শিকায়। বিদ্যালয়ৰ চৌহদত এজোপা ডাঙৰ তৰুণ গছ আছিল। তাৰ তলতেই ঘূৰণীয়া হৈ নেওতা মাতিবলৈ দিয়ে। কেতিয়াবা গছজোপাৰ তলত কবিতা আবৃত্তি কৰিবলৈ দিয়ে। শনিবাৰ দিনটোত বিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ কৰিবলৈ দিয়ে। গৰমবন্ধত ছমহীয়া পৰীক্ষাত অহা প্ৰশ্নকাকতসমূহ পুনৰ কৰিবলৈ দিয়ে নতুবা কৰ্ম অভিজ্ঞতা স্বৰূপে বাঁহৰ বিচনী বা খৰাহী নিজ হাতেৰে বনাই আনিবলৈ দিয়ে।

হেডছাৰৰ ক্লাচটোলৈ খুব ভয় লাগিছিল। অংক শিকাইছিল নাজানিলে বাঁহৰ চিটিকনিৰে কলাফুলত হাৰুপ-হাৰুপকৈ কোবাই চুলিৰ টিকনিত ধৰি ওপৰলৈ উঠাই দিয়ে আৰু মোৰ মোমাই সম্বন্ধীয় ছাৰজনে নাজানিলে পিঠিত ভুকু নহ'লে কাণত মুটা আঙুলিৰে চেপা দিয়ে কেতিয়াবা আকৌ বেঞ্চৰ ওপৰত আঠুকাঢ়ি কাণত ধৰি ক্লাচটো শেষ নোহোৱা পৰ্যন্ত থাকিবলৈ দিয়ে।

ঘৰৰ কাষৰ বিদ্যালয়খনত প্ৰাথমিক শিক্ষা সাং কৰাৰ পাছত পাঁচ মাইল দূৰৈৰ মজলীয়া বিদ্যালয়ত পিতাইয়ে নাম লগাই দিয়ে। ওপৰৰ শ্ৰেণী পাই ভাল লাগিল। তাত আকৌ নতুন ঠাই নতুন শিক্ষক, নতুন নতুন বন্ধু নতুন অভিজ্ঞতা। গাঁৱৰ আন ছাত্ৰৰ সৈতে একেলগে যাওঁ। বগা পেন্ট, সেউজীয়া ৰঙৰ চোলা, ভৰিত হাৱাই চেণ্ডেল। কাৰোবাৰ ছাতি আছে কাৰোবাৰ নাই। বৰষুণ দিলে এটা ছাতিৰ তলতে একেলগে তিনিটামান সোমাই যাওঁ। কেতিয়াবা মূৰটো ৰক্ষা পৰে কেতিয়াবা নপৰে। গোটেই শৰীৰটো তিতি যায়, কিতাপো তিতে। কিতাপ নিবলৈ আজিৰ নিচিনা মোনা নাছিল। সকলোৱে হাতত কিতাপ লয়। বৰষুণ দিলে পলিথিন বেগৰ ভিতৰত ভৰাওঁ। বাৰিষা আহিলে গাঁৱত থকা বাঁহৰ দলংখন প্ৰতিবছৰে উটুৱাই লৈ যায়। তেতিয়া আমাৰ স্কুললৈ যোৱাই বন্ধ হৈ পৰে। পানী কমিলে এখন হাতত কিতাপ আৰু স্কুলৰ সাজযোৰ লৈ এখন হাতেৰে সাঁতুৰি পাৰ হওঁ।

আমাৰ গাঁওখনৰ কাষেদি ঘোৰমূৰা নদীখন সৰ্পিল গতিৰে বৈ গৈ ব্ৰহ্মপুত্ৰত পৰিছেগৈ। নদীখনৰ ইটো পাৰত চাউল খোৱা ন-গাওঁ আৰু আমাৰ গাঁৱৰ পূৰ্ব দিশত নেপালী বস্তি। অঞ্চলটোৰ গোটেইখিনি মানুহৰ স্বাভাৱিকতে জীৱিকা আছিল কৃষি। কঠোৰ পৰিশ্ৰম কৰিছিল তেওঁলোকে। দিনে-ৰাতিয়ে পৰিশ্ৰম কৰাৰ বাহিৰে তেওঁলোকৰ জীৱনত আন চিন্তাই ঠাই পোৱা নাছিল। ইপিনে নদীৰ দাঁতি কাষৰীয়া গাঁৱৰ মানুহৰ বিভিন্ন জাতিৰ মানুহৰ স'তে সমন্বয়। তেওঁলোকৰ স'তে উভয়ৰ উৎসৱ সমূহত নিমন্ত্ৰণ আছিল স্বাভাৱিক ঘটনা।

গাঁৱৰ কাৰোবাৰ বিপদ হ'লে সকলোৱে মিলি সহায়-সহযোগ কৰা, কাৰোবাৰ যদি খেতি চপাই শেষ হোৱা নাই সকলোৱে মিলি খেতি চপাই আনি দিয়া, এটা কথাত ক'বলৈ গ'লে এজনে আনজনৰ প্ৰতি আন্তৰিকতা বোলা শব্দটো বিৰাজমান আছিল। ইংৰাজ সাহিত্যিক Gold Smithৰ ভাষাত— "The baschful nirigin's side-long looks of love. The Matrons glance that would those looks reprove.These were they charms sweet village spats like these with sweet succession.Tangh Even tail to please".

জাতি বা ভাষাগত কোনো সংঘাত নাছিল। আমাৰ মাজত এটাই পৰিচয় আছিল 'আমি মানুহ'। কোন কি জাতিৰ সেইবোৰৰ উপলব্ধি কৰিবলৈ আমাক দিয়া নাছিল। আমি বিদ্যালয়ত অসমীয়া ভাষাত শিক্ষা গ্ৰহণ কৰিছিলো। জীৱনে-মৰণে চিৰদিন অসমীয়া বাক্যশাৰী হৃদয়ৰ পৰাই স্মৰণ কৰিছিলো। কোনোবা এখন কিতাপত পঢ়িছিলো "অসমীয়া মানুহ হ'ব লাগিলে সকলোতে অসমীয়া মন থকিব লাগিব"।

কিন্তু ১৯৭৯ চনত অসম আন্দোলনৰ সময়ত যেন এজাক দূষিত বতাহ আহি আমাৰ নিভাঁজ-নিৰ্মল সমাজখনক প্ৰদূষিত কৰি পেলালে। নিজৰ মানুহবোৰৰ মাজতেই খোৱা-কামোৰা আৰম্ভ হ'ল। বিভিন্ন সংঘাতে দেখা দিলে। ইজনে সিজনক সন্দেহ কৰা হ'ল। বিভিন্ন সশস্ত্ৰ বাহিনীৰ সংগঠনৰ জন্ম হ'ল। তেওঁলোকে দাবী কৰিবলৈ ল'লে আমাক স্বাধীন অসম লাগে, আমাক লাগে নিৰাপত্তা। হঠাৎ আমাৰ মানুহবোৰৰ মাজত এক বৈপ্লৱিক চেতনা জাগ্ৰত হৈ উঠিল।

সেই সময়তে মই প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ চহৰৰ কলেজত পঢ়িবলৈ আহোঁ। এদিন যদি ক্লাছ দুদিন আন্দোলন। দিনে দিনে পৰিস্থিতি বেয়াৰ ফালে ঢাল খাইছিল। কেতিয়াবা বাৰাণ্ডাত বহি কথাবোৰ বিশ্লেষণ কৰো কিহৰ বাবে এই আন্দোলন। স্বাধীন অসমৰ বাবে কিয় ইমান খোৱা-কামোৰা। কলেজৰ সহপাঠী কেইজনমানে ইতিমধ্যেই নিষিদ্ধ ঘোষিত কোনোবা সংগঠন এটাত যোগ দিছে। মোকো জোৰ কৰিছিল সংগঠনটোৰ সদস্য হ'বলৈ। মই মান্তি নহ'লো। জাতীয়তাবাদৰ আত্মচেতনাই সেই সময়ত বাৰে বাৰে হৃদয়ত ভুমুকি মাৰিছিল। ৰক্তকণিকাবোৰ গৰম হৈ উঠিছিল।

কিছুমান মানুহৰ প্ৰৰোচনাত উগ্ৰ জাতীয় চেতনা এনেদৰে জগাই তোলা হৈছিল যে তেওঁলোকে যিকোনো কাম কৰিবলৈ সাজু আছিল। বহু অনা-অসমীয়া লোকৰ ওপৰত নিৰ্যাতন চলিছিল। আন্দোলন বিৰোধী লোকক সামাজিকভাৱে বৰ্জন কৰা হৈছিল। অনা অসমীয়া দোকানৰ মাল-বস্তু ক্ৰয় কৰিবলৈ নিষিদ্ধ কৰা হৈছিল। আন্দোলনকাৰীসকলে মাৰোৱাৰী, বিহাৰীসকলৰ ঘৰ, দোকান-পোহাৰত জুই লগাই দিছিল। সা-সম্পত্তি কাঢ়ি লৈছিল। দিন দুপৰতে মাক-বাপেক নাইবা আত্মীয়-স্বজনৰ সন্মুখতে হত্যা কৰিছিল। বহু অনা-অসমীয়া জীয়াৰী-বোৱাৰী পাশৱিক কামনাৰ বলি হৈছিল। সুবিধাবাদী কিছুমানে অনা-অসমীয়াসকলৰ ধন-দৌলত লুটপাট কৰি ৰাতিটোৰ ভিতৰতে কোটিপতি হৈছিল।

বহু চিন্তা কৰিও একো থিৰাং কৰিব পৰা নাছিলো। সংগঠনত যোগ দিম নে নিদিম দোধোৰ-মোধোৰ অৱস্থাত পৰিছিলো। আই-পিতায়ে নজনাকৈ এদিন গুচি গ'লোগৈ নিষিদ্ধ ঘোষিত সংগঠনত যোগ দিবলৈ। যৌথ পৰিয়াল থকা এখন পৃথিৱীৰ পৰা আন এখন পৃথিৱীলৈ ঢাপলি মেলিলো। নিৰ্জু আইৰ মুখখন, পিতাইৰ মৰম সনা গালিবোৰ, সৰু ককাইদেউৰ লগত কাজিয়া কৰা মুহূৰ্তবোৰ, ডাঙৰ ককাইদেউৰ উপদেশবোৰ মানসপটত অগাদেৱা কৰি আছিল তেতিয়া।

নাটক মই খুব ভাল পাইছিলো। স্কুলীয়া জীৱনত নিজেই নাটক লিখি নিজেই অভিনেতা, পৰিচালক হৈ নাটক কৰিছিলো। গাঁৱত প্ৰতিবছৰে উদ্‌যাপন কৰা শিশু দিৱসত নাটক কৰিছিলো। মই গাঁৱৰ প্ৰায়বিলাক ল'ৰা-ছোৱালীক নাটকৰ লগত জড়িত কৰাইছিলো। গাওঁত এটা বিহু হুঁচৰি দলো খুলিছিলো। নতুন প্ৰজন্মক কামবোৰ কৰি মই মানসিক তৃপ্তি পাইছিলো। নতুন প্ৰজন্মক মই দেখুৱাই যোৱা বাটেৰে গৈ উন্নতি কৰা দেখি মোৰ অন্তৰখন গৌৰৱেৰে ভৰি পৰিছিল। ৰাতি সপোনতো নাটকৰ সংলাপবোৰ আওৰাই পাইছিলো আৰু নিৰ্মালী নামৰ ছোৱালীজনীৰ মিঠা মাতটি কাণত বাজি উঠিছিল। নাটক এখনে মানুহক দিব পাৰে আবেগ, অনুপ্ৰেৰণা, অনাবিল শান্তি, জীয়াই থকাৰ বাসনা।

সংগঠনত যোগ দিয়াৰ পাছত মোৰ কোমল অন্তৰখনে হিংসাৰ পন্থাৰে কাম কৰিবলৈ বাধা প্ৰদান কৰিছিল। লগৰ কোনোবাই কৰিলেও বাধা দিবলৈ চেষ্টা কৰিছিলো। তাৰ বাবে কেইবাদিনো ওপৰৰ সদস্যৰ পৰা অনুশাসনমূলক কথা শুনিব লগীয়া হৈছিল। কেতিয়াবা নিৰ্জন ৰাতি বিচনাত পৰি ভাৱো এই আন্দোলন কিহৰ বাবে। বাৰুদ-বন্দুকেৰে স্বাধীন অসম গঢ়িব পাৰিম জানো? বিদেশী মুক্ত স্বাধীন অসম গঢ়িব পাৰিম জানো? বাৰে বাৰে নিজকে প্ৰশ্ন কৰিছিলো। হিংসা পন্থাৰে নিজৰ লক্ষ্যত উপনীত হ'ব পাৰিমনে? গান্ধীজীৰ আদৰ্শটো সঁচানে আমাৰটো সঁচা? বহু ডেকা ল'ৰাই ঘৰ এৰি এইটোৱেই উত্তম পথ বুলি ভাবি সংগঠনত যোগ দিছে।

ঘৰৰ পৰা ওলাই অহা আজি ন মাহ বিশ দিনত ভৰি দিলে। এই ন মাহক ন বছৰ নিচিনা লাগিছে। আজিলৈকে ঘৰলৈ চিঠি এখনো লিখা নাই। বহু চিন্তা কৰি নিৰ্মালীলৈকে চিঠি এখন লিখিলো। বহুদিনৰ মূৰত চিঠিৰ উত্তৰ আহিল। গাঁৱৰ অৱস্থা সিমান ভাল নহয়। মোক বিচাৰি হেনো সদায় মিলিটেৰী গাড়ী যায় গাঁৱলৈ। গাঁৱৰ মানুহৰ শান্তি নোহোৱা হ'ল। মোক নাপাই আমাৰ সৰু ককাইদেউকে গুৰুলা-গুৰুলকৈ পিটিলে। মিলিটেৰীবিলাকে ডাঙৰ ককাইদেউকো খুব মাৰিছে। মনটো বিষাদেৰে ভৰি পৰিল। কি কৰিম কি নকৰিম ভাবি ওৰ পোৱা নাছিলো। জীৱনটো অঘৰীৰ নিচিনা হ'ল। আজি যদি ইয়াত কালিলৈ তাত। নদীৰ সোঁতত উটি যোৱা পচা কাঠডোখৰৰ নিচিনা, সোঁতে যি বাটে যাব মইয়ো সেই বাটে যাওঁ। মোৰ কোনো অস্তিত্বই নোহোৱা হ'ল। সেই সময়ত এটাই মাথোঁ চিন্তা বিদেশীক বিতাড়িত কৰি স্বাধীন অসম গঢ়া। এদিন ক'ব নোৱাৰাকৈয়ে ঘাতক হৈ পৰিছিলো। স্বাধীন অসম গঢ়াৰ উন্মাদনাত হিংস্ৰ পশুত পৰিণত হৈছিলো। নিৰপৰাধী নিৰ্জু প্ৰকৃতিৰ মানুহক নিজ হাতেৰে হত্যা কৰি পেলাইছিলো। মানুহৰ তেজেৰে ৰাঙলী হৈছিল দুহাত। তেজ দেখিলেই মূৰ ঘূৰণী হোৱা সেই ল'ৰাটোৱেই আজি মানুহৰ তেজেৰে স্নান কৰি নিৰ্বিকাৰ হৈ থাকিব পৰা হ'ল। হায়! সময়, হায়! পৰিস্থিতি। "মানুহ পৰিস্থিতিৰ দাস"—সঁচাই পৰিস্থিতিত পৰি ভাল মানুহো বেয়া হৈ যাব পাৰে বা বেয়া মানুহো বাল্মিকী ৰত্নাকৰৰ নিচিনা সৎ হৈ যাব পাৰে।

মুক্ত অসম গঢ়াৰ আন্দোলনত কিমান নিৰীহ লোকৰ প্ৰাণ গ'ল তথাপি মানুহৰ চেতনা জাগ্ৰত নহ'ল। চকুৰ সন্মুখত নিজৰ সতীৰ্থ ধাতৱ যন্ত্ৰৰ গুলীত কলিজা চিৰা-চিৰ হৈ বাগৰি পৰিছে। কত সদস্যৰ দেহৰ অংগ-প্ৰত্যংগ চিগি গৈছে। তথাপি শিলৰ দৰে জঠৰ সাতাম পুৰুষীয়া ঐক্য ঠান-বান হৈ গ'ল। জাতি, মাটি, ভেটি ৰক্ষাৰ নামত এখন সংগ্ৰাম স্বাধীনতা কাৰ বাবে??। পিছৰ মানুহখিনিয়েই দেখোন ভাগ ভাগ হৈ ইজনে-সিজনৰ পৰা আঁতৰি যাবলৈ ওলাইছে। অথচ আমি সংগ্ৰাম চলাই গৈছো এখন স্বাধীন অসম গঢ়াৰ বাবে। সংগ্ৰামৰ নামত কত সতীৰ্থৰ মৃত্যু হ'ল। কত অসমীয়া কাললৈ ঘূণীয়া হ'ল।



মনীষা

আত্মবিশ্লেষণ কৰিলেই মনটো গধুৰ হৈ পৰে। জাতিটোক আমি কি দিব পাৰিলো.........??

আমি আত্মগোপন কৰি ঘূৰি ফুৰিছিলো। আমাক ভাৰতীয় জোৱান বিলাকে বিচাৰি ফুৰিছিল। আজি যদি কাৰোবাৰ ঘৰত কালিলৈ অন্য ঠাই অন্য ঘৰত। বহাগৰ সংক্ৰান্তি দিনা ঘৰলৈ খুব মনত পৰিছিল। আই-পিতাইক চাবলৈ খুব হেঁপাহ জাগিছিল। আগতে বিহু আহিলেই গা সাতখন আঁঠখন হয়। চ'ত মাহৰ পৰা ঢোলৰ আখৰা, গাঁৱৰ ক্লাৱ ঘৰত হুচৰি শিকা, ওচৰৰ গাঁৱত বিহুৰ কৰ্মশালা পতা এইবোৰ আমি সকলোৱে মিলিজুলি বৰ উৎসাহেৰে কৰিছিলো। নিৰ্মালীলৈও খুব মনত পৰিছিল। মই ঢোল নবজালে বিহু নাচিবলৈ মন নকৰা ছোৱালীজনী, মই বিহুলৈ নগলে তাইয়ো নোযোৱা ছোৱালীজনী—আবেগত দুধাৰী চকুলো নিগৰী বৈ আহিল। ব'হাগৰ যোল্ল তাৰিখে বিহু বুলি আমি আত্মগোপন কৰি থকা অঞ্চলৰ এঘৰ মানুহৰ ঘৰলৈ গলো। আমি মুঠ চাৰিজনে বিহু বুলি চাহ-জলপান খালো ভাত পানীৰ ব্যৱস্থা কৰিলে। ভাত পানী খাই ৯ মান বজাত ওলাই আহি বাঁহৰ নঙলাডাল খুলিব লৈছোহে সশস্ত্ৰ বাহিনীৰ ভাৰতীয় জোৱানে চাৰিওফালৰ পৰা আমাক গুলি বৰ্ষণ কৰিবলৈ ধৰিলে। পলাবলৈ কোনো সুবিধাই নাপালো। তিনি চাৰিটা ধাতৱীয় গুলি মোৰ বুকুত সোমাই হৃদয়খন চিৰা-চিৰ কৰি পেলালে। মোৰ তেজোদীপ্ত জীৱনৰ বন্তি নুমাই যোৱাৰ আগতে শেষবাৰৰ বাবে পৃথিৱীখন আকৌ এবাৰ চাই লোৱা হেঁপাহ। মোৰ সকলো আশা আকাংক্ষা থিতাতে মৰহি গ'ল। মোৰ গোটেই দেহ তেজেৰে ৰাঙলী হৈ পৰিল। ভগৱানে মোক ইমানলৈকে আয়ুস দিছিল। আই-পিতাইৰ মুখ দুখন চকুৰ আগত ভাঁহি আহিল। সেই যে স্কুলীয়া দিনত বুদা,কহি, ধনন, বিজোইঁতৰ লগত মাৰ্বল খেলা মুহূৰ্তটো, স্কুলৰ পৰা আহিয়েই আইয়ে বাঢ়ি দিয়া ভাত কেইটা খায় নদীৰ পাৰত ৰবাব টেঙাৰ ফুটব'ল খেলা, নিৰ্মালীক বিহু নচোৱা মুহূৰ্তবোৰ চকুৰ আগত ভাঁহি থাকিল।

মোৰ মৃতদেহ জোৱান কেইজনে থানালৈ আনিলে আৰু পৰিয়ালৰ মানুহৰ হাতত দিলে। ওচৰৰ কেইবাখনো গাঁৱৰ মানুহ সেইদিনা স্বইচ্ছাই ওলাই আহিছিল। মৃতদেহৰ ওপৰত ফুলৰ বন্যা ববলৈ ধৰিলে। মই পঢ়া প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয় খনলৈ আনি ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সকলে মোৰ আত্মাৰ চিৰ শান্তিৰ কাৰণে মৌন প্ৰাৰ্থনা কৰিলে। মোৰ ভাল কামৰ প্ৰশংসা কৰা হৈছিল। বেয়া কামবোৰ সকলোৰে অজ্ঞাতে বৈ গৈছিল। আই- পিতাই, নিৰ্মালী আৰু পৰিয়ালৰ অন্য সদস্যৰ চকুপানীযেযেন মোৰ দেহত লাগি থকা সকলো পাপৰ কালিমাক ধুই নিকা কৰি পেলাইছে।

সুন্দৰ পৃথিৱী সুন্দৰ কৰাৰ দায়িত্ব আমাৰেই। স্বদেশৰ মাটিৰ বাবে মোৰ প্ৰাণ গ'ল। মোৰ এটা সপোন আছিল ঐক্য সংহতি মিলনৰ থলী এখন শ্ৰেণীহীন সমাজ গঢ়াৰ। মোৰ পিতাইৰ দৰে খাটি খোৱা নিচলা মানুহক যাতে কোনেও শোষণ কৰিব নোৱাৰে তাৰ বাবে নতুন ডেকাসকল ওলাই আহিব লাগিব। বন্দুক বাৰুদৰ শব্দৰে শান্তি আনিব নোৱাৰে। সমাজ গঢ়িবলৈ সুস্থ মানবীয় মূল্যবোধৰ বিবেকবান মানুহৰ দৰকাৰ আৰু তাৰ বাবে সুস্থ মানবীয় মূল্যবোধৰ শিক্ষাৰ প্ৰয়োজন। মোৰ জীৱন পৰিক্ৰমা সকলোৰে বাবে এটা শিক্ষা হৈ ৰওক।

◆◆◆◆◆◆◆





বৰঘৰৰ মজিয়াত
উপন্যাসিকা

# কলেজীয়া দিনবোৰ

স্বপ্না ফুকন
পঞ্চম ষাণ্মাসিক, অসমীয়া বিভাগ




কৃষ্ণচূড়াৰ দেশৰ সেই ৰঙীন কলেজখন। হৃদয়ত এক আবেগ ভাহি আহে কলেজখনৰ দুৱাৰডলিত ভৰি দিলে। পদূলিতে দুয়োকাষে দুজোপা কৃষ্ণচূড়াই আদৰণি জনায় তিনিচুকীয়া কলেজৰ বুকুলৈ। শাৰী শাৰী হেজ আৰু দেৱদাৰুৰ হাঁহিয়ে কলেজখনক আৰু অধিক সুন্দৰ কৰি তুলিছে। সকলোৰে মনত আশাৰ বেঙণী তুলিব পৰা এই তিনিচুকীয়া কলেজ। চিৰযৌৱনা এই তিনিচুকীয়া কলেজ। কিছুমানৰ হয়তো সপোনবোৰ পূৰ্ণ হৈছে আৰু কিছুমানে ব্যৰ্থ হৈ উভতি যাবলগা হৈছে এই কলেজৰ পৰা। তথাপি সপোনৰ অন্ত নাই। অন্তহীন জীৱনৰ হেঁপাহবোৰ বুকুত বান্ধি সকলোৱে মাথো আগবাঢ়ি গৈছে ভৱিষ্যতলৈ। বৰ্তমানৰ ক্ষণবোৰ উপভোগ কৰি ভৱিষ্যতৰ সপোন দেখিছে। অতীতৰ পৃষ্ঠা সোঁৱৰিবলৈ কাৰো সময় নাই। ল'ৰা-ছোৱালীবোৰ আহিছে, গৈছে। প্ৰফেচৰবোৰ এজন এজনকৈ আহি কলেজৰ পদূলিত ভৰি দিছেহি। কাৰো খবৰ ল'বলৈ সময় নাই সকলো ব্যস্ত। মাথো সাক্ষী হৈ ৰৈছে পদূলিৰ দুয়োকাষে থকা দুজোপা কৃষ্ণচূড়া। কলেজ তিনিআলিৰ চানাৱালা, ফুচকাৱালা কেইজনো ব্যস্ত হৈ পৰে ৰাতিপুৱাৰ পৰা। কলেজৰ ল'ৰা-ছোৱালীয়ে আহি ভিৰ কৰেহি তেওঁলোকৰ দোকানত। ৰাতিপুৱাৰ পৰা কলেজৰ গল্ডেন পাৰ্ক, লাইব্ৰেৰী, কেন্টিন সকলোৰে কোণবোৰ ব্যস্ত কৰি পেলাইছে ল'ৰা-ছোৱালীবোৰে। কিমানে প্ৰেমৰ কবিতা পাঠ কৰি প্ৰেমিকাৰ হৃদয় জিনিবলৈ সক্ষম হৈছে এই দলিছাৰ ওপৰতে। আৰু কিমানে দুখৰ টোপোলাবোৰ বুকুত বান্ধি উভতি যাবলগা হৈছে তাৰ হিচাপ নাই।

হেঙুলীয়া কিৰণৰ পোহৰে আৱৰাই ৰখা এনে এখন কলেজত মই ভৰি দিলোহি। হোষ্টেলত চিট পালো। ৰাতিপুৱা ৬.৩০ বজাত ঘৰৰ পৰা ওলাই আহিলো। কমেও তিনিঘন্টা বাট গাড়ীৰে কলেজলৈ আহি থাকোতে কত কল্পনা কৰি আহিছিলো কলেজখনক লৈ। স্কুলীয়া দিনৰ এজনী ভাল বান্ধৱী অনামিকা, তাইৰ লগতে কলেজৰ দুৱাৰডলিত মোৰ কলেজীয়া জীৱনৰ প্ৰথমটি খোজ। প্ৰথম খোজটিটেই এটা হাঁহি উঠা ঘটনা ঘটি গ'ল। কলেজৰ গেটৰ মুখতে মই বৈ গ'লো।

"ঐ আকাশী কি হ'ল বৈ দিলি যে"?

"নহয় অ', তই শুনচোন এটা জমনি কথা হ'ল। মোৰ

চেংগেলযোৰ ছিঙিলে, কি কৰো ন"?

"কি? কি যে কৰি থাক নহয়, চাচোন চবফালে ল'ৰাবোৰে কেনেকৈ চাই আছে, ব'ল জলদি কমনৰুমলৈ, তাতে ঠিক কৰি ল'বি"।

"অনামিকা, মোৰ যে বিৰাট লাজ লাগিছে জান।"

"হ'ব বল এতিয়া"।

এনেকৈ দুয়োজনী কমনৰুমৰ ফালে খোজ দিলো। কমনৰুমত চেংগেলযোৰ ঠিক কৰি বহিছোহে মাথো, আহিল নহয় কলেজীয়া এগৰাকী চিনিয়ৰ বা। দুৰৰ পৰাই মোক লক্ষ্য কৰি অহা যেন অনুভৱ কৰিলো। হয়, বাগৰাকীয়ে মোকেই লক্ষ্য কৰি আহিছে।

"ভন্টি, তুমি নিউ ক'মাৰ নেকি?"

"অ' হয়।"

"অ', তুমি মোৰ লগত আহাচোন ১ নম্বৰ ৰুমলৈ।

মোৰ মনে মনে ভয়ো লাগিছিল। কলেজত ৰেগিং হয় বুলি শুনিছো কিন্তু কেনেকৈ কৰে নাজানো। ১ নম্বৰ ৰুম গৈ পালো। ৰুমৰ ভিতৰত এগালমান ল'ৰা, ছোৱালী মাথো দুজনী। মোৰ ভয় লাগি আহিব ধৰিলে। চবেই মোৰ ফালে চাই আছে। দুৱাৰ মুখতে ৰৈ গ'লো। সকলোৱে মাতিলে ভিতৰলৈ কিন্তু মই যোৱাৰ ইচ্ছা নকৰিলো। এনেতে চিনিয়ৰ দাদা এজন মোৰ ওচৰলৈ আহিল—

"ভন্টি তোমাৰ নামটো কি?"

"আকাশীতৰা গগৈ।"

"কোন ক্লাচ?"

"হায়াৰ ছেকেণ্ডাৰী ফাৰ্ষ্ট ইয়েৰ।"

যি সুধিছে তাৰ উত্তৰ দি গ'লো। ওলোটাই দাদাজনক সোধাৰ ইচ্ছা নকৰিলো। দাদাজন ইমানেই ওখ আছিল মই মূৰটো দাঙিও মুখখন দেখা পোৱা নাছিলো। মোক চিনাকি হৈ যাবলৈ দিলে। ইমানবোৰ ছোৱালীৰ মাজৰ পৰা মোক কিয় তেনেকৈ মাতি নিছিল সেই কথা মই আজিও ভাবি থাকো।

লাহে লাহে দিনবোৰ বাগৰি যাবলৈ ধৰিলে। কলেজত সকলোৰে লগত চিনাকী হ'লো। হোষ্টেলতো খুব কম সময়তে মই এটা চিনাকী পৰিৱেশ পালো। মাজে মাজে হোষ্টেলত চিনিয়ৰৰ গালিবোৰ থাকেই। এনেদৰে কিছুদিনৰ পাছত হোষ্টেল ফ্ৰেচাৰ্ছ আহি পালে। হোষ্টেলৰ নৱাগতা আদৰণি সভা জীৱনৰ এটি নতুন অভিজ্ঞতা আছিল মোৰ। ফ্ৰেচাৰ্ছৰ আগদিনাৰ কথা প্ৰাৰ্থনাৰ সময়ত —

"নিউ ক'মাৰ্চ তোমালোকৰ কাইলৈ আমি ফ্ৰেচাৰ্ছ পাতিছো। তাৰ কাৰণে আমি আজি ৰাতি ১২ বজাত হলৈ বুলি এটা ঠাইৰ পৰা গেষ্ট মাতিছো। সিহঁতে আমাৰ ভাষা বুজি নাপায় আৰু ক'বও নাজানে। গতিকে ইঙ্গিতেৰে যি কৰিবলৈ কয় তোমালোকে কৰি দেখুৱাবা। নহ'লে খং কৰিব। আৰু সকলোৱে হাতত মমবাতি লৈ আজি ৰাতি ১২ বজাত ইয়াত থিয় হ'বাহি।"

কোন আহিব, কি কৰিব মনত বহুত ভয় ভাব আহি আছিল। কাৰণ এইয়া মোৰ জীৱনৰ প্ৰথম অভিজ্ঞতা। সময় ওচৰ চাপি আহিছে ১২ বাজিবলৈ মাথো পাঁচ মিনিত বাকী। বগা সাজযোৰ পিন্ধি হাতত মমবাতি লৈ থিয় হ'লোগৈ সকলো নিউ ক'মাৰে। এখন কাপোৰে আঁৰ কৰি কিছুমান মানুহক লুকুৱাই আনিছে। মই চোৱা নাই কাৰণ সেইফালে চালেই মোৰ হাঁহি উঠিব আৰু হাঁহিলেই পিঠিত মাৰ পৰিব। এবাৰ চাই পঠিয়ালো, কি অদ্ভুত, মুখখন ক'লা, কলপাতৰ সাজ, হাতত কোনোবাই হাঁহিলে মাৰিবলৈ এডাল কলপাতৰ এচাৰি। কাকোৱে চিনি পোৱা নাই, সকলোবোৰ চোন অচিনাকী। হাঁহিও উঠিছিল বহুত কিন্তু হাঁহিব পৰা নাছিলো। ইয়াৰ পিছতে আমাক শপত খুওৱা হ'ল। এগৰাকী 'বা'ই কৈ গ'ল আমি পিছে পিছে মমবাতিৰ ওপৰত হাত থৈ কৈ গলো।

"আমি ডাঙৰৰ কথা নুশুনোৱেই নুশুনো।"

"আমি কলেজত কাকো নেমাতোৱেই নেমাতো।"

"আমি কলেজত ল'ৰা মাতিমেই মাতিম।"

"আমি পাৰ্ক, কেন্টিনলৈ যামেই যাম।"

"আমি প্ৰশ্ৰাৱগাৰত শৌচ কৰিমেই কৰিম।"

"আমি ক্লাচ নকৰোৱেই নকৰো।"

একেবাৰে শেষত বাগৰাকীয়ে কৈ গ'ল—

"এতিয়া আমি যিবোৰ শপত খালো সেইবোৰ আমি এৰাই চলিম", সেই শপত মিছা নাছিল।

এনেকৈয়ে হোষ্টেলৰ ফ্ৰেচাৰ্ছৰ অন্ত পৰিল।

কিছুদিনৰ পিছৰ কথা। এইখন হোষ্টেলত দুগৰাকী ছোৱালীৰ সৈতে মোৰ খুব ভাল বন্ধুত্ব গঢ়ি উঠিল। বন্ধুত্বৰ সঁচা মৰম বুজি পালো। প্ৰিয়া আৰু অঞ্জু, আনৰ দুখত দুখী, আনৰ সুখত সুখী হ'ব পৰা দুজনী মৰম লগা ছোৱালী। আমাৰ বন্ধুত্ব ইমানেই দৃঢ় আছিল যে কেতিয়াও কোনেও ইজনীৰ পৰা সিজনীক আঁতৰ কৰিব পৰা নাছিল। কিন্তু কিছুমানে হিংসাও কৰিছিল আমাৰ বন্ধুত্বক লৈ। আমি তিনিজনী কেৱল কাল্পনিক জগতখনতেই উটি-ভাঁহি ফুৰিছিলো।

এদিন কলেজত প্ৰিয়াৰ লগত গৈ থাকোতে এজন লগৰ ল'ৰাই মোক মাতিলে আৰু প্ৰিয়াৰ লগত কথা পাতিব বিচাৰিলে।

" ঐ আকাশী কথা পতাই দেনা।"



"হেই মই সেইবোৰ নোৱাৰো দেই। নিজেই কৰি ল'বি" বুলি কৈ মই গলোগৈ।

এনেদৰে ল'ৰাটোৱে প্ৰিয়াৰ লগত কথা পাতিবলৈ সদায় ৰৈ থাকে। কিন্তু প্ৰিয়াই কোনোদিনে কথা নাপাতিলে। ল'ৰাটোও শেষত হাৰ মানিলেগৈ। পিছে এতিয়া উপলব্ধি নকৰা নহয় কথাটো। প্ৰিয়াই প্ৰথমৰ পৰাই এজন ল'ৰাক খুব পছন্দ কৰিছিল। তাক লৈ কবিতাও লিখিছিল। কিন্তু কোনোদিনে প্ৰকাশ কৰিব নোৱাৰিলে সেই কথা।

আজি দেওবাৰ, হোষ্টেলৰ ছোৱালীবোৰৰ বাবে এটা বিশেষ দিন। সপ্তাহজোৰা কৰি অহা কল্পনাবোৰ আজি অন্ত পৰিব। পাৰ্ক, ৰেষ্টোৰাঁ, বজাৰৰ সকলোবোৰ কোণত ব্যস্ত হৈ পৰিব ছোৱালীবোৰ।

ৰাতিপুৱাই ঘৰৰ পৰা ফোন—

"বাছত তোলৈ টকা দি পঠাইছো লৈ ল'বি।"

টকাৰ কথা শুনিয়েই জঁপিয়াই দিলো। এনেও হাতত টকা নাছিলেই, দেওবাৰৰ দিনটোত হাতত টকা নাথাকিলে একো কৰিবলৈ মন নোযোৱা হৈ যায়। উফ, অৱশেষত টকাৰ নামটো যে শুনিবলৈ পালো। খৰধৰকৈ যাবলৈ ওলালো। লগত প্ৰিয়া আৰু অঞ্জুকো লৈ ল'লো। বাহিৰে বাহিৰে বজাৰ কৰি হোষ্টেললৈ আহিবলৈ এখন ৰিক্সা ল'লো। এখন ৰিক্সা তিনিজনী মানুহ। মোৰ ছাইজটো সৰু গতিকে সদায় মাজত বহিবলৈ পাওঁ। হোষ্টেল পালোহি।

"দাদা কিমান ল'ব ভাড়া?"

"৩০ টকা দিবা।"

"৩০ টকা??? কিয় দিম সদায় ২০ টকাত আহোঁ।"

"নহয় তোমালোকে তিনিজনী উঠি আহিলা গতিকে ৩০ টকা।"

অঞ্জুৱে মাত মাতিলে—

"আপোনাৰ ঘৰত সৰু ল'ৰা-ছোৱালী আছে নে নাই?"

"অ আছে।"

"ঠিক আছে তেন্তে এই মৰ্টনকেইটা লওক আৰু ২০ টকা লওক আৰু যাওকগৈ।"

এইবুলি কৈ পিছলৈ আৰু ঘূৰি নাচাই আমি গেটখন খুলি হোষ্টেললৈ সোমাই আহিলো।

এনেকৈয়ে দুটা বছৰ কেনেকৈনো পাৰ হৈ গ'ল গমকে নাপালো। হায়াৰ ছেকেণ্ডাৰীৰ দুটা বছৰ সঁচাকৈয়ে বৰ ৰঙীন আছিল। এই কলেজৰ প্ৰতিটো মুহূৰ্ত বৰ যুগমীয়া হৈ ৰ'ল মোৰ স্মৃতিত।

হায়াৰ ছেকেণ্ডাৰীৰ ৰিজাল্ট ওলাল। পুনৰ এই মনোমোহা কলেজখনতেই পঢ়াৰ সুযোগ পালো। প্ৰথম বছৰটো কেনেকৈনো পাৰ হৈ গ'ল গমকে নাপালো। আগৰ লগৰবোৰো হেৰাই গ'ল। মোৰ বেষ্ট ফ্ৰেণ্ড প্ৰিয়া আৰু অঞ্জুও হেৰাই গ'ল জীৱনটোৰ একা-বেঁকা পথৰ কোনোবা এডোখৰত। লাহে লাহে হোষ্টেলত ছিনিয়ৰ হ'বলৈ ওলাইছো। ছিনিয়ৰৰ পৰা খোৱা গালিৰ বোজা অলপ কমিব। অসমীয়া মোৰ উচ্চমান বিষয়। ডিপাৰ্টমেণ্টৰ লগৰবোৰৰ লগত আড্ডা দিয়াৰ মুহূৰ্তবোৰ সঁচায়ে বৰ আমোদজনক। তিনিমহলাৰ ওপৰত আমাৰ ডিপাৰ্টমেণ্ট। একেবাৰে ওপৰৰ মহলাৰ পৰা খিৰিকীৰে জুমি চাই নিশাই চিঞৰি কয়—

"ঐ আকাশী, এইফালে আহচোন।"

"কি হ'ল ক'? মই এই বান্দৰকেইটাৰ লগত কাজিয়া লাগি আছিলো, ইমান যে কামোৰ মন্টুটো।"

"বাদ দে না এতিয়া সেইবোৰ, ঐ চাচোন পদুলিৰ মুখৰ কৃষ্ণচূড়া দুজোপালৈ, যেন দুয়ো দুয়োৰে প্ৰেমিক-প্ৰেমিকা। একেলগে একে সময়তে দুয়ো হৃদয়ত ৰঙা তেজ বিয়পাই দিয়ে। কিমানৰ যে প্ৰেমৰ সাক্ষী হৈ ৰৈছে ছাগে ন' এই গছ দুজোপাই।"

"ঐ নিশা, কি হ'ল অ' তোৰ আজি, তইয়ো কাৰোবাৰ প্ৰেমত পৰা নাইতো?"

"ধেৎ, কিযে কৱ নহয়"

এই বুলি কৈ তাই ডিপাৰ্টমেণ্টলৈ দৌৰ দিলে। প্ৰেম কৰা নাযায়, প্ৰেম হৈ যায়। নিশ্চয় নিশাৰো আজি তেনেকুৱাই কিবা এটা হৈছে নহ'লেনো প্ৰেমৰ অন্য প্ৰতীক কৃষ্ণচূড়াজোপাৰ কথা ইমান ভাবেনে।

কথাটো ভাবি ভাবি ডিপাৰ্টমেণ্টৰ ভিতৰলৈ সোমাই গ'লো। সকলোৱে আড্ডা দি আছে। পলাশ আৰু অনন্তই ব্যস্ত হৈ ৰৈছে এক গুৰুত্বপূৰ্ণ কথাত আৰু বাকীমখাই মোবাইলত ছেলফি তোলাত ব্যস্ত, মাজে মাজে মন্টুৰ কাব্যিক ভাষাৰ মন্তব্যবোৰ ভাঁহি আহে। আমাৰ মন্টুৰ লগত প্ৰায়ে তৰ্কাতৰ্কি হৈয়ে থাকে। তেনেতে চু নিয়ে কৈ উঠিল—

"মন্টু, তই আমাক ইমান কামোৰ দি থাক, তোৰ গাৰ্লফ্ৰেণ্ডজনী ছাগে মৰিয়ে থাকিব কোনোবা এদিন তোৰ কামোৰত।"

"মোৰ প্ৰেমিকা থাকিবওতো লাগিব কামোৰ দিবলৈ।"

এই বুলি কাব্যিক ভাষাৰে মন্তব্যটো দি মন্টু ওলাই গ'ল।

প্ৰচেন, নয়ন, কল্যাণ, চুনি, হেমা, নিশা এওঁলোক মোৰ মেজৰমেট। আজি আৰু ক্লাচ নহয় গতিকে সকলোৱে পাৰ্কতে অলপ আড্ডা দিবলৈ বুলি খোজ দিলো।

"ঐ নিশা ক্লাচ কিমান সময়ত আছে অ"

" ৮.৪০ ত আছে ওলাবি"

"Ok"

নিশা মোৰ এজনী ভাল বান্ধৱী, হোষ্টেলত একেলগে থাকো। হোষ্টেলত মোৰ প্রতিটো বিপদৰ সময়ত মোক লগ দিছিল, সাহস দিছিল। দুখত মই ভাগি পৰিলে মোক খুব ধুনীয়াকৈ বুজাই দিছিল। তাই তিনিচুকীয়া কলেজৰ মৰম লগা ছোৱালী।

হোষ্টেলত আমি চাৰিজনী মেজৰমেট একেলগে থাকো। গতিকে চাৰিওজনী ৮.৪০ ত ক্লাচলৈ বুলি খোজ দিলো।

" ঐ নিশা K.B. ৰৈ আছে।" মই হাঁহি এটা মাৰি নিশাক কলো। নিশাই K.B.ক দেখাৰ লগে লগে লাজত ৰঙা-ছিঙা পৰি গ'ল যেন লাজুকী লতা। K.B. হ'ল এটা ল'ৰাৰ নাম। অৱশ্যে ল'ৰাজনৰ নাম K.B. নহয়। আমি নিজে দি লোৱা নামহে। K.B. য়ে নিশাক খুব পছন্দ কৰে। কিন্তু নিশাই সেইধৰণে ল'ব নোৱাৰে। কোনোমতে সাহস গোটাই সদায় মাথোঁ এষাৰ কথা সুধিবলৈ ৰৈ থাকে। সেইদিনাও একে পৰিস্থিতি।

লাজ লাজকৈ K.B.য়ে ক'লে — "নিশা ভালনে?"

"অ' ভাল, তোমাৰ?"

"মোৰো ভাল।"

উফ, সদায় সেই একেষাৰে কথা শুনিবলৈ ৰৈ থাকে। মই ক'লো — "ঐ নিশা তহঁতৰ কি 'ভালনে'ৰ পৰা আৰু আগ নাবাঢ়িবই নেকি?"

৫ ঘন্টা ছাৰৰ কাৰণে ৰৈ থাকিলো কিন্তু ছাৰ আহি নাপালে- নিশায়ে কৈ উঠিল—

"ঐ আজি ছাগে ক্লাচ নহ'বই।"

"অ' ঠিকেই কৈছ তই, ঐ চুনি তই মোবাইল আনিছ নেকি?"

"অ' আনিছো কিয়?"

"বঢ়িয়া ব'ল ফটো তোলোগৈ?"

চুনিয়ো মোৰ খুব ভাল বান্ধৱী। তাই ছোৱালীজনী অলপ খৰধৰ ধৰণৰ। যিকোনো কাম উৎপাতকৈ কৰি ভাল পায়। গতিকে তাইক আমি মৰমতে দপদপনি বুলি মাতো। অৱশ্যে ছোৱালীজনী খুব মৰমীয়াল।

ফটো তোলো বুলি চাৰিওজনী পাৰ্কৰ অভিমুখে খোজ দিলো।

এনেকেয়ে ডিগ্ৰীৰ দুটা বছৰ পাৰ হৈ গ'ল। শেষৰ বছৰত ভৰি দিলেহি। বৰ জটিল আছিল এইটো বছৰ মোৰ বাবে। হোষ্টেলৰ প্ৰিফেক্ট হিচাপে বাছনি হ'লো। ছোৱালীবোৰৰ বাবে কাম কৰিবলৈ সুযোগ পালো। কিন্তু সহজ নাছিল সেই সময়বোৰ, প্ৰতিটো খোজতে ই দহবাৰ ভাৱিব লগা হয়। তথাপিও আনৰ কেতেৰা মাত শুনিবলৈ পোৱাটো সাধাৰণ।

আজি ১ আগষ্ট। কলেজ খোলাৰ বাবে সকলো ছোৱালী হোষ্টেলত সোমাইছেহি। নতুনকৈ নামভৰ্ত্তি কৰা ছোৱালীবোৰে ভিৰ কৰিছেহি হোষ্টেলৰ চৌহদ। দিনটো নতুন ছোৱালীবোৰক হোষ্টেলত সোমোৱাওঁতে আধা মৰা যেন হৈ গ'লো।

"অ' কলেজ যাবলৈ দেৰি হৈছে, হেমাজনী ওলালে নাই জানো, সদায় ৰৈ থাকিব লগা হয় এইজনীৰ কাৰণে। ইমান লেজি" মনতে ভোৰভোৰাই থাকোতেই তাই আহি পালে।

"ঐ আকাশী, দেচোন অলপ লিপষ্টিক লগাই লওঁ।

"জলদি লগাই ল', ক্লাচলৈ দেৰি হ'ব।"

"ব'ল ব'ল বৰ উৎপাত তোৰ।"

দুয়োজনী কলেজৰ অভিমুখে ৰাওনা হ'লো।

হেমা মোৰ খুব ভাল বান্ধৱী। বন্ধুত্বৰ এনাজৰীডাল আৰু অলপ সক্ৰিয় হৈ উঠিল মোৰ জীৱনত তাইৰ কাৰণে। প্ৰতিটো সমস্যাই আমি ইজনীয়ে সিজনীৰ লগত আলোচনা কৰো। প্ৰত্যেকটো দুখ-সুখৰ সময়তে তাই মোক লগ দি আহিছে।

কলেজত ক্লাচ কৰি উভতি আহোতে আকাশী বুলি কোনোবাই মাত দিয়া যেন অনুভৱ কৰিলো। ঘূৰি চাই দেখিলো "ৰাগ"।

"অ' ৰাগ মাতিছিলা, কোৱা।"

" ক্লাচ কৰিলা?"

"অ' কৰিলো।"

ৰাগ তিনিচুকীয়া কলেজৰ এজন ধুনীয়া ল'ৰা। ভৱিষ্যতে এজন সফল নাগৰিক হোৱাৰ তেওঁৰ লক্ষ্য। জীৱনটোৰ বৰ্তমান সময়খিনি উপভোগ কৰি ভাল পায়। দুখতো হাঁহি থাকিব বিচাৰে প্ৰতিটো সময়।

"আকাশী তোমাৰ Whatsapp নম্বৰটো দিবা নেকি?"

" অ' তোমাৰটো দিয়া মই মেছেজ দি দিম, এতিয়া যাওঁ বাই।"

"বাই।"

কৈ হেমা আৰু মই দুয়োজনী হোষ্টেললৈ বুলি খোজ দিলো।

গধূলি সময়ত ৰাগক মেছেজ এটা কৰো বুলি মোবাইলটো হাতত তুলি ল'লো। "হাই" বুলি মেছেজ এটা দি পঠিয়ালো। সিফালৰ পৰাও ৰাগে মেছেজৰ সঁহাৰি জনালে। বহুত সময় কথা পাতিলো।

এনেকৈয়ে বহুত দিন ৰাগৰ লগত কথা পাতিলো। বন্ধুত্ব হিচাপে। লাহে লাহে এই বন্ধুত্ব প্ৰেমলৈ পৰিণত হ'ল। কোনোদিন কল্পনা নকৰা, অসম্ভৱভাৱে এটা প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠিল আমাৰ মাজত।

এনেকৈয়ে দিনবোৰ পাৰ হৈ যাব ধৰিলে।

কলেজৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন আহি পালেহি। সকলোৱে ব্যস্ত নিৰ্বাচনী প্ৰচাৰ চলোৱাত। সেই সময়ত হোষ্টেলখনেও একতাৰ বান্ধ ছিঙি পেলালে। একেটা পৰিয়ালৰ মাজত মতাদৰ্শৰ সৃষ্টি হ'ল। ভাবিব নোৱাৰাকৈয়ে এক বিভেদ আহি পৰিল হোষ্টেলৰ ছোৱালীবোৰৰ মাজত। সদায় একগোট হৈ থকা ছোৱালীবোৰৰ মাজত আজি হিংসাৰ পাহাৰ সৃষ্টি হ'ল। কিছুদিনৰ পাছত নিৰ্বাচন হৈ গ'ল। ৰিজাল্টো ওলাল কিন্তু হোষ্টেলত আগৰ একতা ঘূৰি নাহিল। চিঞৰি চিঞৰি জয়গান গাই ভালপোৱা কিছুমানে নিৰ্বাচনৰ পিছতো হিংসাৰ জয়গান গাবলৈ নেৰিলে। এদিন আবেলি প্ৰাৰ্থনা শেষ হোৱাৰ পিছত এজনীয়ে কৈ উঠিল—

"সব ফিফথ ছেমৰ ছোৱালীৰ কথা আছে।"

আমি সকলোৱে ৰ'লো, তাৰ পিছত মোৰ ফালে চাই ক'বলৈ আৰম্ভ কৰিলে—

"তই আজি কলেজৰ পাৰ্কত কিয় বহিছিলি?"

"সবেই বহে সেইকাৰণে মইও বহিছিলো।"

মোৰ খং উঠি আহিব ধৰিলে। বেলেগে বহিলে চকু নাযায়। মই কিন্তু কলেজত কোনোবা এজন ল'ৰাৰ লগত কথা পাতি থকা দেখিলেও সবৰ চকু মোৰ ফালে। এজনীয়ে যি কথাটো আৰম্ভ কৰিলে পাছফালৰ পৰা দুজনীমানে নিচিঞৰিলে ভাল নালাগে গতিকে সেই সদায় কৰা কাৰ্যটো তেওঁলোকে আজিও সম্পাদন কৰি দিছে। আৰে! সাহস আছে যদি আগত আহি ক'বি পাছফালৰ পৰা মাতিবলৈ লাগে কিয়? তহঁতৰ কি সাহস নাই? মনে মনে খং, দুখত ক'ব নোৱাৰা হৈ গৈছিলো। সেই সময়ত মোক সাহস দিয়া পাঁচজনীমান ছোৱালীৰ বাহিৰে বাকী কোনো নাছিল। এটা সাধাৰণ কথাৰ বাবে ইমানবোৰ শুনাৰ মোৰ ধৈৰ্য নাছিল।

"হ'ব, মোৰ ভুল হৈ গ'ল, ছ'ৰি"। কিন্তু এটা কথা কওঁ তহঁতৰ কিছুমানৰ কিন্তু মোক লৈ বহুত প্ৰবলেম। এই বুলি কৈ ৰুমলৈ মই ৰুমলৈ গুচি আহিলো। ৰুমত প্ৰায় দুই ঘন্টা ধৰি মই কান্দি থাকিলো। পিছত নিজেই নিজক বুজালো।

পিছদিনাৰ কথা। এজনী ছোৱালীৰ এটা দুৰ্ঘটনা হোৱাৰ বাবে প্ৰিন্সিপালৰ পৰা আৰ্থিক সাহায্য বিচাৰি আনিলোগৈ। কিন্তু মোক পাৰ্কত বহাৰ খবৰ ৰখা সেই ছোৱালীবোৰে আজিও মই সেই সাহায্য বিচাৰি গৈছো এজনী অসহায় ছোৱালীৰ বাবে সেই খবৰ ল'বলৈহে সিহঁতৰ সময় নাই। দিনটো কামবোৰ শেষ কৰি ৰুমত সোমালোহি।

" আকাশীবা ভাত-পানী এৰিলে নেকি?"

"নহয় অ', এনিবাৰ কাৰণে অলপ টকা বিচাৰি গৈছিলো, সময়ে পোৱা নাই খাবলৈ।"

"আপুনি আজি অকলেই ঘূৰি ফুৰিছে নহয় জানো। আপুনি ছোৱালীবোৰৰ কথা ইমান ভাবে তথাপিও দেখোন আপোনাকেই বেয়া পায়। এই কথাটোহে মই বুজি নাপাওঁ। আপুনি বিনা স্বাৰ্থত কাম কৰি ফুৰিছে আৰু কিছুমানে স্বাৰ্থ সিদ্ধিৰ বাবে মৰিছে। ধুৰ! ইমান স্বাৰ্থপৰ ছোৱালীবোৰ।"

'নাপায় অ' তেনেকৈ ক'বলৈ। মই ছাগে দুৰ্ভগীয়া। আনৰ বাবে কাম কৰিবলৈ গৈ সদায় আনৰ অৱহেলিত বাক্য, অৱহেলিত চাৱনিৰহে মুখামুখি হ'ব লগা হয়।" এই বুলি কৈ মই বিচনাত পৰিলো। অলপ সময় এই পৃথিৱীৰ, এই হোষ্টেলৰ সমস্ত দুখবোৰ পাহৰি যাবলৈ চেষ্টা কৰিলো।

এনেকৈয়ে মোৰ জীৱনৰ পাঁচটা বৰ্ষ পাৰ হৈ গ'ল। হাঁহি-কান্দোন, ধেমালি, মৰম সকলোবোৰ নিহিত হৈ আছে এই কলেজখনৰ লগত।

হে' তিনিচুকীয়া কলেজ, তোমাৰ তুলনাবিহীন এই সৌন্দৰ্য অপাৰ, তোমাৰ কোলাত ওমলা এই পাঁচটা বৰ্ষ সদায় চিৰস্মৰণীয় হৈ ৰ'ব। কৃষ্ণচূড়াৰ পৰশ, সোণাৰুৰ খিলখিলীয়া হাঁহিত সদায় জীপাল হৈ থাকক তোমাৰ যৌৱন।

কবিতাৰ কুঁকি

# মাইকেল জেকচনৰ ডেঞ্জাৰাছ আৰু মোৰ কবিতা

*A Fusion : My Creative Madness*

— টমাছ সোণোৱাল



*Michael, Michael... It's Michael*
*Light... Camera... Action*

সপোন এটা বান্ধি লৈ তেওঁ আহিছিল
সপোন এটাৰে তেওঁ মোক শিকাইছিল জীৱনৰ
বুনিয়াদ
মই হেৰুৱাইছিলো নিজক
আঁকোৱালি থ'লো তেওঁক বুকুৰ মাজত

*The way she came into*
*The Palace*
*I knew right then and there*
*There was something different*
*About this girl*
*The way she moved*
*Her hair, her face, her lines*
*Divinity in Motion*

*So Let's Dance...* ব'লক এপাক নাচোঁ

সময় নাথাকে কাৰোৰে বাবে থমকি
হালধীয়া সৰাপাতৰ দৰে মোৰ প্ৰিয় ৰঙত
এৰিছিল তেওঁ হালধীয়া সুবাস
আঁকিছিল গোপনে মোৰ দুবাহুত বান্ধনি বেলি
হৈ উঠিছিলো প্ৰেমৰ নাৱিক
প্ৰতিটো ক্ষণত প্ৰতিটো প্ৰহৰত
তেওঁক বিচাৰি
বুকুত জাগিছিল দুৰ্ঘোৰ হাবিয়াস

*As she stalked the room*
*I could feel the aura*
*Of her presence*
*Every head turned*
*Feeling passion & lust...*

*Michael, Michael... It's Michael*

মোৰ আঙুলিত ধৰি তেওঁ চাইছিল উদিত সূৰ্য
তেওঁৰ আঙুলিত মই বিচাৰিলোঁ আগনিশাৰ সপোন
লাহে লাহে কৰ্পূৰ হৈ উৰিছিল ফেণ্টাছি
ছাই হৈ পৰিব খুজিছিল নীলা সাগৰৰ দুনিয়া
কথা নুশুনি তেওঁ ভালপাব খুজিছিল পৃথিৱী
পৃথিৱীয়ে নাজানে কিমান সংঘাটিক
প্ৰেমৰ অপবাদ, জ্বালা-যন্ত্ৰণা
কোনেও গম নোপোৱাকৈয়ে বলিছিল
মোৰ বুকুত এজাক ধুমুহা

*The Girl was persuasive*
*The Girl I couldn't trust*
*The Girl was bad*
*The Girl was Dangerous*

ব'লক এপাক নাচোঁ.... *Let's Dance.*

বিপদ সীমাৰেখাৰ পাৰে পাৰে কৰিছিলোঁ প্ৰাতঃভ্ৰমণ
তেওঁৰ ব্যাকুল আহ্বানে মোক কৰি তুলিছিল বলিয়া
কৈছিল মোক চৰাইৰ হোৱাৰ বাসনা
নাকচ কৰি ওভতি আহিছিলোঁ নিৰৱে ঘৰ
ফোনৰ মাতত সেমেকিছিল মোৰ চকু
মই হৈ পৰিলো ক্ৰমাৎ অকলশৰীয়া



*Michael, Michael... It's Michael*

*I never knew but I was*
*Walking the line*
*Come go with me*
*I said I have no time*
*And Don't you pretend, didn't we*
*Talk on the phone*
*My baby cried*
*She left me standing alone...*

ব'লক এপাক নাচোঁ... *Let's Dance.*
*It's Dangerous*

*She's so Dangerous*
*The Girl is so Dangerous*
*Take away my money*
*Throw away my time*
*You can call me honey*
*But you're not damn Good for me*

প্ৰাৰ্থনা এটাৰ সলনি ৰাতিবোৰক কৈছোঁ
কেনেকৈ প্ৰেমৰ কাৰণে মানুহ হ'ব পাৰে অন্ধ
অথচ প্ৰেমৰ অবিহনে সকলো কথাই মিছা
এটা উচাহতেই দেখোন ফুলি উঠে অতবোৰ ফুল
তথাপিচোন প্ৰেমৰ বাবত সকলো হৈ উঠিব নোৱাৰে
শুভ্ৰ প্ৰেমিক বন্ধু... যুগ যুগান্তৰৰ
অন্তৰীক্ষত চিৰদিনৰ সাক্ষী

*The Girl is so Dangerous*
*I have to pray to god*
*'Cause I know how*
*Lust can be blind*
*It's a passion in my soul*
*But you're no Damn lover*
*Good frind of mine*

*Dangerous... It's so Dangerous*
*Dangerous*

ব'লক এপাক নাচোঁ... *Let's Dance.*
*Dangerous*





# বিদায়ৰ চিঠি

সুৰম্য প্ৰিয়দৰ্শন গগৈ
প্ৰাক্তন ছাত্ৰ

এই যে এৰি যাওঁ বুলি
যাব নোৱাৰো
কৃষ্ণচূড়াৰ তলৰ ভালপোৱাৰ ৰ'দবোৰ
এৰো বুলি এৰিব নোৱাৰো তোমাক
তুমি গুচি যোৱাৰ পিছতো ৰৈ যাওঁ
তোমাৰ ভৰিৰ
ধুলিবোৰ গৰকি
উশাহ সলাওঁ
ইপাক সিপাক চৌপাশ
জাৰত কঁপো
তুমি এটা
ছুৰেটাৰ নিদিয়া গুঁথি
একেটা বাটেৰে গৈ থাকো
তোমাৰ চুলিৰ গোন্ধ লৈ
তোমাক এৰি যাব নোৱাৰো
তথাপি গুচি যাওঁ।



# জোনাকৰ সতে এনিশা

কংকনা সোনোৱাল
পঞ্চম ষান্মাসিক

ডাৱৰৰ বুকু ভেদি অহা
জোনাক
দূৰত অলেখ তৰাই আঁকা
পোহৰৰ বাট
আকাশলৈ চাই পাৰ
কৰিছো সময়
চোতালত সৰি পৰা নিয়ৰৰ টোপাল
আৰু শেৱালি ফুলৰ গোন্ধে
সজীৱ কৰিছে ৰাতি
জোনাকক সাৱটিছো
ৰাতিৰ অচিনাকী
চৰাইৰ মাত
শুনিছো
ধোঁৱাৰ মাজত
জুই হৈ
জ্বলিছো
তোমাৰ বাবে।





# অপেক্ষা

ইনলিছা দহোতীয়া
প্ৰথম ষাণ্মাসিক, বিজ্ঞান শাখা

তোমাক ভালপোৱাৰ বাবেই
মই হাঁহিবলৈ শিকিছিলো,
সপোন দেখিছিলো
কান্দিবও শিকিছিলো।
সপোনৰ কাৰেং সাজিছিলো........।
হৃদয়খন সজীৱ হৈছিল
তোমাক লৈ।

তোমাৰ প্ৰতিটো কথাই মোক
উন্মাদ কৰিছিল,
আৰু মই ..
আবেগিক হৈ পৰিছিলো
তোমাৰ ওচৰত
হঠাৎ অহা
বতাহ এজাকতে
ভাঙি পৰিছিল
মোৰ সপোনৰ কাৰেং
তথাপিতো তোমাৰ বাবে
বাট চাই আছো আজিও।





# বানপানী

শ্যামলী গগৈ
স্নাতক তৃতীয় ষাণ্মাসিক

তই নাহিবি, নাহিবি তই
হাজাৰ হাজাৰ মানুহৰ
সপোন ভাঙিবলৈ,
কিয় কাঢ়ি লৈ যাৱ
চপৰা চপৰে কৃষকৰ
গাৰ মঙহ।
কুৰুকি কুৰুকি খাৰ
বুকুৰ তেজ।
সেউজীয়াবোৰ কাঢ়ি
মোৰ আইক বলিয়া কৰি
কি পাৱ তই......।
তই জাননে
মানুহৰ দুচকুত এতিয়া
জুই জ্বলিছে,
হেৰুৱাই পেলাইছে
জীৱনৰ সৰ্বস্ব
তোৰ বাবেই মানুহবোৰে
খোজ দিছে
অচিন বাটত।





# সৌমন্তী

বিমন্ত দহোতীয়া
প্ৰথম ষাণ্মাসিক
বিজ্ঞান শাখা

শাওণৰ মন পৰশা বৰষুণজাক গ'লগৈ।
পথাৰখন এতিয়া নিতান্তই সেউজীয়া
সকলো কৃষকৰ হেঁপাহভৰা দুচকুত
এতিয়া গজিছে নতুন নতুন আশা
ক্লান্তিময় সময়ক পাৰ কৰি,
তেওঁলোকে এতিয়া বিচাৰিছে
শৰতৰ জোনাকফুলীয়া শেৱালি।
আৰু মনবাসনাৰ পূৰ্ণতা বিচাৰি
আদৰিব ধৰিছে শাৰদী ৰাণীক,
তেওঁলোকে যেন এগছি প্ৰদীপ শিখা জ্বলাব
এমুঠি শান্তিৰে যেন নিতৌ জীয়াই থাকে
তাৰেই আশীষ বিচাৰি
যাচিব এখনি শৰাই।
মোকো বাউল কৰে সেই শৰতৰ আগমনে
শেৱালিৰ সুবাস সনা সেই শীতল জোনাকত
শেতেলি পাৰোঁ আৰু লিখোঁ কবিতা
প্ৰেমিক চৰাইৰ কবিতা
বিচাৰি ফুৰোঁ জোনাকী পৰুৱাৰ
মৌনতাপূৰ্ণ ওঁঠ।
কোনোবা নাৱৰীয়াই আবেলিৰ হেঙুলীয়া বিচাৰি
বহু দূৰ নাও বাই আহে
আৰু ফটিকাৰ মৌ পি সুহুৰিয়াই সুহুৰিয়াই
শাৰদীয় ৰাতিৰ নিফুট জোনাকত
ঘৰলৈ ওভতি যায়।

# তোমাৰ অবিহনে

মায়াশ্ৰী ঠাকুৰ
প্ৰথম যাণ্মাসিক, কলা শাখা

ব্যস্ততাৰে পাৰ হৈছিল
মোৰ প্ৰতিটো দিন
তথাপিতো,
প্ৰতিটো ক্ষণতে
তোমাকে সুঁৱৰিছিলো মই
যাৰ উমাল পৰশত
মোৰ হৃদয়ত
ফুলি উঠিছিল
এপাহি ৰজনীগন্ধা।
আজি সেই অতীতৰ স্মৃতিকে
মোৰ বুকুত সাঁচি থৈ
নিঃসংগতা আৰু চকুলো সাৰথি
জীয়াই থাকিবলৈ শিকিছিলো
তোমাৰ অবিহনে।
ব্যস্ততাৰে পাৰ হৈছিল
মোৰ প্ৰতিটো দিন
অপেক্ষাৰে বাট চাইছিলো
ফাগুনৰ পছোৱাজাকলৈ
যাৰ সুবাসত
মই মোৰ অতীতৰ
মধুৰ ক্ষণবোৰ বিচাৰি পাওঁ
তোমাক বিচাৰি পাওঁ।
বতাহ এজাক বলিছিল
আহিছিল এজাক বৰষণ
আৰু মই বিচ
পাইছিলো
প্ৰেমৰ সংজ্ঞা





# শৰত

মৃগাঙ্ক চক্ৰৱৰ্তী
পঞ্চম যাণ্মাসিক, (বাণিজ্য)

ৰূপালী জোনাকৰ স্নিগ্ধতাৰ
মাজেৰে শৰত আহে সংগোপনে।
শৰতৰ কোমল পুৱাত
শেৱালিৰ মিঠা সুবাসৰ আগমণ।
শৰততে নিয়ৰে
মুকুতাৰ মালা গাঁথে,
দুবৰিৰ ওপৰৰ মুকুতাৰ টোপালবোৰে
সংকেত দিয়ে
জীৱন আৰু যৌৱনৰ মধুৰ আলিংগন।
শৰততে ৰঙা গোলাপৰ
ৰং ছটিয়াই পাহিবোৰে
কঁহুৱাৰ দোলনত
মন হয় উন্মনা।
শীতল, সজীৱ আৰু নিৰ্মল ৰূপ লোৱা
সেউজী ধাননি হয় সগৰ্ভা শৰততে
ৰূপালী জোনাকৰ স্নিগ্ধতাৰ
মাজেৰে শৰত আহে সংগোপনে।



# উপলদ্ধি

মেৰী লালুং
তৃতীয় যাণ্মাসিক
বাণিজ্য শাখা

নামহীন দুখৰ কাৰণ কি?
ভালপোৱা নে আন কিবা
প্ৰেমৰ শব্দত
শিহৰিত হওঁ
সেই শিহৰণক খেদি খেদি
আজি মই দিশহাৰা

কাৰোবাক দুখ দি
নিজে সুখ পাব বিচৰা
কিযে এক অনামী ইচ্ছা
হৃদয়ৰ চুকে-কোণে লুকাই থকা
মৰমবোৰক কিয় বাৰু
দিব পৰা নাই
কাৰোবাক বিলাই

হয়তো কেতিয়াবা নিজেই জাহ যাম
এই মাটিৰ বুকুত অকলশৰীয়াকৈ
কাৰোবাৰ মনত
দুখ দি।







# হে' নৱাগত

মনজ্যোতি মৰাণ
তৃতীয় যাণ্মাসিক, কলা শাখা

হে' নৱাগত, গোৱা তুমি
গোৱা তুমি নতুন দিনৰ গান
সৃষ্টিৰ বুৰঞ্জীত তোমাৰ তেজেৰে
ধোৱা অন্য এখিলা পাত
লিখা সোণালী আখৰেৰে
তোমাৰ প্ৰতিভাৰ সুন্দৰ সপোন,
হে' নৱাগত, আদৰিছোঁ তোমাক
নৱ-প্ৰভাতৰ নতুন দিগন্তত তুমি
ন-কৈ সজোৱা সমাজ
তোমাৰ যৌৱনৰ অফুৰন্ত শক্তিয়ে
সাৰ পালে কৰিব বিশ্ববিজয়,
হে' নৱাগত, জাগি উঠা,
কৰি যোৱা অবিৰত সংগ্ৰাম
গোৱা তুমি মানৱতাৰ জয় গান
তোমাৰ সৃষ্টিৰে সজোৱা
নকৈ ধৰণী,
তোমাৰ সৃষ্টিৰে হ'ব
নৱ-প্ৰজন্মৰ হিয়াৰ উৰ্মিমালা,
প্ৰেৰণাময় গাঁথা,
হে' নৱাগত, গোৱা তুমি
নতুন দিনৰ গান।

# নিয়তি

**গৌৰৱ বৰ পাত্ৰ গোঁহাই**
প্ৰথম ষাণ্মাসিক, অসমীয়া বিভাগ

সৌন্দৰ্যৰ মূৰ্তি আগত লৈ
পূজাৰীয়ে পূজা কৰে
ভক্তক সাক্ষী কৰি
ঈশ্বৰৰ সন্ধানত,
পূজা আহে পূজা যায়
পূজাৰ শেষত মূৰ্তিবোৰৰ
ভক্তৰ ভক্তি শেষ হৈ যায়,
কেতিয়াবা নদীৰ পানীত,
কেতিয়াবা বৃক্ষৰ তলত
কেতিয়াবা সৌন্দৰ্যৰে পৰিপূৰ্ণ
ৰাস্তাৰ কাষৰ চুকত,
মাথো বৈ যায় পূজাৰ তাৰিখ,
মায়াশীল জীৱনত
দুখ-সুখ, কল্পনা-বাস্তৱ,
অভাৱ-অনাটন, চকুৰ পানীলৈ
আমিও আহি আছো, গৈ আছো
মাথো বৈ গৈছে
সাত হাত দীঘল গাঁতত
দেহাৰ সাৰুৱা কংকাল,
আকৌ আহিমনে ঘূৰি?
আহি আছো, গৈ আছো,
এয়াই মায়াৰ জৰী।





# প্ৰকৃত সুখ, প্ৰকৃত দুখ

**চন্মান নেৰাৰ**
প্ৰথম ষাণ্মাসিক, বাণিজ্য শাখা

জেপ খালি থকাজনক সোধা
পইচাৰ মূল্যৰ কথা
অনাথ এজনক সোধা
তেওঁৰ মা-দেউতাৰ কথা
তেওঁলোকৰ মহত্ব আৰু মহানতাৰ কথা
নিজকে যন্ত্ৰণাত জ্বলি-পুৰি
আমাক পোহৰাব খোজা
বিশ্বৰ সেই অদ্ভুত প্ৰেমৰ কথা।
চকু নথকাজনক সোধা,
জ্যোতিৰ কথা
আমি দেখা বিশ্বৰ ৰংগমঞ্চৰ কথা।
ভৰি নথকাজনক সোধা,
সপোনবোৰক খেদি খেদি ভাগৰি পৰা
সেই চেণ্ডেলবিহীন নগ্ন ভৰিৰ কথা।
এপইচাত পাঁচটা চকলেট লৈ
উফৰি ফুৰাৰ কথা।
বধিৰজনক সোধা
আইৰ সাধুকথাৰ কথা
ল'ৰালিৰ নিশাত লাল-কাল যোৱা
সেই মধুৰ সুৰেৰে কোৱা
পৰীদেশৰ সাধুবোৰৰ কথা।





# হে মানৱ, জাগ্ৰত হোৱা

**অনুপম শৰ্মা**
তৃতীয় ষাণ্মাসিক, বিজ্ঞান শাখা

হে মানৱ, জাগ্ৰত হোৱা
পৃথিৱীখন মানুহৰ তেজেৰে কলুষিত নকৰিবা
বন্দুক-বাৰুদ এৰি নাঙলত ধৰা
পৃথিৱীখন শস্য শ্যামলা কৰি তোলা
মানুহ হৈ মানুহক মাৰি কি পাবা?
কি পাব তেজেৰে নৈ বোৱাই?
কি পাবা কণ কণ শিশুক অনাথ কৰি?
কি পাবা জাতি-ধৰ্মক লৈ ৰাজনীতি কৰি?
হে মানৱ, জাগ্ৰত হোৱা
অমানৱতা ত্যাগ কৰা,
মানৱতাক আঁকোৱালি লোৱা,
ফুলৰ সুবাস বিলোৱা।
আমি সজাগ হ'বৰ হ'ল
আমি মানুহ
এয়াই আমাৰ পৰিচয়।
জাতি-ধৰ্ম প্ৰভেদ এৰি
কেৱল মানুহ হৈ থাকিব নোৱাৰোনে আমি?
কি হিন্দু,
কি মুছলমান,
কি শিখ,
কি খ্ৰীষ্টান,
সকলোৰে গাত দেখোন একেই তেজ।
হে মানৱ,
এই সকলো বিভেদ এৰি,
কেৱল মানুহ হৈ থাকিলে
পৃথিৱীখন কিমান সুন্দৰ হৈ পৰিব
ভাবি চাইচানে কেতিয়াবা?





# এক এপ্ৰিল

**বিতুপন বৰুৱা**
ষষ্ঠ ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ

আজি এক এপ্ৰিল, ২০১৬ বৰ্ষ।
ভাবি নলবা এইয়া মোৰ বাবে 'এপ্ৰিল ফুল' নহয়
মোৰ দুচকুত ভাঁহি উঠিছিল
মাথো তোমাৰ দুচকু
আৰু সোণবৰণীয়া চুলিকোছা
ক'ব খুজিও ৰৈ গলো
হৃদয়ৰ ভাষাবোৰ
কিজানি এই অস্তাচলৰ লগনত
তোমাৰ দুগাল ৰঙা-চিঙা হৈ পৰে।

আজি এক এপ্ৰিল,
এই বিদায়ৰ ক্ষণত মোৰ
মাতবোৰ ফুটা-নুফুটা হৈ পৰিছিল
ভাঁহি উঠিছিল গৰকি থৈ যোৱা
সেই সুন্দৰ বসন্তবোৰ,
তোমাৰ সৈতে কটোৱা হাঁহি ধেমালিবোৰ
কলেজৰ বাৰাণ্ডাত বহি পৰিছিলো মই।



# জীৱ-শ্ৰেষ্ঠ

ৰাষ্ট্ৰজিৎ মৰাণ
তৃতীয় যান্মাসিক, অসমীয়া বিভাগ

গভীৰ নিশা
তেতিয়া সময় বাৰ বাজিছে
সমস্ত ধৰণী গভীৰ নিদ্ৰাত
কোনোফালেই সাৰ-সূৰ নাই
নিজান- নিতাল পৰিৱেশ....
ঠিক তেনে সময়তে ভাঁহি অহা শব্দত
সাৰ পাই গ'লো সেই দোভাগ ৰাতি
শব্দক অনুসৰণ কৰো, আচৰিত হওঁ
নকৈ বাঢ়ি অহা গছজোপাই নিৰৱে উচুপিছে
দুখ মাথো এটাই—
জীৱ শ্ৰেষ্ঠ মানুহে বোলে কাটি নিঃশেষ কৰিছে।
টোপনিৰ পৰা উঠি গৈ দেখো
গছৰ ডালত বহি থকা অজান পখীটিয়ে সান্ত্বনা যাচিছে
দুখ কৰাৰ কাৰণ নাই, তাৰো হেনো একেই দশা
তথাপিও আনন্দৰ সুৰ তুলিছে
অলপ দূৰ আগুৱাই চাওঁ জীৱ-জন্তুবোৰেও আৰাও জুৰিছে
তেওঁলোক বোলে নিৰাপত্তাহীনতাত ভূগিছে
এখোজ আগবাঢ়ি দেখো জলচৰ প্ৰাণীবোৰো
বিলুপ্তি হ'বলৈ ধৰিছে
আৰু কত যে কি
ইফালে জনতাৰ বুভুৎস আস্ফালন
আনফালে হিংসা-সন্ত্ৰাস, হত্যা, লুণ্ঠন, ধৰ্ষণ
কিয় এনে আজৱ কাণ্ড জীৱশ্ৰেষ্ঠৰ
ধৰিত্ৰীয়ে  নিৰৱে চকুলোঁ টুকিছে..
এবাৰ ভাৱি চাইছানে মানৱ
তোমালোকৰ এনে দানৱৰ কাণ্ড লজ্জাজনক কথা
শ্ৰেষ্ঠতৰ পৰিচয় দিবলৈ নিজক সংশোধন কৰা
কৰি অহা কাৰ্যক উলটি চাই এবাৰ প্ৰশ্ন কৰি চোৱা
আমি (মানৱবোৰ) সঁচাই শ্ৰেষ্ঠনে?

# আক্ষেপ

মন্টু মৰাণ

ভোগালী বিহুৰ শুভ ইচ্ছা
জনোৱা নহ'ল

তুমি,মই
আমি
সকলোবোৰ ভোগতে ব্যস্ত

সময় সলনি হ'ল
বন্ধু বেগাই
সলনি হ'ল মানুহৰ মনবোৰো।



# প্ৰেমৰ এখন ছবি

শ্যামলী সোনোৱাল
প্ৰথম যাণ্মাসিক, বিজ্ঞান শাখা

বসন্তৰ একোঠালী জোনাকত
তোমাৰ চকুৰ মণিত জিলিকিছিল
মোৰ এখন ছবি
তোমাৰ বহল বুকুৰ সুৰভিয়ে
নিৰৱে আছন্ন ক'ৰে
প্ৰাণৰ কোঁহে কোঁহে...
হাত মেলি খেপিয়াওঁ
তোমাৰ বুকুত থকা
একৰণি ফুল
হঠাৎ, তোমাৰ তপত নিশাহত
বৈ অহা এজাক বতাহে
তোলপাৰ কৰে মোৰ মনৰ পুখুৰী।







ENGLISH SECTION

# Violence and Its Harmful Impact on Women

Dr. Roshmi Dutta
Associate Professor
Department of Political Science



## Introduction :

The term *violence* is ambiguous and relative as it can be interpreted with changing circumstances, different societies, religions, institutions, poverty and income distributionetc. But from the evolution of civilisation to present era, the violencehas been inflicted on women. Violence has been surrounded a women's life since from birth till its death and has became a routinised affairs in all societies of the world since time innumerable centuries. This Violence against women is a form of gender discrimination and violation of human rights persists all over the world. International bodies are trying to protect women's rights and dignity through various treaties and declarations. Even though there is raising awareness against these issues there has been little progress in reducing the violence against women and leaving millions of women to live in to extreme misery and pain. Women in Indian society have been victims of ill treatment, humiliations, torture and exploitation as long as written records of social organisation and family life are available. Violence runs along with the terms of power in the sex/gender system. Violence against women hasbeen never ending like most offences, crime against women is steadily on the rise in India.Violence against women in India is broadly classified women in India under institutional and non- institutional from violence against women and has been showing an alarming trend.

### *Mapping of Women's Rights Violations in India*

**Trafficking of women**

Indian Constitution prohibits all forms of trafficking under Article 23. It has been observed poor helpless families and tribal society have become the main target group of traffickers. Trafficking has become great human problem in all over human society. Trafficking in its widest sense include the exploitation girls by pushing them into prostitution, forced labour or services, slavery or practices similar to slavery and the trade in human organs. The trafficking of women is the most abominable violence against women. Trafficking in human beings especially in women has become a matter of serious national and international concern. Human trafficking is not a standalone issue. It is closely related to other issues that threaten security well being of the victims. Victims are exposed to continuous threats of physical violence by traffickers to ensure compliance. There is no universally accepted definition of trafficking for sexual exploitation. It includes trafficking for prostitution, commercial sexual abuse, pedephilia, pornography, cyber sex and different types of disguised sexual exploitation that take place in some of the message parlour, beauty parlours, bars and other manifestations like call girls racket, friends clubs etc. The growing traffic in women is principally for the purpose of prostitution which can be found in both developing and industrialised nations. In India too, over the last decade, the volume of women trafficking has increased. While the Indian constitution prohibits human trafficking and successive governments have formulated laws intended to tackle it, with the primary legislative too being the Immoral Traffic (Prevention) Act 1956. From 2011 to 2012, there was a 26.3% decrease in girls imported to India from another country. Karnataka had 32 cases, and West Bengal had 12 cases, together accounting for 93.2% of the total cases nationwide.From 2011 to 2012, there was a 5.3% increase in violations of the Immoral Traffic (Prevention) Act of 1956.Tamil Nadu had 500 incidents, accounting for 19.5% of the total nationwide, and Andhra Pradesh had 472 incidents, accounting for 18.4% of the total nationwide.In addition to this, cross border trafficking has also become one of the vulnerability of women.

***Rape and Sexual Assault***

Available data on the incidence of violence against women show that violence against women in India is common and high, while not the highest in the world (UN Women 2011). In interviews in the NFHS -3, every third Indian woman aged between 15 and 49 years said that she had experienced sexual or physical violence in her lifetime. Crimes against women occur every minute; every day and throughout the year, though several such crimes go unreported. In India there has been a significant increase in the numbers of rape cases in the last 10 years. According to National Crime Records Bureau, in 2012, 25000 rape cases were reported In India in the rural areas, particularly in Northern India, the upper caste people use mass rapes as a strategy to have power over the members of the lower caste groups. The brutal gang rape case in Delhi had led to the passage of a stricter Law i.e. The Criminal Law



(Amendment) Act 2013 to deal with the rape cases in India.Assam has reported the highest rate of crime against women at 89.5 during the year 2012 as compared to 41.7 crime rate at the national level.

Another form of violence is sexual harassment, sometimes called "eve teasing," remained prevalent in our society. According to the NCRB(National Crime Records Bureau) , 8,570 cases of sexual harassment were reported in 2011, a 14 percent decline from 9,961 cases in 2010; however, there were 42,968 cases of molestation, nearly a 6 percent increase from 40,613 cases in 2010. Cases of rape and molestation remained largely unreported due to social pressure.

**Dowry Deaths**

The demand of dowry is violence against women in Indian traditional society. Dowryrelated crime has become very common in these days. Though the government of India passed the Dowry Prohibition act in 1961 but the unusual dowry deaths of the women at their matrimonial home has been increasing. According to the NCRB, in 2011 there were 8,618 reported dowry deaths, mostly bridal deaths at the hand of in-laws for failure to produce a dowry. Uttar Pradesh had the highest number of dowry deaths with 2,322 cases, followed by 1,413 cases in Bihar. The NCRB reported that 23,280 persons were arrested and 6,503 persons were convicted for dowry death in 2011.Deep rooted mentality of male domination, employment and social insecurity are the root causes of dowry evil.The rising consumerism makes the dowry situation most horrible day by day in India.

***Female Foeticide***

The journey of crime against women starts in the womb of mother. More women die in one week from pregnancy related complications in India than all the women die in Europe throughout the year. The crime against female feticide is practised more in developed states in India. Nobel Prize winner Prof. AmartyaSen first time used the term ***missing women*** and tried to catch eye of the world that in many developing countries the proportion of women as compared to men in the population is suspiciously low. Women are the victim of infanticide, foeticide, sex-selective abortion which has become common due to the amniocentesis technology, and mal-nourishment among girl children. In India it is estimatedthat around 10 million female foetuses have been aborted in the last 20 years. This is only because of son preference in patriarchal Indian society. The old age attitude of society ***to must have a son*** has not change. Above all it shows that discrimination against women starts in the womb of mother. In spite of our government effort to preventing female foeticide by the act of ***The Pre- Natal Diagnostic Techniques( Regulation and Prevention ofMisuse) Act***, 1994 , still it posed a threat to girl foetus.

**Conclusion:**

In the conclusion, it can be said that women are in a disadvantageous position in society both in absolute sense and relative to men in the area of access to education, employment and health care. Women face violence inside and outside their family, as well as at the workplace. The Indian girl child is

disadvantaged right from birth. Indeed, violence against women is often tolerated and justified, by men as well as women. The prevalence of violence against women and the extent of its under-reporting is neither well understood nor sufficiently challenged. While under-reporting is a global phenomenon, it seems to be particularly high in India. Acceptance of patriarchal norms by men and women is, however, not the only reason why under-reporting in India is high. This problem is deeply rooted in poverty, lack of employment opportunities, harsh economic conditions, illiteracy, lack of awareness, traditional customs etc. Government of India have initiated several measures to eradicate violence, but legal measures alone cannot stop in women's suffering until and unless we are not come out from our traditional mind set. *What is both tragic and alarming is that in an era of modernity and globalisation, when women are carving their own niche in every field, the feudal and patriarchal mindset remains as strongly rooted as ever in our civil society.*

**References :**


1. Crimes in India – 2010, *NCRB,* Ministry of Home Affairs.
2. DHANOA*, RITU , VIOLATION OF WOMEN HUMAN RIGHTS *IN INDIA, SHIV SHAKTI,* International Journal in Multidisciplinary and Academic Research (SSIJMAR), Vol. 1, No. 4, November-December.
3. Gupta. Vasudha, *Note on violence against women* in Ed. H. Sudhir&JubitaHajarimayum, Violence against women in Northeast India with special reference to Assam, Manipur and Tripura, Akansha Publishing House, New Delhi, 2005. Ministry of Home Affairs, Government of India, New Delhi.
4. NCRB, (2011), *Crime in India: Statistics-2011,* National Crime Records Bureau,
5. Rasida. Begum, *Violation of Women Rights in India, International Journal of Humanities & Social Science Studies (IJHSSS)* ,Scholar Publications, Karimganj, Assam, India, Volume-I, Issue-III, November 2014, Pp- 216-224.
6. Singh, Devinder, *Human Rights : Women and Law,* Allahabad law agency, Second Edition, Faridabad, 2010.






TINSUKIA COLLEGE LIBRARY ESTD 1956 TINSUKIA, ASSAM

# UNDERSTANDING JOHN KEATS AND HIS ART OF COMPOSING POEMS

**Rupam Kumar Boro**
Faculty, Department of English



"If poetry comes not as naturally as Leaves to a tree, it had better not come at all." (Letter to John Taylor, February 27, 1818)

John Keats (born - October, 31, 1795, London, England. died- February, 23, 1821, Rome, [Italy]) belonged to the Age of Romanticism. He was educated at Clarke's School in Enfield and at the age of fifteen he was apprenticed to become a surgeon. Composing and becoming 'in one' with poems was in the veins of Keats. He left the job of a surgeon and devoted his life to an art- which was more then merely constructing and designing words and lyrics.

Keats love for poetry was instilled in him by his former school master's son Charles Cowden-Clarke.

John Keats emergence as a poet was significant from various factors. Firstly, he lived in period when the evil- impact of Industrial Revolution was thoroughly visible. (Industrial Revolution was a process when the procedure for manufacturing and producing goods were changed in an advance way. The transition included going from hand production methods to machines, new chemical manufacturing, improved efficiency of water power, increased use of steam power, development of machine tools and the rie of the factory system. The Industrial Revolution began in the United Kingdom. The time- period of the revolution range from (1760-1840). Secondly, the age of Romanticism ushered a new flow that was vital in comprehending his poems. Thirdly the poems had a uniqueness which was different from the earlier (NEO- CLASSICAL AGE) and latter periods (VICTORIAN AGE AND MODERN PERIOD). Fourthly Keats short span of life was ornamented with such an artistic vision that was not possessed by other poets of the time. Fifthly Nature, Sculpture, Human Love and Despondency, Acknowledging the power of death and Admiration for Fanny Brawne are some of the themes found in his poetry. Sixthly Keats attempted to act as mediator between

Man and Nature.

What is Romanticism? It is a mistake to read and understand poetry (of Keats) without an adequate knowledge of the Romantic Movement. As mentioned earlier John Keats was born in the time when Romanticism was at its peak.

The concept of Romanticism have reference to the word 'romance'. The word 'romance' signifies four different meanings associated with literature.

I. A medieval tale based on legend, chivalric love and adventure for super natural.

II. A prose narrative treating imaginary characters involved in events remote in time or space and usually heroic, adventurous or mysterious.

III. A love story.

IV. A class or division of literature comprising romance or romantic fiction.

Romanticism, on the other hand, was a literary, artistic and philosophical movement. It had its origin in Europe in the eighteenth century and lasted approximately until the mid-nineteenth century. The following are the prime characteristics of the movement :-

I. Appreciation of the Beauty of Nature.

II. A general exaltation of importance given to emotion rather then the intellect.

III. A turning-in upon the self and a heightened examination of human personality.

IV. A new view of the artist as a supremely individual creator. This individual creator breaks the rules and traditions followed by society.

V. An emphasize upon Imagination as a gateway to transcendental experience and spiritual truth.

VI. A consuming interest in folk culture, national and ethnic cultural origins and the medieval era.

VII. A 'special' liking for weirdness, occult, monstrous, diseased and Satanic (evilness).

**Romanticism can be chiefly studied from two different phases :-**

**Romanticism**

**1st Phase**

- Year (1790's)
- Poets (Samuel Taylor Coleridge/William Wordsworth/William Blake).
- Year- 1798 Lyrical Ballads 1794-Songs of Innocence and Experience. 1817/47-2 Vol. Biographia Literaria.

**2nd Phase**

- Year (1805-1930's)
- Poets (John Keats/Percy Bysshe Shelley/ Lord Byron).
- Year- 1812 Childe Harold's Pilgrimage 1818- Endymion 1820- Prometheus Unbound.

VIII. A preoccupation with the genius, the hero and the exceptional figure.

As evident from the diagram we can see Coleridge, Wordsworth and Blake pioneered thier works. We would also notice that all the three poets not only composed poems. The art of autobiographical elements are also present. Songs of Innocence and Experience (1794), Lyrical Ballads (1798) and Biographia Literaria in 2 volumes (1st edition-1817; 2nd edition-1847) not only commence about their individual opinion on poetry. They are also





marked by a colour of their personal touch as well.

The second phase was marked by a quickening of cultural nationalism and a new attention to national origins. This was evident from collection and imitation of native folklore, folk ballads and poetry, folk dance and music and previously ignored Medieval and Renaissance work. All this historical dealings were revived in the art of crafting novels by Sir Walter Scott. He is considered as the inventor of historical novel.

It is during this phase when poetry reached its zenith. John Keats, Lord Byron and Percy Bysshe Shelley were taken into this category.

Now we will locate John Keats poems and the technique of employing his creativity. A few of his poems are discussed in details.

"A Thing of Beauty" is one of the poems which have appalled the readers for centuries. It is actually an excerpt taken from his long poem Endymion (1818). This particular poem is actually divided into four divisions of books composing of four thousand lines. There are many preferences alluded to the character Endymion. According to one interpretation he was given boon by Zeus to have an everlasting sleep so that he can remain youthful forever. In another interpretation his eternal sleep was a punishment be Zeus. In both the interpretations one mythical pair was common. It was Selene, Goddess of the Moon, who visited him every night when he lay asleep in a cave on Mount Latmus in Caria.

Keats altered one particular character from the myth. He made Diane (or Cynthia) as the Goddess of the Moon. It was Endymion who was made to have romance with Cynthia which is an inversion from the original poem. Endymion is projected as a good shepherd by Keats.

As we proceed to understand the poem we go through the poet's vision. The technique of Dream vision or allegory is frequently used by Keats. Dream vision is " a type of narrative in which the narrator falls asleep, dreams and relates the contents of the dream". The dream has two meanings. Firstly as described by the poet himself. Secondly a hidden meaning which the reader had to find by themselves.

In the poem Endymion is in search for the beautiful Goddess. The journey leads him to go through forest and under the sea. However, simply, by giving on a journey and taking to be an exclusively romantic poem is to miss the centrality of the poem.

As mentioned earlier, John Keats saw the evil impacts of Industrial Revolution. The mechanization and increase of capitalism changed the mindset of the people. The coming of luxury products, developments of machineries and a rich lifestyle shifted the attitude towards a world- that was mechanical, urban and self- centered. People no longer cared about the meaning of Nature. Poets, in unison, knew if it continued then there will be a huge gap between Man and Nature. As we know the dictum, "Poetry main aim is to save the human soul"

Further more people no longer became interested in knowing about folk-tales and historical character. This is where the concept of 'culture' makes its entry. Combining all these loopholes into a positive impact Keats developed the idea of composing Endymion.

"A thing of beauty is a joy forever.
Its loveliness increases, it will never
Pass into nothingness." (lines 1-3)

The lines begin with Keats philosophy which he made a part of his life. The 'beauty'

symbolizes objects that are a part of our mundane perception. Those beauties includes 'Sun' (Sunrise/sunset), 'Moon' (full moon rays), 'Trees' (green leaves/old/young), 'Daffodils' (the yellow colour), 'Green World' (green carpet of grass or any beauty of nature), 'Rill' (Stream water and its sound of falling), 'Forest' (flora and fauna), 'Dead' (art of beauty) and 'Lovely Tales' (taking us to an imaginary world).

To understand Keats poem we also need to know that he is attributed as a 'sensuous poet'. It implies that reader can feel the subject of his poem through the fine sensory organs. Keats was a genius in infusing such feelings.

As Endymion goes in search for Cynthia he crosses different bounty of earth. The poet does for following steps :-

i) By choosing the mythological characters - Cynthia and Endymion - the poet, attempts to make the readers aware and curious about folklore concepts.

ii) Keats states his philosophy as the basis of his poem or vision.

iii) "Spite of despondence ............dark spirits' (Lines 87 - 13) have the central idea. It is only nature that can protect us from the worsening situation. In modern period people are excessively pre occupied with a materialistic tendency. This can aloof a person to a state where nature can hardly have any impact. Hence to appreciate and build an intimate relation with nature was the price aim.

iv) As the reader passes through a multifarious aspects of mentioned beauty her or she can feel the aura.

'Imagination' was another chief part of Keats' technique. It focuses on the vision which the poet had. The term implies as "an act of power of farming a mental image of something not present to the senses or never before wholly perceived in reality." The poem "A thing of beauty" is where the poet takes us to an imaginary world. This done through choosing Nature and Mythology. In the dream world a reader can appreciate Nature and feel in one with the character. This lost sense of reality was not visible in truth. However the poem regained the lost spirit and erases the gap between Man and Nature.

La Belle Dame Sans Meci (1820) is another widely read poem. Keats took the little of the poem from a French poet Alain Chartier. The poem is composed in the style of a folk ballad. The first thee stanzas are a query to the Knight and the remaining nine stanzas are the reply of the Knight. The poem is however a clear indication of counterpart of Keat's life. The knight is referred as mouth piece of the poet's dejected love.

In both the poems "A Thing of Beauty" and La Belle Dame Sans Maerci we could see similarities :-

i) The poems takes us in a world of fantasy.

ii) Folk ballad and mythological characters are chosen as the prime thing for 'romance'.

iii) "A Thing of Beauty" expresses the philosophy of Keats. It also opines his arduous attempt to bring back the loss of human sensitivity. He acts as a mediator. La Belle Dame Sans Merci expresses a universal theme in a sarcastic tone. Hope, dejection and unrequited love have turmoil people. This speaks true even in an age of materialism.

iv) The 'imaginary world' is not an ordinary one. It is where he takes the reader for the time being. The events, feelings and reactions that take place cannot be realized in the mundane world. So, the 'fiction world' is a place where readers love to get lost. At the same time the readers without knowing consciously are taken to a different world within a fraction





of second. The truth which will overlook is seen clearly in that 'fiction world'. The moment when its is realised - say - not appreciating Nature, getting lost in sa self-centered world or not realizing the value of true love, arrogance over one's beauty - Keats immediately vanishes the dream or the 'imaginary world'. This strong feelings and realization then makes us to look at the reality of this world in a newer outlook.

Hyperion (1818-20) and (1856 - Posthumously) in two versions is the last of Keats' attempts to comprehend the conflict between absolute value and mortal decay. The same inclusion of a dream pattern is to be seen. The goddess Moneta reveals to the dreamer that the function of the poet in the world is to separate himself from the mere dreamer and enter into and embrace the suffering of humanity.

In the world of Jhon Keats, "I am certain of nothing but the holiness of the heart's affections and the truth of imagination - what the imagination seizes as beauty must be truth - whether it existed before or not" (Letter to Benjamin Bailey, November22, 1817)

We can proceed to his other techniques or source of inspiration. Medieval architecture and his belief that only art and imagination survives is evident in the poem Ode to a Grecian Urn (1820). It was published in the collection Lamia, Issabella, The Eve of St.Agne and other poems. The poem celebrates the power of art and states that it gives permanence. "A 'Grecian Urn' is decorated vessel that is used to store a cremated person's ashes. They have scenes and figures painted or engraved on them." The poet describes a scene on an urn that depicts two lovers chasing one another in a pastoral setting. The gist of the poem is the contrast between the transient nature of human love and the enduring nature of art.

"Fair youth, beneath the trees, thou canst not leave

Thy song, nor ever can those trees be bare;

Bold Lover, never, never cant thou kiss,

Though winning near the goal." (Lines 15-18)

The unfulfillment of love is however make eternal on the urn.

"Thou shalt remain, in midst of other woe

Than ours, a friend to man, to whom thou say'st.

Beauty is truth, truth beauty - That is all

Ye know earth, and all ye need to know." (Lines 47-50)

The concluding lines in his philosophy to see the world. It is only art that can immortalize death and the pangs of unrequited love. Architectural beauty was an inspiration to Keats. Its is where he moulded his own vision and gave the readers a sense of eternal truth.

Ode to Autumn was composed in the Autumn of 1819, This powerfully acclaimed sensuous poem personifies Autumn as a reaper, the gleaner and cider - maker, Keats is perhaps the only poet whose vision have made Autumn to surpass the beauty of Spring.

"Where are the songs of Spring? Ay, where are they?

Think not of them, thou hast thy music too,

While barred clouds bloom the soft - dying day.

And touch the stubble - plains with rosy hue;

Then in a willful choir, the small gnats mourn

Among the river sallows, borne aloft." (Lines23-28)

Ode to Nightingale composed in the spring of 1819 celebrates the song of the bird. This

poem also catapults the reader to an imaginary world. The poet wants to fly with the bird. Through imagination he wants to escape from the harsh realities of life. As a result a vast gap is noticed between the world of human species and the ideal world. So he comes back in the flight of the Nightingale's feather. He listens the mournful song of the bird. The poet then compares Keats plaintiveness with human sorrows.

"Forlorn! The very world is like to bell
To toll me back from thee to my sole self!
Adieu! The fantasy cannot cheat so well
As she is famed to do, deceiving elf."
(Lines 71-74)

Bright Star (1818) is Keats' love for Fanny Brawne. The poet accepts the pain and joy as part of one's life. The poet expresses his intense feelings about life, love and poetry.

"Of snow upon the mountains and the moor :
No-yet still steadfast, still unchangeable
Pillowed upon my fair love's repening breast
To feel for ever its soft fall and swell,
Awake forever in sweet unrest." (Lines 8 - 12)

In concluding section we revisit our perception on Keats. Imagination, love for architectural pattern, acknowledging Death as all powerful and accepting the transitoriness of human life had preoccupations in his mind. Keats did justice as a mediator when materialism devoured human species. Nature and life was once again given a new meaning. His vision of an ideal world was stimulus for the readers. It helped in rectifying our ignorance and ponder on the deeper meaning of life. His imaginary / ideal world does not address him to be an escapist. It was storehouses of his source for composing poems. The external events acted as a spark to his world of creativity. Keats, therefore, being a sensuous poet will remain in the veins of every readers.

**Reference Books :**


1. Bedford Glossary of Literary Terms.
2. Merriam - Webster Encyclopedia of English Literature.
3. Poems Old and New (Dibrugarh University)






# Violation of Child Rights is a threat to humanity

**Hung Subba**
B.A. 6th Semester
Political Science



## INTRODUCTION

Child rights are considered to be one of those issues, in a world full of conflict and economic, social, intellectual and violent confrontations on which we have achieved some consensus and the movement to establish child right is a recent phenomenon. The movement has got its historical developments, but this modern movement is committed to the acknowledgement, expansion, and or regression of the rights of children around the world. The child frequently had to go work to support him or herself. They generally became prostitutes or saloon girls, or else went to work in a sweat shop. All these jobs paid only starvation wages.

## Legal Definition of Child

The term 'Child' is not defined in the Indian Constitution. According to Article 1 of the United Nations Convention on the Rights of the Child 1989, 'a child means every human being below the age of eighteen years unless, under the law applicable to the child, majority is attained earlier'. The legal definition of child tends to depend upon the purpose. There is a number of legislation in India which defines the term 'Child' depending upon the purpose. Under the Indian Majority Act,1875 the age of majority is eighteen years & in case of a minor for whose person & property a guardian is appointed or whose property is under the supervision of the Court of Wards the age of majority twenty-one years. Under the Child Labour (Prohibition and Regulations) Act, 1986, child means a person who has not completed his fourteenth year of age. Under the Child Marriage Restraint Act, 1926, child means a person who, if a male, has not completed twenty-one years of age and, if a female, has not completed eighteen years of age. Under Juvenile Justice (Care and Protection) Act, 2000, 'Juvenile' or 'Child' means a person who has not completed eighteenth year of age.

### Issues of violation of child rights;

· Child maltreatment: The mistreatment of children has been documented throughout written history. The tale of suffering is interspersed with periods of reform and efforts to improve the plight of children. They are treated as property, children have been prostituted, sold as slave, work to the point of disability, or killed at the discretion of their parents and owners. The scientific outlook in narrower sense gave rise to the foster culture in society. Discipline in the service of education transformed. Beating of students seems to be common till now. The religious and rituals practices includes the child sacrifices in various forms, burials of newborns in buildings foundations to improve the durability of the structure, uncomfortable ritual practices, painful discipline purposes etc. The issue is hogging limelight because the debate continues between the legitimate religious freedom and medical, physical, or emotional maltreatment of children. Clearly all the aforementioned types and forms of maltreatment carry with them profound effect.

· INFANTICIDE:

Infanticide is the killing of new born baby or allowing it to die. As a matter of fact killing of a child less than one year of age is termed as infanticide. The term is sometimes extended to include abortion of a foetus, the killing of a baby during birth or killing of a, child tinder the age of puberty.

(Infanticide is prevalent in most of the societies even today. This loathsome crime is still perpetrated even though it is not propagating in a whirl-wind fashion)

Following are the reasons for this menace:-

Theft and enmity, Dowry, Prestige, superstitious beliefs, Birth control, Illegitimate Child are the reason behind it.

· CHILD MURDER

Child murder is that crime where a baby is killed between 7 and 14 years of age. Child murder is a social eveil.in many part of our country girl children are not treated equally as male child. A girl child is not a cared properly, not provided proper food, clothing and opportunity of development resulting into Death

The dowry system and the idea behind it that a girl will not remain with parents lead to treatment of girl child and finally death in some cases .The girl child forced to suicide. "Psychotic Parents are also danger to the younger children. Some multiple social and marital problems in the unfortunate families are also responsible for child murder.

Following are causative Factors of Child Murder:-

Religious and Sacrificial Aspects, Poverty and Depression, Sexual Relations, Crime Passional or Lovelorn Crime are the serious factors behind it.

· **CHILD ABUSE**

Child-rearing practices considered normal and healthy in one society may seem abusive to members of another group. The common American practice of housing a baby in a separate bedroom and letting her cry herself to sleep is viewed as severe emotional abuse by Native Hawaiians who view close contacts as critical for infant well-being. There is wide variation in opinion on the role of punishment in education and in parental discipline. The United States is ranked very high among Western nations in the amount of physical violence directed toward children. Physical punishment is an almost universal method of





discipline in the United States. In contrast, parental spanking was outlawed in Sweden in 1979. Beyond differences in the culturally meaningful institutions and activities. For example, a variety of rituals and procedures mark maturation and acceptance as an adult member of the community.

Even broader criticism exists against the practices of female clitoridectomy done without anesthesia, and can result in infection and death. International health conferences have called for the elimination of such practices, yet individuals who value these traditional ways view the prevention of their participation in such procedures as its own form of mistreatment.

·CHILD LABOUR

"CHILD IS THE FATHER OF MAN" the famous lines by William Wordsworth. It symbolizes the need of children in building a healthy nation and society.

**Child Labour** means that children are forced to work like adults and take part in an economic activity. According to the International Labour Organization this is applied to people up to age fifteen, or seventeen in case of dangerous work. Even though only about a fourth of the ILO members have ratified the respective convention, this age limit is generally accepted.

Childhood is the best time to develop spiritual, intellectual, emotional support. Every child has his right to enjoy his childhood. But inspite of this a few children are forcefully put to work throughout the world about 250million children are child labourer.

Background of Child Labor,

· To have or increase the income of a poor family

· To reduce the labor cost in a production organization

· Misc. reasons for engaging as domestic aid as the children are less doubtful about dishonesty or less liable to misbehave or be violent.

In a developed society where every citizen counts and all citizens have to have proper education, health care supports, games and Entertainment complete his education so that when he is a fully grown adult he can get a full employment with standard salary.

The solution to the problem of Child Labor is:

· The Child labor laws need to be strictly enforced by the Government.

· The general public needs to be made aware of the severe consequences of Child labor.

· An increase in employment opportunity for adults would help in overcoming the problem of poverty and child labor.

· Government should ensure that every child gets the opportunity to go to school.

· The owners of factories and mines should take the pledge of not engaging child in their place of business.

· **Child prostitution**

**Prostitution of children** or **child prostitution** is prostitution involving a child, and it is a form of commercial sexual exploitation of children.

Child prostitution is the sexual exploitation of a minor for profit, which can include money, drugs, or other items of value. Recent studies have shown that the average age that children become victims is 12-14 years old. In Phoenix, the average age for minor entry into child prostitution is 14.8 years old. Child prostitutes reportedly "serve" up to 25 clients per week, or 1,300 clients per year .Victims can come from any socioeconomic and ethnic background; most often, they belong to families with a history of abuse. This act is on the rise

in many Asian countries like Thailand, Hong Kong, Philippines, Sri Lanka and India. Today about 15 percent of India's nearly two million; prostitutes are believed to be children. 30 percent of all prostitutes in the six major cities of India, namely, Kolkata, Mumbai, Delhi, Chennai, Bengaluru and Hyderabad as revealed in the report of child prostitution by Ministry of Human Resources Development, Government of India. The overwhelming role of bringing girls children into brothel areas of these cities is proved by the breakdown of the prostitute population combined with the testimony of social worker. The child prostitution is the result of hegemonic negative role of police, local dons, criminals etc.In India as per as the report published by Times of India, there are about four lakh child prostitutes in India, who are mostly destitutes and even the abducted children who are sold to the flesh traders where they are forced to entertain 2-3 per day. These prostitutes get infected with diseases like S.T.D. (Sexually Transmitted Diseases) and even the H.I.V. infection (AIDs). These issues glooming the future of child severely in every aspect of his or her life.

· **Physical abuse**

Physical abuse is deliberately hurting a child causing injuries such as bruises, broken bones, burns or cuts.

It isn't accidental - children who are physically abused suffer violence such as being hit, kicked, poisoned, burned, and slapped or having objects thrown at them. Shaking or hitting babies.

**What causes physical abuse?**

Adults who physically abuse children may have:

· emotional or behavioural problems such as difficulty controlling their anger

· family or relationship problems

· experienced abuse as a child

· parenting difficulties including unrealistic expectations of children, not understanding a child's needs or no idea how to respond to a child

· health issues.

· **Child Marriage**

As per the definition given by UNICEF, child marriage is the formal marriage or informal union entered into by an individual before reaching the age of eighteen. It is, internationally, considered as a violation of human rights. Though it is observed for both the genders, the majority of the affected population is female due to the importance placed upon female virginity. Some major factors behind this menace are poverty, cultural traditions, bride-price, religious and regional customs, social pressure, illiteracy, the perceived inability of women to work for money, etc. Child marriage is still practiced in many countries but its prevalence in India is alarming. **Although child marriage has been made illegal in the Indian law, the country is home to more than one-third of the child brides in the world. According to UNICEF, 47% of girls are married by 18 years of age, and 18% are married by 15 years of age. These marriages are often performed without the consent of the girls. The worst affected states are Andhra Pradesh, Bihar, Madhya Pradesh, Rajasthan, and Uttar Pradesh. According to the 2001 census, there are 1.5 million girls in India under the age of 15, already married. Of these, 20% or approximately 300,000 are mothers to at least one child. The 2001 census also estimated the average age of marriage has risen to 18.3 for females. The male average is 22.6 years.**





Because of the early and often closely timed pregnancies before their bodies are able to handle the stress of pregnancy, adolescent mothers give birth prematurely or to low weight babies. The health of the child and mother are at risk and often they do not survive. Child marriage also makes girls more vulnerable to domestic violence, sexual abuse and inability to complete primary education. It is also found that infant mortality rates are higher than the national average in the states where child marriage is highly prevalent.

· **Female foeticide**

**Female foeticide** is the illegal practice of killing a foetus which is determined as a female. Female foeticide is prevalent in our country as a major social evil. The patriarchal social structure of India gives a secondary position to women.

Social belief goes that the family runs through a male and hence the birth of a male child in the family is imminent to the carrying forward of its generation. Social discrimination and the preference for sons have given rise to the rate of social sex determination.

Even some medical practitioners are making high incomes by determining pre-natal sex of the child and aborting foetus on the will of the parents. The practice is unlawful and demands strict punishment in form of fine or jail to the person requesting abortion of the unborn girl child as well as to the practitioner who gets the sex determination.

Some kind of complications in pregnancy can also demand surgical termination of pregnancy after eight weeks of conception. This is where the termination or abortion is legal and doctors may have to suggest and opt for discontinuance of pregnancy for the sake of health of the mother carrying the unborn child.

However, the technique of surgical termination is misused by some people in getting rid of the female foetus. Some people intentionally get the sex determined of the unborn child by using the technique of ultrasound and if it is determined as female foetus, they get removal done by surgery. Many societies in India face the problem of skewed male-female sex ratio which is unhealthy to any society. But the reckless practice is still on without realizing the ill effects and drastic consequences of the practice.

Abortion of female foetus is an act of murder. God is the author of life and nobody should have the right to take it. Some women themselves are in favor of getting their female foetus aborted through surgery which is a shameful act and must be condemned.

Some do it willfully while others are forced by family or are fearful of the social outcomes of bearing a girl child. But it in any case, this practice is illegal and disturbs the delicate equilibrium of the nature. Some states like Punjab, Haryana, Himachal Pradesh and Gujarat are states where the male-female ratio is most skewed and the menace of female foeticide is to blame.

The unscrupulous murder of female foetus has no grounds for justification. More and more people in urban as well as rural parts all over the country are getting involved in this malpractice. With PNDT (Pre Natal Diagnostics Techniques) Act 1994 being enforces, government attempted to regulate the use of pre-natal diagnostic techniques for legal or medical purposes and also prevent it by setting up a central body with powers and functions to check it.

But PNDT has failed to check the malpractice as the determination of sex and services needed for the same have proliferated

accordingly. Law has no control in the wide distribution of ultrasound machines and also nothing can be done about the information that easily transmits through informal channels. This makes the law weak and there is no way to implement it to act as a watchdog for the misuse of the practice.

Many women continue to be forced by family members to get the determined female foetus aborted and doctors also continue to carry on the surgical procedure against the enforced law.

Not the whole doctor fraternity is to be blamed for such acts. There are few in the medical field who for the sake of profit continue to reveal the sex of the unborn child and also carry our abortions of such women. But there are some gynecologists who have begun to raise voice against the sex selective abortions. If Gynecologists band together and ask an ultra-sonographer not to determine the sex of the foetus, the evil can still be curbed to quite an extent.

Female foeticide is a matter of shame for the couples who request for it and also for the doctors who perform the inhumane and unlawful act of aborting an unborn girl child for the sake of easy money. We must take it as a social and moral responsibility to stop the practice of female foeticide and also educate and encourage others to stop it completely.

A female has a right to take birth as she will be a daughter today and a wife and a future mother in the time to come.

CONCLUSION:

The children of the whole world are going through the trauma of violation of basic human rights in their golden childhood. Issues relating to child rights hogging the limelight in today's modern developed world. Every day, we heard about brutal act of human being towards children but in spite of that the matter only gain publicity without efficient remedies'.

So the prime intention of this paper is to go insight the problem of child rights and understand it in true sense for quick action as per our kind morality.

**References :**


1. Human and child rights, Institute of Human Rights, booklet No. 43.C. (Post Graduate Learning Programme)
2. Yashin Adil & Upadhayay, Archana, Human Rights. Akansha Publishing House, Reprint edition 2016.
3. Tandon M.P. & Anand V.K., International Law, Allahabad Law Agency, 8th edition.
4. www.humanium.org/en/child-trafficking/
5. Human Rights, Deka, Nelootpal. Assam Book Depot, Guwahati.






COLLEGE LIBRARY * ASSAM * TINSUKIA ESTD 1956

## Prominent Historical Personalities of India

# Chanakya

**Suresh Gogoi**
B.Com 6th Sem



Chanakya was a versatile genius and a pioneering figure as a diplomat, politician, educationist and economist in ancient India. His real name was Vishnu Gupta. He has also been identified with Kautilya. He is believed to be living between 350 to 283 BC. 'Chanka' was his father's name and 'Kotil' was his gotra explaining the meaning of his two names. Nothing can be said with a certainty about the birthplace of Chanakya. It is widely believed that he was born near Pataliputra (Modern Patna). According to Buddhist text 'Mahavamsa Tika', Taxila was his birthplace while some ancient Jain accounts suggest he was a native of South India.

After completing his education at Taxila University (now in Pakistan), Chanakya became the Professor in the same University. He was an expert in commerce, economics, polity and welfare. Later Chanakya became the guide and adviser of Chandragupta Maurya and helped him to uproot the throne of cruel Nanda ruler Dhanananda from Patliputra. Chanakya became the Prime Minister of Mauryan emperor Chandragupta Maurya and played a key role in strengthening the roots of Mauryan empire deep in India.

He continued to grace the Mauryan court even during the reign of emperor Bindusara. Bindusara's Minister Subandhu killed Chanakya under the influence of some personal grudge.

Chanakya was identified with Vishnugupta in a verse in his book 'Arthashastra' and also in 'Panchatantra' of Gupta age by Vishnu Sharma.

Chanakya described his views and philosophy on polity and welfare. Later Chanakya became the guide and adviser of Chandragupta Maurya and helped him to uproot the throne of cruel Nanda ruler Dhanananda from Pataliputra. Chanakya became the Prime Minister of Mauryan emperor Chandragupta Maurya and played key role in strengthening the roots of Mauryan empire deep in India.

He continued to grace the Mauryan Court even during the reign of Emperor Bindusara. Bindusara's Minister Subandhu killed Chanakya under the influence of some personal grudge.

Chanakya was identified with Vishnugupta in a verse in his book Arthashastra

and also in Panchatantra of Gupta age by Vishnu Sharma.

Chanakya described his views and philosophy on polity, economics and administration in his great book Arthashastra.

Arthashastra is a great and reliable source to know about the Mauryan age especially of the age of Chandragupta Maurya.

Apart from Arthashastra 'Chanakya Neeti' and 'Neetishastra' are other works by Kautilya or Chanakya.

Kautiulya's Arthashastra was discovered by Sharmasastri in 1909 A.D and ably translated by him.

Arthasastra is divided into into 15 Adhikaranas or sections and 180 Prakaranas or Sub-divisions.

It has about 6,000 slokas. It is a combination of 'Sutra' and 'Bhashya'.

**Debendranath Tagore**

Debendranath Tagore, a renowned philosopher and social reformer was born on May, 15 1817 A.D. at Calcutta, Bengal in the prestigious and affluent family of Dwarakanath Tagore. Debendranath's mother's name was Digambari Devi. In 1839, he established the 'Tattwaranjini Sabha' which was later renamed to ' Tottwabodhini Sabha', with the help of another social reformer Pandit Ram Chandra Vidyabageesh. He launched a magazine named 'Tattwabodhini Patrika' to spread his ideas and ideology among the followers of the Brahma Samaj. He played a key role in reviving the Brahmo Samaj which had lost its appeal and influence among the people at that time, especially after the death of its founder Raja Rammohan Roy in 1833.

In 1850, he published a book titled 'Brahmo Dharma' in which he introduced basic principles of the Brahmo Samaj in an emphatic way, He emphasized monotheism, rationality, unity and rejected idolatry, caste system, etc. in that book.

In 1859, the Tattwabodhini Sabha got merged in the Brahmo Samaj.

He became the Secretary of the British Indian Association in 1851 AD.

He emerged as a leading spiritual figure of Bengal and was popularly known as 'Maharshi'.

He dedicated his entire life to the cause of reforms and ideological progress. He passed away at the age of 87 at Calcutta on January 19, 1905.

**Swami Dayananda**

Swami Dayananda was one of the greatest religious and social reformers of the reform movement in 19th century India. He was born in a prestigious Brahman family in Tankara in Movi State in Gujarat in 1824 AD. His childhood name was Mul Shankar. He left his home in 1845 to visit several places across India. He joined Swami Vrajananda at Mathura as a disciple to get the knowledge of the Vedas. Under the inspiring guidance of Swami Vrajananda, Dayanandaji decided to launch a campaign to spread true Hindu religion and culture based on the Vedas. He dedicated his entire life for the cause of social and religious reform.

Swami Dayananda founded the Arya Samaj in 1875 AD in Bombay.

Dayanandaji's Arya Samaj believed in the infallibility of the Vedas. They are the only truth and source of all knowledge.

He was the first person to use [Swaraj]

The Arya Samaj vehemently opposed idol worship and re-incarnation theory of God. It accepts the doctrine of 'Karma' (deed) and transmigration of soul.

Swami Dayananda gave the slogans 'Go back to Vedas' and 'India for Indians'.

He was the writer of the famous book "Satyartha Prakash'', "Ratnamala Vedanga Prakash","Sankarvidhi", Bharatinirvana are his other famous books. ♦♦





The Dark Side of Indian Women Suppression –

# Women Harassment And Women Empowerment

**Shauvik Chandra Das**
B.Sc. 3rd sem.




The status of women has changed from ancient to medieval to modern India but the perception of their safety is still at a high risk. Women have held high posts including that of President, Ministers, Speakers of Loksabha, etc. However Indian women are highly victimised to criminal, social and domestic violences. Some of the common crimes towards women – acid throwing, trafficking, murder, rape, abduction are criminal violences; dowry deaths, sexual abuse, wife-battering, maltreatment at home or offices are domestic violences; whereas child marriage, eve teasing, honour killings, forcing wife or daughter-in-law for female infanticide, forcing widow for Sati, etc. are social violences towards Indian women. Some of the women's rights are – equality, dignity and freedom for discrimination.

But I would like to raise the question WHY. WHY are the women of our society made

to face all the atrocities of the society and mankind? Why do always most men dominate over the females? India is a country with many religions, where many female deities are worshipped. In the Vedas, women are glorified as MOTHER, one who can create and nourish a life. On the contrary, these women are suppressed and subjugated by the dominating men in the patriarchal society. Great to hear this, isn't it? And look! We call it " THE INCREDIBLE INDIA"! Truly incredible, pray the non-living female idols inside the temples and harass and molest the living females of our society.

India is not developed, but a developing country, but few people think about it. But, India is ranked as the worst G20 country to be born a woman and one of the worst countries for women in the world. Awesome.... we the man feel proud about that, right? Whenever a girl becomes a victim of rape, acid attack or domestic violence, instead of ostracizing her, we must step forward to help her, not just humiliate and make fun of her. Whenever a girl approaches her parents or guardians complaining about her insecurity, they mustn't overlook it. Instead they should sort out the problems. Many fear to go against their relatives or neighbours. But do remember – "Fear is the biggest weakness of humanity." There have been many efforts to control such rising problems of India but is rarely successful as the numbers of such victims are increasing at an alarming rate every year. To address the problem, a women rights activist Nalla recommends -

Better education on the consequences of sexual harassments and principles of gender equality. This should start in grade school and be written into the curriculum.

Implementation of public awareness efforts including public service messages and displaying "Zero tolerance on sexual harassments" signs at buses, bus stops and roadside.

More and better law enforcement and security in public places, beefed-up police patrols, installation of security cameras, etc.

Nalla said, " The findings from this study highlights the importance and immediacy of addressing women's safety in public places and women's human rights."

A study revealed that 40% of Delhi women faced sexual harassments in 2015, and 79% of Indian women faced public harassments. Assam among the North-Eastern states topped the rate of juvenile delinquency, with the latest report of the State Child Protection Society (SCPS) revealing that at least 487 minors in the state have been involved in some kind of conflict with the law since January, 2014.

In Indian society, it is frequently seen that either in their in-laws, house and also in some areas, the females are always suppressed by the males. WHY is it so, men? If females are more talented than males, then respect their talent, not just try to suppress her by any violent harassments. If they earn more money than you, it's fine enough. She is earning according to what she deserves, don't be jealous of her. Most wives don't prefer jobs for fulfilling self needs but to support her family and lend a helping hands towards her husband. So, it's our duty to stand behind them and fight against any humiliation she faces. But most men of Indian society have a different perception, "WHY should women excel and move ahead of us, hence dominate them." They often think that it hurts the self esteem of a man if his wife gets heavy salary than him or is more successful. But, before harming them, we must think once, that





for life to exist, men and women play equal role having equal importance. Both are two faces of a single coin, both are incomplete without the other. The world will lose its beauty, charm and glamour if all women get extinct. We all are here because of the women we call 'MAA' who brought us to see the light. A woman is the one who shows a man what love, caring and sharing is all about.

India has seen several cases of rape and molestation, major one being the Nirbhaya of South Delhi on 16 December 2012, where a boy below 18 years was involved but was kept in juvenile jail. Now a boy, who knows how to molest a girl can't be considered as a juvenile ..... Assam also has witnessed many such. Few months back, Thuking Tikhak of Margherita College was ravished and brutally killed. The views of those images of her death still make me shiver how wild has man become. These cases reveal the dark side of every man to be ashamed of. So stop men... stop such injustice and try to set good examples for our upcoming generation to come.

"When you find a girl anywhere, it's your duty to protect her, not to assault her because you too have a Mother, a Sister, a Wife and a Daughter."

Finally, I would share my opinion that education for girls is of utmost importance. An uneducated girls is at a high risk of social violences than an educated girl. Don't step back in fear. Instead step forward and fight for your rights. Being a girl is not a curse. You are the divine creation of the Lord who at times can play even the role of a father, a brother and a son. Come out and participate in social religious and public activities, live freely without any fear, fight for justice and recreate the world because man alone can't beautify the world. Shine like a star and also fight like a lioness for your self respect. And, this is possible through women empowerment.

Women empowerment is important because women are equally competent and intelligent, diligent, some even more than men. It also helps in the overall development of a society, reduction in domestic violence, reduction in corruption, reduce poverty and for national development.

Women, by nature are the creation of God which portrays and also understands the thousands of emotions, feelings of others and boosts up everyone to start anew. That's why, the well said verse goes **"Behind Every Successful Man There is a Woman."**

♦♦♦♦♦♦♦♦

# Industries of India

**Bitupan Dutta**
B.A. 3rd Sem (Eco)

**Industrial Policy**

- Industrial Policies were launched in 1948, 1956, 1977; 1980 and 1991.
- Industrial policy 1956 is called Economic Constitution of India and gave public sector the strategic edge.
- Industrial policy 1991 opened up the economy.
- The main aims were
  (a) To end license — permitraj
  (b) To integrate Indian economy with the outer world.
  (c) To remove restrictions on FDI and
  (d) To reform public sector.

**Small Scale Industry**

- A new thrust to small scale industry given in Industrial Policy of 1977.
- MSMED Act, 2006 and new definition.
- Contributes 8% to GDP, 45% to all manufactures and 40% to exports.
- According to the 4th census (2009) of SSI's, 67% of the MSME are in services sector.

**Major Industries of India**

**Iron and Steel**

- First Still Industry at Kulti Pashim Banga – Bengal Iron Works Company was established in 1874.
- First large scale steel plant TISCO at Jamshedpur (1907) was followed by TISCO at Burnpur 1919, Pashim Banga.

| | |
|---|---|
| Services limit unit upto | Services limit unit upto |
| Micro Rs. 25 lakhs | Micro Rs. 10 lakhs |
| Small Rs. 25 lakhs Rs. 5 crore | Small Rs. 10 lakhs Rs. 2 crore |
| Medium Rs. 5 crore Rs. 10 crore | Medium Rs. 2 crore Rs. 5 crore |

- The first public owned steel plant was Rourkela – Integrated Steel Plant, presently India is the 4th largest producer of steel and conces 1st in the production of sponge Iron.





| Location | Assistance |
|---|---|
| Rourkela (Odisha) | Germany |
| Bhilai (Chhatisgarh) | Russia |
| Durgapur (Pachim Banga) | Britain |
| Bokaru (Jharkhand) | Russia |
| Vishakhapatnam (Andhra Pradesh) | Russia |

**Jute Industry**

- India ranks No. 1 in Jute production and No. 2 in raw jute exports after Bangladesh.
- More than 2/3rd Jute industry is concentrated in Pachim Banga.

**Cotton and Textile Industry**

- Largest organized and broad based industry accounting for 4% of GDP 20% of manufacture value added and one third of total exports carving.

**Cement Industry**

- First cement producing unit was set up at Pachim Banga, Purbandar (Gujrat) in 1914.
- India is the second largest producer of cement in the world.

**Sugar Industry**

- India is a second largest producer of sugar in the world with a 22% share. It is the second largest agro-based industry in the country. ••

# My Secret Views

**Amar Limboo**
Ex Student



When I wake up, I find you... It is you, I can imagine... I can feel... In each movement of my steps, I can see you with my secret view... Then and there, I try to compose you, try to know you deeply and closely... Each and every moment I think about you... The deep canvas of my heart is waiting for you... Waiting for my secret views... to create its wants... Waiting for its masterpiece creation...

Every day and every night... you are with my secret views for making my dreamland ture...!! with great hope...!! With great hope...!! ••

# How short has English language become



**Raju Sharma**
B.Sc. 5th Sem (Chem)

"hr r u?" Or mny thgs 2 u 2 day
Looks familiar ???

The modern world is just getting better and better in shortening distances. We have now become a global village mobile phones and computers seen to have a huge impact in making the world as it is today. But my point here is not about coming close to one another metamorphically but to literally shorten English language just because we have come close sounds confusing.

I will assume that the reader of my article is mostly mobile phone users. Cell phones are in vogue today. SMS or short messaging services are the rage of the century. Everyone who owns a cell uses this service for, as the name suggests, it delivers short messages in short time. But these short messages have shortened our words too. 98% of today's teenagers of the world are prone to sending 10-20 messages per day or ever more and these are the people who have shortened English language to such as extent that it is hardly recognizable.

We, teens, have dropped vowels from each word. But does this shortening in words help us in saving time, space and money or deteriorating our sense of English language ? Many people may say that it is only in the mobile phones that they use such words. But those who are really into this 'messaging thing' know better. Let them ask themselves that how many times they have had urge to write 'r' instead of 'are' and 'u' instead of 'you', using pen and paper of course. I am telling out of my own and my friend's common day experience.

Do we need to save our precious time ? And the more one dialogue into it, one will look at a mobile screen, hold up a thumb and a forefinger, a small distance apart and say "this short has English language become."

♦♦♦♦♦♦♦♦





# The Menace of Terrorism

**Utpal Gogoi**
B.A. 3rd Sem



Violent behaviour in order to create an atmosphere of fear in the society or a part of it for misplaced political ends is generally termed as 'Terrorism'. Terrorism is a problem which many countries have been continuously facing for decades, but now it has emerged as a 'global' problem against which an internationally united battle has to fought incessantly.

Terrorism, as understood in the simplest sense always aims at a target group for death and destruction of property through acts of violence and a prevented political purpose. It is also illegal nature, as such acts are done with a purpose of creating fear and panic in the minds and psyche of people at large, to make the masses feel helpless, to discourage rational thinking the people. Terrorism in India, is essentially a political creation. The cross border militancy in Kashmir, the Naxalite violence in Bengal, Bihar, Jharkhand, Andhra Pradesh and Chattisgarh — all have their narrow and distorted political goal. The problem to identity leads to terrorism in Nagaland and Mizoram, vengeance became the cause of terrorism in Manipur and Tripura while 'class enimity' erupted Naxalite violence in different parts of Bengal, Bihar and Andhra Pradesh. The blowing up of the Air India Boeing 'Kanishka' killed nearly 300 innocent people, the Naxalite insurgency are all ugly faces of the demon of terrorism.

The attack on Parliament in India on December 31, 2001, the attack on the legislative Assembly in Jammu and Kashmir on October 1, 2001, the attack American Informative Centre in Kolkata on January 22, 2002, were all handiwork of terrorist. The 2008 Mumbai attacks which continued for four days, targeted more than 10 location across Mumbai and killed 164 people; the 2006 Mumbai bomb blasts, Samjhauta Express bombings in 2007, the 2007 Hyderabad attacks, the 2010 Pune bombings, the 2010 Varanasi bombings – the endless list indicates threat to humanity. These attacks are intended to capture National and International attention.

Terrorism is one of the major threats to world people today. Terrorist activities of the Irish Republican Army, Red Army in Japan, Palestinian Guerrillas in Israel, Kurds in Iraq etc. are all instances of terrorism all over the world. The terrorist attack on World Trade Centre and the Pentagon in USA on September 11, 2001 and the siege of innocent children as hostages in Russia etc. indicate at the growing magnitude of this problem. The world has to unite in order to face this growing menace of terrorism. The world cannot survive with prosperity under the continuous threat of fear, violence and bloodshed. Then, strict measures and serious efforts should be mode to end violence and innocent bloodshed. ♦♦

# Violence against women in India

**Baishali Chakraborty**
B.Sc. 5th Sem




India is a traditional male-dominated country where women have to face violence in the society from the ancient time. As the world is leading in the technological improvement, advancement of material prosperity, etc., violence with women is also on the way. Rapes and brutal murders have been so common now-a-days. Other violence like harassment, assault and chain-snatching, etc. have been involved in the daily routine in the modern Indian society. Violence against women has grown to a great extent in the free India. Dowry deaths, murder, bride burning, etc. are giving rise to other violence in the society. Simultaneous increase in violence against women is hindering the social, economical, political and cultural progress in the country.

The continuous practice of dowry system in the society proves that violence against women can never be ended. It is a complex phenomenon covering several dimensions of violence. It has reduced the status of young girls in the society as well as lowered their dignity. At the time of marriage, if a bride does not bring adequate amount of dowry with her, she would really be at high risk of maltreatment after the marriage. Thousands of girls are being victims of this social devil an daily basis. Violence against women in the country is getting more frequent and alarmingly with huge sound. It is creating pressure and heavy responsibility over the shoulders of social workers. However, there is an urgent need for women to be empowered and be responsible to themselves in order to understand all the rights and take benefits. ◆◆



TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA ★ ASSAM



# SUPERSTITIONS

**Saurav Rakshit**
B.Sc. 3rd Sem




Superstitions are irrational. They have their roots in ignorance, wild faith, fear of the unknown, lack of scientific spirit and complexes. They are found everywhere. Superstitions have nothing to do with religion. They are handed down from generation to generation and our world is not free from these superstitious beliefs.

The vested narrow interest of the astrologers, magicians, charlatans etc. have helped the spread of superstitions who are found plenty and everywhere. For e.g. crossing of a black cat, whimming of a dog, hooting of an owl etc. are considered very ominous and signs of ill-luck. But people never realize how can a dog, an owl or a cat determine their luck. We accept them without reasoning.

The eclipse of sun and moon bode ill, we consider sight of a shooting star and comet will bring some good. In the west the number '13' is still regarded as unlucky. Some people still beliefs that ruins, deserted places, graveyards, certain trees are haunting grounds of spirits, ghosts, witches or goblins. People are in such a strong grip that sometimes we have a man or a women sacrificing his/her own child to please God. Many a times we have heard women being burnt alive by the village folk considering them indulging in with craft. Is this religion ? This are results of superstitions.

The only weapon against these beliefs is 'Confidence' Education and rationality can go a long way to check and eradicate superstitions. They should be fought against tooth and nail. We have to fight against them. ◆◆

# Dream the Impossible...

Neha Balmiki
B.A. 1st Sem

Unless you have a dream. You cannot realise it. Every intention has come out of dream. Dream the impossible. Obviously dreaming impales something which is beyond your perceived capacity.

Consider the faculty which is the preceptor of the dream. Some dreams have imported your daily living and other have not. Some dreams you remember, and other you have forgotten.

We are all born in this world to do something wonderful and unique; don't let this opportunity pass by. Give yourself the freedom to dream and think big. Have the courage and determination to achieve those dreams that are dear to you. Many a time people who dream big were ridiculed but they remain strong to achieve their goals.

Do something creative. Not a year should pass without being creative.

So let's dream the Impossible dream.

••••••••

# Child Labour

Saraswati Rai



In the world of today, an estimates of 218 million boys and girls work as child labour. They do not go to the school and have little or no time to play, many do not receive proper nutrition or care. It is unfortunate reality that children are often forced to undertake work that is physically and morally damaging to them, not all the works performed by children is classified as child labour.

It is common among lower section of society. Poverty, lack of education and social attitude are some of the main factors that leads to child labour. Building a protective environment for children is utmost necessary.

Education : Education service has to be in place and they must be free.

Govt. : Need to ensure that all children have access to compulsory education.

Laws : Laws that prohibit child labour need to be in place.

Children need to be removed immediately from the worst form of child labour. ••





# A Glimpse of Asom

Taralee Dutta
B.Sc. 5th Sem



"Asomi Aai Rupahee
Gunaro Nai Hekh
Bharatare Purva Dikhor
Surjya Utha Dekh."

Assam, the land of lush green meadows, blue hills and tea gardens with numerous rivers, streams and rivulets, is the darling of nature. It is situated in the northeast of India. It is the land of plenty with all types of natural resources, viz. forest resources, petroleum, natural gas etc.

The ancient name of Assam was Kamrup. The capital of Kamrup was Pragjyotishpur. There are differences of opinions among the scholars about the origin of the name 'Assam'. Some say, because of the rule of the Ahom kings, the word 'Asom' is derived from the word 'Ahom'. Dr. Banikanta Kakoty opined that the word 'Assam' indicates 'undefeatable' and 'incomparable'. The word 'Assam' used by the British is also said to be the originator of the word 'Asom'. Neverthelss it is difficult to say certainly about the origin of the name of the state 'Asom'. Assam is surrounded by Arunachal Pradesh and Bhutan to the North, Arunachal Pradesh, Nagaland and Manipur in the East, Mizoram, Meghalaya and Tripura in the South and Bangladesh and West Bengal in the west. Assam covers an area of 78,438 sq. km. According to the 2001 census the total population of Assam is 2,66,38,407. Among these 1,37,87,799 are male and 1,28,50,600 are female. The capital of Assam is Dispur. It has 27 districts. There are 50 subdivisions. According to the census, the rate of education is 64.28%. The state Anthem of Assam is 'O Mor Aaponaar Dekh' which was written by Lakshminath Bezbaroa. The state emblem of Assam is Rhino. The language of Assam is Assamese and the

auboreal.

The early Hominid group was erect in structure and the members lived on ground. Because of their terrestrial habit, the legs became longer and stronger. The big tees got lost negating the grasping ability. Acute sense of hearing and the three-dimensional vision became great assets for survival on ground life. So these faculties get developed in a better way in course of time by the process of evolution.

The long arms were free to be employed to serve other purposes. The cerebellum increased in size, probably in response to constant stress and strain necessitated for life on ground. The spinal cord gradually shifted. This situation helped the animals to have a straight spine and an upright gait. This development had aided him to look forward for straight vision. Thus there had evolute the forward looking ground walking private.

As the climate grew colder and wetter, those primitive men began to live in caves. When the days became warmer, the caves got darted until snow and ice returned once more. Times were very useful to keep wild animals away. It was probably the work of women and children to see that they were kept alight and were after replenished with fuels when necessary. Skeletons of these primitive people were found in many parts of the world – mainly in Africa, Asia and Europe and thus evolution of history of mankind came to be drawn. Such primitive people are still found to exist in Central Australia.

Part of a skull and some long bones that looked like a man were unearthed in 1867 A.D. in the Neanderthal valley near Dusseldorf in Germany). Neanderthal brain was nearly as large as that of a modern man. Skeletons resembling the Neanderthal man were found in widely separated locations of Europe, Asia and Africa.

The last Ice Age brought an end of the Neanderthal species. Then there appeared the Cere-Magnon man. It had a large stature. He was vigorous in habit with a higher intellectual capacity. He lived in a cane or under a rock shelter. He carved tools, made ornaments of very and prepared arrow heads and spear points. He could draw figures on rocks and belonged to the stone Age — the Palcolithin period. Go-Magnon man lived about 35,000 to 40,000 years ago. The modern man is the descendant of this type. With disappearance of fierce animals, man had developed better tools and weapons and there evolved a better culture for the then-existing human beings.

♦♦♦♦♦♦♦♦





# The Neglected State's of Nation — NORTH EAST

**Navjot Singh Bhamrah**
B.Sc. 3rd Sem

'North East India' is that of "a region with vulnerabilities of life and most unsafe place in the country" or "people with weird food and alien culture", is the present day response of a people lives in rest of India except N.E.

Actually for a common man, India practically start from Gujarat and ends at Kolkata. What lies east of Kolkata is forgotten. Most people are highly charged up for Kashmir but they don't have any knowledge of N.E. Most people in N.E. are found to be extremely patriotic but sadden by inconsiderate attitude of rest of Indians. They are treated as guest in their own country.

Lets start with the example of television. All movies, serials, news channels concentrate on 'mainland' India. Its all set in Delhi, Mumbai and Punjab. These days even south India is figuring in movies and television. But, what about the NORTH EAST ?

Now coming to sports. Other than Baichung Bhutia, the football star of India who was from Sikkim, There's hardly any mainstream sports person from north east. I suppose there are a few names from N.E. in the athletic and sports meets who gets us medals at SAARC games etc. (sports like archery) – but don't you know that in India, 'sports' equals 'Cricket' + Tennis + Hockey + F1-racing ? The rest of them don't qualify – their achievements are not counted. Anyway, that's not the topic of the article !

At last coming to the point "why does the nation media not organize debates on N.E. problems – floods, landslides, road blockade, earthquake, border issues, social problems etc ? Why can't the national leaders be convinced that N.E. problems is also a national problems like others issue — Dalit issues, JNU issue, Coal blocks issue, Gurgaon city flood etc ? But it is said to say being an Indian on 8th August, 2016 as a 'black out day' against national media started. They were not aware of flood in Assam and Meghalaya.

Some major disasters ocurred in N.E. —

• Assam flood have killed 19 people in last 3 days.

• 19 lakh people have been displaced due to flood.

• More than 150 villages has to be evacuated.

All this states get vanished in the eyes of Indian media.

At last I end this article with some unknown facts of N.E. -

- Till today DOWRY system is not there in N.E. it is something unknown to N.E., people here only status of women in society is important

- we have MAWLYNNONG, the cleanest city in ASIA.

- We have the state of MIZORAM with 100% literacy.

- The N.E. is abound with scenic beauty and historical place.

Hope in near future Indian media will show fair share of attention so as to increase the awareness of people of the other states of India about NORTH EAST.

♦♦♦♦♦♦♦♦

# NET NEUTRALITY

**Lachit Saikia**
B.Sc. 3rd Sem




Also known as internet neutrality is the principle that internet service providers and government should treat all data on the internet the same, not discriminating or charging differentially by user, content, site, platforms, applications, type of attached equipment, or mode of communication.

The idea of an open internet is the idea that the full resources of the internet and means to operate on it are easily accessible to all individuals and companies. This often includes ideas such as net neutrality, open standards, transparency, lack of internet censorship, and low barriers to entry. The concept of the open internet is sometimes expressed as an expectation of decentralized technological power and is seen by some as closely related to open-source software.

The concept of a dumb network made up of dumb pipes has been around since at least *the early 1990's*. The ideas of a dumb network are that the end-points of a network are generally where the intelligence lies and that the network itself generally leaves the management.

If the care of a network has more bandwidth than is permitted to enter at the edges, then good QOS can be obtained without policing. For example, the telephone network employs admission control to limit user





demand on the network care by refusing to create a circuit for the requested connection. Over-provisioning is a form of statistical multiplexing that makes liberal estimates of peak user demand. Over-provisioning is used in private networks such as *WebEx and the internet 2 Abilene Network, an American University network.*

Discrimination by protocol is the favouring or blacking information based on aspects of the communications protocol that the computers are using to communicate. A complaint was filled with the *Federal Communitation Commission against cable provider, Comcast* saying they had illegally inhibited user of its high speed internet service from using popular file-sharing software. *Bit Torrent.* During the early decades of the internet, creating a non-neutral internet was technically infeasible. Originally developed to filter malware, *the internet security company Net-Screen Technologies released network firewalls in 2003 with so called deep packet inspection. Deep packet inspection* helped make real-time discrimination between different kinds of data possible and is often used for internet censorship.

Proponents of net-neutrally argue that without new regulations, internet service providers would be able to favour their own private protocols over others. ISPs are able to encourage the use of specific services by utilizing private networks to discriminate what data is counted against bandwidth caps.

*In March 2015, the TRAI released a formal consultation paper on Regulatory Framework for otter the top services, seeking comments from the public.* The consultation paper was criticized for being one-sided and having confusing statements. It was condemned by various politicians and internet-users. *By 24th April 2015, over a million e-mails have been sent o TRAI demanding net-neutrality. The consultation period ended on January 7, 2016.*

Violations of net-neutrality have been common in India. *Examples beyond Facebook's internet.org include Aircel's Wikipedia zero alongwith Aircel's free access to Facebook and Whatsapp, Airtel's free access to Google, and Reliance's free access to Twitter. Facebook's Free Basis program is seen by activists as a net-neutrality violation, based on its provision of free-of-cost access to dozens of sites, in collaboration with Telecom operators.* There were protests online and on ground against the free basics program. The *Free Software Movement of India* also held protests in *Hyderabad and parts of Telangana and Andra Pradesh.*

♦♦♦♦♦♦♦♦

# SMILE

**Rahul Dutta**
B.Sc., 5th Sem.



What is more beautiful than a blooming flower% what is more charming than a lovely sunset? I hope you guessed it right – yes, it is your smile.

A good smile is good gift to you. It means that when you are thankful to God, you naturally smile.

A smile is not just an expression of your joy; but it who helps spread happiness. In that sense, if you smile well you are making this world a better place to live in. Imagine, if all the people you met each day would smile. How great would be the sense of happiness it brings to all.

A smile, it is said, is of no use unless it is given away. It may just take a few seconds to gift a smile to someone. But the memory of that smile, the cheer and hope it might covey to that person would lent a lifetime. Indeed the richest person in this world is poor if he or she canot smile.

A smile easily builds relationship. You make strangers your friends through a smile for its is the first step in building a relationship. A smilealso gives your personality great attractiveness. All the big celebrities make sure that they appear before people with winning smile.

At the same time, it is joy to watch an innocent new born baby smile. That is life at its beginning; ready to move on. It is gain a joy to watch the smile on the wrinkled face of an old man or woman. It shows that they look back at life with the satisfaction of having run their race well.

A smile is also very effective in helping you becoming a good communicator. This is because people accept a message coming from a person who appears pleasing on stage more than a person who speaks in a very serious tone all the time.

Sadly so many people simply forget to smile as they worry to much about what is going to happen tomorrow. The holy Bible say : "Can't all your anxiety on God for he cares for you.". Its in this mere knowledge that God cares for you that will help you to smile even in different times.

Therefore smile. Thus spread joy all around and find the whole world smile back at you.

"We shall nver know all the good that a simple smile can do." – Mother Teresa. ◆◆





# Khamti Folk Dance



Nang Sonia Chaupoo

Khamti is a southeastern Tai Language spoken in Burma and India by the Khamti people. Mainly the Khamti people came from Myanmar in 1751. They then settled along Tengapani. Like every tribe, the Khamtis also have their own scripts. Their script is called as Lik-tai, which resembles the script used by the Mon in southern Myanmar. The Khamtis are one of only a few Tai speaking people group found within India's borders. In Arunachal Pradesh they inhabit the plains of Lohit now known as Namsai, Changlang, lower Subansiri and Tirap districts as well as the Dibang Valley. The Tai-Khamtis are the followers of Theravada Buddhism.

The Khamtis also have their own culture. There are many types of dance forms in Tai-Khamti, they are like Peacock dance, Cock fight dance, Deer dance, Demon dance etc. The Tai-Khamti dance 'Kaa Poong Tai' is one of the main dramatic art forms of the Tai-Khamtis. All the traditional folk dances of the Tai-Khamtis have their roots in South Asian countries like Thailand & Myanmar. The community has many folk dances and each dance has religious background behind them.

1. The Peacock dance as 'Kaa Kingnara Kingnari' is a prominent dance among the Tai-Khamti tribe in Arunachal Pradesh. This dance is a Buddhistic belief in nature which depict the slow and gracious dance of mythical half human and half peacock that existed in the Himalayas. The costume is very heavy to carry.

2. The Cock fight dance as 'Kaa Kong Tau Kai' is a popular dance of Tai-Khamti tribe of Arunachal Pradesh. This dance usually shows a fight between two cocks and inspired by the ancient tradition of entertaining the King with a cock fight.

3. The deer dance also as Kaa-Toe which is celebrate in the month of October (Nuen-sip-eit) and also in fact a Buddhist belief and religious in Nature.

4. The Demon Dance or 'Kaa Phi Phai' in Khamti language is another prominent dance which is performed on important social and religious occasions. 'Kaa Phi Phai' symbolises the victory of the holy over the evil and marks the Buddha's attainment of 'Nirvana'.

The Cock dance is the most popular dance of Tai-Khamti people. This dance form is performed by the people in every occasion. Many tribes of people in Arunachal Pradesh who live along the Namsai district also attend many occasions of the Tai people. Every year the Tai people also celebrate their new year as 'Pai pee mou' in the month of November. In this occasion the folk dances are performed by two or four people and are accompanied by the beats of drums (Kongpat), Cymbals (Paiseng) and a set of Gongs (Mong-Seing). The folk dance is very famous in the Tai-Khamti community. ◆◆

## STOP INJUSTICE

**Shanti Moran**
B.A. 1st Sem, Arts.

Yeah, I am an endangered species,
On this earth.

Because, I am murdered,
on this earth.
Because, I am murdered,
before my birth.

The whole country is discussing
my empowerment.

But I am not safe
Even in my apartment.

Women courts are being made to give
me Justice,
But from my childhood

I am taught to accept injustice.
Laws are being reformed,
For my safety.
But real need is to reform
this male dominated society.





## The Beauty of Sunset

**Sarita Thapa**
B.Com. 5th Sem

The Beauty of the Sunset,
Tells us Smiling Each Day
That Another Day has Ended Today
The Beauty of Sunrise
Tells us this Day is here to Stay-
The Wind blowing on the Face-
Tells us Life is Running Race,
So, get Inspired by Nature Each Day
To Make Your Own Way.





## THINKING OF LIFE

**Suraj Basfar**
H.S. 1st Year, Arts.

Day by Day
I have got changed.
Everyday
I have learned different things.
Everyday
given me a new opportunity.
With a new challenge.
Some times, I achieved them.
But many times, I missed the aim.
But I never mind
I remain stuck to my aim.
That is the right time
To get the desire
Because my aim in life
Is too high.
So whatever I do
I do without delay.
Because I will not get a
Second life.
I have only one time life.
I know everyday has increased my life.
But everyday has decreased in my life.

Because when I was born
Before it was already decided
When I will expire.





## The Voice of Unicorn Rhino

**Hung Subba**
B.A. 6th Sem

Born in the land of Assam
Nurtured by monsoon of it,
Quenched thirst with sweetness,
Of Brahmaputra, to live strong and fit
I got a fame with keratine horn.
Which makes me always mourn;
I got a skin, coloured grey,
That makes me always pray.
Every morning, I turn into solitary creature,
Disappearing every member from family picture.
I live my life as symbol and mascot,
Alas! my life is hanging between shoot and shot.
Alas! my life is hanging between shoot and shot.
As a rhino, I don't want to live in museum,
As a rhino, I want to enjoy Nature's rythm.

# অসম আৰক্ষীৰ অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান (আইন-শৃংখলা), সাহিত্য একাডেমী বঁটাপ্ৰাপ্ত কথা সাহিত্যিক কুল শইকীয়াৰ সৈতে এক নাতিদীৰ্ঘ সাক্ষাৎকাৰ



সাক্ষাৎ গ্ৰহণত ঃ বিকাশজ্যোতি শইকীয়া
বিশ্বজিৎ বড়া (কাক)

*জীৱনৰ নানা কৰ্মব্যস্ততাৰ মাজত, পৰিয়াল-পৰিজনৰ ঘৰুৱা দায়িত্ব, চৰকাৰৰ এক গুৰুত্বপূৰ্ণ পদৱীত থাকিও মানুহজনে প্ৰাত্যহিক ব্যস্ততাৰ মাজত নিজা সংবেদনশীলতা আৰু অসামান্য সৃষ্টিশীলতাৰে গল্প লিখি যায়, লিখে উপন্যাস। ইমানখিনিৰ মাজত অতিৰিক্তভাৱে অধ্যয়নো চলাই যায়। তেখেতৰ সম্পূৰ্ণ নাম কুলধৰ শইকীয়া, আমাৰ মাজত পৰিচিত গল্পকাৰ কুল শইকীয়াৰ ৰূপত। অসম আৰক্ষীৰ অতিৰিক্ত সঞ্চালক প্ৰধান (আইন-শৃংখলা) তেখেত।*

*সাক্ষাতৰ প্ৰাৰম্ভিক অনুমতি গ্ৰহণৰ পিছত যোৱা ২৮ মাৰ্চত গুৱাহাটীলৈ বুলি এটা দীঘলীয়া সাক্ষাৎকাৰৰ প্ৰস্তুতিৰেই আমি কুল শইকীয়া ছাৰৰ ওচৰলৈ ৰাওনা হৈছিলোঁ। ২৯ তাৰিখে ছাৰক লগ পালোঁ উলুবাৰীস্থিত অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত। কিন্তু ব্যস্ততাৰ বাবে তেখেতে পিছদিনা আমাক তেখেতৰ চৰকাৰী বাসভৱনত লগ কৰিবলৈ ক'লে। আগদিনা নিৰ্দিষ্ট কৰি থোৱা সময় মতেই পিছদিনা পুৱা ০৯ঃ০০ বজাত ছাৰৰ চৰকাৰী বাসভৱন পালোগৈ। আমাৰ সাক্ষাৎকাৰ আৰম্ভ হ'ল। কিন্তু 'নমামী উৎসৱ'ৰ ব্যস্ততাৰ বাবে আমি যুগুত কৰি লৈ যোৱা সকলো প্ৰশ্নৰ উত্তৰ দিবলৈ ছাৰৰ সময় নুকুলালে। তথাপিও ব্যস্ততাৰ মাজতো ছাৰে আমাক আমি সোধা প্ৰশ্নৰ উত্তৰৰ কিয়দংশ 'মনীষা'ৰ সহৃদয় পাঠকলৈ আগবঢ়ালোঁ।*

***প্ৰশ্নঃ আপোনাৰ আদি পৰিয়ালৰ বিষয়ে সংক্ষেপে জানিব পাৰোনে? আপোনাৰ শৈক্ষিক জীৱনৰ বিষয়েও অলপ জানিব পাৰোনে?***

উত্তৰ ঃ মোৰ জন্ম ৰঙিয়াত। পিতৃ মুক্তাৰাম কলিতা, মাতৃ লীলাৱতী কলিতা। দেউতা ৰঙিয়া হাইস্কুলৰ প্ৰধান শিক্ষক আছিল। মোৰ স্কুলীয়া শিক্ষা ৰঙিয়াতে। পিছত কটন কলেজৰ পৰা বিজ্ঞান বিভাগত তেতিয়াৰ দিনৰ প্ৰি,ইউ কৰোঁ। তাৰ পিছত দিল্লী বিশ্ববিদ্যালয়ৰ ৰামযশ কলেজৰ পৰা অৰ্থনীতিক সন্মানীয় বিষয় লৈ আৰু গণিতক সাধাৰণ বিষয় হিচাৰে লৈ স্নাতক ডিগ্ৰী সম্পূৰ্ণ কৰোঁ। তাৰপিছত দিল্লী স্কুল অৱ ইকনমিকছৰ পৰা অৰ্থনীতি বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লওঁ। এবছৰৰ বাবে দিল্লী বিশ্ববিদ্যালয়ৰ অধীনৰ হিন্দু কলেজত এবছৰ শিক্ষকতা কৰোঁ। ইণ্ডিয়ান ইকনমিক চাৰ্ভিছত কেইমাহমানৰ বাবে কাম কৰোঁ। দিল্লী প্লেনিং কমিছনতো চাকৰি কৰোঁ। কেইমাহমান থাকি ইণ্ডিয়ান ৰেল'ৰে ছাৰ্ভিছত চাকৰি কৰোঁ। ১৯৮৫ চনত ভাৰতীয় প্ৰশাসনিক সেৱাৰ আইপিএছ হিচাৰে তিনিচুকীয়ালৈ মোৰ প্ৰথম পষ্টিং হয়। লগতে ২০০০-২০০১ চনত আমেৰিকাৰ পেনছেলভিনিয়া ইউনিভাৰ্ছিটিত ফুল ব্ৰাইট স্কলাৰ হিচাৰে এবছৰ গৱেষণা কৰোঁ। মাজতে ১৯৯৮ চন মানত জেবি ল' কলেজৰ পৰা এলএলবি কৰোঁ। ২০০৬-০৭ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফৰাচী ভাষাৰ ওপৰত অধ্যয়ন কৰোঁ। ২০১৬ চনত গুৱাহাটীস্থ আই,আই,টিৰ পৰা অৰ্থনীতি আৰু অপৰাধ সম্পৰ্কীয় বিষয়ৰ ওপৰত ডক্টৰেট ডিগ্ৰী সম্পূৰ্ণ কৰোঁ।

***প্ৰশ্ন ঃ এজন ৰসগ্ৰাহী পাঠক, লেখক, বুদ্ধিজীৱী, দক্ষ আৰক্ষী বিষয়া হিচাৰে আপোনাৰ পৰিচিতি আছে। মানুহে আপোনাক কোনটো পৰিচয়েৰে মনত ৰাখিলে সুখী হ'ব?***

উত্তৰ ঃ ৰাইজে যেনেদৰে মনত ৰাখে সেইটো তেওঁলোকৰ স্বাধীন বিষয় । মনত ৰাখিলেই সুখী হম।

***প্ৰশ্ন ঃ 'প্ৰজেক্ট প্ৰহৰী'ৰ সময়ৰ অভিজ্ঞতাৰ বিষয়ে ক'ব নেকি?***

উত্তৰ ঃ ২০০১ চনৰ আগষ্ট মাহত অসম আৰক্ষীৰ বিষয়াসকলৰ লগত কোকৰাঝাৰৰ ঠায়গেৰা নামৰ ঠাইৰপৰা প্ৰজেক্ট প্ৰহৰীৰ কাম আৰম্ভ কৰিছিলোঁ। ডাইনী হত্যা বা তেনেধৰণৰ অপৰাধসমূহ নিৰাময় কৰাৰ বাবে সমাজৰ বিভিন্ন বৰ্গৰ লোকক লৈ







সামূহিক প্ৰয়াস চলোৱাটোৱেই প্ৰজেক্ট প্ৰহৰীৰ উদ্দেশ্য আছিল। অসমৰ পিছপৰা অঞ্চলসমূহৰ ৰাইজক ঢুকি পোৱাটোও এই প্ৰজেক্টৰ অংশ আছিল। সম্প্ৰতি অসমৰ বিভিন্ন অঞ্চলৰ শতাধিক গাঁৱত এই প্ৰজেক্টৰ কাম চলি আছে। ইয়াৰ জৰিয়তে সেই ভিতৰুৱা অঞ্চলসমূহৰ সামূহিক সৃষ্টিমূলক শক্তিসমূহক একত্ৰিত কৰি উন্নয়নৰ দিশেৰে আগবঢ়াই লৈ যোৱাটোও এই প্ৰজেক্টৰ উদ্দেশ্য যাতে ডাইনী হত্যা আদিৰ দৰে সামাজিক ব্যাধিসমূহৰ পৰা আমি পৰিত্ৰাণ লাভ কৰিব পাৰোঁ। জনমানসৰ মনত এনে ব্যাধিৰ বিৰুদ্ধে সজাগতা অনাৰ সফলতা এটা মোৰ অতি সুখানুভূতি বুলি বিবেচনা কৰোঁ।

***প্ৰশ্ন ঃ আপুনি অসম প্ৰকল্পৰ সৈতে আৰম্ভণিৰে পৰা জড়িত আছিল। সেই প্ৰকল্প সম্পৰ্কে জনাব নেকি?***

উত্তৰ ঃ অসম প্ৰকল্প বুলি এটা সৰু সংগঠন আমি কৰি লৈছিলোঁ। যাতে ২০০০-ৰ পিছত নতুন মিলেনিয়ামত অসমে কেনেধৰণে কাৰ্যসূচী হাতত লৈ আগবাঢ়ি যাব পাৰে সেই সম্পৰ্কত কাম কৰাৰ বাবে অসম প্ৰকল্প আৰম্ভ কৰাৰ কথা ভাবিছিলোঁ। অসমৰ পাঁচখন ঠাই ক্ৰমে গুৱাহাটী, তেজপুৰ, ডিব্ৰুগড়, শিলচৰ, যোৰহাটত আলোচনা-বিলোচনা, তৰ্কৰ জৰিয়তে কিছুমান বিষয় বা ক্ষেত্ৰ বাছনি কৰি অসমৰ ভৱিষ্যতমুখী পদক্ষেপ ৰ দৃষ্টিভংগী Futuristic Stepৰ ওপৰত Assam Beyond 2000 নামৰ এখন Vision Document উলিয়াইছিলোঁ।

***প্ৰশ্ন ঃ অসমীয়া সমাজত দুৰ্নীতি-ভ্ৰষ্টাচাৰ সম্পৰ্কে অসম আৰক্ষীৰ এজন উচ্চপদস্থ বিষয়া হিচাৰে আপোনাৰ ক'বলগীয়া?***

উত্তৰ ঃ দুৰ্নীতিৰ বিভিন্ন ঠাল-ঠেঙুলিয়ে আমাৰ সমাজ ব্যৱস্থাত পোখাই যোৱা কথাটো আমি সকলোৱে জানো। দুৰ্নীতিয়ে আটাইতকৈ ক্ষতি কৰে সমাজৰ সকলোতকৈ দুৰ্বল শ্ৰেণীটোক। আনকি ই আমাৰ দেশৰ জনস্বাস্থ্য, নিৰাপত্তা, অৰ্থনৈতিক ক্ষেত্ৰ আদিকে ধৰি সকলোতে ধ্বংসাত্মক প্ৰভাৱ পেলায়। ইয়াৰ বিৰুদ্ধে আইনগত ব্যৱস্থাৰ উপৰি সমাজৰ প্ৰত্যেকজন ব্যক্তিয়ে মাৰ বান্ধি থিয় হ'লেহে দুৰ্নীতি ৰোধ কৰিব পৰা হ'ব। সামাজিক প্ৰতিৰোধ বৰ প্ৰয়োজনীয়। জন্মতেই কোনো মানুহ দুৰ্নীতিগ্ৰস্ত হৈ আহে বুলি মই নাভাবো। সামাজিক পৰিৱেশে দুৰ্নীতিৰ জন্ম দিয়ে আৰু মই ভাবো যে সমাজৰ অতি কমসংখ্যক ব্যক্তিহে দুৰ্নীতিপৰায়ণ হ'ব পাৰে। কোনোবা এজন ব্যক্তিয়ে কোৱা মনত পৰিছে—Society prepares the crime, criminal commits it.

***প্ৰশ্ন ঃ আপোনাৰ দৃষ্টিভংগীত পৰিৱৰ্তনকামী সমাজ ব্যৱস্থাৰ ধাৰণা কেনেকুৱা?***

উত্তৰ ঃ অৰ্থনীতি আৰু সমাজ বিজ্ঞানৰ ছাত্ৰ হিচাৰে মই ভাবো যে এটা সামাজিক পৰিৱেশতকৈ পিছৰ পৰিৱেশটোত যদি এনেকুৱা এটা ব্যৱস্থা সৃষ্টি হয় য'ত জীৱন আৰু জীৱন-ধাৰণৰ প্ৰাত্যহিকতাত মানুহৰ সুখানুভূতি বাঢ়ে, সামূহিকভাৱে উচ্চতৰ জীৱনৰ মানদণ্ডত জীয়াই থকাৰ মানদণ্ড বাঢ়ে সেয়াই মোৰ বাবে পৰিৱৰ্তনকামী সমাজ।

***প্ৰশ্ন ঃ আৰক্ষী আৰু সাধাৰণ মানুহৰ সম্পৰ্ক কেনে হোৱা উচিত বুলি আপুনি ভাবে?***

উত্তৰ ঃ আৰক্ষী আৰু সাধাৰণ মানুহৰ মাজত সুসম্পৰ্ক থকাটো অতীৱ প্ৰয়োজন। আৰু এইটো কথাও ঠিক যে আৰক্ষী মানে অন্য গ্ৰহৰ প্ৰাণী নহয়। তেওঁলোক সমাজৰ এক অবিচ্ছেদ্য অংগ। ৰাইজ আৰু আৰক্ষী একেলগ হৈ অপৰাধসমূহ সামাজিকভাৱে প্ৰতিৰোধ কৰাটো অপৰাধ নিয়ন্ত্ৰণৰ এক অত্যাৱশ্যকীয় পদক্ষেপ।

***প্ৰশ্ন ঃ চাকৰি জীৱনৰ প্ৰাৰম্ভতে কিছুদিন আপুনি তিনিচুকীয়াত কটাইছিল। তিনিচুকীয়াৰ মানুহ, সমাজ সম্পৰ্কে আপোনাৰ কেনে ধাৰণা গঢ় লৈছিল?***

উত্তৰ ঃ ১৯৮৭ চনত তিনিচুকীয়াত মোৰ প্ৰথম পষ্টিং আছিল এজন মহকুমা পুলিছ বিষয়া হিচাৰে। সেইসময়ত তিনিচুকীয়া জিলা অবিভক্ত আছিল। তিনিচুকীয়াত প্ৰায় দুবছৰমান কটাইছিলোঁ। সেই তেতিয়া ৰাইজৰ সৈতে গঢ়ি তোলা মোৰ মৰমৰ সাঁকোখন এতিয়াও টনকিয়াল হৈ আছে। আজিও মোক তাত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ মানুহে মৰম বা প্ৰয়োজনত

ফোন কৰিবলৈ কুণ্ঠাবোধ নকৰে আৰু সুযোগ পালেই মোক লগ ধৰাৰ ক্ষেত্ৰত আগ্ৰহী। সেই সময়ত মই তিনিচুকীয়াৰ বিভিন্ন গ্ৰামাঞ্চল, স্কুল, কলেজৰ বিভিন্ন অনুষ্ঠানত অংশগ্ৰহণ কৰিছিলোঁ। সেই সময়ত তিনিচুকীয়াত শিক্ষাৰ এটা ভাল পৰিৱেশৰ লগতে সাহিত্য-সংস্কৃতিৰ পৰিৱেশ এটাও লক্ষ্য কৰিছিলোঁ।



*প্ৰশ্ন ঃ সৰ্বভাৰতীয় পৰ্যায়ৰ শিক্ষা ব্যৱস্থাৰ তুলনাত অসমৰ শিক্ষা ব্যৱস্থা কেনে হোৱা উচিত বুলি আপুনি ভাবে?*

উত্তৰ ঃ গোলকীকৰণৰ দিনত আমাৰ গাঁও-ভূইৰ ল'ৰা-ছোৱালীয়েও সংস্থাপনৰ ক্ষেত্ৰত প্ৰতিযোগিতাত অংশ ল'ব লাগিব। তেনেস্থলত আমাৰ শিক্ষা ব্যৱস্থা এনেকুৱা হোৱা উচিত যাতে দেশত যেনেধৰণৰ নতুন পাঠ্যক্ৰমৰ ব্যৱস্থা হৈছে তেনেধৰণেই আমি আগবাঢ়িব লাগিব। যাতে সকলোধৰণৰ প্ৰতিযোগিতাত আমাৰ ল'ৰা-ছোৱালীবোৰ উজলি উঠিব পাৰে।

*প্ৰশ্ন ঃ এজন সাহিত্যিকৰ উপৰি আপুনি আৰক্ষী বিভাগৰ এজন জ্যেষ্ঠ প্ৰশাসনিক বিষয়া। বিভাগীয় ব্যস্ততাই আপোনাৰ সৃষ্টিত বাধাৰ সৃষ্টি কৰিছে নেকি? লগতে অসমৰ সমাজ জীৱনৰ কি বিষয় লৈ আপুনি শংকিত, উদগ্ৰীৱ?*

উত্তৰ ঃ চাকৰিৰ ব্যস্ততাটো থাকেই। তথাপিও মই ভাবো সময়ৰ স্থিতিস্থাপক গুণ আছে। পৃথিৱীৰ বহু ব্যস্ত ব্যক্তিয়েও নিজৰ পেছাদাৰী ক্ষেত্ৰৰ বাহিৰেও বেলেগ বেলেগ বিষয়ত বিশ্ববাসীলৈ অৱদান আগবঢ়াই থৈ গৈছে। ইংলেণ্ডৰ প্ৰধান মন্ত্ৰী উইনষ্টন চাৰ্চিল দ্বিতীয় মহাযুদ্ধত ব্যস্ত আছিল যদিও উল্লেখযোগ্য সাহিত্য সৃষ্টিৰে ন'বেল বঁটা বুটলিবলৈও সক্ষম হৈছিল। পৃথিৱীত এনে উদাহৰণ বহুতো পোৱা যায়।

শংকা বা সংশয়ৰ কথা নাই। কেৱল ভাবো ইয়াত থকা বিভিন্ন ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি-জনগোষ্ঠীসমূহৰ কৃষ্টি-সংস্কৃতিৰ জৰিয়তে অসমৰ সমৃদ্ধি আৰু উৎকৰ্ষ সাধন হ'লেই আমি যেন আগবাঢ়ি যাম। তেনেদৰে অসমৰ বৃহৎ সাংস্কৃতিক আৰু জনজীৱনৰ গামোচাখন বাৰেৰহণীয়া ফুলেৰে সজাই তুলিব পাৰিম।

*প্ৰশ্ন ঃ এগৰাকী উচ্চপদস্থ আৰক্ষী বিষয়া হিচাৰে আপুনি এক কঠোৰ অনুশাসনমূলক জীৱন-যাপন কৰিবলগীয়া হয়। এফালে এগৰাকী আৰক্ষী বিষয়াৰ প্ৰয়োজন সাপেক্ষ কঠোৰতা আৰু আনফালে এগৰাকী লেখকৰ সংবেদনশীলতা, এই দুই সত্তাৰ মাজত হোৱা দ্বন্দ্বৰ বাবে উৎপত্তি হোৱা ঘটনাৰ বিষয়ে ক'ব নেকি?*

উত্তৰ ঃ আৰক্ষী বিষয়া আৰু লেখক এই দুইজনৰ মাজত সংঘাত বা দ্বন্দ্ব নেদেখোঁ। এনেকুৱা হ'ব পাৰে যে লেখক এজনৰ সংবেদনশীলতাই তেওঁ যি বৃত্তিতে নাথাকক কিয় তেওঁক ৰাইজৰ ফালে আগবাঢ়ি যোৱাত সহায় কৰে।

*প্ৰশ্ন ঃ ভাল গল্প আৰু জনপ্ৰিয় গল্পৰ মাজৰ সীমাৰেখা এডাল থাকে—এই সম্পৰ্কে আপুনি কি ক'ব? সুখপাঠ্যতাই গল্পৰ বা যিকোনো সাহিত্যৰ মান নিৰ্ণায়কৰ ভূমিকা লয়নে?*

উত্তৰ ঃ যিটো গল্প পঢ়ি পঢ়ুৱৈয়ে মনত পৰিপুষ্টি বা আনন্দ পায় সেইটো গল্পই তেওঁৰ বাবে ভাল গল্প। মোৰ প্ৰিয় গল্প এটা পঢ়ুৱৈৰো প্ৰিয় হ'ব লাগিব বুলি কোনো কথা নাই। অৰ্থাৎ মই ভাল পোৱা বা নোপোৱাৰ ওপৰত গল্পৰ মানদণ্ড আনৰ ওপৰত জাপি দিব নোৱাৰি। মই ভাবো এজন পঢ়ুৱৈয়ে কোনটো গল্প আদৰি ল'ব আৰু কোনটো গল্প দলিয়াই দিব সেইটো পঢ়ুৱৈজনৰ নিতান্ত ব্যক্তিগত স্বাধীনতা।

*প্ৰশ্ন ঃ সাৰ্থক গল্পকাৰ বুলিলে আপুনি ট্ৰিটমেণ্টক লৈ কৰা নিত্য-নতুন সম্পৰীক্ষা কিংবা চমক সৃষ্টিৰে কৰা মায়াজালৰ এক ৰূপান্তৰ বুলি ভাবে নেকি?*

উত্তৰ ঃ সাৰ্থক গল্পকাৰ বা অসাৰ্থক গল্পকাৰ বুলিও কথা এটা থাকেনে? কি ষ্টাইল বা কি বেশভূষণ ভাল পাব সেইটো গল্পকাৰে নিজে নিৰ্দ্ধাৰণ কৰে। তাৰ জৰিয়তে কিবা মেজিক্ সৃষ্টি হৈছে নহৈছে সেইটো পঢ়ুৱৈয়ে নিৰ্ণয় কৰিব।





*প্ৰশ্ন ঃ আপোনাৰ প্ৰায়বোৰ গল্পতে আধুনিক মানুহৰ বিচ্ছিন্নতাবোধৰ মূৰ্ত প্ৰকাশ ঘটিছে, এই ক্ষেত্ৰত আপোনাৰ 'উপহাৰ', 'ঋতুপক্ষী' আদি গল্পৰ কথা উল্লেখ কৰিব পাৰি। বৰ্তমান মানুহৰ একাকীত্ব, আৱেগ-অনুভূতিহীন চৰিত্ৰক আকৰ্ষণীয় শৈলীৰে তুলি ধৰাত আপুনি সক্ষম হৈছে। ইয়াৰ জৰিয়তে সমাজৰ প্ৰতি এক শুভবোধ বা আশাবাদে ক্ৰিয়া কৰেনে আপোনাক?*

উত্তৰ ঃ দুইটা গল্পই মই ভাল পাওঁ। কেনেকুৱা কি কথা কৈছোঁ পঢ়ুৱৈ ৰাইজে কেনেধৰণেৰে সেয়া নিজৰ জীৱনত উপলব্ধি কৰিছে সেয়া তেওঁলোকেই ভালদৰে জানিব। আমাৰ মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়া আৱেগ-অনুভূতি সেইবোৰ সমাজৰ প্ৰেক্ষাপটত চাব খোজা হৈছে।

*প্ৰশ্ন ঃ গল্প এটা লিখি থকাৰ সময়ত আপুনি নিজকে পাঠক আৰু গল্পটোৰ মাজৰ সংযোজক বুলি ভাবেনে? আপোনাৰ গল্পৰ পৰিকাঠামো অথবা বিন্যাসক ব্যক্তিসত্তাৰ সত্য আৰু সামাজিক সত্যৰ মাজৰ এক সেতু বুলিব পাৰিনে?*

উত্তৰ ঃ গল্প এটা লিখি থকাৰ সময়ত প্ৰায়ে মই গল্পৰ চৰিত্ৰৰ মানসিক জগতৰ ঢৌ-তৰংগ, এইবোৰৰ উখল-মাখল ৰূপটোৰ ওপৰতহে অৱলোকন কৰি ভাল পাওঁ। আমাৰ মানসিক ব্ৰহ্মাণ্ডত নিৰৱচ্ছিন্নভাৱে চলি থকা বিভিন্ন ভাৱ-কোলাহলৰ হৈ-হাল্লা, বিশৃংখলা, Chaos আদিৰ আংশিক ৰূপায়ণ এটা মোৰ গল্পলৈ অনাৰ প্ৰয়াস কৰোঁ বাবেই হ'বলা মোৰ গল্পৰ বহু পেৰাগ্ৰাফত দাড়িৰ পৰিৱৰ্তে কমাৰ পয়োভৰ দেখা যায় বা অসমাপ্ত বাক্যৰ পৰিৱেশ আহি পৰে। প্ৰত্যেকটো মুহূৰ্ততে আমাৰ মনলৈ অহা অজস্ৰ ভাৱ-চিন্তা, কল্পনা আদিৰ বিশৃংখল বা অসমাপ্ত ৰূপক এনেদৰে পঢ়ুৱৈৰ ওচৰলৈ লৈ যাব বিচৰা হয়।

*প্ৰশ্ন ঃ সাম্প্ৰতিক সময়ত অসমীয়া গল্প সাহিত্যত স্থবিৰতা অহা বুলি এচামে ধাৰণা কৰে। প্ৰকাশকসকলেও গল্পতকৈ উপন্যাসৰ চাহিদা বেছি বুলি কয়। এজন প্ৰসিদ্ধ গল্পকাৰ হিচাৰে এই বিষয়ত, মানে অসমীয়া গল্পৰ ভৱিষ্যত সন্দৰ্ভত আপুনি কি ক'ব বিচাৰিব?*

উত্তৰ ঃ কোনো স্থবিৰতাৰ ৰেঙনি মই মন কৰা নাই। বিভিন্ন পৰীক্ষা-সম্পৰীক্ষাৰে বহুতো নতুন গল্পকাৰে গল্পৰ ক্ষেত্ৰত নতুনত্ব আনিব খুজিছে। যদি কোনোবাটো তেনেকুৱা সোৱাদ বা শৈলী কোনোবা পঢ়ুৱৈয়ে আদৰি লৈছে সেয়া গল্পকাৰৰ বাবে এয়াও এক সুখৰ আনন্দৰ কথা। অসমীয়া সাহিত্যত নতুন গল্পকাৰৰ প্ৰৱেশত কেইবাটাও ভাল লগা গল্প মই পঢ়িবলৈ পাইছোঁ। কথা নহয় জানো!

*প্ৰশ্ন ঃ অলপতে লণ্ডনত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় গ্ৰন্থমেলাত আপুনি উপস্থিত আছিল। সামগ্ৰিক অনুভৱখিনি ক'ব নেকি?*

উত্তৰ ঃ সাহিত্য একাডেমী আৰু ভাৰতীয় সাংস্কৃতিক মন্ত্ৰণালয়ৰ পৰা মোৰ সৈতে তিনিজনে ভাৰতক প্ৰতিনিধিত্ব কৰি লণ্ডনত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় গ্ৰন্থমেলাত অংশগ্ৰহণ কৰি গল্প-কবিতা পাঠ কৰাৰ উপৰি বৰ্তমান ভাৰতীয় সাহিত্য বিশেষকৈ অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ সাহিত্যৰ বিষয়ে বক্তৃতা প্ৰদান কৰিছিলোঁ।

লণ্ডনত হোৱা আন্তঃৰাষ্ট্ৰীয় গ্ৰন্থমেলাত উপস্থিত থাকি এক সুকীয়া অনুভৱ হ'ল। সাধাৰণতে আমাৰ ইয়াত বিশেষকৈ গুৱাহাটীত হোৱা গ্ৰন্থমেলাতকৈ তাৰ কাৰুকাৰ্য সম্পূৰ্ণ বেলেগধৰণৰ। তাত লেখক, প্ৰকাশক, বিক্ৰেতাৰ সুসমন্বয় ঘটা দেখা যায় লগতে তেওঁলোকৰ মাজত হ'ব পৰা ক'পীৰাইট আদিৰ ওপৰতো যথেষ্ট আদান-প্ৰদান দেখা যায়। তাত বিভিন্ন সময়ত বিভিন্ন বিষয়ত চলি থকা চেমিনাৰসমূহেও আকৃষ্ট কৰিছিল।

অলেখ ব্যস্ততাৰ মাজত মাননীয় কুল শইকীয়া ছাৰৰ পৰা এইকেইটা প্ৰশ্নৰ উত্তৰ লৈয়েই ছাৰক ধন্যবাদ জনাই উভতি আহিছিলোঁ। বুকুত লৈ আহিছিলোঁ এটা অসমাপ্ত সাক্ষাৎকাৰৰ দুখবোধ...

(বিশেষ কৃতজ্ঞতা ঃ সুস্মিতা বড়া, গোলাঘাট)

**কুল শইকীয়াই লাভ কৰা বিভিন্ন বঁটাসমূহ ঃ**

মুনীন বৰকটকী বঁটা-১৯৯৮
কথা পুৰস্কাৰ -২০০০
সাহিত্য একাডেমী -২০১৫
লগতে ৰাষ্ট্ৰপতিৰ পদক দুবাৰকৈ

◆◆◆◆◆◆◆◆

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

জয় আই অসম

## তিনিচুকীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা
## TINSUKIA COLLEGE STUDENTS' UNION

২০১৫-১৬ বৰ্ষ

**President**
DHRUBA PRATIM BORAH
Ph.: +917896219213

কাৰ্যালয় ঃ তিনিচুকীয়া মহাবিদ্যালয়
তিনিচুকীয়া – ৭৮৬ ১২৫ (অসম)

**General Secretary**
DEEP JYOTI BHARALI
Ph.: +918876816130

*Vice-President*
- Akash Neel Hazarika
+918721065574

*Asst. General Secretary*
- Jun Gohain
+918486715464

*Outdoor Games Secretary*
- Tikhna Jyoti Hazarika
+918753866295

*Indoor Games Secretary*
- Nava Jyoti Borah
+919864174515

*Cultural Secretary*
- Pritom Buragohain
+919957525340/+919706259429

*Magazine Secretary*
- Biswajit Borah
+918402099836

*Literary & Debeting Secretary*
- Ranjan Sharma
+917896098696

*Social Service Secretary*
- Santana Konwar
+919613210357

*Gymnasium Secretary*
- Rakesh Lal Gupta
+919678624977

*Boys' Common Room Secretary*
- Ajoy Kumar Pordar
+918486224228

*Girls' Common Room Secretary*
- Deepshikha Buragohain
+918404048045

প্ৰসঙ্গ নং : ....................... তাং : ............

# সভাপতিৰ অভিমত

পোনপ্ৰথমে ছাত্ৰ একতা সভাৰ মজিয়াৰ পৰা সকলোলৈকে গভীৰ শ্ৰদ্ধা আৰু আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

অসমৰ অন্যতম বাণিজ্যিক নগৰসমূহৰ ভিতৰত তিনিচুকীয়াৰ নাম বিশেষভাৱে লেখতল'বলগীয়া। তদুপৰি বাণিজ্যনগৰীস্থিত 'তিনিচুকীয়া মহাবিদ্যলয়' সমগ্ৰ অসমৰ ভিতৰতে এক বিশেষ নাম আছে। এই ঐতিহ্যমণ্ডিত তিনিচুকীয়া মহাবিদ্যালয়ে সগৌৰৱে ৬০ টা বছৰ অতিক্ৰম কৰি গৌৰৱোজ্জ্বল হীৰক জয়ন্তী বৰ্ষ গৰকিলে। এয়া সম্ভৱ হ'ল সেইসকল মহান মনিষীৰ কাৰণেই, যিসকল মহান মনিষীয়ে 'তিনিচুকীয়া মহাবিদ্যালয়' নামৰ এই জ্ঞানৰ মিলনক্ষেত্ৰখনিৰ সৃষ্টি কৰি মহাবিদ্যালয়খনৰ ইতিহাসত আসন অলংকৃত কৰি গ'ল। এই ছেগতে সেইসকল মহান মনিষীলৈ মোৰ অন্তৰৰ পৰা শত শত প্ৰণাম আৰু গভীৰ শ্ৰদ্ধা নিবেদিছোঁ।

এই ঐতিহ্যমণ্ডিত তিনিচুকীয়া মহাবিদ্যালয়ত পোনপ্ৰথমবাৰৰ বাবে ২০১৬ বৰ্ষত ছাত্ৰ একতা সভাৰ সভাপতি পদটি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে মুকলি কৰি দিছিল। এই অভাজনে মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতিৰ লগতে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক সমস্যা সমাধানৰ স্বাৰ্থত ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সভাপতি পদৰ বাবে প্ৰতিদ্বন্দ্বিতাত নামিছিলো। সকলোৰে মৰম আৰু পূৰ্ণ সহায় সহযোগিতাত অভাজনে সভাপতিৰ দৰে এটা গধুৰ দায়িত্ববহুল পদত নিৰ্বাচিত হ'বলৈ সক্ষম হ'লো। এই ছেগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীসকলকো মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সভাপতিৰ দায়িত্বভাৰ গ্ৰহণ কৰিয়ে নিষ্ঠা আৰু সততাৰে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিটো সমস্যাৰ বুজ লৈ সমস্যা সমাধানৰ বাবে কাম কৰি যাব বুলি দৃঢ় প্ৰতিজ্ঞা লৈছিলোঁ। ছাত্ৰ একতা সভাৰ প্ৰথমজন সভপতি হিচাপে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ উন্নয়নৰ কাৰণে কাম কৰিবলৈ সুবিধা পোৱাৰ বাবে সঁচাকৈয়ে গৌৰৱ অনুভৱ কৰোঁ। বিগত সময়ছোৱাত ব্যক্তিগত জীৱনটোক আঁতৰত ৰাখি যিমানদূৰ সম্ভৱ তিনিচুকীয়া মহাবিদ্যালয়ৰ সকলো কাম-পাজ, ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীন উন্নতিৰ হকে ছাত্ৰ একতা সভাৰ মোৰ সতীৰ্থ বিষয়-ববীয়াসকলৰ সৈতে আগবাঢ়িছিলো। সফল আৰু বিফল দুয়োটাৰে সোৱাদ পাইছিলো। কিন্তু কোনো কামতে অৱহেলা কৰা নাছিলো।

নিৰ্বাচনৰ সময়ত আমি যিদৰে সকলো ছাত্ৰ-ছাত্ৰীক সাৰথি কৰিয়ে প্ৰতিদ্বন্দ্বিতাত আগবাঢ়ো, ঠিক সেইদৰে নিৰ্বাচনত জয়লাভ কৰাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলেও আমাৰ পৰা প্ৰতিটো খোজতে সহায়-সহযোগিতা কামনা কৰে। আমিও যথাসম্ভৱ সেইখিনি দিবলৈ যত্ন কৰিছিলো। আহিব লগা দিনটো যেন প্ৰতিখন ছাত্ৰ একতা সভাই ছাত্ৰ-ছাত্ৰীসকলক সাৰথি কৰিয়েই আগবাঢ়ি যায়; তাৰ বাবে এই 'মনীষা' আলোচনীৰ যোগেদি অনুৰোধ জনালোঁ।

শেষত যিসকলে মোক প্ৰতিটো খোজতে নিস্বাৰ্থ সহায় সহযোগ আগবঢ়ালে, তেওঁলোকৰ ওচৰত মই ঋণী হৈ ৰ'লো। এবছৰীয়া কাৰ্যকালত জ্ঞাতে-অজ্ঞাতে বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰিছোঁ।

সৰ্বশেষত সকলোলৈকে পুনৰবাৰ অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

— ধ্ৰুৱপ্ৰতীম বড়া
সভাপতি
ছাত্ৰ একতা সভা

তমসো মা জ্যোতিৰ্গময়





KIA COLLEGE LIBRARY
SUKIA, ASSAM

# বিভাগীয় সম্পাদকীয় প্ৰতিবেদন

তিনিচুকীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।। ২০১৫-১৬ বৰ্ষ।।

## উপ-সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সেই সকল মহান ব্যক্তিক শ্ৰদ্ধা জনাইছো যিসকলৰ প্ৰচেষ্টাত এই মহাবিদ্যালয়খন প্ৰতিষ্ঠা হৈছিল। লগতে যিসকলে এই মহাবিদ্যালয়ত নিজকে নিয়োজিত কৰি বৰ্তমান সময়লৈকে শিক্ষাৰ ক্ষেত্ৰত তিনিচুকীয়া মহাবিদ্যালয়ক উজ্বলাই তুলিছে সেইসকলক ছাত্ৰ একতা সভাৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয় হিচাপে নাম থকা তিনিচুকীয়া মহাবিদ্যালয়ত উপসভাপতিৰ দৰে যি এক গুৰু দায়িত্ব অৰ্পন কৰি মোক কাম কৰাৰ সুবিধা প্ৰদান কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক এই সুযোগতে কৃতজ্ঞতা জনাইছোঁ।

তিনিচুকীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মহাবিদ্যালয়ৰ বাৰ্ষিক কাৰ্যসূচীসমূহত নিয়োজিত হৈ পৰিছিলোঁ। সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা ছাত্ৰ একতা সভাৰ বাৰ্ষিক কাৰ্যসূচীসমূহত শিক্ষাগুৰুসকলে আগবঢ়োৱা দিহা-পৰামৰ্শ তথা মহাবিদ্যালয়ৰ কৰ্মচাৰীসকলৰ সহায়-সহযোগিতাৰ বাবে আন্তৰিক ধন্যবাদ তথা সশ্ৰদ্ধ প্ৰণিপাত থাকিল।

তিনিচুকীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই গ্ৰহণ কৰা বিভিন্ন কাৰ্যসূচী তথা মহাবিদ্যালয়ৰ উন্নয়নৰ হকে গ্ৰহণ কৰা পদক্ষেপসমূহত কিছু সফল হ'লো যদিও বহুক্ষেত্ৰত দেখা যায় যে মহাবিদ্যালয়ৰ সমস্যাসমূহ সমাধান কৰাত এই এবছৰীয়া কাৰ্যকাল পৰ্যাপ্ত নহয়। আশাকৰোঁ পৰৱৰ্তী ছাত্ৰ একতা সভাই এইক্ষেত্ৰত আগভাগ ল'ব। মহাবিদ্যালয়ৰ বাৰ্ষিক কাৰ্যসূচীসমূহত কিমান সফল হ'লো সেয়া আপোনালোকৰ বিচাৰ্য বিষয়। আমাৰ কাৰ্যকালত মহাবিদ্যালয়ত সৰস্বতী পূজা পালনকে ধৰি প্ৰেক্ষাগৃহ উন্নীতকৰণ, ছাত্ৰী নিবাসৰ পুনঃনিৰ্মাণ, মাছুল হ্ৰাস তথা নামভৰ্তিৰ মাছুল হ্ৰাস কৰা, আসন বৃদ্ধি আৰু আন্তঃগাঁথনিমূলক বিভিন্ন সমস্যাসমূহ সমাধান কৰাৰ বাবে আবেদন জনাইছিলোঁ।

তিনিচুকীয়া মহাবিদ্যালয় এখন অসমৰ আগশাৰীৰ মহাবিদ্যালয় হিচাপে উজলি থাকক আৰু মহাবিদ্যালয়খন সকলোৰে আদৰ্শৰ হওক, এইক্ষেত্ৰত ইয়াত অধ্যয়ন কৰা প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়ৰ কাৰ্যসূচীসমূহত অংশগ্ৰহণ কৰি তেওঁলোকৰ প্ৰতিভাসমূহ বিকাশ কৰক। মই ভাবো মহাবিদ্যালয়ৰ বাৰ্ষিক কাৰ্যসূচীসমূহত ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতি বাধ্যতামূলক কৰি তুলিলে অনুষ্ঠানসমূহৰ লগত জড়িত হৈ তেওঁলোকে কিছু হ'লেও উপকৃত হ'ব তথা প্ৰতিযোগীসকলৰ পৰাও প্ৰেৰণা লাভ কৰিব। অন্ততঃ অনুষ্ঠানসমূহত নিজেও কিবা এটা কৰা নাম কৰিব আৰু তেতিয়া অনুষ্ঠানসমূহ আয়োজন কৰা সাৰ্থক হ'ব বুলি ধাৰণা কৰো।

কৃতজ্ঞতাৰ শৰাই ঃ

মোৰ কাৰ্যকালত বিভিন্ন সময়ত দিহা-পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° ভুবন গগৈ ছাৰ তথা মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষাগুৰু, ছাত্ৰ একতা সভাৰ বিষয়ববীয়া, ছাত্ৰ-ছাত্ৰী, বন্ধু-বৰ্গ ক্ৰমে — সত্যজিৎ, ধ্ৰুৱ, সমৰদা, নয়নদা, ধ্ৰুৱপ্ৰতিম আৰু তিনিচুকীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ লগতে প্ৰাক্তন ছাত্ৰ একতা সভাৰ সদস্যসকল, ছাত্ৰী নিবাসৰ আৱাসীসকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ এই কাৰ্যকালত অজানিতে বৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে প্ৰতিবেদন সামৰিলোঁ।

।। জয়তু তিনিচুকীয়া মহাবিদ্যালয়।।
।। জয়তু তিনিচুকীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।।

— আকাশনীল হাজৰিকা
উপ-সভাপতি

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই শ্ৰদ্ধা আৰু সেৱা নিবেদন কৰিছোঁ। সেইসকল মনিষী ব্যক্তিলৈ যিসকলৰ প্ৰচেষ্টাত তিনিচুকীয়া মহাবিদ্যালয়ে আজি আহি এই অৱস্থাত উপনীত হৈছেহি।

এক ঐতিহ্যমণ্ডিত শিক্ষা মন্দিৰ তিনিচুকীয়া মহাবিদ্যালয় তিনিচুকীয়া জিলাৰ ভিতৰতেই নহয় উজনি অসমৰ আগশাৰীৰ শিক্ষানুষ্ঠান। এই মহাবিদ্যালয়খনে আমাক দিয়া জ্ঞানৰ প্ৰতিদান হিচাপে মই সেৱা মনোভাৱেৰে সাধাৰণ সম্পাদকৰ বাবে প্ৰতিদ্বন্দিতা আগবঢ়াইছিলোঁ। কিন্তু বিনা প্ৰতিদ্বন্দিতাৰে সাধাৰণ সম্পাদকৰ পদত জয়যুক্ত কৰাৰ বাবে সমূহ শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰীসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই এবছৰীয়া কাৰ্যকালত আপোনালোকৰ সহযোগত কিমান দূৰ সফল হ'ব পাৰিলো তাৰ বিচাৰৰ দায়িত্ব আপোনালোকৰ হাতত।

হীৰক জয়ন্তী গৰকা শিক্ষানুষ্ঠানসমূহৰ ভিতৰত তিনিচুকীয়া মহাবিদ্যালয় অন্যতম। এই মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক হিচাপে অলংকৃত হৈ মহাবিদ্যালয়ৰ বাবে সেৱা আগবঢ়াবলৈ পাই নিজকে ধন্য মানিছো।

মোৰ এই এবছৰীয়া কাৰ্যকালৰ চমু খতিয়ান ঃ

১৬ চেপ্তেম্বৰ তাৰিখে ছাত্ৰ একতা সভাৰ নিৰ্বাচন। এই নিৰ্বাচনত মই বিনা প্ৰতিদ্বন্দিতাৰে তিনিচুকীয়া মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হওঁ।

২৮ অক্টোবৰ তাৰিখে অনুষ্ঠিত হোৱা শপতগ্ৰহণ অনুষ্ঠানত শপত বাক্য পাঠ কৰি নতুন কাৰ্যনিৰ্বাহ সমিতিখনৰ কাৰ্যভাৰ গ্ৰহণ কৰোঁ।

২ নৱেম্বৰ তাৰিখে তিনিচুকীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নতুন কাৰ্যনিৰ্বাহক সমিতিখনে মহাবিদ্যালয়ৰ চাৰি চৌহদ পৰিস্কাৰ কৰে।

১ নৱেম্বৰ তাৰিখে একতা সভাৰ কাৰ্যালয়ত প্ৰথমখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰা হয়।

১৫ নৱেম্বৰ তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যালয়, ছাত্ৰী জিৰণী কোঠা, ছাত্ৰ জিৰণী কোঠা মেৰামতি আৰু ৰং কৰিবলৈ মহাবিদ্যালয়ৰ অধ্যক্ষক স্মাৰক পত্ৰ প্ৰদান কৰা হয়।

জানুৱাৰী মাহৰ ১৭-০১-২০১৬ তাৰিখৰ পৰা ২৩-১-২০১৬ লৈ ৫১ তম বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। বাৰ্ষিক সপ্তাহত বিভাগীয় সম্পাদকে নিজৰ নিজৰ দায়িত্ব পালন কৰে।

১৭-০১-২০১৬ তাৰিখে পুৱা ৫ বজাত মাৰাথন দৌৰ প্ৰতিযোগিতাৰে মহাবিদ্যালয় সপ্তাহ আৰম্ভ কৰা হয়।

২৩-০১-২০১৬ তাৰিখে মহাবিদ্যালয় সপ্তাহ হিচাপে অনুষ্ঠিত কৰা মুকলি সভাৰ অতিথি হিচাপে লুৰিনজ্যোতি গগৈ আৰু শ্ৰীকুমাৰ দহোতীয়াক আমন্ত্ৰণ জনোৱা হয়। লগতে প্ৰাক্তন ছাত্ৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক লুৰিনজ্যোতি গগৈক এখনি সম্বৰ্দ্ধনা পত্ৰ প্ৰদান কৰা হয়।

২৬ জানুৱাৰী উপলক্ষে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভুবন গগৈদেৱে পতাকা উত্তোলন কৰে।

১ মাৰ্চ তাৰিখে তিনচুকীয়া মহাবিদ্যালয়ৰ মূল পথটো মেৰামতিৰ বাবে তিনিচুকীয়া পৌৰসভাৰ সভাপতিক এখন স্মাৰক পত্ৰ দিয়া হয়।

মহাবিদ্যালয়ৰ এই বৰ্ষৰ সৰস্বতী পূজা বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হয়।

স্নাতক মহলা প্ৰথম বৰ্ষ, উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ আসন বৃদ্ধি কৰাৰ দাবীত মহাবিদ্যালয়ৰ অধ্যক্ষলৈ স্মাৰক পত্ৰ প্ৰদান কৰা হয় লগতে মহাবিদ্যালয়ৰ অধ্যক্ষই ছাত্ৰ একতা সভাৰ পদবী তথা ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতলৈ লক্ষ্য ৰাখি স্নাতক মহলৰ প্ৰত্যেক শাখাত ৫০ খনকৈ আসন বৃদ্ধি কৰে।





১৭ আগষ্ট তাৰিখে ৫০ তম নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। এই নৱাগত সভাৰ মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সঞ্জয় খৈতান আৰু তিনিচুকীয়া জিলাৰ উপায়ুক্ত ৰঞ্জন কুমাৰ চক্ৰৱতীদেৱ। সেইদিনা দুজন শিক্ষাগুৰুক বিদায় সম্বৰ্দ্ধনা জনোৱা হয়।

২৯, ৩০, ৩১ আগষ্ট তাৰিখে মহাবিদ্যালয়লৈ National Assessment and Accrediation Council (NAAC) ৰদলটিয়ে মহাবিদ্যালয় পৰিদৰ্শন কৰিবলৈ আহে। মোৰ কাৰ্যকালত এইটো এটা ডাঙৰ প্ৰত্যাহ্বান আছিল। মোৰ লগতে ছাত্ৰ একতা সভাৰ প্ৰতিজন বিষয়-ববীয়াই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ সৈতে তিনিচুকীয়া মহাবিদ্যালয়খনৰ এখন স্বচ্ছ প্ৰতিচ্ছবি NAAC দলটিৰ সন্মুখত দাঙি ধৰাৰ অপ্ৰাণ চেষ্টা কৰিছিলো। আমাৰ সকলোৰে সেই চেষ্টাৰ ফলশ্ৰুতিৰে হয়তো মহাবিদ্যালয়খনে $B^+$ গ্ৰেড পাবলৈ সক্ষম হ'ল। এই সফলতাৰ বাবে মই অতি আনন্দিত হৈছিলোঁ।

৩ চেপ্তেম্বৰ তাৰিখে শংকৰদেৱৰ তিথি পালন কৰা হয়।

১ চেপ্তেম্বৰ তাৰিখে মহাবিদ্যালয়ৰ ৬০ তম প্ৰতিষ্ঠা দিৱস পালন কৰা হয় আৰু কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্দ্ধনা জনোৱা হয়।

২১ চেপ্তেম্বৰ তাৰিখে মহাবিদ্যালয় ২০১৫-১৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন অনুষ্ঠিত হয়।

২৬ অক্টোবৰ তাৰিখে নতুন সমিতিৰ হাতত কাৰ্যভাৰ হস্তান্তৰ কৰা হয়।

অনুৰোধ

এই সুযোগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী মহাবিদ্যালয়লৈ আহোঁতে সঠিক সাজ-পোছাক পিন্ধা, শ্ৰেণীকোঠাত যাতে মোবাইল ফোন ব্যৱহাৰ নকৰে, শ্ৰেণীকোঠাত উপস্থিত থাকিবলৈ তথা মহাবিদ্যালয়খন পৰিস্কাৰ কৰি ৰাখিবলৈ অনুৰোধ জনালোঁ।

**কৃতজ্ঞতাৰ শৰাই ঃ**

মোৰ কাৰ্যকালৰ আৰম্ভণিৰে পৰা শেষলৈকে সুচাৰুৰূপে পৰিচালনা কৰিবলৈ পৰামৰ্শ তথা সহায় আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা মহাবিদ্যালয়ৰ অধ্যক্ষ ভূবন গগৈ ছাৰ, ৰাণা কুমাৰ চাংমাই ছাৰ, ড° চৈতন্য বৰা চাৰ, ময়ূৰী শৰ্মা বৰুৱা বাইদেউ, অজিত ফুকন ছাৰ আৰু সমূহ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু ছাত্ৰ একতা সভাৰ সকলো বিষয়-ববীয়ালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

লগতে মোৰ দাদাসকল আৰু বন্ধুবৰ্গ সমৰ দা, পুলক দা, তাৰিক দা, পুতুল দা, তাহিৰ দা, বিকি দা, চিন্ময় দা, সৰু দা, আশীৰ্বাদ দা, ভাস্কৰ, ৰাজীৱ, ৰাণা, সীমান্ত, ধ্ৰুৱজিৎ, ডেং, বেজ, ৰাজা, উজ্জ্বল, মনদ্বীপ, কল্প, চানু, বিশ্ব, সমূহ কাৰ্যালয়ৰ কৰ্মকৰ্তা, তিনিচুকীয়া আঞ্চলিক ছাত্ৰ সন্থা , অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, তিনিচুকীয়া জিলা সমিতি, সদৌ মৰাণ ছাত্ৰ সন্থাৰ লগতে মোৰ সমূহ সহপাঠী, অগ্ৰজ, প্ৰাক্তন ছাত্ৰ একতা সভাৰ সদস্যসকল আৰু ছাত্ৰ নিবাসৰ সমূহ ছাত্ৰীলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন আৰু শলাগৰ শৰাই আগবঢ়ালোঁ।

এইখিনিতে মোৰ বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰি বিভাগীয় প্ৰতিবেদনৰ সামৰণি মাৰিছো।

।। জয়তু তিনিচুকীয়া মহাবিদ্যালয়।।

।। জয়তু তিনিচুকীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।।

— দ্বীপজ্যোতি ভৰালী
সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা

# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

নমস্কাৰ গ্ৰহণ কৰিব। প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল মহান ব্যক্তিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো, যিসকল মহান ব্যক্তিয়ে এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰিলে। ইয়াৰ লগে লগেই মহাবিদ্যালয়ৰ মোৰ সন্মানীয় শিক্ষাগুৰুসকল তথা কৰ্মচাৰী বৃন্দ আৰু ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ইয়াৰ লগতে যিসকল মহান ব্যক্তিয়ে স্বদেশ আৰু স্বজাতি তথা অসম মাতৃৰ কাৰণে প্ৰাণ আহুতি দিলে সেইসকল শ্বহীদলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ

এই ঐতিহ্যমণ্ডিত শিক্ষা মন্দিৰ তিনিচুকীয়া মহাবিদ্যালয়ত ২০১৫-১৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হোৱাৰ বাবে মই নিজেই গৌৰৱ অনুভৱ কৰোঁ। ২০১৫ বৰ্ষৰ ২৮ অক্টোবৰ তাৰিখে মই ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদক হিচাপে শপত গ্ৰহণ কৰি এবছৰীয়া কাৰ্যকালৰ বাবে সহঃ সম্পাদক হিচাপে দায়িত্ব লাভ কৰোঁ। এই এবছৰীয়া কাৰ্যকালৰ প্ৰতিটো কাৰ্যসূচী ছাত্ৰ একতা সভাৰ সকলো সম্পাদকে একত্ৰিত হৈ সুচাৰু ৰূপে সম্পাদন কৰিছিলোঁ। ইয়াৰ লগতে সহঃ সাধাৰণ সম্পাদকৰ দায়িত্বত থকাৰ সময়ছোৱাত মোৰ গুৰুত্বপূৰ্ণ তথা কৰণীয় কাম আছিল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ তিৰোভাৱ তিথিভাগিৰ আয়োজন কৰা। ২০১৫-১৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ হৈ ৩-৯-২০১৬ তাৰিখে মহাবিদ্যালয়ত গুৰুজনাৰ তিৰোভাৱ তিথিভাগিৰ আয়োজন কৰোঁ। এই তিথিভাগি অয়োজন কৰাত মোৰ শিক্ষাগুৰুসকলৰ লগতে মোৰ প্ৰিয় বন্ধু-বান্ধৱীসকল আৰু ভকতবৃন্দই বহু সহায়-সহযোগিতা আগবঢ়ায়।

এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ এজন সম্পাদক হিচাপে মই যিমানখিনি কৰিব লাগিছিল সেই অনুসাৰে মই কৰিব নোৱাৰিলো। মহাবিদ্যালয়খনিৰ সহঃ সাধাৰণ সম্পাদক হিচাপে মোৰ এবছৰীয়া কাৰ্যকালত ছাত্ৰ-ছাত্ৰীৰ সমস্যাৰ সমাধানৰ ক্ষেত্ৰত কিমান আগবঢ়াই নিব পাৰিলো সেইয়া আপোনালোকৰ বিচাৰ্যৰ বিষয় কিয়নো মোৰ সীমিত অভিজ্ঞতা, জ্ঞান, অতি চমু সময় আৰু আন বিভিন্ন সমস্যাৰ বাবে যিমানখিনি আগবঢ়াই নিম বুলি আশা কৰিছিলো সিমানখিনি আগবঢ়াই নিব নোৱাৰিলোঁ। অনুৰোধ এইখিনিতে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক অনুৰোধ জনাওঁ যে মহাবিদ্যালয়ৰ শৃংখলাবদ্ধতা ৰক্ষাৰ ক্ষেত্ৰত সকলোৱে যেন কৰণীয় দায়িত্বসমূহ পালন কৰে। মহাবিদ্যালয়ৰ দায়িত্বসমূহৰ কাৰ্যসূচীত যে কেৱল ছাত্ৰ একতা সভাই অংশীদাৰ হৈ থাকিব তেনে নহয়, এই কাৰ্যসূচীত সকলো ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়খনিৰ সু মান-মৰ্যাদা ৰক্ষাৰ বাবে অংশীদাৰ হৈ থাকিব লাগে। নৱ নিৰ্বাচিত ২০১৬-১৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে মহাবিদ্যালয়ৰ বিভিন্ন সমস্যাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সমস্যাৰ ওপৰত গুৰুত্ব দিবলৈ অনুৰোধ জনাইছো।

**কৃতজ্ঞতা তথা শলাগৰ শৰাই ঃ**

মোৰ কাৰ্যকালৰ আৰম্ভণিৰে পৰা শেষলৈকে সুচাৰুৰূপে পৰিচালনা কৰিবলৈ পৰামৰ্শ তথা সহায় আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভুবন গগৈ ছাৰ, ৰশ্মি দত্ত বাইদেউ, ৰাণা চাংমাই ছাৰ, অজিত ফুকন ছাৰ, ময়ূৰী বাইদেউ, চৈতন্য ছাৰ, কমলেশ ছাৰ, বৈকুণ্ঠ ছাৰ, প্ৰাঞ্জল ছাৰ আৰু সমূহ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়ালৈ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। লগতে মোৰ বন্ধু-বান্ধৱী ৰিপুঞ্জয়, সুৰেশ, মাধুৰ্য্য, মৃগাংক, মিণ্টু, ৰাজু, প্ৰবেন, বিশ্বজিৎ, তীক্ষ্ণ, তুষাৰ, অমল, দিবাকৰ, ৰতন, ৰাহুল, অৰুজ, জিণ্টু, সিদ্ধাৰ্থ, ৰিদিপ, দীপক, কৃষ্ণ, অভিজিৎ, দীপজ্যোতি, ভৰালী, নয়ন, প্ৰিয়ম, ৰঘুনাথ, মানস, কল্যাণ, বনিশা, পিৰু, স্বপ্না, ধৰিত্ৰী, মৰমী, মৌচুমী, জাহ্নৱী, নীলাক্ষী, প্ৰিয়ংকা, পৰিস্মিতা, পূজা, ঋতুপৰ্ণা, প্ৰিয়া, বন্দিতা, অপুলীনা, সুস্মিতা, মোৰ দাদা ক্ৰমে, বেজ দা, সীমান্ত দা, ৰাজীৱ দা, ৰাণা দা, নৱ দা, ধ্ৰুৱ দা, সুৰম্য দা, হেম দা, দীপাঙ্কৰ দা লগতে মহাবিদ্যালয় ছাত্ৰী নিবাসৰ সমূহ ছাত্ৰীক তেওঁলোকৰ সহায়-সহযোগিতাৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সৰ্বশেষত তিনিচুকীয়া মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নয়ন আৰু দীৰ্ঘায়ু কামনা কৰি মোৰ বিভাগীয় প্ৰতিবেদন সামৰণি মাৰিলো।

।। জয়তু তিনিচুকীয়া মহাবিদ্যালয়।।

।। জয়তু তিনিচুকীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।।

জোন গোহাঁই
সহকাৰী সাধাৰণ সম্পাদক





# বহিঃক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন

জয়জয়তে তিনিচুকীয়া মহাবিদ্যালয়ৰ সেইসকল স্বপ্নদেষ্টা মহান ব্যক্তিলৈ শ্ৰদ্ধা নিবেদিছো, যিসকলৰ পৰিশ্ৰম আৰু ত্যাগৰ বিনিময়ত এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনিয়ে প্ৰতিষ্ঠা লাভ কৰিছিল।

উজনি অসমৰ অন্যতম অগ্ৰণি প্ৰতিষ্ঠান তিনিচুকীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০১৫-১৬ বৰ্ষৰ বহিঃক্ৰীড়া সম্পাদক হিচাপে মোক নিৰ্বাচিত কৰি ছাত্ৰসমাজ আৰু মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

তিনিচুকীয়া মহাবিদ্যালয়ৰ দৰে এখন ঐতিহ্যময় মহাবিদ্যালয়ৰ বহিঃক্ৰীড়া সম্পাদক হিচাপে ছাত্ৰ-ছাত্ৰীৰ লুপ্ত হৈ থকা প্ৰতিভাসমূহক ক্ৰীড়াৰ দিশৰ লগতে অন্যান্য দিশৰ ক্ষেত্ৰত কিমানখিনি কাম এখন সুন্দৰ পথাৰ গঢ় দিবলৈ চেষ্টা কৰিছিলো। মোৰ এবছৰীয়া কাৰ্যকালত কৰিলো সেইটো আপোনালোকৰ বিচাৰ্য্য বিষয়, কিয়নো মোৰ সীমিত অভিজ্ঞতা আৰু কাৰ্যকালৰ সময়ছোৱা ছুটী হোৱাৰ বাবে যিমানদূৰ আগবঢ়াই নিম বুলি ভাৱিছিলো সিমানদূৰ আগবঢ়াই নিব নোৱাৰিলো। মোৰ কাৰ্যকালৰ সময়ছোৱাত যিমানখিনি কাম কৰিলো তাকেই মোৰ প্ৰতিবেদনত আপোনালোকৰ জ্ঞাতাৰ্থে অৱগত কৰিলো।

মোৰ কাৰ্যকালৰ শোভাৰম্ভ ঘটে মাৰ্ঘেৰিটা মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয়ৰ ক্ৰিকেট প্ৰতিযোগিতাৰ জৰিয়তে। আমাৰ মহাবিদ্যালয়ৰ দলটিয়ে উক্ত খেলখনিত সক্ৰীয়ভাৱে অংশগ্ৰহণ কৰিছিল।

ফৰকাটিং মহাবিদ্যালয়ত ৬/১/২০১৬ তাৰিখৰ পৰা অনুষ্ঠিত কৰা আন্তঃমহাবিদ্যালয় এথলেটিক প্ৰতিযোগিতাৰ যোগেদি আমাৰ মহাবিদ্যালয়ে উক্ত প্ৰতিযোগিতাখনিত অংশগ্ৰহণ কৰিছিল।

বিগত বৰ্ষৰ দৰে এইবছৰো ১৭ /১/২০১৭ পৰা ২৩/১/২০১৭ লৈ মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ সপ্তাহখনিত মোৰ বিভাগীয় দৌৰ, মাৰাঠন, ওখ জাম্প, দীঘল জাম্প, জেবলিন, চটফুট, কাবাডী আদি খেল অনুষ্ঠিত কৰা হয়। ছাত্ৰ-ছাত্ৰীয়ে আগ্ৰহৰে উক্ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে।

ইয়াৰ পাছতে ১১ দিনীয়া অনুশীলনৰ জৰিয়তে মহাবিদ্যালয়ৰ ফুটবল দলটিৰ বাবে উন্নত মানদণ্ডৰ ল'ৰা নিৰ্বাচিত কৰি ফুটবল দলটি গঠন কৰা হয়। ডুমডুমা মহাবিদ্যালয়ত ৫/৭/২০১৬ পৰা অনুষ্ঠিত কৰা আন্তঃমহাবিদ্যালয় ফুটবল খেল উক্ত দলটিৰ সৈতে অংশগ্ৰহণ কৰা হয়। আমাৰ মহাবিদ্যালয়ৰ দলটিয়ে উন্নত মানৰ খেল প্ৰদৰ্শন কৰি 'C Zone' বিজয়ী দল হিচাপে বিবেচিত হয় যদিও ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ছেমিফাইনেলত পৰাজিত হয়। উক্ত খেলখনিত আমাৰ মহাবিদ্যালয়ৰ দলটিৰ খেলুৱৈ প্ৰাণজ্যোতি চেতিয়াই আন্তঃবিশ্ববিদ্যালয়ৰ ফুটবল প্ৰতিযোগিতাৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দলটিৰ হৈ খেলিবলৈ যোগ্যতা অৰ্জন কৰে।

এইবোৰৰ উপৰিও বহিঃক্ৰীড়া হিচাপে নিজৰ দায়িত্বৰ বাহিৰেও মহাবিদ্যালয়ৰ অভাৱ-অভিযোগৰ পৰা আৰম্ভ কৰি, কলেজৰ প্ৰতিষ্ঠা দিৱস, নৱাগত আদৰণি সভা, মহাবিদ্যালয়ৰ বিভিন্ন ধৰণৰ দিৱসত অংশগ্ৰহণ কৰো। এইদৰে মোৰ কাৰ্যকালৰ পৰিসমাপ্তি ঘটে। মোৰ এই এবছৰীয়া কাৰ্যকালত যিমানখিনি অভিজ্ঞতা লাভ কৰিলো সেই অভিজ্ঞতাই মোৰ অনাগত জীৱনৰ প্ৰতিটো খোজত পথ-প্ৰদৰ্শক হৈ ৰ'ব।

**কৃতজ্ঞতাৰ শৰাই ঃ**

সৰ্বপ্ৰথমে মই প্ৰতিবেদনৰ জৰিয়তে তিনিচুকীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ লগতে মোৰ কাৰ্যকালত দিহা-পৰামৰ্শ তথা সহায়-সহযোগ কৰা বহিঃক্ৰীড়া বিভাগৰ উপদেষ্টাৰ লগতে আমাৰ মহাবিদ্যালয়ৰ অধ্যাপক ড. চৈতন্য বৰা ছাৰ আৰু অজিৎ চন্দ্ৰ ফুকন ছাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে মোৰ প্ৰতিটো কামত সহায়-সহযোগিতা তথা দিহা-পৰামৰ্শ আগবঢ়োৱা সমৰ দা, নৱ দা, মনোৰঞ্জন দা, সত্য দা, সূৰুজ দা, নয়ন দা, ৰাজা দা, ৰাণা দা, সীমান্ত দা, ৰাজীৱ দা, ধ্ৰুৱ দা লৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

ইয়াৰ পাছতে মোৰ কাৰ্যকালত প্ৰতিটোমূহূৰ্তত সহায়-সহযোগিতা আগবঢ়োৱা ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ লগতে মোৰ বন্ধুবৰ্গ- প্ৰবেন, মৃণাল, ৰতন, দিবাকৰ, কল্যাণ, কমল, অৰুজ, ৰঞ্জন, নমিত, ৰাতুল, পাৰ্থ, মনি, মাধৱ, লগতে তিনিচুকীয়া আঞ্চলিক ছাত্ৰ সন্থা, সদৌ মৰাণ ছাত্ৰ সন্থাৰ লগতে প্ৰাক্তন ছাত্ৰ একতা সভাৰ সদস্যসকল আৰু মহাবিদ্যালয়ৰ মোৰ সমূহ সহপাঠী, বন্ধু-বান্ধৱী, দাদা, বাইদেউ, ভাইটি, ভন্টী সকলোকে ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ কাৰ্যকালত কেনেবাকৈ ক'ৰবাত বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে মই ক্ষমা বিচাৰিলো। আশা কৰো তিনিচুকীয়া মহাবিদ্যালয়খনিয়ে অনাগত সময়ত ক্ৰীড়াৰ দিশৰ লগতে অন্যান্য দিশতো আগৰণুৱা হৈ আগবাঢ়ি যাওঁক।

তীক্ষ্ণজ্যোতি হাজৰিকা
বহিঃক্ৰীড়া সম্পাদক।

# আন্তঃক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো, যিসকল শ্বহীদে অসম মাতৃৰ কাৰণে নিজৰ প্ৰাণ আহুতি দিছে আৰু অসমৰ ইতিহাস স্মৰণীয় কৰি থৈ গৈছে। ইয়াৰ লগে লগেই যিসকল মহান ব্যক্তি তথা শিক্ষাগুৰুৰ অশেষ পৰিশ্ৰম আৰু ত্যাগৰ বিনিময়ত তিনিচুকীয়া মহাবিদ্যালয়খন গঢ় লৈ উঠিছে সেইসকলক মই শ্ৰদ্ধা জ্ঞাপন কৰিছো।

তিনিচুকীয়া জিলাৰ ভিতৰত হীৰক জয়ন্তী গৰকা শিক্ষানুষ্ঠানসমূহৰ ভিতৰত তিনিচুকীয়া মহাবিদ্যালয় অন্যতম। এই মহাবিদ্যালয় ২০১৫-১৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোক আন্তঃক্ৰীড়া সম্পাদক হিচাপে নিৰ্বাচিত কৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সেৱা আগবঢ়াবলৈ তথা মহাবিদ্যালয়ৰ বাবে সেৱা আগবঢ়াবলৈ পাই নিজকে ধন্য মানিছো।

**মোৰ এই এবছৰীয়া কাৰ্যকালৰ চমু খতিয়ান ঃ** মহাবিদ্যালয়ৰ ২০১৫-১৬ বৰ্ষৰ ছাত্ৰ একতা সভা নিৰ্বাচনত ছাত্ৰ-ছাত্ৰীসকলৰ বিপুল সঁহাৰিৰ ফলত মই তিনিচুকীয়া মহাবিদ্যালয়ৰ আন্তঃক্ৰীড়া সম্পাদক হিচাপে নিৰ্বাচিত হওঁ। যোৱা ১৬ ছেপ্টেম্বৰ ২০১৬ তাৰিখৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে হাৰ্হি মহাবিদ্যালয়ত আন্তঃমহাবিদ্যালয় বেডমিণ্টন প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ দলটিক যোগদান কৰাওঁ আৰু দলটিয়ে উন্নত খেল প্ৰদৰ্শনেৰে ৰানাৰ্ছ-আপ সন্মান লাভ কৰে।

মাৰ্ঘেৰিটা মহাবিদ্যালয়ত অনুষ্ঠিত আন্তঃমহাবিদ্যালয় বক্সিং প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ দুজন ছাত্ৰই ৰূপৰ পদক আৰু ব্ৰঞ্জৰ পদক লাভ কৰে।

১৮ আৰু ১৯ অক্টোবৰত ঢকুৱাখনা মহাবিদ্যালয়ত অনুষ্ঠিত আন্তঃমহাবিদ্যালয় ভলীবল প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ দলটিয়ে অংশগ্ৰহণ কৰি ফাইনেল পৰ্যায়লৈ খেলিবলৈ সক্ষম হয়। ইয়াৰোপৰি ডিব্ৰুগড়ৰ চিটি মহাবিদ্যালয়ত অনুষ্ঠিত আন্তঃমহাবিদ্যালয়ৰ টেবুল টেনিছ প্ৰতিযোগিতাতো মহাবিদ্যালয়ৰ দলটিয়ে অংশগ্ৰহণ কৰে।

**কৃতজ্ঞতা তথা শলাগৰ শৰাই ঃ** মোৰ কাৰ্যকালৰ আৰম্ভণিৰে পৰা শেষলৈকে সুচাৰুৰূপে পৰিচালনা কৰিবলৈ পৰামৰ্শ তথা সহায় আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভুবন গগৈ ছাৰ, শ্ৰীযুত ৰাজীৱ মহন ছাৰ আৰু পংকজ শইকীয়া ছাৰ লগতে ছাত্ৰ-ছাত্ৰী আৰু ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়ালৈ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

মোৰ দাদা ভাস্কৰ বড়া লগতে সমৰদা, আশীৰ্বাদদা, চিন্ময়দা, পুতুলদা, তাৰিকদা, ভাইদা, অনিমেষদা, গোঁহাইদা, নুবুলদা, সত্যজিৎদা, নয়নদা, ডেংদা, বিশ্বজিৎদা, জিণ্টুদা, প্ৰবেন, প্ৰণৱজ্যোতি, আশীষ, উদীপদা, লক্ষীন্দ্ৰ, দ্ৰোণ, সীমান্তদা, ৰাজীৱ, সুৰজ, ধ্ৰুৱপ্ৰতিম, পাৰ্থ, অনুজ, উৎপল, মাধুৰ্য, ব্ৰীজজ্যোতি, কল্পজিৎ, মৃণাল, স্বপ্না, প্ৰিয়া, চুমী, তিলোমণি, স্মৃতি, বনিশা, পিৰুমণি, পৰিস্মিতা, তৰালী, লগতে তিনিচুকীয়া আঞ্চলিক ছাত্ৰ সন্থা আৰু গুইজান আঞ্চলিক ছাত্ৰ সন্থাৰ সমূহ বিষয়ববীয়া আৰু মোৰ সহপাঠী অগ্ৰজ-অনুজ সকলোলৈকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সৰ্বশেষত মোৰ এবছৰীয়া কাৰ্যকালত অনিচ্ছাকৃতভাৱে বৈ যোৱা সকলো ভুল-ক্ৰটিৰ বাবে মাৰ্জনা বিচাৰি মোৰ সম্পাদকীয় প্ৰতিবেদন সামৰণি মাৰিছোঁ।

।। জয়তু তিনিচুকীয়া মহাবিদ্যালয়।।

।। জয়তু তিনিচুকীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।।

**নৱজ্যোতি বড়া**
আন্তঃক্ৰীড়া সম্পাদক





# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

নমস্কাৰ গ্ৰহণ কৰিব। প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। যিসকল শ্বহীদে অসম মাতৃৰ কাৰণে নিজৰ প্ৰাণ আহুতি দিলে আৰু অসমৰ ইতিহাস মহিয়ান কৰি থৈ গৈছে। দ্বিতীয়তে ১৯৫৬ চনৰে পৰা সুদীৰ্ঘ ছৰ টা বৰ্ষ অতিক্ৰমি শতসহস্ৰজনক জ্ঞানৰ জ্যোতিৰে উদ্ভাসিত উজনি অসমৰ এখন লেখত ল'বলগীয়া শিক্ষানুষ্ঠান তিনিচুকীয়া মহাবিদ্যালয়ৰ সমূহ সতীৰ্থ আৰু মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলক মই মোৰ আন্তৰিক শ্ৰদ্ধা আৰু শুভেচ্ছা জনাইছোঁ।

এই মহাবিদ্যালয়ত পাৰ কৰা ৫ টাকৈ বছৰত বহু অভিজ্ঞতা অৰ্জন কৰিলো। বৌদ্ধিক, ক্ৰীড়াগত, সাংস্কৃতিক আৰু শৈক্ষিক দিশত আগবঢ়া এই মহাবিদ্যালয়ত শিক্ষা অৰ্জন কৰিবলৈ আহি বহুজনক অনুপ্ৰাণিত কৰিছে।

মহাবিদ্যালয়ত বহু প্ৰতিভা আছে কিন্তু আমাৰ উপযুক্ত আন্তঃগাঁথনিৰ অভাৱৰ বাবে লুকাই থাকে। সেইবাবে ছাত্ৰ-ছাত্ৰীৰ মনত সৃষ্টিশীল মন এটি জগাই তুলিবলৈ বহু হাবিয়াস আছিল। বিভিন্ন কাৰ্যসূচী হাতত লৈ সফল হ'বলৈ পাই নথৈ আনন্দিত মই নিজকে।

২০১৫-২০১৬ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাংস্কৃতিক পদত জয়লাভ কৰি সাংস্কৃতিক সম্পাদকৰ গুৰু দায়িত্ব মই গ্ৰহণ কৰিছিলো। সমগ্ৰ কাৰ্যকালতে মই মোৰ ওপৰত ন্যস্ত দায়িত্বক সুচাৰুৰূপে পালন কৰি গৈছিলো। সাংস্কৃতিক দিশটোত ছাত্ৰ-ছাত্ৰীৰ সমস্যা সমাধান কৰাৰ লগতে মহাবিদ্যালয়খনিক কিমান আগবঢ়াই নিব পাৰিলোঁ সেয়া আপোনালোকৰ বিচাৰ্য বিষয়, কিয়নো মোৰ সীমিত সময়, অভিজ্ঞতা, বিভিন্ন সমস্যাৰ মাজেৰে যিমানখিনি কাম কৰিলো তাকেই প্ৰতিবেদনৰ ৰূপত আপোনালোকক অৱগত কৰিলোঁ।

**মহাবিদ্যালয় সপ্তাহ ঃ (১৭, ১৯, ২০ জানুৱাৰী )**

দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছত মোৰ প্ৰথমটো প্ৰত্যাহ্বান আছিল মহাবিদ্যালয় সপ্তাহ। মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ আৰম্ভ হৈছিল মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সৌজন্যত আৰু মহাবিদ্যালয়ৰ অনুমতিত। মহাবিদ্যালয়ৰ সপ্তাহৰ অন্যান্য বিভিন্ন কাৰ্যসূচীৰ লগতে সাংস্কৃতিক কাৰ্যসূচীসমূহ - বৰগীত, লোকগীত, জ্যোতি সংগীত, ৰাভা সংগীত, পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীত, ভূপেন্দ্ৰ সংগীত, বিহু নৃত্য, আধুনিক নৃত্য, গগনা, ঢোল বাদন, পেঁপা বাদন, তবলা, গীটাৰ, গজল, একক অভিনয়, বিহু গীত, নাটক আদিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ। বিচাৰকসকলৰ মৰ্মে ২০১৫-১৬ বৰ্ষৰ তিনিচুকীয়া মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ গায়কৰ সন্মান লাভ কৰে শ্ৰী ৰিপুঞ্জয় দহোতীয়াই। সাজ-পাৰ প্ৰতিযোগিতাত ছোৱালী আৰু ল'ৰাৰ ক্ৰমে জাহ্নৱী ৰাজখোৱা আৰু সঞ্জয় সেনে শ্ৰেষ্ঠ সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। বহু কষ্টসহিষ্ণুতাৰ মাজেদি তিনিদিনীয়া কাৰ্যসূচীৰে প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰিবলৈ নিজকে প্ৰস্তুত কৰিব লগা হৈছিল। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষ ড. ভূবন গগৈ ছাৰৰ অৱদান সদায় মনত ৰ'ব। তেখেতৰ বহু সহায়, দিহা-পৰামৰ্শ মাজেৰে অনুষ্ঠানসমূহ চলাই নিবলৈ সক্ষম হৈছিলো।

**আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ ঃ (২১-২৩ জানুৱাৰী)**

বাৰ্ষিক সপ্তাহ শেষ হোৱাৰ পিছ দিনায়ে কানৈ মহাবিদ্যালয়ত অনুষ্ঠিত কৰা যুৱ মহোৎসৱত যাবলৈ সাজু হৈছিলো। সাংস্কৃতিক সম্পাদকৰূপে মই যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰিবলগীয়া হৈছিল। আমি বিভিন্নজনে প্ৰতিযোগিতাবোৰত অংশগ্ৰহণ কৰিছিলোঁ। মহাবিদ্যালয়ৰ শিক্ষাগুৰু ড. কমলেশ কলিতা ছাৰ আৰু প্ৰাক্তন সাধাৰণ সম্পাদক ধ্ৰুৱজ্যোতি সোণোৱালদা ঐশ্বৰ্য আৰু সুৰেশ গগৈক ধন্যবাদ জ্ঞাপন কৰিছো। তেখেতলোকৰ সহায়ৰ মাজেদি মহোৎসৱৰ দিনকেইটা সুকলমে সমাধান হৈ গৈছিল।

**আছুৰ মুকলি বিহু ঃ (১৩ এপ্ৰিল)**

মহাবিদ্যালয়ৰ গাতে লাগি থকা তিনিচুকীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ১৩ এপ্ৰিল (১ বহাগ) তাৰিখে মুকলি বিহু অনুষ্ঠিত কৰা হৈছিল। উক্ত অনুষ্ঠানত আমাৰ মহাবিদ্যালয়ৰ পৰা মোৰ নেতৃত্বত এটি সৃষ্টিশীল নৃত্য দলে অংশগ্ৰহণ কৰিছিলোঁ আৰু প্ৰশংসাপ্ৰাপ্ত হৈছিল। নৃত্যদলটিক প্ৰশিক্ষণ দিয়া সীমা দুৱৰাক ধন্যবাদ জ্ঞাপন কৰিছো।

**৭০ তম স্বাধীনতা দিৱস ঃ (১৮-১৫ আগষ্ট)**

তিনিচুকীয়া জিলা প্ৰশাসনৰ উদ্যোগত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা ৭০ তম স্বাধীনতা দিৱসত পোন প্ৰথমবাৰৰ বাবে আমাৰ মহাবিদ্যালয়খনে দেশপ্ৰেমমূলক নৃত্য প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ সুযোগ লাভ কৰিছিলো। এই অনুষ্ঠানত আমাৰ মহাবিদ্যালয়ে প্ৰথমটো পদক আৰু প্ৰশংসাৱপ্ৰাপ্তি লাভ কৰিবলৈ সক্ষম হৈছিলো।

**NAAC ঃ (২৯, ৩০, ৩১ আগষ্ট)**

"The National Asessment and Accreditation Council"ৰ সহযোগত তিনিদিনীয়া কাৰ্যসূচীৰে কলেজ পৰিদৰ্শকসকলে আমাৰ মহাবিদ্যালয়ত পৰিদৰ্শন কৰিছিল। উক্ত অনুষ্ঠানৰ শেষৰ দিনা সাংস্কৃতিক কাৰ্যসূচীৰে সমাপ্তি হৈছিল। বড়ো, কছাৰী, দেউৰী, মিচিং আদি জনগোষ্ঠীৰ লোকসকৰ বিহুনৃত্য পৰিৱেশন কৰাৰ লগতে অসমীয়া সমাজৰ কিছুমান নতুন ৰূপ দেখুৱাবলৈ সক্ষম হৈছিলো। অন্য এক

অসমৰ বাপতিসাহোন বহাগ বিহু নৃত্য পৰিদৰ্শন কৰিছিলোঁ। এই সাংস্কৃতিক অনুষ্ঠানটোৱে পৰিদৰ্শকসকলক আৰু এখোপ আকৃষ্ট কৰিছিল আৰু মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশত প্ৰশংসা তুলিবলৈ সক্ষম হৈছিলো। দিপক দাই সহায় আৰু পৰামৰ্শেৰে আগবঢ়াই নিয়াৰ বাবে মই তেওঁৰ ওচৰত চিৰকৃতজ্ঞ।

**ড. ভূপেন হাজৰিকাৰ সংগীতানুষ্ঠান (৭ ছেপ্তেম্বৰ)**

ড. ভূপেন হাজৰিকাদেৱৰ জন্ম বাৰ্ষিক দিনৰ লগতে সংগতি ৰাখি সংগীতানুষ্ঠান পাতিবলৈ সক্ষম হৈছিলো। বিভিন্ন নৃত্য-গীত মাতেৰে উক্ত অনুষ্ঠানটো সুকলমে সমাধান হৈ গৈছিল। এই অনুষ্ঠানটোৱে মোক বহুত সাহস আৰু প্ৰেৰণা দিছিল। সহায়-সহযোগীতা আগবঢ়োৱা মোৰ শিক্ষাগুৰুসকলৰ লগতে বন্ধু-বান্ধৱসকলক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

তদুপৰি বিভিন্ন দিশৰ লগত সংগতি ৰাখি আয়োজিত অনুষ্ঠান যেনে- তিনিচুকীয়া ৰাষ্ট্ৰীয় গ্ৰন্থমেলা, প্ৰতিষ্ঠা দিৱস, নৱাগত আদৰণি সভা, বিভিন্ন মহাবিদ্যালয়ত অনুষ্ঠিত কৰা বিশেষ বিশেষ অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলক অংশগ্ৰহণ কৰাবলৈ সক্ষম হৈছিলো আৰু প্ৰশংসা বুটলিবলৈ সক্ষম হওঁ।

মোৰ কাৰ্যকালৰ সময়ছোৱাত মহাবিদ্যালয়ৰ বিকল হৈ থকা সকলোবোৰ বাদ্যযন্ত্ৰ মেৰামতি কৰাইছিলো। তদুপৰি কাৰ্যকালৰ সময়ছোৱাত ছাত্ৰী নিবাসৰ আবাসীসকলৰ বাবে সংগীতানুষ্ঠানত ব্যৱহাৰ্য সামগ্ৰী যেনে-তবলা, গীটাৰ, হাৰমনিয়াম আদি অধ্যক্ষ মহোদয়ৰ সহযোগত নিবাসলৈ আগবঢ়াইছিলো।

অনুৰোধ ঃ এই প্ৰতিবেদনৰ সুযোগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক মহাবিদ্যালয়খনিক নিজৰ বাসগৃহ, মন্দিৰ হিচাপে ভাবি পৰিস্কাৰ কৰি ৰাখিবলৈ অনুৰোধ জনাইছোঁ। লগতে শৈক্ষিক দিশৰ উপৰিও সাংস্কৃতিক দিশতো আগুৱাই যাবলৈ অনুৰোধ জনাইছোঁ। মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশৰ সামগ্ৰীসমূহ উপযুক্ত যোগাৰৰ বাবে অনুৰোধ জনাইছোঁ। তদুপৰি মহাবিদ্যালয়ৰ নিচেই গাতে লাগি থকা ছাত্ৰীনিবাসৰ সমস্যাসমূহ সমাধানৰ বাবে অনুৰোধ জনাইছোঁ।

**কৃতজ্ঞতাৰ শৰাই ঃ**

মোৰ কাৰ্যকালৰ আৰম্ভণিৰে পৰা শেষলৈকে সুচাৰুৰূপে পৰিচালনা কৰিবলৈ পৰামৰ্শ তথা সহায় আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা মহাবিদ্যালয়ৰ অধ্যক্ষ ড. ভুবন গগৈ ছাৰ, মৃগাংক ছাৰ, কিশোৰ ছাৰ, ৰুবী বাইদেউ আৰু জ্ঞাতে অজ্ঞাতে বৈ যোৱা তিনিচুকীয়া মহাবিদ্যালয়ৰ সন্মানীয় সমূহ শিক্ষকবৃন্দ, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু ছাত্ৰ একতা সভাৰ বিষয়ববীয়ালৈ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

মোৰ এবছৰীয়া কাৰ্যকালতে মহাবিদ্যালয় আৰু ছাত্ৰ-ছাত্ৰীৰ সমস্যাসমূহ সমাধানাৰ্থে আগবাঢ়ি যোৱাৰ একাঁ-বেকাঁ আলিত যেতিয়াই কোনো ক্ষেত্ৰত হতাশ বা বিচলিত হৈছিলো তেতিয়াই পুনৰ আগবাঢ়ি যোৱাৰ সাহস, প্ৰেৰণা দিয়াৰ উপৰিও গঠনমূলক দিহা-পৰামৰ্শ আগবঢ়োৱা মোৰ আটাইতকৈ শ্ৰদ্ধাৰ তথা মোৰ জীৱনৰ পথ প্ৰদৰ্শক সন্মানীয় শ্ৰীযুত পুলক চেতিয়া দা, লগতে সন্মানীয় সমৰ দা, মহম্মদ তাৰিক দা, মনোৰম বৰা দা, পুতুল কুমাৰ গগৈ দা, সুৰজিত চেতিয়া দা, সূৰয চেত্ৰী দাক বিশেষভাৱে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন তথা ধন্যবাদ জনাইছোঁ।

লগতে মোক তিনিচুকীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰি জয় লাভ কৰাত বিশেষভাৱে সহায়- সহযোগিতা কৰা মোৰ দাদা-সুৰজিত চেতিয়া, চিন্ময় মৰাণ, মোহিত শৰ্মা, মৃতুঞ্জয়, বিকী দা, নয়নজ্যোতি দা লগতে মোৰ বন্ধু-বান্ধৱী-ৰিপুঞ্জয়, অৰিন্দম, বিকী, বিধান, দিবাকৰ, বিশ্বজিৎ, তৃষা শইকীয়াক কৃতজ্ঞতা জ্ঞাপন তথা ধন্যবাদ জনাইছোঁ।

ইয়াৰ লগতে তিনিচুকীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিজন বিষয়বাবীয়া, সদস্য-সদস্যালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে কলেজ তিনিআলিৰ মোৰ ককাইদেউসকলক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ইয়াৰ পিছত সকলো ক্ষেত্ৰতে সহায়-সহযোগ কৰা বন্ধু-বান্ধৱী ক্ৰমে- অভিনন্দন, স্বৰাজ, চাওমি, স্বপ্না, বৃষ্টি, সিদ্ধাৰ্থ, নিতু, চিমি, ৰাজু, কল্পজিৎ, বিজিত, পিংগল দা, ৰাহুল, আলবাব, ৰিচি, ছাত্ৰীনিবাসৰ প্ৰাক্তন আৰু বৰ্তমানৰ ছাত্ৰীনিবাসীসকল আৰু জ্ঞাতে-অজ্ঞাতে প্ৰকাশিত অপ্ৰকাশিত দাদা-বাইদেউ, বন্ধু-বান্ধৱ, ভাইটি-ভন্টী আপোনালোক সকলোৰে পৰা মৰম তথা সহযোগিতাৰ বাবে মই পুনৰবাৰ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছো। লগতে যুৱ-মহোৎসৱৰ বাবে নাটক অনুশীলনত সহায় কৰা শ্যাম দা আৰু ডাইমন দাক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

সামৰণি ঃ সদৌ শেষত মোৰ এই কাৰ্যকালৰ সময়ছোৱাত কাম কৰি যাওঁতে অজানিতে হোৱা ভুল-ক্ৰটিৰ লগতে থাকি যোৱা কামৰ প্ৰতি ক্ষমা প্ৰাৰ্থনা বিছাৰিছো আৰু মোৰ এই প্ৰতিবেদনৰ জৰিয়তে মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনাৰ লগতে ছাত্ৰ একতা সভাৰ জয়তু কামনা কৰি মোৰ বিভাগীয় প্ৰতিবেদন সামৰিলোঁ।

।। জয়তু তিনিচুকীয়া মহাবিদ্যালয় ।।

।। জয়তু তিনিচুকীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ।।

**প্ৰীতম বুঢ়াগোহাঁই**
সাংস্কৃতিক সম্পাদক





# আলোচনী সম্পাদকৰ প্ৰতিবেদন

১৯৫৬ চনতে কেইজনমান পুৰোধা ব্যক্তিৰ অপ্ৰাণ চেষ্টা আৰু ত্যাগৰ ফলত গঢ়ি উঠা তিনিচুকীয়া মহাবিদ্যালয়খনে প্ৰতিষ্ঠাকালৰে পৰা বৰ্তমান সময়লৈকে নিৰৱচ্ছিন্নভাৱে হাজাৰজনক জ্ঞানৰ আলোকেৰে আলোকিত কৰি আহিছে। সমগ্ৰ তিনিচুকীয়া চহৰখনৰে এখন অগ্ৰণী শিক্ষানুষ্ঠান হিচাপে পৰিচিত এই মহাবিদ্যালয়খনে বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে আহি আহি আজি 'হীৰক জয়ন্তী' বৰ্ষত উপনীত হৈছেহি। ২০১৪ চনত যেতিয়া মই এই মহাবিদ্যালয়ত প্ৰথম খোজ দিছিলো, তেতিয়াৰ পৰাই যেন মহাবিদ্যালয়খনি মোৰ বুকুৰ আপোন হৈ পৰিল। মহাবিদ্যালয়ৰ প্ৰবেশদ্বাৰৰ সন্মুখতে থকা কৃষ্ণচূড়াজোপাৰ হাঁহিটিও মোৰ অতিকে আপোন।

'মনীষা' - তিনিচুকীয়া মহাবিদ্যালয়ৰ সাহিত্য সৃষ্টিৰ প্ৰধান কঠীয়াতলি। ইয়াতে গজালি মেলে নতুনকৈ চোৱাৰ সপোন, ফুলে সৃষ্টিৰ শেৱালি। এদিন যে মইয়ো এই 'মনীষা'ৰ সম্পাদক হ'ম ভবাই নাছিলো। কেইজনমান দাদাৰ সাহসতে (নিজৰো সপোন আছিল) ২০১৫-২০১৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত আলোচনী সম্পাদকৰ পদত প্ৰতিদ্বন্দ্বিতা কৰিছিলো। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বিপুল সঁহাৰিয়ে মোৰ সপোন বাস্তৱায়িত কৰিলে।

'মনীযা'খনিক লৈ মোৰ বহু আশা আছিল, বহু সপোন আছিল। আলোচনীখনক এটি নতুনত্ব দিয়াৰ কথা সদায়ে চিন্তা কৰিছিলো। বহুতো ইচ্ছা আছিল 'মনীযা'ৰ বেনাৰত কিছু কাম কৰাৰ। কিন্তু অৰ্থ আৰু ষাণ্মাষিক পৰীক্ষাৰ ব্যৱস্থাই এইক্ষেত্ৰত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিলে। তথাপিও নিজৰ বিভাগীয় কাম সুচাৰুৰূপে কৰাত অলপো ক্ৰটি কৰা নাছিলো। মোৰ বিভাগৰ দ্বাৰা সম্পন্ন হোৱা দুটিমান কাৰ্যক্ৰম এনেধৰণৰ —

**প্ৰাচীৰ পত্ৰিকা 'ভাস্কৰ'ৰ উন্মোচন**

তিনিচুকীয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত লুকাই থকা সাহিত্যিক প্ৰতিভা, শৈক্ষিক-বৌদ্ধিক দিশৰ প্ৰতিফলনৰ বাবে এই প্ৰাচীৰ পত্ৰিকাখনি বছৰত দুবাৰকৈ প্ৰকাশ কৰা হয়। প্ৰথমে ২০১৫-২০১৬ বৰ্ষৰ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত প্ৰকাশ কৰিছিলো, উন্মোচক আছিল মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰবক্তা শ্ৰীযুত ৰাণা কুমাৰ চাংমাই ছাৰ। দ্বিতীয়বাৰ প্ৰকাশ কৰা হৈছিল ২০১৫-২০১৬ বৰ্ষৰ মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাৰ সৈতে সংগতি ৰাখি। উন্মোচনৰ দায়িত্ব বহন কৰিছিল পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° ৰাজীৱ কোঁৱৰ ছাৰে। অধ্যাপক মৰোদয়দ্বয়ক ধন্যবাদ জ্ঞাপন কৰিছো। এই ক্ষেত্ৰত সহায় কৰা হেমচন্দ্ৰ, বনিশা, পিৰু, ধৰিত্ৰী, আফচানা, অমৰ, ৰতন, মাধুৰ্য, প্ৰবেন আৰু লেখা আগবঢ়োৱা সকলোকে কৃতজ্ঞতাৰে সুঁৱৰিছো।

**হাতেলিখা কাব্যালোচনী প্ৰকাশ**

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ কাব্যিক প্ৰতিভাৰ বিকাশ সাধনৰ এক সূক্ষ্ম প্ৰয়াসৰ উদ্দেশ্যে পোনপ্ৰথমবাৰৰ বাবে (আলোচনী সম্পাদক হিচাপে নতুন সংযোজন) এখনি হাতেলিখা কাব্যালোচনী প্ৰকাশৰ ব্যৱস্থা কৰিলো। মহাবিদ্যালয়ৰ ২০১৫-২০১৬ বৰ্ষৰ নৱাগত আদৰণি সভাৰ দিনাই তিনিচুকীয়া মহাবিদ্যালয়ৰ হাতেলিখা কাব্যালোচনীখন উন্মোচন কৰা হয়। উন্মোচকৰ দায়িত্ব লৈছিল মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভুবন গগৈ ছাৰে। ছাৰক অশেষ ধন্যবাদ জ্ঞাপন কৰিলো। বেটুপাতৰ শিল্পী হেমচন্দ্ৰ গগৈৰ লগতে সম্পাদনাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱীসকলক এই আপাহতে ধন্যবাদ জনাইছো।

**বিভাগীয় প্ৰাচীৰ পত্ৰিকাৰ প্ৰতিযোগিতা**

মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাৰ লগত সংগতি ৰাখি পোনপ্ৰথমবাৰৰ বাবে বিভাগীয় প্ৰাচীৰ পত্ৰিকাসমূহৰ মাজত এক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ বিভাগীয় মুঠ ১৯ খন প্ৰাচীৰ পত্ৰিকাৰ ভিতৰত শ্ৰেষ্ঠত্ব অৰ্জন কৰিবলৈ সক্ষম হয় ভূগোল বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'The Brahmaputra' ই। নৱাগত আদৰণি সভাতে বিভাগটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ হাতত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে বঁটা প্ৰদান কৰে। প্ৰাচীৰ পত্ৰিকাসমূহৰ বিচাৰকৰ বাবে আমন্ত্ৰণ কৰি অনা কবি, সাহিত্যিক বিকাশজ্যোতি শইকীয়া ডাঙৰীয়াক এই সুযোগতে ধন্যবাদ জনাইছো।

**কৃতজ্ঞতাৰ কাঁজলিৰে অনুভৱৰ একলম ঃ**

***ঋণী হ'লো জীৱনৰ বাবে.....***

***কৃতজ্ঞ হ'লো সময়ৰ বাবে.....***

কৃতজ্ঞতা দি শেষ কৰিব নোৱাৰি, কৃতজ্ঞতা প্ৰকাশহে কৰিব পাৰি। যিদৰে সন্তানে পিতৃ-মাতৃৰ প্ৰাপ্য দি শেষ কৰিব নোৱাৰে, ঠিক সেইদৰে কৃতজ্ঞতাও প্ৰাপ্যৰে শেষ কৰিব নোৱাৰি। পোনপ্ৰথমেই যাৰ সহায়, পৰামৰ্শ, অনুপ্ৰেৰণাত 'মনীযা'ৰ এই সংখ্যাক জীৱন্ত ৰূপ দিবলৈ সক্ষম হ'লো; সেই প্ৰত্যেকজন অগ্ৰজ, অনুজ, বন্ধু আৰু শুভাকাংক্ষীৰ ওচৰত মই চিৰকৃতজ্ঞ। এইক্ষেত্ৰত সহায় কৰা মহাবিদ্যালয়ৰ

অধ্যক্ষ ড° ভূবন গগৈ ছাৰ, উপাধ্যক্ষ ড° অপূৰ্ব ভাস্কৰ গগৈ ছাৰ, উপদেষ্টা মণ্ডলী ক্ৰমে ময়ুৰী বাইদেউ, কনক ছাৰ, দেৱানন্দ ছাৰ, ৰত্নগোপাল ছাৰ, নীলিম ছাৰ, ৰুবী বাইদেউ আৰু দেৱকান্ত ছাৰক কৃতজ্ঞতাৰে সুঁৱৰিছো।

মহাবিদ্যালয়ৰ মুখ্য কাৰ্যালয়ৰ ভূজেলদা, অনিমেশদা, নুবুলদা, টমাচদা, গোহাঁইদা, ৰুবুলদা, অংগনাবাকে কেন্দ্ৰ কৰি সমূহ কৰ্মচাৰী, কেন্টিনৰ অসীমদা, গ্ৰন্থাগাৰৰ সকলো বাইদেৱে মোক যি সহায়, মৰম আৰু উৎসাহ যোগালে তাৰ বাবে মই তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম।

লগতে ছাত্ৰ একতা সভাৰ সভাপতি মোৰ অতিকে আপোন দাদা ধ্ৰুৱপ্ৰতীমদাকে প্ৰমুখ্য কৰি মোক সকলো সময়তে সহায় কৰা সাধাৰণ সম্পাদক দ্বীপজ্যোতি ভৰালী আৰু ছাত্ৰ একতা সভাৰ অন্যান্য বিষয়ববীয়াসকলৰ ওচৰত মই চিৰকৃতজ্ঞ। প্ৰত্যেকটো কামত তেওঁলোকে মোৰ কাষত থিয় হৈ বিভিন্ন দিহা-পৰামৰ্শৰে মোক উপকৃত কৰিছিল। বিভিন্ন সময়ত মোক সহায় কৰা বৈকুণ্ঠ ছাৰ, জয়ন্তদা, মণিকা বাইদেউ, ৰশ্মিতা বাইদেউ, ৰশ্মি বাইদেউ, মুক্তি ছাৰ, তুলিকা বাইদেউ, ভায়লিনাবাৰ ওচৰতো মই কৃতজ্ঞ।

মোৰ বিভাগীয় কোনো কথাতেই আপত্তি নকৰি নিজ ইচ্ছামতে সুন্দৰকৈ উদ্‌যাপন কৰিবলৈ দিয়া মোৰ মা, জোন দা, সৰু দা, বৌহঁতৰ ওচৰত মই কৃতজ্ঞ। মোক সহায় কৰা মোৰ ভাতৃ কাকজ্যোতি বড়া (পুতু) কো ধন্যবাদ জনাইছো। সি জে.বি. কলেজৰ ছাত্ৰ হৈও মোৰ কথা পেলাব নোৱাৰি বিভিন্ন কামত সহায় কৰি দিছিল।

*"দেউতা অ', সেই যে কলহৰ ভস্ম দিছিলো উটুৱাই*
*তেতিয়াৰ পৰা ক'ত আছা তুমি?*
*কোনখন সাগৰত?*
*সেই সাগৰ মই চাবলৈ যাম।"*

যিজনৰ আঙুলিত ধৰি খোজ কাঢ়িবলৈ শিকিছিলো, পৃথিৱীখনক নতুনকৈ চাবলৈ শিকিছিলো সেইজন মোৰ দেউতা; যিজন আজি মোৰ পৰা বহুত দূৰৈত। এই পুত্ৰৰ হৃদয়ৰ নিভৃত কোণৰ পৰা আপোনালৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছো। আপুনি য'তে আছে তাৰ পৰাই আমাক আশীৰ্বাদ কৰিব।

'মনীষা'খনিৰ বাবে শুভেচ্ছোবাণী প্ৰেৰণ কৰা মাননীয় শিক্ষামন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অলক কুমাৰ বুঢ়াগোহাঁই ছাৰ, সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য ডাঙৰীয়া, সদৌ অসম ছাত্ৰ সন্থাৰ সন্মানীয় সাধাৰণ সম্পাদক লুৰিণজ্যোতি গগৈ ডাঙৰীয়া আৰু তিনিচুকীয়াৰ উপায়ুক্ত শ্ৰীযুত ৰঞ্জন চক্ৰৱৰ্ত্তী মহোদয়ক মই কৃতজ্ঞতাৰে সুঁৱৰিছো। লগতে সাক্ষাৎ প্ৰদানেৰে তেখেতৰ অনুভৱ ব্যক্ত কৰা বিশিষ্ট গল্পকাৰ, সু-লেখক তথা অসমৰ অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান শ্ৰীযুত কুল শইকীয়া ছাৰৰ ওচৰত চিৰদিন কৃতজ্ঞ হৈ ৰ'ম। ইমান ব্যস্ততাৰ মাজতো আমাক অকণমান সময় দি যিদৰে উপকৃত কৰিলে তাৰ বাবে আমি তেখেতৰ ওচৰত চিৰদিন ঋণী হৈ ৰ'ম।

মোৰ কাৰ্যকালৰ সময়ৰ পৰা বৰ্তমানলৈকে প্ৰায় প্ৰতিটো খোজতে বিভিন্ন ধৰণে সহায়ৰ হাত আগবঢ়োৱা সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সন্মানীয় সাধাৰণ সম্পাদক মোৰ জ্যেষ্ঠ ভাতৃপ্ৰতীম সমৰজ্যোতি গোহাঁইদা, তাৰিকদাকে প্ৰমুখ্যে কৰি জিলা আৰু আঞ্চলিক ছাত্ৰ সন্থাৰ সমূহ বিষয়ববীয়ালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। তেওঁলোকৰ মৰম, উৎসাহ আৰু গঠনমূলক দিহা-পৰামৰ্শৰ অবিহনে কেতিয়াও মই আগবাঢ়ি যাব নোৱাৰিলোহেঁতেন।

এইখিনিতে আৰু দুজনমান ব্যক্তি আছে যাৰ সহায় তথা পৰামৰ্শৰ বাবে আজি মই এই পৰ্যায়ত উপনীত হৈছো। সেইসকল হৈছে — বিকাশদা, কণদা, ৰবিদা, নিপুদা, বৰমা, বৌ। তেখেতসকলৰ ওচৰতো মই চিৰ কৃতজ্ঞ।

বেটুপাত শিল্পী তথা আলোচনী দিশৰ প্ৰায় সকলোবোৰ ক্ষেত্ৰতে সুদিহা-পৰামৰ্শ আগবঢ়োৱা হেমচন্দ্ৰ গগৈ, লগতে সেউজদা, চিমিবা, মিঠুবা, মোৰ বন্ধু - ৰতন, কল্প, ৰাজু, মাধুৰ্য, প্ৰবেন, ধৰিত্ৰী, পিৰু, বনিশা, চুনচুনি, স্বপ্না, মৰমী, মৌচুমী, প্ৰিয়া, মীনাক্ষী, চিমি, ববিতাকে প্ৰমুখ্যে কৰি সমূহ হোষ্টেলৰ স্নেহশীলা আৱাসীসকলে মোক যি মৰম আৰু উৎসাহ দিলে সেয়া সঁচাই প্ৰশংসনীয়।

শেষত, মহাবিদ্যালয়ৰ আলোচনীৰ দীৰ্ঘায়ু কামনা কৰিলো। 'মনীষা'ই যেন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত লুকাই থকা সপোনবোৰক, প্ৰতিভাবোৰক বিকশিত কৰক এয়ে আশা ৰাখিলো। সীমিত জ্ঞানেৰে, বুজা-নুবুজাৰ মাজেৰে প্ৰতিবেদনখনি আগবঢ়াওঁতে যদি কিবা ভুল হৈছে তেনেহ'লে শুভাকাংক্ষী হিচাপে ক্ষমা মাৰ্জনা কৰিব। সকলোকে পুনৰবাৰে কৃতজ্ঞতাৰে সোঁৱৰি সম্পাদকীয় প্ৰতিবেদন সামৰিলো।

।। জয়তু তিনিচুকীয়া মহাবিদ্যালয় ।।

।। জয়তু তিনিচুকীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা ।।

**বিশ্বজিৎ বড়া (কাক)**
সম্পাদক 'মনীষা'

TINSUKIA COLLEGE LIBRARY ESTD 1956 TINSUKIA, ASSAM





# Secretarial Report of Literary and Debating Secretary

At first I genuinely salute to all the person behind the establishment of Tinsukia College in 1956. The Institution in serving education and shaping the students mind in proper way since its birth.

I Sri Ranjan Sharma had taken the search of 'Literary and Debating Secretary' of Tinsukia College on 22 October, 2015. I feel proud to be a union member of the most reputed college of Tinsukia district.

I would like to give my heartiest gratitude to all the student and well wisher of Tinsukia College for giving me the opportunity to serve the college as a literary and debating secretary. With most reverently, I would like to give thank to all the faculty of department of commerce; specially to Dr. Chatanya Borah sir, who allow me to serve my knowledge for our college. Along with all of the above person I am really special thank to All Assam Students' Union (AASU) and our leaders and members who gave opportunity and motivated me to be the part of the Union Body of Tinsukia College 2015-16.

After the oath taking ceremony, I have taken the charge and responsibility of my post I don't know whether I efficiently handle my responsibility or not; but I hope that you know I here given better than the best.

During my tenure, our college touched its glorious moments again in literary and debating field. The most prominent event of my tenure was Dibrugarh University Youth Festival. Our college was represented by a team of 27 students under the guidance of Dr. Kamalesh Kalita sir, Associated Professor, Dept. of Geography.

In D.U. Youth Festival at Dibrugarh Kanoi College in the month of January, our college participated with full spirit. Out of 27 students were representing literary and debating event 3 students in the event like on the spot painting, photography and collage make us proud by wining.

By personally on behalf of Tinsukia College family want to give warm thank to Seuj Dohotia, Afsana Begum and Amar Limbu for their achievement in D.U. Youth Festival. During the event our big source of moral support was our benevolent Dr. Kamalesh Kalita sir.

Working as the union member for the college was one of the big experience of my life. After the oath taking ceremony our union very effectively work for the progress of the College. All of our union members were very hardworking and supporting. We help each other in our various activities. My Professor incharge Mr. Rana Kr. Changmai sir guided me and supported me in my various activities and events.

I conclude my report here wishing all the students of Tinsukia College and my friends a bright future.

Thanking you all
Long Live Tinsukia College
Long Live Tinsukia College Students' Union

TINSUKIA COLLEGE LIBRARY ESTD 1956 TINSUKIA, ASSAM

**Ranjan Sharma**
Literary and Debating Secretary

# সমাজসেৱা সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাৰম্ভিকতে সেইসকল শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো, যিসকল শ্বহীদে আমাৰ বাবে নিজৰ প্ৰাণ আগুতি দিলে আৰু অসমৰ ইতিহাস মোহনীয়া তথা শিক্ষাগুৰুৰ অশেষ পৰিশ্ৰম আৰু ত্যাগৰ বিনিময়ত তিনিচুকীয়া মহাবিদ্যালয়খন গঢ় লৈ উঠিছে সেইসকলক মই শ্ৰদ্ধা জ্ঞাপন কৰিছো।

এক ঐতিহ্যমণ্ডিত শিক্ষা মন্দিৰ তিনিচুকীয়া মহাবিদ্যালয়। এই বিদ্যালয়ত ২০১৫-২০১৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোক 'সমাজ সেৱা সম্পাদিকা'ৰ পদত অধিষ্ঠিত কৰাৰ বাবে মই তিনিচুকীয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল আৰু কৰ্মচাৰীবৃন্দলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। মোৰ তত্বাবধায়ক ছাত্ৰ একতা সভাৰ বিষয়ববীয়া আৰু মহাবিদ্যালয়ৰ বন্ধু-বান্ধৱীসকলক সহায়ত যিখিনি কৰিলো তাকেই প্ৰতিবেদন আকাৰে আপোনালোকৰ আগত দাঙি ধৰিলো।

মোৰ কাৰ্যকালৰ আৰম্ভণি আছিল-

ৰাষ্ট্ৰীয় পৰ্য্যায় যোৱান প্ৰতিস্থান উন্নয়নৰ কাৰ্য্যসূচী-

পাঁচদিনীয়া এই শিবিৰত তিনিচুকীয়া মহাবিদ্যালয়ৰ সকলো শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ-ছাত্ৰী আৰু এন.এচ্. এচ্.ৰ সকলোৱে অংশগ্ৰহণ কৰিছিল। এই অনুষ্ঠানত বিশেষভাৱে আছিল এন. এচ্.এচ্.ৰ সূৰ্য চুতীয়া ছাৰ (অনুষ্ঠান বিষয়া), ৰত্ন গোপাল ছাৰ (সভাপতি) লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়।

সমাজ সেৱা শিবিৰ— (২৪ ফেব্ৰুৱাৰীৰ পৰা ১ মাৰ্চ ২০১৬) ২০১৬ চনৰ ২৪ তাৰিখৰ পৰা ১ মাৰ্চ তাৰিখলৈ মাকুমৰ বোকাজান অঞ্চলত এখন প্ৰাথমিক বিদ্যালয়ত এই শিবিৰ আয়োজন কৰা হৈছিল। তিনিচুকীয়া মহাবিদ্যালয়ৰ এন. এচ্, এচ্. আৰু সেই অঞ্চলৰ মানুহৰ সহায়-সহযোগিতাত সকলো কাম সুকলমে হৈ উঠিছিল। বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছো সূৰ্য চুতীয়া ছাৰ আৰু ৰত্ন গোপাল ছাৰকে ধৰি আৰু তিনিচুকীয়া মহাবিদ্যালয়ৰ শিক্ষকসকলক। তেওঁলোকে মোক সকলো কামতে সহায়-সহযোগ কৰিছিল আৰু সেইবাবে মই সফল হৈছিলো। মোৰ প্ৰত্যেকটো কামতে সহায়ৰ হাত আগবঢ়োৱা মোৰ বন্ধু মন্টু মৰাণলৈও অশেষ ধন্যবাদ থাকিল।

ৰক্তদান শিবিৰ ঃ (২৪ আগষ্ট ২০১৬)

ৰক্তদান শিবিৰটো ২০১৬ চনৰ ২৪ আগষ্ট তাৰিখে তিনিচুকীয়া মহাবিদ্যালয়ৰ ৩ নং কোঠাত আয়োজন কৰা হৈছিল। এই শিবিৰত প্ৰত্যেকবাৰৰ দৰে এইবাৰো চিভিল হস্পিতালৰ ৰক্তদান বেংকৰ পৰা মানুহ আহি এই ক্ষেত্ৰত সহায় কৰিছিল। ইয়াত মহাবিদ্যালয়ৰ ২৪ জন ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলেও ৰক্তদান কৰিছিল। সকলো দিশতে মোক সহায়-সহযোগ কৰা সূৰ্য চুতীয়া ছাৰক (দায়িত্ব অধ্যাপক) অশেষ ধন্যবাদ জ্ঞাপন কৰিছো।

শেষত প্ৰতিজন ছাত্ৰ-ছাত্ৰী তথা মহাবিদ্যালয়ৰ কৰ্মকৰ্তা আৰু শিক্ষাগুৰুসকললৈ মোৰ অকৃপণ কৃতজ্ঞতা প্ৰকাশ কৰিছো। মই সমাজ সেৱা সম্পাদিকা হিচাপে কিমান সফল বা বিফল হ'লো সেয়া আপোনালোকে বিচাৰ কৰিব। মোৰ এই ছুটী কাৰ্যকাল আৰু সীমিত সময়ত কাম কৰি যাওঁতে অজানিতে হোৱা ভুল-ত্ৰুটিৰ লগতে থাকি যোৱা কামৰ প্ৰতি ক্ষমা বিচাৰিছো আৰু মোৰ এই প্ৰতিবেদনৰ জৰিয়তে মহাবিদ্যালয়ৰ জয়তু কামনাৰ লগতে ছাত্ৰ একতা সভাৰ জয়তু কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলো।

"জয়তু তিনিচুকীয়া মহাবিদ্যালয়।"

"জয়তু তিনিচুকীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।"

**সান্তনা কোঁৱৰ**
সমাজ সেৱা সম্পাদিকা





# Secretarial Report of Gymnasium Secretary

At the beginning of my secretarial proceeding, I would like to offer mu humble regards and gratitude to our Principal Sir, Dr. Bhuban Gogoi and the teacher and non teaching staff of Tinsukia College for all the guidance and help. I would like to offer my humble thanks and best wishes to all the member of Tinsukia College Students' Union 2015-2016 for being their wherever needed them. And also a very special thanks to all the students of Tinsukia College for their hearted support and co-operation for giving me chance to serve as Gymnasium Secretary.

After the oath taking ceremony on 28th October, 2015 I had taken the charge of Gymnasium Secretary of Tinsukia College. After that our union has marched forward in doing many activities in our College surroundings.

**College Week - 2016 (17th to 22th January, 2016)**

Being the secretary of Gymnasium I took the responsibility to perform the College Week Gymnasium events which was held on 17th January to 22th January, 2016. I will able to perform all the events of Gymnasium as well as body building also, After the two year the body building events is organised in the College Week of Tinsukia College and I would like to thanks my friends (Hazarat, Pankaj, Nitesh and Shymal) for participating in the body building competition and making this event successful. Our other College Week events and games are gone very well and successfully.

**Inter-College Competition (22th January and 23rd January, 2016)**

At Dibrugarh University, Inter College Weight Lifting, Power Lifting and Body Building competition which was held in Dikhowmukh College, Sivsagar on the date of 22nd and 23rd January, 2016. I took a small team of 5 boys to participate in this competition. After that our College win 2 Silver and 1 Bronze in the Body Building and Power Lifting event and proud us.

I personally on behalf of Tinsukia College family want to give warm thanks to Nitesh Giri and Pankaj Chowrok for their achievement in D.U Inter College Competition.

**Development in College Gyms**

As a Gymnasium Secretary of Tinsukia College it is my responsibility to take care and maintain our College Gym. I saw there is lack of facilities like weight lifting platform for power weight practice, bigger place for our multi gym and a schedule time for girls in multi gym (girls shift) in our both multi and iron gym. With the support and co-operation of our college authority I will able to provide those facilities in our college gyms.

I would like to thanks the convenors of multi gym Mr. Ajit Chandra Phukan Sir and Dr. Raghunath Jadav Sir for helping me in multi gym affairs.

Now I would like to give my special thanks to Mr. Rajen Saikia Sir and Dr. Bhairab Borgohain Sir (Prof-in-charge) they help me in all respects, During my tenure all the events was successful because of you Sirs and wherever, what ever I needed they are ready to help me in any time.

Again I would like to give a very special thanks to our multi gym trainer Mr. Amin Hussain Shikari sir for all the guidance in my tenure.

Now I would like to give my heartiest thanks to All Assam Students' Union (AASU) and all our leader and members and also my friends (Namit Singh, Farukh Saikh, Anil Mullah, Arjun Prasad, Manish Patel, Anand Agarwal, Himanshu Bharali, Vinay Upadhyay, Chandan Mahato, Kundan Prasad, Ankit Gupta, Mulesh Thakur, Mukesh Yadav) for the whole hearted supports and co-operation for giving me a chance to serve the College a Gymnasium Secretary.

Lastly I apologies to one and all for any error as mistake that might have occurred unwillingly while carrying out my duties. Wishing a long life and success to every one. I conclude my report here.

Thanking you all.
"Long Live Tinsukia College"
"Long Live Tinsukia College Students' Union."

**Rakesh Lal Gupta**
Gymnasium Secretary

# Secretorial Report of Boy's Common Room

I would like to give heartiest thanks to everyone for giving me an opportunity to serve the college as Boy's common room Secretary for the session of 2015-16. I would aslo like to give heartiest thanks and affection to all the professors of our Commerce Department specially Dr. Chaitanya Bora, Ram naresh Das, Niranjan Kumar Shukla, Manoj Goswami, Binod Kumar lohia.

I would also like to give my heartiest thanks to Samar Da from AASU, Dhurbo Bhaiya, Surja Bhaiya, Mohit Bhaiya our ex union member of our College. My friends Namit, Farukh, Arun, Bishnu, Sonali, Nikita, Dimpy, Anil, Rahul, Vishal and Amit poddar everyone thank you for your support. Our office staffs Nibir Da, Pranab Da, Bhujel Da, Manoj Da, Nabul Da, Angna Da, thanks for your help and co-operation, Without which it would not be possible to perform my duty smoothly.

Being the Secretary of Boy's Common room, I took the responsibility to clean the Common room and perform my duties and hope I performed this responsibility satisfactorily.

Working as the Union member for the college was on of my big experience of my life after the oath taking ceremony our unions very effectivelly for the progress of the college specially NAAC visit in our college. All of our Union member very hard working and supporting. We helped each other in our various activities.

I Conclude my report wishing all the student's of Tinsukia College. Tinsukia a bright and prosperous future. My temure ends but my service towards college is always omnipresent in all sphere with my true human heart. Thanking you all.

" Long live Tinsukia College"

" Long live Tinsukia College Student's Union".

**Ajay Kumar Poddar**
Boy's Common Room Secretary





# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

জয়জয়তে প্ৰতিবেদনৰ আৰম্ভণিতে তিনিচুকীয়া মহাবিদ্যালয়ৰ শিক্ষা গুৰু, সমূহ কৰ্মকৰ্তা তথা যিসকল মহান ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ ফলস্বৰূপে মহাবিদ্যালয়খনি গঢ় লৈ উঠিল সেইসকল মহান ব্যক্তিলৈ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

উজনি অসমৰ ভিতৰত আগশাৰীৰ এক ঐতিহ্যমণ্ডিত শিক্ষা মন্দিৰ তিনিচুকীয়া মহাবিদ্যালয়ৰ ২০১৫-১৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ পদত নিৰ্বাচিত কৰি কাম কৰাৰ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধুবৰ্গলৈ প্ৰতিবেদনৰ যোগেদি মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

২০১৫ চনৰ জুলাই মাহত তিনিচুকীয়া মহাবিদ্যালয়ৰ এগৰাকী শিক্ষাৰ্থী হিচাপে প্ৰথমবাৰৰ বাবে খোজ দিছিলো। মনত আছিল ভয়-শংকা, স্ফূৰ্তি ; এইয়া কলেজীয়া জীৱনৰ আৰম্ভণি। প্ৰায় এমাহমানৰ পিছত মহাবিদ্যালয়খনত বলিছিল এজাক নিৰ্বাচনী বতাহ। স্কুলীয়া দিনৰে পৰা দেখি-শুনি অহা নিৰ্বাচনে মোক বৰকৈ আকৰ্ষিত কৰিছিল। স্কুলীয়া দিনৰে পৰাই যেন মনতো এটি সপোন পুঁহি ৰাখিছিলো তিনিচুকীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য হোৱাৰ। বন্ধুবৰ্গ, দাদা-বাইদেউ, ভাইটি-ভণ্টী আৰু পৰিয়ালবৰ্গৰ উৎসাহ আৰু প্ৰেৰণাৰে নিজকে ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ পদত প্ৰতিদ্বন্দ্বিতা আগবঢ়ালো আৰু জয়যুক্ত হ'লো। সপোন সঁচাকৈয়ে বাস্তৱ হৈ পৰিল। ২০১৫-১৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সদস্য হিচাপে থাকিবলৈ পাই নিজকে সৌভাগ্যবান বুলি ভাবো।

এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনৰ এগৰাকী ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে এবছৰীয়া কাৰ্যকালত হয়তো কৰণীয় কাম আধৰুৱা আৰু সমস্যাসমূহ সমাধান কৰাত অসমৰ্থ হ'লো। তথাপিও নিজৰ সীমিত জ্ঞান, অভিজ্ঞতা আৰু অতি কম সময়ৰ মাজতে জিৰণি কোঠাটিৰ সমস্যাসমূহ সমাধান কৰি ছাত্ৰীসকলৰ যাতে কোনো অসুবিধা নহয় তাৰ যৎপৰোনাস্তি চেষ্টা কৰিছিলোঁ। কোঠাটিৰ ডেস্ক-বেঞ্চ, আলমাৰি মেৰামতি কৰোৱা হ'ল। কোঠাটি পৰিস্কাৰকৈ ৰাখিবৰ বাবে ডাষ্টবিনৰ ব্যৱস্থা কৰা হ'ল। আজৰি পৰত ছাত্ৰীসকলে খেলিবৰ বাবে লডু, ডবা, কেৰম আদি বিভিন্ন খেলৰ সামগ্ৰী অনোৱা হ'ল। কোঠাটি যিমান পাৰো পৰিস্কাৰ আৰু সুন্দৰভাৱে ৰাখিবলৈ চেষ্টা কৰিছিলো। ২০১৬ বৰ্ষৰ ফেব্ৰুৱাৰী মাহত ছাত্ৰসকলৰ জিলা ভিত্তিক আন্তঃমহাবিদ্যালয় প্ৰতিযোগিতালৈ নিয়াৰ দায়িত্ব লৈছিলো। ছাত্ৰীসকলে কঠোৰ পৰিশ্ৰমেৰে ৰীলে ৰেচ, খ' খ', দৌৰ, কেৰম, লং জাম্প, হাই জাম্প আদি বিভিন্ন প্ৰতিযোগিতাত পুৰস্কাৰ লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছিল।

**অনুৰোধ ঃ**

এই প্ৰতিবেদনৰ যোগেদি মই সকলো ছাত্ৰ-ছাত্ৰীক মহাবিদ্যালয়খনক নিজৰ ঘৰ হিচাপে জ্ঞান কৰি মহাবিদ্যালয়ৰ প্ৰতিটো চুক কোণ পৰিস্কাৰ-পৰিচ্ছন্নকৈ ৰাখিবলৈ অনুৰোধ জনাইছোঁ । মহাবিদ্যালয়খনৰ পৰিৱেশ সুন্দৰ আৰু সুস্থকৈ ৰাখিবলৈ প্ৰতিজন ছাত্ৰ-ছাত্ৰী, শিক্ষা গুৰু তথা কৰ্মচাৰীবৃন্দৰ সহযোগ লাগে। মহাবিদ্যালয়খনৰ প্ৰত্যেকটো সৰু-ডাঙৰ বস্তুক যত্নেৰে ৰাখিবলৈ অনুৰোধ জনাইছোঁ লগতে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ জনাইছোঁ যে তেওঁলোকে যাতে ছাত্ৰ-ছাত্ৰীসকলৰ সমস্যাসমূহ গভীৰভাৱে লয় আৰু কম সময়ৰ ভিতৰত সমস্যাসমূহ সমাধান কৰাৰ চেষ্টা কৰে। নৱ-নিৰ্বাচিত ২০১৬-১৭ বৰ্ষৰ সদস্যসকলক শুভেচ্ছা জ্ঞাপন কৰিলোঁ, লগতে মহাবিদ্যালয়ৰ সমস্যাসমূহৰ ক্ষেত্ৰত উচিত পদক্ষেপ ল'বলৈ অনুৰোধ জনালোঁ।

**কৃতজ্ঞতা আৰু শলাগৰ শৰাই ঃ**

কাৰ্যকালৰ সময়ছোৱাত মোৰ বিভাগটিৰ পৰিচালনাত সহায় কৰা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, ৰশ্মি বাইদেউ, সমূহ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ, ছাত্ৰ-ছাত্ৰী আৰু প্ৰাক্তন ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলক আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। লগতে মোক নিৰ্বাচনত বিজয়ী হোৱাত অৰিহণা যোগোৱা অম্লানজ্যোতি, ৰাহুলদা, টিকুদা, জ্যোতি, মৃনাল, ৰিতম, পংকজ, নোমান, নাগমা, ধ্ৰুৱদাৰ লগতে জ্ঞাতে অজ্ঞাতে থাকি যোৱা সকলোলৈকে আন্তৰিক ধন্যবাদ আৰু শলাগৰ শৰাই আগবঢ়ালোঁ। তিনিচুকীয়া মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক অম্লানজ্যোতি ৰাজবংশীৰ উৎসাহ, প্ৰেৰণা, উপদেশ আৰু তেখেতৰ সহায়-সহযোগিতাৰ বাবে চিৰ কৃতজ্ঞ হৈ ৰ'ম।

সৰ্বশেষত তিনিচুকীয়া মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি আৰু দীৰ্ঘায়ু কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

।। জয়তু তিনিচুকীয়া মহাবিদ্যালয়।।

।। জয়তু তিনিচুকীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।।

**দ্বীপশিখা বুঢ়াগোহাঁই**
ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা

# তিনিচুকীয়া মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহৰ ফলাফল
## ২০১৫-২০১৬ বৰ্ষ

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

**Outdoor Games & Sports Events :**

***Marathon Race (Boys)***
1st. prize – Rupam Kalita
2nd prize – Jun Gohain
3rd prize – Chandan Hazarika

***100 Mtrs Race (Boys)***
1st. prize – Dipankar Chutia
2nd prize – Bubu Borpatragohain
3rd prize – Nitesh Giri

***100 Mtrs Race (Girls)***
1st. prize – Roshmi Sarmah
2nd prize – Dipanjali Gohain
3rd prize – Pritikumari Shah

***200 Mtrs Race (Boys)***
1st. prize – Dipankar Chutia
2nd prize – Rupam Kalita
3rd prize – Dhananjoy Yadav

***200 Mtrs Race (Girls)***
1st. prize – Roshmi Sarmah
2nd prize – Dipanjali Gohain

***400 Mtrs Race (Boys)***
1st. prize – Habil Indrawar
2nd prize – Dhananjoy Yadav
3rd prize – Kamal Moran

***400 Mtrs Race (Girls)***
1st. prize – Roshmi Sarmah
2nd prize – Dipanjali Gohain
3rd prize – Santona Konwar

***800 Mtrs Race (Boys)***
1st. prize – Dhananjoy Yadav
2nd prize – Kamal Moran
3rd prize – Habil Indrarwar

***800 Mtrs Race (Girls)***
1st. prize – Snatona Konwar
2nd prize – Dipika Khatowal
3rd prize – Dipanjali Gohain

***1000 Mtrs Race (Boys)***
1st. prize – Pulakjyoti Gogoi
2nd prize – Mantu Moran
3rd prize – Dipankar Chutia

***1600 Mtrs Race (Boys)***
1st. prize – Dhananjoy Yadav
2nd prize – Habil Indrawar
3rd prize – Md. Arif

***Shotput Throw (Boys)***
1st. prize – Dipjyoti Bharali
2nd prize – Sonku Borah
3rd prize – Amarjyoti Moran

***Shotput Throw (Girls)***
1st. prize – Radhika Sarmah
2nd prize – Dipanjali Gohain
3rd prize – Alisha Begum

***Discuss Throw (Boys)***
1st. prize – Amarjyoti Moran
2nd prize – Tapan Moran
3rd prize – Proben Phukan

***Shotput Throw (Girls)***
1st. prize – Priyanka Gogoi
2nd prize – Nabanita Chowrok
3rd prize – Dipanjali Gohain

***Javelin Throw (Boys)***
1st. prize – Mantu Moran
2nd prize – Bibek Mondal
3rd prize – Chinmoy Gogoi

***Javelin Throw (Girls)***
1st. prize – Priyanka Gogoi
2nd prize – Nabanita Chowrok
3rd prize – Dipanjali Gohain

***Long Jump (Boys)***
1st. prize – Montu Moran
2nd prize – Dulen Gohain
3rd prize – Bubu Borpatragohain
Suraj Moran

***Long Jump (Girls)***
1st. prize – Rimpi Moran
2nd prize – Dipanjali Gohain
3rd prize – Nagma Khan





***High Jump (Boys)***
1st. prize – Montu Moran
2nd prize – Dulen Gohain
3rd prize – Bubu Borpatragohain

***High Jump (Girls)***
1st. prize – Rimpi Moran
2nd prize – Dipanjali Gohain
3rd prize – Nagma Khan

***Rellay Race (Boys)***
1st. Team – Suraj Moran
Dipankar Chutia
Montu Moran
Pulakjyoti Gogoi
2nd Team – Kamal Moran
Bubu Borpatragohain
Iqbal Hussain
Dulen Gohain

***Rellay Race (Girls)***
1st. Team – Roshmi Sarmah
Dipanjali Gohain
Dipika Khatowal
Rimpi Moran
2nd Team – Nagma Khan
Shardha Kakati
Munmi Gohain
Anamika Baruah

***Kabadi (Boys)***
1st. Team – Gitartha Saikia
Rajiv Chowrok
Romakanta Duarah
Jintu Chetia
Bitopan Baruah
Bibek Mondal
Himanta Chetia
2nd Team – Rahul Borah
Ali Akbar
Lakhyajyoti Borah
Aneswar Moran
Amlanjyoti Rajbognshi
Chanu Chutia
Bibek Shah

***Kabadi (Girls)***
1st. Team – Nabanita Chowrok
Dipanjali Gohain
Rimpi Moran
Munmi Gohain
Dipika Khatowal
Shardha Kakati
Roshmi Sarmah
Nagma Khana
2nd Team – Alisha Kmr. Shah
Priti Kmr. Shah
Manisha Kmr. Shah
Priyanka Singh
Suman Kmr. Shah
Kajal Kmr. Yadav
Daya Kumari
Rashmi Singh

**Indoor Games & Sports Event**

***Carrom Single (Boys)***
1st Prize – Binanda Phukan
2nd Prize – Rahul Dutta
3rd Prize – Drupad Gogoi

***Carrom Doubles (Boys)***
1st Prize – Binanda Phukan, Gitartha Saikia
2nd Prize – Jyotishman Sarmah, Sidhartha Paul
3rd Prize – Kalyan Mech, Bipul Paul

***Carrom Single (Girls)***
1st Prize – Janmoni Gohain
2nd Prize – Kalpana Dhakal
3rd Prize – Shardha Kakati

***Carrom Doubles (Boys)***
1st Prize – Janmoni Gohain, Rimpi Moran
2nd Prize – Roshmi Sarmah, Dipanjali Gohai
3rd Prize – Priyanka Borah, Sibani Paul

***Badminton Single (Boys)***
1st Prize – Tushar Subhra Baruah
2nd Prize – Shimanta Gupta

***Badminton Doubles (Boys)***
1st, Prize - Abhinab Gogoi
Darpan Saikia
2nd Prize – Sidhartha Dugor
Sagar Mili
3rd Prize – Tushar Subhra Baruah

***Badminton Single (Girls)***
1st Prize – Nagma Khan
2nd Prize – Roshmi Sarmah

***Volleyball (Boys) Winner Team***
Gautam Sharmah

Rahul Sarmah
Rajiv Chowrok
Jamal Hussain
Ujjal Kumar
Abhishek Basfar
Pobin Urang
Deepjyoti Bharali

***Arm Wrestling (Boys)***

Champion of the Champion : Hazarat Ali
1st. Runners up : Vikash Agarwal
2nd. Runners up : Pankaj Chowrok

***Arm Wrestling (Boys)***

**(60 -70 kg) weight :**

1st. Prize – Hazarat Ali
2nd Prize – Tikhnojyoti Hazarika
3rd Prize – Farukh Saikh

**(70 - Heavy weight) :**

1st. Prize – Vikash Agarwal
2nd Prize – Pankaj Chowrok
3rd Prize – Nitesh Giri

***Arm Wrestling (Girls)***

Champion of the Champion : Nabanita Chowrok
1st. Runners up : Monika Thapa
2nd. Runners up : Gitika Saikia

***Arm Wrestling (Girls)***

**(45 - 60 kg) weight :**

1st. Prize – Nabanita Chowrok
2nd Prize – Roshmi Sarmah
3rd Prize – Nagma Khan

**(60 - Heavy weight) :**

1st. Prize – Monika Thapa
2nd Prize – Gitika Saikia
3rd Prize – Saswati Bhattacharjee

***Power Lifting***

Strongman of Tinsukia College :
Mr. Nitesh Giri
1st. Runners up : Ananad Agrwal
2nd Runners up : Pankaj Chowrok

***Power Lifting Group A* (Below 70 kg) :**

1st. Prize – Sanku Borah
2nd Prize – Dipak Moran
3rd Prize – Vivek Mondal

***Power Lifting Group B* (Above 70 kg) :**

1st. Prize – Nitesh Giri
2nd Prize – Anand Agarwal
3rd Prize – Pankaj Chowrok

***Body Building***

Mr. Tinsukia College : Hazarat Ali
1st. Runners up : Pankaj Chowrok
2nd. Runners up : Nitesh Giri
3rd. Runners up : Shymaljyoti Chutia

## সাংস্কৃতিক বিভাগ

**জ্যোতি সংগীত**

১ ম পুৰস্কাৰ - ৰিপুঞ্জয় দহোতীয়া
২ য় পুৰস্কাৰ - অভিনয় ঢেকিয়াল ফুকন
৩ য় পুৰস্কাৰ - ময়ূৰী ঠাকুৰ

**ৰাভা সংগীত**

১ ম পুৰস্কাৰ - ৰিপুঞ্জয় দহোতীয়া
২ য় পুৰস্কাৰ - চিমি দাস
৩ য় পুৰস্কাৰ - বৃষ্টি নাথ

**ৰবীন্দ্র সংগীত**

১ ম পুৰস্কাৰ - কিংশুক চৌধুৰী
২ য় পুৰস্কাৰ - ৰিপুঞ্জয় দহোতীয়া
৩ য় পুৰস্কাৰ - স্বাশ্বতী ভট্টাচাৰ্য

**আধুনিক গীত**

১ ম পুৰস্কাৰ - ৰিপুঞ্জয় দহোতীয়া
২ য় পুৰস্কাৰ - অভিনয় ঢেকিয়াল ফুকন
৩ য় পুৰস্কাৰ - সুব্ৰতা দত্ত

**খেয়াল**

১ ম পুৰস্কাৰ - ময়ূৰী ঠাকুৰ
২ য় পুৰস্কাৰ - ৰিপুঞ্জয় দহোতীয়া
৩ য় পুৰস্কাৰ - বৃষ্টি নাথ

**বনগীত**

১ ম পুৰস্কাৰ - ৰিপুঞ্জয় দহোতীয়া
২ য় পুৰস্কাৰ - বৃষ্টি নাথ
৩ য় পুৰস্কাৰ - অভিনয় ঢেকিয়াল ফুকন

**ভূপেন্দ্ৰ সংগীত**

১ ম পুৰস্কাৰ - সুৰেশ গগৈ
২ য় পুৰস্কাৰ - চিমি দাস
৩ য় পুৰস্কাৰ - ৰিপুঞ্জয় দহোতীয়া

**পাৰ্বতীপ্ৰসাদ বৰুৱা গীত**

১ ম পুৰস্কাৰ - ৰিপুঞ্জয় দহোতীয়া
২ য় পুৰস্কাৰ - ময়ূৰী ঠাকুৰ
৩ য় পুৰস্কাৰ - অভিনয় ঢেকিয়াল ফুকন

**লোক গীত**

১ ম পুৰস্কাৰ - চিমি দাস



২ য় পুৰস্কাৰ - ৰিপুঞ্জয় দহোতীয়া
৩ য় পুৰস্কাৰ - সুৰেশ গগৈ

**জয়ন্ত সংগীত**

১ ম পুৰস্কাৰ - ৰিপুঞ্জয় দহোতীয়া
২ য় পুৰস্কাৰ - কিংশুক চৌধুৰী
৩ য় পুৰস্কাৰ - মিঠু গগৈ

**বিহু নাম**

১ ম পুৰস্কাৰ - ৰিপুঞ্জয় দহোতীয়া
২ য় পুৰস্কাৰ - সুৰেশ গগৈ
৩ য় পুৰস্কাৰ - ৰাজু বৰা

**গজল**

১ ম পুৰস্কাৰ - মিঠু গগৈ
২ য় পুৰস্কাৰ - ৰাজনীশ বৰা
৩ য় পুৰস্কাৰ - ৰিপুঞ্জয় দহোতীয়া

**ভজন**

১ ম পুৰস্কাৰ - অভিনয় ঢেকিয়াল ফুকন
২ য় পুৰস্কাৰ - ৰিপুঞ্জয় দহোতীয়া
৩ য় পুৰস্কাৰ - স্বাশ্বতী ভট্টাচাৰ্য

**বৰগীত**

১ ম পুৰস্কাৰ - ৰিপুঞ্জয় দহোতীয়া

**ঢোল বাদন**

১ ম পুৰস্কাৰ - ৰাজু বৰা
২ য় পুৰস্কাৰ - সুৰেশ গগৈ

**বাঁহী বাদন**

১ ম পুৰস্কাৰ - ৰাজু বৰা

**গীতাৰ বাদন**

১ ম পুৰস্কাৰ - ৰিদিপ সোনোৱাল

**বিহু নৃত্য**

১ ম পুৰস্কাৰ - সুশ্মিতা বৰুৱা
২ য় পুৰস্কাৰ - সীমা দুৱৰা
৩ য় পুৰস্কাৰ - দীপিকা খাটোৱাল

**সৃষ্টিশীল নৃত্য**

১ ম পুৰস্কাৰ - দীপিকা খাটোৱাল
২ য় পুৰস্কাৰ - সুশ্মিতা বৰুৱা
৩ য় পুৰস্কাৰ - কমলিকা বৰা

**একক অভিনয়**

১ ম পুৰস্কাৰ - দীপিকা খাটোৱাল
২ য় পুৰস্কাৰ - বিতোপন বৰুৱা
৩ য় পুৰস্কাৰ - ঐশ্চৰ্য বৰুৱা

**কৌতুক অভিনয়**

১ ম পুৰস্কাৰ - ঐশ্চৰ্য বৰুৱা

**মুকাভিনয়**

১ ম পুৰস্কাৰ - বিতোপন বৰুৱা

**সাজ-পাৰ প্ৰতিযোগিতা (ছোৱালী)**

১ ম পুৰস্কাৰ - জাহ্নৱী ৰাজখোৱা
২ য় পুৰস্কাৰ - কমলিকা বৰা
৩ য় পুৰস্কাৰ - চিমি দাস

**সাজ-পাৰ প্ৰতিযোগিতা (ল'ৰা)**

১ ম পুৰস্কাৰ - সঞ্জয় সেন
২ য় পুৰস্কাৰ - ৰাহুল বৰা
৩ য় পুৰস্কাৰ - ৰাহুল দত্ত

## সাহিত্য বিভাগ

***Debating Competition***

1st Prize – Priyanka Sirkar
2nd Prize – Seuj Dohotia
3rd Prize – Hang Subba

***Art Competition***

1st Prize – Raju Das
2nd Prize – Roshmi Singh
3rd Prize – Anisha Shah

***Cartooning Competition***

1st Prize – Ridip Sonowal
2nd Prize – Afsana Begum
3rd Prize – Hang Subba

***Rangooli Competition***

1st Prize – Sujata Gurung
2nd Prize – Roshmi Singh

***Memory Test***

1st Prize – Seuj Dohotia
2nd Prize – Nitish Gogoi
3rd Prize – Bikash Gogoi

***Photography***

1st Prize – Seuj Dohotia
2nd Prize – Khanuj Das
3rd Prize – Maina Chetry

***Collage Competition***

1st Prize – Afsana Begum
2nd Prize – Hang Subba
3rd Prize – Seuj Dohotia
Jabraj Ali

## ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱ আৰু আন্তঃ মহাবিদ্যালয় প্ৰতিযোগিতাত পদকপ্ৰাপ্ত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী



সেউজ দহোতীয়া
ৰূপ। ফটোগ্ৰাফী।



অমৰ লিম্বু
ৰূপ। পেইন্টিং।



আফছানা বেগম
ৰূপ। ক'লাজ।




হাৰ্হি মহাবিদ্যালয়ত অনুষ্ঠিত আন্তঃমহাবিদ্যালয় বেডমিণ্টন প্ৰতিযোগিতাত ৰানাৰ্চ-আপ হোৱা মহাবিদ্যালয়ৰ দলটি



চি-জ'নৰ চেম্পিয়ন মহাবিদ্যালয়ৰ ফুটবল দলটি



পূৰ মণ্ডল আন্তঃবিশ্ববিদ্যালয় যুৱ মহোৎসৱত ডিব্ৰুগড় বিশ্ববিদ্যালয়ক প্ৰতিনিধিত্ব কৰা মহাবিদ্যালয়ৰ ছাত্ৰদ্বয় ক্ৰমে সেউজ দহোতীয়া (ফটোগ্ৰাফী) আৰু ৰিদীপ সোনোৱাল (কাৰ্টুন)




দিখৌমুখ মহাবিদ্যালয়ত অনুষ্ঠিত কৰা আন্তঃমহাবিদ্যালয় ভাৰোত্তোলন, শক্তি উত্তোলন আৰু দেহশ্ৰী প্ৰতিযোগিতাত দুটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হোৱা মহাবিদ্যালয়ৰ ছাত্ৰকেইজন ক্ৰমে পংকজ চাউৰৰ আৰু নীতেশ গিৰী



নেচনেল চাৰ্ভিছ স্কীমৰ দ্বাৰা আয়োজিত শীতকালীন দুঃসাহসিক ক্ৰীড়া প্ৰশিক্ষণত অংশ লোৱা মহাবিদ্যালয়ৰ ছাত্ৰী দীপাঞ্জলি গোহাঁই



দুলীয়াজান জোনালী মহাবিদ্যালয়ত অনুষ্ঠিত কৰা আন্তঃমহাবিদ্যালয় কুইজ প্ৰতিযোগিতাত প্ৰথম স্থান দখল কৰিবলৈ সক্ষম হোৱা মহাবিদ্যালয়ৰ দলটি



অধ্যক্ষৰ সৈতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত অংশগ্ৰহণ কৰি সফলতা অৰ্জন কৰা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী

## সোঁৰৰণিৰ পৃষ্ঠাবোৰ...









মহাবিদ্যালয়ৰ এন চি চি গোট






মহাবিদ্যালয়ৰ এন এছ এছ গোট








অধ্যক্ষৰ সৈতে মহাবিদ্যালয়ৰ নৃত্য দল

# মহাবিদ্যালয়ৰ গৌৰৱ



**ড° ৰত্নগোপাল গগৈ (হিন্দী বিভাগ)**

ডক্টৰেট ডিগ্ৰী লাভ (২০১৬)

বিষয় ঃ নক্টে জনগোষ্ঠীঃ এক সামাজিক-সাংস্কৃতিক অধ্যয়ন

তত্বাৱধায়ক ঃ ড° ভীমকান্ত বৰুৱা, ডিব্ৰুগড় বিশ্ববিদ্যালয়

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM



**ড° সীমা হাজৰিকা দাস**

ডক্টৰেট ডিগ্ৰী লাভ (২০১৬)

বিষয় ঃ Dynamics of Muslim Immigration into Assam : A Socio-Political Study

তত্বাৱধায়ক ঃ ড° গিৰিন ফুকন, ডিব্ৰুগড় বিশ্ববিদ্যালয়



**ড° ৰশ্মি দত্ত**

ডক্টৰেট ডিগ্ৰী লাভ (২০১৭)

বিষয় ঃ Understanding the Third Gender : A Study of Their socio-economic & political status in India.

তত্বাৱধায়ক ঃ ড° আল্পনা বৰগোহাঁই, ডিব্ৰুগড় বিশ্ববিদ্যালয়



**ড° মৃগাংক চৌধুৰী**

ডক্টৰেট ডিগ্ৰী লাভ (২০১৭)

বিষয় ঃ Towards A Pedagogical Model for Teaching English in Indian Context : A study based on Indian English Usage.

তত্বাৱধায়ক ঃ ড° এ.এছ. চৌধুৰী, অসম বিশ্ববিদ্যালয়, শিলচৰ



**গৌৰৱ সেনগুপ্ত**
ইংৰাজী বিভাগ
প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান
স্নাতক (ডিঃবিঃ)



**মৌনিতা বাছাৰ**
প্ৰাণীবিজ্ঞান বিভাগ
প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান
স্নাতক (ডিঃবিঃ)



**ছয়ান্তী দাশগুপ্ত**
পদাৰ্থ বিজ্ঞান বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত সৰ্বোচ্চ নম্বৰেৰে প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান
স্নাতক (ডিঃবিঃ)

# সোঁৱৰণিৰ পৃষ্ঠাবোৰ...



মহাবিদ্যালয়ৰ হীৰক জয়ন্তীৰ শুভাৰম্ভ



মহাবিদ্যালয় সপ্তাহত অতিথি আদৰণি



মহাবিদ্যালয় সপ্তাহৰ অতিথি



মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'ভাস্কৰ' উন্মোচন





'নাক'ৰ দলে মহাবিদ্যালয় পৰিদৰ্শন কৰাৰ মুহূৰ্ত






মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ চেমিনাৰৰ মুহূৰ্ত




মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল



মহাবিদ্যালয়ৰ গাৰ্ডেন পাৰ্ক

# সোৰৰণিৰ পৃষ্ঠাবোৰ...



মহাবিদ্যালয়ত অনুষ্ঠিত গ্ৰন্থমেলাৰ এক দৃশ্য



মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসৰ আবাসীৰ একাংশ





মহাবিদ্যালয়ত অনুষ্ঠিত শংকৰদেৱৰ তিথিত উপস্থিতসকলৰ একাংশ



মহাবিদ্যালয়ত অনুষ্ঠিত ফটোগ্ৰাফী প্ৰদৰ্শনীৰ এক দৃশ্য





মহাবিদ্যালয়ৰ বিহু দল



নবাগত আদৰণি অনুষ্ঠানত সমবেত সংগীত পৰিৱেশন



মহাবিদ্যালয় সপ্তাহৰ সাজপাৰ প্ৰতিযোগিতা

# কেমেৰাৰ লেন্সত...



অৰুজ মৰাণ
ষষ্ঠ যাণ্মাসিক, ভূগোল বিভাগ

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM



জিন্টু গগৈ
ষষ্ঠ যাণ্মাসিক, ভূগোল বিভাগ



লৰেন সোনোৱাল
ষষ্ঠ যাণ্মাসিক, বিজ্ঞান শাখা




কমল মৰাণ
ষষ্ঠ যাণ্মাসিক, কলা শাখা




কিশোৰ বৰুৱা
সহযোগী অধ্যাপক
অৰ্থনীতি বিভাগ

# সোৱৰণিৰ পৃষ্ঠাবোৰ...



মহাবিদ্যালয়ত অনুষ্ঠিত গ্ৰন্থমেলাৰ এক দৃশ্য



মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসৰ আবাসীৰ একাংশ





মহাবিদ্যালয়ত অনুষ্ঠিত শংকৰদেৱৰ তিথিত উপস্থিতসকলৰ একাংশ



মহাবিদ্যালয়ত অনুষ্ঠিত ফটোগ্ৰাফী প্ৰদৰ্শনীৰ এক দৃশ্য





মহাবিদ্যালয়ৰ বিহু দল



নবাগত আদৰণি অনুষ্ঠানত সমবেত সংগীত পৰিবেশন



মহাবিদ্যালয় সপ্তাহৰ সাজপাৰ প্ৰতিযোগিতা

# কেমেৰাৰ লেন্সত...



অৰূজ মৰাণ
ষষ্ঠ ষাণ্মাসিক, ভূগোল বিভাগ

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM



জিন্টু গগৈ
ষষ্ঠ ষাণ্মাসিক, ভূগোল বিভাগ



লৰেন সোনোৱাল
ষষ্ঠ ষাণ্মাসিক, বিজ্ঞান শাখা




কমল মৰাণ
ষষ্ঠ ষাণ্মাসিক, কলা শাখা




কিশোৰ বৰুৱা
সহযোগী অধ্যাপক
অৰ্থনীতি বিভাগ

# শিল্প শৈলী...







হেমচন্দ্র গগৈ, প্রাক্তন ছাত্র





আফছানা বেগম, ষষ্ঠ যাণ্মাসিক, কলা শাখা





ছাবানা বেগম, উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ